# পূৰ্বজ্যোতি

পূৰ্বজ্যোতি কৃষি পাম নিগমৰ ৰূপালী জয়ন্তী

১৭, ১৮ আৰু ১৯ জানুৱাৰী, ১৯৯৮
ডাক ঃ পুলিচুঙনি, গহপুৰ, অসম



OKDISCD

## স্মৃতিগ্ৰন্থ

575

# স্মৃতিগ্ৰন্থ, ৰূপালী জয়ন্তী

## পূৰ্ব্বজ্যোতি কৃষিপাম নিগম

প্ৰতিষ্ঠা ঃ ১৯৭৩ চন

১৭, ১৮ আৰু ১৯ জানুৱাৰী, ১৯৯৮ চন

৩, ৪ আৰু ৫ মাঘ, ১৯১৯ শক

স্থান ঃ বিষ্ণু বৰা ক্ষেত্ৰ

পূৰ্ব্বজ্যোতি কৃষিপাম নিগম

পুলিচোমনী

ডাক ঃ ৭৮৪১৭৮

গহপুৰ, শোণিতপুৰ

অসম

সম্পাদক
ৰূপালী জয়ন্তী উদযাপন সমিতি
পূৰ্ব্বজ্যোতি কৃষিপাম নিগম
ডাক পুলিচোমনী শোণিতপুৰ

সম্পাদক ঃ শ্ৰীদ্ৰোণ কাকতি

OKDISCD

# অৰ্পণ

যিগৰাকী ব্যক্তিৰ উজ্জ্বল আদৰ্শ আৰু কৰ্মৰাজিয়ে জীৱন যুঁজৰ সম্বল কৰিয়াই আনিলে, যিগৰাকী ব্যক্তিৰ আশাসুধীয়া আৰু নিৰৱচ্ছিন্ন বিপ্লৱৰ ফলশ্ৰুতিত 'অসম কৃষিপাম নিগম আইন' আইনত পৰিণত হ'ল, যিগৰাকী ব্যক্তিৰ নিঃস্বাৰ্থ সমাজ সেৱাৰ বিনিময়ত হাজাৰ হাজাৰ দৰিদ্ৰ কৃষি-শ্ৰমিকৰ পৰিয়ালে জীৱিকাৰ উপায় লভিলে, সেইগৰাকী মানৱ-দৰদী, নিঃস্বাৰ্থ স্বদেশপ্ৰেমী তথা ভাৰতবৰ্ষৰ মুক্তি আন্দোলনৰ অসম ৰাজ্যত অন্যতম সেনানী স্বৰ্গীয় বিষ্ণু ৰভা আৰু সতীৰ্থবৃন্দৰ পবিত্ৰ স্মৃতিত এই স্মৃতিগ্ৰন্থখনি অৰ্পণ কৰিলোঁ।

সম্পাদনা সমিতি

OKDISCD

সম্পাদক
কপালী জয়ন্তী উদযাপন সমিতি
পূৰ্বজ্যোতি কৃষিপাম নগম
ডাক পো লচোমাৰি শোণিতপুৰ

-ঃ শ্ৰদ্ধাঞ্জলি ঃ-



পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ জনক, দৰিদ্ৰ, ভূমিহীন কৃষি-শ্ৰমিক পৰিয়ালৰ ত্ৰাণকৰ্তাস্বৰূপ, কৃষিপাম আঁচনিৰ প্ৰকৃত ৰূপ দিওতা, আজীৱন বিপ্লৱী, নিঃস্বাৰ্থ সমাজকৰ্মী, মুক্তিযোদ্ধা স্বৰ্গীয় বিষ্ণু বৰাদেৱৰ অমৰ আত্মাৰ প্ৰতি ৰূপালী জয়ন্তীৰ এই শুভক্ষণত শ্ৰদ্ধাঞ্জলি যাচিলোঁ।

OKDISCD

# শ্ৰদ্ধাঞ্জলি

যিগৰাকী ব্যক্তিৰ আপ্ৰাণ চেষ্টাত গ্ৰাম্য ভূমিহীন কৃষি-শ্ৰমিকসকলে ন্যায্য অধিকাৰ সাব্যস্ত কৰিবলৈ সক্ষম হৈছিল, সেইগৰাকী সমাজবাদী তথা জনহিতাকাংক্ষী ব্যক্তি স্বৰ্গীয় ৰেৱ বৰাদেৱৰ স্বৰ্গগত আত্মাৰ প্ৰতি আমাৰ অকপট শ্ৰদ্ধাঞ্জলি নিবেদন কৰিলোঁ।

আজীৱন সমাজকৰ্মী, ৰাজনীতিবিদ, সুদক্ষ কংগ্ৰেছ কৰ্মী তথা কৃষিপাম নিগমৰ প্ৰথম সঞ্চালক মণ্ডলীৰ এগৰাকী সদস্য স্বৰ্গীয় শশীধৰ গোহাঁইদেৱৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

শিক্ষাবিদ, আজীৱন সমাজকৰ্মী তথা অসম কংগ্ৰেছ কমিটীৰ এগৰাকী নিষ্ঠাৱান আৰু সুদক্ষ সদস্য তথা পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ প্ৰথম সঞ্চালক মণ্ডলীৰ সদস্য, স্বৰ্গীয় নোমলচন্দ্ৰ ভূঞাদেৱৰ বিদেহী আত্মাৰ মঙ্গলাৰ্থে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই শ্ৰদ্ধাঞ্জলি যাচিলো।

যুক্তিবাদী গণনায়ক, কংগ্ৰেছ কৰ্মী, লক্ষীমপুৰ জিলাৰ ধলপুৰ অঞ্চলৰ সৰবৰহী ব্যক্তি তথা পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ প্ৰতিষ্ঠাপক সঞ্চালক মণ্ডলীৰ এগৰাকী কৃতিত্বশীল সদস্য স্বৰ্গীয় দুৰ্গেশ্বৰ পাঠকদেৱৰ অমৰ আত্মাই চিৰশান্তি লাভ কৰকঃ এয়া কামনা কৰি অশ্ৰু অঞ্জলি যাচিলোঁ।

OKDISCD

## ● শুভেচ্ছা বাণী ●



পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ ৰূপালী জয়ন্তী সমাৰোহ অহা ১৭. ১৮ আৰু ১৯ জানুৱাৰী তাৰিখে বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ যো-জা কৰা বুলি জানি নথৈ আনন্দিত হৈছো।

অসমৰ দৰে কৃষিপ্ৰধান ৰাজ্য এখনত পূৰ্ব্বজ্যোতি কৃষিপাম নিগমে বিগত কালছোৱাত পালন কৰা ভূমিকাই কেৱল শোণিতপুৰ জিলাকে উপকৃত কৰা নাই ই সমগ্ৰ ৰাজ্যখনলৈকে এক আশাৰ বাৰ্তা কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ অনুকৰণীয় আদৰ্শ আৰু কৰ্মৰাজিয়ে অসমৰ কৃষিজীৱি জনসাধাৰণক বৰ্তমানৰ চাহিদা পূৰাব পৰাকৈ উপযোগী কৰি তুলিব বুলি আশা কৰিব পাৰি।

নিগমৰ ৰূপালী জয়ন্তী সমাৰোহে কৃষিৰ ক্ষেত্ৰক আৰু অধিক আধুনিক আৰু জনহিতকৰ কৰি তুলিবলৈ প্ৰচেষ্টা চলাব বুলি আশা কৰিলো।

দিশপুৰ

২৬ ডিচেম্বৰ, ১৯৯৭

(প্ৰফুল্ল কুমাৰ মহন্ত)

মুখ্যমন্ত্ৰী, অসম

OKDISCD

# শুভেচ্ছা বাণী



শোণিতপুৰ জিলাৰ অন্তৰ্গত পূৰ্ব্বজ্যোতি কৃষপাম নিগমৰ ৰূপালী জয়ন্তী সমাৰোহ অহা ১৭, ১৮ আৰু ১৯ জানুৱাৰী তাৰিখে তিনিদিনীয়াকৈ পাতিবলৈ আয়োজন কৰা বুলি জানিব পাৰি মই অতিশয় আনন্দিত হৈছো।

ৰাজ্যখনৰ সৰ্বমুঠ এঘাৰখন কৃষিপাম নিগমৰে অন্যতম বৃহৎ পূৰ্ব্বজ্যোতি কৃষিপাম নিগমে আমাৰ কৃষিভিত্তিক অৰ্থনীতিত এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰি আহিছে। কৃষিক বাদ দি অসমৰ আৰ্থ-সামাজিক উন্নয়নৰ কথা ভাবিবই নোৱাৰি। সেয়েহে কৃষিপ্ৰধান ৰাজ্য অসমৰ উন্নয়নত উন্নত আৰু সুচিন্তিত পৰিচালনা আৰু বৈজ্ঞানিক পদ্ধতিৰ কৃষি কৰ্মৰ প্ৰাসঙ্গিকতা দিনকদিনে বৃদ্ধি পাই আহিছে। এইক্ষেত্ৰত পূৰ্ব্বজ্যোতি কৃষিপাম নিগমে এক আদৰ্শ দেখুৱাৰ লগতে অঞ্চলটোৰ কৃষিজীৱি ৰাইজক উৎসাহ-উদ্দীপনা যোগাই আহিছে।

পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ ৰূপালী জয়ন্তী সমাৰোহৰ মই সৰ্বতোপ্ৰকাৰৰ সফলতা কামনা কৰিলো।

(গণেশ কুটুম)
অধ্যক্ষ
অসম বিধান সভা

OKDISCD



## সদিচ্ছা সন্দেশ

প্ৰতি,

শ্ৰীটঙ্ক নেওগ
সম্পাদক, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম ৰূপালী জয়ন্তী সমিতি
ডাক ঃ পুলিচোমনি, শোণিতপুৰ।

মহাশয়,

এই জিলাৰ পূৰ্ব প্ৰান্তত অৱস্থিত স্পৰ্শকাতৰ গহপুৰ বনাঞ্চলত অতি দক্ষতাৰে আপোনালোকৰ এই কৃষিপাম নিগমে দেখুওৱা প্ৰগতি সকলো কৃষিপ্ৰেমী ৰাইজৰ আদৰ্শস্বৰূপ। আপোনালোকৰ ৰূপালী জয়ন্তী উৎসৱ অনুষ্ঠানৰ প্ৰতিটো কাৰ্যসূচী সফল ৰূপায়ণৰ বাবে জিলা প্ৰশাসনৰ তৰফৰ পৰা আপোনালোকলৈ শুভেচ্ছা ৰ'ল। এনেদৰে পৰৱৰ্তী সময়ছোৱাটো আপোনালোকৰ এই কৃষিপামখনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি সফলকাম আশা কৰিলো।

ভৱদীয়
(নৰ কুমাৰ চেতীয়া)
উপায়ুক্ত,
শোণিতপুৰ, তেজপুৰ।

OKDISCD

# ।। কৃতজ্ঞতা জ্ঞাপন।।



শ্ৰীনন্দ বৰা
জন্ম ঃ ১৯৩৯, ফৰকাটিং (কোচগাঁও) গোলাঘাট

সৰ্বহাৰাৰ প্ৰকৃত মুক্তিৰ দাবীত সকলো সময়তে প্ৰতিপক্ষৰ লগত যুঁজ দিওতা শ্ৰীযুত নন্দ বৰাদেৱ শ্ৰমিক-কৃষকৰ প্ৰকৃত বান্ধৱ। বৰাদেৱ নিগম প্ৰতিষ্ঠাৰ প্ৰস্তুতি সমিতিৰ সাধাৰণ সম্পাদক আৰু প্ৰথম সঞ্চালক মণ্ডলীৰ সদস্য আৰু পৰৱৰ্তী এটা সময়ৰ সভাপতি আৰু শেহতীয়াকৈ পূবডুবিয়া গাঁও পঞ্চায়তৰ প্ৰথম সভাপতি ৰূপে নিৰ্বাচিত হয়। আজীৱন সমাজকৰ্মী এইগৰাকী ব্যক্তিৰ মহৎ ত্যাগৰ প্ৰতি কৃতজ্ঞতা জনাই তেখেতৰ দীৰ্ঘায়ু ও সুস্বাস্থ্য কামনা কৰিছোঁ।



শ্ৰীনৃপেন্দ্ৰ কুমাৰ দে
জন্ম ঃ ১৯৩২, নাৰায়ণপুৰ (সক্ৰাহী) লক্ষীমপুৰ

প্ৰত্যেক ব্যক্তিৰ কৰ্মৰাজিৰ মাজেদি প্ৰতিফলিত হয় নিজৰ জীৱন। নিগম প্ৰতিষ্ঠাৰ প্ৰাৰম্ভিক পৰ্যায়ৰ পৰা বৰ্তমানলৈকে মানৱ সেৱাত নিজকে আত্মনিয়োগ কৰা শ্ৰীযুত নৃপেন্দ্ৰ কুমাৰ দে এগৰাকী নিষ্ঠাৱান সমাজকৰ্মী। দে দেৱৰ কৰ্মৰাজিক শলাগ জনাই দীৰ্ঘায়ু ও সুস্বাস্থ্য কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

OKDISCD



# ।। সমাজ সেৱক শ্ৰদ্ধেয় ভৱ শইকীয়া ।।

সমাজ সেৱক শ্ৰীশইকীয়াৰ জন্ম ১৯২৬ চনত। লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰ অঞ্চলৰ শেলকঠীয়া গাঁৱৰ এটি কৃষক পৰিয়ালৰ সন্তান শ্ৰীশইকীয়াই ছাত্ৰ অৱস্থাৰে পৰা দেশপ্ৰেমত উদ্বুদ্ধ হৈ ভাৰতমাতৃক বিদেশীৰ কবলৰ পৰা মুক্ত কৰিবলৈ সংকল্পবদ্ধ হৈছিল। তেতিয়াৰ পৰাই তেখেতে সক্ৰিয়ভাৱে জড়িত হৈ পৰে জাতীয় মুক্তি আন্দোলনত। ১৯৪২ চনৰ "বিদেশী শিক্ষা বৰ্জন"ৰ লগত সংগতি ৰাখি তেখেতে বিদেশী শিক্ষা বৰ্জন কৰে আৰু স্কুলীয়া জীৱন সিমানতে সমাপ্ত কৰি ৰাজনৈতিক জগতত প্ৰৱেশ কৰে। গান্ধী, নেহৰুৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ দেশৰ স্বাৰ্থতে তেখেতে ব্যক্তিগত আশা-আকাংক্ষা বিসৰ্জন দিছিল।

ছাত্ৰ অৱস্থাত শ্ৰীশইকীয়াই ছাত্ৰ সংগঠনৰ কামত আত্মনিয়োগ কৰে আৰু সমগ্ৰ অসমতে ছাত্ৰকৰ্মী হিচাপে পৰিচিত হয়। অসমৰ ছাত্ৰ সমাজৰ একাংশ ছাত্ৰক বামপন্থী ভাবধাৰাই প্ৰভাৱিত কৰিছিল। শ্ৰীশইকীয়াকো সাম্যবাদী নীতি-আদৰ্শই আকৃষ্ট কৰে। ১৯৪২ চনৰ শেষৰ ফালে গোলাঘাটত প্ৰথমে কমিউনিষ্ট পাৰ্টি গঠন কৰা হয়। ১৯৫১ চনত শ্ৰীশইকীয়াই ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ এজন পলাতক নেতাৰ সান্নিধ্য লাভ কৰে। শ্ৰীশইকীয়াই কমিউনিষ্ট পাৰ্টিৰ লগত সেই নেতাজনৰ জৰিয়তে যোগসূত্ৰ স্থাপন কৰিছিল। উত্তৰ লক্ষীমপুৰত কমিউনিষ্ট পাৰ্টি গঠনত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা ব্যক্তিসকলৰ অন্যতম আছিল শ্ৰীশইকীয়া।

১৯৫৩ চনত প্ৰয়াত নেতা বিষ্ণু বৰাই কাৰাগাৰৰ পৰা মুক্ত হৈ পুনৰ পাৰ্টিৰ কামত আত্মনিয়োগ কৰে। উত্তৰ লক্ষীমপুৰত পাৰ্টিৰ সংগঠন শক্তিশালী কৰিবলৈ বিষ্ণু বৰাক দায়িত্ব দিয়া হৈছিল। সুদীৰ্ঘ ২৫ বছৰ কাল শ্ৰীশইকীয়াই তেখেতৰ লগত পাৰ্টিৰ সংগঠনৰকামত যথেষ্ট ত্যাগ তথা কষ্ট স্বীকাৰ কৰিব লগা হয়। শ্ৰীশইকীয়াই লক্ষীমপুৰ জিলাৰ কমিউনিষ্ট পাৰ্টিৰ সাধাৰণ সম্পাদক হিচাপে বহুদিন কাৰ্যনিৰ্বাহ কৰে।

কৃষক আন্দোলনতো শ্ৰীশইকীয়াই সক্ৰিয় ভূমিকা গ্ৰহণ কৰি আহিছে। লক্ষীমপুৰ জিলাৰ কৃষক সভাৰ সাধাৰণ সম্পাদকৰ দায়িত্ব তেখেতে দক্ষতাৰে পালন কৰিছিল। কৃষি-শ্ৰমিকৰ আন্দোলনত তেখেতৰ অংশগ্ৰহণ আছিল নেতৃস্থানীয়। শ্ৰমিকৰ কল্যাণৰ কথা চিন্তা কৰা শ্ৰীশইকীয়া এজন শ্ৰমিক বন্ধু।

পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেখেতৰ অৰিহনা স্মৰণযোগ্য। নিগমৰ প্ৰস্তুতি কমিটীৰ কাৰ্যকৰী সভাপতি হিচাপে নিগম স্থাপনৰ স'তে তেখেত ওতঃপ্ৰোতভাৱে জড়িত আছিল। শ্ৰীশইকীয়া নিগম স্থাপনৰ পিছত গঠিত হোৱা প্ৰথমখন "বোৰ্ড অব্ ডাইৰেক্টৰছ্"ৰ সদস্য নিৰ্বাচিত হৈছিল। তদুপৰি কৃষি-মজদুৰক সংস্থাপন দিবৰ বাবে তেখেতে আন্দোলনৰ পন্থা গ্ৰহণ কৰে। শেষত লক্ষীমপুৰ জিলাৰ একাংশ গৰীব খেতিয়কে এক বিঘাকৈ চৰকাৰী মাটি লাভ কৰিছিল শ্ৰীশইকীয়া আৰু তেখেতসকলৰ কমৰেড্‌সকলৰ প্ৰচেষ্টাত।

শ্ৰীশইকীয়া আজীৱন সমাজকৰ্মী। স্থানীয় ৰাইজ তথা সমাজৰ উন্নয়নৰ কামত তেখেত সদাব্যস্ত। শ্ৰীশইকীয়াক 'মুক্তি যুঁজাৰু' হিচাপে স্বীকৃতি প্ৰদান কৰিছে। অসমৰ বঞ্চিত মুক্তি যুঁজাৰুৰ বাবে তেখেতে নিৰলসভাৱে কাম কৰি আছে। বৰ্তমান শ্ৰীশইকীয়া 'অসম ৰাজ্যিক বঞ্চিত মুক্তি যুঁজাৰু সন্মিলন'ৰ সম্পাদকৰ দায়িত্বত আছে।

একনিষ্ঠভাৱে জনহিতকৰ কামত আত্মনিয়োগ কৰা সমাজ সেৱক শ্ৰীশইকীয়াৰ দীৰ্ঘায়ু কামনা কৰিলো।

*সম্পাদনা সমিতি*

OKDISCD

# সূচীপত্ৰ ঃ


| | | |
|---|---|---|
| কমৰেড বিষ্ণু বৰা | ফণী বৰা | ১ |
| বিহংগম দৃষ্টিৰে শৰৎচন্দ্ৰ সিংহ | জয়া বৰা | ৩ |
| ‘পূৰ্ব্বজ্যোতি কৃষিপাম নিগম’ ঃ জন্মৰ গুৰি কথা | ডম্বৰু বৰা | ৬ |
| জনপ্ৰেমী বিষ্ণু বৰাৰ স্মৃতিত | গৌৰীশঙ্কৰ ভট্টাচাৰ্য | ১০ |
| সমাজকৰ্মী স্বৰ্গীয় ৰেৱকান্ত বৰাৰ সোঁৱৰণত | বুবুল বৰা | ১২ |
| স্মৃতিচাৰণ ঃ পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ জন্মলগ্নৰ | নন্দ বৰা | ১৪ |
| মোৰ জীৱনৰ কেইটামান কথা | ফণী বৰা | ২৯ |
| সমাজকৰ্মী স্বৰ্গীয় পূৰ্ণানন্দ দত্তদেৱৰ সোঁৱৰণত | স্বপ্না বৰা শইকীয়া | ৩৪ |
| ইতিহাসে ৰিঙিয়াই | অনিমা কাকতি | ৩৫ |
| পূৰ্ব্বজ্যোতি কৃষিপাম নিগম প্ৰতিষ্ঠাত কেইটিমান স্মৰণীয় দিন | ৰমা হাজৰিকা | ৩৯ |
| সাম্যবাদৰ এক জ্বলন্ত দৃষ্টান্ত | মুহীউদ্দিন আহমদ | ৪৪ |
| পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ সামাজিক আৰু সাংস্কৃতিক দিশত এভুমুকি | মহেন্দ্ৰ দুৱৰা | ৪৫ |
| স্বামীৰ স্মৃতিত | কিৰণ বৰা | ৫৩ |
| নিগমত সেৱাদলৰ ভূমিকা | তৰুণ বৰা | ৫৪ |
| অসমৰ কৃষি উন্নয়নত চৰকাৰী আঁচনিৰ গুৰুত্ব | অনন্ত শইকীয়া | ৫৫ |
| নিৰাপদ উপায়েৰে ধানৰ মজাখোৱা পোকৰ নিয়ন্ত্ৰণ ব্যৱস্থা | মৌচম হাজৰিকা | ৫৮ |
| পূৰ্ব্বজ্যোতি | টঙ্ক নেওগ | ৬০ |
| পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ যুৱ সমাজৰ দায়িত্ব আৰু কৰ্তব্যবোধ | দণ্ডেশ্বৰ হাজৰিকা | ৬৩ |
| নিগম প্ৰতিষ্ঠাৰ দিশত একলম | শম্ভুৰাম নাথ | ৬৬ |
| ময়েই পূৰ্ব্বজ্যোতি কৃষিপাম নিগম | নীলমণি দুৱৰা | ৬৮ |
| নিগমত কৃষিজীৱী মহিলাৰ অৱদান | গজেন হাজৰিকা | ৭০ |
| পূৰ্ব্বজ্যোতিত শিক্ষাৰ ৰেঙণি | বিনন্দ কুমাৰ দে | ৭২ |
| প্ৰশ্নোত্তৰ | — | ৭৬ |
| কবিতা | — | ৮৭ |
| উদ্‌যাপন সমিতি | — | ৮৮ |
| দান-বৰঙণিৰ তালিকা | — | ৯০ |


OKDISCD

## সম্পাদকীয়

জয়জয়তে কৃষিপাম নিগমৰ সমূহ শুভাকাংক্ষীলৈ ৰূপালী জয়ন্তী বৰ্ষৰ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

ৰূপালী জয়ন্তীৰ স্মৃতিগ্ৰন্থৰ 'সম্পাদকীয়' শিতানত লিখিবলৈ লোৱাৰ প্ৰাক্ মুহূৰ্তত মোৰ মনত পৰিছে সেইসকল ব্যক্তিলৈ, যিসকলৰ নিৰৱচ্ছিন্ন আৰু অক্লান্ত সংগ্ৰামৰ মাজেদি আমি লাভ কৰিলোঁ জীৱন নিৰ্বাহৰ প্ৰকৃত সম্বল; যিসকলে অটব্য অৰণ্যৰ হিংসুক বনৰীয়া জীৱজন্তু, মেলেৰীয়া আৰু অন্যান্য মহামাৰী ৰোগৰ লগত যুঁজ দি হ'লেও অৰ্দ্ধাহাৰী-অনাহাৰী অৱস্থাৰ মাজেদিয়েই ভূমিহীন কৃষকৰ ন্যায্য অধিকাৰ সাব্যস্ত কৰিবলৈ সক্ষম হ'ল। প্ৰাৰম্ভণিতেই তেখেতসকললৈ আন্তৰিক শ্ৰদ্ধাঞ্জলি আৰু হিয়াভৰা ওলগ যাচিলোঁ। কৃষিপাম নিগম আঁচনিৰ প্ৰৱৰ্তকসকলক এই সুযোগতে তেওঁলোকে দেখুওৱা অকৃত্ৰিম ত্যাগৰ বাবে কৃতজ্ঞতা জনালোঁ।

পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ ৰূপালী জয়ন্তীৰ স্মৃতিগ্ৰন্থখনি সম্পাদনাৰ দৰে গধুৰ দায়িত্ব পালন কৰিব পৰাৰ যোগ্যতা প্ৰকৃততে এই অভাজনৰ সমূলি নাই। তথাপি সীমিত জ্ঞান আৰু সামৰ্থকে সম্বল হিচাপে লৈ এই দায়িত্ব মূৰ পাতি লৈ কামত আগবাঢ়িলো। এই দিশত ভুল-ত্ৰুটী মোৰ ক্ষেত্ৰত অতি স্বাভাৱিক। কিয়নো কৃষিপাম নিগম সমূহৰ প্ৰাৰম্ভিক পৰ্য্যায়ৰ বহু কথাই মোৰ জ্ঞাত নহয়।

এফালেদি বিনন্দীয়া প্ৰকৃতিৰ সৌন্দৰ্য-সুষমাৰে ঐশ্বৰ্য্যমণ্ডিত বৃক্ষ-পুষ্প, আনফালেদি হিংস্ৰ বন্যপ্ৰাণীৰ গাৰ নোম শিঁয়ৰি উঠা আতঙ্কজনক তৰ্জন-গৰ্জন— এনে দুই বিসঙ্গতিপূৰ্ণ পৰিস্থিতিৰ মাজত ১৯৭৩ চনৰ কোনোবা এটা শুভক্ষণত জন্মলাভ কৰিছিল পূৰ্ব্বজ্যোতি কৃষিপাম নিগম নামৰ আদৰ্শ সমাজখনে। গ্ৰাম্য ভূমিহীন কৃষি-শ্ৰমিকৰ সংগঠিত প্ৰচেষ্টাত অসমৰ শোণিতপুৰ জিলাৰ (অবিভক্ত দৰং জিলা) গহপুৰ বনাঞ্চলত গঢ় লৈ উঠিছিল এই কৃষিপামে। সদৌ অসমৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা অৱহেলিত, লাঞ্ছিত, পীড়িত কিছুমান মানুহৰ আশা-আকাংক্ষাৰ স্থল এই নিগম। এমুঠি অন্ন, এডোখৰ বস্ত্ৰ, এটুকুৰা আবাসিক ভূমিৰ অভাৱত দুৰ্ভোগ ভুগি অহা, সমসাময়িক সমাজৰ গৰিষ্ঠসংখ্যক লোকৰ ক্ষেত্ৰতে চকুৰ কূটা, দাঁতৰ হুল হিচাপে পৰিগণিত হৈ অহা সৰ্বনিম্ন উপাৰ্জনক্ষম মানুহখিনিৰ আবাসভূমি এই নিগম।

কোনো এক শুভ মুহূৰ্তত অসমৰ আগশাৰীৰ কেইগৰাকীমান মানৱ দৰদীৰ মানসকুঞ্জত ফুলি উঠিছিল এনে এক মহানুভৱ পুষ্প আৰু অসমৰ চতুৰ্দিশে বিয়পি পৰিছিল এই পুষ্পৰ মৃদু-মিঠা সৌৰভ। বক্তৃতাৰ ফুলজাৰি উৰুৱাই জনসাধাৰণক আভুৱাভাৰি বাহঃ বাহঃ ল'বলৈ সামৰ্থ থকা লোকৰ সংখ্যা তাকৰ নহয়, তাকৰ মাথোন কথা আৰু কামৰ সামঞ্জস্য ৰক্ষা কৰি নিঃস্বাৰ্থভাৱে জনসাধাৰণৰ উপকাৰৰ অৰ্থে কিবা এটা কৰি দেখুওৱা কৰ্মীৰহে। এনে এখন সমাজতে কেইগৰাকীমান অসাধাৰণ ব্যক্তিৰ জন্ম হৈছিল, যিকেইগৰাকীৰ নিঃস্বাৰ্থ সেৱা আৰু আশা ওধীয়া প্ৰচেষ্টাৰ বলত লাখ লাখ দৰিদ্ৰ, অনাহাৰী, অৰ্দ্ধাহাৰী মানুহৰ জীৱিকাৰ সূচল এটা পথ মুকলি হৈছিল। সেইকেইগৰাকীৰ ভিতৰত ভাৰত কমিউনিষ্ট দলৰ আগশাৰীৰ নেতা অসম বিধান সভাৰ প্ৰাক্তন বিধায়ক শ্ৰীযুত ফণী বৰা, অসম প্ৰদেশত কমিউনিষ্ট দলৰ প্ৰতিষ্ঠাপক মণ্ডলীৰ অন্যতম সদস্য, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নেতা, পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ জনক আৰু নিগমৰ সঞ্চালক বোৰ্ডৰ প্ৰথম সভাপতি প্ৰয়াত বিষ্ণু বৰাদেৱ, নিগমৰ আইন প্ৰণেতা প্ৰাক্তন অসমৰ মুখ্যমন্ত্ৰী মান্যবৰ শৰৎচন্দ্ৰ সিংহদেৱ, মান্যবৰ যোগেন শইকীয়াদেৱ এইক্ষেত্ৰত অগ্ৰগণ্য। ইয়াৰ উপৰিও অসমৰ লক্ষীমপুৰ জিলাৰ বিপ্লৱী সমাজকৰ্মী পুৰুষ শ্ৰীযুত ভৱ শইকীয়া, শ্ৰীযুত নন্দ বৰা, স্বৰ্গীয় ৰেৱ বৰা, নৃপেন্দ্ৰ কুমাৰ দে, অম্বু শইকীয়া, অকন শইকীয়া প্ৰমুখ্যে কেইগৰাকীমান নেতৃস্থানীয় ব্যক্তিৰ অৱদান আৰু দৰং জিলাৰ (অবিভক্ত) বৰ্তমানৰ শোণিতপুৰ জিলাৰ ডম্বৰু বৰা, ৰমা হাজৰিকা, লোকনাথ বৰা, জোনাৰাম বৰা, দুৰ্গা বৰা, পুষ্প বৰা, কৰ্ণেশ্বৰ ভূঞা, ললীত বৰা, শম্ভুৰাম নাথ প্ৰমুখ্যে ব্যক্তিসকলৰ নিৰৱচ্ছিন্ন সংগ্ৰামৰ কথা এইক্ষেত্ৰত বিশেষভাৱে উল্লেখ কৰিবলগীয়া। অসমৰ অন্যান্য কৃষি-শ্ৰমিককে ধৰি এইসকল বৰেণ্য ব্যক্তিৰ আপ্ৰাণ চেষ্টা আৰু সংগ্ৰামৰ ফলশ্ৰুতিতেই যে কৃষিপাম নিগম নামৰ নিকায়বিধ সংগঠিত হৈছিল আৰু দৰিদ্ৰ, অনাহাৰী মানুহ কিছুমানে পেট পুৰাই দুসাজ খাবলৈ সুবিধা পালে, এই কথা নিৰ্ঘাৎ সত্য। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎচন্দ্ৰ সিংহদেৱ আৰু মান্যবৰ যোগেন শইকীয়াদেৱৰ অকৃত্ৰিম দেশ সেৱা এইক্ষেত্ৰত শ্ৰদ্ধাৰে সোঁৱৰিছোঁ। লগতে নিগমৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বিভিন্ন প্ৰকাৰে সহায়-সহযোগ আগবঢ়াওতা জীৱিত আৰু প্ৰয়াত সকলোলৈকে কৃতজ্ঞতা আৰু শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিছোঁ। বনাঞ্চল ধ্বংস কৰা, বন্যপ্ৰাণীৰ চৰণীয়া পথাৰ মানুহে অধিকাৰ কৰা, এনেবোৰ কাৰ্য চৰকাৰী আইন মতে যে দণ্ডনীয়, এই কথা সৰ্বজনবিদিত; কিন্তু অন্ন-বস্ত্ৰ-বাসস্থানৰ নিম্নতম প্ৰয়োজনীয়খিনিৰো অভাৱত নিষ্পাপ শিশুৰ পৰা আৰম্ভ কৰি অলৰ বুঢ়া-বুঢ়ী পৰ্যন্ত এই সকলো লোকক মুমূৰ্ষ অৱস্থালৈ ঠেলি পঠিওৱাটো আৰু

OKDISCD

চিৰজীৱন পুঁজিপতি, ধনৱন্তসকলৰ নিৰ্মম আচৰণৰ কবলত অৰ্দ্ধজীয়া-অৰ্দ্ধ মৰা জীৱনযাপন কৰিবলৈ এৰি দি নিৰৱ দৰ্শকৰ ভূমিকা পালন কৰাটো জানো পূণ্যৰ কাম হ'ব? এনে ধৰণৰ চিন্তা-ভাৱনাৰ পৰিণতিতেই বোধহয় চৰকাৰৰ বননীতিক উপেক্ষা কৰি হ'লেও অসমৰ সমাজবাদী কংগ্ৰেছৰ বাটকটীয়া প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীসিংহদেৱৰ চেতনাৰ মণিকূটত এনে এক মানৱ দৰদী চিন্তাৰ উন্মেষ হৈছিল।

সমাজবাদ, সাম্যবাদ, গণতন্ত্ৰ— এই তিনিওবিধ আদৰ্শৰ সুষম সমাহাৰত গঢ়ি উঠা এই সমন্বয় ক্ষেত্ৰ নিগমখন সঁচাই বহুৰূপী ফুলেৰে গঁথা এধাৰী সুন্দৰ মালা। বিভিন্ন জনগোষ্ঠীৰ মিলন ক্ষেত্ৰ এই সমন্বয় ক্ষেত্ৰ পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ বিষয়ে কিছু কথা প্ৰকাশ কৰাৰ আগতে নিগমৰ আইন, ইয়াৰ আদৰ্শগত আঁচনিখনৰ সন্দৰ্ভত এক থূলমূল আভাস দাঙি ধৰিব খুজিছোঁ।

মান্যবৰ শ্ৰীযুত শৰৎচন্দ্ৰ সিংহদেৱৰ নেতৃত্বাধীন অসম চৰকাৰে যাইকৈ ভূমিহীন কৃষিজীৱী পৰিয়ালক সংস্থাপন দি আৰ্থিকভাৱে সকাহ দিবৰ কাৰণেই কাৰ্যকৰী কৰিবৰ উদ্দেশ্যে প্ৰৱৰ্তন কৰি লৈছিল কৃষিপাম নিগমৰ এই আদৰ্শ কৃষিভিত্তিক আঁচনিখন। নিগম আইন গৃহীত হোৱাৰ পিছতেই অসমৰ চাৰিও দিশতে লোকৰ বাৰীৰ এচুকত পজাঘৰ সাজি এসাজ খাই তিনিসাজ নাখাই জীৱন ধাৰণ কৰা মানুহখিনিৰ মনত আশাৰ সঞ্চাৰ হ'ল আৰু লগে লগে অসম বিধান সভাৰ মজিয়াত নতুন নতুন কৃষিপাম নিগমে জন্মলাভ কৰিলে। ডিব্ৰুগড়ৰ খোৱাঙত প্ৰতিষ্ঠা হ'ল—'পূবৰুণ কৃষিপাম নিগম', গোলাঘাটৰ বোকাখাটত হ'ল—'পানবাৰী', শিৱসাগৰত—'ভাৰধৰা', লক্ষীমপুৰত—'ৰঙ্গীনদী', ভালুকপুঙত—'শোণিত পুৰ', মৰিগাঁৱত—'কোমোৰাগুৰি', নগাঁৱত—'যমুনা-মাওদাঙ্গা', ধুবুৰীৰ বাহালপুৰত—'চম্পাৱতী', গোৱালপাৰাত—'সিদ্ধাবাৰী-বকাইটাৰী', বঙাইগাঁৱত—'শিলপোটা'। নেকৈ ইখনৰ পিছত সিখনকৈ কৃ,পাম স্থাপিত হোৱাত হাজাৰ হাজাৰ পৰিয়াল সংস্থাপিত হ'ল।

এতিয়া অসমত এই কৃষিপাম নিগমসমূহ কেনেকৈ গঠন কৰা হ'ল সেই বিষয়ে থোৰতে কৈ থ'ব খুজিছো। অসম ৰাজপত্ৰ (অসাধাৰণ) নং ১১ শ্বিলং, বুধবাৰ ফেব্ৰুৱাৰী ২১, ১৯৭৩ পঞ্জীয়ন নং এ-১২-ত প্ৰকাশিত অসম কৃষিপাম নিগম আইন অনুসৰি নিগমসমূহ গঠন কৰাৰ নিয়ম প্ৰণালী সম্পৰ্কত জানিব পাৰি। অসমৰ ভাৰত কমিউনিষ্ট পাৰ্টিৰ কেইগৰাকীমান শীৰ্ষস্থানীয় নেতা, বিশেষকৈ প্ৰাক্তন বিধায়ক ফণী বৰা, স্বৰ্গীয় বিষ্ণু বৰা প্ৰভৃতি ব্যক্তিৰ নেতৃত্বত গ্ৰাম্য ভূমিহীন কৃষি-শ্ৰমিকক ভূমি দিয়াৰ দাবীত অসমত ১৯৫৮ চনৰ পৰা যি প্ৰবল আন্দোলনৰ জোৱাৰ উঠিছিল তাৰ ফলশ্ৰুতিত অসম বিধান সভাত গৃহীত হ'ল "The Assam Agricultural Farming Corporation Rules, 1973. লগে লগে সদৌ অসমৰ বিভিন্ন প্ৰান্তৰ পৰা কৃষি-শ্ৰমিকসকলৰ কৃষিপাম নিগম গঠনৰ প্ৰস্তাৱ আহিল। অসম চৰকাৰে বিধান সভাত গৃহীত আইন অনুসৰি প্ৰতিনিধি পঠাই দিলে এই সন্দৰ্ভত সভা অনুষ্ঠিত কৰিবলৈ। ৰাজ্য চৰকাৰৰ প্ৰতিনিধিয়ে কৃষি-শ্ৰমিকৰ সভা পাতি সংস্থাৰ প্ৰতিবেদন (Memorandum of Association) কৃষকক পাঠ কৰি শুনালে। কৃষিপাম নিগমৰ প্ৰতিবেদন কৃষকসকলে শুদ্ধ আৰু জনহিতকৰ বুলি মানি লৈ তিনি কপি প্ৰতিবেদনত সভাত উপস্থিত থকা পাঁচ ভাগৰ এক অংশ সদস্যই স্বাক্ষৰ কৰে। এই স্বাক্ষৰিত প্ৰতিবেদন কন্ট্ৰোলাৰৰ ওচৰত দাখিল কৰে। কন্ট্ৰোলাৰে প্ৰস্তাৱিত নিগমৰ প্ৰতিবেদনখন চালি-জাৰি চাই পঞ্জীয়নভুক্ত কৰে আৰু পঞ্জীয়ন কাৰ্ড আৰু প্ৰতিবেদনসহ ৰাজ্য চৰকাৰক কৰিবলৈ চৰকাৰক জনায় আৰু প্ৰথম সঞ্চালক মণ্ডলী গঠন কৰিবলৈ চৰকাৰক জনায়। চমুকৈ ক'বলৈ গ'লে এনে পদ্ধতিৰেই অসমত প্ৰথম গঠন কৰা হ'ল পূৰ্ব্বজ্যোতি কৃষিপাম নিগম। সম্প্ৰতি এই আঁচনিখন সমুদায় নিগমৰ ক্ষেত্ৰতে বলবৎ নহ'লেও এটা কথা স্বীকাৰ কৰিবই লাগিব যে নিগম প্ৰতিষ্ঠাৰ আৰম্ভণিৰ পৰা কেইবছৰমানলৈ এই নিগমৰ আইন আৰু আঁচনি অনুসৰিয়েই কাম-কাজ পৰিচালিত হৈছিল। আমাৰ পূৰ্ব্বজ্যোতি কৃষিপাম নিগমতো ইয়াৰ প্ৰয়োগৰ কাম হাতত লোৱা হৈছিল আৰু ন-দহ বছৰমানলৈ অনেক আছকালৰ মাজতো নিগম আঁচনিৰ স্বৰূপ সমাজখনত প্ৰতিফলিত হোৱা দেখা গৈছিল। বৰ্তমানেও ইয়াৰ কিছু শতাংশ হ'লেও বৰ্তি আছে। সেই হেতু এই মূল্যবান জনহিতকৰ আঁচনিখনৰ সামান্য স্বাদ শুভাকাংক্ষীসকলকো দিব খুজিছোঁ।

এতিয়া নিগমৰ প্ৰশাসন ব্যৱস্থা তথা পৰিচালনা সম্পৰ্কত দুআষাৰ কৈ থ'ব বিচাৰিছো। নিগমৰ অংশীদাৰসকলৰ পৰা দহ টকা মূল অংশ (Share capital) আৰু এটকা ভৰ্তি মাচুল লৈ তেওঁলোকক অংশীদাৰভুক্ত কৰা হয়। এই অংশীদাৰ কৃষকসকলক আঠ বিঘা কৃষি মাটি আৰু এবিঘা বাৰী-ঘৰৰ মাটি দিয়া হয়। ৫০৩০ (পাঁচ হাজাৰ) বিঘা মাটিৰ আৱণ্টনেৰে গঠন কৰা হয় পূৰ্ব্বজ্যোতি কৃষিপাম নিগম। কৃষকসকলৰ সৰ্বাঙ্গীন উন্নতি সাধনৰ ওপৰত গুৰুত্ব আৰোপ কৰি গঠন কৰা হয় সঞ্চালক মণ্ডলী। ৫১ শতাংশ চৰকাৰী আৰু ৪৯ শতাংশ নিগমৰ অংশীদাৰৰ মাজত ক্ষমতা বিভাজনেৰে এই সঞ্চালক মণ্ডলী গঠন কৰা হয়। এই সঞ্চালক মণ্ডলীয়ে নিগমৰ সামাজিক সাংস্কৃতিক, অৰ্থনৈতিক আদি সকলো দিশতে চকু দিব লাগে। পূৰ্ব্বজ্যোতি কৃষিপাম নিগমত ৪০০ জন অংশীদাৰক নিগমৰ কন্ট্ৰোলাৰ মহোদয়ৰ যোগে অনুমোদন জনোৱা হৈছিল যদিও ৩৮০ জনহে বৰ্তমান অংশীদাৰ আছে। আঁচনি অনুযায়ী সদস্যসকলৰ পঞ্চাশ শতাংশ চৰকাৰে আৰু বাকী পঞ্চাশ শতাংশ অংশীদাৰসকলে বছৰেকীয়া সাধাৰণ সভাত নিৰ্বাচন কৰিব লাগে। সঞ্চালক মণ্ডলীৰ বৈঠকতে সদস্যসকলৰ মাজৰ পৰা যোগ্য এজন ব্যক্তিক সঞ্চালকসকলে সভাপতি হিচাপে নিৰ্বাচন কৰে।

OKDISCD

ওপৰোক্ত সঞ্চালক মণ্ডলীৰ উপৰিও নিগমৰ কাম-কাজ নিয়াৰীকৈ চলাই নিবৰ বাবে কেবাগৰাকীও বিষয়ববীয়াক চৰকাৰে নিযুক্তি দিয়ে। নিগমৰ বিশেষ বিষয়া, সম্পাদক আৰু পৰিচালক, সহঃ পৰিচালক, টেক্‌নিকেল বিষয়া, মেকানিক, কেচিয়াৰ আদি বিষয়ববীয়াৰ কথা এইক্ষেত্ৰত উল্লেখ কৰিব পাৰি।

নিগমৰ কাম-কাজসমূহৰ ভিতৰত কৃষি কাৰ্যত স্থায়ী জলসিঞ্চনৰ ব্যৱস্থা প্ৰৱৰ্তন; ট্ৰেক্টৰ-পাৱাৰ টিলাৰ আদিৰ যোগান; উন্নত উৎপাদনক্ষম বীজৰ যোগান; কীটানুনাশক ওষধ-পাতিৰ ব্যৱস্থা গ্ৰহণ; বিশুদ্ধ খোৱাপানী যোগান; জনস্বাস্থ্য আৰু পশু চিকিৎসালয় স্থাপন; পথ নিৰ্মাণ; বিদ্যুৎ যোগান; উন্নত ৰাসায়নিক সাৰ যোগান; সাংস্কৃতিক মঞ্চ আৰু ধৰ্মীয় সেৱাৰ স্থল নিৰ্মাণ; বিদ্যালয় স্থাপন, পাট পলুৰ ফাৰ্ম, মুগা পলুৰ ফাৰ্ম, হাঁহ-কুকুৰাৰ ফাৰ্ম আদি স্থাপন ইত্যাদি কথাই উল্লেখ কৰিব পাৰি। এইখিনি কৰোতে প্ৰয়োজন হোৱা অৰ্থৰ যোগান ধৰিবৰ বাবে বিত্তীয় অনুষ্ঠান তথা বেংক আদিৰ পৰা ঋণ সাহায্য গ্ৰহণ কৰিব পাৰে। তদুপৰি অসম এগ্ৰো ইণ্ডষ্ট্ৰিজ, অসম বীজ নিগম আদিৰ পৰাও বিভিন্ন ঋণ সাহায্য গ্ৰহণৰ কথা আঁচনিখনত উল্লেখ পোৱা যায়। এনে ধৰণে কৃষিপাম নিগমৰ উত্থানে নিগমৰ সমূহ জনগণৰ আৰ্থ-সামাজিক উন্নয়নত বিশেষভাৱে প্ৰভাৱ পেলোৱাৰ উপৰিও প্ৰতিবেশী গাঁওবিলাকৰ খেতিয়কসকলৰো অধিক ক্ষমতা অৰ্জনৰ ক্ষেত্ৰত ই আদৰ্শ স্বৰূপ হিচাপে কাম কৰিব পাৰে। কৃষি কাৰ্যত আধুনিক বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ সফল প্ৰয়োগেৰে কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধি আৰু তাৰ যোগেদি প্ৰায় ভূমিহীন কৃষক পৰিয়ালৰ সৰ্বাঙ্গীন উন্নতি সাধন কৰাৰ সংকল্প আগত ৰাখি কৃষিপামৰ আঁচনি চৰকাৰে গ্ৰহণ কৰিছিল যদিও বাস্তৱ ক্ষেত্ৰত অনেক এৰাব নোৱাৰা কাৰণত এই আঁচনি ৰূপায়ণত ফলৱতী হ'ব পৰা নাই।

পূৰ্ব্বজ্যোতি কৃষিপাম নিগমত বিদ্যালয় স্থাপন হ'ল, ডাকঘৰ হ'ল, পশু চিকিৎসাৰ উপকেন্দ্ৰ হ'ল, কৃষি সম্প্ৰসাৰণ কৰ্মীৰ কেন্দ্ৰ আৰু বাসভূমি হ'ল। কিন্তু বিদ্যালয় কেইখনৰ শিক্ষাদান আৰু গ্ৰহণৰ বাহিৰে অন্য কোনো দিশতে উন্নতি নহ'ল। প্ৰাৰম্ভিক পৰ্যায়ৰ কামখিনি দেখি জনসাধাৰণে ভাবিছিল হয়তো এই কৃষিপাম নিগম পদ্ধতি সমাজ তথা দেশৰ আদৰ্শস্বৰূপ হৈ উঠিব। বিশ্বৰ দূৰবাৰত এক জাকত জিলিকা সমাজ ব্যৱস্থাৰ প্ৰচলন হ'ব আৰু দেশে বিদেশে সমাজ সংস্কাৰকসকলৰ মনোভঙ্গী ই সলনি কৰি দিব। কিন্তু সময়ত কি হ'ল?

আমাৰ দেশখন চৰকাৰে কৃষিপ্ৰধান দেশ বুলি কয়। এনে দেশৰ চৰকাৰে কৃষিৰ উন্নয়নৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিলেহে দেশ তথা জাতিৰ উন্নয়ন সাধিত হয়। তেনেস্থলত চৰকাৰে দেখুওৱা মনোভাৱে ইয়াৰ বিপৰীত দিশতহে যোৱা যেন লাগে। কৃষিপাম নিগমৰ সহজ-সৰল মানুহখিনিক ৰাজনৈতিক নেতাই খেলৰ পুতলা বুলি ভবা হ'ল। গঠনমূলক সমালোচনাৰ সলনি সমসাময়িক সমাজৰ পৰা চোকা চোকা বান নিক্ষেপ হ'ল। অৱশেষত নিগমসমূহ ভঙ্গ কৰাৰহে প্ৰস্তাৱ উত্থাপন কৰা হ'ল। কৃষক নেতাৰ দুৰ্দমনীয় হেঁচা প্ৰয়োগতে ভঙ্গ কৰা নহ'ল।

সম্পাদকীয়ত দুআষাৰ লিখিবলৈ গৈ বহু বাহিৰৰ কথা কিছুমানে স্থান দখল কৰিলেহি। তাৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰিলোঁ। এইখিনিতে কৃষিপামৰ আঁচনি প্ৰণেতাসকলৰ ওচৰত বিনম্ৰ অনুৰোধ, যাতে নিগমৰ ভৱিষ্যৎ উন্নতিৰ দিশত আঁচনি প্ৰয়োগৰ বেলিকা অলপ হ'লেও সৎ-চিন্তা, পৰামৰ্শ তথা কাৰ্যপন্থা হাতত ল'বলৈ যত্নপৰ হয়।

স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰা দিনৰে পৰা বৰ্তমানলৈকে যিসকল ব্যক্তি তথা যুৱক-যুৱতীয়ে মোৰ এই কাৰ্যত সহায়ৰ হাত আগবঢ়ালে সেইসকললৈ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ। এইক্ষেত্ৰত বিশেষভাৱে শলাগ ল'ব লাগিব মোৰ ভাতৃপ্ৰতীম দেৱব্ৰত বৰাক। তেওঁ আগবঢ়োৱা সহায়-সহযোগিতাৰ কথা পাহৰিব নোৱাৰো। স্মৃতিগ্ৰন্থ প্ৰকাশৰ বাবে ছপাশালৰ লগত সঘনাই যোগাযোগ ৰক্ষা কৰা; পাণ্ডুলিপি প্ৰস্তুত কৰা আদি কামসমূহত তেওঁ কৰা নেৰানেপেৰা প্ৰচেষ্টাক শলাগ ল'বলগীয়া। সম্পাদনা সমিতিৰ সভাপতি শ্ৰীযুত দাস আৰু সদস্য শ্ৰীদন্দেশ্বৰ হাজৰিকা আৰু ৰিণি বৰাই লিখনিসমূহ প্ৰস্তুত কৰাত বিভিন্ন প্ৰকাৰে কৰা সহায়ৰ বাবে তেখেতসকল প্ৰশংসাৰ যোগ্য। ব্যস্ততাৰ মাজতো বেটুপাত অলংকৰণৰ বাবে শ্ৰীকিশোৰ দাসদেৱলৈ আৰু অতি কমদিনৰ ভিতৰতে স্মৃতিগ্ৰন্থখনি প্ৰকাশ কৰি উলিয়াই দিয়াৰ বাবে প্ৰাগ্‌জ্যোতি এণ্টাৰপ্ৰাইজৰ শ্ৰীবিপুল শীল, শ্ৰীদীপাঙ্ক হাজৰিকা আৰু কৰ্মচাৰীবৃন্দলৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। সদৌ শেষত স্মৃতিগ্ৰন্থৰ বাবে প্ৰয়োজন হোৱা প্ৰবন্ধ-পাতি, তথ্য আদি আৰু প্ৰয়োজনীয় ধনৰ যোগান ধৰাৰ বাবে উদ্‌যাপন সমিতিৰ বিষয়ববীয়া প্ৰমুখ্যে সকলোকে ধন্যবাদ জনাই সম্পাদকীয় শলাগৰ শৰাই আগবঢ়ালোঁ।

শ্ৰীদ্ৰোণ কাকতি
সম্পাদক,
স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি

OKDISCD

# কমৰেড বিষ্ণু বৰা

ফণী বৰা
গুৱাহাটী

প্ৰয়াত বিষ্ণু বৰা এজন আজীৱন দেশ সেৱক আছিল। তেওঁৰ জীৱন নাট আৰম্ভ হৈছিল মহাত্মা গান্ধী, জৱাহৰলাল নেহৰুৱে দাঙি ধৰা দেশপ্ৰেমৰ আদৰ্শ আৰু কৰ্মপন্থাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ। ১৯৪০ চনত তেজপুৰত অসম ছাত্ৰ সন্মিলনীৰ বাৰ্ষিক অধিবেশনত মই বিষ্ণু বৰাক প্ৰথমে কমৰেড় বিষ্ণু বৰা নামেৰে জানিছিলো। সেই সন্মিলনতে প্ৰয়াত বিজয়চন্দ্ৰ ভাগৱতী (পাছত কংগ্ৰেছৰ সৰ্বভাৰতীয় নেতা), বিশ্বদেৱ শৰ্মা (পাছত কংগ্ৰেছ মন্ত্ৰী), স্বৰ্ণলতা মহন্ত (পাছত কংগ্ৰেছ মন্ত্ৰী), পুষ্পলতা দাস (পাছত সাংসদ সদস্যা), মিনাৰাম শইকীয়া, বিষ্ণু বৰা, দধি মহন্ত, কীৰ্তি বৰদলৈ (এওঁলোক যোৰহাটৰ), মদন বৰপূজাৰী (ডিব্ৰুগড়), শ্ৰীমান প্ৰফুল্ল গোস্বামী, উত্তম তহ্‌বিলদাৰ আদি অসমৰ কংগ্ৰেছ, কমিউনিষ্ট আৰু চ'ছিয়েলিষ্ট দলৰ নেতৃত্বত প্ৰতিষ্ঠিত হোৱা ছাত্ৰ নেতাসকলক লগ পাইছিলো। আমি সন্মিলনীৰ আলোচনাত অংশগ্ৰহণ কৰা তথা সভা-শোভাযাত্ৰাত "নট এ মেন নট এ পাই টু দি ইম্পিৰেয়েলিষ্ট ওৱাৰ", "সাম্ৰাজ্যবাদ ধ্বংস হওক", "জয় স্বাধীন ভাৰতৰ জয়", "মহাত্মা গান্ধী কী জয়" আদি ধ্বনি দি তেজপুৰ চহৰ পৰিভ্ৰমণ কৰিছিলো। আমাৰ আগে-পিছে সশস্ত্ৰ ইংৰাজ পুলিচবাহিনী। মই তেতিয়া নগাঁও গৱৰ্ণমেণ্ট হাইস্কুলৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ। যোগেশ শৰ্মা, বিশ্বদেৱ বৰুৱা, ৰূপৰাম সূত আৰু মই নগাঁও জিলাৰ ছাত্ৰ প্ৰতিনিধি আছিলো। সন্মিলনত বিষ্ণু বৰাই সক্ৰিয় অংশগ্ৰহণ কৰিছিল। ছাত্ৰ নেতা বিষ্ণু বৰাই সভাত একেৰাহে কেইবা ঘণ্টাও কথা কোৱা দেখি আচৰিত হৈছিলো। সেই কথাবিলাক মই কিমান বুজি পাইছিলো আজি আৰু মনত নাই। হয়তো ভালদৰে বুজাই নাছিলো। অসম ছাত্ৰ সন্মিলনত মোৰ সেয়ে প্ৰথম যোগদান। তাৰ আগৰছোৱা কেৱল কংগ্ৰেছৰ ভলণ্টিয়াৰহে আছিলো। সেই সময়তে মই কমৰেড় বিষ্ণু বৰাক চিনি পাইছিলো এজন একান্ত মনে দেশ সেৱাত ব্ৰতী ছাত্ৰ নেতা হিচাপে।

১৯৪২ চনৰ কুইট ইণ্ডিয়া মুভমেণ্টত নগাঁৱৰ ছাত্ৰ নেতা হিচাপে আমি ছাত্ৰ-ছাত্ৰীৰ ধৰ্মঘটৰ আহ্বান দিছিলো। অসহযোগ আন্দোলনত অংশগ্ৰহণ কৰি সভা-সমিতি কৰি ফুৰিছিলো। এদিন আবেলি নগাঁও জুবিলী পথাৰত (বৰ্তমান ষ্টেডিয়াম) বিৰাট ছাত্ৰসভা আহ্বান কৰি তাত মই আৰু সুচেন ভূঞাই গৰম বৰ্ক্তৃতা দি আছো, তেনে সময়তে কমৰেড় বিষ্ণু বৰাই মোক বিচাৰি আমাৰ সভাস্থলীত উপস্থিত হৈছিল। কমৰেড় বিষ্ণু বৰা আৰু সহযোগীসকলে যোৰহাটৰ ছাত্ৰ ধৰ্মঘটৰ লগত পিছলৈ সহযোগ নকৰাত জনপ্ৰিয়তা হেৰুৱাইছিল। তেওঁলোকে আমি আগষ্ট আন্দোলনত অংশগ্ৰহণ কৰাতো ভাল পোৱা নাছিল। তাৰ কাৰণ পিছতহে বুজিব পাৰিছিলো। অৰ্থাৎ বিষ্ণু বৰাই ইতিমধ্যে কমিউনিষ্ট পাৰ্টিৰ নীতি গ্ৰহণ কৰিছিল আৰু আমাকো কংগ্ৰেছ আন্দোলনৰ পৰা বিৰত হৈ কমিউনিষ্ট পাৰ্টিৰ নীতি গ্ৰহণৰ কাৰণে বুজনি দিবলৈ আহিছিল। মই বৰাক কৈছিলো যে, লাগিলে হিমালয়ত গৈ সন্ন্যাসী হ'ম কিন্তু ইংৰাজ বিৰোধী সংগ্ৰামৰ পৰা আঁতৰি নাযাও। মই আৰু সুচেন ভূঞা মহা বিপাঙত পৰিছিলো আৰু বিষ্ণু বৰাৰ কথাত হতাশ হৈছিলো। কিন্তু তেওঁ আছিল নাচোৰবান্দা। তেওঁ সেই সময়ৰ ফেচিষ্ট বিৰোধী সংগ্ৰাম আৰু জাতীয় মুক্তি সংগ্ৰাম যে একেডাল দোলেৰে বন্ধা, সেই যুক্তি দি ফেচিষ্ট বিৰোধী সংগ্ৰামৰ দ্বাৰাই ভাৰতৰ স্বাধীনতা অনা সম্ভৱ বুলি আমাক পতিয়ন নিয়াবলৈ অহোপুৰুষাৰ্থ কৰিছিল। ১৯৪২ চনৰ আগষ্ট আন্দোলনৰ দুই-তিনি মাহমানৰ পাছত আমি কমিউনিষ্ট নীতি আৰু আদৰ্শ গ্ৰহণ কৰাৰ পক্ষে মানসিকভাৱে প্ৰস্তুত হৈছিলো। তেতিয়া আগষ্ট আন্দোলনত একপ্ৰকাৰ ভাটা আহিছিল। মোকে ধৰি এঘাৰজনমান ছাত্ৰ আৰু কৃষক কৰ্মীক গোলাঘাটত একত্ৰ কৰি এখন মাৰ্ক্সবাদী-লেনিনবাদী শিক্ষা শিবিৰৰ আহ্বান কৰিছিল গোলাঘাটৰ যদু শইকীয়া, ধীৰেণ দত্ত আৰু বিষ্ণু বৰাই লগ লাগি। সেই শিবিৰৰ শিক্ষক আছিল "নিখিল ভাৰত ছাত্ৰ ফেডাৰেছন"ৰ যুটীয়া সম্পাদক প্ৰশান্ত সান্যাল। আমি কেইজনে মিলি অসম উপত্যকা কমিউনিষ্ট জিলা সংগঠন এটা প্ৰথমে স্থাপন কৰোহঁক। যদু শইকীয়াক অস্থায়ীভাৱে সম্পাদকৰ দায়িত্ব দিয়া হৈছিল। তাৰ দুমাহমান পাছত গোলাঘাটতে ডাঙৰকৈ এখন আসাম কমিউনিষ্ট সন্মিলনৰ আহ্বান কৰি ১৯৪৩ চনৰ জানুৱাৰী মাহত এখন প্ৰাদেশিক সংগঠন কমিটী গঠন কৰা হয় আৰু তাতে বীৰেশ মিশ্ৰক সম্পাদক আৰু বিষ্ণু বৰা, জ্যোৰ্তিময় নন্দী, যদু শইকীয়াক লৈ এখন অস্থায়ী প্ৰদেশ কমিটী গঠন কৰা হৈছিল। এই সময়ত বিষ্ণু বৰাই অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল।

কমৰেড় বিষ্ণু বৰাই কৃষক সংগঠন, কৃষি মজদুৰ সংগঠন আদিৰ নেতৃত্ব বহন কৰিছিল। জীৱনৰ শেষ মুহূৰ্তলৈকে তেওঁ কৃষকৰ মাটি দখল আন্দোলন, জমিদাৰী উচ্ছেদ আন্দোলন, কৃষি সমবায় গঠনৰ বাবেই নিৰৱচ্ছিন্নভাৱে কাম কৰি গ'ল। শ্ৰীশৰৎচন্দ্ৰ সিংহৰ মুখ্যমন্ত্ৰিত্বৰ সময়ত উদাৰপন্থী আৰু প্ৰগতিবাদী মুখ্যমন্ত্ৰীজনাই দুখীয়া কৃষক আৰু কৃষি-শ্ৰমিকৰ স্বাৰ্থত কমিউনিষ্টসকলৰ লগত সহযোগিতা কৰি গোটেই অসমত কৃষিপাম নিগম খোলাৰ এক অভিনৱ পন্থা গ্ৰহণ কৰোতে বিষ্ণু বৰাই আগ ভাগ লৈছিল। শোণিতপুৰ জিলাৰ গহপুৰ অঞ্চলৰ পৰা অৰুণাচল প্ৰদেশৰ নামনিয়ে নামনিয়ে উত্তৰ লক্ষীমপুৰৰ বিহপুৰীয়া অঞ্চললৈকে বৃহৎ অংশত বিষ্ণু বৰা আৰু কমিউনিষ্ট

OKDISCD

পাৰ্টিৰ সদস্যসকলৰ তৎপৰতাত কৃষিপাম নিগম স্থাপন কৰি মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহৰ পৰিকল্পনা কাৰ্যত ৰূপান্তৰ কৰাৰ চেষ্টা কৰা হৈছিল।

বিষ্ণু বৰাই ১৯৩২-৩৩ চনত ইংৰাজৰ বিৰুদ্ধে যুঁজ দি কাৰাবৰণ কৰিব লগা হৈছিল। ১৯৪৮-৪৯ চনত কমিউনিষ্ট হিচাপে আত্মগোপন কৰি নানান কষ্টত জীৱন কটাইছিল। পুনৰ ১৯৫০ চনত তেওঁক গ্ৰেপ্তাৰ কৰি জেইল বন্দী হিচাপে ৰাখে।

বৰাই যোৰহাট, গোলাঘাটত কমিউনিষ্ট আন্দোলন আৰম্ভ কৰি ডিগবৈ, ডিব্ৰুগড়তো পাৰ্টিৰ সংগঠনৰ কামত আত্মনিয়োগ কৰিছিল। তেওঁ ডিব্ৰুগড় অঞ্চলত পাৰ্টি গঠন কৰি পাৰ্টিৰ ব্যাপক গণ ভিত্তি তৈয়াৰ কৰাৰ কথা মই ছাত্ৰ নেতা হিচাপে তাত গৈ দেখিছিলো। বৰাই তৃণমূলত কাম কৰি কৃতকাৰ্যতা লাভ কৰা এজন প্ৰধান অসমীয়া কমৰেড্। পাছত তেওঁক উত্তৰ লক্ষীমপুৰ অঞ্চলত পাৰ্টি সংগঠন কৰিবলৈ পঠোৱা হৈছিল। কমৰেড্ বৰাই সেই অঞ্চলত পাৰ্টি গঠন কৰি ব্যাপক গণ ভিত্তি ৰচনা কৰাত পাৰদৰ্শিতা প্ৰদৰ্শন কৰিছিল। উত্তৰ লক্ষীমপুৰ জিলাত তেতিয়া অন্তৰ্ভুক্ত আছিল ধেমাজী-ঢকুৱাখানা অঞ্চল। সেই অঞ্চলসমূহত উচ্চ হিন্দু, পিছপৰা হিন্দু, মুছলমান, মিচিং, আহোম, কছাৰী, দেউৰী আদি সকলো সম্প্ৰদায়ৰ মাজত ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ সংগঠন গঢ়ি তোলাত বিষ্ণু বৰাৰ অৱদান কোনেও পাহৰিব নোৱাৰে। কমৰেড্ বৰাই জংঘল ভাঙি খেতি কৰা কৃষকৰ দৰে আগতে নথকা ঠাইত প্ৰথম কমিউনিষ্ট পাৰ্টি আৰু কৃষক আন্দোলন গঢ়িব পাৰিছিল। মই দীৰ্ঘদিনৰ সহকৰ্মী হিচাপে কমৰেড্ বৰাৰ গুণ, দোষ ভালকৈ বুজিছিলো আৰু তেওঁক সহায় কৰিবলৈ যত্ন কৰিছিলো।

কমৰেড্ বৰাই গুৱাহাটীৰ গণেশগুৰি চাৰিআলিত দুৰ্ঘটনাত পতিত হৈ অকালতে মৃত্যুবৰণ কৰিলে। তেওঁৰ মৃত্যুত পৰিয়ালৰ বাহিৰেও কৃষক-শ্ৰমিকসকলে তেওঁলোকৰ এজন নেতা হেৰুৱালে। শ্ৰীযুত শৰৎচন্দ্ৰ সিংহদেৱে তেওঁৰ পৰিকল্পনা আশাশুধিয়াকৈ লাগি কাৰ্যকৰী কৰিব খোজা এজন নিঃস্বাৰ্থ দেশকৰ্মী হেৰুৱালে। আনহাতে আমি কমিউনিষ্টসকলেও এজন কৃষক-শ্ৰমিক বন্ধু অকালতে হেৰুৱাই মনতে বৰ কষ্ট পালো। কমৰেড্ বিষ্ণু বৰাৰ মৃতদেহ আমাৰ ৰাজগড়স্থিত (গুৱাহাটী) পাৰ্টি অফিচলৈ আনোতে বৰাৰ মৃতদেহৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰি পাৰ্টিৰ কমৰেড্সকলে এজন সহকৰ্মী হেৰুওৱাৰ শোকত চকুলো টুকিছিল। তেওঁৰ অকাল বিয়োগত মই নিজেও মৰ্মান্তিক বেজাৰ পাইছিলো। মোৰ বিশ্বাস, কমৰেড্ বিষ্ণু বৰা তেওঁৰ সহকৰ্মী আৰু কৃষক-মজদুৰৰ স্মৃতিত এতিয়াও জীয়াই আছে আৰু চিৰদিন সেই স্মৃতি সজীৱ হৈ জীয়াই থাকিব।

---

# ৰূপান্তৰ

**কবিতা ভূঞা**

*শোণিতপুৰৰ এটি কোনৰ*
*পূৰ্ব্বজ্যোতি নিগম;*
*ইয়াতেই উৰিছিল এদিন*
*ভ্ৰাতৃঘাতী সংঘৰ্ষৰ ৰক্তাক্ত নিচান।*
*আপোচ বান্ধেৰে পুনঃ গঢ়িলে সভ্যতা*
*আৰম্ভ হ'ল পৌনঃ পৌনিক যাত্ৰা।*
*খোজৰ ধূলিত যৌৱনৰ অলিক বাসনা*
*আৰু অন্তহীন সপোন উৰুৱাই*
*পালেহি আজি ৰূপালী জয়ন্তীৰ বৰ্ষ।*
*ঘৰে ঘৰে গাঁৱে গাঁৱে বিচাৰি বৰঙণি*
*কষ্ট আৰু প্ৰতাৰণা নেওচি*
*পালেহি আহি আকাংক্ষিত এই ক্ষণ;*
*এনেকৈয়ে.........*
*বহু প্ৰচেষ্টা আৰু প্ৰেৰণাৰ তপত উমত*
*প্ৰস্ফুটিত হ'ল পৱিত্ৰ মিলন ক্ষেত্ৰ,*
*যেন বোকাত পদুমৰ উৎস।*
*এনেকৈয়ে.........*
*বহু প্ৰচেষ্টা আৰু প্ৰেৰণাৰ তপত উমত*
*বিপুল সম্ভাৱনাৰ প্ৰতিশ্ৰুতি লৈ*
*এমোকোৰা হাঁহিৰে আচল পাতি*
*এয়া আমাৰ স্মৃতিগ্ৰন্থ।*
*আমাৰ যাত্ৰা হওঁক সুদূৰপ্ৰসাৰী*
*বেদনা হওঁক ক্ষন্তেকৰ*
*সংঘাট হওঁক ৰূপান্তৰৰ বাহক।*
*ইতিহাস গৰকি*
*ঐক্য আৰু সংহতিৰ বীজ সিঁচি*
*প্ৰগতিৰ মেহগনি গজাম আমি।*
*আমাৰ আদৰ্শ হওঁক প্ৰসাৰিত*
*লাঞ্চিত-বঞ্চিতজনৰ প্ৰেৰণা হৈ*
*শকুনিৰ চক্ৰবেহু, কৰ্ণৰ বন্ধুত্ব ভেদি*
*যোগ্যজনৰ আসনৰ হওঁক আয়োজন;*
*পৰমজনৰ শুভাশীষ বাঞ্চিত আমাৰ*
*এনে মহান আদৰ্শ হওঁক সুদূৰপ্ৰসাৰী*
*যুগান্তকাৰী-------!!*

OKDISCD

# বিহঙ্গম দৃষ্টিৰে শৰৎচন্দ্ৰ সিংহ

জয়া বৰা

মানুহৰ জীৱনৰ মূল্য দুখ আৰু বেদনাৰে নিৰূপিত নহয়, নিৰূপিত হয় কাৰ্যাৱলীৰ গুৰুত্বৰ ওপৰতহে। দৃঢ়তা, কৰ্মশক্তি, কৰ্মনিষ্ঠা, সততা, মানৱীয় মূল্যবোধৰ দৃষ্টিভংগীয়ে এজন মানুহৰ যিদৰে ব্যক্তিত্ব গঠন কৰে, তেনেদৰে ব্যক্তিত্বৰ পূৰ্ণ বিকাশত প্ৰকাশ পায় কোনো এজন মানুহৰ জীৱন। জীৱন পৰিক্ৰমাত ঐশ্বৰিক শক্তিৰে নহয়, নিজৰ কৰ্মশক্তিৰ দ্বাৰাহে মানুহ মহান হ'ব পাৰে, অসাধাৰণ ব্যক্তিত্বৰ অধিকাৰী হ'ব পাৰে। তেনে এজন লোক হ'ল শৰৎচন্দ্ৰ সিংহ।

এই ব্যক্তিজনাৰ জীৱনৰ কৰ্মৰাজি ফঁহিয়াই চালে জুলিয়াছ চিজাৰৰ এষাৰ বাক্যলৈ মনত পৰে-- "Sometimes men are the master of their facts." এই বাণীসমূহ যেন শৰৎচন্দ্ৰ সিংহদেৱৰ জীৱনতেই প্ৰতিফলিত হৈছে।

এই ব্যক্তিজনাৰ জীৱন চৰিতৰ ওপৰত সমালোচনাত্মক বিশ্লেষণ আগবঢ়োৱাৰ সামৰ্থ্য আমাৰ নাইচ আমি মাত্ৰ তেখেতৰ জীৱনৰ কৰ্মৰাজিত প্ৰতিফলিত হোৱা ব্যতিক্ৰমধৰ্মী ব্যক্তিত্ব, নৈতিক মহত্ব আৰু গভীৰ আদৰ্শনিষ্ঠাৰ এটি চমু আভাষ দিবলৈহে চেষ্টা কৰিছো।

শ্ৰীযুত শৰৎচন্দ্ৰ সিংহদেৱৰ জন্ম হৈছিল ১৯১৪ চনৰ জানুৱাৰী মাহৰ পহিলা তাৰিখে বিলাসীপাৰা জিলাৰ চাপৰ মৌজাৰ অতি পিচপৰা গাঁও-- ভকতপাৰাত। তেখেতৰ পিতৃ আছিল গাঁৱৰ দৰিদ্ৰ কৃষক লালসিং সিংহ আৰু মাতৃ আয়াসিনী দেৱী। নাঙলৰ সীৰলুত আৰম্ভ হৈছিল তেখেতৰ শৈশৱৰ শিক্ষা। পিতৃ লালসিং সিংহই অল্প বিদ্যাৰেই পুত্ৰক এজন বিদ্বান পুৰুষ কৰি গঢ়ি তুলিছিল। খেতি কৰাৰ মানসিকতা, ধৰ্ম সম্পৰ্কীয় নিৰ্ভুল ধাৰণা, কৰ্মনিষ্ঠা, সাহসিকতা, দেশৰ প্ৰতি প্ৰেম, ভক্তি আৰু দায়বদ্ধতাৰ বীজ তেখেতৰ মনত দেউতাকৰ পৰাই অংকুৰিত হৈছিল। মাতৃ আয়াসিনী দেৱীৰ আক্ষৰিক জ্ঞান নাছিল। অথচ কামৰ দ্বাৰা বা অভিজ্ঞতাৰ জৰিয়তে কেনেকৈ শিক্ষা লাভ কৰিব পাৰি এই বিষয়ে তেওঁ পুত্ৰক সৰুৰে পৰাই শিকাইছিল।

গাঁৱৰ প্ৰাইমেৰী বিদ্যালয়তে তেখেতে আনুষ্ঠানিক শিক্ষা আৰম্ভ কৰে। ১৯২৭ চনত এল-পি পৰীক্ষা দি বৃত্তি লাভ কৰে। তাৰপিছত চাপৰৰ এম-ভি স্কুলত ভৰ্তি হয়। ১৯৩০ চনত এম-ভি পৰীক্ষা পাছ কৰে। সেইসময়ত চাপৰত কোনো হাইস্কুলীয়া শিক্ষাৰ অনুষ্ঠান নথকাৰ বাবে তেখেত বিলাসীপাৰালৈ যাবলগা হৈছিল। আৰ্থিক অনাটনৰ বাবে তেখেতে হোষ্টেলত থাকিব পৰা নাছিল। তাৰ পৰিৱৰ্তে হাকামা গাঁৱৰ নিশিনাথ চক্ৰৱৰ্তীৰ ঘৰত থাকিহে অন্যান্য কামৰ মাজেৰেই শিক্ষা লাভ কৰিবলগা হৈছিল। সেই সময়তে তেওঁৰ নেতৃত্বত বিভিন্ন ঠাইৰ পৰা হাকামা গাঁৱত থাকিবলৈ অহা ছাত্ৰসকল একেলগ হৈ "হাকামা ষ্টুডেণ্ট ক্লাব আৰু লাইব্ৰেৰী" নামৰ এটা সংগঠনৰ জন্ম দিছিল। এই সংগঠনৰ জৰিয়তে ছাত্ৰসকলে যাতে মানসিক আৰু নৈতিক শিক্ষা লাভ কৰিব পাৰে তাৰবাবে বিভিন্ন সময়ত তৰ্ক প্ৰতিযোগিতা, সাহিত্য আলোচনা, গল্প-কবিতা, নৃত্য-গীত, সমসাময়িক বিষয়ৰ চিন্তা-চৰ্চা আদিৰ আয়োজন কৰিছিল।

ইয়াৰ পৰাই এই কথা অতি স্পষ্ট হৈ পৰে যে শিক্ষা জীৱনতে তেখেতে সুদৃঢ় নেতৃত্ব দিব জানিছিল। তেওঁ সপ্তম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ 'ডবল প্ৰমোচন' পাইছিল নিজৰ মেধাশক্তিৰ বাবেই। বিভিন্ন অসুবিধাৰ মাজেৰেই ১৯৩৫ চনত তেখেতে প্ৰথম বিভাগত মেট্ৰিকুলেচন পৰীক্ষাত উত্তীৰ্ণ হয় আৰু গুৱাহাটীৰ কটন কলেজত নামভৰ্তি কৰে। আৰ্থিক অনাটনৰ বাবে এইবাৰো তেওঁ হোষ্টেলত থকাৰ পৰা বঞ্চিত হয়। মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগ পোৱাৰ বাবে তেওঁ এইসময়তে ১০ (দহ) টকাৰ বৃত্তিও পায়। শৰৎচন্দ্ৰৰ নিজৰ ভাষাত-- "এজন দৰিদ্ৰ ছাত্ৰৰ আৰ্থিক সমস্যাৰ নিবাৰকৰণ আৰু কিশোৰ মনৰ সুখ-দুখৰ কথা সেই মনিঅৰ্ডাৰৰ টকাতেই লুকাই আছিল।" ইয়াৰ উপৰিও কটন কলেজত পঢ়ি থাকোতে 'গোৱালপাৰা মেচ'ৰ দৈনন্দিন ঘটনাবোৰ ফঁহিয়াই চালে আমি উপলব্ধি কৰিব পাৰো যে তাৰ পৰাই তেখেতৰ কৌতুকপূৰ্ণ বিধানসভাৰ পৰাই পৰৱৰ্তী ৰাজনৈতিক জীৱনত শৰৎচন্দ্ৰ বিধানসভাৰ বাস্তৱ মজিয়াত যেন উপস্থিত হৈছিলহি। সেই মেচত থকা কালতে তেখেত অম্বিকাগিৰি ৰায়চৌধুৰীৰ সংস্পৰ্শলৈ আহে আৰু দেশজুৰি হোৱা জাতীয়তাবাদী চিন্তা-ভাৱনাৰ কা য চাপিবলৈ সক্ষম হৈছিল। তেখেতৰ কলেজীয়া জীৱনটো অন্য আৰু কেইটামান বিষয়ত উল্লেখযোগ্য কিয়নো এই সময়ছোৱাত তেখেতৰ মনত জাতীয় চেতনাৰ উপলব্ধি ঘটিছিল। তেখেতৰ মন আকৰ্ষিত হৈছিল গান্ধীবাদৰ প্ৰতি। এইদৰেই বিভিন্নধৰণৰ সামাজিক, গঠনমূলক কাৰ্যাৱলীৰ যোগেদি শৰৎচন্দ্ৰ সিংহৰ কলেজীয়া জীৱন অতিবাহিত হৈছিল। তেখেতে ১৯৩৭ চনত আই-এছ-চি আৰু ১৯৩৯ চনত বি-এছ-চি পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয়। তাৰপিছতেই তেওঁ উচ্চ শিক্ষা গ্ৰহণৰ বাবে কাশী হিন্দু বিশ্ববিদ্যালয়লৈ যায় আৰু একেলগেই

OKDISCD

এম-এ আৰু আইন অধ্যয়ন কৰে। কিন্তু তেওঁৰ উচ্চ শিক্ষা সম্পূৰ্ণ নহ'ল। আইনৰ পৰীক্ষাত তেওঁ সুখ্যাতিৰে প্ৰথম শ্ৰেণী পাই উত্তীৰ্ণ হয়।

দ্বিতীয় মহাসমৰৰ ঢৌৱে সেই সময়ৰ ভাৰতবৰ্ষক বাৰুকৈয়ে জোকাৰি যায়। মহাত্মা গান্ধীৰ যি বাণী, স্বাধীনতা সংগ্ৰামৰ মহান আহ্বানে তেখেতক অনুপ্ৰাণিত কৰে আৰু অৱশেষত এম-এ পৰীক্ষা নিদিয়াকৈয়ে তেখেতে শিক্ষা জীৱনৰ সামৰণি মাৰে।

ৰাজনৈতিক নেতা হিচাপে তেখেতক মূল্যায়ন কৰাতকৈ ব্যক্তি হিচাপেহে তেখেতক অংকিত কৰাটো যথোপযুক্ত হ'ব, কাৰণ সাম্প্ৰতিক জটিল যুগসন্ধিক্ষণৰ সোঁতৰ বিপৰীতে আজিকোপতি নিজকে নিজৰ আদৰ্শ আৰু কৰ্মৰাজিত আত্মনিয়োগ কৰি ৰখাটোৱেই সৰ্বসাধাৰণৰ মাজত অসাধাৰণ হিচাপে তেখেতক পৰিগণিত কৰিছে। তেখেতৰ কৰ্ম-জীৱন শিক্ষা আৰু ৰাজনীতিৰ সংগমস্থল। তেখেতৰ সমগ্ৰ কৰ্ম-জীৱন কথা আৰু কামৰ সংগতিৰে উজ্জ্বল। তেখেতে কাম কৰে কামৰ বাবেচ আদৰ্শৰ সন্মুখত ব্যক্তিগত লাভালাভ তুচ্ছ। আজি চাৰি কুৰিৰ দেওনা পাৰ হোৱাৰ পিছতো তেখেত একেটা গতিৰেই গৈ আছে। ই নিশ্চয় এটা জাতিৰ বাবে প্ৰেৰণাৰ উৎস।

১৯৩৯ চনত অভয়াপুৰীৰ চৰকাৰী স্কুলত তেখেতে শিক্ষকৰ চাকৰি লাভ কৰিছিল, যদিও সেই চাকৰি তেওঁ আইন আৰু এম-এ পঢ়ি থকাৰ বাবে কৰিব নোৱাৰিলে। ইয়াৰ পিচত তেওঁ অভয়াপুৰীৰে অভয়েশ্বৰী স্কুলত বিজ্ঞান বিষয়ৰ শিক্ষক হিচাপে চাকৰি কৰে। ১৯৪২ চনৰ পৰা ১৯৪৪ চনলৈ তেওঁ বীৰঝৰা হাইস্কুলৰ প্ৰধানশিক্ষক আছিল। তেখেতৰ শিক্ষকতাৰ অন্য এটি বিশেষ কৰ্মক্ষেত্ৰ আছিল চাপৰ হাইস্কুল। শিক্ষক হিচাপে সিংহদেৱে কৰ্মনিষ্ঠা, কৰ্তব্যপৰায়ণতা আৰু দায়িত্ববোধৰ এক উজ্জ্বল চিনাকি দিয়ে বিভিন্ন কাৰ্যাৱলীৰ যোগেদি। কাৰণ এই সময়ছোৱাতে তেখেতে শিক্ষাদানৰ দৰে মহান কৰ্তব্যত আত্মনিয়োগ কৰি সমসাময়িক সমাজখনক শুদ্ধ পথেৰে পৰিচালিত কৰিবলৈ সক্ষম হৈছিল। তেখেত শিক্ষক হৈ থকা কালছোৱাতে সেই সময়ত দেখা দিয়া বিভিন্ন সামাজিক সমস্যাৰ বিপক্ষে সাহসেৰে থিয় দিছিল আৰু আৰ্থিকভাবে দুৰ্বল লোকসকললৈকো সহায়ৰ হাত আগবঢ়াই আহিছিল।

তেখেতৰ কৰ্ম-জীৱনৰ দ্বিতীয় অধ্যায় আৰম্ভ হয় ১৯৪৫ চনৰ পৰা। ১৯৪৫ চনত তেখেত লোকেল ব'ৰ্ডৰ সদস্য নিৰ্বাচিত হয়। ১৯৪৬ চনত বিধানসভাৰ সদস্য হিচাপে নিৰ্বাচিত হোৱাৰ পিচৰে পৰাই তেখেতৰ ৰাজনৈতিক জীৱন আৰম্ভ হয়। তেখেতৰ ৰাজনৈতিক কৰ্ম-জীৱনৰ গুৰুত্বপূৰ্ণ কালছোৱা হ'ল ১৯৭২ চনৰ পৰা ১৯৭৮ চনলৈ। এই সময়ছোৱাত তেখেত অসমৰ মুখ্যমন্ত্ৰী আছিল। তেখেত ১৯৫২ চনৰ পৰা ১৯৫৯ চনলৈকে গুৱাহাটী মেডিকেল কলেজ আৰু গাণ্ডু কলেজৰ 'গভৰ্নিং ব'ডি'ৰ সভাপতি আছিল। তাৰপিছত ১৯৭১ চনৰ পৰা ১৯৭২ চনলৈ 'অইল ইণ্ডিয়া লিমিটেড'ৰ চেয়াৰমেন হয়। ১৯৫২ চনৰ পৰা ১৯৫৯ চনলৈকে তেখেতে সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰা অনুষ্ঠানসমূহ হ'ল-- উত্তৰ-পূব সীমান্ত ৰেলৱেৰ কৰ্মীসংঘ, গড়কাপ্তানি কৰ্মীসংঘ, কামৰূপ ঔদ্যোগিক কৰ্মীসংঘ, ধুবুৰী জিলা কংগ্ৰেছ কমিটী। ১৯৫৬ চনত আৰু তাৰপিছত ১৯৬০ চনৰ পৰা ১৯৬৭ চনলৈকে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ উপসভাপতি আৰু সভাপতি নিৰ্বাচিত হয়। ক্ৰমে ১৯৬৭ চনৰ পৰা ১৯৭১ চনলৈকে তেখেতে সেই পদতে কাৰ্যনিৰ্বাহ কৰি থাকে। ১৯৭১ চনত নিখিল ভাৰত শান্তি আৰু ঐক্য সংগঠন আৰু অসম ৰাজ্যিক বাংলাদেশ ৰিলিফ কমিটীৰ সভাপতি আছিল। বৰ্তমান সদৌ ভাৰত সমাজবাদী কংগ্ৰেছৰ সভাপতি হিচাপে তেখেতে কাৰ্যনিৰ্বাহ কৰি আছে। তেখেতে ১৯৮৭ চনৰ পৰাই এই পদ অলংকৃত কৰি আছে। ১৯৪৬ চনৰ পৰা ১৯৫২ চনলৈ, ১৯৬২ চনৰ পৰা ১৯৬৭ চনলৈ, ১৯৭২ চনৰ পৰা ১৯৭৮ চনলৈ, আৰৌ ১৯৭৮ চনৰ পৰা ১৯৮২ চনলৈ তেখেত অসম বিধানসভাৰ বিধায়ক হিচাপে নিৰ্বাচিত হয়। ১৯৮৯ চনত তেখেতক বিশ্বনাথ প্ৰতাপ সিঙৰ নেতৃত্বত ৰাষ্ট্ৰীয় মৰ্চাৰ চৰকাৰ হোৱাৰ পিছত মহাৰাষ্ট্ৰৰ ৰাজ্যপালৰ পদ যঁচা হৈছিল। সমাজবাদী কংগ্ৰেছৰ কোনো ভৱিষ্যৎ নাই বুলি জানিও সেই কংগ্ৰেছক জীয়াই ৰখাটোকে শৰৎচন্দ্ৰৰ নিজৰ জীৱনৰ প্ৰধান ব্ৰত বুলি গ্ৰহণ কৰিলে। তাৰবাবে তেখেতে ৰাজ্যপালৰ সন্মানীয় পদো অস্বীকাৰ কৰে।

বিভিন্ন ঘটনাৰাজিৰ সফলতাৰ কিছু খতিয়ান যদি আমি আলোচনা কৰিবলৈ যাওঁ, তেনেহ'লে দেখা পাওঁ যে তেওঁৰ প্ৰচেষ্টাতেই গঢ়ি উঠিছিল বিভিন্নধৰণৰ সামাজিক অনুষ্ঠান। নিজৰ কাৰ্যকলাপ, মনৰ দৃঢ়তাৰে তেখেত এগৰাকী অসামান্য কৰ্মযোগী হিচাপে সমাজত পৰিচিত হৈছে। অসমখন যিহেতু এখন দুখীয়া কৃষিপ্ৰধান দেশ, সেইবাবে তেখেতে গাঁও অঞ্চলৰ উন্নয়নৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিছিল। বানপানী সমস্যাৰ সমাধানৰ বাবে তেখেতে এখন আঁচনি প্ৰস্তুত কৰি উলিয়াইছিল। তেখেতে নদীত বান্ধ দিয়াতকৈ নৈপৰীয়া অঞ্চলসমূহতহে বান্ধ বা মথাউৰি দিয়াৰ বাবে আঁচনি প্ৰস্তুত কৰিছিল। ইয়াৰ উপৰিও অসমৰ কেইবাখনো জিলাত কৃষি উন্নয়নৰ বাবে 'কৃষি পাম নিগম' প্ৰতিষ্ঠা কৰিবলৈ আঁচনি গ্ৰহণ কৰিছিল। এই আঁচনি প্ৰস্তুত কৰাৰ আগে আগে তেখেতে ছোভিয়েট ৰাছিয়া ভ্ৰমণ কৰি আহে আৰু অসমৰ দৰিদ্ৰ কৃষক আৰু অনুন্নত কৃষি ব্যৱস্থাৰ উন্নয়নৰ কথা চিন্তা কৰে। সেইসময়তে স্বৰ্গীয় বিষ্ণু বৰাদেৱে তেখেতক কেইখনমান কৃষিপাম নিগম প্ৰতিষ্ঠাৰ বাবে অনুৰোধ কৰে। আৰু তেখেতে অসমৰ কেইবাখনো জিলাতে এই নিগম প্ৰতিষ্ঠাত আগভাগ লয়।

১৯৭৫ চনত তেখেতে সমবায় দিৱস মুকলি কৰে। সমবায়ৰ

OKDISCD

যোগেদি ব্যক্তি, গাঁও আৰু সমাজৰ উন্নতি সাধনৰ বাবে তেখেতে অশেষ কষ্ট কৰিছিল। তেখেতে বুজিছিল যে অৰ্থনৈতিক ক্ষেত্ৰত সমাজৰ আৰ্থিক উন্নতি কৰিবলৈ অৰ্থনৈতিক ক্ষমতা বিকেন্দ্ৰীকৰণ কৰি সমবায়সমূহৰ ওপৰতেই দায়িত্ব দিব লাগিব। সমবায় হ'ব বেংক আৰু গাঁৱৰ মানুহৰ মাজত সংযোগৰ সেতু। এই সমবায় আন্দোলন এক আন্দোলনৰূপেই গঢ় লৈ উঠিছিল আৰু অসমৰ প্ৰতিটো পৰিয়াল এসময়ত সমবায়ৰ সদস্য হৈ পৰিছিল।

ইয়াৰ পিছতেই শৰৎচন্দ্ৰ সিংহদেৱৰ কৰ্ম-জীৱনৰ লেখত ল'বলগা কাৰ্য হ'ল পঞ্চায়তীৰাজ আইন প্ৰণয়ন। ৰাজনৈতিক আৰু প্ৰশাসনিক ক্ষমতা পঞ্চায়তলৈ হস্তান্তৰ কৰা হৈছিল। তেখেতৰ ভূমিনীতিৰ যি আঁচনি, সেইয়া আছিল দুখীয়া ৰাইজৰ উন্নয়নৰ বাবে এক বলিষ্ঠ পদক্ষেপ। সিংহদেৱৰ মতে-- খেতিৰ মাটিক সম্পত্তি হিচাপে গণ্য কৰাটো উচিত নহয়চ যিসকল লোকৰ জীৱিকা নিৰ্বাহৰ একমাত্ৰ অৱলম্বন এই খেতিৰ মাটিখিনি, তেওঁলোককহে মাটি দিয়া উচিত।

তেখেত মুখ্যমন্ত্ৰী হৈ থকাৰ কালছোৱাতে অসমৰ ৰাজধানী ছিলঙৰ পৰা দিছপুৰলৈ অনা হয় আৰু দৃঢ়পদক্ষেপৰ বাবেই ৰাজধানী নিৰ্মাণৰ বাবে তেখেতে গ্ৰহণ কৰা আঁচনিমতেই গৃহ নিৰ্মাণকে আদি কৰি সকলো কাম নিয়াৰিকৈ হৈছিল।

সামৰণিত ক'ব পাৰো যে বৰ্তমান সমাজব্যৱস্থাৰ অন্যান্য দিশৰ লগতে ৰাজনৈতিক ক্ষেত্ৰতো দেখা দিয়া মাত্ৰাধিক দুৰ্নীতি, ভ্ৰষ্টাচাৰ, অবিচাৰ আদিৰ কাৰণেই হয়তো তেখেতে স্ব-ইচ্ছাৰে ৰাজনৈতিক জীৱনৰ পৰা অৱসৰ লৈছে। তেখেতে ৰাইজৰ বাবে বহুত কৰিলে। দেশ আৰু সমাজৰ বাবে জীৱনটো নিয়োজিত কৰিলে, সেয়েহে যিকোনো সমস্যাকে দৃঢ়তাৰে সমাধান কৰিবলৈ আগবাঢ়ি অহা অসমৰ সিংহপুৰুষ শৰৎচন্দ্ৰ সিংহ এজন প্ৰকৃত কৰ্মযোগী। দৃঢ়তা, সততা, কৰ্তব্যনিষ্ঠা আৰু গভীৰ জীৱনবোধেৰে পৰিপূৰ্ণ শৰৎচন্দ্ৰ সিংহৰ অনন্য ব্যক্তিত্ব চিৰ সেউজীয়া হৈ ৰ'ব।

*( সহায় লৈ ঃ হোমেন বৰগোহাঞি আৰু ড° নমিতা ডেকাৰ 'শৰৎচন্দ্ৰ সিংহ' )*

# সিঁচি দিয়া একাজলি সুগন্ধ

ৰবী ভূঞা
কলাবাৰী

*বাৰুদৰ ধোঁৱাই
আমাৰ সহৃদয়তাবোৰ
কাঢ়ি নিয়াৰ পিছত আমি এতিয়া ৰিক্ত
ভাতৃত্ব, মানৱতাৰ
শ্ল'গানবোৰ
এতিয়া শৃঙ্খলিত
হায়, মোৰ সেউজীয়া সমাজ
বাৰে বাৰে পৰাস্ত কৰে
সোণোৱালী মোৰ আলফুল হৃদয়
ক'ত মোৰ সেই
গোলাপ কোমল গোপাল
প্ৰসাৰিত কৰা দুহাত
আৱৰি ধৰা হৃদয়
কাঢ়ি আনি সেউজীয়া সমাজ
সিঁচি দিয়া, সিঁচি দিয়া
একাজলি সুগন্ধ।*

OKDISCD

# 'পূৰ্ব্বজ্যোতি কৃষিপাম নিগম' ঃ জন্মৰ গুৰি কথা

ডম্বৰু বৰা
কলাবাৰী

ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছতো আমাৰ বিৰাট দেশখনৰ ভূমি সমস্যাৰ সমাধান নহ'ল। ১৯৪৭ চনত ৰাজনৈতিক ক্ষমতা দখলৰ পিছত আমাৰ স্বাধীন চৰকাৰে পুঁজিবাদী অৰ্থনীতি গ্ৰহণ কৰাৰ ফলস্বৰূপে দেশখনৰ পৰা জমিদাৰী শোষণৰ অন্ত নপৰিল আৰু সামগ্ৰিকভাৱে কৃষক জনসাধাৰণক শোষণ-নিষ্পেষণৰ পৰা মুক্ত কৰাৰ কোনো কাৰ্যকৰী ব্যৱস্থাই কৰা নহ'ল। অন্যহাতে কৃষকৰ মাজত দৰিদ্ৰতা বৃদ্ধি পালে, ভূমিহীন কৃষকৰ সংখ্যা বাঢ়িল আৰু ভূমিহীন কৃষকসকলে কৃষি-শ্ৰমিকৰ অৱস্থাৰ ফালে গতি কৰিলে।

নিখিল ভাৰত কৃষক সভাৰ নেতৃত্বত কৃষকৰ এনেবোৰ সমস্যা গভীৰভাৱে অধ্যয়ন কৰি (কৃষকসকলৰ প্ৰধান সমস্যাবোৰ যেনে ঃ ভূমিহীন কৃষকৰ সমস্যা, জমিদাৰী শোষণ, স্বাস্থ্য, কৃষি-শ্ৰমিকসকলৰ মজুৰি, একচেটীয়া পুঁজিপতিসকলৰ কৃষকৰ ওপৰত কু-প্ৰভাৱ আদি) এই সমস্যাবোৰৰ পৰা কৃষকক মুক্ত কৰিবৰ কাৰণে দীঘলীয়া আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ল। এই আন্দোলনৰ ফলশ্ৰুতিতেই চিলিং আইন প্ৰৱৰ্তিত হ'ল আৰু মাটিৰ মালিকীস্বত্ব ১৫০ বিঘাৰ পৰা ৭৫ বিঘালৈ নামিল। কিন্তু এই আইন কাশ্মীৰ, কেৰেলা আৰু পশ্চিমবঙ্গৰ বাহিৰে ভাৰতৰ অন্য ৰাজ্যবোৰত আজিও কাৰ্যকৰী নহ'ল। চিলিং আইন কাৰ্যকৰী নকৰাৰ কাৰণে ভূমিহীন কৃষকসকল ভূমিহীন হৈয়ে ৰ'ল আৰু তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা অধিক শোচনীয় হ'ল।

অৰ্থনৈতিকভাৱে জুৰুলা হোৱা কৃষকসকলৰ ভূমিহীন সমস্যাৰ সমাধানৰ দাবীত ১৯৬৯ চনত নিখিল ভাৰত কৃষক সভাই গোটেই দেশজুৰি "ভূমি দখল" আন্দোলনৰ আহ্বান দিয়ে আৰু সেই আহ্বানৰ প্ৰতি সঁহাৰি জনাই ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত ভূমিহীন কৃষকসকলে হাজাৰে হাজাৰে চৰকাৰী পতিত মাটি আৰু বনাঞ্চলৰ কৃষিৰ উপযোগী (য'ত মূল্যবান গছ-গছনি নাই আৰু গছ পুলি ৰোৱাৰ কোনো আঁচনি নাই) মাটিত জংঘল চাফা কৰি ভূমি দখল আন্দোলন আৰম্ভ কৰে। সেই আন্দোলনৰ প্ৰভাৱ অসমতো পৰিল আৰু হাজাৰ হাজাৰ কৃষকে সেই আন্দোলনত জপিয়াই পৰিল।

সেই আন্দোলনৰ প্ৰভাৱ শোণিতপুৰ (আগৰ দৰং জিলা) আৰু লক্ষীমপুৰ জিলাতো পৰিল। শোণিতপুৰ জিলাৰ পূবৰ গহপুৰ বনাঞ্চলত প্ৰায় পাঁচ হেজাৰ ভূমিহীন কৃষকে ভূমি দখল আৰম্ভ কৰিলে। সেই সময়ত শোণিতপুৰ জিলাত কৃষক সভাৰ কোনো সংগঠন নাছিল। তাৰ দুবছৰ আগত অৰ্থাৎ ১৯৬৭ চনত কলাবাৰীৰ সঁকুৰা চৰণীয়া পথাৰত চৰকাৰে ৩০০ ঘৰ বাংলাদেশী পৰিয়ালক সংস্থাপন দিয়াৰ প্ৰতিবাদত আৰু কৃষকৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত শ্ৰীডম্বৰু বৰা আৰু শ্ৰীজোনাৰাম বৰা আৰু প্ৰয়াত গোপাল মহন্তই গাঁৱে গাঁৱে (হাৰাজানৰ পৰা ডুবিয়ালৈ) সভা পাতিছিল। এই সভাবোৰৰ পিছত এখন ডাঙৰ ৰাজহুৱা সভা ডুবিয়া এম্-ভি স্কুলত অনুষ্ঠিত হৈছিল আৰু তাত ভালেমান গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰি চৰকাৰলৈ প্ৰেৰণ কৰা হৈছিল। সেই সভাত হাজাৰৰো অধিক মানুহ হৈছিল। সেই সভাত শ্ৰীৰমা হাজৰিকাও জড়িত হৈ পৰিছিল।

ঠিক সেই সময়তেই ভূমি দখল আন্দোলন আৰম্ভ হয় আৰু সেই আন্দোলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে উক্ত আটাইকেইজন ব্যক্তিৰ আহ্বানত উত্তৰ পহুকটা প্ৰাথমিক বিদ্যালয়ত এখন ৰাজহুৱা সভা পতা হয়। এহেজাৰৰো অধিক মানুহে সেই সভাত অংশগ্ৰহণ কৰে আৰু তাতেই ভূমি দখলৰ আন্দোলনৰ সিদ্ধান্ত কৰা হয়। সেই সিদ্ধান্ত অনুসৰিয়েই ১৯৬৯ চনৰ ১৬ জানুৱাৰীত অৰ্থাৎ মাঘ বিহুৰ পিছদিনা আবেলি কলমৌগুৰি নামঘৰত আন্দোলনকাৰী ৰাইজ সমবেত হয় আৰু পিছদিনা পুৱা অৰ্থাৎ ১৭ জানুৱাৰীত প্ৰায় ১৫০০ জন কৃষকে সদলবলে বনাঞ্চলত প্ৰৱেশ কৰি ভূমি দখল আৰম্ভ কৰে।

১৬ জানুৱাৰীত সন্ধ্যা কলমৌগুৰি নামঘৰত আন্দোলন পৰিচালনাৰ কাৰণে হোৱা ৰাজহুৱা সভাত এখন পৰিচালনা সমিতি গঠন কৰা হয় আৰু সেই কমিটীৰ সদস্যসকল হ'ল সৰ্বশ্ৰী ৰমা হাজৰিকা, ডম্বৰু বৰা, জোনাৰাম বৰা, প্ৰয়াত লীলা বৰা, প্ৰয়াত কৰ্ণেশ্বৰ ভূঞা, অমূল্য কাকতি, প্ৰয়াত টঙ্কেশ্বৰ মেলসোধা, ললিত বৰা, বাপচন্দ্ৰ বৰা, তনুৰাম বৰা, ঘন ফুকন, পদ্মেশ্বৰ ভূঞা আৰু নিৰ্মল বৰা। পৰিচালনা সমিতিৰ সভাপতি আৰু সম্পাদক ক্ৰমে অমূল্য কাকতি আৰু প্ৰয়াত কৰ্ণেশ্বৰ ভূঞাক নিৰ্বাচিত কৰা হয়। এই পৰিচালনা সমিতিৰ নেতৃত্বতেই ভূমি দখল অভিযান আৰম্ভ হয় আৰু কেইদিনমানৰ ভিতৰতে বনাঞ্চলত প্ৰায় পাঁচ হাজাৰ কৃষকে এই

OKDISCD

অভিযানত অংশগ্ৰহণ কৰে।

শ্ৰীডম্বৰু বৰা, ৰমা হাজৰিকা আৰু জোনাৰাম বৰাই তেতিয়া বালিজানৰ শ্ৰীদুৰ্গা বৰাৰ লগত যোগাযোগ কৰাৰ পিছত বালিজানৰ ৰাঙলিয়াল গাঁৱৰ নামঘৰত এখন ৰাজহুৱা সভা হয় আৰু সেই সভাতেই ভূমি দখল আন্দোলনৰ সিদ্ধান্ত কৰা হয় আৰু শ্ৰীদুৰ্গা বৰা, প্ৰয়াত শিশুৰাম ফুকন, ডিম্বেশ্বৰ বৰঠাকুৰ, শম্ভু নাথ আৰু চাকিৰাম দাসৰ নেতৃত্বত গহপুৰ বনাঞ্চলৰ পশ্চিমাংশত কেবাহাজাৰো কৃষকে ভূমি দখল অভিযান আৰম্ভ কৰে। একে সময়তে চতিয়াৰ উত্তৰে মনাই গ্ৰাণ্টত প্ৰয়াত চন্দ্ৰ বৰা আৰু পুণ্য শইকীয়াৰ নেতৃত্বত সেই অভিযান চলোৱা হয়।

একে সময়তে লক্ষীমপুৰ জিলাৰ কৃষক সভাৰ নেতৃত্বত ঔগুৰি ৰিজাৰ্ভত সেই অভিযান আৰম্ভ কৰা হয় আৰু সেই অভিযানত প্ৰয়াত বিষ্ণু বৰা, নন্দ বৰা, নৃপেন দে, ভৱ শইকীয়া, ৰেৱ বৰা, অম্বু শইকীয়া, অৰুণ শইকীয়াই ওতঃপ্ৰোতভাৱে জড়িত হয়।

গহপুৰ বনাঞ্চলত পশ্চিমফালে বালিজানৰ কৃষকসকলে, মধ্য ভাগত কলাবাৰীৰ আৰু পূব ফালৰ পৰা লক্ষীমপুৰ জিলাৰ কৃষকসকলে তিনিও ফালৰ পৰা পূৰ্ণোদ্যমে ভূমি দখল অভিযান আৰম্ভ কৰিলে। উল্লেখযোগ্য যে লক্ষীমপুৰ জিলাৰ কৃষকসকলে ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ গণ সংগঠন কৃষক সভাৰ দ্বাৰা পৰিচালিত হৈছিল আৰু শোণিতপুৰ জিলাৰ কৃষক সংগঠন তেতিয়াও কৃষক সভাৰ অন্তৰ্ভুক্ত হোৱা নাছিল।

কলাবাৰীত ভূমি দখল আন্দোলনৰ পৰিচালনা সমিতিৰ কেইবাজনো বৰ্তমান জীৱিত নাই। সেইকেইজন আছিল, প্ৰয়াত লীলা বৰা (কলাবাৰী উচ্চতৰ মাধ্যমিক স্কুলৰ উপাধ্যক্ষ আছিল), প্ৰয়াত কৰ্ণেশ্বৰ ভূঞা আৰু প্ৰয়াত টঙ্কেশ্বৰ মেলসোধা। লীলা বৰা আছিল অত্যন্ত সাহসী আৰু কৰ্মীসকলক সকলো সময়তে উৎসাহ যোগাইছিল। নিৰহ-নিপানিকৈ নিজৰ কৰ্তব্যত লাগি থকা কৰ্মী আছিল প্ৰয়াত কৰ্ণেশ্বৰ ভূঞা। প্ৰাথমিক স্কুলৰ শিক্ষকতা কৰাৰ মাজেৰেই প্ৰয়াত টঙ্কেশ্বৰ মেলসোধাই আন্দোলনত সহযোগিতা কৰিছিল।

কলাবাৰী আৰু বালিজানৰ পৰিচালনা সমিতিৰ সভাবোৰ প্ৰায় হাবিৰ মাজতেই হৈছিল। পৰিচালনা সমিতিৰ সভাবোৰক সুযোগ্য নেতৃত্ব গঢ়ি তোলা আৰু আন্দোলন কাৰ্যকৰী কৰাৰ কাৰণে লক্ষীমপুৰৰ প্ৰখ্যাত কমিউনিষ্ট আৰু কৃষক নেতা প্ৰয়াত বিষ্ণু বৰাৰ লগত যোগাযোগ আৰম্ভ কৰা হৈছিল। সেই সময়ত বিষ্ণু বৰাৰ সহযোগিতাই কলাবাৰী আৰু বালিজানৰ ভূমি দখল আন্দোলনক দুগুণে উৎসাহিত কৰিছিল। অসম ছাত্ৰ সন্মিলনৰ যোগে কমিউনিষ্ট পাৰ্টিলৈ অহা বিষ্ণু বৰা যোৰহাটৰ কাকজানৰ পৰা কৃষক সংগঠনৰ দায়িত্বতেই লক্ষীমপুৰলৈ আহিছিল আৰু নাৰায়ণপুৰৰ পাণবাৰীত স্থায়ীভাৱে থাকিবলৈ লৈছিল।

ভূমি দখল আন্দোলন পূৰ্ণোদ্যমে চলিল আৰু আন্দোলন চলি থাকোতেই কৃষকসকলৰ সমস্যাৰ ওপৰত বৰঙাবাৰী আৰু কলাবাৰীত হাজাৰ হাজাৰ লোকৰ সমাবেশত দুখন ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল আৰু সেই সভাত কমিউনিষ্ট নেতা শ্ৰীফণী বৰা আৰু বিষ্ণু বৰাৰ বক্তৃতাই আন্দোলনকাৰী ৰাইজক দুগুণে উৎসাহ যোগাইছিল।

ককিলাগুৰিৰ পৰা এদল কৃষকে শ্ৰীমতিলাল গগৈৰ নেতৃত্বত ডুবিয়াৰ উত্তৰে বনাঞ্চলত প্ৰৱেশ কৰি আন্দোলনত সহযোগ কৰিছিল।

একেৰাহে কেইবামাহো পাৰ হৈছিল আৰু গহপুৰ বনাঞ্চলৰ ভিতৰত কৃষকসকল কেইবাটাও গ্ৰুপত বিভক্ত হৈছিল। বালিজানৰ গ্ৰুপটোৱে বনাঞ্চলৰ চত্ৰঙৰ পশ্চিমফালে কেম্প কৰিছিল। কলাবাৰী আৰু ডুবিয়াৰসকলে ৰঙতি পুখুৰী পাৰত কেম্প কৰিছিল। আন্দোলনৰ নেতাসকলে ৰাতি আন্দোলনকাৰীসকলৰ লগতে শুই কটাইছিল। সদায়েই ৰাতি জুই ধৰা হৈছিল ডাঙৰকৈ আৰু কাষত আছিল তৰাপাতৰ বিছনাবোৰ। তেতিয়াৰ আন্দোলনকাৰীসকলৰ লগত কেটেলা পহুৰ মঙহেৰে ভাত খোৱাৰ কথা এতিয়াও মনত পৰে। হাবি-বন পৰিষ্কাৰ কৰি গোটেই এলেকাটোৰ নামাকৰণ কৰা হৈছিল কল্যাণপুৰ। কল্যাণপুৰক আদৰ্শ গাঁও হিচাপে গঢ়ি তুলিবৰ কাৰণে কৃষকসকলে ভালেমান ৰাস্তা তৈয়াৰ কৰি তাৰ কাষে কাষে অস্থায়ী ঘৰবোৰ নিৰ্মাণ কৰিছিল। সেই কল্যাণপুৰতেই শিৱৰাত্ৰিৰ দিনা ডাঙৰ ৰাজহুৱা সভা আৰু ৰাতিলৈ নাম-কীৰ্তন আৰু ভাওনা পতা হৈছিল আৰু নামৰ বাবে গৈছিল স্বৰ্গীয় আনন্দিৰাম ভূঞা। ভাওনা আৰু নাম-কীৰ্তনত কৃষকসকলৰ অৰ্হতা দেখি তবধ মানিব লগা হৈছিল। তেওঁলোকো যে অসমীয়া সংস্কৃতিৰ বাহক তাক অনুমান কৰিবলৈ সহজ হৈছিল। পিছে সেই উৎসৱৰ কিছুদিনৰ পিছত দেখা গ'ল যে ভাওনা কৰা ঠাইৰ ওচৰে-পাজৰে অলেখ ভাং গছৰ গুলি আৰু সেইবোৰ ডাঙৰ হ'লত ভাঙৰ বাগিছাৰ দৰে লাগিছিল। তাৰ পৰাই অনুমান কৰা সহজ হৈছিল যে যথেষ্ট সংখ্যক ভঙুৱাও তাত আছিল। পিছত কিন্তু ভালেলেইজন ভঙুৱা দক্ষ কৰ্মী হিচাপে প্ৰমাণিত হৈছিল যদিও স্বভাৱটো হ'লে নেৰিলে।

আন্দোলনকাৰীসকলৰ ওপৰত চৰকাৰৰ কোপ দৃষ্টি পৰিল আৰু কেবাবাৰো কৃষকসকলক তাৰ পৰা উচ্ছেদৰ চেষ্টা কৰিলে আৰু নেতাসকলকো গ্ৰেপ্তাৰৰ বাবে বিচাৰিলে। চৰকাৰী উচ্ছেদৰ কাৰণে কিছু পৰিমাণে আন্দোলনকাৰীৰ সংখ্যা কমিল। আনহাতে হাবিৰ মাজত কৃষকসকলক মেলেৰীয়া আদি বেমাৰেও আক্ৰমণ কৰাত বহুতে তাৰ পৰা গুচি আহিব লগা হৈছিল।

শোণিতপুৰ জিলাৰ পৰিচালনা সমিতিৰ সৰহ সংখ্যক সদস্যই আছিল বামপন্থী ৰাজনীতিত বিশ্বাসী আৰু সেই কাৰণেই তেওঁলোকে পৰিচালনা সমিতিখন কৃষক সভালৈ ৰূপান্তৰিত কৰিবলৈ চেষ্ট

OKDISCD

কৰিলে। কিন্তু সম্পাদক স্বৰ্গীয় কৰ্ণেশ্বৰ ভূঞা আৰু অমূল্য কাকতি আছিল চছিয়েলিষ্ট পাৰ্টিৰ আৰু শ্ৰীঘন ফুকন আছিল কংগ্ৰেছ্ কৰ্মী (পিছলৈ এ-জি-পি)। অৱশ্যে তেখেতসকলে কৃষক সভা কৰাত কোনেও আপত্তি নকৰিলে আৰু কৃষক সভা (নিখিল ভাৰত কৃষক সভাৰ অন্তৰ্ভুক্ত) গঠন হোৱাৰ পিছত জীৱনৰ শেষ মুহূৰ্তলৈকে কৰ্ণেশ্বৰ ভূঞা নিৰৰ কৰ্মী হিচাপে কৃষক সভা আৰু কমিউনিষ্ট পাৰ্টিৰ কাম কৰি গ'ল। শ্ৰী অমূল্য কাকতিয়ে অৱশ্যে পিছত কংগ্ৰেছত যোগ দিলে। মৃত আটাইকেইজন কৰ্মীকে আজি শ্ৰদ্ধাৰে সুঁৱৰিছো।

ইয়াৰ পিছত পৰিবৰ্তনৰ বতাহ বলিল। লক্ষীমপুৰৰ বিষ্ণু বৰা, নন্দ বৰা, নৃপেন দে আদি কৰ্মীসকলে ৰাজনৈতিক দিশ কংগ্ৰেছৰ ফালে ঘূৰালে আৰু তেওঁলোক কংগ্ৰেছ শিবিৰৰ অন্তৰ্ভুক্ত হ'ল। শোণিতপুৰ জিলাৰ কৃষক সভা একেই থাকিল আৰু লক্ষীমপুৰৰ সৰহ সংখ্যকেই কৃষক সভাত থাকি গ'ল। ইতিমধ্যে অসমত ১৯৭২ চনত শ্ৰীযুত শৰৎ সিংহৰ মুখ্যমন্ত্ৰিত্বত চৰকাৰ গঠন হ'ল আৰু শৰৎ সিংহ চৰকাৰে অত্যন্ত সাহস কৰি অসমত ৰাইজৰ উপকাৰত আহিবৰ কাৰণে সমবায় সমিতিসমূহ গঠন কৰিলে।

প্ৰয়াত বিষ্ণু বৰাই কমিউনিষ্ট পাৰ্টি ত্যাগ কৰিলে যদিও ছোভিয়েট ইউনিয়নৰ আৰ্হিত (সেই সময়ৰ) কৃষিপাম নিগম প্ৰতিষ্ঠাৰ মাজেৰে ৰাইজৰ সেৱা কৰাৰ বাবে আঁচনি কৰিলে আৰু সেই কামত তেখেতক শৰৎ সিংহ ডাঙৰীয়াৰ সমবায় আঁচনিয়ে উৎসাহ যোগালে। আঁচনি মতে কাম-কাজ বাস্তৱত ৰূপায়িত কৰিবৰ কাৰণে চৰকাৰৰ অনুমতিৰ প্ৰয়োজন হৈছিল। সেই কামৰ বাবে ৰাইজ আৰু ৰাজনৈতিক মহলৰ সমৰ্থনৰ বাবে প্ৰয়াত বৰাই সেই সময়ৰ ৰাজনৈতিক দলসমূহৰ ওচৰ চাপিছিল। তেতিয়া বৰাৰ সহযোগত আছিল শ্ৰীনন্দ বৰা, নৃপেন দে, ভৱ শইকীয়া আদি লোকসকল। ইতিমধ্যে বৰাই কংগ্ৰেছত যোগ দিছিল যদিও আচৰিত কথা যে, সেই সময়ৰ শোণিতপুৰ জিলাৰ কংগ্ৰেছ্ দলে তেখেতৰ কৃষিপাম নিগম প্ৰতিষ্ঠাৰ আঁচনিক সমৰ্থন নকৰি প্ৰচণ্ড বিৰোধিতাহে কৰিছিল। আনকি গহপুৰ কলেজত ১৯৭২ চনত হোৱা এখন কংগ্ৰেছৰ সভাত জিলাখনৰ কংগ্ৰেছী নেতাসকলে গহপুৰ বনাঞ্চলত কৃষিপাম নিগম স্থাপনৰ ঘোৰ বিৰোধিতা কৰিছিল।

ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে সমবায় পদ্ধতিক সদায়েই পোষকতা কৰে আৰু সেয়ে শোণিতপুৰ জিলাৰ বিশেষকৈ গহপুৰ অঞ্চলৰ কমিউনিষ্টসকলে বৰাৰ সেই আঁচনিৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল। ১৯৭২ চনৰ কোনোবা এটা মাহত সেই সময়ত মুখ্যমন্ত্ৰী ডাঙৰীয়া ভ্ৰমণলৈ যাওঁতে হাৰাজানৰ পৰিদৰ্শন বঙলাত কিছু সময়ৰ কাৰণে ৰৈছিল আৰু সেই সময়তে কলাবাৰীৰ কমিউনিষ্ট নেতাসকলে এক স্মাৰক-পত্ৰযোগে মুখ্যমন্ত্ৰী ডাঙৰীয়াক কৃষিপাম নিগম প্ৰতিষ্ঠাৰ আঁচনিক অনুমোদন জনাবৰ কাৰণে অনুৰোধ জনাইছিল আৰু শৰৎ সিংহ ডাঙৰীয়াই আগ্ৰহেৰে স্মাৰক-পত্ৰ গ্ৰহণ কৰি নিগম প্ৰতিষ্ঠাৰ আশ্বাস দিছিল। প্ৰয়াত বিষ্ণু বৰাইও নেৰানেপেৰাকৈ লাগি আছিল সেই আঁচনি কাৰ্যকৰী কৰাৰ কাৰণে। উল্লেখযোগ্য যে যি সময়ত শৰৎ সিংহ ডাঙৰীয়াই সমবায়সমূহ প্ৰতিষ্ঠা আৰু কৃষিপাম নিগমসমূহ স্থাপনৰ মাজেৰে ভূমিহীন কৃষকসকলৰ সংস্থাপনৰ বাবে সাহসী পদক্ষেপ গ্ৰহণ কৰিছিল, সেই সময়ত তেখেতৰ নিজৰ দলৰেই বহুতে তাত সমৰ্থন জনোৱাৰ পৰা বিৰত আছিল। তথাপিও তেখেতে নিজৰ দলৰ লোকসকলক যুক্তিৰে সৈমান কৰি হ'লেও সেই কামত সফলতা লাভ কৰিবলৈ সক্ষম হৈছিল আৰু অসমত সমবায় আন্দোলনৰ বাটকটীয়া হিচাপে অসমৰ ইতিহাসত তেখেতৰ নাম থাকি যাব।

কমিউনিষ্ট পাৰ্টিৰ পৰা আঁতৰি গৈ তেখেতৰ সহযোগীসকলৰ সৈতে লগ হৈ আশাশুধীয়াকৈ বিষ্ণু বৰাই নিগম প্ৰতিষ্ঠাৰ কাৰণে লাগি থাকিল আৰু কমিউনিষ্ট পাৰ্টিৰ পৰা আঁতৰি গ'লেও তেখেতে কোনোদিনে পাৰ্টিৰ বিৰোধিতা কৰা নাছিল বা পাৰ্টিৰ প্ৰতি বৈৰী মনোভাৱো পোষণ কৰা নাছিল। যা হওক, তেখেতৰ সৎ প্ৰচেষ্টাত শৰৎ সিংহ ডাঙৰীয়াই সহযোগিতাৰ হাত আগবঢ়ালে আৰু সেই প্ৰচেষ্টাত কমিউনিষ্ট পাৰ্টিয়েও ইন্ধন যোগালে।

দীৰ্ঘদিনীয়া সংগ্ৰামৰ পিছত ভূমিহীন কৃষকসকলৰ সমস্যা কৃষিপাম নিগম প্ৰতিষ্ঠাৰ যোগে সমাধান কৰাৰ কাৰণে শৰৎ সিংহ চৰকাৰ ৰাজি হ'ল আৰু ১৯৭৩ চনৰ জানুৱাৰী মাহত ৫০০০ (পাঁচ হাজাৰ) বিঘা মাটিৰে পূৰ্বজ্যোতি কৃষিপাম নিগম প্ৰতিষ্ঠা হয়। নিগম প্ৰতিষ্ঠাৰ লগে লগে প্ৰকৃত ভূমিহীন পৰিয়াল বিচাৰি উলিয়াই সংস্থাপন দিয়া সহজ কথা নাছিল। কাৰণ ভূমি দখল আন্দোলনত অংশ লোৱা কৃষকসকল আছিল শোণিতপুৰ আৰু লক্ষীমপুৰ জিলাৰ বিভিন্ন গাঁৱৰ পৰা অহা। তাৰ মাজৰ পৰা ৪০০ পৰিয়ালক নিগমৰ অংশীদাৰ হিচাপে বিচাৰি উলিওৱা হৈছিল আৰু সেই সামত কমিউনিষ্ট পাৰ্টিৰ সদস্যসকলে সক্ৰিয়ভাৱে সহায় কৰিছিল। সেই সময়ৰ নতুনকৈ কমিউনিষ্ট পাৰ্টিত যোগদান কৰা অত্যন্ত সাহসী আৰু প্ৰখৰ স্মৃতিশক্তিসম্পন্ন প্ৰয়াত লোকনাথ বৰাৰ ভূমিকাও উল্লেখযোগ্য আছিল।

চৰকাৰীভাৱে ১৯৭৩ চনত নিগম প্ৰতিষ্ঠা হ'ল আৰু নিগম পৰিচালনাৰ কাৰণে এখন পৰিচালনা বোৰ্ড (Board of Directors) গঠন কৰা হ'ল। নিগমৰ বাহিৰৰ আৰু ভিতৰৰ কেইবাজনকো সেই বোৰ্ডৰ সদস্য চৰকাৰে নিৰ্বাচন কৰিলে। বোৰ্ডৰ সভাপতি প্ৰয়াত বিষ্ণু বৰা আৰু এজন চৰকাৰী কৃষি বিষয়াক সচিব নিযুক্তি দিলে। দুৰ্ভাগ্যবশতঃ নিগম প্ৰতিষ্ঠাত সকলো প্ৰকাৰে সহায় কৰা কমিউনিষ্ট পাৰ্টিৰ কোনো সদস্যকে Board of Directors-ৰ সদস্য কৰা নহ'ল, বৰঞ্চ নিগম প্ৰতিষ্ঠাত বিধি-পথালি দিয়া

OKDISCD

প্ৰভাৱশালী কংগ্ৰেছী লোক তাৰ সদস্য নিৰ্বাচিত হোৱাটো আছিল শাসকীয় দলৰ দলীয় প্ৰভাৱ।

যি-হওক, বোৰ্ডৰ সভাপতি হিচাপে প্ৰয়াত বিষ্ণু বৰাই অতি আন্তৰিকতাৰে নিগমৰ ৪০০ ঘৰ লোকৰ অৰ্থনৈতিক প্ৰগতিৰ কাৰণে কাম কৰি যাবলৈ আৰম্ভ কৰিলে। কিন্তু আৰম্ভণিতে উজুটি খাবলগীয়া অৱস্থা এটাৰ সৃষ্টি হৈছিল নিগমৰ স্থান আৰু সীমাক লৈ। প্ৰথমে নিৰ্বাচন কৰা স্থানৰ পৰা বৰ্তমানৰ পূৰ্ব্বজ্যোতি কৃষিগাম নিগমৰ স্থানলৈ স্থানান্তৰিত কৰিব লগা হৈছিল মাটিৰ গুণাগুণক লৈ আৰু সেই কামে অযথা এটা বছৰ নষ্ট কৰিলে। নিগমৰ চাৰিসীমাও নিৰ্দ্ধাৰণ কৰা সেই কাৰণে যথেষ্ট পলম হৈছিল। নিগমত সংস্থাপিত পৰিয়ালসমূহ বাচি উলিওৱা সহজ কাম নাছিল। কাৰণ প্ৰকৃত ভূমিহীন বা কৃষি-শ্ৰমিক পৰিয়ালসমূহকহে তাত সংস্থাপিত কৰিব লগা হৈছিল। অতি নিষ্ঠাৰে প্ৰয়াত বিষ্ণু বৰাই তেখেতৰ সহযোগীসকলৰ সৈতে চৰকাৰৰ লগত যোগাযোগ কৰি নিগমৰ সীমাত চাৰিওফালে ৰাস্তা আৰু নিগমৰ মাজেদিও এটা ৰাস্তা বন্ধোৱাৰ কাম হাতত লৈছিল। অৱশ্যে মাজৰ ৰাস্তাটো আজিও আধা কৰা অৱস্থাতেই থাকিল। ৰাস্তাৰ কাষে কাষে পূব লাইন, পশ্চিম লাইন আৰু মাজ লাইনত প্ৰতি পৰিয়ালে ন বিঘাকৈ মাটিত গৃহ নিৰ্মাণ কৰিছিল। ঘৰ-দুৱাৰ সজাই পৰিয়ালসমূহ সংস্থাপিত হোৱাৰ পিছত ল'ৰা-ছোৱালীবিলাকৰ শিক্ষাৰ কাৰণে পঢ়াশালীৰ ব্যৱস্থা কৰাটো অপৰিহাৰ্য হৈ পৰিছিল আৰু সেই উদ্দেশ্য আগত ৰাখিয়েই প্ৰয়াত বিষ্ণু বৰাই সেই সময়ৰ মহকুমা পৰিষদৰ সদস্য শ্ৰীগণেশ কুটুম আৰু শ্ৰীড়ম্বৰু বৰাৰ সহযোগত দুখন প্ৰাথমিক বিদ্যালয় স্থাপন কৰিছিল আৰু মহকুমা পৰিষদৰৰ দুয়োজন সদস্যই মহকুমা পৰিষদৰ পৰা আৰ্থিক মঞ্জুৰী আদিৰ ব্যৱস্থা কৰি যথেষ্ট পৰিমাণে সহায় কৰিছিল। আজি ১৯৯৭ চনত বৰ্তমান নিগমত কেইবাখনো প্ৰাথমিক বিদ্যালয়ৰ উপৰিও দুখন হাইস্কুল, চাৰিখন এম্ ই স্কুল প্ৰতিষ্ঠা হৈছে।

বিভিন্ন উন্নয়নমূলক কাম-কাজৰ মাজেদি নিগমখনক সজাই-পৰাই তুলিবৰ কাৰণে কৰা চেষ্টাৰ ফলস্বৰূপেই ৰাস্তা-পদূলি, বিদ্যালয়, স্বাস্থ্যকেন্দ্ৰ, গুদামঘৰ আদি তৈয়াৰ কৰা হ'ল। কিন্তু দুৰ্ভাগ্যবশতঃ স্বাস্থ্যকেন্দ্ৰত বৰ্তমান কোনো চিকিৎসক বা ষ্টাফ নাই। গুদামঘৰ জহি-খহি গৈছে।

এই সকলোবোৰ কাম নিয়াৰীকৈ কৰিবলৈ হ'লে সমবায় সম্পৰ্কে নিগমবাসীসকলক শিক্ষা আৰু প্ৰশিক্ষণ দিয়া আৰু দক্ষ পৰিচালনা কমিটীৰ প্ৰয়োজন। কিন্তু আটাইতকৈ দুৰ্ভাগ্যজনক কথাটো হ'ল, পৰিকল্পিতভাৱে কামবোৰ কৰিবলৈ নৌপাওঁতেই বা বহু কাম আধা কৰা অৱস্থাত থাকোতেই নিগমৰ সভাপতি আৰু নিগমবাসীসকলৰ পিতৃস্বৰূপ বিষ্ণু বৰা ডাঙৰীয়াৰ ১৯৮১ চনৰ ১০ জানুৱাৰী তাৰিখে, গুৱাহাটীত মটৰ দুৰ্ঘটনাত মৃত্যু ঘটে। তেখেতৰ মৃত্যুৱে নিগমৰখনৰ উন্নতিত বেয়াকৈ আঘাট হানিলে।

বৰ্তমান চৰকাৰ আৰু নিগমৰ Board of Directors-ৰ বিশেষকৈ চৰকাৰী সচিবজনৰ অৱহেলা আৰু অমনোযোগিতাই নিগমবাসীসকলক বাৰুকৈয়ে হতাশ কৰিছে। অন্যহাতে নিগমৰ পৰিয়ালসমূহৰ সংখ্যা বৃদ্ধি আৰু জীয়াই থকাৰ তাৰণা আৰু অকৰ্মণ্যতাৰ কাৰণে নিগমৰ বহু অংশীদাৰে অংশৰ (Share) মাটি বিক্ৰী কৰিছে নাইবা নিগমৰ ভিতৰৰ বা বাহিৰৰ মানুহক বন্ধকত দিছে। অবৈধভাৱেও ভালেমান পৰিয়াল সোমাই পৰিছে।

এনে শোচনীয় অৱস্থাৰ পৰা নিগমখনক ৰক্ষা কৰিবলৈ এতিয়াও সময় উকলি যোৱা নাই। প্ৰকৃত সমবায় আদৰ্শৰে কৃষকসকলক কৃষি ঋণ, উন্নত সাৰ আৰু বীজৰ যোগান, টেক্টৰৰ দ্বাৰা চৰকাৰীভাৱে মাটিখিনি চহাই দিয়া, পানী যোগান আদি ব্যৱস্থা হাতত ল'লে নিশ্চয় কেই বছৰমানৰ ভিতৰতে নিগমৰ অৱস্থাৰ পৰিবৰ্তন ঘটিব আৰু অংশীদাৰসকলক আত্মনিৰ্ভৰশীল অৱস্থালৈ লৈ যাব পাৰিব। পুনৰ কাম-কাজবোৰ পৰিকল্পিতভাৱে আৰম্ভ কৰিলে উৎপাদন বহু পৰিমাণে বৃদ্ধি পাব আৰু সেই উৎপাদনে নিগমৰ চাহিদা পূৰোৱাৰ উপৰিও জাতীয় আয়ৰ সহায়ক হ'ব। ইয়াৰ বাবে চৰকাৰে সহায়ৰ হাত আগবঢ়োৱাৰ লগতে সমবায় পদ্ধতিৰ বিষয়ে জ্ঞান আৰু অভিজ্ঞতাপুষ্ট ব্যক্তি লগত লৈ পৰিচালনা সমিতিখন পুনৰ গঠন কৰিব লাগিব।

আজি পূৰ্ব্বজ্যোতি কৃষিগাম নিগমৰ ৰূপালী জয়ন্তীবৰ্ষতে সেই পৰিকল্পনা আগত ৰাখি অগ্ৰসৰ হওক।

# জনপ্ৰেমী বিষ্ণু বৰাৰ স্মৃতিত

গৌৰীশঙ্কৰ ভট্টাচাৰ্য
গুৱাহাটী

বিষ্ণু বৰাক মই প্ৰথমে জানিছিলো ছাত্ৰ নেতা হিচাপে। 'অসম ছাত্ৰ সন্মিলন'ত সক্ৰিয় ভূমিকা গ্ৰহণ কৰা বিষ্ণু বৰাৰ লগত হোৱা মোৰ প্ৰথম পৰিচয়তে মই উমান পাইছিলো দেশ তথা জনতাৰ প্ৰতি থকা তেওঁৰ সেৱাৰ মনোভাৱৰ কথা। সেই সময়ত 'অসম ছাত্ৰ সন্মিলন'ৰ লগত জড়িত ছাত্ৰসকলে অসমীয়া সাহিত্য-সংস্কৃতিৰ বিকাশ আৰু ভাৰতৰ ইংৰাজ বিৰোধী জাতীয় মুক্তি আন্দোলনত বিশেষ অৰিহনা যোগাইছিল।

যোৰহাটৰ জগন্নাথ বৰুৱা কলেজৰ কেইজনমান ছাত্ৰই তুলসী নাৰায়ণ শৰ্মাৰ বাসভৱনৰ চৌহদতে থাকি পঢ়া-শুনা কৰিছিল। সেই ছাত্ৰসকলৰ মাজৰে বিষ্ণু বৰাও এজন। বিষ্ণু বৰা ১৯৩৭ চনত জে. বি. কলেজৰ ছাত্ৰ ইউনিয়নৰ সম্পাদক আছিল। তুলসী নাৰায়ণ শৰ্মাৰ চেষ্টাতে বিষ্ণু বৰা আৰু তেওঁৰ সহযোগীসকল প্ৰগতিশীল চিন্তাধাৰাৰ প্ৰতি আকৃষ্ট হৈছিল। এই ছাত্ৰ দলটি একত্ৰিত হৈ অসমৰ নিষ্পেষিত, দলিত জনসাধাৰণৰ মুক্তিৰ ব্ৰতেৰে ব্ৰতী হৈছিল। মই প্ৰথম পৰিচয়তে অনুভৱ কৰাৰ দৰেই বিষ্ণু বৰাই দলিত, শোষিতজনৰ কল্যাণৰ বাবে নিজকে উছৰ্গা কৰি মহান দিশলৈ উত্তীৰ্ণ হৈছিল। ১৯৩৯ চনত মই বি. এ. পৰীক্ষা সমাপ্ত কৰি যোৰহাটলৈ গৈছিলো। উদ্দেশ্য আছিল ছাত্ৰ সন্মিলনৰ অধিবেশনত যোগ দিয়া। সেই অধিবেশনত মই সাধাৰণ সম্পাদক নিৰ্বাচিত হৈছিলো। বিষ্ণু বৰা কাৰ্যকৰী সমিতিৰ সদস্য আছিল। বিষ্ণু বৰাক 'জুনিয়ৰ বিষ্ণু বৰা' বুলি চিনাকি দিয়া হৈছিল। কিয়নো সেই সময়ত একেখন কলেজত এজন ছিনিয়ৰ বিষ্ণু বৰাইও পঢ়িবলৈ আহিছিল।

সত্যব্ৰত দত্ত আছিল সুৰমা উপত্যকাৰ নেতা। তেওঁৰ প্ৰচেষ্টাতে অসমৰ এচাম ছাত্ৰ সাম্যবাদৰ প্ৰতি আকৃষ্ট হয়। কলিকতা আৰু বম্বেত 'নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ সন্মিলন'ৰ অধিবেশন অনুষ্ঠিত হোৱাৰ পিছত মাদ্ৰাজত তৃতীয়খন অধিবেশন অনুষ্ঠিত হয়। এই অধিবেশনত অসমক প্ৰতিনিধিত্ব কৰা প্ৰথম মহিলা ৰেজিনা হাজৰিকাৰ নাম হয়তো এতিয়া বহুতেই পাহৰি গৈছে। সত্যব্ৰত দত্তই অসমতো ছাত্ৰ ফেডাৰেছন গঠন কৰিব লাগে বুলি অধিবেশনত যোগ দিয়া অসমৰ প্ৰতিনিধিলৈ পৰামৰ্শ আগবঢ়াইছিল। অৱশেষত বিষ্ণু বৰা, দধি মহন্ত, শ্ৰীমান প্ৰফুল্ল গোস্বামী, বিমলা বৰপূজাৰী আদিৰ উদ্যোগত 'অসম ছাত্ৰ সন্মিলন'খন 'নিখিল ভাৰত ছাত্ৰ ফেডাৰেছন'ৰ অন্তৰ্ভুক্ত হয়। এনেদৰেই সেই তেতিয়াৰ পৰাই 'অসম ছাত্ৰ সন্মিলন'খনকে পুনৰ গঠিত কৰি 'অসম ছাত্ৰ ফেডাৰেছন' কৰা হয়। বিষ্ণু বৰা আছিল অসমৰ ঐতিহ্যৰ প্ৰতি সদা সচেতন। তেওঁৰ প্ৰচেষ্টাতে 'ছাত্ৰ ফেডাৰেছন'ৰ আগত 'অসম' শব্দটো সংযোজিত হৈছিল।

১৯৩৯ চনত কংগ্ৰেছৰ সংযুক্ত মন্ত্ৰীসভাৰ দিনত আৰম্ভ কৰা কানি নিবাৰণী অভিযানত শ্ৰীমান প্ৰফুল্ল গোস্বামীৰ নেতৃত্বত আমি কাম কৰিছিলো। বিষ্ণু বৰাক দায়িত্ব দিয়া হৈছিল সমগ্ৰ কাকপথাৰ অঞ্চল। কাকপথাৰ অঞ্চলৰ কানি নিবাৰণ অভিযানত বিষ্ণু বৰাৰ বৰঙণি লেখত ল'বলগীয়া। ডিগবৈৰ শ্ৰমিক আন্দোলনৰ সৈতে অসমৰ ছাত্ৰ সমাজ জড়িত হৈ পৰিছিল। সেই সময়ত চলি থকা শ্ৰমিক ধৰ্মঘটৰ প্ৰতি সমৰ্থন জনাবলৈ বিষ্ণু বৰা, দধি মহন্ত, শ্ৰীমান প্ৰফুল্ল গোস্বামী আৰু এই প্ৰবন্ধৰ লেখকো গৈছিল। ডিগবৈত অনুষ্ঠিত হোৱা বিশাল জনসভাত ভাষণ দি বিষ্ণু বৰাই শ্ৰমিকসকলৰ সৈতে সৌহাৰ্দ স্থাপন কৰিছিল। বিষ্ণু বৰা আৰু দধি মহন্ত দুয়োজনৰে লগত মোৰ ঘনিষ্ঠ সম্পৰ্ক আছিল। দলীয় কাম-কাজ তথা আত্মগোপনৰ সময়ছোৱাত দুয়োজনকে অতি কাষৰ পৰা জনাৰ সুযোগ পাইছিলো। বিষ্ণু বৰাৰ জনপ্ৰেম নিগৰিত হৈছিল হৃদয়ৰ নিভৃতৰ পৰা। শোষিত, দলিতজনৰ প্ৰতি তেওঁৰ অন্তৰ দয়া, প্ৰেম আৰু কৰুণাৰে পৰিপূৰ্ণ, যাৰ তুলনা হয় কেৱল খৃষ্টীয়ান ছেৰিটিৰ লগত।

১৯৪১ চনত পাটনাত 'নিখিল ভাৰত ছাত্ৰ ফেডাৰেছন'ৰ অধিবেশন অনুষ্ঠিত হয়। সেই সন্মিলনত বিষ্ণু বৰাই প্ৰতিনিধি হিচাপে যোগদান কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত সাম্ৰাজ্যবাদী যুদ্ধৰ বিপক্ষে আমি সোচ্চাৰ হৈ উঠিছিলো। কংগ্ৰেছকো সমালোচনা কৰিছিলো গণ-আন্দোলন কৰা নাই বুলি। ১৯৪২ চনত মই কলিকতাত পঢ়িবলৈ যাব লগা হোৱাত বিষ্ণু বৰাৰ সৈতে মোৰ যোগাযোগ কিছুদিনৰ বাবে বিচ্ছিন্ন হৈ পৰে। কলিকতাত মনছুৰ হবিব, বিশ্বনাথ মুখাৰ্জী, কে. এম. আহমেদ মোৰ ক্লাছমেট আছিল। 'জনযুদ্ধ'ৰ প্ৰতি প্ৰথমে মই কোনো মন্তব্য কৰা নাছিলো যদিও শেষৰ ফালে 'জনযুদ্ধ'ই মোকো প্ৰভাৱিত কৰে। সেই সময়ৰ ছিফ্ ছেক্ৰেটাৰীক চিলঙত লগ কৰিবলৈ মোৰ লগত গৈছিল বিষ্ণু বৰা আৰু দধি মহন্ত। ছিফ্ ছেক্ৰেটাৰীৰ লগত আমাৰ মত বিৰোধো হৈছিল। লাহে লাহে কমিউনিজমৰ প্ৰতি মই আকৃষ্ট হৈ পৰিছিলো। ১৯৪৪ চনত মই কমিউনিষ্ট পাৰ্টিৰ সদস্য ভুক্ত হওঁ।

বিষ্ণু বৰা কমিউনিষ্ট পাৰ্টিৰ নেতা আছিল। কিছুমান দিশত তেওঁ আকোৰগোঁজ স্বভাৱৰ, কৰিম বুলি ভবা কামটো শেষ নকৰালৈকে

OKDISCD

তেওঁ লাগি থাকে। অৱশ্যে সামাজিক ক্ষেত্ৰত তেওঁ লিবাৰেল আছিল। দলীয় কাম-কাজ কৰাৰ সময়ত তেওঁৰ নিৰ্ভীক মনৰ পৰিচয় পাইছিলো। বিষ্ণু বৰাঃ পাৰ্টিৰ বাবে, দৰিদ্ৰ জনসাধাৰণৰ বাবে ব্যক্তিগত জীৱনক তুচ্ছ জ্ঞান কৰা লোক। আমাৰ প্ৰত্যেকৰে জনসেৱাৰ পথ একে নহ'ব পাৰে, কিন্তু ভাৰতবৰ্ষৰ একেখন মঞ্চতে একত্ৰিত হৈ জনসেৱাৰ কামত আমি ব্ৰতী হ'ব পাৰিছিলো। কিয়নো আমি আটায়ে মূলতে আছিলো জাতীয় মুক্তি আন্দোলনৰ সক্ৰিয় কৰ্মী।

বিষ্ণু বৰা উত্তৰ লক্ষীমপুৰলৈ গৈছিল কৃষক আন্দোলন কৰিবলৈ। বিহপুৰীয়া আৰু নাৰায়ণপুৰ অঞ্চলত ভালেমান বছৰ থাকি, সমগ্ৰ লক্ষীমপুৰ জিলাতে কৃষকসকলৰ মাজত নিজৰ প্ৰাপ্য সম্পৰ্কে সচেতনতা গঢ়ি তুলিছিল। বৰাৰ বিবাহো লক্ষীমপুৰতে হৈছিল। বৰাৰ বিবাহৰ পূৰ্বে মই এবাৰ লক্ষীমপুৰলৈ যাওতে তেওঁৰ ভাবী শহুৰেকৰ ঘৰতো এপাক মাৰিব লগা হৈছিল। কন্যাৰ দেউতাকে বিষ্ণু বৰালৈ ছোৱালী বিয়া দিয়া সম্পৰ্কত মোৰ পৰামৰ্শ বিচাৰিছিল। ছোৱালীৰ দেউতাক নন্দেশ্বৰ শইকীয়া অঞ্চলটোৰ ভিতৰতে যথেষ্ট অৱস্থাসম্পন্ন লোক। ৰূপৰ চামুচ মুখত লৈ ডাঙৰ হোৱা বৰাৰ পত্নীয়ে জীৱনত বহু কষ্ট স্বীকাৰ কৰিব লগা হৈছিল।

বিষ্ণু বৰা ভকেল ইণ্টেলেকচুৱেল নাছিল। বৰাই মৰ্মে মৰ্মে অনুভৱ কৰিছিল যে জনগণৰ ৰাজহাড় স্বৰূপ কৃষকসকলৰ মুক্তি অবিহনে অসমৰ উন্নয়ন সম্ভৱ নহয়। সেয়ে জীৱনৰ শেষৰ ফালে তেওঁৰ সমস্ত কৰ্মৰাজি অৰ্পিত হৈছিল কৃষকৰ কল্যাণৰ বাবে। সেয়ে হয়তো বৰাই ভিন্ন দল মতো গ্ৰহণ কৰিব লগা হ'ল। এইক্ষেত্ৰত অন্যৰ সমালোচনা মই মানি ল'ব নোৱাৰো। বৰাক মই ভালদৰে জানো। তেওঁৰ সকলো কামেই নিভাঁজ, স্বাৰ্থহীন আৰু গঠনমূলক। পৰিস্থিতি সাপেক্ষে মোহন কুমাৰ মাঙ্গলম, কল্পনা মুখাৰ্জীৰ দৰে কমিউনিষ্ট পাৰ্টিৰ শীৰ্ষস্থানীয় নেতাই কংগ্ৰেছ দলত যোগ দিব লগা হৈছিল।

বিষ্ণু বৰাৰ জন্ম হৈছিল যোৰহাটৰ কাকজান অঞ্চলত। কাকজান অঞ্চল চাহ বাগিচাৰে ভৰপূৰ। তেওঁ সৰুৰে পৰাই প্ৰত্যক্ষ কৰিছিল চাহ বনুৱাৰ শোষণ-নিৰ্যাতন তথা বঞ্চনাৰে ভৰা জীৱন। সেয়ে হয়তো বিষ্ণু বৰাক কৃষক-শ্ৰমিকে আজীৱন প্ৰভাৱিত কৰি ৰাখিলে। মৃত্যুৰ সময়লৈকে একনিষ্ঠ আৰু দৃঢ়তাৰে দৰিদ্ৰজনৰ মুক্তিৰ বাবেই কাম কৰি যোৱা বিষ্ণু বৰাই এসময়ত 'কৃষিপাম নিগম' স্থাপন কৰিলে। অসমত এতিয়া কেইখনো কৃষিপাম নিগম আছে। 'কৃষিপাম নিগম'ত অন্তৰ্ভুক্ত হাজাৰ হাজাৰ দৰিদ্ৰ ভূমিহীন কৃষকে নিজৰ মাটিত খেতি কৰি স্বাৱলম্বী হ'ব পাৰিছে।

অসমৰ কেইবাজনো স্বনামধন্য লেখকৰ পিতৃ, পিতামহ চাহ বাগানৰ চাকৰিয়াল আছিল। চাহ বাগানত ডাঙৰ হোৱা লেখকসকলৰ চাহ-শ্ৰমিকৰ জীৱনৰ প্ৰকৃত ছবি অঙ্কনত, দুৰ্দশাগ্ৰস্ত শ্ৰমিকৰ মুক্তি কামনাৰ দিশত সফল হোৱা বুলিব নোৱাৰি। কিন্তু বিষ্ণু বৰাৰ সমস্ত কৰ্মৰাজিতে ইয়াৰ প্ৰতিফলন আমি দেখিবলৈ পাইছো। এনে মহান কামত জীৱন উৎসৰ্গা কৰা বিষ্ণু বৰাৰ প্ৰতি মোৰ শ্ৰদ্ধা সদায়েই অক্ষুণ্ণ থাকিব। ❁

## সোঁৱৰণ

**ধনীৰাম দুৱৰা**

*হে বিষ্ণু*
*তোমাক সোঁৱৰো*
*নিস্পেষিত দৰিদ্ৰৰ*
*প্ৰাণ সদৃশ*
*হে বিষ্ণু তোমাক প্ৰণামো*

*দুখীয়া নিচলা*
*ভূমিহীন জনতাক*
*দুবেলা দুমুঠি*
*দি গ'লা অন্ন*
*হে বিষ্ণু তুমি দীনবন্ধু*

*অটব্য অৰণ্য*
*তোমাৰ জ্যোতিৰে*
*পোহৰাই ৰাখিছে*
*নৱ প্ৰজন্মক*
*হে বিষ্ণু তুমি জ্যোতিষ্মান*

*বিভিন্ন জনগোষ্ঠীৰ*
*মিলন তীৰ্থভূমি*
*স্বৰ্গধাম ৰচনা কৰি*
*নাম থ'লা পূৰ্ব্বজ্যোতি*
*হে বিষ্ণু তুমি মহান*

*তোমাৰ আশীষ*
*বুকুত বান্ধি*
*জীয়াই আছে*
*শত শত শোকাকুল হৃদয়*
*হে বিষ্ণু তুমি মহাত্মা*

*তোমাৰ আদৰ্শ*
*আকাশে বতাহে*
*ভাহি থাকিব*
*সৃষ্টিৰ বুকুত চিৰদিন*
*হে বিষ্ণু তুমি অমৰ*

# সমাজকৰ্মী স্বৰ্গীয় ৰেৱকান্ত বৰাৰ সোঁৱৰণত

বুবুল বৰা
তাঁতিবাহাৰ

মানুহ মৰণশীল। কিছুমানৰ মৃত্যুৱে নিজৰ বংশ-পৰিয়ালক কন্দুৱাৰ উপৰিও সমাজৰ দহজনকো কন্দুৱাই থৈ যায়। তেনেকৈয়ে পিছলাপৰীয়া কমৰেড্ স্বৰ্গীয় ৰেৱকান্ত বৰাৰ মৃত্যুয়ে পৰিয়াল-পৰিজনক শোক-সাগৰত বুৰাই থৈ যোৱাৰ উপৰিও আন বহুতৰে মাজত শোকৰ ছাঁ পেলাই থৈ গৈছিল।

স্বৰ্গীয় ৰেৱকান্ত বৰাৰ জন্ম হৈছিল ১৯২৮ চনৰ জানুৱাৰী মাহৰ ৪ তাৰিখে ইতিহাস প্ৰসিদ্ধ তাঁতীবাহাৰ অঞ্চলৰ কুমাৰ জানৰ পাৰত। তেওঁৰ পিতৃ আছিল স্বৰ্গীয় ধনীৰাম বৰা আৰু মাতৃ স্বৰ্গীয় কলিমি বৰা। পিছলৈ তেওঁলোকে কুমাৰজান এৰি একেটা অঞ্চলৰে পিছলাপাৰত বসবাস কৰিবলৈ লয়। এই বংশটো পূৰ্বৰ দেৰগাঁও অঞ্চলৰ দা-ধৰা বংশৰ। ১৯২৫ চনত দক্ষিণপাৰৰ পৰা উত্তৰপাৰলৈ প্ৰৱৰ্জিত হৈ আহে। পৰিয়ালটোৰ এটা ঠাল দেৰগাঁৱতে থাকি আহে। উত্তৰপাৰলৈ উঠি অহা ঠালটোৰ ভিতৰৰে লোকসকল কালক্ৰমত ভাগ হৈ হৈ পিছলাপাৰ, তাঁতীবাহাৰ, দেৰগঞা, তৰাণিখাট, মধুপুৰ আদি অঞ্চলত বসবাস কৰি আছে।

স্বৰ্গীয় ৰেৱকান্ত বৰাৰ এগৰাকী বায়েক, দুজন ভায়েক আৰু ভনীয়েক দুগৰাকী। সাধাৰণ কৃষিজীৱী পৰিয়ালৰ লোক হোৱা বাবে সৰুতে পঢ়া-শুনা কৰাতকৈ কৃষিকৰ্মতহে বেছি মনোনিৱেশ কৰে। সেই কাৰণে মজলীয়া বিদ্যালয়ৰ শিক্ষা লাভ কৰাৰ পিচত উচ্চ শিক্ষা নলৈ পঢ়া-শুনা সিমানতে সাং কৰে।

স্বৰ্গীয় বৰাদেৱে কৈশোৰ অৱস্থাৰ পৰা সামাজিক কাম-কাজ বিশেষকৈ গাঁৱৰ ৰাইজৰ লগতে সেইসময়ৰ ন-পাতনি অঞ্চলটোৰ ৰাস্তা-ঘাট, নামঘৰ-স্কুলঘৰ নিৰ্মাণ, সবাহ-ভাওঁনা আদি পতাত আগভাগ লৈছিল। এনেদৰে কাম কৰি গৈ থাকোতে ডেকাকালত বিপ্লৱী ৰাজনৈতিক দলৰ ভাৱাদৰ্শৰ প্ৰতি আকৃষ্ট হয়।

১৯৫০ চনত জৰাবাৰী গাঁও নিবাসী স্বৰ্গীয় পদ্মধৰ বৰুৱাৰ বৰজীয়ৰী শ্ৰীমতী পদুমী বৰুৱাক বিয়া কৰায়। সেই বছৰৰে বৰভূঁইকঁপত লক্ষীমপুৰ জিলাৰ বিধ্বস্ত হোৱা ঠাই সমূহৰ বিপৰ্যস্ত লোকক সেৱা আগবঢ়াই বিভিন্ন ঠাইত ঘূৰি ফুৰোতে বাওঁপন্থী ৰাজনৈতিক দল ভাৰতীয় সাম্যবাদী দলৰ নেতাৰ সংস্পৰ্শলৈ আহে।

১৯৫২ চনত ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ সাধাৰণ সদস্যভুক্ত হয়। ইয়াৰ পিছত কামৰ বোজাও বাঢ়ি যাবলৈ ধৰিলে। সেইসময়ৰ সাম্যবাদী দলৰ প্ৰধান লক্ষ্য আছিল ভূমি-সংস্কাৰ। ভূমিহীনক ভূমিৰ অধিকাৰী কৰিব পৰাটোৱেই সেই দলৰ কৰ্তব্য বুলি বিবেচিত হৈছিল। স্বৰ্গীয় বৰাৰ প্ৰচেষ্টাত এই সমগ্ৰ অঞ্চলটোৰ ভূমিহীনৰ তালিকা প্ৰস্তুত কৰা হ'ল। ক'ৰবাত যদি চৰকাৰী মাটি আবণ্টন নোহোৱাকৈ আছিল; তেনে মাটিৰ অনুসন্ধান কৰি, উক্ত মাটিত ভূমিহীনক দখল কৰিবলৈ দিবলৈ চৰকাৰৰ ওচৰত আবেদন-নিবেদন জনাইছিল। তেনে এক উদ্দেশ্য সাৰোগত কৰি তাঁতীবাহাৰ দৈশিংগীয়া গ্ৰেজিঙত কেইঘৰমান ভূমিহীন লোকক সংস্থাপন কৰাৰ ব্যৱস্থা কৰিছিল। এনে প্ৰচেষ্টা চৰকাৰৰ ঘৰত জগৰীয়া বুলি পৰিগণিত হ'ল। সেই অপৰাধতে স্বৰ্গীয় বৰাদেৱক ১৯৫৮ চনত গ্ৰেপ্তাৰ কৰি কাৰাবাস দিয়ে।

কাৰাগাৰৰ পৰা মুকলি হৈ আহি পুনৰ একে উদ্যমেৰে সমাজৰ দুখীয়া-নিছলা লোকৰ সামগ্ৰিক উন্নয়নৰ কামত নিমগ্ন হয়। ১৯৬২ চনত চীনে ভাৰতবৰ্ষ আক্ৰমণ কৰে। সেইসময়ত কমৰেড্ বৰা স্থানীয় গাঁওৰক্ষী বাহিনীৰ পৰিচালনাৰ দায়িত্বত আছিল। চীনৰ আক্ৰমণৰ আতংকত উত্তৰপাৰৰ ভালেমান মানুহ দক্ষিণপাৰলৈ যাবলৈ পাং পাতিলে। গাঁওৰক্ষী বাহিনীৰ লোকসকলে ৰাইজক আতংকগ্ৰস্ত নহ'বলৈ আৰু নিজৰ ঠাই এৰি নাযাবলৈ দঢ়াই দঢ়াই কৈ অভয়দান কৰি ফুৰিছিল। স্থানীয় তাঁতীবাহাৰ ৰেলৱে ষ্টেচনৰ ষ্টেচন-মাষ্টৰকে ধৰি সকলো কৰ্মচাৰীয়ে ষ্টেচনটি নিঠৰুৱা কৰি এৰি ৰাতিৰ ভিতৰতে গুচি গ'ল। সেই সময়তো স্বৰ্গীয় বৰাৰ প্ৰচেষ্টাত গাঁওৰক্ষী বাহিনীৰ লোকসকলে দিনে-নিশাই পহৰা দি ষ্টেচনৰ একো সম্পত্তি যাতে নষ্ট নহয় বা চুৰি নহয় তাৰ বাবে অহৰ্নিশে কাম কৰি আছিল। কিন্তু কি কাৰণে ক'ব নোৱাৰি সেইসময়ত বাছি বাছি কমিউনিষ্ট দলৰ নেতৃস্থানীয় লোকসকলক গ্ৰেপ্তাৰ কৰাৰ অভিযান চলালে। উক্ত গ্ৰেপ্তাৰ অভিযানৰ পৰা কমৰেড্ বৰাও সাৰি যাব নোৱাৰিছিল। পিছত জনা গ'ল- চীনদেশ কমিউনিষ্ট শাসনৰ দেশ। চীনে ভাৰতবৰ্ষ আক্ৰমণ কৰিছে যেতিয়া ভাৰতীয় কমিউনিষ্টসকলেও চীনক সহায়ৰ হাত আগবঢ়াইছে। এতেকে চৰকাৰে ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ লোকসকলক কাৰাগাৰত ভৰোৱাৰ দিহা কৰিছিল।

সেইসময়ত কমিউনিষ্ট পাৰ্টিৰ সভা-সমিতিসমূহ গাঁৱে-ভূঞে অনুষ্ঠিত কৰা বৰ সহজ নাছিল। সভা একোখন আহ্বান কৰিলে সেই সভাৰ আৰম্ভণিৰ পৰা শেষলৈকে চৰকাৰী গুপ্তচৰৰ শেনচকু নিবদ্ধ হৈ আছিল। বহুসময়ত সভা-সমিতিসমূহ গোপনে অনুষ্ঠিত কৰিবলগা হৈছিল। তেনে এক সময়তে ১৯৬৭ চনত ২নং তাঁতীবাহাৰ পিছলা নামঘৰত স্বৰ্গীয় বৰাদেৱৰ আপ্ৰাণ চেষ্টাত কমিউনিষ্ট পাৰ্টিৰ লক্ষীমপুৰ জিলা পৰ্যায়ৰ এখনি ৰাজহুৱা সভা মুকলিকৈ অনুষ্ঠিত কৰা

OKDISCD

হৈছিল। উক্ত সভালৈ সেইসময়ৰ জিলা স্তৰৰ কেইবাজনো বিষয়ববীয়া আহিছিল। সেইসকলৰ ভিতৰত কমৰেড্ বিষ্ণু বৰা সমন্বিতে শ্ৰীশূল বৰা, শ্ৰীমতী হেমদা বৰা আদি নেতাসকল উপস্থিত আছিল। উক্ত নেতাসকলে ভাষণ প্ৰসংগত উদাত্তকণ্ঠে দিয়া আহ্বানৰ প্ৰতি সৰ্বসাধাৰণ ৰাইজে সঁহাৰি জনাইছিল। সেই সভা অনুষ্ঠিত হৈ যোৱাৰ পিছৰ পৰা সমবায় ভিত্তিক কৃষিপাম স্থাপনৰ চিন্তা-চৰ্চা হ'ল।

১৯৭২ চনৰ আৰম্ভণিতে সাম্যবাদৰ ওপৰত আধাৰিত সমাজবাদী, প্ৰগতিকামী দৃষ্টিভংগীৰে ৰাজ্যিক কৃষিপাম নিগম স্থাপনৰ যো-জা চলোৱা হয়। এনে কৃষিপাম নিগম স্থাপন সমগ্ৰ দেশৰ ভিতৰতে প্ৰথম প্ৰচেষ্টা। আনকি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো এই প্ৰচেষ্টা সমাদৃত হৈছিল।

কৃষিপাম স্থাপনৰ বাবে অঞ্চলটোৰ বিভিন্ন ঠাইত সভা-সমিতি পাতি ভূমিহীন কৃষক পৰিয়ালসমূহক সদস্যভুক্ত কৰিছিল। তাঁতীবাহাৰ, নটগাঁও, পদ্মপুৰ, তৰানিখাত, ঠাকুৰ দলনী, জৰাবাৰী, যমুনাখাত, বৰপথাৰ, শ্ৰীভুঞা দেওতোলা আদি ঠাইৰ পৰা অংশীদাৰ সদস্য গোটাই কৃষিপাম নিগমৰ প্ৰতি আগ্ৰহান্বিত কৰি তোলে। এই সন্দৰ্ভত ১৬-৯-৭২ তাৰিখে ভোলাবাৰী চাৰিআলি নামঘৰত স্বৰ্গীয় বৰাৰ আহ্বানত ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত তদানীন্তন ভোলাবাৰী গাঁও পঞ্চায়তৰ সভাপতি শ্ৰীকেশৱ চন্দ্ৰ গোস্বামীয়েও কৃষিপাম স্থাপনৰ সমৰ্থন কৰি ভাষণ দিয়ে। সভাখনি সফল হোৱাত শ্ৰীসোণাৰাম মুদৈ, শ্ৰীঅম্বু শইকীয়া আদিয়েও সহায় কৰে। উক্ত সভাতে পুঁজি সংগঠনৰ বাবে আগ্ৰহী প্ৰত্যেক পৰিয়ালৰ পৰা এক কিলোগ্ৰাম চাউল আৰু নগদ এটকাকৈ সংগ্ৰহ কৰাৰ সিদ্ধান্ত কৰে। কৃষিপাম নিগম স্থাপন হোৱাৰ প্ৰাক্-মুহূৰ্তত বিৰুদ্ধবাদী এটা দলে ভাঙোনমুখী বক্তব্য দাঙি ধৰিছিল। এনে কাৰ্যৰ বাবে উক্ত সভাতে শ্ৰীভুবনেশ্বৰ দত্তই নিজৰ ভুল স্বীকাৰ কৰি কৃষিপাম স্থাপনৰ সপক্ষে মতপ্ৰকাশ কৰে। এই কথাখিনি প্ৰসংগক্ৰমে উল্লেখ কৰি স্বৰ্গীয় বৰাদেৱে কৃষিপাম নিগম স্থাপনৰ বাবে লোৱা আন্তৰিক প্ৰচেষ্টা আৰু সফল নেতৃত্বৰ এটা উদাহৰণ মাত্ৰ দাঙি ধৰা হ'ল।

সেইসময়ৰ ভালেকেইজন নেতৃস্থানীয় সহৃদয় ব্যক্তিৰ সহযোগত প্ৰায় চাৰিশটা পৰিয়াল লৈ অসম ৰাজ্যিক পূৰ্বজ্যোতি কৃষিপাম নিগম স্থাপিত। ইয়াৰ সঞ্চালক মণ্ডলীৰ অন্যতম সদস্য হিচাপে স্বৰ্গীয় ৰেব বৰাদেৱেও অংশগ্ৰহণ কৰে। কৃষিপাম নিগমৰ সঞ্চালক মণ্ডলীৰ সদস্যসকল ক্ৰমে স্বৰ্গীয় বিষ্ণু বৰা, শ্ৰীভৱ শইকীয়া, স্বৰ্গীয় দুৰ্গেশ্বৰ পাঠক, শ্ৰীৰাম শৰ্মা, ডঃ কোবেশ্বৰ বৰা, শ্ৰীগণেশ কুটম, স্বৰ্গীয় নোমল ভূঞা, শ্ৰীনন্দ বৰা, শ্ৰীশশী গোহাঁই আদি ব্যক্তিসকলৰ লগত স্বৰ্গীয় বৰাৰ ঘনিষ্ঠ সম্পৰ্ক আছিল। কমিউনিষ্ট পাৰ্টিৰ কামত স্বৰ্গীয় বিষ্ণু বৰাদেৱ তেখেতৰ অগ্ৰজপ্ৰতীম আছিল। স্বৰ্গীয় বৰাদেৱে তেখেতক পিছলাপৰীয়া কমৰেড্ বুলি সম্বোধন কৰিছিল। কৃষিপাম স্থাপনৰ লগে লগে স্বৰ্গীয় বিষ্ণু বৰা সমন্বিতে ভালেমান নেতাই ভাৰতীয় কমিউনিষ্ট পাৰ্টি ত্যাগ কৰে। সেইসময়ত স্বৰ্গীয় বৰাদেৱেও ভাৰতীয় কমিউনিষ্ট পাৰ্টি ত্যাগ কৰে। কৃষিপাম নিগমৰ কাম-কাজত দেহেকেহে লাগি থাকি যোৱা ২১-১-৭৭ তাৰিখে বিয়লি চাৰি বজাত ৪৯ বছৰ বয়সত উঃ লক্ষীমপুৰ ছিভিল হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তিনিজন পুত্ৰ আৰু পাঁচগৰাকী কন্যা সন্তান এৰি থৈ যায়। এমা-ডিমা অৱস্থাৰ সতি-সন্ততি কেইটাৰ দায়িত্ব তেখেতৰ পৰিবাৰৰ ওপৰত অৰ্পণ আৰু নিজৰ গাঁৱত স্থায়ীভাৱে পুনৰ নিৰ্মাণ কৰিবলৈ লোৱা নামঘৰটি যেন ৰাইজে নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰে এয়াই তেখেতৰ শেষ ইচ্ছা আছিল। তেখেতে আজীৱন সংগ্ৰাম কৰি খাটিখোৱা জন-সাধাৰণৰ উন্নয়নকল্পে কাম কৰি কৰি ভাগৰি পৰা নাছিল, মাত্ৰ কামত অগ্ৰহৰহে হৈছিল। কাহানিও পাছলৈ ঘূৰি চোৱা নাছিল।

নানান ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি পূৰ্বজ্যোতি কৃষিপাম নিগম ঠন ধৰি উঠাৰ সময়তে যোৱা ১৯৮৩ আৰু ১৯৮৯ চনৰ ভাতৃঘাটী সংঘৰ্ষৰ সময়ত থানবান হৈছিল যদিও সঞ্চালক-সকলৰ আশাসুধীয়া প্ৰচেষ্টা, অংশীদাৰসকলৰ অদম্য সাহস আৰু অক্লান্ত শ্ৰমৰ বিনিময়ত কৃষিপামখনিয়ে আজি ৰমক্-জমক্ পৰিবেশৰ মাজত মহা সমাৰোহেৰে ৰূপালী জয়ন্তী মহোৎসৱ উদ্‌যাপন কৰিবলৈ সক্ষম হৈছে। "মাউখে উটিলে গুৰি পৰুৱাৰো মৰণ নাই"- এই কথাষাৰৰ সাৰ্থকতা প্ৰমাণ কৰিলে পূৰ্বজ্যোতি কৃষিপাম নিগমৰ আজিৰ এই বৈ-বৈ যোৱা পাৰিপাৰ্শ্বিক অৱস্থাই। পূৰ্বজ্যোতি নিগমে ভাতৰ আকাল সহা আৰ্তজনৰ মুখত অফুৰন্ত হাঁহি বিৰিঙাইছে। ৰূপালী জয়ন্তী অধিৱেশনৰ এই শুভক্ষণত স্বৰ্গীয় ৰেবকান্ত বৰাৰ পবিত্ৰ সোঁৱৰণত অশ্ৰু-অঞ্জলি যাচিছোঁ। আৰু লগতে স্বৰ্গীয় বৰাদেৱক ৰাজনীতিৰ আদিপাঠ শিকাওঁতা পূৰ্বজ্যোতি কৃষিপাম নিগমৰ প্ৰতিষ্ঠাপক সভাপতি স্বৰ্গীয় বিষ্ণু বৰাদেৱলৈ যাচিছো আন্তৰিক শ্ৰদ্ধাঞ্জলি।

বন্য জীৱ-জন্তুৰ আক্ৰমণ প্ৰতিহত কৰি, ৰোগ-ব্যাধিৰ বিভীষিকা নেওচি পূৰ্বজ্যোতি কৃষিপাম নিগম জাকত জিলিকা কৰা চিনাকি-অচিনাকি, জীৱিত-প্ৰয়াত আৰু বৰ্তমান নিগমৰ কৰ্মকৰ্তাসকললৈ মোৰ অন্তৰ ভৰা শ্ৰদ্ধা নিবেদন কৰিলো।

"জয়তু পূৰ্ব্বজ্যোতি কৃষিপাম নিগম"

OKDISCD

# স্মৃতিচাৰণ ঃ পূৰ্বজ্যোতি কৃষিপাম নিগমৰ জন্মলগ্নৰ

নন্দ বৰা

১৯৯৮ চনৰ ১৭ জানুৱাৰী। পূৰ্বজ্যোতি কৃষিপাম নিগমৰ ২৫ বছৰীয়া অৰ্থাৎ ৰূপালী জয়ন্তী উদ্‌যাপনৰ তাৰিখ। এই তাৰিখটোনো কিয় বাছি ল'লো? আহকচোন, ১৯৭৩ চনৰ ১৭ জানুৱাৰী, ৩ মাঘ তাৰিখলৈ উভতি যাওঁ।

ভোগালী বিহুৰ উখল-মাখলৰ মাজত, বিহুৰ পিঠাপনা, জা-জলপান খাই আগবাঢ়ি আহিল গহপুৰ বনাঞ্চলৰ পূব প্ৰান্তত অৱস্থিত দিগম্বৰী নামৰ কহুঁৱানীডৰালৈ কেইবাশও ভূমিহীন কৃষক হাতত দা-কুঠাৰ লৈ। ইয়াৰ সাতদিনৰ আগতে তেজপুৰ 'চাৰ্কিট হাউচ'ৰ আগফালৰ মুকলি পৰ্টিকত আলোচনা বহিছিল আমাৰ মাজত। স্বৰ্গীয় বিষ্ণু বৰা, ৰাজহ আৰু বনমন্ত্ৰী স্বৰ্গীয় পৰমানন্দ গগৈ, স্বৰ্ণলতা মহন্ত (প্ৰাক্তন বিধায়িকা), প্ৰাক্তন মন্ত্ৰী বিশ্বদেৱ শৰ্মা, ডি-এফ-অ' শ্ৰীযুত ফটিক চন্দ্ৰ গগৈ আৰু কেইজনমান বিষয়াৰ লগত। মন্ত্ৰী স্বৰ্গীয় গগৈদেৱে কৈছিল, "নন্দ, মেজিৰ জুইকুৰা তোমালোকে বিচৰা মাটি টুকুৰাতে জ্বলাই পুৱাব নোৱাৰা নেকি?" মই কৈছিলো যে, আজি গৈ কালিলৈ প্ৰচাৰ কৰি পৰহিলৈ সমাধা কৰিবলৈ মই সক্ষম নহ'ম। গতিকে বিহু খাইয়ে ৩ মাঘ, ১৭ জানুৱাৰীত সোমাব পৰাৰ প্ৰতিশ্ৰুতি দিলো আৰু সেই মতে সিদ্ধান্তও লোৱা হ'ল। মন্ত্ৰী গগৈদেৱৰ পৰামৰ্শ মতে ডি-এফ-অ' ডাঙৰীয়াই সেই আৰম্ভণিৰ দিনা উপস্থিত থকাৰ আশ্বাস দিয়ে।

☆ ☆

নিৰ্দ্ধাৰিত তাৰিখত কেইবাশও মানুহ লগত লৈ আমি সোমাই পৰিছিলো। উত্তৰ-পূবত থকা ভোলাবৰীৰ অম্বু শইকীয়া, অকন শইকীয়ালৈ খবৰ দিলো। ৰঙপুৰীয়া কাঠনিৰ স্বৰ্গীয় ভূৰাম শইকীয়া, ৰঙতীৰ শ্ৰীযুত ভোলা গগৈ, নিমূৰীৰ শ্ৰীযুত জিউৰাম গগৈ, ধেমাগড়ৰ ভূধৰ দুৱৰা, ৰামপুৰৰ লোহিত বসুমতাৰী, চোমধৰাৰ স্বৰ্গীয় মাঘিৰাম গগৈ, নাওঘূলিৰ স্বৰ্গীয় থানেশ্বৰস কোঁৱৰ, তাহিবাহাৰৰ স্বৰ্গীয় ৰেৱ বৰা, মেলেঙা বৰা, অকণমান গগৈ, শেলকঠীয়াৰ ভব শইকীয়া, ৰঙতিৰ মতিলাল গগৈ, শিমলুগুৰিৰ কণপাই হাজৰিকা, নগেন ফুকন আদি সকলোলৈকে খবৰ দিয়া হ'ল। বহু অপেক্ষাৰ পিছতো দেখা গ'ল চৰকাৰী পক্ষৰ এজনেও অংশগ্ৰহণ নকৰিলেহি। মনতে সন্দেহ জন্মিলঃ ক'ৰবাত যেন কিবা এটা ঘটিছে। আবেলি সময়ত স্বৰ্গীয় বিষ্ণু বৰাদেৱ ওলালহি। যিখিনি আঁতৰৰ ভূমিহীন কৃষক সংগঠনৰ সদস্য আহিছিল, অস্থায়ী চালি দি ৰাতিটোৰ বাবে খোৱা-থকাৰ ব্যৱস্থা কৰি দিছিলো পুৰণি পুখুৰীৰ পাৰে পাৰে। পানীৰ সুবিধা থকা ঠাইত এই বাহৰবোৰ পাতিছিলো। এইখিনিতে উল্লেখ কৰিব লাগিব যে, এই মাটি টুকুৰা দেখুৱাইছিল কোনে? হাতী-মাউত, ফান্দী, মোৰ ভাইৰ নিচিনা শ্ৰীযুত সোণফেৰা গগৈহঁতহে। "আপুনি ৰঙতি পুখুৰীৰ পাৰতে অৱস্থান কৰি উত্তৰ-দক্ষিণে, পূবে-পশ্চিমে মাটিখিনি দখল কৰক, মাটিখিনি ভাল।" সমীপৰ মানুহখিনি সেইদিনাৰ বাবে নিজ গাঁৱলৈ উভতি গৈছিল গৈ। ৰাতিটো থাকিলেও কিন্তু শিলমুগুৰিৰ পৰা যাতায়াতৰ দূৰত্ব বেছি হোৱা, হাবি-জঙ্ঘলৰ বাবে অহা-যোৱা কষ্ট হ'ব ইত্যাদি যুক্তি দৰ্শাই বিষ্ণু বৰাদেৱে দৈমালুৰ পুখুৰীৰ পাৰলৈ ওলোটাই নিলে। কিন্তু ১৯৭৫ চনত পুনৰ এই ঠাইখিনিলৈকে উলটি আহিব লগা হ'ল। এই ধৰণেই পূৰ্বজ্যোতি কৃষিপাম নিগমৰ কাৰ্যসূচী আৰম্ভ হৈছিল। বহু আশা-আকাংক্ষা বুকুত বান্ধি লৈ অসম ৰাজ্যিক কৃষি শ্ৰমিক ইউনিয়নৰ পতাকাৰ তলত দীক্ষা গ্ৰহণ কৰি চৰকাৰৰ পৰা প্ৰতিশ্ৰুতি আদায় কৰিছিলো আৰু এই তাৰিখটোকেই পূৰ্বজ্যোতি কৃষিপাম নিগমৰ প্ৰাৰম্ভিক তাৰিখ হিচাপে চিহ্নিত কৰি অহা ১৯৯৮ চনৰ ১৭ জানুৱাৰী, ৩ মাঘৰ দিনা ৰূপালী জয়ন্তীৰ দিন হিচাপে নিৰ্দ্ধাৰণ কৰি সহৃদয়, সংগ্ৰামী, স্বৰ্গগামী কমৰেডসকললৈ শ্ৰদ্ধাতৰ্পণ কৰাৰো ব্যৱস্থা কৰা হ'ল।

আৰু অকণমান আগবাঢ়ি যাওঁ বলক।

☆ ☆

মই ধৰমগড় এম. ই. স্কুলৰ প্ৰধান শিক্ষক হৈ থকাৰকালত তাতিবাহাৰৰ কমৰেড স্বৰ্গীয় ৰেৱ বৰাদেৱৰ গাঁৱৰ নামঘৰত ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ (C.P.I.) এক বৈঠক বহিছিল। সেই নামঘৰত বহা সভাতেই ধলপুৰ আৰু খেৰাজখাট মৌজাৰ ভূমিহীনসকলক বিচাৰি উলিয়াই কৃষি শ্ৰমিক ইউনিয়নৰ সদস্যভূক্ত কৰি, আন্দোলন কৰি চৰকাৰৰ পৰা মাটি আদায় কৰাৰ সিদ্ধান্ত লোৱা হৈছিল; আৰু মোৰ ওপৰতেই সেই দায়িত্ব অৰ্পণ কৰিছিল। মই শিক্ষক হিচাপে দেওবাৰ, শনিবাৰে পিছবেলা আৰু বন্ধ বাৰবোৰত এই কাম কৰাৰ আশ্বাস দিছিলো। গেজিংসমূহত ইতিমধ্যে সোমাই পৰা ভূমিহীনসকলকো সংগঠিত কৰা হৈছিল। গাঁও অঞ্চলত লোকৰ বাৰীত এনেয়ে বসবাস কৰি থকা বহু পৰিয়ালৰ লগত যোগাযোগ হৈছিল। তেওঁলোকে আমাৰ সৈতে চিনাকি হৈছিল আৰু আমাৰ সংগঠনৰ লগত জড়িত হৈ পৰিছিল। এই সংগঠন গোটেই ভাৰতবৰ্ষতে হৈছিল "ভাৰতীয় খেত-মজদুৰ ইউনিয়ন" হিচাপে।

OKDISCD

অসমতো হৈছিল "সদৌ অসম কৃষি শ্ৰমিক ইউনিয়ন" নামাকৰণেৰে। কমৰেড ফণী বৰা ইউনিয়নৰ ৰাজ্যিক গোটৰ সভাপতি আছিল। সম্পাদক আছিল লোহিত দাস। আমাৰ উত্তৰ লক্ষীমপুৰতো এই ইউনিয়নৰ কাম স্বৰ্গীয় বিষ্ণু বৰাদেৱৰ নেতৃত্বত সংগঠিত হৈছিল। তাৰ লগতে আমাৰ সমীপৰ শোণিতপুৰ জিলাৰ গহপুৰ অঞ্চলতো সংগঠন গঢ়ি উঠিছিল। মনত পৰে, নাৰায়ণপুৰৰ সাতবৰ বড়ীলৈ। ১৯৫০ চনৰ বৰ ভূঁইকপৰ পিছত ব্ৰহ্মপুত্ৰৰ কোবাল বানত বহু গাঁও, বহু অঞ্চল অসমৰ বুকুৰ পৰা বিচ্ছিন্ন হৈ পৰিছিল। তাৰেই এটা অংশৰ পৰিয়ালকেইটামানে সাতবড়ীত বাসস্থান লৈছিলহি। সেই গাঁৱৰে স্বৰ্গীয় ভোকোন্দা দাস, স্বৰ্গীয় মানিক দাস, স্বৰ্গীয় মোলোকা দাস, সমীপৰ মহানন্দ বৰা, কমৰেড নিৰণ গগৈ, ভৱ শইকীয়া, নৃপেন দে আদিয়ে তেওঁলোকৰ উত্তৰ লক্ষীমপুৰ কৃষি শ্ৰমিক ইউনিয়নৰ এক অভিবৰ্তন পাতিবলৈ সুবিধা কৰি দিছিল। সেই অভিবৰ্তনলৈ কমৰেড ফণী বৰা আৰু সম্পাদক লোহিত দাস আহিছিল। সদৌ অসম কৃষি শ্ৰমিক ইউনিয়ন, উত্তৰ লক্ষীমপুৰ কৃষি শ্ৰমিক ইউনিয়ন আদি সংগঠনসমূহৰ মাজত যোগসূত্ৰ স্থাপন কৰি দিয়া ভাষণেৰে ৰাইজৰ কৰ্তব্যৰ আলোচনা কৰা হৈছিল আৰু ভূমিহীনসকলক এক পতাকাৰ তলত ঐক্যবদ্ধ হৈ কাম কৰিবলৈ প্ৰেৰণা যোগাইছিল। তাৰ পিছত ১৯৬৯ চনৰ মে' মাহৰ কথা।

☆ ☆

ছয় মে' তাৰিখৰ দিনা লক্ষীমপুৰ জিলাৰ শেষ প্ৰান্তৰ পৰা সদৰলৈ আগবাঢ়িব ভূমিহীন কৃষকৰ এটা দল। ৰাতিপুৱাই পিতৃয়ে দিয়া পুৰণি চাইকেলখনৰ ওপৰত উঠি আগবাঢ়ি গ'লো আমাৰ কৰ্মীবৃন্দৰ মাজলৈ। দহ-পোন্ধৰজনমান লোক ওলাই আহিল লক্ষীমপুৰৰ মহকুমাধিপতিক নিজৰ দাবী সাব্যস্ত কৰিবলৈ। শিমলুগুৰিৰ পৰা দহজনমানহে ৰঙতীত যোগ হ'লহি। উত্তৰ কাঠনিৰ ফালৰ মানুহখিনি ধেমাগড়-ৰামপুৰৰ পৰা যোগ হ'লহি। মই চাইকেল চলাই গৈ আছো। মই ভোলা গগৈক ক'লো— "আটাইখিনি লগ লাগি তোমালোক আহি থাকা।" ৰেৱ বৰাক ক'লো— "আমাৰ ৰাইজ আহি আছে, আপোনালোকৰ মানুহখিনি গোটাওক।" মই তেতিয়াও চাইকেল মাৰি গৈয়ে আছো। মোতকৈ জ্যেষ্ঠ ভৱ শইকীয়া, স্বৰ্গীয় ৰেৱ বৰা আহি সহযোগ কৰিলেহি ৰাইজক লগত লৈ নাৰায়ণপুৰ তিনিআলিত। ভোলাবৰীৰ পৰা আহিল অকণ শইকীয়া, অম্বু শইকীয়াৰ দায়িত্বত। জখৰীয়াৰ পৰা আহিল নন্দেশ্বৰ দাসৰ গ্ৰুপৰ মানুহখিনি। সাতবৰৰ পৰা আহিল মানিক দাসৰ দায়িত্বত কীৰ্তি বনিয়া, পদ্মেশ্বৰ শইকীয়া লগত বেলগুৰি সত্ৰৰ নাৰায়ণ ভূঞা। শ্ৰদ্ধাভাজন ভদ্ৰকৃষ্ণ গোস্বামীদেৱৰ আশীষ গ্ৰহণ কৰি জখৰীয়াৰ ৰাইজ আগবাঢ়ি আহিল আমাৰ লগত যোগ দিবলৈ। প্ৰায় ৭০০ ভূমিহীন লোক একেলগ হৈ আগবাঢ়িল উত্তৰ লক্ষীমপুৰ মহকুমাধিপতিৰ কাৰ্যালয়লৈ। হাতত কৃষি শ্ৰমিক ইউনিয়নৰ ৰঙা পতাকা। এখন নহয়, দুখন নহয়— বহুখন। মানুহবোৰ লাহে লাহে গৈ আছে। নাৰায়ণপুৰৰ মৌজাদাৰ স্বৰ্গীয় কীৰ্তিকান্ত ফুকনদেৱে নিজ হাতেৰে এখন এখনকৈ তামোল দিলে আৰু পুতেকহঁতে গৰম পৰাৰ বাবে ৰাইজক চৰবত খুৱালে। মোৰ কাৰণে এইটো আছিল এক অবিস্মৰণীয় অভিজ্ঞতা। তেতিয়ালৈকে প্ৰতি গাঁৱৰে ভূমিহীন লোকে আমাৰ লগত সহযোগ কৰিছিলহি। গৈ গৈ বিহপুৰীয়াৰ মাজ-মজিয়াত থিয় হৈছিলোগৈ। বিহপুৰীয়া আছিল এক ব্যৱসায়ীক অঞ্চল। তেওঁলোকে আমাক নেমুপানী আৰু তামোলেৰে আপ্যায়িত কৰিছিল। তেতিয়ালৈকে আমাৰ সমদলত প্ৰায় ১০০০ মান ভূমিহীন লোক গোট খাইছিলগৈ। আমি পুনৰ আগবাঢ়ি গৈছিলো বঙালমৰা পথেদি লালুকলৈ বুলি। গৈ গৈ সন্ধিয়া প্ৰায় ছয়মান বজাত আমি লালুক পাইছিলোগৈ। বেঙ্গলী সমাজ, মৌলানা আফাজুদ্দিন আহমেদ, ব্যৱসায়ী সন্থা সকলোৱে হেনো আলোচনাত বহি সিদ্ধান্ত কৰি খৰি, কেৰাহী, চাউল, দাইল, নিমখ, তেল, বাচন-বৰ্তন আদিৰ যোগান ধৰিলে আৰু বেঙ্গলী নাট্য মন্দিৰত থকা-খোৱাৰ ব্যৱস্থা কৰিলে। দিনটোৰ পৰিশ্ৰমৰ শেষত সকলো ৰাইজ সোনকালে শুই পৰিছিল। কিন্তু ফৰ্ম কিছুমান পূৰাই ৰাতি দুই বজাত শুবলৈ ঠাই বিচাৰি নাপাই মই Transport অফিচৰ বাৰাণ্ডাত থকা বেঞ্চখনতে শুই পৰিলো।

☆ ☆

ৰাতিনো কেতিয়া পুৱাল ক'বই নোৱাৰিলো। আমাৰ সতীৰ্থসকল, আনকি লগতে শুই থকাজনো কেতিয়া গ'ল গমকে নাপালো। প্ৰায় আঠ বজাত সাৰ পাই হোটেলতে মুখ-হাত ধুই ভাবি-চিন্তি Transport-তে যোৱাৰ সিদ্ধান্ত ল'লো। তেওঁলোক ৰঙানদী পাওতেই মই বাছৰ পৰা নামি তেওঁলোকৰ লগত যোগ দিলো। লক্ষীমপুৰৰ ফালৰ পৰা কমিউনিষ্ট পাৰ্টি, কৃষক সভা আৰু কৃষি শ্ৰমিক ইউনিয়নৰ নেতৃবৃন্দ আহি আমাক অভিনন্দন জনালে আৰু আমাক আগবঢ়াই নিলেহি। লক্ষীমপুৰৰ সেই সময়ৰ একমাত্ৰ পকা ৰাস্তাটোৰেদি ডি. আই. অফিচ, ডাকঘৰ, ষ্টেট বেঙ্ক পাৰ হৈ পূব দিশেৰে ঘূৰি আহি কাছাৰী ফিল্ডত আমি সমবেত হ'লোগৈ। তেতিয়ালৈ প্ৰায় তিনি হাজাৰ লোক আহি আমাৰ লগত অংশগ্ৰহণ কৰিছিলহি। আমাৰ প্ৰিয় নেতা স্বৰ্গীয় বিষ্ণু বৰা, শূল বৰা, কৃষক নেতা খগেন হিলৈধাৰী আদিয়ে এছ. ডি. অ'. মহোদয়ক স্মাৰক-পত্ৰ প্ৰদান কৰি এটা বক্তৃতা দিছিল। এছ. ডি. অ'. মহোদয়ে নিজৰ কৰ্তব্য সম্পাদন কৰিম বুলি ৰাইজক আশ্বাস দিয়ে। তাৰ পিছত লক্ষীমপুৰ জিলা খেলপথাৰত এক ৰাজহুৱা সভা অনুষ্ঠিত হয়। কেইবাজনো বক্তাৰ লগতে ময়ো তাত নিজৰ বক্তব্য দাঙি ধৰিছিলো। সোনকালেই সভাখন ভঙ্গ কৰা হৈছিল। কাৰণ গ্ৰামাঞ্চলৰ মানুহখিনি ট্ৰেইনেৰে,

বাছেৰে ওলটি যাবগৈ লাগিব। দুদিন ধৰি পদব্ৰজে সুদীৰ্ঘ পথ অতিক্ৰম কৰি সকলো ৰাইজ ভাগৰি পৰিছিল। মই বাছেৰেই আহিলোঁ। গধূলি সাত-আঠমান বজাত শিলমুগুৰি আহি পায়েই মোৰ ভীষণ জ্বৰ হ'ল। ওচৰতে থকা মেলেৰীয়া ইন্সেক্টৰ চৌদ্ধপুলীয়াৰ (পানবাৰীৰ) হেম শইকীয়াই ঔষধপাতি দিলে। পুৱালৈ মোৰ জ্বৰ এৰিলে। তথাপিও দুদিনমান জিৰণি ল'লোঁ।

**মাটি দখলৰ প্ৰস্তুতিত ভোগপুৰ**

কমৰেড বিনন্দ শইকীয়াৰ ঘৰ। মানুহজনৰ ঘৰ আহল-বহল। পৰিয়ালৰ জনসংখ্যা কম। তাতেই উত্তৰ লক্ষীমপুৰ জিলা কৃষি শ্ৰমিক ইউনিয়নৰ কাৰ্যকৰী সভা। বিষয় ৰিজাৰ্ভ দখল আন্দোলন। গহপুৰ, ৰঙা, পাভ অৰ্থাৎ লক্ষীমপুৰ জিলাৰ আটাইকেইটা ৰিজাৰ্ভ দখল কৰাৰ প্ৰস্তুতি। মোৰ ভাগত পৰিল গহপুৰ ৰিজাৰ্ভৰ ঔগুৰিৰ অংশ। আলোচনা চলিল; চৰকাৰৰ প্ৰতি আক্ৰমণ কিভাৱে জনাব। দুখীয়া, ভূমিহীন কৃষকসকলক লৈ খালী দাকেইখনেৰে চৰকাৰী পুলিচবাহিনীৰ বন্দুকৰ আগত যুদ্ধ কৰি কিমান পৰ টিকিব। চৰকাৰেতো বাধা দিবই। আলোচনা হ'ল— সংঘাতলৈ যাব। উপায় নাপালে আত্মৰক্ষাৰ বাবে পলাব। মই বিৰোধিতা কৰিলোঁ। মই ক'লোঁঃ "মই নপলাওঁ। সংঘাতলৈও নাযাওঁ।" এনেয়েও মই গান্ধীবাদী সৰ্বোদয় নেতাসকলৰ লগত সম্পৰ্ক ৰখাৰ বাবে সংঘাতৰ পৰা আঁতৰি ফুৰাৰ মানসিকতা এটা গঢ় লৈ উঠিছিল। আৰু আলোচনা হৈছিল। কৃষি শ্ৰমিক ইউনিয়নৰ জন্ম, ইয়াৰ সংগঠন, ইয়াৰ চাৰিত্ৰিক বৈশিষ্ট্য আৰু কৃষক সভাৰ চাৰিত্ৰিক বৈশিষ্ট্য সম্পৰ্কে মাজে মাজে দুই সংগঠনৰ মাজত মত বিৰোধ ঘটিছিল, যিটো অসম কমিউনিষ্ট পাৰ্টিৰ মাজত কিছু হ'লেও আলোচ্য বিষয় হৈ পৰিছিল। মিটিং ভঙ্গ হৈছিল। সকলোৱে নিজ নিজ দায়িত্ব গ্ৰহণ কৰি ঘৰমুৱা হৈছিলোঁহঁক। স্বৰ্গীয় বিষ্ণু বৰা সভাপতি, মই সম্পাদক। অন্যান্য সদস্যসকলৰ কথা এতিয়া আৰু মনত নাই। অক্টোবৰ মাহৰ কোনোবা এটা দিন ধাৰ্য কৰা হৈছিল। সিদ্ধান্ত অনুযায়ী কাম হ'ব। তাৰিখটো দুই অক্টোবৰ। আঁতৰৰ সংগ্ৰামী বন্ধুসকল আহি শিলমুগুৰি হৰি মন্দিৰত অৱস্থান কৰিছিলহি। আগদিনাখনৰ পৰা হাতত ৰেজিষ্টাৰ বহী লৈ কোন গাঁৱৰ পৰা কোন কোন আহি পালেহি তেওঁলোকৰ নামবোৰ পঞ্জীয়ন কৰিছিলোঁ। বাছি দিয়া হৈছিল একোজনকৈ গ্ৰুপ নেতা। অৱশ্যে খেৰাজখাটৰ এটা অংশ আৰু নাৰায়ণপুৰ মৌজা আমাৰ লগত সেইদিনা নাছিল। যিহেতু ৰঙা ৰিজাৰ্ভ তেওঁলোকৰ সমীপতে আছিল। পুৱা ৯-১০ বজাত ৫৮৫ খন দা-সহ শিমলুগুৰি হৰি মন্দিৰত সেৱা জনাই শাৰী পাতি গহপুৰ ৰিজাৰ্ভৰ পূব প্ৰান্তত অৱস্থিত ঔগুৰি নামৰ উপখণ্ডটোলৈ আগবাঢ়ি আহিছিলোঁ। মই অকণমান পিছ পৰিছিলোঁ। শিমলুগুৰিতেই যিহেতু মোৰ ঘৰ, ভাতত গৰাহ দিছিলোঁ। তেনেতে খবৰ পালো পুলিচে বাধা দিছে। প্ৰায় তিনি কিলোমিটাৰ পথ কোবাকুবিকৈ চাইকেল মাৰি আহিছিলোঁ। চাইকেল আনিব নোৱাৰি ধান বেপাৰী বিহাৰী এজনক মোৰ চাইকেলখন দি তেওঁৰ ঘোঁৰাটো নিছিলোঁ। ঘোঁৰাৰ পিঠিত উঠি আহি পালোহি। ৰাইজে উদগ্ৰীৱ হৈ মোলৈ বৈ আছে। ভৱ শইকীয়া, স্বৰ্গীয় ৰেৱ বৰা, অকণ শইকীয়া, মতি গগৈও আছিল। চৰকাৰী পক্ষৰ গহপুৰৰ ৰেঞ্জাৰ, কেইজনমান পুলিচ কনিষ্টবল আৰু কেইজনমান ফৰেষ্ট গাৰ্ড লৈ ৰাইজক বাধা দিছিল। সকলোৱে মোৰ কথা কৈছিল যে, তেখেত এতিয়াই আহি পাবহি। ঔগুৰিৰ গাঁওবুঢ়াৰ চোতালত সকলো সমবেত হৈছিল। সুখৰ বিষয় কোনো উত্তেজনা নাই। আমাৰ ৰাইজ বৰ ধৈৰ্যশীল, চৰকাৰী পক্ষও। চৰকাৰী পক্ষৰ প্ৰস্তাৱ "আপোনালোকে ৰিজাৰ্ভ বেদখল নকৰিব।" উত্তৰত মই কৈছিলোঃ"এইটো আমাৰ সিদ্ধান্ত নহয়, আমাৰ সংগঠন গোটেই ভাৰতবৰ্ষতে হৈছে। অসমতো হৈছে আৰু আমাৰ উত্তৰ লক্ষীমপুৰতো হৈছে। সেই সংগঠনৰ প্ৰস্তাৱ আৰু সিদ্ধান্ত অনুযায়ীয়ে এই দখল কাৰ্য আৰম্ভ কৰিছোঁ।" দুয়োপক্ষৰ যুক্তি প্ৰায় আধা ঘণ্টা চলিছিল। সংঘাতলৈ নাযায় বুলি গম পাই আমাৰ এটা অংশ ইতিমধ্যে ৰিজাৰ্ভত সোমাই পৰিছিল। শেষত এটা প্ৰস্তাৱৰ মৰ্মে আজিৰ কাৰণে আমাৰ এই কাৰ্যসূচী বাতিল কৰিলোঁ। চৰকাৰী পক্ষ আঁতৰি যোৱাৰ লগে লগে আমাৰ ৰাইজ সোমাই পৰিল। মই অলপ ক্ষুণ্ণও হৈছিলোঁ। কাৰণ এই ফাকিটোত আমি ধৰাও পৰিছিলোঁ। এইদৰেই আৰম্ভ হৈছিল আগমন ভূমিহীনসকলৰ ১৯৭৩ চনৰ ১৭ জানুৱাৰীত প্ৰতিষ্ঠা হোৱা পূৰ্বজ্যোতি কৃষিপাম নিগম নামৰ এই অনুষ্ঠানটোলৈ।

সময় বাগৰি গৈ আছে। হাবি কাটি আছে। প্ৰথম তলকটা ই আৰম্ভ কৰিছিলোঁ। ঔগুৰি গাঁৱৰ ৰাইজৰ পথাৰৰ খেতি আমি অহা-যোৱা কৰাৰ কাৰণে কিছু নষ্ট হৈছিল। ৰাইজে আপত্তি কৰিছিল। আমিও সেই পথ ত্যাগ কৰি শিমলুগুৰি-আলুপাৰা ৰাস্তাৰ দক্ষিণে চেঁচা বালিত বাহৰ পাতি দুই নম্বৰ বিক্ৰমপুৰ আৰু আলুপাৰা গাঁৱৰ ৰাস্তাইদি অহা-যোৱা কৰিবলৈ ধৰিলোঁ। এইদৰেই খেতি চপোৱাৰ দিনত কিছুদিনৰ বাবে হাবি কটাও বন্ধ কৰিব লগা হৈছিল। আন্দোলন গোটেই ভাৰতবৰ্ষতে চলি আছিল। পুঁজিপতি গোষ্ঠীটোৱে ভৱিষ্যতৰ বাবে বহু মাটি আবাদী কৰি সংৰক্ষণ কৰি ৰাখিছিল। অসমত চিলিং আইনৰ উৰ্দ্ধতম সীমা ৭৫ বিঘা আছিল। আমাৰ সংগঠনে ৫০ বিঘালৈ নামি আহিবলৈ দাবী কৰিছিল। বাগানৰ উদ্বৃত্ত মাটি গৰীব ভূমিহীনক বিতৰণ কৰি দিয়াৰ দাবী তোলা হৈছিল। ভাৰতবৰ্ষৰ বিভিন্ন বাতৰি কাকতে (যিবোৰ ধনীক গোষ্ঠীয়ে পৰিচালনা কৰিছিল) ইয়াক Land Grave Movement হিচাপে তাচ্ছিল্যপূৰ্ণ উক্তি কৰিছিল। তথাপিও আন্দোলন স্থবিৰ হোৱা নাছিল।

**বিৱৰ্তনৰ পথত আমি আৰু স্বৰ্গীয় বিষ্ণু বৰা**

বিহপুৰীয়াৰ মিছামৰা গাঁও। তাত অনুষ্ঠিত হৈছিল ভাৰত

OKDISCD

কমিউনিষ্ট পাৰ্টিৰ উত্তৰ লক্ষীমপুৰ জিলা সন্মিলন। কাৰ্যসূচী অনুযায়ী সভাৰ কাম আৰম্ভ হৈছিল। আমাৰ কৃষি শ্ৰমিক গ্ৰুপৰ পৰিচালকসকলে ভাবিছিল আমাক পাৰ্টি সন্মিলনে ভাল পৰামৰ্শ দিব আৰু আমাৰ এই সংগঠনটোৰ কাৰণে আমাক বাঃ বাঃ দিব। এদিন এৰাতি সভা শেষ হৈ যোৱাৰ পিছত দেখা গ'ল কৃষক সভা আৰু কৃষি শ্ৰমিক ইউনিয়নক কেন্দ্ৰ কৰি পাৰ্টিৰ মাজত মত বিৰোধ আৰম্ভ হ'ল। আনি প্ৰায় হাৰিছিলো। গৰিষ্ঠসংখ্যক আমাৰ বিপক্ষে গৈছিল। মিটিং ভাগো ভাগো। বিষ্ণু বৰা কেতিয়া ওলাই আহিল গমকে নাপালো। মিটিঙৰ কাৰ্যসূচীৰ সামৰণিৰ আগে আগে আমিও সভাৰ পৰা ওলাই আহিলো। বিহপুৰীয়া টাউনৰ মাজত গম পালোহি স্বৰ্গীয় বিষ্ণু বৰাই ৰাজ্যিক গোটৰ ওচৰলৈ তেখেতৰ পদত্যাগৰ কথা জনাই টেলিগ্ৰাম কৰিলে। মই এইটো বিশ্বাস কৰিব পৰা নাছিলো। আমাৰ চিনাকি চি. আই. ডি.জন ওচৰ চাপি আহিল। মোক প্ৰশ্ন কৰিলে—"আপুনিও পদত্যাগ কৰিলে নেকি?" মই হতভম্ব হ'লো। চাইকেল চলাই চলাই আহি পানবাৰীত থকা স্বৰ্গীয় বিষ্ণু বৰাৰ ঘৰ পালোহি। তেখেতে ভৱ শইকীয়া, স্বৰ্গীয় ৰেৱ বৰাকে আদি কৰি কেইজনমানৰ লগত পদত্যাগৰ কথাকে আলোচনা কৰি আছিল। মোকো কৈছিল স্বৰ্গীয় বিষ্ণু বৰাই পদত্যাগ কৰিবলৈ। মই না কৰিছিলো। কাৰণ মোৰ পিতৃ কমিউনিষ্ট আছিল। আমাৰ পিতৃৰ বংশটো, গোলাঘাটৰ আমাৰ গাঁওখন, মিতিৰ-কুটুম্ব সকলোৱে কমিউনিষ্ট আছিল। মোৰ দেউতা আৰু ককাইদেউ ১৯৫০ চনত একেলগে জেল খাইছিল। দিল্লীৰ চুপ্ৰিম কোৰ্টত বিচাৰ চলিছিল আৰু চুপ্ৰিম কোৰ্টৰ ৰায় মৰ্মেহে মুক্তি পাইছিল। স্বাধীনতাৰ পিছত ১৯৫১ চনৰ ইলেকচনত মোৰ দেউতাই কমিউনিষ্ট পাৰ্টিৰ হৈ গোলাঘাট সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতাও কৰিছিল। মই কেনেকৈ কমিউনিষ্ট পাৰ্টি ত্যাগ কৰো? স্বৰ্গীয় বিষ্ণু বৰাৰ এযাৰ বাক্যই মোৰ চিন্তাত যতি পেলাইছিল—"নন্দ, তুমি মোৰ লগত থাকা। গোটেই জীৱন ত্যাগ স্বীকাৰ কৰি, ৰাইজৰ কাৰণে আন্দোলন কৰি, ৰাইজক মই কুঁৰা এটাও দিব নোৱাৰিলো। জীৱনৰ শেষ বছৰকেইটাত ৰাইজক কিবা এটা দিব পাৰোৱেই কিজানি।" দুটোপাল চকুপানী ওলাই আহিছিল। কমিউনিষ্ট পাৰ্টিৰ সেই পদত্যাগ পত্ৰত মই চহী কৰি দিছিলো।

মহেন্দ্ৰমোহন চৌধুৰী তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী আছিল। যোৰহাটৰ স্বৰ্গীয় যোগেন শইকীয়া আছিল যোগান মন্ত্ৰী। পূৰ্ণ দত্ত সেই সময়ত উত্তৰ লক্ষীমপুৰত কংগ্ৰেছৰ প্ৰথম পৰ্যায়ৰ কৰ্মী। আহিব ধৰা ইলেকচনৰ প্ৰাৰ্থী। স্বৰ্গীয় বিষ্ণু বৰা আৰু স্বৰ্গীয় যোগেন শইকীয়া একেগলে জে. বি. কলেজত হেনো সন্মিলন কৰিছিল। তিনিওৰে এক বৈঠক হেনো পদত্যাগৰ আগতেই বহিছিল। স্বৰ্গীয় বৰাক মৰ্যাদাসহ কংগ্ৰেছৰ সদস্য হিচাপে ভৰ্তি কৰিব বিচাৰিছিল। লগতে কৰ্মীবৃন্দকো। সেই কথা পিছতহে গম পাওঁ। প্ৰথমতে কমিউনিষ্ট পাৰ্টিয়ে আমাৰ বিৰুদ্ধে একো পদক্ষেপ লোৱা নাছিল। কথাবোৰ লাহে লাহে সৰলি হৈ গৈছিল। আমাৰ দাবী আছিল ৫০০ ঘৰ ভূমিহীন কৃষকক ১২ বিঘাকৈ মাটি দিব লাগিব। আমাক আশ্বাসো দিছিল।

☆ ☆

আহকচোন গহপুৰক বাদ দি আনকেইটা ৰিজাৰ্ভত এপাক মাৰি আহো। ৰঙা ৰিজাৰ্ভত পুলিচ-মিলিটাৰীয়ে বাধা দি মৰীয়া দাইটিকে আদি কৰি প্ৰায় বিশজনক এৰেষ্ট কৰি জেললৈ প্ৰেৰণ কৰিছিল। বাৰে বাৰে পুলিচে জুলুম কৰিছিল। ফলত ভৱ শইকীয়াই দিয়া নেতৃত্বৰ মানুহখিনি হতাশ হৈ পৰিছিল। মানুহখিনিক জামিনত অনাৰ পিছত আগৰ শক্তি আহৰণ কৰিবলৈ ব্যৰ্থ হৈছিল। সেই মানুহখিনিও গহপুৰ ৰিজাৰ্ভত লগ লাগিবলৈহে আগবাঢ়ি আহিল। লক্ষীমপুৰৰ পাভ আৰু আন দুটামান ৰিজাৰ্ভৰো তেনে অৱস্থাই হৈছিল। কমিউনিষ্ট পাৰ্টি আন্দোলনৰ পৰা আঁতৰি যোৱাৰ প্ৰভাৱ পৰিল।

আন্দোলন ব্যৰ্থ হোৱাৰ ভয়ত পুনৰ গহপুৰৰ কৰ্মীবৃন্দ ঐক্যবদ্ধ হৈছিল। গহপুৰ সমষ্টিৰ কমিউনিষ্ট কৰ্মীবৃন্দ আমাৰ পৰা আঁতৰি যোৱা নাছিল। বৰঞ্চ সহযোগৰ হাতহে আগবঢ়াইছিল। পুনৰ এটা দিনত গহপুৰ ৰিজাৰ্ভৰ পৰা গধূলিৰ ট্ৰেইনেৰে গৈ লক্ষীমপুৰ জিলাৰ মহকুমাধিপতিৰ সন্মুখত দহ ঘণ্টীয়া প্ৰতীক অনশন কৰিছিলোগৈ। সেইদিনা মহকুমাধিপতিৰ পৰা আমি ভাল ব্যৱহাৰ পোৱা নাছিলো। তেখেতে আমাৰ ওপৰত লাঠি চালনাৰহে হুকুম দিছিল। পুলিচ বিষয়াজনে পাঁচ মিনিট সময় নিদিয়া হ'লে আমাৰ অৱস্থা কি হ'লহেঁতেন সহজেই অনুমেয়। আকৌ কেইদিনমানৰ পিছত প্ৰায় ৫০০ ভূমিহীন লগত লৈ দৰং জিলাৰ তেজপুৰস্থ জিলাধিপতিৰ ওচৰলৈ স্মাৰক-পত্ৰ দিবলৈ গৈছিলো। ট্ৰেইনেৰে তেজপুৰ গওতেই গধূলি হৈছিল। প্ৰাক্তন সাংসদ পূৰ্ণনাৰায়ণ সিংহদেৱে তেজপুৰ বেঙ্গলী নাট্য মন্দিৰৰ দুৱাৰ মুকলি কৰি দিছিল। পুৱা স্বৰ্গীয় বিষ্ণু বৰাও গৈ পাইছিলগৈ। ডি. চি. মহোদয়ে সেইদিনা আমাক ভাল ব্যৱহাৰ কৰা নাছিল। স্মাৰক-পত্ৰ ৰাখিছিল। বক্তব্য ৰাখিবলৈহে সুবিধা দিয়া নাছিল। আবেলি হেম বৰুৱা ভৱনত ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। সিংহ ডাঙৰীয়াকো আমন্ত্ৰণ কৰা হৈছিল। কিন্তু নাহিল। প্ৰবীণ কমিউনিষ্ট নেতা ৰমেশ শৰ্মাই সভাত অংশগ্ৰহণ কৰি আমাক উৎসাহিত কৰিছিল। অ', আৰু এটা কথা, দৰং জিলাৰ পূব প্ৰান্তৰ কৃষি শ্ৰমিক ইউনিয়নে আমাৰ সগদলত যোগদান কৰিম বুলিও নকৰিলে। আমি উলটি আহিলো।

**গোপন নিৰ্দেশ**

বিষ্ণু বৰাই খবৰ দিলে ৫০০ টা প্ৰকৃত ভূমিহীন লোকৰ তালিকা প্ৰস্তুত কৰিবলৈ। নাওঘূলি, শিমলুগুৰি, বছা পুখুৰী, চোমধৰা, নিমূৰি, ৰঙতী. ৰামপুৰ, ধেমাগড়, ভোলাবৰী, তাঁতিবাহাৰ, জবাবাৰী,



OKDISCD

সক্ৰাহী, সাতবৰ, জখৰীয়া আদি গাঁওসমূহৰ নেতৃবৃন্দৰ পৰা তালিকা সংগ্ৰহ কৰি আমি ৫০০ ভূমিহীন লোক বাছি উলিয়ালো৷ আমাৰ দাবী গহপুৰ ৰিজাৰ্ভৰ পূব অংশত থকা ঔগুৰিত বাৰ বিঘাকৈ মাটি দিব লাগিব। বিষ্ণু বৰা ব্যস্ত কংগ্ৰেছৰ ওপৰ মহলত। ৰাজ্যিক পৰ্যায়ৰ কংগ্ৰেছৰ নেতৃবৃন্দৰ লগত প্ৰায় ঐক্যমতত উপনীত হৈছিল। আমি কেইবাজনেও গৈ শিলঙত যোগেন শইকীয়াৰ হাতত আবেদনসহ ৫০০ মানুহৰ তালিকা দাখিল কৰিছিলোগৈ। তেখেতে সেই তালিকা আৰু আবেদনখন সেই সময়ৰ বনমন্ত্ৰী ৰণেন বসুমতাৰীক দিবৰ বাবে আমাক পঠাই দিছিল। আমি দিছিলোগৈ। গ্ৰহণ কৰিছিলে। সহানুভূতিপূৰ্ণ বাক্যঃ"দেখা যাওক, ১৫/১৬ দিনৰ পিছত এবাৰ খবৰ কৰিবা।" যোগেন শইকীয়াক খবৰটো দি পুনৰ ভৈয়ামলৈ অৰ্থাৎ গহপুৰ ৰিজাৰ্ভলৈ নামি আহিছিলো।

১৭ দিনৰ পিছত স্বৰ্গীয় বৰাদেৱৰ পৰামৰ্শতে মই পুনৰ শিলং পাইছিলোগৈ। লগ নাছিল। আগতেও কেইবাবাৰো শিলঙলৈ গৈছো। সেইবাৰো পোনে পোনে ৰণেন বসুমতাৰীৰ কোঠা পাইছিলোগৈ। লগতে আমাৰ ওচৰতে বেদখল কৰা মনভাল বসুমতাৰীও গৈছিল। কিন্তু মোৰ লগত নোসোমাল। মই মন্ত্ৰীক সুধিছিলো—"আপুনি মাতিছিল, কি হ'ল কথাটো?" তেখেতে গহীন হৈ উত্তৰ দিছিল—"মই এইবোৰ একো ক'ব নোৱাৰো।" মই স্তম্ভিত হৈ পৰিছিলো। ১৬ দিনৰ আগৰ মানুহজন আৰু আজিৰ মানুহজনৰ মাজত যেন এটা ডাঙৰ পাৰ্থক্য আছিল। প্ৰায় এক-দুই মিনিটমান সময়ৰ নিৰৱতাৰ পিছত মই ওলাই আহিছিলো। কোবাকুবিকৈ স্বৰ্গীয় শইকীয়াদেৱক লগ কৰিছিলোগৈ। তেখেতক কৈছিলো—"ৰণেন বসুমতাৰীয়ে দেখোন একো ক'ব নোৱাৰো বুলি ক'লে?" উত্তৰ দিছিলঃ"বসুমতাৰীৰ খং উঠি আছে। যুৱক কংগ্ৰেছে আমাৰ ওপৰত অনাস্থা আনিছে, সেই কাৰণে। আজি গধূলি তুমিয়ে মইয়ে মুখ্যমন্ত্ৰীক লগ ধৰিম।" তেতিয়া দিনৰ এঘাৰ-বাৰমান বাজিছেহে। গধূলিলৈকে সিমানখিনি সময় মই কি কৰো! শিলঙত সেই সময়ত মন্ত্ৰীৰ কোঠাত, অফিচ কোঠাত, একোটাকৈ গৰম চৌকা থাকে। নিৰৱে চাহপানী খাই খাই চৌকাৰ ওচৰতে গোটেই দিনটো বহিয়েই কটালো। গধূলি হ'ল। ডাক্তৰ আহি তেখেতক বেজী এটা দিলে। একেখন গাড়ীতে তেখেতৰ বাসভৱনলৈ গ'লোগৈ। তাতো সেই একেই। বেজী দিয়া হৈছে। এটা সময়ত মোক ক'লে—"তুমি ইয়াতে থাকা, কালিলৈ গুৱাহাটীতহে মুখ্যমন্ত্ৰীক লগ কৰিমগৈ। মোৰ অসুখ দেখিছাই নহয়।" হোটেলত মোৰ বিছনা-পত্ৰ থকা কাৰণে মন্ত্ৰীৰ গাড়ীৰেই মোক হোটেলত থৈ গ'লহি। পিছদিনা মোক ৰাস্তাৰ দাঁতিত ৰৈ থাকিবলৈ পৰামৰ্শ দিলে আৰু তাৰ পৰাই তেখেতে মোক উঠাই লৈ যোৱাৰ কথা থাকিল।

মন্ত্ৰীৰ গাড়ী লগ পোৱা নহ'ল। মই চৰকাৰী বাছেৰেই গুৱাহাটী অভিমুখে যাত্ৰা আৰম্ভ কৰিলো। গুৱাহাটী আহি পালোহি। গুৱাহাটীৰ বাছ আস্থান পাওঁতে মোৰ পইচা কমি আহিছিল। বিহপুৰীয়া সমষ্টিৰ প্ৰাক্তন বিধায়ক শ্ৰীযুত মহানন্দ বৰাক লগ পাই ২৫.০০ টকা খুজি ল'লো। কথাখিনিও ক'লো। তেখেত আমাৰ শুভাকাংক্ষী আছিল। আহি গুৱাহাটী চাৰ্কিট হাউচ পালোহি। দেখিলো মানুহ বহুত। সেইদিনাখন মুখ্যমুন্ত্ৰীয়ে তাত এটা পাৰ্টিৰ আয়োজন কৰিছিল। প্ৰায়বিলাক মন্ত্ৰী, এম. এল. এ.য়ে হাতত থাল লৈ থিয় হৈয়েই খাই আছিল। দুই-এজনেহে চকীত বহিছিল। মই যোগেন শইকীয়াক লগ কৰিছিলো। মোকো খাবলৈ দিছিল। মই বাটত খাই অহাৰ বাবে সেই পাৰ্টিত যোগ নিদিলো। খাই থাকোতেই মুখ্যমন্ত্ৰী আৰু শইকীয়াৰ মাজত আলোচনা হ'ল। পিছদিনা পুৱাহে তেখেতে আমাৰ লগত কথা পাতিব। যোগেন শইকীয়া আৰু মই ৰৈ গ'লো। তেখেতৰ অসুখ। ডাক্তৰে ইনজেকচন দিছে। তেওঁৰ লগত ঘৰৰ মানুহ কোনো নাছিল। তেখেতে মোক তেখেতৰ লগত ৰাতি থকাৰ কথা ক'লে। মানুহজনলৈ শ্ৰদ্ধা উপজিছিল। মোক মাজতে কৈছিল—"তোমাৰ ৫০০ ঘৰ মানুহক মাটি দিবলৈ পালে মোৰ বৰ ভাল লাগিব।" তেখেতৰ প্ৰতি ভক্তি উপজিছিল আৰু মই যেন গভীৰ প্ৰশান্তি লাভ কৰিছিলো। ৰাতিটো গুৱাহাটীৰ চাৰ্কিট হাউচতে তেখেতৰ স'তে আছিলো। সেইদিনা মানুহৰ সমাগম নাছিল। আমি পূবৰ ঘৰটোৰ তলৰ এটা কোঠাত আছিলো। মুখ্যমন্ত্ৰীৰ কাৰণে সাজু কৰি ৰাখিছিল ওপৰ মহলাৰ উত্তৰৰ কোঠাটো। সেই ৰাতি আমি দুয়ো সোনকালে শুই পৰিছিলো। মুখ্যমন্ত্ৰী কেতিয়া আহিল গম নাপালো।

পিছদিনা পুৱা। লক্ষীমপুৰৰ পৰা কমৰেড স্বৰ্গীয় বিষ্ণু বৰা, ভৱ শইকীয়া আৰু কেইজনমান লোক গৈ আমাক লগ ধৰিলে। আমি মন্ত্ৰী শইকীয়াসহ মুখ্যমন্ত্ৰী মহেন্দ্ৰমোহন চৌধুৰীক লগ কৰিছিলো। মুখ্যমন্ত্ৰীয়ে ওলাই আহি ক'লেঃ"আজি প্ৰথম কৃষকৰ কাগজখনকে হাতত লৈছো।" তেখেতে স্মিত হাঁহিৰে আমাৰ ওচৰতে বহিল। আবেদনখন পঢ়িলে। ৰঙা ৰিজাৰ্ভ নিবিচাৰিবলৈ ক'লে। কাৰণ ৰঙা ৰিজাৰ্ভ আৰু অৰুণাচলৰ সীমা বিবাদ আছে। তেখেতে পুনৰ ক'লেঃ"পাভ ৰিজাৰ্ভ নিবিচাৰিব। ম'হকেইটা খাবলৈ দিব নোৱাৰো।" (তাত বনৰীয়া ম'হ আছিল)। মোৰ খং উঠিছিল। বিষ্ণু বৰাই ইঙ্গিতেৰে মোক একো নক'বলৈ কৈছিল। আমি কৈছিলো যে, আমাক গহপুৰ ৰিজাৰ্ভৰ ঔগুৰি অংশটোহে লাগে। যি অংশটোৰ নাম ঔগুৰিঃ ঔ টেঙাৰে ভৰপূৰ। তাতো বহুত ভাল গছ আছে বুলি মুখ্যমন্ত্ৰীয়ে মত প্ৰকাশ কৰিলে। আমিও নাচোৰবান্দা। আমাক মাটি লাগিবই। শেষত সিদ্ধান্ত হ'ল যোগান মন্ত্ৰী যোগেন শইকীয়া আৰু ৰণেন বসুমতাৰীয়ে চাই আহি ৰিপোৰ্ট দিব আৰু সেই মতেহে ব্যৱস্থা গ্ৰহণ কৰিব।

মন্ত্ৰী শইকীয়াৰ লগত আলোচনা হওঁতে ক'লে যে, তাৰিখ আৰু বাৰৰ কথা টেলিগ্ৰাম কৰিহে জনাম। আহি থাকিব নালাগে। আমি

OKDISCD

বিদায় লৈ ঘৰমুৱা হ'লো। স্বৰ্গীয় শইকীয়াই দিয়া আশ্বাসটোৱে মনত খুন্দিয়াই থাকিল। আমাৰ সহকৰ্মীসকলৰ আগত কথাবোৰ ব্যাখ্যা কৰিলো আৰু ডুবিয়া ৰেল ষ্টেচনেৰেই ঔগুৰি ৰিজাৰ্ভ দেখুৱাবলৈ অনাৰ সিদ্ধান্ত ল'লো। ওচৰৰ ৰাইজক জনাই থৈছো, খালী তাৰিখটোহে পোৱা নাই। দিন বাগৰি গৈ আছে। টেলিগ্ৰাম নাহে। ২১ দিনৰ পিছত বাতৰি কাকতত পালো সেই সময়ৰ ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে চৌধুৰী মন্ত্ৰীসভা ভঙ্গ কৰি দিছে। আমি দিশহাৰা হ'লো। এতিয়া কি কৰো?

☆ ☆

ব্ৰজলেপ স্বৰ্গীয় বিষ্ণু বৰা

স্বগীয় বিষ্ণু বৰা যিটো কথাত লাগে একেবাৰেই নেৰে। লাগিয়েই থাকিব। লাগিয়েই থাকিল। তেখেত কৌশলী লোক হোৱা বাবে কংগ্ৰেছ মহলৰ ভিতৰত সোমাই নিজৰ পজিচন ৰাখি থাকিল। বহুত দিন লগ পোৱাই নাই। অনিশ্চয়তাৰ বুকুত আমি ৰৈ আছো। মাটি হ'ব জানো! গহপুৰৰ ঔগুৰিত আমি পামনে? ভূমিহীনসকলে, আমাক সহায় কৰা লোকসকলে ভাবিছে হ'বনে। নতুন মন্ত্ৰীসভাত স্বৰ্গীয় শইকীয়া নাই। আমি কৃষি শ্ৰমিক ইউনিয়নৰ মানুহখিনিয়ে কি কৰিম? শৰৎচন্দ্ৰ সিংহ আমাৰ মুখ্যমন্ত্ৰী হ'ল। তেখেতৰ লগত আমাৰ কোনো যোগাযোগ নাছিল, আমাৰ স্বৰ্গীয় শইকীয়াৰ জৰিয়তে চৌধুৰী ডাঙৰীয়াৰ লগতহে। স্বৰ্গীয় বিষ্ণু বৰাই শৰৎচন্দ্ৰ সিংহৰ লগত যোগসূত্ৰ আৰম্ভ কৰিলে।

☆ ☆

নৃপেন দেৱ জুপুৰী ঘৰত এখন আদৰ্শ গাঁৱৰ আঁচনি তৈয়াৰ কৰিবলৈ আমি লগ হ'লো। আলোচনা কৰিও আমি এটা সিদ্ধান্তত উপনীত হ'ব নোৱাৰিলো। ৰৈ থাকিলো। শিমলুগুৰিৰ শ্ৰদ্ধাভাজন জগৎ শৰ্মাক কথাটো কোৱা হ'ল। তেখেতে এখন মেপ, আঁচনি বনাই দিলে। কিন্তু আমি গহপুৰ ৰিজাৰ্ভলৈ লক্ষ্য ৰাখি বৰ্গক্ষেত্ৰ আকাৰৰ এখন মেপ আঁকিলো, ৫০০ ঘৰ মানুহ বহিব পৰা বাৰীত এক বিঘাকৈ আৰু খেতি পথাৰত এঘাৰ বিঘাকৈ মাটি থকা। মেপখনৰ দাঁতিতেই খেলপথাৰ, স্কুল, লাইব্ৰেৰী ইত্যাদি আঁকি দিয়া হ'ল। আমিনো তেতিয়া ইয়াতকৈ কি ভাবিব পাৰো। স্বৰ্গীয় বিষ্ণু বৰাৰ নিৰ্দেশ আছিল এখন –Plan and Estimate বনাই দিবলৈ। আমিতো বনাব নাজানো। মেপখনতেই গোটেই কথাখিনি লিখি দুটা কপি কৰি স্বৰ্গীয় বৰাৰ হাতত অৰ্পণ কৰিলো S. D. O. Agriculture, Lakhimpur, তেখেতেও বনালে এখন আঁচনি ৩/৪ লাখ টকাৰ। তেখেতৰ আঁচনি আমাৰ মেপ প্লেন গৈ শিলং পালেগৈ। সেই সময়ৰ কৃষি বিভাগৰ চেক্ৰেটাৰী দৃঢ় পুৰুষ ৰংগন দত্তই শৰৎচন্দ্ৰ সিংহদেৱে ছোভিয়েট ৰাছিয়াৰ পৰা অনা 'Commune পদ্ধতি, S. D. O.-ৰ মেপ প্লেন আৰু আমাৰ মেপৰ পৰা তৈয়াৰ কৰিলে এখন আইন সেইখনেই হ'ল The Assam Agriculture and Farming Corporation Act, 1973.

☆ ☆

সংঘাত আহিল

শৰৎচন্দ্ৰ সিংহদেৱে যিদিনা ঘোষণা কৰিলে নিগম পদ্ধতি আৰম্ভ কৰিবলৈ, স্বৰ্গীয় বিষ্ণু বৰাক দায়িত্ব দি গহপুৰ বনাঞ্চলৰ ৫০০০ বিঘা মাটি অধিগ্ৰহণ কৰা হ'ব। বিভিন্নজনে বিভিন্ন মত পোষণ কৰিলে। বহুতে বিৰোধিতাও কৰিলে। স্বৰ্গীয় নৌমল ভূঞা, স্বৰ্গীয় শশী গোহাঁই, শ্ৰীযুত গণেশ কুটুমেও লগতে তেজপুৰ মহকুমাৰ সেই সময়ৰ কংগ্ৰেছী নেতৃবৃন্দই। কিন্তু এই মহকুমাৰে কমিউনিষ্ট পাৰ্টিয়ে সমৰ্থন আগবঢ়াই থাকিল। আগতে কৈ আহিছো যে লক্ষীমপুৰ জিলাৰ কমিউনিষ্ট নেতৃবৃন্দ আমাৰ লগত নাথাকিল। কিন্তু লক্ষীমপুৰৰ স্বৰ্গীয় পূৰ্ণ দত্তৰ জৰিয়তে কংগ্ৰেছহে আমাৰ লগত থাকিল। বিধানসভাৰ বাহিৰে ভিতৰে আলোচনা চলি থাকিল। ১৯৭২ চনৰ ২ অক্টোবৰৰ দিনা মুখ্যমন্ত্ৰী সিংহদেৱে আমাৰ নিগম উদ্বোধন কৰাৰ কথা আছিল যদিও সভাত উপস্থিত নাথাকিল।

☆ ☆

আপুনি স্বৰ্গীয় বিষ্ণু বৰাক দেখিছিল নে? যদি দেখা নাই কওঁ শুনক! প্ৰায় ছয় ফুট ওখ, হাড় ডাঙৰ, মঙহৰ পৰিমান কম, দীঘল দীঘল আঙুলিৰে সেই মানুহজন দৃঢ় মনৰ, ব্যক্তিত্বসম্পন্ন। অন্য লোকক নিজৰ আয়ত্তলৈ অনাৰ অসাধাৰণ ক্ষমতাসম্পন্ন এজন ব্যক্তি। একে লেথাৰিয়ে ৩/৪ ঘণ্টা বৰ্ক্তৃতা দিব পৰাৰ ক্ষমতা আছিল। ছাত্ৰ সন্মিলন কৰি থকা অৱস্থাত ১২/১৩ বছৰ বয়সত বৃটিছ চৰকাৰে যোৰহাট জেলত তেখেতক কৰায়ত্ত কৰি ৰাখে। সৰু ল'ৰা কাৰণে গড়মূৰীয়া সত্ৰাধিকাৰ স্বৰ্গীয় শ্ৰীশ্ৰী পিতাম্বৰ দেৱ গোস্বামীদেৱে লগতে ৰাখিছিল। স্বৰ্গীয় গোস্বামীদেৱেও সেই সময়ত জেল খাব লগা হৈছিল। এইটো ১৯৪২ চনৰ কথা। ইয়াৰ পিছত ছাত্ৰ সন্মিলনৰ কাম চলাই আছিল। তেখেত জে. বি. কলেজৰ ইউনিয়ন চেক্ৰেটৰীও হৈছিল হেনো। স্বৰ্গীয় যোগেন শইকীয়া সহকাৰী সম্পাদক। সময় আগুৱাই গৈ থাকে। ১৯৪৫-৪৬ চনত কমিউনিষ্ট পাৰ্টিত যোগ দিয়ে। গোটেই ভাৰতবৰ্ষতে কংগ্ৰেছত তিনিটা ভাগ হৈছিল। উগ্ৰপন্থী, মধ্যমপন্থী আৰু নৰমপন্থী। চৰমপন্থীখিনি মাৰ্ক্সবাদলৈ ঢাল খাইছিল। নৰমপন্থীখিনিয়ে মাৰ্ক্স-গান্ধীক বাদ নিদিছিল। মধ্যমপন্থীখিনিয়ে দেশ শাসনৰ ক্ষমতালৈ আহিছিল। সেইদৰেই কমিউনিষ্ট পাৰ্টিৰ আবিৰ্ভাৱ ঘটিছিল ভাৰতবৰ্ষত। শাসকীয় দলে কমিউনিষ্টসকলক বে-আইনী ঘোষণা কৰিলে, পলাই ফুৰিব লগা হ'ল সমগ্ৰ ভাৰতবৰ্ষৰ

OKDISCD

কমিউনিষ্টসকল। স্বৰ্গীয় বৰাও পলাই ফুৰিব লগা হ'ল। ১৯৪৭-৪৮ চনৰ কথা। মোৰ জন্মস্থান আছিল গোলাঘাট জিলাৰ ফৰকাটিঙৰ কোঁচ গাঁৱত। অলপ অলপ মনত পৰে স্বৰ্গীয় বৰা আমাৰ গাঁৱলৈ যোৱাৰ কথা। তাৰপিছত ১৯৫০ চনমানতে তেখেত উত্তৰ লক্ষীমপুৰৰ পাৰ্টিৰ কাম কৰিবলৈ আহিল, বিহপুৰীয়াৰ পানবাৰীত বিবাহপাশত আৱদ্ধ হৈ গৃহস্থী ধৰ্ম পালন কৰে। বেয়া লাগে, চাইকেলখনৰ পিছফালে মোনা এটা থাকেই। গাঁৱে গাঁৱে মিটিং কৰি ঘূৰি ফুৰে। মিটিঙৰ শেষত আহ্বায়কজনক কেতিয়াবা কয়ঃ"সেই মোনাটোত চাউলকেইটামান দিবা।" ধন-সম্পত্তি ঘটাৰ কথাও নাভাবিলে। আন্দোলনৰ পিছত আন্দোলন। কৃষক সভা গঠন, কৃষক আন্দোলন, বানপানী নিয়ন্ত্ৰণ আন্দোলন, জমীদাৰৰ বিপক্ষে আন্দোলন, ৰায়তী স্বত্ব আন্দোলন, তেল শোধনাগাৰৰ আন্দোলন, ব্ৰহ্মপুত্ৰৰ ওপৰত দলঙৰ আন্দোলন। শেষত ভূমিহীন কৃষকৰ আন্দোলন কৰি কৰি গৈ পূৰ্ব্বজ্যোতি কৃষিপাম নিগম প্ৰতিষ্ঠা কৰি ন বিঘা মাটিৰ অংশীদাৰ হ'ল। এহাল ল'ৰা-ছোৱালীৰে চাৰিজনীয়া পৰিয়ালটোৱে ইয়াতেই যেন থিতাপি ল'লে। তেখেতৰ বিষয়ে কৈ অন্ত কৰিব নোৱাৰি। যিহেতু স্মৃতিগ্ৰন্থত তেখেতৰ জীৱনীটো ওলাইছে, ইয়াতকৈ নবহলাও বুলি ভাবিছোঁ।

☆ ☆

শৰৎ সিংহ মুখ্যমন্ত্ৰী হৈয়ে নিৰ্বাচনৰ সন্মুখীন হ'বলগীয়া হ'ল। প্ৰাৰ্থী নিৰ্বাচনৰ বাবে উত্তৰ পাৰলৈ আহোতে ধলপুৰ এম. ভি. স্কুলত আমি লগ কৰিলো। স্বৰ্গীয় পূৰ্ণ দত্তকেই বিহপুৰীয়া সমষ্টিৰ প্ৰাৰ্থী দিব লাগে বুলি মতামত ব্যক্ত কৰিলো। স্বৰ্গীয় বিষ্ণু বৰা, ভৱ শইকীয়া, মই, ৰেৱ বৰা আৰু কেইবাজনো প্ৰাক্তন কমিউনিষ্ট সদস্যই তেখেতক সাক্ষাৎ কৰিছিলো। আমি গহপুৰ ৰিজাৰ্ভত মাটি দিয়াৰ কথা ক'লো। উত্তৰ দিলে—"নিৰ্বাচনী যুঁজখন শেষ কৰি লওঁ, সময়ত ধনী আৰু দুখীয়াৰ যুঁজখন লগাই দিব লাগিব।" নিৰ্বাচন আহিল, আমি দেহে-কেহে স্বৰ্গীয় পূৰ্ণ দত্তক জয়ী কৰিবৰ কাৰণে উঠি-পৰি লাগিলো। কৃষি শ্ৰমিক ইউনিয়নৰ সদস্যসকলে ৰঙা পতাকাখন ত্যাগ কৰি তিনি বৰণীয়া কংগ্ৰেছী পতাকাখনৰ তলত সমবেত হ'বলৈ আপছোচ কৰিলে। অৱশ্যে ভৱা ভাগ আমাৰ লগতে থাকিলে। তথাপিতো ১৪০০ ভোটত আমি পৰাজিত হ'লো। অৰ্থাৎ স্বৰ্গীয় পূৰ্ণ দত্তৰ পৰাজয় হ'ল। প্ৰেম বৰা আমাৰ বিধায়ক হ'ল। অনিশ্চয়তাৰ বুকুত আমি সোমাই পৰিলো। লালুকত সদৌ অসম কৃষক সংঘৰ প্ৰথম অভিবৰ্তন অনুষ্ঠিত হ'ল। স্বৰ্গীয় বিষ্ণু বৰা আহ্বায়ক, মৌলবী আফাজউদ্দিন আহমেদ আভ্যৰ্থনা সমিতিৰ সভাপতি। সেই সময়ৰ, সেই সমষ্টিৰ বিধায়ক লীলা দাস পৃষ্ঠপোষক আছিল। দুদিনীয়াকৈ সভাখন অনুষ্ঠিত হৈছিল। প্ৰথম দিনা বিষয় বাছনি সভা আৰু দ্বিতীয় দিনা মূল অধিবেশন। স্বৰ্গীয় পৰমানন্দ গগৈ, গোলোক ৰাজবংশীৰ উপৰিও কেইবাজনো কংগ্ৰেছী বিধায়কে ইয়াত অংশগ্ৰহণ কৰিছিলহি। আমাৰ পক্ষৰ পৰা স্বৰ্গীয় বিষ্ণু বৰা, ভৱ শইকীয়া আৰু মই বক্তব্য দাঙি ধৰিছিলো। মোৰ মনত আছে অসমৰ নিবনুৱা সমস্যা, কৃষকৰ ভূমিৰ সমস্যা আৰু অসমৰ বানপানী সমস্যাৰ সমাধান কৰিবলৈ মই উক্ত সভাত আহ্বান জনাইছিলো। সভাত আমাক মাটি দিব লাগে বুলি এটা প্ৰস্তাৱ গৃহীত হৈছিল।

☆ ☆

স্বৰ্গীয় বিষ্ণু বৰাক সম্পাদক হিচাপে লৈ এক কৃষক সংগঠনৰ জন্ম হৈছিল। ৰাজহুৱা সভাত মুখ্যমন্ত্ৰী শৰৎচন্দ্ৰ সিংহই তেখেতৰ নতুন মন্ত্ৰী সভাই গ্ৰহণ কৰা কাৰ্যসূচী দাঙি ধৰি ৰাইজৰ সহযোগিতা কৰিবলৈ উদাত্ত কণ্ঠেৰে আহ্বান জনাইছিল। সময় বাগৰি গৈ আছে। লাহে লাহে পৰ্ব্বজ্যোতি কৃষিপাম নিগমত স্বৰ্গীয় পৰমানন্দ গগৈৰ মৌখিক পৰামৰ্শ অনুযায়ী সোমালোহি। সৰু সৰু জুপুৰীবিলাকত দহজন-বাৰজন গোট খাই কেম্প কৰি ল'লৈ। ৰাতিপুৱা সাত বজাৰ লগে লগে হুইছেল বাজি উঠে, গা-কুঠাৰ লৈ সকলোৱে হাবি কাটিবলৈ আৰম্ভ কৰে। প্ৰায় এমাহ লাগি যথেষ্ট মাটি মুকলি কৰা হ'ল। প্ৰস্তুতি কমিটী বহি তিনিনলকৈ প্ৰত্যেক অংশীদাৰ ব্যক্তিক ভাগ কৰি দিয়া হ'ল। পূবা-পশ্চিমাকৈ এটা ৰাস্তা আগতেই আছিল। তথাপিতো অহা-যোৱাৰ সুবিধাৰ বাবে আকৌ তাক ভালকৈ বান্ধি দিয়া হ'ল। ই প্ৰায় তিনি কিলোমিটাৰ দীঘল হ'ল আৰু প্ৰথম অৱস্থাত তাৰ দাঁতিয়ে দাঁতিয়ে মানুহবোৰে অৱস্থান ল'লে। অস্থায়ী কাৰ্যালয় আৰম্ভ হ'ল। খেৰৰ চাৱনি, খাগৰিৰ চাল, ইকৰাৰ বেৰ ইত্যাদিৰে আছিল ঘৰবিলাক। পৰিয়ালবিলাক অহাৰ লগে লগে প্ৰাথমিক স্কুল আৰম্ভ কৰিব লগা হ'ল। নতুন উৎসাহত উৎসাহিত হৈ ৰাইজ উঠি-পৰি লাগিল। যথেষ্ট মাটি মুকলি কৰিলে। আহুতলী উলিয়ালে, জলকীয়া, বেঙেনা, কচু খেতি আদিও আৰম্ভ কৰিলে।

☆ ☆

অসমৰ বিভিন্ন স্থানত বেচৰকাৰী নিগম আৰম্ভ হ'ল। অসম বিধান সভাত বহুতো নিগমৰ প্ৰস্তাৱ আহিল। বিধান সভাই ৰাজহ মন্ত্ৰীৰ নেতৃত্বত এটি এঘাৰজনীয়া কমিটী গঠন কৰি দিলে। এই কমিটীৰ সিদ্ধান্তকে চালি-জাৰি চাই মন্ত্ৰীসভাই সিদ্ধান্ত ল'ব। স্বৰ্গীয় বিষ্ণু বৰাৰ পৰা খবৰ আহিল, এই দলটি আমাৰ নিগমলৈ আহিব মে বা জুন মাহত। ছয়দুৱাৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া স্বৰ্গীয় মণি গোস্বামী আহি ওলালহি বাট পথ চাবলৈ। জীপ গাড়ীহে আহিব পাৰে, কাৰণ ৰাস্তা বৰ ঠেক আছিল। এতিয়া কেনেকৈ আহিব এই সঁজাতি দলটো? মই ক'লো, হ'ব, আজি মানুহখিনি ব্যস্ত আছে, কালিলৈ কিমান পাৰো কৰিম। আমাৰ অস্থায়ী অফিচৰ পৰা আলুপাৰালৈ তিনি

OKDISCD

কিলোমিটাৰমানহে দূৰত্ব। আমাৰ মানুহখিনি সজাগ আছিল। কথাটো কেওপিনে প্ৰচাৰ হোৱাৰ লগে লগে কৰ্মীসকল সমবেত হ'লহি। পিছদিনালৈ ৰাস্তা হ'ল বুলিয়েই ক'ব পাৰি। আঠ ঘণ্টামানৰ ভিতৰতে টেক্সী আদি চলাব পৰা হ'ল। তৃতীয় দিনাখন স্বৰ্গীয় মণি গোস্বামী আহি আমাৰ মানুহখিনিৰ কৰ্মপটুতা আৰু উৎসাহক শলাগিলে। নিৰ্দিষ্ট দিনত এই সঁজাতি দলটি উপস্থিত হ'বহি। শিলমুগুৰিৰ পৰা চেঁচা নৈ পাৰ হৈ নিগমলৈ অহা ৰাস্তা। নৈৰ পাৰত ৰাস্তাৰ দক্ষিণে গৰু এটা মৰি আছে। চাৰিওপিনে দুৰ্গন্ধ। গাত খান্দিবও নোৱাৰি। পানী ওলায়। কিছুমানে নাকত গামোচা বান্ধি চোচৰাই লৈ গ'ল। বহুত দিনলৈ এই বিষয়টো আলোচ্য বিষয় হৈ থাকিল। নিৰ্দিষ্ট দিনত এই সঁজাতি দলটি নিগমলৈ আহিল, আলুপাৰাৰ পৰা আদৰি অনা হ'ল। হাতীও যোগাৰ কৰিলো। হাতীৰ পিঠিত পৰমা গগৈ উঠিল। আনোৱাৰ টাইমূৰ, স্বৰ্ণলতা মহন্তই হাতী উঠে কেনেকৈ? মৈ এখন দি তেখেত দুগৰাকীক যেনে-তেনে উঠাই দিয়া হ'ল। ঢোলত আদৰণি চেও আৰু স্বৰ্গীয় বেৰ বৰাৰ হাতত আদৰণি শৰাই। পৰমা গগৈয়ে ক'লে—"আজি দৰা দৰা লাগিছে। সঁজাতি দলটিৰ লগত অহা কেইজনমান বিধায়ক ৰাইজৰ লগত খোজকাঢ়িয়েই আগবাঢ়িল। দলটিত আহিছিল প্ৰাক্তন মন্ত্ৰী লীলা দাস, ডাঃ কোমেশ্বৰ বৰা, শ্ৰীৰাম শৰ্মা, প্ৰেমধৰ বৰা আৰু দুজনমান বিধায়ক। অফিচত আহি সমবেত হ'লহি প্ৰায় দুহেজাৰ লোক। অতিথিবৃন্দক বুট, কল, চাহ-তামোলেৰে শুশ্ৰূষা কৰা হ'ল। হাতীৰ পিঠিত উঠি দলটিয়ে নিগমৰ কিছু অংশ পৰিদৰ্শন কৰিলে। মিটিং তেনেদৰে নহ'ল। তদন্ত আয়োগহে। আশাৰ সঞ্চাৰঃ হ'ল নিগম হ'ব!!

☆ ☆

বাৰিষা আৰম্ভ হ'ল।

মাজতে মাটি পৰীক্ষা কৰিবলৈ কিছু চৰকাৰী কৰ্মচাৰী আহিল আৰু পৰীক্ষা কৰিবলৈ কিছু মাটিৰ নমুনা লৈ গ'ল। খেতিয়কসকলে খেতি কৰিবৰ জোখাৰে মাটি প্ৰস্তুত কৰিব নোৱাৰিলে বাবে বহুত পৰিয়াল নিগমৰ পৰা ওলাই গ'ল— হালোৱা-হজুৱা খাটিবলৈ। হাতীৰ উপদ্ৰবো আৰম্ভ হ'ল। বাম মাটি দেখি বাঘো গোট খালেহি। ম'হৰ প্ৰকোপ বাঢ়িল বাবে গ্ৰহণী আৰু মেলেৰীয়াত ভুগি প্ৰায় ৩৬ জন মানুহৰ মৃত্যু হ'ল যাক আজি আমি শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছো। চিকিৎসাৰ কোনো ব্যৱস্থা নাই। মোৰ বন্ধু ডুবিয়াৰ শ্ৰীডিম্বেশ্বৰ বৰুৱাৰ জৰিয়তে মেলেৰীয়া ইন্‌জেক্টৰ শ্ৰীযুত ৰুদ্ৰ বৰা, স্বৰ্গীয় ডম্বৰু গগৈৰ ওচৰলৈ গৈ কথাখিনি ক'লো। তেখেতসকলে আমাক যথাসাধ্য সহায়ো কৰিলে। নিগমৰ পৰা ডুবিয়ালৈ যাতায়তৰ সুবিধা নথকাত সেই মেলেৰীয়া (M.I.) ইন্‌জেক্টৰসকলক হাতীৰে অনা-নিয়া কৰিব লগা হৈছিল। প্ৰত্যেকটো পৰিয়ালত গ্ৰহণী বা মেলেৰীয়া হ'বলৈ আৰম্ভ কৰিলে। মেলেৰীয়া ইন্‌জেক্টৰ নথকা হ'লে মৃত্যুৰ হাৰ আৰু বাঢ়িলহেঁতেন। আৰু সমস্যা। হাতীৰ উপদ্ৰৱ দিনে দিনে বৃদ্ধি পাবলৈ ধৰিলে। হাতী, বহুত হাতী। ৰাতি আহে। ৰাতি আকৌ হাতী খেদাৰ অভিযান। দিনত সেই সময়ৰ নিগমৰ মানুহবোৰে খৰি নেবেচিলে উপায় নাই। এবাৰ খৰি বেচিব পাৰিলে যেনে-তেনে তিনি সাজমানৰ চাউল আহে। এই সকলোবিলাক সমস্যাৰ বাবে মানুহবিলাক হতাশ হৈ পৰিছিল আৰু মই সন্দেহ কৰিছিলো নিগম নহ'বগৈ নেকি?

বাৰিষা পাৰ হ'ল। খৰালি আৰম্ভ হ'ল। নিগমৰ অৱস্থা ভাললৈ আহিল। বাহিৰত খাটিবলৈ যোৱা অংশীদাৰসকল পুনৰ নিগমলৈ ঘূৰি আহিল। কোনো এটা দিনত D.C. মহোদয় আহি ১৭০ জন মানুহৰ ১১.০০ (এঘাৰ) টকাকৈ শ্বেয়াৰ লৈ নিগমৰ অংশীদাৰ কৰিলে। ১৯৭৩ চনৰ নৱেম্বৰ মাহত সেই সময়ৰ অসমৰ কৃষিমন্ত্ৰী স্বৰ্গীয় উপেন দাসে আনুষ্ঠানিকভাৱে নিগম উদ্বোধন কৰিলেহি আৰু সেইদিনাৰ পৰাই বেচৰকাৰীভাৱে নিগমৰ কাম-কাজ আৰম্ভ হ'ল।

☆ ☆

ড° মহম্মদ মোৰ্চাফ হুছেইনে ছোভিয়েট ৰুচিয়াৰ লেনিন গ্ৰেড ইউনিভাৰচিটিৰ পৰা আলুজাতীয় শস্যৰ ওপৰত গৱেষণা কৰি ডক্টৰেট উপাধি লৈ কৃষি বিভাগত চাকৰি কৰিছিলহি। তেওঁকেই পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ বিশেষ বিষয়া আৰু পৰিচালক হিচাপে পঠোৱা হ'ল। তেওঁ আহি কাৰ্যভাৰ গ্ৰহণ কৰিলেহি। তেওঁ আছিল অমায়িক, শান্ত আৰু জ্ঞানপিপাসু লোক। তেওঁ কেইদিনমানৰ ভিতৰতে নিগমৰ অংশীদাৰসকলৰ আপোন হৈ পৰিল। তেওঁৰ নিযুক্তিৰ আগে-পিছে চৰকাৰে তলত দিয়া সদস্যসকল আৰু স্বৰ্গীয় বিষ্ণু বৰাদেৱক সভাপতি হিচাপে লৈ নিগমৰ প্ৰথমখন সঞ্চালক বোৰ্ড গঠন কৰি দিলে।

১। স্বৰ্গীয় নোমল চন্দ্ৰ ভূঞা, কলাবাৰী।
২। স্বৰ্গীয় শশীচন্দ্ৰ গোহাঁই, ব্ৰহ্মজান।
৩। শ্ৰীযুত গণেশ কুটুম, লোহিতমুখ।
৪। স্বৰ্গীয় দুৰ্গেশ্বৰ পাঠক, উত্তৰ কাঠনি, ধলপুৰ।
৫। স্বৰ্গীয় বেৰ বৰা, তাঁতিবাহাৰ।
৬। শ্ৰীযুত ভৱ শইকীয়া, শেলকঠীয়া, মাধৱপুৰ।
৭। শ্ৰীনন্দ বৰা, নিগম।

আৰু চৰকাৰী পক্ষৰ পৰা দিলে উপায়ুক্ত, দৰং; জিলা কৃষি বিষয়া, তেজপুৰ; জিলা বন বিষয়া, তেজপুৰ আৰু মেনেজাৰ ইউনাইটেড কমাৰছিয়েল বেঙ্ক, গহপুৰ।

১৯৭৪ চনৰ আৰম্ভণিৰ লগে লগে নতুন উদ্যমেৰে পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ কাম-কাজ আৰম্ভ হ'ল। কিন্তু তাৰ লগতে ১৯৭৩ চনৰ ডিচেম্বৰ মাহত পূৰ্ব্বজ্যোতি নিগম কাৰ্যালয়ত অন্যান্য

কৰ্মচাৰীসকলক নিয়োগ কৰা হ'ল। অফিচ এচিছটেণ্ট হিচাপে নিয়োগ কৰিলে নিগমৰ অংশীদাৰ স্বৰ্গীয় মুহীৰাম বুঢ়াগোহাঁইৰ পুত্ৰ শ্ৰীৰমেশ গোহাঁইক। অফিচৰ চকিদাৰ হিচাপে নিয়োগ কৰিলে চোনোৱাৰ হুছেইনক। পিয়ন হিচাপে নিয়োগ কৰিলে শ্ৰীগুণাভি বৰাক আৰু পানবাৰী উত্তৰ লক্ষীমপুৰৰ নিবাসী শ্ৰীযুত বিশ্ব শইকীয়াক মণ্ডল, মহিন্দ্ৰা এণ্ড মহিন্দ্ৰা নামৰ নতুন জীপ গাড়ীৰ ড্ৰাইভাৰ হিচাপে মণিপুৰী যুৱক ধনেশ্বৰ সিঙক, একাউণ্টেট দিলে বেঙ্গলী লোক কালীপদ চৌধুৰীক, মেচি ফাৰ্গুচন আৰু হিন্দুস্থানী নামৰ দুখন টেক্টৰৰ ড্ৰাইভাৰ হিচাপে বগাধৰ কলিতা আৰু জগন্নাথ দাসক আৰু বলড্ৰেজাৰৰ ড্ৰাইভাৰ হিচাপে স্বৰ্গীয় খগেন ডেকাক নিযুক্তি দিলে। কন্দৰ্প, ৰমণীহঁতো লগতে সহকাৰী হিচাপে আহিল। এতিয়া আহো ১৯৭৪ চনৰ শেষ ভাগলৈ। এই সময়খিনিতে বেচৰকাৰীভাৱে অফিচঘৰ সাজিবলৈ চৰকাৰী মঞ্জুৰী আহিল; ৰাজগড়ৰ দাঁতিত কাৰ্যালয়ৰ নিৰ্মাণ কাৰ্য আৰম্ভ হ'ল। নিগমৰ দক্ষিণ সীমান্তৰ ৰাস্তাৰ পৰা এটা ৰাস্তা কেইদিনমানৰ ভিতৰতে বলড্ৰেজাৰেৰে উলিয়াই পেলোৱা হ'ল আৰু যেনে-তেনে পূব-পশ্চিম সীমান্তৰ ৰাস্তা দুটাও বন্ধোৱা হ'ল।

☆ ☆

এই ধৰণেৰেই ১৯৭৪ চনতো উৎসাহ-উদ্দীপনাৰে পাৰ হৈ গ'ল। ১৯৭৫ চন আহিল। সেই সময়ৰ ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে জৰুৰীকালীন অৱস্থা ঘোষণা কৰিলে। সেই সুযোগতে অসমত, বিশেষকৈ গহপুৰ বনাঞ্চলত নিগমক বাদ দি যিসকল বেদখলী লোক আছিল, সেইসকলক উচ্ছেদ কৰিলে। বহুত লোক নিজ নিজ ঘৰলৈ উলটি গ'ল। কিন্তু বড়ো ভাইসকল আঁতৰি নগ'ল; চেঁচা নৈৰ বালিত বাহৰ পাতি থাকিল আৰু সেই সুযোগতে পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ স্থান পৰিবৰ্তন কৰা হ'ল। পূবে শান্তিপুৰ দেউৰী গাঁও, পশ্চিমে ডুবিয়া-দিগম্বৰী ফৰেষ্ট ৰোড়, উত্তৰে পুৰণি নিগমৰ দক্ষিণ সীমা আৰু দক্ষিণে গহপুৰ ৰিজাৰ্ভৰ দক্ষিণ সীমান্ত পথ। ফৰেষ্ট ডিপাৰ্টমেণ্টৰ সহযোগত সীমা চিহ্নিত কৰি দখল কাৰ্য আৰম্ভ হ'ল। কিন্তু ১৯৭৬ চনৰ কোনোবা এটা দিনতহে সেই সময়ৰ দৰং জিলাৰ ডি. এফ. অ'. হাজৰিকাই সেই দখল স্বত্ব চমজাই দিলে। এই স্বত্ব গ্ৰহণ কৰাৰ সময়ত শান্তিপুৰ দেউৰী গাঁৱৰ লগত সীমাৰ বাবে কিছু খেলি-মেলিও লাগিছিল। কিন্তু সেই সময়ৰ শোণিতপুৰ জিলাৰ উপায়ুক্ত শ্ৰীযুত অশোক শইকীয়াদেৱে ছয় (ছ) লাখ টকা মঞ্জুৰী দি সীমা সমস্যাটো সমাধানত যথেষ্ট সহায় কৰি দিলে। যদিও সেই কাৰ্য ১৯৮২ চনতহে হৈছিল। সেইবাবে নিগমৰ সদৌ ৰাইজে এইজনা ব্যক্তিক সদায়ে স্মৰণ কৰি থাকিব।

☆ ☆

এইবাৰ আহো পুৰণি আৰু নতুন নিগম এলেকাত থকা বনৰীয়া জীৱ-জন্তু আৰু গছ-গছনিৰ বিষয়ে। পুৰণি নিগম এলেকাত কেইজোপামান শালগছ আছিল। গমাৰী গছো কম নাছিল। এই শালকেইজোপাৰ গুটি সঁচলৈ সম্প্ৰসাৰণো কৰা হৈছিল। এই বুঢ়া শালকেইজোপাৰ বয়স প্ৰায় এশ বছৰ হৈছিল বুলি বন বিভাগৰ কৰ্মচাৰীসকলে কৈছিল। গুৰিবিলাক চাফা কৰি দিয়াৰ লগে লগে গছবোৰ উভালি পৰিল। পুলিবোৰ কোনোবাই চুৰ কৰি নিলে। দুজোপামান বন বিভাগে নিলামত দিলে। এতিয়া ভাবি বেয়া লাগে যে, আমাৰ নিজৰ স্বাৰ্থৰ বাবে হাবি-জংঘলৰ ওপৰত বহুত অত্যাচাৰ কৰা হ'ল। যিডোখৰ ঠাইত হাতী, বাঘ, ভালুক, নেজ দীঘল বান্দৰ, শহা, সুগৰি পহু, কেটেলা পহু আৰু সৰ পহু আদিৰ বাসস্থান আছিল, মানুহৰ অত্যাচাৰৰ বাবে সিহঁতবোৰ লাহে লাহে আঁতৰি গৈ অৰুণাচল পাহাৰত আশ্ৰয় ল'ব লগা হ'ল। এই হাবি খণ্ডত বনকাছ, বনৰৌ, গুই, অজগৰ সাপ, ফেটি সাপ, নল গাহৰি আৰু গঁড়ো আছিল। আজিৰ ল'ৰা-ছোৱালীয়ে এইবোৰ নেদেখা হ'ল। পক্ষীৰ ভিতৰত আছিল ধনেশ পক্ষী, বিভিন্ন ধৰণৰ ভাটৌ, পঘুৰ্মা, হাইঠা, শিল কপৌ, বৰটোকোলা, কাঠখুলা ইত্যাদি। গছ-গছনিৰ ভিতৰত ইয়াত শাল, শিঙৰী, গমাৰি, অমাৰি, ঔ চেঙা, আমলখি, শিলিখা, আম, জামু, শিমলু, চতিয়া ইত্যাদি আছিল।

☆ ☆

আহকচোন পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ শিক্ষা, চাকৰি আদিৰ ক্ষেত্ৰলৈ উভতি চাওঁ।

পূৰ্ব্বজ্যোতি কৃষিপাম নিগম আৰম্ভ কৰাৰ সময়ত ইয়াৰ বাসিন্দাসকলৰ ল'ৰা-ছোৱালীবিলাকৰ শিক্ষা-দীক্ষাৰ বাবে ১৯৭৩-৭৪ চনত স্কুল আৰম্ভ কৰিব লগা হ'ল। নামটোনো কি দিয়া হয়— "পূৰ্ব্বজ্যোতি প্ৰথমিক বিদ্যালয়"কে ভাবি-চিন্তি দিয়া হ'ল। শ্ৰীটঙ্ক নেওগক বেচৰকাৰীভাৱে ইয়াৰ শিক্ষক হিচাপে নিয়োগ কৰা হ'ল। কিন্তু উপায় নাই, খোৱা-বোৱাৰ ব্যৱস্থা নাই বাবে তেওঁ সদায় নিগমত থাকিব নোৱাৰে। ইয়াত মেট্ৰিক ফেইল কেইজনমান আছিল। উমা শইকীয়া, সভাৰাম গগৈ, ৰত্নেশ্বৰ গগৈহঁত। তেওঁলোকেও শিক্ষাদানত মাজে মাজে সহায় কৰি দিছিল। ময়ো কেইদিনমান পাঠদান দিব লগা হৈছিল। মধ্য ইংৰাজী বিদ্যালয়ো আৰম্ভ হ'ল। ৰাইজে মোক আৰু নৃপেন্দ্ৰ কুমাৰ দেক ইয়াৰ দায়িত্ব দিলে। আমাৰনো সময় ক'ত? এল. পি., এম. ই. স্কুল আটাইবোৰ লগ লগাই শিক্ষা জগতৰ অভিযানত আমি যোগ দিলো। প্ৰথমতে এখন এল. পি. স্কুলহে আছিল— বাঢ়ি গৈ ১৯৭৪ চনত দুখন এম. ই.ৰ দায়িত্বত থাকিল নৃপেন্দ্ৰ কুমাৰ দে নিজেই। মাজতে শ্ৰীযুত ডম্বৰু হাজৰিকা আহিছিল। মেলেৰীয়াত আক্ৰান্ত হৈ গুচি যাব লগা হ'ল। তাৰপিছত শ্ৰীযুত ৰত্নেশ্বৰ বৰা আহিল। তেখেত আজিও আছে পূৰ্ব্বজ্যোতি মধ্য



OKDISCD

ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক হৈ। পূৰ্ব্বজ্যোতি নিগমৰ শিক্ষা জগতৰ বাটকটীয়াকেইজনক মই এনেকৈয়ে সোৱৰিছোঁ— ১। শ্ৰীযুত নৃপেন্দ্ৰ কুমাৰ দে, ২। শ্ৰী যুত টঙ্ক নেওগ, ৩। শ্ৰীযুত ডম্বৰু হাজৰিকা, ৪। শ্ৰীসভাৰাম গগৈ, ৫। শ্ৰীৰত্নেশ্বৰ গগৈ, ৬। শ্ৰীযুত উমা শইকীয়া, ৭। শ্ৰীযুত মুহীৰাম বৰা, ৮। শ্ৰীযুত অৰুণ মুদৈ, ৯। শ্ৰীযুত গিৰিধৰ হাজৰিকা, ১০। শ্ৰীযুত ৰত্নেশ্বৰ বৰা আৰু ১১। শ্ৰীকৰ্ণেশ্বৰ বেদিয়াদেৱ।

এইখিনিতে মনত পৰিছে সেই সময়ৰ যোৰহাটৰ যুৱতী ভাৰতী বৰা (বি. এ., বি. টি.)-ৰ কথা। ১৯৭৫ চনত নিগমত নতুনকৈ আৰম্ভ হোৱা প্ৰাক্ প্ৰাথমিক বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক শিক্ষয়ত্ৰী আছিল। আজিৰ এই স্মৃতি চাৰণত মই তেওঁৰ নামটোও আন্তৰিকতাৰে স্মৰণ কৰিছো। ওপৰত উল্লেখ কৰা নামৰ উপৰিও ১৯৭৩ চনৰ পৰা ১৯৯৭ চনলৈকে যিসকল সহৃদয় ব্যক্তিয়ে পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ শিক্ষাৰ ক্ষেত্ৰত অৰদান আগবঢ়ালে তেখেতসকলৰ সকলোৰে নাম ইয়াত উল্লেখ কৰিব নোৱাৰি মই দুখীত। তেওঁলোক সকলোকে মই কৃতজ্ঞতা জ্ঞাপন কৰিছো।

এইবাৰ আহো আমাৰ নিগমৰ বিদ্যালয়সমূহৰ পৰিমাণলৈ। আপুনি বাৰু জানেনে এই নিগমত কিমানসংখ্যক বিদ্যালয় আছে? ইয়াত বাৰখন এল. পি. স্কুল, চাৰিখন এম. ই. স্কুল, দুখন হাইস্কুল আছে। ইয়াৰে বেছি ভাগ নতুন নিগমতহে প্ৰতিষ্ঠা হোৱা। পুৰণি নিগমত দুখন এল. পি. স্কুল আৰু এখন মাত্ৰ এম. ই. স্কুলহে আছিল। এই পূৰ্ব্বজ্যোতি নিগমৰ স্কুলৰ পৰাই বহুতো ছাত্ৰ-ছাত্ৰীয়ে সুখ্যাতিৰে উত্তীৰ্ণ হৈ গৈ আছে আৰু এনেদৰেই ইয়াৰ শিক্ষাৰ গতিও আগুৱাই আছে। পূৰ্ব্বজ্যোতি কৃষিপাম নিগম প্ৰতিষ্ঠাৰ সময়ত ইয়াত মাত্ৰ চাৰিজনহে মেট্ৰিক পাছ কৰা ব্যক্তি আছিল— ১। স্বৰ্গীয় বিষ্ণু বৰা, ২। শ্ৰীযুত নৃপেন্দ্ৰ কুমাৰ দে, ৩। টঙ্ক নেওগ আৰু ৪। মই নিজে। আজি বাৰু কিমান হ'লোগৈ? মই ইয়াৰ প্ৰকৃত হিচাপ দিব নোৱাৰিম। কাৰণ প্ৰকৃত তালিকা মোৰ হাতত নাই। পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ প্ৰথম চৰকাৰী চাকৰিয়াল কোন আছিল বাৰু? দীপ্তিহঁতৰ মাক, মোৰ পত্নী পুতু; যাৰ সহায় আৰু উৎসাহ নোপোৱা হ'লে মই বহুত কামেই কিজানি কৰিব নোৱাৰিলোহেঁতেন। আৰু দ্বিতীয় আছিল শ্ৰীৰমেশ গোহাঁই। এতিয়া কিমানজন হ'লগৈ বাৰু? সঠিক হিচাপ মোৰ ওচৰত নাই। ১৯৮৪ চনত পূৰ্ব্বজ্যোতি হাইস্কুল প্ৰতিষ্ঠা হয় আৰু ইয়াৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আছিল দ্ৰোণ কাকতি।

এইবাৰ আহকচোন পূৰ্ব্বজ্যোতি কৃষিপাম নিগম প্ৰতিষ্ঠা কৰাৰ সময়ত গহপুৰ বনাঞ্চলৰ ঔগুৰি অংশৰ ফৰেষ্ট গাৰ্ড, বনৰজা কণ্টো বৰাৰ কথালৈ—

১৯৪৭ চনৰ ভাৰতৰ স্বাধীনতাৰ ওখল-মাখল অৱস্থাত বৃটিছৰ অধীনৰ মিলিটাৰীবোৰ ঘৰমুৱা হ'ল। এই মিলিটাৰীবিলাকে এতিয়া কি কৰিব? কোনোবাজনে ভাৰতীয় সেনাবাহিনীত যোগ দিলে। কোনোবাজনে আকৌ কম্পালচৰি ৰিটায়াৰমেণ্ট ল'লে। কোনোবাজনে সেন্যবাহিনী ত্যাগ কৰি অন্য চাকৰি লোৱাৰ কথা ক'লে। তেনেকৈ তিনি ভাগত ভগোৱা হ'ল এই লোকসকলক। শ্ৰীযুত বৰা শেষৰটো শাৰীত পৰিল আৰু তেওঁ গহপুৰ বনাঞ্চলৰ পূব আৰু দক্ষিণ সীমাৰ ঔগুৰি অংশত ফৰেষ্ট গাৰ্ড হিচাপে নিযুক্তি পালে আৰু সুদীৰ্ঘ ৩৫ বছৰকাল এই বনাঞ্চলৰ ৰখীয়া হিচাপে কাল যাপন কৰিলে। ৭০ দশকত শ্ৰীযুত বৰা হতাশ হৈ পৰিছিল। কাৰণ তেওঁৰ (বনৰজাৰ) ৰাজত্ব ক্ৰমশঃ শেষ হৈ আহিছিল। বৰাই লেখা-পঢ়া একোকে নাজানিছিল। মাত্ৰ দুটা আখৰেৰে তেওঁ চহীটো কৰিব জানিছিল। কিন্তু বন আইনৰ বহু ধাৰা তেওঁৰ মুখস্থ আছিল। তেওঁৰ কাগজ-পত্ৰ প্ৰায়ে মই লিখি দিব লগা হৈছিল। বক্‌চিচ দিয়েঃ খোৱা-বোৱা ফ্ৰি। গহপুৰৰ দাস ৰেঞ্জাৰে আমাৰ মাটি দখলকাৰীৰ ওপৰত যিকোনো কথা লিখাটো বন্ধ কৰি দিলে আৰু ক'লে—"সকলো কথা নন্দ বৰাৰ লগত আলোচনা কৰি লিখিবা।" সেই দিন ধৰি মই কণ্টো বৰাৰ কেৰেণী হৈ পৰিলো। কণ্টো বৰালৈ কোনে ভয় নকৰে? তেওঁক দেখিলে পহু চিকাৰীও পলায়। খৰি আনিবলৈ যোৱা, খেৰ কাটিবলৈ যোৱা, মাছ মাৰিবলৈ যোৱা সকলোৰে চিন্তা বৰাক লগ পাই যায় যদি! মানুহজন বাহিৰত যিমান খঙাল, অন্তৰখন তাতকৈ বহুত বেছি কোমল। মূৰত এটা টুপী, পিন্ধনত এযোৰ খাকী পোছাক আৰু কান্ধৰ বন্দুকটোৰে সৈয়াই আছিল মোৰ চিৰ পৰিচিত কণ্টো বৰা।

বন্ধু শিক্ষক স্বৰ্গীয় ৰত্ন বাহাদুৰ অধিকাৰী মোৰ সহপাঠী আছিল। কিন্তু মোৰ ওপৰত তেওঁ সদায় নজৰ ৰাখিছিল। বেয়াবোৰ সোঁৱৰাই দিছিল। ভালবোৰো কিন্তু প্ৰশংসা কৰা নাছিল। এটা কথা মনত পৰে। ১৯৭৪ চনৰ কোনোবা এটা শনিবাৰে মই নতুনকৈ অহা টেক্টৰত উঠি বজাৰলৈ গৈছিলো। তেওঁ তেতিয়া শিমলুগুৰি হাইস্কুলৰ হেড মাষ্টৰ। মোক টেক্টৰত দেখি ক'লে—"আজিৰ পৰা টেক্টৰতউঠি নাহিবা, খুব বেয়া দেখিছো।" মই বাধ্য ছাত্ৰৰ দৰে তেওঁৰ কথা শুনিছিলো। তেওঁ আজি আৰু নাই। অকাল বিয়োগ ঘটিল। আজি এই স্মৃতি চাৰণৰ মাজেৰেই মই মোৰ বন্ধুক সোঁৰৰণ কৰিছো।

শ্ৰদ্ধাভাজন ককাইদেউ স্বৰ্গীয় দুৰ্গেশ্বৰ পাঠক। বি. এ. পাছ কৰাৰ পিছত ককাইদেৱে ৰাজনীতি কৰিম বুলিয়েই ভাবিছিল। ধলপুৰ মাৰ্কেটিঙ চোছাইটিৰ সভাপতি হৈছিল। কংগ্ৰেছৰ সদস্য হৈ ৰাইজৰ বিভিন্ন কামত অংশগ্ৰহণ কৰি খুব কম সময়ৰ ভিতৰতে সকলোৰে প্ৰিয়পাত্ৰ হৈ উঠিছিল। পূৰ্ব্বজ্যোতি কৃষিপাম নিগম প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বিভিন্ন প্ৰকাৰে সহায়-সহযোগিতা আগবঢ়াইছিল। সেয়েহে তেখেতক চৰকাৰে মৰ্য্যাদাসহকাৰে পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ প্ৰথমখন সঞ্চালক বোৰ্ডৰ সদস্য হিচাপে মনোনীত কৰিছিল। জৰুৰীকালীন অৱস্থাৰ পিছত ১৯৭৮ চনৰ নিৰ্বাচনত তেখেতে এছ কংগ্ৰেছৰ পৰা বিহপুৰীয়া সমষ্টিৰ প্ৰাৰ্থীৰূপে টিকট পাই প্ৰতিদ্বন্দ্বিতা কৰি

OKDISCD

পৰাজয়বৰণ কৰিছিল। ব্যক্তিগতভাৱেও মোক বৰ ভাল পাইছিল। তেওঁ মোক পৰামৰ্শ আৰু সাহায্য আগবঢ়াইছিল। আজি এই শুভ মুহূৰ্তত তেওঁক মই শ্ৰদ্ধাৰে সোঁৱৰিছো। ইয়াৰ লগে লগে স্মৰণ কৰিছো ৰঙতিৰ বন্ধুবৰ তেজেন চাংমাইক, বচাপুখুৰীৰ পিতৃস্বৰূপ শ্ৰীযুত কোষেশ্বৰ গগৈক, ভাতৃপ্ৰতীম শ্ৰীসোণ পাঠক (ধলপুৰ), স্বৰ্গীয় গণেশ শইকীয়া (উত্তৰ কাঠনি), কমৰেড্ নিখক বৰা (জুতুলীবাৰী) আৰু ৰঙতিৰ শ্ৰদ্ধাভাজন বাচ'দেং প্ৰসাদক।

দুকুৰি ঊনৈশখন জপনা পাৰ হৈ আহি তিনিকুৰিৰ জপনাৰ সন্মুখত থিয় হৈ উলটি চাইছো বহু দূৰৈৰ দীঘলীয়া পথটোৰ সিমূৰলৈ আৰু উভতি চাইছো শৈশৱৰ সেই দিনবোৰলৈ, তমসাসিক্ত মোৰ সেই জন্মভূমি গোলাঘাট ফৰকাটিঙৰ কোঁচ গাঁৱলৈ— মনত পৰা-নপৰা কৈশোৰৰ দিনবোৰলৈ.....

☆ ☆

এইবাৰ আহকচোন পূৰ্ব্বজ্যোতি কৃষিপাম গিনমৰ সঞ্চালক বোৰ্ডৰ সভাপতি আৰু বিশেষ বিষয়া আৰু পৰিচালকসকলৰ তালিকালৈ— যিসকল লোকে নিগমৰ কাৰণে বহুতো কষ্ট কৰিছিল, ত্যাগ স্বীকাৰ কৰিছিল।

১। নিগমৰ সঞ্চালক বোৰ্ডৰ সভাপতিসকল ঃ

(ক) স্বৰ্গীয় বিষ্ণু বৰা
(খ) শ্ৰীনন্দ বৰা
(গ) শ্ৰীকোষেশ্বৰ বৰুৱা
(ঘ) শ্ৰীপ্ৰফুল্ল বৰা
(ঙ) শ্ৰীকোষেশ্বৰ বৰুৱা
(চ) শ্ৰীনোমল বৰুৱা
(ছ) শ্ৰীবিনন্দ বৰুৱা।

২। বিশেষ বিষয়া আৰু পৰিচালকসকলৰ নাম ঃ

(ক) ড° মহম্মদ মোৰ্চাফ হুছেইন
(খ) স্বৰ্গীয় দীনেশ দত্ত
(গ) শ্ৰীযুত মুনীন দত্ত
(ঘ) শ্ৰীযুত যদু বৰা
(ঙ) শ্ৰীদুষ্মন্ত শইকীয়া
(চ) শ্ৰীটঙ্ক বৰদলৈ
(ছ) শ্ৰীভোগৰাম শইকীয়া।

যোৱা ২৫ টা বছৰে বহুলোকে আমাক ত্যাগ কৰি স্বৰ্গগামী হ'ল। পৰিয়ালবিলাক আমাৰ মাজত এৰি থৈ গ'ল। আজি আমি এই পিতৃসকলক সোঁৱৰণ কৰো আহক (কলেবৰ বৃদ্ধি হোৱাৰ ভয়ত অন্যসকলৰ নাম অন্তৰ্ভুক্ত নকৰি কেৱল মুৰব্বীসকলৰ নামহে ইয়াত উল্লেখ কৰা হ'ল।)

| ক্ৰমিক নং | মৃত ব্যক্তিৰ নাম | জন্মস্থান্য | নিগমলৈ ক'ৰ পৰা আহিছিল |
|---|---|---|---|
| ১ | স্বৰ্গীয় বিষ্ণু বৰা | কাকজান, যোৰহাট | পানবাৰী, নাৰায়ণপুৰ |
| ২ | স্বৰ্গীয় পদ্ম গায়ন | নগাঁও | মূঢ়ানী, তাঁতিবাহাৰ |
| ৩ | স্বৰ্গীয় কৃষ্ণৰাম ভূএগ্ৰা | মাজুলী, কৰৈগুৰি | শেলকঠীয়া, নাৰায়ণপুৰ |
| ৪ | স্বৰ্গীয় বিপুল বৰা | শেলকঠীয়া নাৰায়ণপুৰ | শেলকঠীয়া, নাৰায়ণপুৰ |
| ৫ | স্বৰ্গীয় ৰজনী বৰা | ধনপুৰ, হিচিঙলীয়া | পদ্মপুৰ, তাঁতিবাহাৰ |
| ৬ | স্বৰ্গীয় লেৰেলা হাজৰিকা | আঁহতগুৰি, মাজুলী | শিমলুগুৰি, উত্তৰ লক্ষীমপুৰ |
| ৭ | স্বৰ্গীয় ডিম্বেশ্বৰ হাজৰিকা | আঁহতগুৰি, মাজুলী | শিমলুগুৰি, উত্তৰ লক্ষীমপুৰ |
| ৮ | স্বৰ্গীয় আব্দুল খালেক | বঙালমৰা, উত্তৰ লক্ষীমপুৰ | ৰঙতি, উত্তৰ লক্ষীমপুৰ |
| ৯ | স্বৰ্গীয় পোহৰ ওজা | আঁহতগুৰি, মাজুলী | কলাবাৰী, শোণিতপুৰ |
| ১০ | স্বৰ্গীয় কণপাই ফুকন | কলাবাৰী | কলাবাৰী, শোণিতপুৰ |
| ১১ | স্বৰ্গীয় গোবিন শইকীয়া | নাৰায়ণপুৰ, উত্তৰ লক্ষীমপুৰ | নাৰায়ণপুৰ, উত্তৰ লক্ষীমপুৰ |
| ১২ | স্বৰ্গীয় গোলোক বৰা | বৰভেটি, কলাবাৰী | বৰভেটি, কলাবাৰী |
| ১৩ | স্বৰ্গীয় বনেশ্বৰ বৰা | দেউৰী গাঁও, হাৱাজান | দেউৰী গাঁও, হাৱাজান |
| ১৪ | স্বৰ্গীয় জিউৰাম বৰুৱা | কমলাবাৰী, মাজুলী | কলাবাৰী |
| ১৫ | স্বৰ্গীয় টোকেশ্বৰ কাকতি | মাজিকুছি, কলাবাৰী | মাজিকুছি, কলাবাৰী |
| ১৬ | স্বৰ্গীয় টুখুদ কাকতি | মাজিকুছি, কলাবাৰী | মাজিকুছি কলাবাৰী |
| ১৭ | স্বৰ্গীয় বাপুৰাম হাজৰিকা | তিতাবৰ, যোৰহাট | মাজিকুছি, কলাবাৰী |

OKDISCD

| | | | |
|---|---|---|---|
| ১৮ | স্বৰ্গীয় নাম গোহাঞিং | ঢেকীয়াজুলি, তিতাবৰ | ৰঙতি, উত্তৰ লক্ষীমপুৰ |
| ১৯ | স্বৰ্গীয় বিপিন বৰুৱা | বালিজান, গহপুৰ | বালিজান, গহপুৰ |
| ২০ | স্বৰ্গীয় মোলোকা দাস | গুৱাহাটী | হাটবৰ, উত্তৰ লক্ষীমপুৰ |
| ২১ | স্বৰ্গীয় ঘনশ্যাম দাস | মাজুলী | হাটবৰ, উত্তৰ লক্ষীমপুৰ |
| ২২ | স্বৰ্গীয় মানিক দাস | শিলিখাগুৰি, উত্তৰ লক্ষীমপুৰ | হাটবৰ, উত্তৰ লক্ষীমপুৰ |
| ২৩ | স্বৰ্গীয় ডিম্বেশ্বৰ বৰা | কাঠনি, উত্তৰ লক্ষীমপুৰ | নিমুৰী, শিমলুগুৰি |
| ২৪ | স্বৰ্গীয় দুৰ্গা বৰা | নগাঁও | নিমুৰী, শিমলুগুৰি |
| ২৫ | স্বৰ্গীয় লীলাৰাম শইকীয়া | তিতাবৰ, আমগুৰিখাট | শিমলুগুৰি |
| ২৬ | স্বৰ্গীয় তিখৰ বৰা | ডেৰগাঁও তামুলী পথাৰ | মেৰমুখ, উত্তৰ লক্ষীমপুৰ |
| ২৭ | স্বৰ্গীয় খগেন কোঁৱৰ | মেৰমুখ, উত্তৰ লক্ষীমপুৰ | মেৰমুখ, উত্তৰ লক্ষীমপুৰ |
| ২৮ | স্বৰ্গীয় খগেশ্বৰ দুৱৰা | গোলাঘাট, বহুপথাৰ | বহুপথাৰ, উত্তৰ লক্ষীমপুৰ |
| ২৯ | স্বৰ্গীয় থানেশ্বৰ কোঁৱৰ | জাৰণি গাঁও, ডুবিয়া | নাঁওঘুলি, উত্তৰ লক্ষীমপুৰ |
| ৩০ | স্বৰ্গীয় লক্ষণবৰ দেউৰী | বৰদলনী, ধেমাজী | শান্তিপুৰ, দেউৰী গাঁও |
| ৩১ | স্বৰ্গীয় বাবুলাল মুখিয়াৰী | যোৰহাট | শিমলুগুৰি |
| ৩২ | স্বৰ্গীয় মুখি মেধি | যোৰহাট | শিমলুগুৰি |
| ৩৩ | স্বৰ্গীয় ইষ্টিফান মেধি | গঞ্জন জিলা, উৰিষ্যা | শিমলুগুৰি |
| ৩৪ | স্বৰ্গীয় চমুৱেল বঅঞা | গঞ্জন জিলা, উৰিষ্যা | শিমলুগুৰি |
| ৩৫ | স্বৰ্গীয় মনি বৰুৱা | টিপলিং,লক্ষীমপুৰ | লক্ষীমপুৰ |
| ৩৬ | স্বৰ্গীয় কমল চৰৰ | — | শিমলুগুৰি |
| ৩৭ | স্বৰ্গীয় দধীৰাম কটোৱাল | আঁখৈফুটা | আঁখৈফুটা |
| ৩৮ | স্বৰ্গীয় দধীৰাম দৰ্জ্জী | নেপাল | শিমলুগুৰি |
| ৩৯ | স্বৰ্গীয় বীৰ বাঃ ভোজেল | প্ৰাক্তন সৈনিক, বাৰ্মা | শিমলুগুৰি |
| ৪০ | স্বৰ্গীয় গদাধৰ বুঢ়াঠকী | বঙালমৰা | শিমলুগুৰি |
| ৪১ | স্বৰ্গীয় ধনজিৎ তামাং | বিশ্বনাথ চাৰিআলি | বিশ্বনাথ চাৰিআলি |
| ৪২ | স্বৰ্গীয় নৰবীৰ বিশ্বকৰ্মা | পহুকটা, কলাবাৰী | পহুকটা, কলাবাৰী |
| ৪৩ | স্বৰ্গীয় কৃষ্ণ বাহাদুৰ ছেত্ৰী | জখৰীয়া, নাৰায়ণপুৰ | জখৰীয়া, নাৰায়ণপুৰ |
| ৪৪ | স্বৰ্গীয় পুষ্প কটোৱাল | আঁখৈফুটা, লক্ষীমপুৰ | আঁখৈফুটা |
| ৪৫ | স্বৰ্গীয় মাঘিৰাম গগৈ | চোমধৰা, উত্তৰ লক্ষীমপুৰ | চোমধৰা, উত্তৰ লক্ষীমপুৰ |
| ৪৬ | স্বৰ্গীয় সৰুপাই ফুকন | মেৰমুখ, উত্তৰ লক্ষীমপুৰ | শিমলুগুৰি |
| ৪৭ | স্বৰ্গীয় কমল দুৱৰা | কমাৰ গাঁও, গোলাঘাট | শিমলুগুৰি |
| ৪৮ | স্বৰ্গীয় মোহন সন্দিকৈ | যোৰহাট, ন-আলি | নিমুৰী, উত্তৰ লক্ষীমপুৰ |
| ৪৯ | স্বৰ্গীয় অৰুন সন্দিকৈ | যোৰহাট, ন-আলি সন্দিকৈ গাঁও | নিমুৰী, উত্তৰ লক্ষীমপুৰ |
| ৫০ | স্বৰ্গীয় জীৱন চাংমাই | যোৰহাট | ধেমাগড়, উত্তৰ লক্ষীমপুৰ |
| ৫১ | স্বৰ্গীয় নাৰায়ণ বৰা | ডেৰগাঁও | মাঘনুৱা, উত্তৰ লক্ষীমপুৰ |
| ৫২ | স্বৰ্গীয় মগুৰাম শইকীয়া | তাঁতিবাহাৰ | তাঁতিবাহাৰ, উত্তৰ লক্ষীমপুৰ |
| ৫৩ | স্বৰ্গীয় মাঘিৰাম শইকীয়া | মাজুলী | তাঁতিবাহাৰ, উত্তৰ লক্ষীমপুৰ |
| ৫৪ | স্বৰ্গীয় বজবুৰ শইকীয়া | তাঁতিবাহাৰ | তাঁতিবাহাৰ, উত্তৰ লক্ষীমপুৰ |
| ৫৫ | স্বৰ্গীয় বাবুল শইকীয়া | তাঁতিবাহাৰ | তাঁতিবাহাৰ, উত্তৰ লক্ষীমপুৰ |

OKDISCD

| | | | |
|---|---|---|---|
| ৫৬ | স্বৰ্গীয় টেপুৰাম গগৈ | ভোলাবড়ি | ভোলাবড়ি |
| ৫৭ | স্বৰ্গীয় বলোৰাম গগৈ | শিৱসাগৰ (টিয়ক) | শিমলুগুৰি, উত্তৰ লক্ষীমপুৰ |
| ৫৮ | স্বৰ্গীয় টুখুং দুৱৰা | মেৰমুখ | শিমলুগুৰি, বহু পথাৰ |
| ৫৯ | স্বৰ্গীয় চন্দ্ৰধৰ গগৈ | ৰজা বাহাৰ (যোৰহাট) | ৰঙতি, উত্তৰ লক্ষীমপুৰ |
| ৬০ | স্বৰ্গীয় পদ্মেশ্বৰ শইকীয়া | গোলাঘাট, শালিকি হাট | গোগামুখ, উত্তৰ লক্ষীমপুৰ |
| ৬১ | স্বৰ্গীয় ভদ্ৰকান্ত বৰা | গোলাঘাট, ফৰকাটিং | হাৰমতী, উত্তৰ লক্ষীমপুৰ |
| ৬২ | স্বৰ্গীয় ৰত্নধৰ চেতীয়া | তিতাবৰ | গোগামুখ, উত্তৰ লক্ষীমপুৰ |
| ৬৩ | স্বৰ্গীয় ৰূপেশ্বৰ ফুকন | গোলাঘাট, কমাৰগাঁও | নতুন দা-ধৰা, শিমলুগুৰি |
| ৬৪ | স্বৰ্গীয় ভুৰাম শইকীয়া | ধলপুৰ, কাঠনি | ৰংপুৰীয়া, কাঠনি |
| ৬৫ | স্বৰ্গীয় দেবেন শইকীয়া (১৯৮৪ চনৰ সংঘৰ্ষত মৃত্যু) | ধলপুৰ, কাঠনি | ৰংপুৰীয়া, কাঠনি |
| ৬৬ | স্বৰ্গীয় চক্ৰেশ্বৰ বৰপাত্ৰ গোহাঁই | মেৰমুখ | নিমুৰী, উত্তৰ লক্ষীমপুৰ |
| ৬৭ | স্বৰ্গীয় ত্ৰাহিৰাম গগৈ | মেৰমুখ, ন-পমুৱা | ভোলাবড়ি, উত্তৰ লক্ষীমপুৰ |
| ৬৮ | স্বৰ্গীয় থানেশ্বৰ গগৈ | ধলপুৰ, মাউতৰ চুক | ধলপুৰ, মাউতৰ চুক |
| ৬৯ | স্বৰ্গীয় কমলা বৰা | বিশ্বনাথ চাৰিআলি খৰা শিমলুগুৰি | বিশ্বনাথ চাৰিআলি খৰা শিমলুগুৰি |
| ৭০ | স্বৰ্গীয় প্ৰবীন শইকীয়া | গোলাঘাট | হাবিগাঁও, উত্তৰ লক্ষীমপুৰ |
| ৭১ | স্বৰ্গীয় বগীৰাম বৰা | নগাঁও | নিমুৰী, উত্তৰ লক্ষীমপুৰ |
| ৭২ | স্বৰ্গীয় তিখাই বৰা | নগাঁও | নিমুৰী, উত্তৰ লক্ষীমপুৰ |
| ৭৩ | স্বৰ্গীয় ডিম্বেশ্বৰ হাজৰিকা | বিহপুৰীয়া | বিহপুৰীয়া |
| ৭৪ | স্বৰ্গীয় লক্ষী শইকীয়া | মাজুলী | জৰাবাৰী |
| ৭৫ | স্বৰ্গীয় ভদ্ৰেশ্বৰ দাস | হাৱাজান | হাৱাজান |
| ৭৬ | স্বৰ্গীয় ধৰ্মেশ্বৰ শইকীয়া | ধলপুৰ, যোৰহটীয়া | ৰঙতি |
| ৭৭ | স্বৰ্গীয় মানিক ভুঞা | কলাবাৰী | কলাবাৰী |
| ৭৯ | স্বৰ্গীয় ৰঘুনাথ দাস | নগাঁও | চতিয়া |
| ৮০ | স্বৰ্গীয় পুৰ্ণ নাথ | ৰঙিয়া | ৰঙিয়া, মধুকুছি |
| ৮১ | স্বৰ্গীয় টঙ্ক বৰা | মাজুলী | মিকিৰ বৰাচুক |
| ৮২ | স্বৰ্গীয় দোলন মুদৈ | মাজুলী | মাজিকুছি |
| ৮৩ | স্বৰ্গীয় পুৰ্ণেশ্বৰ নাথ | ঘাঁহিগাঁও | ঘাঁহিগাঁও |
| ৮৪ | স্বৰ্গীয় সুৰেণ নাথ | ঘাঁহিগাঁও | ঘাঁহিগাঁও |
| ৮৫ | স্বৰ্গীয় শান্তি নাথ | ঘাঁহিগাঁও | ঘাঁহিগাঁও |
| ৮৬ | স্বৰ্গীয় দেহিৰাম ভুঞা | মাজুলী | মাজুলী |
| ৮৭ | স্বৰ্গীয় কন্দু শইকীয়া | মাজুলী | মাজুলী |
| ৮৮ | স্বৰ্গীয় মাতিয়া নাথ | ঘাঁহিগাঁও | ঘাঁহিগাঁও |
| ৮৯ | স্বৰ্গীয় যোগেশ্বৰ শইকীয়া | যোৰহাট | যোৰহাট |
| ৯০ | স্বৰ্গীয় বাপাই বৰা | পহুকটা | পহুকটা |
| ৯১ | স্বৰ্গীয় সম্বল গগৈ | দ-গাঁও | দ-গাঁও, ডুবিয়া |
| ৯২ | স্বৰ্গীয় সৰুমইনা সন্দিকৈ | গোলাঘাট | দ-গাঁও, ডুবিয়া |
| ৯৩ | স্বৰ্গীয় থানুৰাম বৰা | মাজুলী | ধুনাবাৰী, উত্তৰ লক্ষীমপুৰ |

OKDISCD

| | | | |
|---|---|---|---|
| ৯৪ | স্বৰ্গীয় মোহন ঠাকুৰীয়া | নগাঁও | ধেমাগড়, উত্তৰ লক্ষীমপুৰ |
| ৯৫ | স্বৰ্গীয় খং বসুমতাৰী | কামৰূপ | ৰামপুৰ, উত্তৰ লক্ষীমপুৰ |
| ৯৬ | স্বৰ্গীয় পেটুৱা মুদৈ | মাজুলী | গোপালপুৰ |
| ৯৭ | স্বৰ্গীয় ডিম্ব বৰুৱা | মাজুলী | ধুনাবাৰী, বিহপুৰীয়া |
| ৯৮ | স্বৰ্গীয় ভৃগুৰাম ভূঞা | বামুণ গাঁও | বামুণ গাঁও |
| ৯৯ | স্বৰ্গীয় বগাই বনিয়া | যোৰহাট | যোৰহাট |
| ১০০ | স্বৰ্গীয় টঙ্ক বনিয়া | বালিকুছি | বালিকুছি, উত্তৰ লক্ষীমপুৰ |
| ১০১ | স্বৰ্গীয় নবীন দাস | ব্ৰহ্মজান | ব্ৰহ্মজান |
| ১০২ | স্বৰ্গীয় কেকৰাম বনিয়া | ধলপুৰ | ধলপুৰ |
| ১০৩ | স্বৰ্গীয় খগেশ্বৰী বনিয়া | ধলপুৰ | ধলপুৰ |
| ১০৪ | স্বৰ্গীয় বেজিয়া বনিয়া | যোৰহাট | যোৰহাট |
| ১০৫ | স্বৰ্গীয় ৰূপেশ্বৰ বনিয়া | নগাঁও | নগাঁও |
| ১০৬ | স্বৰ্গীয় চেনীৰাম বৰা | বিহালী | ব্ৰহ্মজান |
| ১০৭ | স্বৰ্গীয় পানীৰাম বৰা | ব্ৰহ্মজান | ব্ৰহ্মজান |
| ১০৮ | স্বৰ্গীয় ৰোমেশ্বৰ ভৰালী | সক্ৰাহী | সক্ৰাহী |
| ১০৯ | স্বৰ্গীয় বুবুল বনিয়া | সক্ৰাহী | সক্ৰাহী |
| ১১০ | স্বৰ্গীয় টিকৌ বনিয়া | সক্ৰাহী | সক্ৰাহী |
| ১১১ | স্বৰ্গীয় মেলেঙা বনিয়া | ধলপুৰ | ধলপুৰ |
| ১১২ | স্বৰ্গীয় কনপাই ভৰালী | মাজুলী | মাজুলী |
| ১১৩ | স্বৰ্গীয় ঘনকান্ত বনিয়া | নগাঁও | ঢকুৱাখানা |
| ১১৪ | স্বৰ্গীয় চন্দ্ৰেশ্বৰ হাজৰিকা | ধলপুৰ | ধলপুৰ |
| ১১৫ | স্বৰ্গীয় তিলকান্ত হাজৰিকা | হাৰাজান | সোণাপুৰ |
| | (১৯৮৩ চনৰ সংঘৰ্ষত মৃত্যু) | | |
| ১১৬ | স্বৰ্গীয় ৰূপাই শইকীয়া | ঘূৰীয়া | ঘূৰীয়া গাঁও |
| ১১৭ | স্বৰ্গীয় কলিয়া ফুকন | মেৰমুখ | শিমলুগুৰি |
| ১১৮ | স্বৰ্গীয় বগাই গগৈ | মেৰমুখ | জুটুলীবাৰী |
| ১১৯ | স্বৰ্গীয় শম্ভু চেতিয়া | চোমধৰা | চোমধৰা, উত্তৰ লক্ষীমপুৰ |
| ১২০ | স্বৰ্গীয় দুলাল ডেকা | যোৰহাট | নিমুৰি |
| ১২১ | স্বৰ্গীয় বগাই গগৈ | যোৰহাট | নিমুৰি |
| ১২২ | স্বৰ্গীয় চেনীৰাম বৰা | পহুকটা | পহুকটা |
| ১২৩ | স্বৰ্গীয় ইন্দ্ৰেশ্বৰ ফুকন | শিমলুগুৰি | উত্তৰ লক্ষীমপুৰ |
| ১২৪ | স্বৰ্গীয় নালিয়া বৰুৱা | ডুবিয়া দ-গাঁও | ডুবিয়া দ-গাঁও |
| ১২৫ | স্বৰ্গীয় ডিম্বেশ্বৰ দুৱৰা | উত্তৰ কাঠনি | উত্তৰ কাঠনি |
| ১২৬ | স্বৰ্গীয় সান্দীৰাম কাকতি | সোৱনশিৰিমুখ | গৰুবন্ধা, মধুপুৰ |
| ১২৭ | স্বৰ্গীয় থগেশ্বৰ দাস | শিলিখাগুৰি | সাতবৰ |
| ১২৮ | স্বৰ্গীয় খগেশ্বৰ দাস | শিলিখাগুৰি | সাতবৰ |
| ১২৯ | স্বৰ্গীয় লীলাধৰ দাস | নগাঁও | চতিয়া |
| ১৩০ | স্বৰ্গীয় হৰ দাস | নগাঁও | চতিয়া |
| ১৩১ | স্বৰ্গীয় থানুৰাম দাস | নগাঁও | চতিয়া |



OKDISCD

| | | | |
|---|---|---|---|
| ১৩২ | স্বৰ্গীয় মৰিয়া দাস | বৰদলনি , ধেমাজী | নাৰায়ণপুৰ |
| ১৩৩ | স্বৰ্গীয় পতিৰাম হাজৰিকা | কলাবাৰী | কলাবাৰী |
| ১৩৪ | স্বৰ্গীয় বগীৰাম উজীৰ | বামুণ গাঁও | নলবাৰী, গহপুৰ |
| ১৩৫ | স্বৰ্গীয় ডম্বৰু দাস | নগাঁও ৰাইদিঙিয়া | চতিয়া |
| ১৩৬ | স্বৰ্গীয় মাজু দাস | নগাঁও ৰাইদিঙিয়া | চতিয়া |
| ১৩৭ | স্বৰ্গীয় উমাৰাম বৰা | নাৰায়ণপুৰ | নাৰায়ণপুৰ |
| ১৩৮ | স্বৰ্গীয় দলি কাকতি | সোৱনশিৰি | গৰুবন্ধা, মধুপুৰ |
| ১৩৯ | স্বৰ্গীয় লোকেশ্বৰ ডেকা | নগাঁও | বৰভেটি |
| ১৪০ | স্বৰ্গীয় লক্ষী ডেকা | নগাঁও | বৰভেটি |
| ১৪১ | স্বৰ্গীয় সোণাৰাম বৰা | মাজুলী | মিকিৰ বৰাচুক |
| ১৪২ | স্বৰ্গীয় ভোলোঙা বনিয়া | নগাঁও | নাৰায়ণপুৰ |
| ১৪৩ | স্বৰ্গীয় সিদ্ধেশ্বৰ বনিয়া | নাৰায়ণপুৰ | নাৰায়ণপুৰ |
| ১৪৪ | স্বৰ্গীয় বকুল বনিয়া | ৰাইদিঙিয়া | নাৰায়ণপুৰ |
| ১৪৫ | স্বৰ্গীয় জয়ৰাম বনিয়া | মাজুলী | সত্ৰাহী |
| ১৪৬ | স্বৰ্গীয় ধনবৰ বনিয়া | মাজুলী | সত্ৰাহী |
| ১৪৭ | স্বৰ্গীয় পানীৰাম বৰা | ব্ৰহ্মজান | ব্ৰহ্মজান |
| ১৪৮ | স্বৰ্গীয় আইলা নাথ | কামৰূপ | কামৰূপ |
| ১৪৯ | স্বৰ্গীয় দেবেন বৈশ্য | কামৰূপ | ভোলাবৰী |
| ১৫০ | স্বৰ্গীয় বাপুতি শইকীয়া | জৰাবাৰী | জৰাবাৰী, উত্তৰ লক্ষীমপুৰ |
| ১৫১ | স্বৰ্গীয় নন্দেশ্বৰ ফুকন | মেৰমুখ | কোকনগুৰি, শিমলুগুৰি |
| ১৫২ | স্বৰ্গীয় সাদৰী দত্ত | যোৰহাট চুঙী | জৰাবাৰী |
| ১৫৩ | স্বৰ্গীয় কান্দুৰা শইকীয়া | — | — |
| ১৫৪ | স্বৰ্গীয় অকণটি ভূঞা | বৰঙাবাৰী | হাতী বলীয়া |
| ১৫৫ | স্বৰ্গীয় বাপুৰাম হাজৰিকা | কলাবাৰী | দীঘলীবাৰী |
| ১৫৬ | স্বৰ্গীয় সৰুমাই গগৈ | নাওঘূলি | লক্ষীমপুৰ |
| ১৫৭ | স্বৰ্গীয় গেলো বৰা | মিকিৰ বৰাচুক | মিকিৰ বৰাচু, দৰং |
| ১৫৮ | স্বৰ্গীয় কোমল ভূঞা | দক্ষিণ কলাবাফী | দক্ষিণ কলাবাৰী |
| ১৫৯ | স্বৰ্গীয় সৰু ছোৱালী ভূঞা | দেৰগাঁও | মাজিকুছি |
| ১৬০ | স্বৰ্গীয় সোণমাই ফুকন | মেৰমুখ | বাঘৰ গাঁও, লক্ষীমপুৰ |

☆ ☆

## The Assam agriculture and Farming Corporation Act, 1973.

ইয়াৰ Rules, Law আদি পঢ়ি চালে দেখিব আজিৰ পূৰ্ব্বজ্যোতি কৃষিপাম নিগমত একোৱেই নাথাকিলগৈ। মাননীয় শ্ৰীযুত শৰৎচন্দ্ৰ সিংহদেৱৰ মন্ত্ৰীসভা পতনৰ লগে লগে সকলো যেন স্তিমিত হৈ আহিল। পিছৰ চৰকাৰ আৰু মন্ত্ৰীসভাই ইয়াৰ ওপৰত চকু ফুৰায়েই নাচালে। 1973 চনৰ পৰা 1977-78 চনলৈকে পূৰ্ণ উদ্যমেৰে কামবোৰ চলি থাকিল। ই লাহে লাহে নাইকীয়া হৈ ১৯৮৩ চনৰ ভাতৃঘাটী সংঘৰ্ষৰ লগে লগে একেবাৰেই নিঃশেষ হৈ গ'ল। বলড্ৰজাৰ, টেক্টৰ, জীপগাড়ী কৃষি বিভাগে আঁতৰাই নিলে। বিশেষ বিষয়াৰ ক্ষমতা ৰাজপত্ৰিত বিষয়াৰ ঠাইত Senior গ্ৰামসেৱকৰ হাতত অৰ্পিত হ'ল। অংশীদাৰ আৰু Office-ৰ মাজত সম্পৰ্ক ছিন্ন হ'ল। পুৰণি বহু নথি-পত্ৰ উঁইয়ে খালে। এতিয়া কাৰ্যালয় নামৰ ঘৰটোৰ চৌপাশ দুবৰি বনেৰে ভৰি পৰিল। কেইবালাখো টকা খৰচ কৰি বনোৱা গুদাম ঘৰটো ধান নভৰোৱাকৈয়ে খালী হৈ পৰি থকা হ'ল। অফিচাৰ থাকিবলৈ আবাস নাই। Rest House-টো ভাঙি-ছিঙি গ'ল— যদিও চকিদাৰে বাঁহৰ খুটা লগাই ব্যৱহাৰ কৰি আছে।

এইভাৱেই চকুৰ আগতে এখন ম্সাজবাদী আঁচনিৰ অপমৃত্যু নিৰৱে চাই থাকিব লগাত পৰিছো। মাজে মাজে স্তম্ভিত হৈ গৈছো। আজিৰ ৰূপালী জয়ন্তীত সদৌটি ৰাইজক অনুৰোধ জনাব বিচাৰিছো, এই আইনখনক পুনৰ জীৱিত কৰিব পৰা নাযাবনে?

# মোৰ জীৱনৰ কেইটামান কথা

ফণী বৰা
গুৱাহাটী

মোৰ জন্ম ১৯২৩ চনৰ শাওণ মাহত নগাঁও জিলাৰ বৰজহা গাঁৱৰ এটা কৃষক পৰিয়ালত।মোৰ পিতা প্ৰয়াত ডম্বৰুধৰ বৰাৰ পিতা প্ৰয়াত মোহিৰাম বৰা। মাজুলীৰ কমলাবাৰী সত্ৰৰ পৰা মানৰ আক্ৰমণত ভাগি আহি বৰজহা গাঁৱত সত্ৰ পতা গোসাঁইৰ কেৱলীয়া বৰভকত প্ৰয়াত খোৰা বৰুৱা আছিল পিতাৰ আজুককা। মোৰ পূৰ্ব্বপুৰুষ সম্পৰ্কে সিমানলৈকেহে জানিব পাৰিছিলো। প্ৰয়াত বৰভকত খোৰা বৰুৱাই আদহীয়া বয়সত কোঁচ সম্প্ৰদায়ৰ পত্নী গ্ৰহণ কৰিছিল আৰু সত্ৰৰ মাটিতে তেওঁক ঘৰ-মাটি, ম'হৰ খুটি দি গোসাঁয়ে প্ৰতিষ্ঠা কৰি দিছিল। আমাৰ দেউতাই (পিতা) তেওঁৰ দুটি ভায়েকৰ সৈতে জংঘল মাটি ভাঙি খেতিৰ মাটি গাঁৱত আৰু দূৰৰ বৰকলা জাৰণিৰ ওচৰত খেতিৰ মাটি বহলাই লৈছিল।

শিক্ষালাভ ঃ মই আমাৰ গাঁৱৰে প্ৰাইমাৰী স্কুলত পঢ়িছিলো, প্ৰাইমাৰী শিক্ষা সাং কৰি দুবছৰ গাঁৱৰ পৰা দূৰৰ বেবেজিয়া গাঁৱৰ এম্ ই স্কুলত ভৰ্তি হৈছিলো। পঞ্চম শ্ৰেণীলৈ উত্তীৰ্ণ হৈ মই নগাঁও চৰকাৰী স্কুলত ভৰ্তি হৈছিলো ১৯৩৫ চনত। তেতিয়াৰ পৰা নগাঁও চহৰতে নিজা কুটিৰত থাকি নিজেই ৰান্ধি-বাঢ়ি খাই ১৯৪২ চনত মেট্ৰিক পাছ কৰো। যুদ্ধৰ কাৰণে আমাৰ পৰীক্ষা পলমকৈ লোৱা হৈছিল আৰু ফলাফলো পলমকৈ ওলাইছিল। সেই বছৰৰে শেষত ডিচেম্বৰ মাহত মই কটন লেজত ভৰ্তি হওঁ। ১৯৪৫-৪৬-ত এবছৰ পঢ়া বাদ দি দেশৰ স্বাধীনতাৰ শেষ যুদ্ধত লাগি পৰো। তেতিয়া দেশত সুভাষ বসুৰ আই, এন, এ (Indian National Army)-ৰ নেতাসকলৰ মুক্তিৰ কাৰণে আমি ভাৰতৰ ছাত্ৰসকল সংগ্ৰামত লাগি থাকিব লগা হৈছিল। অসম ছাত্ৰ ফেডাৰেচনৰ সাধাৰণ সম্পাদক আৰু ভাৰত ছাত্ৰ ফেডাৰেচনৰ কাৰ্যকৰী কমিটীৰ সদস্য হিচাপে সমগ্ৰ অসমত ছাত্ৰ ধৰ্মঘট, ছাত্ৰ সমাবেশ, শোভাযাত্ৰাৰ নেতৃত্ব দিয়াৰ দায়িত্ব পালন কৰাৰ উপৰিও কলিকতা, বোম্বাই আদি ছাত্ৰ আন্দোলনৰ কেন্দ্ৰবোৰতো আন্দোলনত অংশ লৈছিলোগৈ। কলিকতাত বিধান সভাৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শন কৰোতে মোৰ কাষতে মণ্ডল উপাধীৰ ছাত্ৰ এজন পুলিচৰ গুলীত বাগৰি পৰিছিল। বোম্বাইৰ আৰব সাগৰৰ বুকত আৰ, আই, এন (Royal Indian Navy)-ৰ সমৰ্থনত আমি ছাত্ৰসকলে সমগ্ৰ দেশত তীব্ৰ আন্দোলনৰ সৃষ্টি কৰিছিলো। মই নিজে বোম্বাইলৈ ছাত্ৰসভা, শোভাযাত্ৰাত অংশগ্ৰহণ কৰিছিলো। তদুপৰি সেই সময়ত আমাৰ অসমক ইংৰাজ মন্ত্ৰী মিচনে বেঙ্গলৰ লগত লগ লগাই পূব পাকিস্থানৰ অন্তৰ্ভূক্ত কৰাৰ চক্ৰান্ত ব্যৰ্থ কৰিবলৈ একেৰাহে আন্দোলন কৰিব লগা হৈছিল। মন্ত্ৰী মিচনৰ এনে ষড়যন্ত্ৰৰ বিৰুদ্ধে 'অসমৰ ছাত্ৰ সমাজ' নামৰ এখন পুস্তিকা লিখি প্ৰকাশ কৰিছিলো। ফলত কলেজৰ পঢ়া-শুনা বাদ দিব লগা হৈছিল আৰু ১৯৪৭ চনতহে বি, এ পাছ কৰো। সেই সময়ত অসমত বিশ্ববিদ্যালয় নাছিল বাবেই আমি সকলোৱে কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত পৰীক্ষা দিব লগা হৈছিল। বি, এ পাছ কৰি এম, এ বা এম, এছ, চি পঢ়িবলৈ হ'লে কলিকতা, বাৰাণসী, দিল্লী বা অন্য ঠাইতহে নাম ভৰ্তি কৰি লৈ পঢ়িবগৈ লাগিছিল। তেনেকৈ পঢ়িবলৈ গ'লে অসমৰ ছাত্ৰ আন্দোলনৰ ক্ষতি হ'ব বুলি পাৰ্টিৰ সিদ্ধান্ত মৰ্মে পঢ়া-শুনা বাদ দিব লগা হৈছিল। অৱশ্যে চৰকাৰেও অনতিপলমে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিলত আত্মগোপন কৰিব লগা হৈছিল।

**দেশ সেৱাৰ দীক্ষা লাভ**

মোৰ মাৰ সম্পৰ্কীয় ভাই, মোৰ মোমাইদেউ প্ৰয়াত হলধৰ ভূঞা নগাঁও জিলা কংগ্ৰেছৰ এজন নেতা আছিল। দেশৰ স্বাধীনতা সংগ্ৰামত জড়িত হৈ তেখেতে ১৯২১ চনতে চাকৰি এৰি জেললৈ গৈছিল। তেতিয়াৰ পৰাই তেখেতে মৃত্যু পৰ্যন্ত দেশ সেৱাৰ কামত কায়োমনোবাক্যে মনোনিবেশ কৰিছিল। মোৰ মাৰ জীৱিতকালত আৰু মাৰ মৃত্যুৰ পিছতো হলধৰ ভূঞা আমাৰ বৰজহাৰ ঘৰলৈ আহ-জাহ কৰিছিল। আমাৰ গাঁৱত বা সমীপৱৰ্তী অঞ্চলত কংগ্ৰেছৰ সভা-সমিতি পতাৰ কামত আমাৰ অঞ্চলৰ হিতৰাম বৰা, বসু বৰঠাকুৰ আদি কংগ্ৰেছ ভলণ্টিয়াৰসকলক লগত লৈ প্ৰচাৰ কাৰ্য চলাবলৈ আহোতে তেখেতে মোকো লগত লৈ গৈছিল। সেই সময়ত নিচেই সৰু আছিলো। মই তেওঁলোকৰ কথা-বাৰ্তাবোৰ শুনি বৰ ভাল পাইছিলো। মাৰ এজন বৰদেউতাকৰ পুত্ৰ প্ৰয়াত তুনিৰাম বৰুৱাইও স্কুল এৰি যৌৱনকালতে দেশ সেৱাৰ কামত ব্ৰতী হৈছিল। তেওঁ সম্পৰ্কত মোৰ মোমাইদেউ। তেওঁ নেহৰু পৰিয়ালৰ বাসভৱন 'আনন্দ ভৱন'ত বহুদিন আছিলগৈ। তেতিয়া আনন্দ ভৱন নিখিল ভাৰত কংগ্ৰেছৰো হেড্ অফিচ আছিল। তেওঁ আমাৰ ঘৰলৈ প্ৰায়ে আহে আৰু আমাৰ গাঁৱত অসহযোগ আন্দোলন বিশেষকৈ কা নি বৰবিহ বৰ্জন, বিদেশী কাপোৰ বৰ্জন আদি বিষয়ত ঘৰে ঘৰে প্ৰচাৰ কাৰ্য চলাইছিল। আমাৰ গাঁৱত এনে প্ৰচাৰ কৰিবলৈ যাওঁতে মোকে লগত লৈ গৈছিল। তেতিয়া মোৰ বয়স মাত্ৰ ৮-৯ বছৰ, প্ৰাইমাৰী স্কুলত পঢ়ো। এদিন মোমাইদেউ তুনিৰাম বৰুৱাৰ লগত প্ৰচাৰ কাৰ্যলৈ যাওঁতে আমাৰ গাঁৱৰ প্ৰয়াত জয়বৰ হাজৰিকাই তামোল খুন্দা

OKDISCD

মাৰিডাল পিষ্টলৰ দৰে টোৱাই—"হেৰৌ হোন্দোল! তই মোক কানি খাবলৈ মানা কৰিবলৈ আহিছ? তোক পিষ্টল দি মাৰিম, জনা নাই?" বুলি খেদা মাৰি অহাৰ কথা মোৰ আজিও মনত আছে। প্ৰয়াত তুনিৰাম বৰুৱাৰ ঘৰুৱা নাম আছিল হোন্দোল। সেই সময়ত আমাৰ গাঁৱৰ কিছুমান বয়সস্থ মানুহে কানি খোৱা আমি দেখিছিলো। কংগ্ৰেছী ভলণ্টিয়াৰসকলে নানান সমস্যাৰ সন্মুখীন হৈও কানি বৰবিহ খোৱা বন্ধ কৰাৰ বাবে প্ৰচাৰ কাৰ্য চলোৱা দেখিছিলো। এইদৰেই বাল্যকালতে দেশ সেৱাৰ প্ৰাইমাৰ ফুলকুমলীয়া মন ঢাল খাইছিল।

১৯৪০-৪১ চনত অসম ছাত্ৰ সন্মিলনৰ অধিবেশনত নগাঁও চৰকাৰী হাইস্কুলৰ পৰা প্ৰতিনিধি হৈ গৈ সন্মিলনত প্ৰয়াত কমৰেড্ বিষ্ণু বৰা, দধি মহন্ত, কীৰ্তি বৰদলৈ, তেজপুৰৰ ৰমেশ শৰ্মা, উত্তৰ লক্ষীমপুৰৰ মিনাৰাম শইকীয়া, আদিৰ উপৰিও বিজয় ভাগৱতী, পুষ্পলতা দাস, বিশ্বদেৱ শৰ্মা, স্বৰ্ণলতা মহন্ত, ৰূপৰাম সুত, জীৱন গোস্বামী, উত্তম তহবিলদাৰ, গৌৰীশঙ্কৰ ভট্টাচাৰ্য আদি কংগ্ৰেছ, কমিউনিষ্ট, ছ'চিয়েলিষ্ট ভাবাপন্ন অসমৰ ছাত্ৰ নেতাসকলক লগ পাইছিলো আৰু তেওঁলোকৰ মাজত হোৱা তৰ্ক-বিতৰ্কবোৰ মনোযোগেৰে শুনিছিলো। এইবোৰ শুনি ৰাজনৈতিক জ্ঞানৰ পোহৰ পাইছিলো।

ইয়াৰ আগতেই মই যেতিয়া ৪-৫ বছৰ বয়সীয়া, সেই সময়তে গান্ধীজী নগাঁও টাউনলৈ আহোতে মোৰ ডাঙৰ মোমাইদেৱে মোক চাইকেলত তুলি গান্ধী দৰ্শন কৰাবলৈ লৈ গৈছিল। স্কুলত পঢ়ি থকা অৱস্থাতে জৱাহৰলাল নেহৰু নগাঁৱলৈ আহোতে কংগ্ৰেছ ভলণ্টিয়াৰ হৈ আমি স্কুলীয়া ছাত্ৰবোৰে শেনচোৱাৰ পৰা আৰম্ভ কৰি হয়বৰগাৰলৈকে সুদীৰ্ঘ পথৰ দুই কাষত থিয় দি নেহৰুক আদৰণি জনাইছিলো। অসমৰ কংগ্ৰেছ নেতাসকলৰ ওপৰত উঠা খঙৰ ভমকত নেহৰুজীয়ে তেওঁৰ গাড়ী ক'তো ৰখাবলৈ নিদি পোনে পোনে ফৌজদাৰী পাৰ্টিৰ প্ৰয়াত মহিচন্দ্ৰ বৰাৰ ঘৰত আহি নাখাই নবৈ মূৰে-গাৰে কাপোৰ লৈ শুই থকা দেখিছিলো আৰু অসমৰ কংগ্ৰেছ নেতাসকল ভয়ত কেচুৰ দৰে কোচ-মোচ খাই থকা দেখিছিলো। নিৰ্দ্ধাৰিত কাৰ্যসূচী মতে আবেলিতে নেহৰু নগাঁও আহি পোৱাৰ কথা আছিল, কিন্তু পালেহি ৰাতি প্ৰায় এক বজাত। মানুহ-দুনুহ সকলো ঘৰা-ঘৰি গ'ল। নিৰ্দ্ধাৰিত কাৰ্যসূচী অনুসৰি কাম নোহোৱাত নেহৰু খঙত অগ্নিশৰ্মা হৈ পৰিছিল।

১৯৪১ চনত গুৱাহাটীৰ কটন কলেজত যুদ্ধ বিৰোধী ছাত্ৰ বিক্ষোভ আৰু বিক্ষোভকাৰী ছাত্ৰৰ ওপৰত পুলিচৰ লাঠি চালনাৰ খবৰ পাই আমি নগাঁৱতো পৰীক্ষা বাদ দি চহৰৰ সকলো স্কুলতে ধৰ্মঘট কৰি বিশাল শোভাযাত্ৰা কৰি গৈ জুবিলী পথাৰত বিশাল ছাত্ৰ সমাবেশ অনুষ্ঠিত কৰোহঁক আৰু ইয়াৰ মাধ্যমেৰে ইংৰাজ বিৰোধী ৰাজনৈতিক চেতনাৰে উদ্বুদ্ধ হৈ সক্ৰিয় ৰাজনীতিত নামি পৰো।

১৯৪২ চনৰ ৯ আগষ্টত বোম্বাই চহৰত (এতিয়া মুম্বাই) গান্ধীজীৰ "কুইট ইণ্ডিয়া" প্ৰস্তাৱ গৃহীত হোৱাৰ পাছত ইংৰাজ চৰকাৰে সকলো কংগ্ৰেছ নেতাকে গ্ৰেপ্তাৰ কৰে। দেশবাসী বিক্ষুব্ধ হৈ নেতৃত্ববিহীন যি যেনেকৈ পাৰে তেনেকৈয়ে ইংৰাজ বিৰোধী সংগ্ৰামত জপিয়াই পৰিল। আমিও নগাঁৱত "কুইট ইণ্ডিয়া" আন্দোলনত জপিয়াই পৰি স্কুল বৰ্জন কৰি দেশ নেতাসকলৰ মুক্তি আৰু জাতীয় চৰকাৰ গঠনৰ দাবী কৰি শ শ কংগ্ৰেছ ভলণ্টিয়াৰক লগত লৈ সভা, শোভাযাত্ৰা কৰি ফুৰিবলৈ ধৰিলো। ইংৰাজ চৰকাৰে নগাঁৱৰ কংগ্ৰেছ নেতাসকল আৰু কংগ্ৰেছ ভলণ্টিয়াৰ কিছুমানকো গ্ৰেপ্তাৰ কৰিবলৈ ধৰিলে। আমি ছাত্ৰ নেতাসকলেও পুলিচৰ চকুত ধূলি দি গাঁৱে-ভূঞে সভা-সমিতি পাতি গান্ধী-নেহৰুৰ বাণী প্ৰচাৰ কৰিবলৈ ধৰিলো।

আমি কিছুমান ছাত্ৰই ইতিমধ্যে ফেচিষ্ট জাৰ্মানী, জাপান, ইটালীৰ মুচোলিনিৰ ঐক্য শক্তিৰ মাজত পৃথিৱীখন ভাগ কৰি লোৱাৰ অভিযান যে সাম্ৰাজ্যবাদৰেই কদাকাৰ ৰূপ, সেই কথা বুজিব পাৰিছিলো আৰু ফেচিবাদৰ বিৰুদ্ধে থিয় দিয়াটো সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামৰেই অংশ বুলি গণ্য কৰিছিলো। কিন্তু ভাৰতৰ স্বাধীনতা যোদ্ধা নেতাজী সুভাষ চন্দ্ৰ বসুৰ জাপানৰ সহযোগত ইংৰাজ বিৰোধী সংগ্ৰামৰ আহ্বানে আমাৰ বহুতকেই খেলি-মেলিত পেলাইছিল। তেতিয়া জাপানী সৈন্য মণিপুৰ, ডিমাপুৰ, নাগালেণ্ড আদি ঠাইত প্ৰায় প্ৰৱেশ কৰিছেহি। চিতাগাং, ফেণী, কলিকতা আদিত জাপানে বোমা পেলাইছিল। আনপিনে হিটলাৰৰ জাৰ্মান ফেচিষ্ট বাহিনীৰ লগত ষ্টেলিনগ্ৰেডত ছোভিয়েট লাল ফৌজৰ তয়াময়া যুদ্ধ চলিছিল আৰু জাৰ্মান শক্তিৰ পৰাজয় হৈছিল। নহ'লে পূব দিশেদি জাপানী সৈন্য আৰু পশ্চিমেদি জাৰ্মান সৈন্য আহি ভাৰতবৰ্ষকে দুভাগ কৰি লোৱাৰ আশঙ্কাই দেখা দিছিল। সৌভাগ্যবশতঃ জাৰ্মান, জাপান আৰু ইটালীৰ পৰাজয় হ'ল আৰু লগে লগে ইংৰাজ, মাৰ্কিন, ফৰাছী সাম্ৰাজ্যবাদৰো ঔপনিবেশিক শক্তি দ্বিতীয় মহাযুদ্ধই দুৰ্বল কৰি পেলালে। যুদ্ধৰ পাছত ইখনৰ পাছত সিখনকৈ ভাৰতকে ধৰি সাম্ৰাজ্যবাদৰ উপনিবেশবোৰ মুক্ত হ'বলৈ ধৰিলে মুক্তিকামী জনতাৰ তীব্ৰ সংগ্ৰামৰ ফলত আৰু দ্বিতীয় মহাযুদ্ধৰ প্ৰধান বিজয়ী শক্তি ছোভিয়েট ইউনিয়নৰ সমৰ্থন আৰু সহায়ৰ ফলত। আজি পৃথিৱীত এখনো পৰাধীন দেশৰ অস্তিত্ব নাই। যুদ্ধৰ পাছৰ সাম্ৰাজ্যবাদ বিৰোধী শক্তিবোৰে ফেচিবাদ আৰু সাম্ৰাজ্যবাদ দুয়োটাকে পৰাজয় কৰিবলৈ সমৰ্থ হ'ল।

**কমিউনিষ্ট পাৰ্টিত যোগদান**

ইংৰাজ সাম্ৰাজ্যবাদক পৰাজয় কৰি স্বাধীন ভাৰতক এখন শোষণহীন সাম্যৰ সমাজত ৰূপান্তৰ কৰাৰ স্বপ্ন ছোভিয়েট ইউনিয়নৰ সমাজতান্ত্ৰিক সমাজৰ অৱস্থিতিয়ে আমাক সৰুৰে পৰাই অনুপ্ৰাণিত কৰিছিল। সেই সমাজতান্ত্ৰিক ছোভিয়েট ইউনিয়ন ষ্টেলিনগ্ৰেডত

জীৱন-মৰণ সংগ্ৰামত লিপ্ত থাকোতে আমাৰ লগৰ স্বাধীনতা যোদ্ধা এচামে জাৰ্মান, জাপানৰ জয় কামনা কৰা দেখি আমি আচৰিত হৈছিলো আৰু তেওঁলোকৰ লগত আমাৰ তৰ্ক-বিতৰ্কও হৈছিল। "কুইট ইণ্ডিয়া" আন্দোলন কৰি ফুৰোতে জাগী ভকত গাঁৱৰ এখন সভাত জাপানৰ বিৰুদ্ধে এলাইড শক্তিয়ে সৈন্যবাহিনী, অস্ত্ৰ-শস্ত্ৰ, ৰচদ-পাতি কঢ়িয়াই নিয়া ৰেলগাড়ী বগৰাই দিব লাগে বুলি এজনে বৰ্ক্তৃতা দিওঁতে মই গান্ধী-নেহৰুৰ সেই নীতি নহয়, গতিকে আমি গান্ধী-নেহৰুৰ কথা মতে ইংৰাজ আৰু জাপানী আক্ৰমণ উভয় শক্তিৰ বিৰুদ্ধেই মুক্তি যুদ্ধ চলাই যাব লাগে বুলি বৰ্ক্তৃতা দিলো। সেই সময়ত সুভাষ বসুৰ কৌশলেৰে দেশ স্বাধীন কৰিব পৰা যাব বুলি আমি কিছুমানে বিশ্বাস কৰিব পৰা নাছিলো। সেই কাৰণেই আমাৰ ভিতৰত মনোমালিন্য হৈছিল।

এই সময়ত যোৰহাটৰ পৰা মোৰ চিনাকি ছাত্ৰ-কৃষকনেতা প্ৰয়াত বিষ্ণু বৰা আহি নগাঁৱত আমাক লগ ধৰি নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ যুগ্ম সম্পাদক প্ৰশান্ত সান্যাল গোলাঘাটলৈ আহিব বুলি খবৰ দি তালৈ মোকো যাবলৈ নিমন্ত্ৰণ দিয়ে।

১৯৪২ চনৰ অক্টোবৰ মাহত মই গোলাঘাটলৈ যাওঁ। তাত আমি বৰ-বৰচজন ছাত্ৰ-কৃষকনেতা লগ হওঁ। সেই ৰাজনৈতিক শিবিৰত কমৰেড্ সান্যালে ফেচিবাদ, সাম্ৰাজ্যবাদ আৰু জাতীয় মুক্তি ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ওপৰত মাৰ্ক্সবাদী, লেনিনবাদী কমিউনিষ্ট ব্যাখ্যা আৰু বিশ্লেষণ দাঙি ধৰিলে। সেই শিবিৰত তেখেতৰ অকাট্য যুক্তি শুনি কমিউনিষ্ট আদৰ্শ আৰু নীতিৰ প্ৰতি আকৃষ্ট হ'লো। সেই শিবিৰৰ ওপৰত ৰাতি কংগ্ৰেছ্ ভলণ্টিয়াৰ কিছুমানে অতৰ্কিত আক্ৰমণ কৰি আন্ধাৰতে আমাৰ কেইবাজনকো লাঠিৰে আঘাত কৰি পলায়ন কৰিছিল। আমি পিছদিনা যিসকল কংগ্ৰেছ নেতা বা সমৰ্থক আছিল, তেওঁলোকৰ ঘৰে ঘৰে গৈ এই গুণ্ডামীৰ গৰিহনা দি প্ৰচাৰ কাৰ্য চলাইছিলো।

সেই শিবিৰতে প্ৰয়াত কমৰেড্ যদু শইকীয়া, বিষ্ণু বৰা, কীৰ্তি বৰদলৈ, ধীৰণ দত্ত, দধি মহন্ত, শ্ৰীফণী বৰা, শ্ৰীৰমেশ শৰ্মা, চিদা শইকীয়া আদি ৰব জনমান কমৰেডক লৈ প্ৰথম অসম উপত্যকা কমিউনিষ্ট সংগঠন সমিতি এখন গঠন কৰা হয়। সেই সমিতিৰ শীঘ্ৰে সকলো জিলাৰ প্ৰতিনিধিক মাতি এখন ৰাজ্য সন্মিলন সংগঠন কৰিবলৈ নিৰ্দেশ দিয়ে। ডিগবৈত ১৯৩৯ চনত তেল শ্ৰমিকৰ ধৰ্মঘটত নেতৃত্ব কৰাৰ দোষত নীলমণি বৰঠাকুৰ, ডাঃ বিনয় চক্ৰৱৰ্তীক অসমৰ পৰা সেই সময়ত বহিস্কাৰ কৰি থৈছিল। কমৰেড্ ভদ্ৰকৃষ্ণ গোস্বামী জেইলত বন্দী হৈ আছিল আৰু ৰমেশ শৰ্মাক গৃহবন্দী কৰি ৰাখিছিল কাৰণে সেই শিবিৰত উপস্থিত নাছিল আৰু পাঁচজন ছাত্ৰনেতাক গৌৰীশঙ্কৰ ভট্টাচাৰ্যই নেচনেল ৱাৰ ফ্ৰন্টৰ সভাত যোগদানৰ বাবে দোষী বুলি সেই শিবিৰলৈ আমন্ত্ৰণ জনোৱা নাছিল।

তেতিয়াৰে পৰা ছাত্ৰনেতা হিচাপে ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ ৰাজ্যিক নেতৃত্বত থাকি কাম কৰি আছিলো। অৱশ্যে তাৰ আগতেই ১৯৪২ চনৰ নৱেম্বৰয়ডিচেম্বৰ মাহত নগাঁও জিলাত ছাত্ৰকৰ্মী সুচেন ভূঞা, জীৱন গোস্বামী, জীৱন লস্কৰ, পাচুগোপাল ঘোষ, চামচুদ্দিন আহমেদ আদি কেইজনমান ছাত্ৰক লৈ পাৰ্টিৰ এটা চেল গঠন কৰা হৈছিল। সেয়ে আছিল পাৰ্টি সংগঠন কৰাৰ মোৰ প্ৰথম অভিজ্ঞতা আৰু নগাঁও জিলাত প্ৰথম কমিউনিষ্ট পাৰ্টিৰ পাতনি। তাৰ পিছত গুৱাহাটীলৈ আহি কটন কলেজত নাম ভৰ্তি কৰা হৈছিল। মই পাৰ্টিৰ সৰ্বক্ষণৰ কৰ্মী হিচাপে নগাঁৱতে থাকিব বিচাৰিছিলো, কিন্তু পাৰ্টিৰ নেতাসকলৰ নিৰ্দেশত আসাম ছাত্ৰ ফেডাৰেচন পুনৰ সংগঠন কৰাৰ কামত আত্মনিয়োগ কৰিবলৈকে গুৱাহাটীলৈ আহি কটন কলেজত নাম ভৰ্তি কৰিব লগা হৈছিল। কটন কলেজৰ ছাত্ৰ ফেডাৰেচনৰ কৰ্মীকেইজনমানক লৈ নন্দেশ্বৰ তালুকদাৰ, ধীৰেশ্বৰ কলিতা, লোহিত লহকৰ, ফণী বৰাক লৈ এটা কলেজৰ পাৰ্টি চেল গঠন কৰি লৈছিলো।

**১৯৪৭-ৰ ১৫ আগষ্ট**

১৯৪৭ চনৰ ১৫ আগষ্টত স্বাধীন ভাৰতৰ জন্ম হয়। আমি স্বাধীনতা হেজাৰ-বিজাৰ শ্বহীদৰ প্ৰাণৰ বিনিময়ত লাখ লাখ ভাৰতবাসীৰ স্বাৰ্থত্যাগ আৰু কঠোৰ দমন নীতিৰ বলি হৈও ইংৰাজ সাম্ৰাজ্যবাদক পৰাজয় কৰি আদায় কৰা বুলি গৌৰৱ কৰিছিলো আৰু এই স্বাধীন ভাৰতক শোষণহীন সাম্যৰ ভাৰত হিচাপে গঢ়াৰ কাৰ্যসূচী গ্ৰহণ কৰা উচিত বুলি বিবেচনা কৰা হৈছিল। যদিও ইংৰাজ আমাৰ দেশৰ বুৰ্জোৱা জমিদাৰী শ্ৰেণীৰ ক্ষমতালোভী নেতৃত্বক ভাৰত বিভাজন কৰি হিন্দুস্থান আৰু পাকিস্থান সৃষ্টি কৰিবলৈ সৈমান কৰিছিল আৰু ইংৰাজ আৰু সাম্প্ৰদায়িক শক্তিৰ দ্বাৰা সাম্প্ৰদায়িক গৃহযুদ্ধ লগাই সেই বিভাজনৰ ক্ষেত্ৰ প্ৰস্তুত কৰি লৈছিল। আমি বাঁওপন্থী বিপ্লৱীসকলে মনত মৰ্মান্তিক বেদনা অনুভৱ কৰিছিলো। তথাপিও স্বাধীন ভাৰতক এখন সাম্ৰাজ্যবাদ বিৰোধী ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰত পৰিণত কৰি সমাজতন্ত্ৰৰ সংগ্ৰামৰ কাৰণে প্ৰস্তুত হোৱাৰ নীতি লৈ আগবাঢ়িব খুজিছিলো।

স্বাধীনতা লাভৰ পিছতেই আমাৰ পাৰ্টিত দুই নীতিৰ সংঘাত আৰম্ভ হৈছিল। ১৯৪৮ চনৰ মাৰ্চ মাহত কলিকতাত অনুষ্ঠিত চি-পি-আইৰ দ্বিতীয় পাৰ্টি কংগ্ৰেছ প্ৰয়াত কমৰেড্ বি. টি. ৰণডিভেৰ নেতৃত্বত পূৰ্বৰ নীতি নাকচ কৰি সমাজতন্ত্ৰৰ কাৰণে হঠকাৰী ৰণনীতি আৰু ৰণকৌশলৰ প্ৰস্তাৱ লৈ আগবঢ়াৰ কাৰ্যসূচী গ্ৰহণ কৰিলে। লগে লগে পাৰ্টিৰ ওপৰত সৰ্বাত্মক আক্ৰমণ আৰম্ভ কৰিলে নতুনকৈ স্বাধীনতাৰ দাণ্ডা লোৱা সামন্তবাদী পুঁজিপতি সমাজখনৰ ওপৰত প্ৰভু হোৱা কংগ্ৰেছ চৰকাৰে। কমিউনিষ্ট পাৰ্টিৰ শ্ৰমিক-কৃষকৰ মাজত

OKDISCD

বাঢ়ি অহা শক্তি বাধাপ্ৰাপ্ত হ'ল আৰু শ্ৰমিকৰ ডেনগাড্ কমিউনিষ্টসকলৰ স্থিতি দুৰ্বল হ'ল আৰু তাৰ সুযোগ লৈ আই-এন-টি-ইউ-চি, হিন্দ মজদুৰ সভা আদি সংস্কাৰবাদী শ্ৰমিক নেতৃত্বই বাৰুকৈয়ে শিপাবলৈ সুবিধা পালে।

আমি সকলো নেতৃস্থানীয় কমিউনিষ্টে নিজ নিজ জনসাধাৰণৰ মাজত আত্মগোপন কৰি কৃষক, ছাত্ৰ, শ্ৰমিক আন্দোলনত গোপনে কাম কৰিবলৈ ধৰিলো। মই নিজে পাণ্ডুৰ ৰেল শ্ৰমিকৰ মাজত, গুৱাহাটী কটন কলেজৰ হোষ্টেলত, বিশেষকৈ নগাঁৱৰ কৃষকসকলৰ মাজত আত্মগোপন কৰি থাকি কৃষক সংগঠন আৰু কমিউনিষ্ট পাৰ্টি গঠনৰ কাৰ্যত আত্মনিয়োগ কৰিছিলো। ১৯৪৮ চনৰ এপ্ৰিল মাহৰ পৰা ১৯৪৯ চনৰ জুলাই মাহলৈকে আত্মগোপন কৰি কাম কৰি ফুৰাৰ পাছত আমাৰ এজন কমৰেডৰ আত্মীয় কংগ্ৰেছী লোকে আমি লুকাই থকা ঘৰ পুলিচক দেখুৱাই দি আমাক গ্ৰেপ্তাৰ কৰোৱাইছিল। মোৰ লগত মোৰ পত্নী হেনা বৰা আৰু এতিয়াৰ বিখ্যাত কমৰেড্ সুচেন ভূঞাও আছিল।

নগাঁও আৰু চিলং জেইলত ডেৰ বছৰৰ অধিককাল কাৰাবন্দী হৈ আছিলো। নগাঁও জেইলৰ পৰা ১৯৫১ চনৰ প্ৰথম ভাগতে মুক্ত কৰি দি মোক বৰজহা গাঁৱৰ দেউতাৰ ঘৰত গৃহবন্দী কৰি থলে। গৃহবন্দী অৱস্থাত মই গাঁৱৰে দক্ষিণপাট হাইস্কুলৰ পৰিচালনা সমিতিৰ অনুৰোধত আঢ়ৈ মাহমান শিক্ষকতা কৰাৰ পিছত কলিকতাত থকা চি-পি-আইৰ পলিটবু'ৰৰ পৰা নিমন্ত্ৰণ আহিলত মই সেই মাহতে কলিকতালৈ যাওঁ। তেতিয়া তাত কমৰেড্ নাম্বুদিৰিপদ, এন. এছ. ইউচুফ, বীৰেশ মিশ্ৰ আৰু বিশ্বনাথ মুখাৰ্জীক গোপন কেন্দ্ৰত লগ পাওঁ। সেই সময়লৈকে মস্কোলৈ যোৱা প্ৰয়াত কমৰেড্ অজয় ঘোষ, এছ. এ ডাঙ্গে, ৰাজেশ্বৰ ৰাও আৰু বাসবপুন্নায়া ঘূৰি অহা নাই বুলি গম পালো। অৱশিষ্ট পলিটবু'ৰয়ে অসমৰ কাৰণে ভাঙি দিয়া পুৰণা প্ৰাদেশিক কমিটীখন বাহাল ৰখাৰ প্ৰস্তাৱ লৈ বীৰেশ মিশ্ৰৰ ঠাইত মোক অসম প্ৰাদেশিক কমিটীৰ নতুন সম্পাদক নিৰ্বাচিত কৰিলে। জুন মাহত অসমলৈ আহি ভাঙি পৰা চি-পি-আই সংগঠনটো পুনৰ জীৱিত কৰাৰ দায়িত্ব কান্ধ পাতি ল'ব লগা হয়। তেতিয়াৰে পৰা ১৯৭৫ চনৰ জানুৱাৰী মাহলৈকে প্ৰায় ২৫ বছৰকাল কমিউনিষ্ট পাৰ্টিৰ অসম ৰাজ্যিক সম্পাদকৰ দায়িত্ব পালন কৰো। ১৯৫৩ চনৰ মাদুৰাই পাৰ্টি কংগ্ৰেছৰ পৰা পাৰ্টিৰ কেন্দ্ৰীয় কমিটীৰ সদস্যৰ দায়িত্ব পালন কৰাৰ ভাৰ দিয়ে আৰু ১৯৯৫ চনৰ দিল্লী পাৰ্টি কংগ্ৰেছত পাৰ্টিৰ নেতৃত্বৰ পদৰ পৰা বয়স আৰু শাৰীৰিক অৱস্থাৰ কথা বিবেচনা কৰি স্বইচ্ছাই অব্যাহতি লওঁ।

কটন কলেজৰ ছাত্ৰ আন্দোলন, অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে কৃষকৰ মাটি দখল আন্দোলন, কৃষি শ্ৰমিকৰ সংগঠন গঢ়ি তোলা আৰু ভূমি সংস্কাৰ আন্দোলন আৰু দেশৰ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰা দিনবোৰ এতিয়াও মোৰ মনত উজ্জ্বল হৈ আছে। জেইল জীৱনৰ সুখ-দুখৰ কাহিনীবোৰ, আত্মগোপন কৰি আন্দোলন পৰিচালনা কৰা তিতা-মিঠা অভিজ্ঞতাবোৰে এতিয়াও মোৰ মনত ভুমুকি মাৰে আৰু সমাজতন্ত্ৰৰ হকে সংগ্ৰামত আগুৱাই যোৱাৰ কাৰণে আজিও প্ৰেৰণা যোগায়।

১৯৬৬ চনত আমি সমগ্ৰ অসমত খাদ্য সামগ্ৰীৰ অস্বাভাৱিক দাম বৃদ্ধিৰ বিৰুদ্ধে ব্যাপক আন্দোলন গঢ়ি তুলিবলৈ সমৰ্থ হৈছিলো। চোৰাং ব্যৱসায়ীয়ে অবৈধভাৱে মজুত কৰি ৰখা খাদ্য সামগ্ৰী উদ্ধাৰ কৰি উচিত মূল্যত বিতৰণ কৰিবলৈ চৰকাৰক বাধ্য কৰা হৈছিল। বহুতো গোপন গুদামৰ পৰা মিঠাতেল, চেনি, চাউল আদি খাদ্য সামগ্ৰী আমাৰ পাৰ্টিৰ স্বেচ্ছা সেৱকসকলে উদ্ধাৰ কৰি সস্তা দৰত বিক্ৰী কৰিবলৈকো চৰকাৰক বাধ্য কৰিছিলো।

সেই সময়ত অসমৰ ৰাজধানী চিলঙত এদল কমিউনিষ্ট কৰ্মীয়ে ৰাজ্য চৰকাৰৰ সচিবালয় ঘেৰাও কৰি সস্তা দৰত খাদ্য সামগ্ৰী বিতৰণৰ দাবীত সত্যাগ্ৰহ কৰিছিল। ইয়াৰ নেতৃত্ব ময়েই বহন কৰিছিলো। অসম চৰকাৰৰ সশস্ত্ৰ পুলিচে আমাৰ ওপৰত লাঠি চালনা কৰি আমাৰ কেইবাজনকো আহত কৰি কাৰাৰুদ্ধ কৰিছিল।

১৯৬৭ চনত আমি আঠজন কমিউনিষ্ট কৰ্মী অসম বিধান সভালৈ নিৰ্বাচিত হৈছিলো। মোক বিধায়ক দলৰ দলপতি নিৰ্বাচিত কৰা হৈছিল। আমাৰ লগত দুজন নিৰ্দলীয় বিধায়ক কমৰেড্ গিয়াচুদ্দিন আহমেদ আৰু কমৰেড্ শৈলেন মেধিয়ে যোগ দিছিল। তদুপৰি অন্যান্য কেইবাজনো নিৰ্দলীয় বিধায়কে আমাৰ লগত সহযোগী সদস্য হিচাপে যোগ দিয়াত আমাৰ কমিউনিষ্ট গ্ৰুপৰ সংখ্যা ১৪ জনলৈ বৃদ্ধি হৈছিল। আমাৰ লগত বিধান সভাত ছয়জন পি-এছ-পি দলৰ বিধায়কেও যোগ দি এক মৰ্চা গঠন কৰিছিল। ফলত আমি মুঠ বিশজনীয়া এটা গ্ৰুপ গঠন কৰি শক্তিশালী বিৰোধী দল গঠন কৰিছিলো আৰু মোক বিৰোধী দলৰ দলনেতা নিৰ্বাচিত কৰিছিল। শ্ৰীলক্ষ্যধৰ চৌধুৰীক উপ-দলনেতা মনোনীত কৰা হৈছিল।

সেই সময়ত জমিদাৰী মহাজনী প্ৰথাৰ অৱসান ঘটাই ভূমি সংস্কাৰ সাধন কৰা, গ্ৰামাঞ্চলৰ মাটিহীন আৰু দুখীয়া কৃষকসকলৰ মাজত মাটি বিতৰণৰ দাবীত গণ-কৃষক আন্দোলন গঢ়ি তোলাত আমি সমৰ্থ হৈছিলো। এই আন্দোলনৰেই অংশ হিচাপে চাহ বাগানৰ উদ্বৃত্ত মাটি, চিলিঙৰ ওপৰিঞ্চি মাটি, চৰকাৰী খাচ মাটি আৰু ৰিজাৰ্ভ ফৰেষ্টৰ খেতিৰ উপযোগী মাটি মাটিহীন কৃষক আৰু কৃষি শ্ৰমিকসকলৰ দখল কৰাৰ কামত সহায়-সহযোগ আগবঢ়াই এই কামবোৰ সংগঠিতভাৱে সম্পাদন কৰাত আমি সমৰ্থ হৈছিলো।

সেই সময়তে অসমত "কৃষি শ্ৰমিক ইউনিয়ন" গাঁৱৰ মাটিহীন দিন মজুৰি, আধি চুক্তিত খেতি কৰাসকলক সেই সংগঠনত অন্তৰ্ভুক্ত কৰা হৈছিল। অসম কৃষি শ্ৰমিক ইউনিয়নৰ প্ৰথম ৰাজ্যিক সভাপতিৰ দায়িত্ব ময়েই পালন কৰিবলগীয়া হৈছিল। আমি বৰপেটা, গোৱালপাৰা, বঙাইগাঁও, নলবাৰী, ৰঙিয়া, নগাঁও, মৰিগাঁও, গোলাঘাট, তিতাবৰ, শিৱসাগৰ, তিনিচুকীয়া, ধেমাজি, উত্তৰ লক্ষীমপুৰ, গহপুৰ, দৰং আদি জিলা আৰু অঞ্চলত লক্ষ্য লক্ষ্য কৃষক

OKDISCD

আৰু কৃষি শ্ৰমিকৰ দ্বাৰা লাখ লাখ বিঘা মাটি দখলৰ আন্দোলন সংগঠিত কৰিছিলো। এই অঞ্চলবোৰত কৃষক-কৃষি শ্ৰমিকৰ মাটি দখলৰ আন্দোলনত মই নিজে অংশগ্ৰহণ কৰাৰ ৰোমাঞ্চকৰ অভিজ্ঞতাই আজিও মোক সেই অঞ্চলবোৰৰ ৰাইজ, নেতা আৰু কৰ্মীসকলৰ নিৰ্ভীক আৰু আশাশুধীয়া সংগ্ৰামবোৰ জীয়াই থকাৰ প্ৰেৰণা যোগাই আছে। অমৰ হৈ আছে আৰু থাকিব সেই সংগ্ৰামবোৰৰ উজ্জ্বল স্মৃতিবোৰ।

নগাঁও জিলাৰ কাকী ফৰেষ্টৰ মাটিবোৰত চোৰাংকৈ কিছুমান লোকে খেতি কৰি গছ-গছনি কাটি লুটপাত কৰি থকাৰ খবৰ পাই আৰু সেই অপকৰ্মবোৰত ফৰেষ্ট অফিচাৰ কিছুমান লিপ্ত থকা বুলি জানি আমি কেইবাশও দুখীয়া কৃষক আৰু কৃষি শ্ৰমিকক লগত লৈ নিজে তদন্ত কৰিবলৈ গৈছিলো। লগতে এটা হাতী পোৱালীও লৈ গৈছিলো। ফৰেষ্ট গাৰ্ডকেইজনমানে হাতত বন্দুক লৈ আমাক আগভেটি ধৰিছিল। মই বন্দুকধাৰী গাৰ্ডৰ সন্মুখত মাটিত শুই দি ঘোষণা কৰি দিলো যে, আমি সত্যাগ্ৰহ কৰি ফৰেষ্টৰ মাজত পৰি থাকিম যেতিয়ালৈকে আমাক বাধা দিব। মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাই এই খবৰ পাই ৰাতিৰ ভিতৰতে মোৰ নেতৃত্বত মাটি পৰিদৰ্শন কৰিবলৈ যোৱা কৃষক-কৃষি শ্ৰমিকসকলৰ পথ মুকলি কৰি দিলে। আমি এদিন এৰাতি ফৰেষ্টৰ মাটিত শুই থকাৰ পাছত কাকী ফৰেষ্ট পৰিভ্ৰমণ কৰাৰ কথা এতিয়াও মনত সজীৱ হৈ আছে। কেইমাহমানৰ পাছত খেতি উপযোগী মুকলি মাটিবোৰ আমি দখল কৰিছিলো। শেষত চৰকাৰে এহেজাৰ পৰিয়াল মাটিহীন কৃষকক টঙীয়া ভিলেজৰ হিচাপে মাটিৰ পট্টন দিবলৈ বাধ্য হৈছিল।

শ্ৰীশৰৎচন্দ্ৰ সিংহ মুখ্যমন্ত্ৰী হোৱাৰ পিছত কৃষিপাম নিগম আমি দখল কৰি পট্টা দিয়া মাটিবোৰত দুখীয়া খেতিয়ক আৰু কৃষি শ্ৰমিকসকলে গাইগুটীয়াকৈ জংঘল ভাঙি খেতি কৰি খাবলৈ যি এবছৰ-দুবছৰ ৰ'ব লাগে সেই সময়ত তেওঁলোক মহাজনৰ ধাৰত পৰি মাটিৰ দখল বিক্ৰী কৰি আকৌ মাটিহীন দৰিদ্ৰ হৈ পৰা দেখি আমি শৰৎচন্দ্ৰ সিংহ চৰকাৰৰ লগত দুখীয়া খেতিয়কসকলক মাটি ভগাই দি সমবায় কৃষি ফাৰ্মত অন্তৰ্ভূক্ত কৰাৰ নীতি গ্ৰহণ কৰা হয়। তাকেই কৃষিপাম নিগম নামেৰে জনাজাত হৈছিল। কৃষিপাম নিগমৰ লক্ষ্য আছিল মাটি পোৱা কৃষকসকলক বীজ, সাৰ আদি যোগান ধৰি পাৰিলে মাটি চহ কৰিবলৈ ট্ৰেক্টৰৰ সহায় আগবঢ়াই আৰু জলসিঞ্চনৰ ব্যৱস্থা কৰি দিয়া। লগে লগে মাটিৰ পট্টন দিয়া দুখীয়া কৃষকসকলক মাটি মহাজনৰ ওচৰত বিক্ৰী কৰিবলৈ নিদি নিগমকে সেই মাটি সমৰ্পণ কৰাৰ ব্যৱস্থা কৰা হয় যাতে সমৰ্পণকাৰীজনে সেই নিগমত যোগদান কৰিবলৈ সুবিধা পায়। বহুকেইখন কৃষিপাম নিগম অসমত গঠন কৰা হৈছিল। তাৰ ভিতৰত প্ৰয়াত বিষ্ণু বৰাৰ নেতৃত্বত পৰিচালিত পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ নাম উল্লেখযোগ্য। তাৰেই ৰূপালী জয়ন্তী উৎসৱ এই বছৰ কৰা হৈছে।

**অসমত কৃষিৰ ভৱিষ্যৎ**

সকলো কৃষিপাম নিগম জীয়াই নাথাকিল। কাৰণ নিগমবোৰ পৰিচালনা কৰাত (১) কিছুমান কৃষি পামত সমবায় পদ্ধতি গ্ৰহণ কৰাৰ বিষয়ত সচেতন কৰ্মীবাহিনীৰ প্ৰয়োজন, কিন্তু তেনে শিক্ষাৰ ব্যাপক প্ৰচাৰৰ অভাৱ, (২) চৰকাৰৰ তৰফৰ পৰা সময় মতে দীৰ্ঘম্যাদী সা-সৰঞ্জাম সৰবৰাহ, উন্নত শস্যৰ বিধান যোগান ধৰাত ব্যৰ্থ হোৱা, (৩) জলসিঞ্চনৰ স্থায়ী ব্যৱস্থাৰ অভাৱ, (৪) ট্ৰেক্টৰৰ দ্বাৰা মাটি চহ কৰি নিদিয়া, (৫) কৃষি উৎপাদন নোহোৱা পৰ্যন্ত কৃষকক দীৰ্ঘম্যাদী কৃষি ঋণৰ যোগান ধৰাৰ অপৰিহাৰ্যতাত ব্যৰ্থতা আদি।

আজি অসমত বাকী থকা ভূমি সংস্কাৰৰ কাম সম্পূৰ্ণ কৰি এফালে মাটিহীনক মাটি দি আনফালে প্ৰত্যেক পৰিয়ালক একোটা গোট হিচাপে সংগঠিত কৰি উপৰোক্ত ব্যৱস্থাসমূহ হাতত লৈ কৃষক, কৃষি শ্ৰমিক আৰু চৰকাৰ লগ লাগি প্ৰতিজন কৃষকৰ কৃষি উৎপাদন বৃদ্ধি এফালে খাদ্যত অসমখনক স্ব-নিৰ্ভৰশীল কৰিব পৰাই নহয় কৃষিভিত্তিক শিল্প নিগম সৃষ্টি কৰিলে কৃষককেই তাৰ কাৰণে কেঁচামাল যোগান ধৰিব পাৰিব আৰু অসমক সমৃদ্ধিশালী কৰাত ৰাজ্যৰ শতকৰা আশী ভাগ কৃষকে উপযুক্ত ভূমিকা পালনৰ গৌৰৱৰ অধিকাৰী হ'ব পাৰে।

মোৰ সুদীৰ্ঘ ৭৫ বছৰীয়া ৰাজনৈতিক জীৱনত পৃথিৱীৰ বিভিন্ন দেশলৈ গৈ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটীৰ প্ৰতিনিধি হিচাপে সভা-সমিতিত বক্তৃতা দিয়া, ভ্ৰমণ কৰা আৰু স্বাস্থ্য উদ্ধাৰ কৰাৰ বহুতো সুবিধা পাইছিলো। বিশ্ব শান্তি সংসদৰ ভাৰতীয় শাখাৰ হৈ বিশ্ব শান্তি সন্মিলন, সাম্ৰাজ্যবাদ বিৰোধী আন্তৰ্জাতিক সন্মিলন আদিতো মই ভাৰতক প্ৰতিনিধিত্ব কৰাৰ দায়িত্ব পালন কৰি নানান অভিজ্ঞতা অৰ্জন কৰাৰ সুযোগ পাইছিলো। এচিয়া মহাদেশৰ প্ৰায় সকলো দেশ আৰু ইউৰোপ মহাদেশৰ প্ৰায়বোৰ দেশলৈকে আৰু বিশেষকৈ ছোভিয়েট ইউনিয়নৰ প্ৰায়বোৰ ৰাজ্যিক প্ৰজাতন্ত্ৰত ভ্ৰমণ কৰি নানান অভিজ্ঞতা লাভ কৰিবলৈ সুযোগ পাইছিলো।

১৯৩২ চনৰ পৰাই আৰম্ভ হোৱা মোৰ সক্ৰিয় ৰাজনৈতিক জীৱনত স্বাধীনতা সংগ্ৰাম, ছাত্ৰ সংগঠন, কৃষক-কৃষি শ্ৰমিকৰ সংগঠন, শ্ৰমিক আৰু ইউনিয়ন সংগঠনৰ উপৰিও বিশ্ব শান্তি আন্দোলন, সাম্ৰাজ্যবাদ বিৰোধী আন্দোলন তথা সমাজতন্ত্ৰৰ হকে চলোৱা সংগ্ৰামত সকলো সময়তে বিভিন্নভাৱে জড়িত হৈ আহিছো। অসম বিধান সভালৈ নগাঁও সমষ্টিৰ পৰা দুবাৰকৈ ৰাইজে তেওঁলাকৰ প্ৰতিনিধি নিৰ্বাচিত কৰিছিল।

মই ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ দ্বাৰা প্ৰকাশিত পত্ৰ-পত্ৰিকা, জাতীয় তথা ৰাজ্যিক পৰ্যায়ৰ সংবাদ-পত্ৰত বিভিন্ন সময়ত বহুতো প্ৰবন্ধ-পাতি লিখি মোৰ ৰাজনৈতিক, সামাজিক অভিজ্ঞতা, চিন্তা আৰু দৰ্শন ব্যক্ত কৰাৰ প্ৰয়াস কৰি আহিছো। আজি ৭৫ বছৰীয়া বয়সতো কৃষক-শ্ৰমিক, মেহনতী জনগণ তথা মধ্যবিত্ত শ্ৰেণীৰ মুক্তিৰ কাৰণে সমাজতন্ত্ৰৰ বিপ্লৱী আদৰ্শই মোক প্ৰেৰণা যোগাই আছে। ◉



OKDISCD

# সমাজকৰ্মী স্বৰ্গীয় পূৰ্ণানন্দ দত্তদেৱৰ সোঁৱৰণত

স্বপ্না বৰা শইকীয়া

কোনো এজন ব্যক্তিৰ জীৱনী লিখিবলৈ হ'লে তেখেতক ওচৰৰ পৰা পৰ্যবেক্ষণ কৰিব লাগিব। আঁতৰৰ পৰা ব্যক্তিজনৰ কৰ্মৰাজিত প্ৰতিফলিত হোৱা প্ৰতিটো দিশৰ প্ৰকৃত মূল্যায়ন কৰিব পৰা নাযায়। এই সৰু প্ৰবন্ধটোৰ দ্বাৰাই তেখেতৰ সামাজিক জীৱনৰ ওপৰতহে আলোকপাত কৰিবলৈ বিচৰা হৈছে।

সমাজৰ উন্নতিৰ কাৰণে যিজন ব্যক্তিয়ে আজীৱন চেষ্টা কৰি আহিছিল সেইজনেই হ'ল স্বৰ্গীয় পূৰ্ণানন্দ দত্ত। তেখেতৰ জন্ম হয় ১৯১২ চনৰ ৫ মাৰ্চ তাৰিখে লক্ষীমপুৰ জিলাৰ ধলপুৰৰ হিচিংগলীয়া গাঁৱৰ এটি সাধাৰণ কৃষক পৰিয়ালত। শিক্ষাৰ কোনো পৰিবেশ নথকা ধলপুৰ অঞ্চলতে প্ৰাথমিক শিক্ষা আৰম্ভ কৰি পিছত কিছুদিন লক্ষীমপুৰৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ত অধ্যয়ন কৰিছিল। আৰ্থিক অনাটনত জুৰুলা দত্তদেৱে সিমানতে পঢ়া-শুনা এৰি আহিবলগা হ'ল। তেখেতে কিন্তু হতাশ নহৈ খেতি পথাৰত মনোনিবেশ কৰিলে। সাংসাৰিক জীৱনৰ কামকাজৰ মাজতে তেখেতে ১৯৩২ চনত কংগ্ৰেছ আৰু মহাত্মা গান্ধীৰ গঠনমূলক কামৰ প্ৰতি আকৰ্ষিত হৈ সংগঠনৰ কৰ্মীৰূপে আত্মনিয়োগ কৰে। মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা সত্যাগ্ৰহ আন্দোলনত সহযোগ কৰি এবছৰৰ বাবে সশ্ৰম কাৰাদণ্ড ভোগ কৰিবলগা হয়। ১৯৪২ চনত ভাৰত ত্যাগ আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰি পুলিচৰ দ্বাৰা গ্ৰেপ্তাৰ হৈ ডেৰ বছৰ আটকবন্দী হিচাপে থাকিবলগা হয়। কাৰাগাৰত থকা সময়ছোৱাত তেখেতে অসমৰ বিভিন্ন বৰেণ্য নেতা আৰু সমাজকৰ্মীৰ সান্নিধ্যলৈ আহে আৰু তেখেতসকলৰ আদৰ্শবাদী মনোভাৱৰ দ্বাৰা আকৃষ্ট হয়। লক্ষীমপুৰ, যোৰহাট, তেজপুৰ আৰু গুৱাহাটীৰ জেলত থাকোতে তেখেতে স্বৰ্গীয় বিজয়চন্দ্ৰ ভাগৱতী, মহেন্দ্ৰমোহন চৌধুৰী, ফকৰুদ্দিন আলী আহমেদ, বিমলাপ্ৰসাদ চলিহা, যোগেন শইকীয়া আদি বৰেণ্য ব্যক্তিসকলক লগ পায় তেখেতসকলৰ কৰ্ম প্ৰেৰণাই বেছিকৈ উৎসাহিত কৰিলে।

স্বৰ্গীয় পূৰ্ণানন্দ দত্তদেৱে ১৯৪৪ চনত কাৰাবৰণ খাটি ওলাই অহাৰ পাছত সমাজ গঠনৰ কামত আত্মনিয়োগ কৰে। ১৯৪৮ চনত পঞ্চায়তী আইনমতে গঠিত হোৱা ধলপুৰ ৰুৰেল পঞ্চায়তৰ সভাপতি নিৰ্বাচিত হয়। ১৯৫৯ চনৰ সংশোধিত পঞ্চায়ত আইনমতে গঠিত হোৱা নাৰায়ণপুৰ আঞ্চলিক পঞ্চায়তৰ দ্বিতীয়বাৰৰ বাবে তেখেত নিৰ্বাচিত হয়। ১৯৬৯ চনত উত্তৰ লক্ষীমপুৰ মহকুমা পৰিষদৰ সভাপতি নিৰ্বাচিত হয়। ১৯৭২ চনত স্বৰ্গীয় দত্তদেৱে অসম বিধানসভাৰ নিৰ্বাচনত বিহপুৰীয়া সমষ্টিত খুউব কমসংখ্যক ভোটৰ ব্যৱধানত পৰাজয়বৰণ কৰিবলগা হয়।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত ধলপুৰ অঞ্চলত তেখেতে স্বাস্থ্য, শিক্ষা, ৰাস্তা-পদূলি আদিৰ উন্নয়নৰ ক্ষেত্ৰত যিখিনি বৰঙণি আগবঢ়াইছিল- সেই কথা সকলোৱে স্বীকাৰ কৰিব লাগিব। সমবায় ভিত্তিত ব্যৱসায় কৰাৰ-চৰকাৰী প্ৰচেষ্টাৰ লগত নিবিড়ভাবে সহযোগ কৰাৰ উপৰিও ১৯৫১ চনত শিমলুগুৰি অঞ্চলত যি চৰকাৰী প্ৰচেষ্টা চলাইছিল সেই প্ৰচেষ্টা প্ৰায় কুৰি বছৰমানৰ পাছতহে চৰকাৰী আঁচনিৰ অন্তৰ্ভুক্ত হৈছিল। ১৯৭৩ চনত অৰ্থাৎ তেতিয়াৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত শৰৎচন্দ্ৰ সিংহৰ নেতৃত্বত অসম চৰকাৰে দুখীয়া লোকক মাটি দিয়াৰ এখন আঁচনি গ্ৰহণ কৰিছিল (The Assam Agricultural Farming Corporation Act 1973) সেই আঁচনিখনক বাস্তৱত ৰূপ দিবলৈ সমাজকৰ্মী স্বৰ্গীয় বিষ্ণু বৰাদেৱৰ প্ৰচেষ্টাত গহপুৰ বনাঞ্চলত মাটি দখল আন্দোলনৰ সূত্ৰপাত হয়। আৰু এই আন্দোলনৰ প্ৰথম কাৰ্যসূচী আছিল বিহপুৰীয়া ৰাজহ চাৰ্কোলত সত্যাগ্ৰহ কৰা। সেই সত্যাগ্ৰহ আন্দোলনত প্ৰায় ৩০০ জন মানুহৰ লগতে স্বৰ্গীয় দত্তদেৱেও কাৰাবৰণ খাটিবলগীয়া হৈছিল। স্বৰ্গীয় দত্তদেৱ ৰাজনৈতিক জীৱনত প্ৰখৰ বুদ্ধিসম্পন্ন আৰু সু-কৌশলী লোক আছিল বুলি জনা যায়। তেখেতৰ উৎসাহ-উদ্দীপনা আৰু বুদ্ধি-পৰামৰ্শৰে সমাজকৰ্মী স্বৰ্গীয় বিষ্ণু বৰাদেৱক পূৰ্বজ্যোতি নিগম প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অসাধাৰণ দক্ষতাৰে কংগ্ৰেছত যোগদান কৰাই ভূমিহীন লোকক মাটি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিলে। তেখেতক সদৌ নিগমবাসীয়ে নিগম প্ৰতিষ্ঠা ২৫ বছৰ পূৰ্ণ হোৱাৰ উপলক্ষে ৰূপালী জয়ন্তী বৰ্ষত শ্ৰদ্ধাৰে সোঁৱৰিছোহঁক। উচ্চ শিক্ষিত নোহোৱাকৈয়ে এইগৰাকী ব্যক্তিয়ে ধলপুৰ, শিমলুগুৰি, ৰঙতি আদিত হাইস্কুল প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ওতঃপোতভাৱে জড়িত আছিল। বিশেষকৈ তেখেতে নাৰায়ণপুৰৰ মাধৱদেৱ মহাবিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপক হিচাপে আত্মনিয়োগ কৰি মহাবিদ্যালয়খনি ক্ৰমান্বয়ে উন্নতিৰ পথত আগবঢ়াই নিছিল। লগতে তেখেতে ধলপুৰ আৰু শিমলুগুৰি আদিত চিকিৎসালয় স্থাপন কৰি স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত উল্লেখনীয় বৰঙণি আগবঢ়াইছিল।

১৯৮৮ চনৰ ১৪ জুলাইৰ দিনা এইজনা সমাজকৰ্মীৰ ৭৭ বছৰ বয়সত পৰলোকপ্ৰাপ্তি ঘটে। আজীৱন সমাজৰ উন্নতিৰ নিমিত্তে নিজকে উৎসৰ্গা কৰা এই ব্যক্তিজনৰ আদৰ্শ আৰু কৰ্মৰাজিয়েই হওক উত্তৰপুৰুষ চামৰ বাবে অনুপ্ৰেৰণাৰ উৎস।

OKDISCD

# ইতিহাসে ৰিঙিয়াই

অনিমা কাকতি

পূর্ব্বজ্যোতি কৃষিপাম নিগম। "অসম কৃষিপাম নিগম আইন, ১৯৭৩" চনৰ যোগেদি অসমত যি এঘাৰখন কৃষিপামক চৰকাৰে স্বীকৃতি প্ৰদান কৰিছিল, সেইসমূহৰ ভিতৰত পূৰ্ব্বজ্যোতি কৃষিপাম নিগম সৰ্ববৃহৎ আৰু সৰ্বপ্ৰথম। ১৯৭৩ চনৰ ১৭ জানুৱাৰী তাৰিখে লক্ষীমপুৰ জিলাৰ অগণন কৃষি-শ্ৰমিক একত্ৰিত হৈ শিমলুগুৰিৰ ঔগুৰিত প্ৰথম কৃষিপামৰ পাতনি মেলিছিল বাবেই পঁচিশ বছৰৰ মূৰত এই ১৭ জানুৱাৰী তাৰিখটোকে প্ৰতিষ্ঠা দিৱস হিচাপে বিবেচনা কৰি উদ্‌যাপন কৰিবলৈ ওলোৱা হৈছে ৰূপালী জয়ন্তী সমাৰোহ। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ৩৮০ টি অংশীদাৰীভুক্ত পৰিয়াল আৰু ৪০০-তকৈও অধিক অতিৰিক্ত পৰিয়ালক লৈ গঠিত পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ সৰ্বমুঠ ভূমিৰ পৰিমাণ ৫০০০ (পাঁচ হাজাৰ) বিঘা। আধুনিক প্ৰযুক্তি বিদ্যাৰ সফল প্ৰয়োগেৰে চৰকাৰী কৃষিভিত্তিক আঁচনিসমূহ বাস্তৱায়িত আৰু ফলপ্ৰসু কৰি তুলি দুখীয়া কৃষি-শ্ৰমিকসকলৰ ন্যায্য অধিকাৰ ৰক্ষা আৰু খেতিৰ মাটি পূৰ্ণ ব্যৱহাৰ কৰাৰ সংকল্প আগত ৰাখি গঠন কৰা পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ আঁচনি বিফলতাৰ এনে নিদাৰুণ কাহিনী ঘুটিবলৈ প্ৰয়াস নকৰি এই অঞ্চলটিৰ ঐতিহাসিক কিছু কথা চলতে কৈ থ'ব খুজিছো মাথোন।

গহপুৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত পূৰ্ব্বজ্যোতি কৃষিপাম নিগম সমগ্ৰ ছয়দুৱাৰ অঞ্চলৰ ভিতৰতে ঐক্যবদ্ধ প্ৰচেষ্টাৰে সামূহিক আৰু ব্যক্তিগত স্বাৰ্থ পূৰণৰ সংকল্পৰে চৰকাৰ আৰু জনসাধাৰণৰ যুটীয়া প্ৰচেষ্টাত সংগঠিত এটা বিস্তৃত অঞ্চল। সম্ভৱতঃ আহোম স্বৰ্গদেউ খোৱা ৰজাৰ দিনতে বুৰৈ নদীৰ পৰা পূবে পিছলা নদীলৈকে এই সমগ্ৰ অঞ্চলটি ছয়দুৱাৰ নামে প্ৰখ্যাত হৈছিল। অসমৰ উত্তৰ দিশত থকা হিমালয়ৰ পাদদেশ অঞ্চলত অৱস্থিত ভোট, অকা, ডফলা আদি পাহাৰবোৰৰ পৰা পাহাৰীয়া জনজাতিসকল সঘনাই প্ৰৱেশ কৰিছিল অসমৰ ভিতৰৰ তেওঁলোকৰ সীমামূৰীয়া ঠাইবিলাকত। কেতিয়াবা বেপাৰ-বাণিজ্যৰ সূত্ৰে, কেতিয়াবা ধন-সম্পদ লুটপাত কৰাৰ উদ্দেশ্যে তেওঁলোকে পাহাৰৰ ঠেক ৰাস্তাইদি অৰ্থাৎ গিৰিপথসমূহেদি এই সমগ্ৰ অঞ্চলটোত প্ৰৱেশ কৰিছিল। তেতিয়াৰ উত্তৰ-পূব সীমান্ত বুলি স্বীকৃত অঞ্চলটোৰ পৰা সমগ্ৰ গহপুৰ অঞ্চলটোলৈ অহা-যোৱা কৰিবৰ বাবে ছয় টা গিৰিপথ বা বাট আছিল। এই ছয়টি পথ বা দুৱাৰ থকাৰ বাবেই এই অঞ্চলটিক নামাকৰণ কৰা হৈছিল ছয়দুৱাৰ নামেৰে। এই ছয়খন দ্বাৰৰ ভিতৰত এখন দ্বাৰ আছিল বৰ্তমানৰ পূৰ্ব্বজ্যোতি কৃষিপামৰ প্ৰায় গোনে গোনে উত্তৰত। নিগম প্ৰতিষ্ঠাৰ প্ৰাক্‌ কালত এই বিস্তৃত অঞ্চলটি গহপুৰ বনাঞ্চল হিচাপে সংৰক্ষিত হৈছিল। এই গহপুৰ বনাঞ্চলৰ অন্তৰ্গত পূৰ্ব্বজ্যোতি কৃষিপাম নিগম প্ৰতিষ্ঠা কৰা এই অঞ্চলটি সেই সময়ত ডুবিয়াৰ ভিতৰতে আছিল। সেয়ে এই অঞ্চলৰ ইতিবৃত্তৰ কথা ক'বলৈ গ'লে সমগ্ৰ ডুবিয়া অঞ্চলটিৰ ইতিবৃত্তৰ কথা ক'ব লাগিব। এই সুবিস্তৃত অঞ্চলটিৰ ঐতিহাসিক দিশৰ সম্যক জ্ঞান অৰ্জন কৰিবৰ জোখাৰে উপযুক্ত সম্বলৰ আকৌ অভাৱ। সেই হেতু অঞ্চলটিত থকা সচেতন বয়সস্থ লোকৰ মুখেৰে প্ৰকাশ পোৱা কাহিনী, কেইখনমান বুৰঞ্জীৰ পুথি, কিম্বদন্তী বা জনশ্ৰুতি, চৰিত পুথি, ধ্বংসাৱশেষ— আদিৰ ওপৰতে এইক্ষেত্ৰত নিৰ্ভৰ কৰিব লাগিব।

পূৰ্ব্বজ্যোতি কৃষিপাম নিগম প্ৰতিষ্ঠাৰ সময়ত এই সমগ্ৰ অঞ্চলটি ডুবিয়া নামেৰে জনা হৈছিল। পূৰ্ব্বজ্যোতি নামটো এই অঞ্চলত অৰ্বাচীন। এই ডুবিয়াৰ আয়তনৰ বিস্তৃতিলৈ লক্ষ্য কৰি এটা কথা থিৰাং কৰিব পাৰি যে ইয়াৰ (ডুবিয়াৰ) উৎপত্তিৰ লগত নিশ্চয় ঐতিহাসিক ঘটনা জড়িত হৈ আছে। বৰ্তমানৰ ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা উত্তৰলৈ পাঁচ মাইল পৰ্যন্ত বিস্তৃতি লক্ষ্য কৰিবলগীয়া। ইয়াৰ উত্তৰে ৰাজগড় আলি, পূবে চেংমৰা, নদী পশ্চিমে খাৰনিজান আৰু দক্ষিণে চেংমৰা নদী— এই পৰিসীমাৰে স্বীকৃত ডুবিয়া অঞ্চলটি। উত্তৰৰ ৰাজগড় আলি নাইবা গোহাঁইকমল আলিলৈকে এই অঞ্চলটিৰ বিস্তৃত অনুমান কৰিলেও পাহাৰৰ দাঁতি কাষৰীয়া এই ঠাইডোখৰ এসময়ত যে গছ-গছনি আৰু বন্য জীৱ-জন্তুৰ আবাসস্থল আছিল সেই কথা নুই কৰিব নোৱাৰি।

"ডুবিয়া" নামটিৰ উৎপত্তিলৈ বহুতো কিম্বদন্তী শুনা যায়। কেইখনমান বুৰঞ্জী পুথি আৰু ধ্বংসাৱশেষসমূহৰ পৰা এইটো জনা গৈছে যে, ৰামচন্দ্ৰ বা মায়ামত্ত নামৰ এজন ৰজাৰ এগৰাকী অতি ৰূপৱতী কন্যা আছিল; নাম দিব্যা কুঁৱৰী। এই দিব্যা কুঁৱৰীৰ ৰাজহাউলী আচিল অৰুণাচল প্ৰদেশৰ সীমাত থকা গোঁহাইকমল আলিৰ কাষত (যাক বৰ্তমান কুঁৱৰীগড় বোলা হয়)। ৰজাৰ এই কুঁৱৰী থকা অঞ্চলটোৰ চাৰিও দিশত সুন্দৰকৈ ৰজাই কিছুমান গড় বন্ধাইছিল আৰু এনেকৈয়ে ৰাজহাউলী সুৰক্ষিত কৰিছিল। সেইবাবেই এই সমগ্ৰ অঞ্চলটি কিম্বদন্তীত 'কুঁৱৰীগড়' নামেৰে জনা যায়। উল্লেখযোগ্য যে পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ নিৰ্দেশত কোচবিহাৰৰ পৰা নাৰায়ণপুৰলৈ অসম-অৰুণাচল প্ৰদেশৰ সীমাত নিৰ্মাণ কৰা যিটো সীমা আলি আজিও আছে, তাৰ নামো গড় বোলা হৈছিল আৰু সমগ্ৰ অঞ্চলটো ৰাজগড় নামেৰে জনা যায়। কালৰ কুটিল গতিত ৰাজকন্যা দিব্যালৈ নামি আহিল ক'লা ডাৱৰ। আৰিমত্ত নামৰ এজন ৰাজকুমাৰে ৰাজ্য লাভৰ আশাত দক্ষিণ দিশৰ পৰা দিব্যা নগৰীৰ ধ্বংসলীলা আৰম্ভ কৰিলে। ফলত দিব্যা কুঁৱৰী আৰিমত্তৰ সেনাৰ হাতত ধৰা পৰিল।

OKDISCD

কিন্তু সেই সেনাকো ৰাজকন্যা দিব্যাই ফাকি দি পলাই পশ্চিমলৈ যাওঁতে এখন নৈৰ কাষত পুনৰ ধৰা পৰিল। দিব্যাই আৰিমত্তৰ সেনাৰ হাতৰ পৰা উদ্ধাৰ পাবলৈ সেই নদীতে জাপ দি মৃত্যুবৰণ কৰিলে। সেয়ে এই নদীৰ নাম হ'ল দিব্যা। পিছত মানুহৰ মুখ বাগৰি আহি আহি এই নদীৰ নাম হ'ল ডুবিয়া<ডুবা<ডুবইয়া<দুব্যা<দিব্যা। এই সমগ্ৰ অঞ্চলটি তেতিয়া দিব্যা কুঁৱৰী নামেৰে জনা গৈছিল। অন্যহাতেদি দিব্যা নগৰীত আহল-বহল পুখুৰী চাই আৰিমত্তৰ সেনাই মানুহবোৰ কাটি পেলাই দিছিল। এই পুখুৰীৰ পানী তেতিয়া ৰঙা হৈ পৰিছিল। তেতিয়াৰ পৰা এই পুখুৰীৰ নাম হ'ল ৰঙতি পুখুৰী। উল্লেখযোগ্য যে, ৰঙতি পুখুৰীৰ নামটো লৈ বেলেগ বেলেগ কাহিনী শুনা যায়। কোনোৱে কয় যে, এই পুখুৰীৰ পানী ৰঙা আছিল। সেইবাবে হ'ল ৰঙতি পুখুৰী। সময় বাগৰি গ'ল। নিষ্ঠুৰ ইতিহাসে সমগ্ৰ অঞ্চলটোৰ ভৌগলিক সীমাৰেখা ছিন্ন-ভিন্ন কৰি পেলালে। দিব্যা কুঁৱৰীৰ নগৰৰ নামটো মানুহৰ মুখ বাগৰি আহি ডুবিয়া নামেৰে পৰিচিত হ'ল। বৰ্তমানৰ নিগম আৰু বড়ো গাঁৱৰ মাজেৰে বৈ যোৱা এই ডুবিয়া নদীক সকলোৱেই জানে। প্ৰবাদ আছে যে, আৰিমত্ত ৰজাই মায়ামত্তক হত্যা কৰাত (উল্লেখযোগ্য যে আৰিমত্তৰ দেউতাক আছিল মায়ামত্ত) পাপ মোচনৰ বাবে আৰিমত্তই এটা ৰাতিৰ ভিতৰতে পুখুৰী খান্দি পানী উলিয়াবৰ বাবে বিধান দিয়ে। আৰিমত্তই পাপ মোচনৰ বাবে ৰাতিৰ ভিতৰতে বিভিন্ন ঠাইত পুখুৰী খন্দাইছিল যদিও কোনো পুখুৰীত পানী উলিয়াব নোৱাৰিলে। আৰিমত্ত ৰজাৰ শাসনৰ অধীনত থকা বুলি বুৰঞ্জীয়ে কোৱা এই সুবিস্তৃত সমগ্ৰ অঞ্চলটিত সুবৃহৎ পুখুৰী কিছুমান আজিও সাক্ষী হৈ আছে। পুৰণি বয়োবৃদ্ধ পুৰুষ-মহিলাৰ মুখেৰে শুনিলে যিকোনো লোকৰে গা-মন ৰাইজাই নকৰাকৈ নাথাকে যে পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ পশ্চিম শাৰীতেই অৱস্থিত ইতিহাস প্ৰসিদ্ধ ৰঙতি পুখুৰী আৰু পুব শাৰীৰ ধলা পুখুৰী নামৰ সুবৃহৎ দুটি পুখুৰী আৰু পুখুৰীৰ পাৰতেই তাহানি ৰঙালি বিহুৰ উখল-মাখল পৰিবেশত হাজাৰ-বিজাৰ দৰ্শক-শ্ৰোতাৰ উপস্থিতিত ঢোলৰ বুলনি চেৱত ডেকা-গাভৰুৰ নাচোনত গা সাতখন-আঠখন কৰিছিল। ইয়াৰ দুয়োটা পুখুৰীৰ পাৰতেই বহিছিল একোখন হাট বা বজাৰ, যি ঠাই বেচা-কিনাৰ সুন্দৰ কেন্দ্ৰস্থল হিচাপে পৰিগণিত হৈছিল। নিগম এলেকাৰ পশ্চিম শাৰীত অৱস্থিত এই সুপ্ৰসিদ্ধ ৰঙতি পুখুৰী আৰু এই প্ৰবন্ধ লেখিকাৰ ন বিঘা মাটিৰ ভিতৰতে অৱস্থিত ধলা পুখুৰী (এই পুখুৰীৰ পাৰত থকা বজাৰখন ঝলাহাট বজাৰ নামে প্ৰখ্যাত)। এই পুখুৰীৰ পাৰত যে বেচা-কিনাৰ সুবৃহৎ বজাৰ বহিছিল, পুখুৰীৰ পাৰবিলাক খান্দোতে প্ৰকাণ্ড প্ৰকাণ্ড কলহ, নদিয়া, মলাচৰু, কাহ-পিতলৰ বুজন সংখ্যক বাচন-বৰ্তন আৰু অন্যান্য ভগ্নাৱশেষ কিছুমানে প্ৰমাণ দাঙি ধৰে।

'ডুবিয়া' নামটিৰ উৎপত্তি সম্বন্ধে আৰু কাহিনী পোৱা যায়। আৰিমত্তৰ পিতৃ ৰামচন্দ্ৰই এই ঠাইত ৰাজ্য পাতিছিল (বৰ্তমানৰ পূৰ্ব্বজ্যোতি কৃষিপাম নিগম)। পূৰ্বতে উল্লেখ কৰি অহা ছয়দুৱাৰৰ ছয়খন দুৱাৰ বা দ্বাৰৰ এখন দ্বাৰ ডুবিয়া অঞ্চলৰ (বৰ্তমান পুৰণি নিগম) ভিতৰতে পৰে। এই দুৱাৰেদি পাহাৰৰ পৰা ডফলাসকল নামি আহে আৰু ৰামচন্দ্ৰৰ ৰাজ্য আক্ৰমন কৰে। ৰজা ৰামচন্দ্ৰই বৰ্তমান পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ কুঁৱৰীগড় নামৰ ঠাইত গড় বান্ধি ৰাজ্য শাসন কৰিছিল আৰু নিজৰ কন্যা দিব্যাক সেই গড়ৰ ভিতৰত ৰাজ আড়ম্বৰেৰে সুৰক্ষিত কৰি ৰাখিছিল। তেনে সময়তে ডফলাসকলে ধ্বংসলীলা আৰম্ভ কৰিলে আৰু ৰাজকুঁমাৰী দিব্যাক গড়ৰ ভিতৰৰ পৰা উলিয়াই ধৰি লৈ যায়। ডফলাসকলৰ দলপতিজনৰ নাম আছিল চেংগাম। দিব্যা কুঁৱৰীক ধৰি নিয়া দলটিক পিছে পিছে খেদি নি ৰামচন্দ্ৰৰ সৈন্যই কন্যাক পুনৰ হাত কৰিলেগৈ। লগে লগে চেংগাম ডফলাক ওচৰতে থকা নদীয়েদি টানি চোচৰাই আনি কাটি-মাৰি নদীত উটুৱাই দিয়ে। সেয়ে সেই নদীৰ নাম সিদিনাৰ পৰা হ'ল চেংমৰা নদী আৰু দিব্যা কুঁৱৰীৰ পৰাই কুঁৱৰীগড়ৰ কাষেদি বৈ যোৱা নদীখনৰ নাম ডুবিয়া হোৱাৰ দৰেই অঞ্চলটোৰ নামো ডুবিয়া হ'লগৈ। ডফলাই এই অঞ্চলটো অতীজৰ পৰাই আক্ৰমণ কৰি অহাৰ কাহিনীৰ সত্যতা নুই কৰিব পৰা নাযায়। কিয়নো, উত্তৰে অৱস্থিত পাহাৰৰ পৰা ভৈয়ামলৈ ডফলাসকল নামি আহি ডুবিয়া অঞ্চলৰ অধিবাসীসকলক আক্ৰমণ কৰা আৰু যুঁজ-বাগৰ কৰাৰ কাহিনী মুখে মুখে শুনা যায়। পৃথুৰাম গগৈৰ পিতৃ হলিৰাম ভকতক (ডুবিয়াৰ) ডফলাই আক্ৰমণ কৰি কাটি-মাৰি পেলাই থৈ যোৱাৰ মৰ্মান্তিক ঘটনাই ইয়াৰ প্ৰমাণ দাঙি ধৰে।

একালত যে এই অঞ্চলত আৰিমত্ত ৰজাৰ বংশধৰসকলে সুখ্যাতিৰে ৰাজত্ব কৰিছিল সেই কথা বুৰঞ্জীয়ে স্বীকাৰ কৰে। মানৰ আক্ৰমণ, ডফলাৰ সঘন আক্ৰমণ আৰু লুটপাত, বানপানীৰ অবৰ্ণনীয় ধ্বংসলীলা, হাইজা, মেলেৰীয়া, বৰআই আদি মহামাৰীৰ কৱলত পৰি এই অঞ্চলৰ বাসিন্দাসকল যেনি-তেনি নিৰাপদ ঠাই বিচাৰি ছেদেলি-ভেদেলি হৈ পৰিছিল। মানে অসম আক্ৰমণ কৰাৰ সুযোগ লৈ ডফলাসকলেও একে সময়তে এই ঠাইত প্ৰবল আক্ৰমণ চলায়। মানৰ আক্ৰমণৰ সময়তে ধ্বংসস্তূপত পৰিণত হোৱা কিছুমান ঠাইৰ নাম এই অঞ্চলত পোৱা যায়। এই ঠাইসমূহ হৈছে, আমৰগুৰি, ৰবৰগুৰি, মটক পথাৰ, ডফলা পথাৰ, কুঁৱৰীগড় ইত্যাদি। ঠাইৰ নামৰ উপৰিও দা-ধৰোৱা শিল, যোৰ-ঢাপৰ বাৰী, আলি-পুখুৰী, তেলপেৰা বহনা আদি উদ্ধাৰ হোৱালৈ চাই গাঁও এৰি মানুহ পলাই যোৱাৰ সত্যতা প্ৰমাণ হয়। পূৰ্ব্বজ্যোতি কৃষিপামৰে কেইবা ঠাইত ওলোৱা বিভিন্ন শিলত কটা মূৰ্তিয়ে শিল্প-কলা, ভাস্কৰ্য বিদ্যা আদি বিদ্যাৰে সুসভ্য জাতিৰ লোকে পূৰ্বতে এই ঠাইত বসতি স্থাপনৰ কথাকে সোঁৱৰাই দিয়ে। সম্ভৱতঃ উত্তৰৰ পৰ্বত-পাহাৰৰ জনজাতিসকলৰ

OKDISCD

প্ৰবল আৰু অবিৰত আক্ৰমণ প্ৰতিহত কৰিবলৈ শক্তি-সামৰ্থ নথকাত অঞ্চলটোৰ মানুহখিনি ভাগ ভাগ হৈ ধুবুৰী, শিৱসাগৰ, ডিব্ৰুগড়ৰ ফালে ৰজাৰ আশ্ৰয় বিচাৰি আঁতৰি গৈছিল। সেই সময়ত কলাবাৰীৰ খাৰৈ নদীৰ পাৰত ধন্দী, ৰজাবাৰী আৰু গহপুৰৰ কোনো কোনো ঠাইত মানুহে বসতি স্থাপন কৰিছিল। ধন্দীত থকা শিৱদৌল আৰু পুখুৰীৰ আশে-পাশে মানুহৰ বসতি আছিল। আহোমৰ শাসনকালত প্ৰত্যেকজন প্ৰাপ্তবয়স্ক সক্ষম পুৰুষ প্ৰজাক পাইক বুলি ধৰা হৈছিল। প্ৰতি কুৰিজন পাইকৰ ওপৰত একোজন বৰা, এশজন পাইকৰ ওপৰত একোজন শইকীয়া আৰু এহাজাৰজনৰ ওপৰত একোজন হাজৰিকা শাসন পৰিচালনাৰ সুবিধাৰ কাৰণে আহোম ৰজাই নিযুক্তি দিছিল। আহাম ৰজাৰ দিনত ডুবিয়া অঞ্চলটো বৰা, শইকীয়া, হাজৰিকা আদি শাসনকৰ্তা প্ৰজাসাধাৰণৰ নিৰাপত্তা আৰু সুৰক্ষা দিবৰ বাবে নিয়োগ কৰা হৈছিল যদিও ডফলাৰ নিৰ্মম অত্যাচাৰ প্ৰতিহত কৰিবলৈ অপাৰগ হোৱাত ডফলাসকলৰ বহুতীয়া হৈ থাকিবলগীয়া হৈছিল। বুৰঞ্জীৰ তথ্য অনুধাৱন কৰিলে পোৱা যায় যে, পাহাৰীয়া জাতিসমূহৰ মাজত সম্ভাৱ-সম্প্ৰীতি গঢ়ি তুলিবৰ বাবে এক শ্ৰেণী পাইকৰ যোগেদি সীমান্ত অঞ্চলৰ এই জাতিসমূহক খাদ্য, ৰচদ-পাতি পৰ্যন্ত আহোম ৰজাই যোগান ধৰাৰ ব্যৱস্থা কৰি দিছিল। আহোম ৰজাই কনচেং বৰপাত্ৰ গোহাঁইক এই অঞ্চলৰ যেতিয়া শাসনৰ দায়িত্ব দিছিল, তেতিয়া পশ্চিমে বিশ্বনাথত আছিল শলাল গোহাঁই আৰু পূবে আছিল শদিয়া খোৱা গোহাঁই। কনচেং বৰপাত্ৰ গোহাঁইৰ ঘৰ আছিল গোলাঘাটৰ মাহুৰাত। মাহুৰাত মানৰ আক্ৰমণ আৰু হাতী অত্যধিক হোৱাত নিজৰ অঞ্চলটো শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰা দূৰৰ কথা নিজৰ ঘৰখনকে বচাব নোৱাৰা অৱস্থাত পৰিল। ফলত এই ঠাইৰ মানুহ প্ৰাণৰ আশঙ্কাত কোন কেনি পলাল, কিমান নিখোজ হ'ল, কিমানে মাউৰা হৈ জীৱন কটাবলগীয়া হ'ল তাৰ সঠিক হিচাপ আজিও নোলাল। গোটেই অসমতে জ্বলি উঠা প্ৰজ্বলিত অগ্নিশিখাই নিমিষতে ছিন্ন-ভিন্ন কৰি পেলালে শান্তি-সম্প্ৰীতিৰ এনাজৰীডাল। ১৮২৬ খ্ৰীষ্টাব্দৰ ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুযায়ী মানৰ হাতৰ পৰা অসম ইংৰাজে অধিকাৰ কৰিলে। পূৰ্বৰ কনচেং বৰপাত্ৰ গোহাঁঞিওৰ ইষ্ট-কুটুম্বয়ো মাহুৰত পুনৰ স্থিতি লৈ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ এই ডুবিয়া অঞ্চললৈ আহিবলৈ মন মেলে। তেওঁলোক পূৰ্বৰ বৰপাত্ৰ গোহাঞিৰ নেতৃত্বত দুকুৰিমান মানুহ উত্তৰ পাৰলৈ আহি দেখে যে পূৰ্বৰ বসতি স্থান অটব্য হাবি-জংঘল আৰু হিংস্ৰ জন্তুৰে ভৰপূৰ। কলাবাৰীৰ মৰণৈৰ পাৰতে এই মানুহখিনিক অস্থায়ীভাৱে থাকিবৰ দিহা কৰি দি আগৰ তাম্ৰফলি মতে অঞ্চলটো (খাট) পাবলৈ ইংৰাজৰ বৰচাহাবক খাটনি ধৰিলে। বৰচাহাব নিজৰ সিদ্ধান্তত অলৰ-অচৰ। তেওঁৰ পৰিৱৰ্তে কলাবাৰীৰ দুৰ্গেশ্বৰ বৰুৱা নামৰ এজন ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোকক হাৱাজানৰ পৰা ভৰলী নদী পৰ্যন্ত এই বিস্তৃত অঞ্চলটো এটা মৌজা কৰি মৌজাদাৰীৰ দায়িত্ব অৰ্পণ কৰে। আনহাতে বৰপাত্ৰ গোহাঁইৰ সপোন সপোন হৈয়ে ৰ'ল।

১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈ এই সময়ছোৱাত বঙালী পণ্ডিতৰ ফুচলনিত ভোল গৈ বৃটিছ চৰকাৰে অসমৰ পঢ়াশালী আৰু আদালতত বঙলা ভাষা প্ৰচলন কৰাইছিল। ইয়াৰ প্ৰভাৱ দুয়দুৱাৰ অঞ্চলটো পৰিছিল। দুয়দুৱাৰৰ ভিতৰৰে অঞ্চল হিচাপে ডুবিয়াটো ইয়াৰ সামান্য প্ৰভাৱ নপৰাকৈ থকা নাই। ডুবিয়াৰ পৃথু গগৈৰ পিতৃ হলিৰাম গগৈ (হলি ভকত), তম্বুৰাম গগৈৰ পিতৃ যাদুৰাম গগৈয়ে বঙালী পণ্ডিতৰ ওচৰত ১৯৪০ চনমানত বঙালী ভাষাৰে শিক্ষা গ্ৰহণ কৰিবলৈ পোৱাটোৱেই ইয়াৰ সাক্ষী।

দিনবোৰ পাৰ হৈ গৈ আছে। অঞ্চলটোলৈ শান্তি-সম্প্ৰীতি ঘূৰি আহিছে। তেনেতে আগমন হ'ল পূৰ্বে স্থানান্তৰিত হোৱা শ শ লোকৰ। গহপুৰ, কলাবাৰী আদি ঠাইৰ হাবি-জংঘলত লুকাই থকা ষাঠি ঘৰমান মানুহ আহি ১৮৬০ চনমানত পুনৰ ডুবিয়াত সংস্থাপিত হয়। পূৰ্বৰ বৰপাত্ৰ গোহাঁইয়ে আনা মৰনৈৰ পাৰত থিতাপি লোৱা কুৰিঘৰমান মানুহ সেই ঠাইৰ বানপানীৰ তাণ্ডৱলীলা সহ্য কৰিব নোৱাৰি ডুবিয়ালৈ আহি নিগাজিকৈ বহে। ১৮৯৮ চনত দাহীসুৰপটীয়া গাঁৱৰ পৰা ৰূপাই, তিলৌ, দাসী, সোণাই কেওট, ধোৰোক, যিন সোণাৰীকে আদি কৰি ২০ জনমান লোক এই অঞ্চললৈ আহি নিগাজিকৈ থিতাপি ল'লে। তাৰ পাছত গোলাঘাটৰ পৰা আহিল পুহাই, হলি, পেটুৰা, বেভেল আদি কৰি ১০ ঘৰমান আহোম সম্প্ৰদায়ৰ লোক। তেওঁলোকে ডুবিয়া নৈৰ পশ্চিম পাৰে গাঁও পাতি বহিল। সেই সময়ত এই অঞ্চলত জনবসতি তেনেই সেৰেঙা আছিল। আজিকালিৰ দৰে মাটিৰ কিনা-বেচা পদ্ধতিৰ প্ৰচলন হোৱাই নাছিল। যাৰ যেনেকৈ ইচ্ছা তেনেকৈ মাটি ভাঙি দখল স্বত্ব ল'ব পাৰিছিল। জনবসতি সেৰেঙা বাবেই হওক নাইবা শত্ৰুৰ আক্ৰমণৰ ভয়ৰ বাবেই হওক, হিংস্ৰ জীৱ-জন্তুৰ আক্ৰমণৰ বাবেই হওক, পুৰণি লোকসকলে নতুনকৈ অহা লোকসকলক দেৱতা দেখাদি দেখিছিল। আনকি নিজে কপালৰ ঘাম মাটিত পেলাই কাঠ কাটি, হাবি ভাঙি মুকলি কৰি থোৱা মাটিডৰাও নতুনকৈ অহা লোকক এৰি দি একে পৰিয়ালৰ লোকৰ দৰেই আঁকোৱালি লৈছিল। এনেকৈ দেৰগাঁৱৰ পৰা ৩০ ঘৰমান কোঁচ-কলিতা সম্প্ৰদায়ৰ লোক, কামদেৱালৰ পৰা ৪-৫ ঘৰমান লোক আহি পূব দিশত ঘৰ-দুৱাৰ সাজি বহিল। ১৯১০ চনমানৰ পৰা এই অঞ্চলৰ বিভিন্ন ঠাইলৈ যোৰহাট, গোলাঘাট, নগাঁও, মাজুলি, লক্ষীমপুৰ আদি ঠাইৰ পৰা দলে দলে মানুহ আহি ইয়াত থিতাপি লয়। আনুমানিক তেতিয়াৰ পৰাহে ইয়াত মাটি কিনা-বেচা পদ্ধতিৰ প্ৰচলন হয়। ১৯১৫ চনত ডুবিয়া নৈৰ পশ্চিমে যোৰহাটৰ পৰা অহা ৩০-৪০ ঘৰমান আহোম সম্প্ৰদায়ৰ মানুহে গাঁও পাতি বাস কৰে। সেই একে চনতে গোলাঘাট

OKDISCD

আৰু যোৰহাটৰ ৩০-৪০ ঘৰমান চুতিয়া আৰু কোঁচ মানুহ আহি বহেহি। প্ৰকৃতিৰ লগত, হিংসুক জন্তুৰ লগত, মহামাৰী ৰোগৰ লগত আৰু পাহাৰীয়া শত্ৰুৰ লগত যুঁজ দি থাকিবলগীয়া হোৱাত তেতিয়াৰ মানুহে আধুনিক জগতৰ শিক্ষা-দীক্ষাৰ পোহৰ বৰকৈ নাপালে। বৰং ইংৰাজৰ হাতী ধৰা বৃত্তিত ভৰ্তি হোৱাটোতহে ধাউতি বাঢ়িল। দেৰগাঁৱৰ ফালৰ পৰা প্ৰৱেশ কৰা ৬০ ঘৰ মানুহ উপৰ্যুপৰি হোৱা ডফলাৰ আক্ৰমণ আৰু সংক্ৰামক ব্যাধিৰ পীড়নত তিষ্টিব নোৱাৰি ডুবিয়া এৰি বৰভেটি, চেংমৰা, পহুকটা আদি ঠাইসমূহলৈ স্থানান্তৰিত হৈছিল। এনেকৈ বিভিন্ন সময়ত বৰ্তমানৰ নিগমকে ধৰি সমগ্ৰ ডুবিয়ালৈ হোৱা একালৰ প্ৰব্ৰজনে অতীজৰ ডুবিয়া অঞ্চলটোক অসমৰ ভিতৰতে এটি সুবিস্তৃত জনবহুল আৰু ঐক্য-সংহতি-ভাতৃত্ববোধৰ বান্ধোনেৰে সাঙোৰ খাই থকা ঐতিহ্যমণ্ডিত অঞ্চল কৰি গঢ়ি তুলিছিল।

এইখিনিতে এটা কথা উল্লেখ নকৰিলে দোষৰ ভাগী হোৱাৰ আশংকা কৰি প্ৰকাশ কৰিবলৈ লোৱা হ'ল। অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰো পদাৰ্পণ হৈছিল এই ডুবিয়া অঞ্চলত। মহাপুৰুষ শঙ্কৰদেৱে বাৰ বছৰ ভাৰতৰ বিভিন্ন ঠাইত ভ্ৰমণ কৰি আহি বৰদোৱাত থিতাপি লৈ ধৰ্ম চৰ্চা কৰিছেহি, তেনেতে কছাৰীৰ আক্ৰমণ হয় ভূঞাসকলৰ ওপৰত। প্ৰাণৰ আশংকা কৰি মহাপুৰুষগৰাকীয়ে ভূঞাসকলৰ সৈতে নাৱেৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ উত্তৰ পাৰৰ ৰৌতাত থাকিবলৈ লয়। ইয়াৰ পিছত তাৰ পৰা আহি গাংমৌত ছয় বছৰমান ধৰ্ম প্ৰৱৰ্তাইছিল। তেনেতে বৰগাঙৰ পাৰে পাৰে পাহাৰৰ পৰা ডফলাসকল আহি উপদ্ৰৱ চলায়। ডফলাসকলৰ নিদাৰুণ অত্যাচাৰ সহ্য কৰিব নোৱাৰি পদব্ৰজে আহি আহি এই ডুবিয়াৰে দক্ষিণ দিশত চেংমৰা নৈৰ উত্তৰ পাৰৰ কোমোৱা কটা (কোনো কোনো মতে কুমাৰ কটা) পাই এটুকুৰা ঠাই বাচি লৈ থাকিবলৈ লয় আৰু খেতি-বাতি কৰাৰ কাম আৰম্ভ কৰে। কিন্তু বাৰিষাৰ প্ৰবল বানপানীয়ে শস্যপথাৰ সম্পূৰ্ণ ধ্বংস কৰাত আৰু থাকিবলৈ কোনো ঠাই নোপোৱাত যেনে-তেনে চাংপাতি ম'হ গুৱালৰ আটীত থাকি প্ৰাণ বচাবলগীয়া অৱস্থাত পৰে। ইফালে এই ডুবিয়া অঞ্চলটো ডফলাসকলৰ দুৰ্দমনীয় অত্যাচাৰৰ কথা গম পাই বেলগুৰিলৈ এদল ভূঞা পঠিয়াই দি থকা ঠাইৰ সন্ধান কৰালে। তেনেতে এই কুমাৰ কটা বা কোমোৱা কটাতে জন্ম হ'ল মহাপুৰুষ শঙ্কৰদেৱৰ দ্বিতীয় ভাৰ্যাৰ প্ৰথম পুত্ৰ ৰমানন্দৰ। ইয়াৰ পাছতহে শঙ্কৰদেৱে বেলগুৰিলৈ গৈ সত্ৰ স্থাপন কৰে আৰু মাধৱদেৱক তাতে লগ পোৱাত গুৰু-শিষ্যৰ মণিকাঞ্চন সংযোগ ঘটে। যি কাৰণতেই নহওক, মহাপুৰুষগৰাকীৰ ডুবিয়াত পদাৰ্পণ হৈছিল আৰু এই পদাপৰ্ণ সমগ্ৰ ডুবিয়া তথা ছয়দুৱাৰবাসীৰ কাৰণে পৰম গৌৰৱৰ বিষয়।

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত ডুবিয়া অঞ্চলৰ ৰাইজৰ অংশগ্ৰহণৰ বিষয়েও জানিব পৰা গৈছে। ১৯৩৯ চনৰ দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰভাৱত ইয়াৰ সকলো শ্ৰেণীৰ মানুহৰ ভয় আৰু আশঙ্কাত হৃদয়বিলাক দুৰু দুৰু কপিছিল। অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য অস্বাভাৱিকভাৱে বৃদ্ধি পাইছিল। চাউলৰ দাম এটকাত ১৬ কিলোগ্ৰামৰ পৰা ৪ কিলোগ্ৰাম হৈছিলগৈ। খাদ্যৰ অভাৱত আৰু জীৱনৰ আশঙ্কাত মানুহৰ দুখ কুলাই-পাচিয়ে নধৰা হৈছিল। ১৯২১ চনৰ ভাৰতৰ অসহযোগ আন্দোলনৰ কাৰ্যসূচীত পূৰ্ণমাত্ৰাই সহযোগ আগবঢ়াইছিল ইয়াৰ পুৰুষ-মহিলা নিৰ্বিশেষে সকলো লোকে। ডুবিয়াৰ হনুৰাম গগৈ, তম্বু গগৈ, খৰ্গেশ্বৰ গগৈ আদি নেতৃস্থানীয় লোকসকলৰ প্ৰচেষ্টাত অঞ্চলটোত আন্দোলনে তীব্ৰতৰ ৰূপ ধাৰণ কৰিছিল। বিলাতী বস্তু বৰ্জন, মাদকদ্ৰব্য বৰ্জন, স্কুল-কলেজ স্থাপন আদি অসহযোগ আন্দোলন কাৰ্যসূচীত অংশগ্ৰহণ কৰি কেইবাজনো লোকে কাৰাবৰণ কৰিবলগীয়া হৈছিল। তেজপুৰৰ কুমুদ শৰ্মা, গহণচন্দ্ৰ গোস্বামী, বিজয়চন্দ্ৰ ভাগৱতী, জ্যোতিপ্ৰসাদ আগৰৱালা আদি আন্দোলনৰ নেতাসকলে অঞ্চলটোৰ ৰাইজক, আন্দোলনকাৰীসকলক সভা-সমিতি আদি পাতি অনুপ্ৰাণিত কৰে। ছয়দুৱাৰ অঞ্চলৰ আন্দোলনৰ নেতাস্বৰূপ নিৰোদবৰণ দাস, গোলোক পূজাৰী, হেম বৰদলৈ, নলিনীকান্ত হাজৰিকা, প্ৰফুল্ল হাজৰিকা, দেৱপ্ৰসাদ বৰা প্ৰভৃতি ব্যক্তিসকলে অঞ্চলটোত আন্দোলনৰ কাৰ্যসূচীসমূহত সকলো লোকৰে অংশগ্ৰহণ নিশ্চিত কৰিছিল। এইখিনিতে উল্লেখ কৰি যোৱাটো সমীচিন হ'ব যে বহুতো লোকে অত্যন্ত বাধা-বিঘিনিৰ সন্মুখীন হৈও ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ প্ৰায় সকলো কাৰ্যসূচীতে অংশগ্ৰহণ কৰি অমৰ খ্যাতি ৰাখি থৈ গৈছে। উমাকান্ত বৰা, পানিৰাম দিহিঙীয়া (ভলৌৰ দেউতাক), মাধৰাম গগৈ, টেবিল ভূঞা (বাবলৌ), মনপুৰ বৰুৱা, টঙ্ক বৰুৱা— এইসকল ব্যক্তিৰ নাম এই প্ৰসঙ্গত উল্লেখ কৰা হ'ল। বাকী থকাসকলৰ বিষয়ে সঠিকভাৱে নাজানিলো। এইক্ষেত্ৰত মোৰ অপাৰগতা স্বীকাৰ কৰি ক্ষমা প্ৰাৰ্থনা খুজিছোঁ। সময় আৰু অক্ষমতা এই দুয়োটাই জুমুৰি দি ধৰাত ভুল-ক্ৰটীৰ মাৰ্জনা বিচাৰি সমগ্ৰ ডুবিয়া অঞ্চলৰ চমু ইতিহাসৰ ইমানতে সামৰণি মাৰিলো।

*(এইখিনি যুগুত কৰোতে পদ্মনাথ গোহাঞি বৰুৱাৰ 'পুৰণি অসম বুৰঞ্জী'; হলিৰাম ঢেকীয়াল ফুকনৰ 'আসাম বুৰঞ্জী', 'ইটানগৰৰ বুৰঞ্জী', 'মঙ্গদৈৰ বুৰঞ্জী', 'দৰং ৰাজবংশাৱলী' আৰু এই অঞ্চলৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ সহায় লোৱা হৈছে।)*

# পূৰ্ব্বজ্যোতি কৃষিপাম নিগম প্ৰতিষ্ঠাত কেইটিমান স্মৰণীয় দিন

ৰমা হাজৰিকা
কলাবাৰী

১৯৬৯ চন। ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ নিখিল ভাৰত কৃষি-শ্ৰমিক সংঘই ভূমি আইন সংস্কাৰৰ বাবে আন্দোলন সংগঠিত কৰিছিল গোচেই ভাৰতবৰ্ষতে।

১। ভূমিৰ চিলিং আইন ৭৫ বিঘাৰ পৰা ৫০ বিঘালৈ নমাবলৈ,

২। গৰীৱ কৃষকসকলে জমিদাৰৰ মাটিত ৰায়টি পট্টা পাবলৈ,

৩। কৃষি-শ্ৰমিকসকলৰ মাজত চিলিঙৰ অধিগ্ৰহণ কৰা মাটি আৰু বনাঞ্চলত আবাদী মাটিত পট্টা প্ৰদান কৰিবলৈ। অসমত তেতিয়া কৃষি-শ্ৰমিক সংঘৰ সভাপতি আছিল কমৰেড় শ্ৰীযুত ফণী বৰা। তেখেতৰ নেতৃত্বত অসমৰ চুকে-কোণে বনাঞ্চলৰ আবাদী মাটি আৰু চিলিঙৰ অধিগ্ৰহণ কৰিব পৰা মাটিৰ ওপৰত আন্দোলন আৰম্ভ হৈছিল। সেই সময়ত আমাৰ দৰং (অবিভক্ত) জিলাত কোনো কৃষি-শ্ৰমিক সংঘৰ শাখা নথকাত দৰং জিলাত এনে আন্দোলন আৰম্ভ হোৱা আমাৰ মনত নপৰে। অন্যহাতে ওচৰৰ লক্ষীমপুৰ জিলাত সেই সময়ত কমৰেড় স্বৰ্গীয় বিষ্ণু বৰাৰ নেতৃত্বত বিভিন্ন বনাঞ্চলত ভূমি দখল আন্দোলন সংগঠিত কৰাৰ লগকে ঔগুৰি বনাঞ্চলতো ভূমি দখল আৰম্ভ কৰিছিল। আমাৰ জিলাতো বহুতো কৃষি-শ্ৰমিকে উক্ত আন্দোলনত অংশগ্ৰহণ কৰিছিল বুলি আমি পিছতহে গম পাইছিলো।

১৯৬৯ চনৰ চেপ্তেম্বৰয়অক্টোবৰ মাহ। তাৰিখটো সিমান মনত নাই, কিন্তু সেইদিনা আছিল বুধবাৰ। আমি স্কুলৰ পৰা আহি ঘৰত সোমাইছোহে, আমাৰ পাছে পাছে শ্ৰীনিৰ্মল বৰা, শ্ৰীসভাৰাম বৰা আৰু শ্ৰীযোগেশ্বৰ বৰা এই তিনিজন কৃষকে আমাৰ লগত কথা পাতিবলৈ আহিছিল। আমি দুজন বয়সস্থ কৃষক অহাৰ কাৰণে কোনো বিলম্ব নকৰি কথোপকথনত লাগিলো। তেখেতসকলে ঔগুৰি বনাঞ্চলত লক্ষীমপুৰীয়া দুখীয়া ভূমিহীন কৃষকে দলে দলে সোমাই দখল কৰিছে অন্যহাতে আমি দৰং জিলাৰ ভূমিহীন কৃষকসকল বহি থকাটো পৰিতাপৰ কথা হৈছে বুলি কয়। লগতে ঔগুৰি বনাঞ্চল দৰং জিলাৰ অন্তৰ্গত, গতিকে উক্ত বনাঞ্চল দৰং জিলাৰ ভূমিহীন কৃষকসকলেহে দখল কৰিব লাগে বুলি আমাক জনায়। তেখেতসকলৰ পৰা সকলো বুজি লৈ আমি পিছৰ দেওবাৰে এখনি ভূমিহীন কৃষকসকলৰ ৰাজহুৱা সভা উত্তৰ পহুকটা প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰোঁহঁক আৰু মুখে মুখে ভূমিহীন কৃষকসকলক খবৰ দিয়া হয়। এয়ে দৰং জিলাৰ প্ৰথম কৃষক সংঘৰ পাতনি।

দেওবাৰে ৩০ জন ভূমিহীন কৃষক গোট খাই আমাক আৰু কমৰেড় স্বৰ্গীয় টঙ্ক মেলসোধাক ভূমিহীন কৃষক সভাৰ আহ্বায়ক নিৰ্বাচন কৰি এখনি ভূমিহীন কৃষক সভাৰ বহল ৰাজহুৱা সভা পতাৰ সিদ্ধান্ত গ্ৰহণ কৰি কাগজে-পত্ৰে ভূমি দখল আন্দোলনৰ প্ৰস্তাৱ গ্ৰহণ কৰে। আমি উপৰোক্ত তিনিজন ব্যক্তিৰ পৰা জানিছিলো উত্তৰ ঔগুৰি ভূমি দখল আন্দোলনত সেই সময়ত নেতৃত্ব লৈছিল কমৰেড় শ্ৰীনন্দ বৰাই। শ্ৰীবৰাৰ লগত আমাৰ পৰিচয় আগৰ পৰাই। সেই সভালৈ বৰাকো মতাৰ সিদ্ধান্ত হ'ল। যিহেতুকে আমাৰ জিলাত কমিউনিষ্ট পাৰ্টিৰ সদস্যসকল সুপ্ত অৱস্থাত আছিল, তাৰ বিনিময়ত প্ৰজা চোছিয়েলিষ্ট পাৰ্টিৰ সদস্যসকলেহে ৰাজহুৱা কাম-কাজত সক্ৰিয় ভূমিকা লোৱাৰ কাৰণে আমি আহ্বায়কদ্বয়ে তেখেতসকলৰ পাৰ্টিৰ সকলো সদস্যকে উক্ত ৰাজহুৱা সভালৈ নিমন্ত্ৰণ কৰিছিলো। অন্যহাতে চোছিয়েলিষ্ট পাৰ্টিত "খেতিয়ক সংস্থা" নামকৰণেৰে ভূমিহীন কৃষকক একত্ৰিত কৰি ভূমি দখল আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিছিল। সেই লৈ ৰাজহুৱা সভাত যথেষ্ট সংখ্যক ভূমিহীন কৃষক গোট খাইছিল। স্থান আছিল উত্তৰ পহুকটা প্ৰাথমিক বিদ্যালয়। সেই সভাত কমৰেড় শ্ৰীনন্দ বৰাও উপস্থিত থাকি কৃষি-শ্ৰমিক সংঘৰ কাৰ্যসূচী আৰু তেখেতে আন্দোলনৰ বহল ব্যাখ্যা দিছিল। সভাত ডিচেম্বৰ মাহৰ আগ সপ্তাহতে ৰিজাৰ্ভ দখলৰ সিদ্ধান্ত হয়। কিন্তু কৃষি-শ্ৰমিক সংঘৰ অন্তৰ্ভুক্ত নহৈ নিৰ্দলীয়ভাৱেহে ভূমি দখল আন্দোলন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। আমি আহ্বায়কদ্বয় চৰকাৰী চাকৰিয়াল হোৱাৰ কাৰণে আমাক বিষয়ববীয়া নাৰাখি অন্য বিষয়ববীয়া ৰাখিবলৈ সিদ্ধান্ত গ্ৰহণ কৰি স্বৰ্গীয় অমূল্য কাকতিক সভাপতি, শ্ৰীগণেশ্বৰ শইকীয়াক উপ-সভাপতি, স্বৰ্গীয় কৰ্ণেশ্বৰ ভূএগ্ৰাক সম্পাদক আৰু মোক কোষাধ্যক্ষ নিৰ্বাচিত কৰে। সমিতিৰ নামকৰণ হয় "ছয়দুৱাৰ

OKDISCD

ভূমিহীন কৃষক সভা।" লগতে সিদ্ধান্ত হয়, প্ৰতি ভূমিহীনে ১.০০ (এটকা) কৈ সদস্য বৰঙণি দি পিছৰ দেওবাৰে ৰিজাৰ্ভ বেদখললৈ সোমাব। উক্ত সপ্তাহত কলাবাৰী এলেকাৰ সকলো গাঁৱতে প্ৰচাৰ কৰি সাংগঠনিক দিশ বলিষ্ঠ কৰিব। প্ৰস্তাৱ অনুসাৰে কাম হ'ল।

পিছৰ দেওবাৰ আহিল। সিদ্ধান্ত আছিল কলাবাৰী হাইস্কুলৰ খেল পথাৰত ৰাতিপুৱা ন বজাত সকলো সমবেত হৈ ফৰেষ্ট ৰাস্তাৰে ঔগুৰি বনাঞ্চলত সোমাব। কিন্তু ন বজাত যথেষ্ট সংখ্যক লোক বা ভূমিহীন কৃষক সমবেত নহ'ল। প্ৰায় তিনিমান বজাত প্ৰায় ১০০ জনমান ভূমিহীন কৃষকে হাতত দা-কুঠাৰ আৰু কিছু খাদ্যবস্তু লৈ গোট খালেহি। সমিতিৰ বিষয়ববীয়াসকলৰ বাদে সকলো ভূমিহীন কৃষকৰ ভয়। ভয়ৰ কাৰণ কংগ্ৰেছ কৰ্মীসকল। যি বনাঞ্চলত এখন এড়ি চাদৰ লৈ সোমালেও দণ্ডনীয় হয়, তেনে বনাঞ্চলৰ গছ-গছনি কাটিলে চৰকাৰে সৈন্যবাহিনী দি........, এনে অপপ্ৰচাৰ কৰিয়েই বৰ্তমানলৈকে গৰীব কৃষকৰ পৰা ৰাজনৈতিক নেতাসকলে তেওঁলোকৰ মুনাফা আদায় কৰিছে। তাতেই সভা আৰম্ভ কৰিলো। চাওতে চাওতে বেলি ডুবিল। পৰিচালনা সমিতিৰ ভয় হ'ল, যদি আজি ভূমিহীন কৃষকসকলক ঘৰলৈ ঘূৰাই পঠোৱা হয়, তেন্তে আকৌ সংগঠিত কৰা অসম্ভৱ। গতিকে সিদ্ধান্ত হ'ল, আজি কলমৌগুৰি নামঘৰত ৰাতিটো কটাই কালিলৈ ঢলপুৱাতে ৰিজাৰ্ভত সোমাম। ৰাওনা আৰম্ভ কৰিলো। শ্ল'গানেৰে আকাশ-বতাহ খলক লগাই দিয়া হ'ল। খবৰ কলাবাৰীত বিয়পি পৰিল। লগে লগে কলমৌগুৰি নামঘৰলৈ দলে দলে ভূমিহীন কৃষক আহিবলৈ ধৰিলে। নামঘৰত বহিবলৈ ঠাই নোহোৱা হ'ল। কাষৰ বাৰীত আৰু আলিটোৰ কাষত ৰন্ধা-বঢ়া আৰম্ভ হ'ল। পৰিচালনা সমিতিৰ সদস্যসকলে আনন্দত আত্মহাৰা হৈ সদস্য তালিকা পূৰ্ণ কৰাত লাগিল। সদস্য তালিকাত ১২৭৫ জন হ'ল, কিন্তু সদস্য বৰঙণি মাত্ৰ ১০০.০০ (একশ) টকাহে হ'ল। সিদ্ধান্ত হ'ল ৰিজাৰ্ভৰ ভিতৰতহে সদস্য বৰঙণি আদায় দিব।

পুৱা শ্ল'গানেৰে ৰিজাৰ্ভৰ পালেং গছৰ মাজে মাজে গৈ পালেং নথকা ঠাই ৰঙতি পুখুৰীৰ পাৰ পালোগৈ। তাতেই আমি দখল স্থান নিৰ্ণয় কৰিলোহঁক। আন্দোলনকাৰীসকল ঠাই চাফা কৰাত লাগি গ'ল। তেতিয়া তেওঁলোকে এজোপা গন্ধশৰৈ গছ কাটিয়েই পেলালে। আমি পৰিচালনা সমিতিৰ সদস্যসকলে তেতিয়া ৰিজাৰ্ভৰ ভিতৰ অংশ পৰীক্ষা কৰিছিলোগৈ মূল্যবান গছৰ সন্ধানত। কিন্তু মূল্যবান গছ আমি সেই অঞ্চলত পোৱা নাছিলো। মাত্ৰ আমাৰ দৃষ্টিগোচৰ হৈছিল চিকাৰীয়ে পহু মাৰি পৰিষ্কাৰ কৰা আৰু তেওঁলোকে আহাৰ গ্ৰহণ কৰা কেইটুকুৰামান ঠাই। ৰিজাৰ্ভৰ আলিয়েদি কিছুদূৰ আগবাঢ়ি গৈ আমি কেইজোপামান শাল গছ প্ৰত্যক্ষ কৰিলো আৰু শাল গছকেই আমাৰ সীমা ৰাখিলো। তাৰপাছত ৰাজহুৱা সভা পাতি মূল্যবান গছ কোনো আন্দোলনকাৰীয়ে কাটিব নোৱাৰিব বুলি সিদ্ধান্ত কৰিলো। কিন্তু এনে সময়তে এজন আন্দোলনকাৰীয়ে এজোপা গন্ধশৰৈ গছ কটা বুলি খবৰ পোৱাত আমি মনতে বৰ দুখ পালো আৰু মূল্যবান গছবিলাক যে আমাৰ শত্ৰু নহয় আৰু আমি ভূমি সংস্কাৰ কৰিবলৈহে যে আন্দোলন কৰিছো এই সম্পৰ্কে এটি দীঘলীয়া মন্তব্য ৰাখিলো। ফলত পিছৰ পৰ্যায়ত তেনে কোনো অনিষ্ট কৰা আমাৰ দৃষ্টিগোচৰ নহ'ল। সেইকেইটা দিন আমাৰ কাৰণে সঁচাকৈ মনত থকা দিন আছিল।

আন্দোলন আৰম্ভ হ'ল। আমি, শ্ৰীডম্বৰু বৰা দুয়ো দিনটো চাকৰি কৰো আৰু চাকৰিৰ পাছত অলপ বুট পকেটত ভৰাই ৰাতিটো আন্দোলনকাৰীৰ লগত কটাবলৈ আৰম্ভ কৰিলো। স্বৰ্গীয় কৰ্ণেশ্বৰ ভূঞাই দিনে-ৰাতিয়ে আন্দোলনকাৰীৰ লগত থাকিল আৰু আন্দোলন পৰিচালনাত লাগিল। অন্যফালে আমাৰ চিন্তা, আন্দোলনকাৰীসকলক কেনেকৈ ৰক্ষণা-বেক্ষণ দিব পাৰি, আলোচনা হ'ল। আলোচনাত দুটা প্ৰস্তাৱ গৃহীত হ'ল। (১) লক্ষীমপুৰৰ আন্দোলনকাৰীক নেতৃত্ব কৰা স্বৰ্গীয় বিষ্ণু বৰাৰ লগত, (২) শ্ৰীপূৰ্ণনাৰায়ণ সিংহ আৰু শ্ৰীগোলোক কাকতিৰ লগত আলোচনা কৰা। অৱশ্যে স্বৰ্গীয় বিষ্ণু বৰাই আন্দোলনৰ পৰিপ্ৰেক্ষিতত তেখেতৰ সম্পৰ্কীয় কমৰেড্ স্বৰ্গীয় লীলা বৰা চাৰৰ লগত যোগাযোগ কৰিছিলেই। স্বৰ্গীয় চাৰে এদিন কমিউনিষ্ট পাৰ্টিৰ শাখা খোলাৰ পৰামৰ্শ দিলে। আমিও মান্তি হ'লো। এদিন স্বৰ্গীয় বিষ্ণু বৰাক মতাই আনি আন্দোলনৰ কাৰ্যসূচী চলাই নিয়াত ভাৰতীয় কমিউনিষ্ট পাৰ্টিহে শুদ্ধভাৱে পৰিচালনা কৰিব পাৰিব বুলি এটি দীঘলীয়া বৰ্ক্তৃতা দাঙি ধৰিলে। সেই লৈ আমি পাৰ্টিৰ শাখা এটা সেইদিনাই খুলিলো। সেইদিনাই তেখেতে লৈ অহা পাৰ্টিৰ আবেদন Form-ত স্বৰ্গীয় লীলা বৰা, শ্ৰীডম্বৰু বৰা, স্বৰ্গীয় কৰ্ণেশ্বৰ ভূঞা, শ্ৰীবাপচন্দ্ৰ বৰা, শ্ৰীখগেন বৰুৱা, শ্ৰীপদ্মেশ্বৰ ভূঞা, শ্ৰীতনুৰাম বৰা, শ্ৰীপুষ্প বৰা, শ্ৰীললিত বৰা, শ্ৰীটঙ্ক মেলসোধা, শ্ৰীকীৰ্তি বৰা আৰু আমি চহী কৰিলো। আমাক সেইদিনাই পাৰ্টিৰ শাখা সম্পাদক নিৰ্বাচন কৰিলে। লগতে এই কথাও আলোচনা হ'ল যে, দৰং জিলাৰ উপায়ুক্তক দুয়ো দলৰ আন্দোলনকাৰীসকলক লৈ যেৰাও কৰি এখন স্মাৰক-পত্ৰ প্ৰদান কৰিব। স্মাৰক-পত্ৰৰ দাবীসমূহ আৰু স্মাৰক-পত্ৰখনৰ পাণ্ডুলিপি সেইদিনাই তৈয়াৰ কৰা হ'ল আৰু প্ৰেছত দিবলৈ আৰু খৰচৰ দায়িত্ব ছয়দুৱাৰ ভূমিহীন কৃষক সভাক দিয়া হ'ল।

এই সিদ্ধান্ত যিমান দূৰ সম্ভৱ আমাৰ সভাপতিয়ে ভাল নাপালে আৰু আমাক পৰামৰ্শ দিলে, স্বৰ্গীয় হৰেশ্বৰ গোস্বামী, শ্ৰীপূৰ্ণনাৰায়ণ সিংহ, শ্ৰীগোলোক কাকতিক লগ কৰি অহাৰ কথা। আমি এদিন দুয়ো শ্ৰীপূৰ্ণনাৰায়ণ সিংহ আৰু শ্ৰীগোলোক কাকতিক লগ ধৰিবলৈ যাত্ৰা কৰিলো। প্ৰথমে আমি শ্ৰীসিংহক লগ ধৰিলো। সকলো কথা শ্ৰীসিংহক বিবৰি কোৱাত তেখেতে আমাক ক'লে, এনেদৰে ৰিজাৰ্ভ দখল কৰিলে ভূমিহীনক মাটি দিব পৰা নহ'ব। ১.০০ টকাকে সদস্য



OKDISCD

বৰঙণি উঠাই যদি চৰকাৰী পক্ষই এৰেষ্ট কৰে, তেন্তে কেনেকৈ মানুহখিনিক জামিন কৰিব পৰা হ'ব? গতিকে সদস্য বৰঙণি কমেও ২০.০০ টকা কৰিব লাগিব। তেখেতে তেখেতৰ হাতেৰে এখন জাননী লিখিলে, সদস্য ফিজ ২০.০০ টকাই থাকিল, মাত্ৰ তাৰিখটো খালী ৰাখি এখন ৰাজহুৱা সভা পতাৰ পৰামৰ্শ দি তেখেতৰ মহাজাতি প্ৰেছত তৎক্ষণাৎ ছপা কৰাই আমাৰ হাতত দিলে আৰু ক'লে তাৰিখটো ঠিক কৰি আমি তেখেতক নিমন্ত্ৰণ কৰিবলৈ। আমি ঘূৰিলো। মোৰ সিদ্ধান্তটো ভাল নালাগিল আৰু সভাপতিক জনালো। সভাপতিয়ে সকলো কথা চালি-জাৰি চাই ক'লে, আমি আজি ঘৰলৈ নগৈ জামুগুৰিত নামি শ্ৰীগোলোক কাকতিৰ ঘৰলৈ গৈ আলোচনা কৰো। আমিও মান্তি হ'লো। জামুগুৰিত নামি ৰাতি ৬-০০ মান বজাত খোজকাঢ়ি শ্ৰীকাকতিৰ ঘৰ পালো। দেখো শ্ৰীকাকতিৰ ঘৰত খেতিয়ক সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক বহিছে। সভাপতিক কাৰ্যনিৰ্বাহকত বহিবলৈ নিমন্ত্ৰণ কৰা হ'ল। আমি বাহিৰতে বহি থাকিলো। অলপ সময়ৰ পাছত আমাকো কাৰ্যনিৰ্বাহক সভাত বহিবলৈ ক'লে। আমি আমাৰ সিদ্ধান্তসমূহ জনালো। আমি ১৭-১১-৬৯ তাৰিখে লক্ষীমপুৰ আৰু কলাবাৰীৰ দুয়োটা গোটে উপায়ুক্ত মহোদয়ক স্মাৰক-পত্ৰ প্ৰদান কৰাৰ কথা জনালো। তেতিয়া তেখেতসকলেও সেইদিনাই স্মাৰক-পত্ৰ দিয়াৰ তাৰিখ নিৰ্দ্ধাৰণ কৰিলে। অন্যহাতে সভাপতিয়ে শ্ৰীসিংহৰ জাননীখন দেখুৱালে। সভাত সেই ৰাজহুৱা সভা নাকচ কৰিলে। ফলত শ্ৰীসিংহৰ ৰাজহুৱা সভা নহ'ল। ১৭-১১-৬৯ তাৰিখৰ আগদিনা আমি ভূমিহীন কৃষকসকলক লৈ ডুবিয়া ৰেল ষ্টেচনত উঠিলো। কিন্তু লক্ষীমপুৰৰ কোনো কৃষি-শ্ৰমিক নাহিল। হাতে হাতে সকলো ভূমিহীনক স্মাৰক-পত্ৰ বিলাই দিয়া হ'ল। লক্ষীমপুৰৰ কোনো লোকে স্মাৰক-পত্ৰ দিবলৈ ষ্টেচনলৈ নাহিল। আমি বিবুধিত পৰিলো। কাৰণ স্মাৰক-পত্ৰৰ পাছত সোঁহাতে শ্ৰীঅমূল্য কাকতি সভাপতি, কৰ্ণেশ্বৰ ভূএগ সম্পাদক, ছয়দুৱাৰ ভূমিহীন কৃষক সভা; বাওঁহাতে আছে শ্ৰীবিষ্ণু বৰা সভাপতি, শ্ৰীনন্দ বৰা সম্পাদক লক্ষীমপুৰ কৃষি-শ্ৰমিক সংঘ। সিদ্ধান্ত কৰিলো যে উপায়ুক্ত মহোদয়ক যিখন স্মাৰক-পত্ৰ দিন, সেইখনত বাওঁ হাতৰ অংশত কাগজ মাৰি দিম। সেইদিনা ৰাতি তেজপুৰ ৰেল ষ্টেচনত থাকি ৰাতিপুৱা ন বজাৰ পৰা তেজপুৰ নগৰৰ মাজেদি শ্ল'গান দি উপায়ুক্ত মহোদয়ৰ কাৰ্যালয়লৈ আগবাঢ়িছো। আমাৰ শ্ল'গানত মুগ্ধ হৈ ৰিক্সাৱালা, ঠেলাৱালা আৰু বহুতো ৰেল ষ্টেচনত পৰি থকা মানুহে আমাৰ লগত যোগ দিলে আৰু আমি নিজকে পাহৰি গ'লো। আমাৰ শোভাযাত্ৰা ৰেল ষ্টেচনৰ পৰা উপায়ুক্ত কাৰ্যালয়লৈ হৈছিল। খেতিয়ক সন্থাৰ কৃষকসকল তেতিয়াও তেজপুৰ পোৱা নাছিল। উপায়ুক্তই অফিচৰ পৰা ওলাই আহি আমাৰ স্মাৰক-পত্ৰ গ্ৰহণ কৰিছিল। স্মাৰক-পত্ৰ গ্ৰহণ কৰোতে আমাক এই প্ৰতিশ্ৰুতি দিছিল যে, দৰং জিলাত কোনো ভূমিহীনৰ লিষ্ট তৈয়াৰ হোৱা নাই। মই এমাহৰ ভিতৰত দৰং জিলাৰ ভূমিহীনৰ তালিকা প্ৰস্তুত কৰি ভূমিহীনক কৰ্মসংস্থান দিবলৈ চেষ্টা কৰিম। প্ৰায় সকলো ভূমিহীনৰ হাতত স্মাৰক-পত্ৰ আছে। C.I.D. সকলে শ্ৰীবিষ্ণু বৰা, শ্ৰীনন্দ বৰাৰ অনুসন্ধানত আমাৰ ওচৰ পালেহি। বিভিন্ন প্ৰশ্ন। উপায়ুক্তই C.I.D. সকলৰ যোগেদি শ্ৰীগোলোক কাকতি আৰু আমাক উপায়ুক্তৰ কাৰ্যালয়লৈ মাতি নি বিভিন্ন প্ৰশ্ন কৰি থাকোতেই আমাৰ ভূমিহীন কৃষকসকল আৰু খেতিয়ক সন্থাৰ কৃষকসকল লগ হৈ চিএৱৰ-বাখৰ লগাই দিলে। সেই শোভাযাত্ৰা পৰিচালনা কৰিছিল স্বৰ্গীয় গোলাপ মহন্ত আৰু শ্ৰীগোলোক কাকতিদেৱে। চিএৱৰ-বাখৰৰ কাৰণে আমাৰ পৰা তেখেতসকলে বিদায় লৈছিল আৰু স্মাৰক-পত্ৰ ল'বলৈ ওলাই আহিছিল। আমিও শান্তি পাইছিলো। এইদিনটো আমাৰ কাৰণে এটি লেখত ল'বলগীয়া দিন হিচাপে মনত থাকি গ'ল।

স্মাৰক-পত্ৰ প্ৰদান কৰা শেষ কৰি আমি আমাৰ সংগঠনটি কেনেকৈ কৃষি-শ্ৰমিক সংঘৰ নামকৰণ কৰিব পাৰো, তাৰ বাবে উঠি-পৰি লাগিলো। ৰাতি ৰাতি সদায় ৰঙতি পুখুৰীৰ পাৰত পাৰ্টিৰ শ্ৰেণীত বহিলো। এদিন স্বৰ্গীয় বৰা চাৰ আৰু শ্ৰীহেম হাজৰিকাই আমাৰ পাৰ্টিৰ সদস্যসকলক পাৰ্টিৰ পাঠ দি থাকোতেই আমি প্ৰস্তাৱ উঠালো যে, আমাৰ সংগঠন ছয়দুৱাৰ ভূমিহীন কৃষক সভা নামটোৰ সলনি ছয়দুৱাৰ কৃষি-শ্ৰমিক সংঘহে হ'ব লাগে। প্ৰস্তাৱটি সৰ্বসন্মতি ক্ৰমে গৃহীত হ'ল। সেইদিনা উপ-সভাপতি গণেশ্বৰ শইকীয়াৰ ঠাইত শ্ৰীঘম ফুকনক উপ-সভাপতি নিৰ্বাচিত কৰে। যিহেতুকে শইকীয়া বহুদিন আন্দোলনৰ পৰা বিৰত আছিল। ৰাতি এক বজছে। স্বৰ্গীয় লীলা বৰা চাৰ আৰু শ্ৰীহেম হাজৰিকাই প্ৰস্তাৱ দিলে, আমি নিজা নিজা ঘৰলৈ ঘূৰি যাওঁ। স্বৰ্গীয় কৰ্ণেশ্বৰ ভূএগ আৰু শ্ৰীৰমা বৰদলৈয়ে হাতত দুখন দীঘল দা লৈ দহজনীয়া দল এটা আগবঢ়াই নিলে। দুজনৰ বাদে আঠখন চাইকেল হাতত লৈ পালেঙনিৰ মাজে মাজে আমি খোজকাঢ়ি আহি আছো। শেষত শ্ৰীডম্বৰু বৰা আৰু মই। হঠাৎ কেইটামান জন্তু আমাৰ অলপ আগেদি পাৰ হৈ গ'ল। ৰাস্তাৰ সিপাৰে এটা বাঘে আমাক গুজৰি দিলে। সকালোৰে ভয়ত বুকু কপিবলৈ লাগিল। স্বৰ্গীয় লীলা বৰা চাৰে প্ৰথমে চাইকেল ঘূৰালে। চাৰে চাইকেল ঘূৰোৱা দেখি আমাৰ কেইজনেও ঘূৰালে। আমি পিছৰ দুজনে আমাৰ চাইকেল দুখন পথালি কৰি চাইকেলৰ বেল বজাবলৈ ধৰিলো। আমাৰ বেল বজাৰ লগে লগে আঠখন চাইকেলৰ বেল বাজিবলৈ ধৰিলে। ৰাতি ভীষণ শব্দ হ'ল। বাঘেও হাও হাও কৰি জংঘলৰ ভিতৰলৈ দৌৰ মাৰিলে। বিপদ এটা আঁতৰিল কিন্তু বৰা চাৰে চাইকেল ঘূৰাওতে পিছ চকাত এদাল কাঠৰ মাৰি সোমাল। চাইকেল নুঘূৰে। এনেয়ে বাঘৰ ভয়। এটা টৰ্চ স্বৰ্গীয় কৰ্ণেশ্বৰ ভূএগৰ

OKDISCD

হাতত, বাকীটো শ্ৰীডম্বৰু বৰাৰ হাতত। স্বৰ্গীয় ভূঞাই দুৰবী হিচাপে ঘূৰাটো চিন্তা কৰা নাই। বৰাই টৰ্চ মাৰিলে, অন্তৰত সকলোৰে ভয় থকাৰ কাৰণে মাৰিদাল কোনেও নেদেখিলে। চাইকেলখন বৰদলৈয়ে কান্ধত নিয়াৰ সিদ্ধান্ত কৰি চাইকেলখন কান্ধত উঠাওতেই মাৰিদাল সৰি পৰিল। তেতিয়াহে সকলোৰে হাঁহি উঠিল। সেইদিনটোও আমাৰ কাৰণে এটি ভাল মনত থকা দিন আছিল।

কৃষি-শ্ৰমিক সংঘৰ নামকৰণ কৰি আমি আমাৰ আন্দোলন সম্প্ৰসাৰণৰ চেষ্ট কৰিলো। আমি বালিজানৰ কমৰেড্ শ্ৰীদুৰ্গা বৰালৈ চিঠি লিখিলো। শ্ৰীচাকিৰাম নাথ, শ্ৰীশম্ভুৰাম নাথৰ সহযোগত কমৰেড্ বৰাই ৰাঙলিয়াল নামঘৰত এখন ৰাজহুৱা সভাৰ আহ্বান কৰিলে। কমৰেড্ বৰাক আমি আগতে চিনি পোৱা নাছিলো। সেইদিনাৰ পৰাই কমৰেড্ বৰাৰ লগত হোৱা সম্পৰ্ক আজিও ভালে আছে। সেইদিনা বালিজান ৰিজাৰ্ভত দখল আন্দোলনৰ কাৰ্যসূচী হাতত লওঁ। শ্ৰীচাকিৰাম নাথক সভাপতি, শ্ৰীশম্ভুৰাম নাথক সম্পাদক আৰু শ্ৰীডিম্বেশ্বৰ বৰঠাকুৰক কোষাধ্যক্ষ নিৰ্বাচিত কৰি বালিজান ৰিজাৰ্ভ দখল আন্দোলন কমৰেড্ শ্ৰীদুৰ্গা বৰাৰ নেতৃত্বত আৰম্ভ কৰাৰ আঁচনি তৈয়াৰ কৰা হয়। বালিজান ৰিজাৰ্ভ দখল আন্দোলন আৰম্ভ হোৱাত কমৰেড্ শ্ৰীফণী বৰাই লক্ষীমপুৰ আৰু দৰং জিলা ভ্ৰমণৰ আঁচনি লৈছিল আৰু আমি বৰঙাবাৰী মজলীয়া স্কুলত কমৰেড্ বৰাৰ সহযোগত এখনি ৰাজহুৱা সভাৰ আহ্বান দিছিলো। সেইদিনা কমৰেড্ বৰাৰ সভাপতিত্বত মজলীয়া স্কুলত সভা অনুষ্ঠিত হয়। সেইদিনা শ্ৰীশম্ভু নাথৰ নেতৃত্বত হাজাৰ হাজাৰ কৃষি-শ্ৰমিকে বালিজান ৰিজাৰ্ভৰ পৰা হাতত দা, কুঠাৰ আৰু কোৰ লৈ শোভাযাত্ৰা কৰি সভাস্থলীলৈ আহিছিল আৰু কমৰেড্ শ্ৰীফণী বৰাৰ তেজোদীপ্ত বৰ্ক্তৃতাত মুগ্ধ হৈছিল। আমিও সেই সভাত উপস্থিত থাকি গৌৰৱ অনুভৱ কৰিছিলো। সেই দিনটোও আমাৰ কাৰণে এটি মনত ৰাখিবলগীয়া দিন আছিল। সেই সভাতে সিদ্ধান্ত হ'ল, আমাৰ দুয়ো ফালৰ আন্দোলনকাৰীক এক গোট কৰা। সিদ্ধান্ত মৰ্মে গহপুৰৰ ফৰেষ্ট অফিচ ঘেৰাও কৰি পূব ফালৰ পৰা ঔগুৰিৰ আন্দোলনকাৰী আৰু পশ্চিম ফালৰ পৰা বালিজানৰ আন্দোলনকাৰী সমবেত হৈ ফৰেষ্ট অফিচত স্মাৰক-পত্ৰ দিব। নেতৃত্ব কৰিব কমৰেড্ শ্ৰীদুৰ্গা বৰাই। হাজাৰ হাজাৰ আন্দোলনকাৰীয়ে হাতত দা, কুঠাৰ আৰু কোৰ লৈ স্মাৰক-পত্ৰ ফৰেষ্ট অফিচত প্ৰদান কৰে। সম্ভৱ সেইটো বছৰ আছিল ১৯৭০ চন।

আন্দোলনৰ উত্থান-পতন আছে। এনেকৈয়ে উত্থান-পতনৰ মাজে মাজে ১৯৭২ চনত ভৰি দিলেহি। স্বৰ্গীয় বিষ্ণু বৰাৰ নেতৃত্বত পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ ঔগুৰি ৰিজাৰ্ভত প্ৰস্তুতি আৰম্ভ হ'ল। দৰং জিলাৰ কংগ্ৰেছ কৰ্মীসকলে ঔগুৰিত লক্ষীমপুৰৰ কৃষি-শ্ৰমিকৰ দ্বাৰা গঠিত হোৱাত তীব্ৰ বিৰোধিতা কৰিলে। আমি যে আন্দোলন কৰি আছো, সেইটো তেখেতসকলে পাহৰিলেই। স্বৰ্গীয় বিষ্ণু বৰাৰ লগত আমাৰ আলোচনা হ'ল। কেনেকৈ দুয়ো জিলাৰ কৃষি-শ্ৰমিক সংস্থাৰ লগ হৈ আমাৰ নিগমৰ অংশীদাৰ ভাগ-বটোৱাৰা কৰা হয়। আলোচনাত গোটেই অসমৰ কৃষি-শ্ৰমিক স্বৰ্গীয় বৰাৰ জৰিয়তে ৩০০ জন আৰু দৰং জিলাৰ ১২০ ঘৰ অংশীদাৰ লিষ্টত দিব। কংগ্ৰেছৰ প্ৰৰোচনাত আমাৰ সৰহ সংখ্যক গৰীব কৃষক ৰিজাৰ্ভত নাথাকি ঘৰলৈ আহিছিল। বালিজান ৰিজাৰ্ভৰ প্ৰায় সকলো মানুহেই নিজ নিজ ঘৰ পাইছিলহি। সেই সময়ত জৰুৰীকালিন অৱস্থা। মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহ। সিংহ ডাঙৰীয়াক দৰং জিলাৰ কৃষি-শ্ৰমিকো সেই কৃষিপামত আছে বুলি আমাক সন্তুষ্ট কৰিব লাগিব বুলি স্বত্ব আৰোপ কৰা হ'ল আমাৰ ওপৰত। পাৰ্টি কমৰেড্সকলৰ মহা চিন্তা হ'ল। এনে সময়তে শ্ৰীসিংহ ডাঙৰীয়াৰ লক্ষীমপুৰলৈ ভ্ৰমণসূচীলৈ আহিছিল। লক্ষীমপুৰৰ পৰা ঘূৰি আহোঁতে ভাতমৌ দলনি সংঘৰ বাৰ্ষিক অধিবেশনতো তেখেতে ভাষণ দিব। সেই সময়ত পাৰ্টিৰ আঞ্চলিক সম্পাদক আছিল কমৰেড্ শ্ৰীপুষ্প বৰা। আমি দুটা দল। কংগ্ৰেছ দলে তাতেই নিগমৰ বিৰোধিতা কৰিব। আমিও নিগম হোৱাৰ সপক্ষে প্ৰস্তাৱ দিম। বিবুদ্ধিত পৰিলো। মৰণত শৰণ দি শ্ৰীসিংহ ডাঙৰীয়াক লগ কৰিবলৈ আমি আৰু কমৰেড্ লোকনাথ বৰা আগবাঢ়িলো। আমাতকৈ আগেয়ে কংগ্ৰেছ কৰ্মীসকলে সভাস্থলীত থিতাপি ল'লে। কোনো উপায় নাই। লোকে লোকাৰণ্য। এনেতে এটা সুবিধা আহিল মুখ্যমন্ত্ৰী মহোদয়ৰ গাড়ীৰ কাষত শ্ৰীহিৰণ্য বৰা বৈ আছে। স্বৰ্গীয় লোকনাথ বৰাৰ লগত চিনাকি। দুয়ো ওচৰ চাপি গ'লো। তিনিওয়ে আলোচনা কৰি সিদ্ধান্ত কৰিলো এনে ধৰণেৰে, শ্ৰীহিৰণ্য বৰা হাৱাজান জিৰণী ঘৰত ৰ'ব। শ্ৰীসিংহই তেখেতক এৰি নাযায়। জিৰণী ঘৰত থাকোতেই আমি আমাৰ স্মাৰক-পত্ৰ দিম। ড্ৰাইভাৰজনক কৈ আমি তিনিওজনে হাৱাজান I.B. লৈ আহিলো। I.B.-ত আমাৰ ৰাজনৈতিক আলোচনা হ'ল। এনেতে ভীষণ শব্দ কৰি মুখ্যমন্ত্ৰী আহিল। শ্ৰীহিৰণ্য বৰাৰ আগত আৰু আমি তেওঁৰ কাষতে ৰ'লো। শ্ৰীহিৰণ্য বৰাই আমাক মুখ্যমন্ত্ৰীৰ লগত পৰিচয় কৰি দিলে। সেই সুযোগতে আমি আমাৰ স্মাৰক-পত্ৰ প্ৰদান কৰিলো। মুখ্যমন্ত্ৰীয়ে আমাক সুধিলে দৰং জিলাৰ ভূমিহীন কৃষক ঔগুৰিত আছেনে নাই? আমাৰ উত্তৰ আছে। নিগম প্ৰতিষ্ঠা কৰাত আপোনালোকৰ মতামত কি? আমি পতাৰ সপক্ষে মতামত দিলো। তেনেতে কংগ্ৰেছ কৰ্মীসকলে সেই ঠাই পাইছিলহি। মুখ্যমন্ত্ৰীয়ে এটা কথা তেখেতসকলক উদ্দেশ্যি কোৱা শুনিছিলো—"ভূঞা আৰু বৰুৱা, মই নিগম দিয়াত একমত হৈছো। আপোনালোকে মোক বেয়া নাপাব।" গাড়ী চলিল। আমিও ঘূৰিলো। সেইদিনটোও আমাৰ কাৰণে এটি মহান দিন আছিল।

১৯৭৩ চন। দিগম্বৰীত নিগম প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত হ'ল। আমি

OKDISCD

স্বৰ্গীয় বৰাক ক'লো, সেই ঠাই খেতিৰ কাৰণে বিশেষ সুবিধাজনক নহয়। গতিকে সময় থাকোতেই ধান খেতিৰ উপযুক্ত মাটি এটুকুৰা চাই লোৱা ভাল। স্বৰ্গীয় বৰাই আমাৰ কথাত কোনো গুৰুত্ব নিদিয়াত আমি অন্তৰত দুখ পালো।

১৯৭৩ চনৰ ডিচেম্বৰ মাহত নিগমৰ প্ৰথম সঞ্চালক "বোৰ্ড" গঠন হয়। এই সঞ্চালক মণ্ডলীৰ সদস্য স্বৰ্গীয় নোমল ভূএগ, শ্ৰীযুত গণেশ কুটুম আৰু স্বৰ্গীয় শশী গোহাঁইক মনোনীত কৰিলে। সেই সময়ত আমাৰ সংগঠনৰ ৩০-৪০ ঘৰ মানুহ বনাঞ্চলতে আছিল। কিন্তু আমি ১২০ ঘৰৰ এখন তালিকা তৈয়াৰ কৰি কমৰেড় শ্ৰীটঙ্ক নেওগৰ হাতত দিয়াৰ উপৰিও স্বৰ্গীয় বৰাৰ হাতত অৰ্পণ কৰিলো। সভাপতি স্বৰ্গীয় বৰাই আমাক উপায়ুক্তৰ পৰা ভূমিহীনৰ তালিকা পিছত উলিয়াই দিব লাগিব বুলি ক'লে। কিন্তু স্বৰ্গীয় ভূএগ চাৰে কমৰেড় শ্ৰীটঙ্ক নেওগৰ পৰা প্ৰকৃত দৰং জিলাৰ বেদখলীৰ লিষ্ট সংগ্ৰহ কৰিলে। শুদ্ধ বেদখলীৰ লিষ্ট স্বৰ্গীয় ভূএগ চাৰক দিয়াৰ বাবে কমৰেড় নেওগক আমি বহু তিৰস্কাৰ কৰিছিলো। আমাৰ এই উক্তিটো কমৰেড় নেওগৰ বোধকৰো মনত আছে, অৰ্থাৎ খবৰ আহিল, পৰহিলৈ আমি দিয়া ৬০ ঘৰ মানুহ উপায়ুক্তই অনুমোদন কৰি নিদিলে সেই ছয়কুৰি ঘৰ মানুহ নিগমৰ অংশীদাৰৰ পৰা কটা যাব।" স্বৰ্গীয় কৰ্ণেশ্বৰ ভূএগৰ ওচৰ পালোগৈ। সেই সময়ত গহপুৰ সমষ্টিৰ বিধায়ক আছিল শ্ৰীৰামচন্দ্ৰ শৰ্মা। স্বৰ্গীয় ভূএগ আৰু মোৰ দুয়োৰেই বন্ধু। তেখেত ঘাঁহিগাঁৱত আছে। লৰা-লৰিকৈ এখন চিঠি আৰু যাবতীয়ৰ খৰচৰ বাবদ ৪০.০০ টকা দি এখন লড়ী মটৰত স্বৰ্গীয় ভূএগক শ্ৰীশৰ্মাৰ ওচৰলৈ পঠালো। মাজত মাত্ৰ এটা দিন। স্বৰ্গীয় ভূএগই শ্ৰীশৰ্মাক লগ পালে। শ্ৰীশৰ্মাই দায়িত্ব ল'লে কালিলৈ সম্পূৰ্ণ কাম উপায়ুক্তৰ দ্বাৰা কৰি পাছদিনা পৰিচালনা সভাত পোৱাকৈ পঠাব। শ্ৰীশৰ্মাই পৰিচালনা সমিতিলৈ উপায়ুক্তৰ হাততে কাম ফেৰা সম্পূৰ্ণ কৰি উক্ত ভূমিহীন পৰিয়ালকেইটিৰ উপকাৰ কৰিলে। এই দিনটোও মোৰ কাৰণে এটি মনত থকা দিন। ১৯৮৩ চনৰ বিদেশী বিতাৰণ আন্দোলনত আমাৰ ঘৰ ভস্মীভুত হোৱাৰ কাৰণে চন আৰু তাৰিখসমূহ বিতংকৈ দিব নোৱাৰি আমি দুঃখিত। ◉

---

# পূৰ্ব্বজ্যোতিৰ পবিত্ৰ স্মৃতি

দুৰ্গা ভূএগ
ৰাজগড়, শিলমুগুৰি, লক্ষীমপুৰ

পূৰ্ব্বজ্যোতি নিগম যেন দৰিদ্ৰৰ স্বৰ্গধাম
বিষ্ণু ৰূপী বিষ্ণু বৰাৰ আদৰৰ ধন
অশেষ যতন কৰি ধৰাতে স্বৰগ ৰচি
ভোকাতুৰৰ ভোক যেন কৰে নিবাৰণ
নতুন নিয়ম ৰচি ভূগোলত স্বৰ্গ সাজি
ভাল দৰিদ্ৰৰ মাজে অমৃত বিলাব
সূৰ্যৰ উদয় হ'ল দেখি নাম দিলে পূৰ্ব্বজ্যোতি
মিলিজুলি সকলোটি সাগৰ মথিব
ভবা মতে কাৰ্য সিদ্ধি হ'লেও যেন কাৰ্য বিধি
অকালতে কিয় বাৰু কৰিলে প্ৰয়াণ
অমৰ আত্মা আহি আকাশে বতাহে ভাহি
পূৰ্ব্বজ্যোতি নিগমৰ ল'ব খতিয়ান
নিগমৰ কাৰ্যসূচী পূৰ্ণ হ'ব অভিৰুচি
সকলোকে অন্তৰেৰে আশীৰ্ব্বাদ দিব
আত্মাই লভিব শান্তি নাথাকিব ভুল-ভ্ৰান্তি
ধৰাত জনম লভি দেৱত্ব লভিব
ক'ত আলৈ আহুকাল নেওচি হ'ল লালকাল
তথাপিতো নিৰাশ ভাব নাহিল মনত
সাহক সাৰথি কৰি কৰ্তব্যৰ পিছে লৰি
মৰততে স্বৰ্গ সাজি লভিলে সন্তোষ
বিষ্ণু ৰূপী বিষ্ণু বৰা নোমলৰ কোমল কথা
কোনে বাৰু পাহৰিব পাৰে
অতীত আঁতৰি গ'লে বৰ্তমানে দেখা দিলে
অতীতৰ স্মৃতি মাথো ৰ'ব একেদৰে
দৰিদ্ৰৰ পূজাস্থলী উজ্জ্বলি উঠিছে আজি
পূজাৰ দুন্দভী বাজে যেন ৰণাঙ্গন
বিষ্ণু বৰা অমৰ হ'ল লগতে হ'ল নোমল ভূএগ
পূৰ্ব্বজ্যোতি নিগমৰ নৰাৰায়াণ ◉



OKDISCD

# সাম্যবাদৰ এক জ্বলন্ত দৃষ্টান্ত

মুহীউদ্দিন আহমদ
১ নং আহমদপুৰ, লক্ষীমপুৰ

পৰম কৰুণাময়ৰ অপাৰ মহিমাৰে এই বিশাল পৃথিৱী। তেওঁৰ মহিমাৰাজি প্ৰকাশৰ অভিপ্ৰায়েৰে সময়োপযোগী মহামানৱসকলক প্ৰেৰণ কৰি ভ্ৰান্ত জগতবাসীক সৎ বাট দেখুৱাই অনাবিল ভ্ৰাতৃপ্ৰেমৰ জড়িয়তে প্ৰভু-প্ৰেমৰ নিদৰ্শন বিস্তাৰ কৰিছিল। সেইসকলে ঐকান্তিক চেষ্টাৰে পৃথিৱীত শান্তি-শৃঙ্খলা-ভ্ৰাতৃত্ববোধৰ মহা মন্ত্ৰেৰে জগতবাসীক পোহৰ বিলাইছিল। তেওঁলোকৰ মতে "বিশ্বমানৱ জাতি একেজন পিতৃৰ সন্তান আৰু সকলোৰে জন্মভূমি এই পৃথিৱী।" কিন্তু প্ৰাচীনকালৰ পৰাই মানুহে ধৰ্মৰ নামত, জাতিৰ নামত, দেশৰ নামত বিশৃংখল সৃষ্টি কৰি শান্তিময় ধৰাক কলুষিত কৰি আহিছে।

যদিও বহুত দিন যেন লাগে, কিন্তু পৃথিৱীৰ বয়স অনুপাতে সৌ সিদিনাখন যেন লগা আমাৰ অসমতে জগত গুৰু শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মৰ আধাৰত এই সংস্কাৰত শান্তি-শৃঙ্খলা- ভ্ৰাতৃত্ববোধ-ধৰ্মবোধৰ চানেকীৰে অনুপ্ৰাণীত হ'ল অসমবাসী। প্ৰকৃত সাম্যবাদৰ দৃশ্যপট এইজনাই আঁৰি থৈ গ'ল জগতবাসীৰ দুচকুত। তাৰে আলম লৈ আমি আজি দেখা পাইছো আমাৰ ভৱিষ্যৎ। নিশ্চয় এইগৰাকী মহাপুৰুষ প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ প্ৰতিজন অসমীয়া পুৰুষ-মহিলা, আনকি ল'ৰা-ছোৱালীৰ মাজতো বিদ্যমান। তাৰে এটি জ্বলন্ত নিদৰ্শন দাঙি ধৰাৰ প্ৰয়াস কৰিছোহঁক।

বিগত ১৯৭৫ চনত আমাৰ চাৰিটা পৰিয়ালে পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ খবৰ পাই মাটি চাবলৈ আহে। তেতিয়া নিগমৰ সভাপতি আছিল নিগমৰ পিতৃপুৰুষ স্বৰ্গীয় বিষ্ণু বৰাদেৱ। মই পৰিয়ালকেইটিৰ হৈ তেখেতক লগ কৰি পৰিচয় দিলো। তেখেত আমাৰ আগৰেই পৰিচিত আছিল যদিও নিগমৰ অংশীদাৰ হ'বলৈ কিছু দায়-দায়িত্ব আছে বুলি তেখেতৰ অন্তৰঙ্গ বন্ধু প্ৰাক্তন বিধায়ক কাজী আফাজুদ্দিন আহমদ চাহাবৰ পৰা আমাৰ পৰিচয় সম্বলিত কিছু তথ্য আনিবলৈ ক'লে। মই সেই মতে তেখেতৰ পৰা এখন চিঠি আনি দিলো। আমি নিগমৰ অংশীদাৰ হোৱাৰ পিছত বৰা চাৰে বন্ধুবৰক মোৰ মাৰফতত নিগমলৈ নিমন্ত্ৰণ জনালে। নিমন্ত্ৰণ পাই কাজী চাহাব মোৰ লগতে নিগমলৈ আহিল। দুই বন্ধুৰ মিলনত যেন নিগমত আনন্দই নধৰা হ'ল। প্ৰকাণ্ড হাবি, বিভিন্ন চৰাইৰ মাত, হাতীৰ চিঞৰ, বাঘৰ গোজৰণী শুনি কাজী চাহাবে আমাক প্ৰশ্ন কৰিলে, আমি জানো ইয়াত থাকিব পাৰিম? উত্তৰত অতব্য হাবি, হাতীৰ উপদ্ৰৱে আমাক একো কৰিব নোৱাৰে বুলি ডাঠি ক'লো। তেতিয়া অসম আৰু অৰুণাচলৰ পাহাৰৰ পাদদেশত এই নিগম অৱস্থিত আছিল। আমি হাতীৰ লগত যুঁজ দিহে আছিলো বুলি ক'লেও বঢ়াই কোৱা নহ'ব। যিসকল অংশীদাৰ আমাৰ ওচৰ চুবুৰীয়া ভাইসকল আমাৰ লগত আছিল, সেইসকলৰ সাহত আমাৰ মনলৈ উদ্দীপনা আহিছিল। আমাৰ মাজত কি মিলাপ্ৰীতি আছিল সেইবোৰ মনলৈ আহিল এতিয়াও উৎফুল্লিত হৈ উঠো। হাতীৰ অত্যাচাৰ আমি নিগমবাসীয়ে বাৰুকৈ ভুগিছিলো। ঘৰ-দুৱাৰ ভাঙি, শস্য নষ্ট কৰি লণ্ড-ভণ্ড কৰিছিল। আনকি এনেকুৱা সময়ো গৈছে যে, বেলি ডুবাৰ পাছত আমি পুৱালৈকে জীয়াই থাকিম নে নাই তাৰ কোনো ঠিক নাছিল। হাতীৰ ভয়ত দিনতেই ঘৰৰ চাৰিওফালে খৰি গোটাই জুই লগাই ৰাখিব লাগিছিল। মোৰ ভালকৈ মনত আছে যে, আমি গৈয়ে যি জুই জ্বলাইছিলো সেই জুই ডেৰ বছৰলৈকে একেৰাহে জ্বলি আছিল।

আমি চৰকাৰী নিৰ্দেশত মধ্য নিগমলৈ বদলি হৈ আহিছিলো। তাত নানা দুখ-কষ্টৰ লগত যুঁজ-বাগৰ কৰি বৰ্তমান ঠাইত স্থায়ীভাৱে বসতি কৰাৰ সুবিধা কৰ্ত্তৃপক্ষই কৰি দিয়ে। এই ঠাইত ধানখেতি ভাল হয় আৰু বাট-পথৰ আশানুৰূপ উন্নতি হোৱাত আৰ্থিক অৱস্থাৰ সূচল হ'ল।

বিধিৰ বিপাকত ১৯৮৩ চনৰ ভাতৃঘাতী সংঘৰ্ষৰ বলি হয় আমাৰ পূৰ্ব্বজ্যোতি কৃষিপাম নিগম। কলাবাৰী উঃ মাঃ বিদ্যালয় শিৱিৰত আমাৰ এই পৰিয়ালকেইটিয়ে যি আদৰ-আপ্যায়ন স্বেচ্ছা সেৱকসকলৰ পৰা পাইছিল, সেই দৃশ্য মনত পৰিলে আনন্দত চকুপানী ওলাই আহে। শান্তি ঘূৰি অহাত আমাৰ পৰিয়ালকেইটি নিগমলৈ উভতি নগৈ পুনৰ লক্ষীমপুৰৰ নিজৰ ঠাইলৈ গুচি আহে। কিন্তু পুনৰ দুখৰ পিছত সুখ, এই অৱধাৰিত সত্যতা প্ৰকাশ পোৱাত পুনৰ নিগম সজীৱ হৈ উঠে। সাম্যবাদী আদৰ্শৰে আদৰ্শবান, মানৱতাবাদী বন্ধুকেইজনে আমাৰ পৰিয়ালকেইটিৰ অবিহনে যেন নিগমত অশান্তি বিৰাজ কৰিব, কিবা এটা যেন হেৰাই যাব এনে অনুভৱ কৰি আমাক বুজাই-বঢ়াই পুনৰ নিগমলৈ ঘূৰাই আনে। সাম্যবাদ, ভাতৃত্ববোধৰ এনে চানেকী পুথিয়ে-পাঁজিয়ে থকা বুলি জানিছিলো, কিন্তু মানৱতাৰ এই জ্বলন্ত প্ৰমাণে আমাক, দেশক, দহক অভিভূত কৰিছে। সেই সকলক আমি সদায়ে শ্ৰদ্ধাৰে সোঁৱৰো।

এই "পূৰ্ব্বজ্যোতি কৃষিপাম নিগম" আমাৰ অতি চেনেহৰ, অতি মৰমৰ। আমি কেতিয়াও ইয়াৰ স্মৃতি পাহৰিব নোৱাৰিম। আমাৰ পৰিয়ালৰ নিগমত জন্ম হোৱা ল'ৰা-ছোৱালীবোৰে সদায় নিগমৰ কথাকে পাতে। এতিয়াও আমাৰ নিগমৰ লগত সম্পৰ্ক অতি নিবিড়। আমাৰ মাজত আছে বন্ধুত্ব, ভাতৃত্ব, সম্বয়ৰ নিদৰ্শন। আজি নিগমৰ ৰূপালী জয়ন্তী সমাৰোহ উপলক্ষে কৰ্ম-কৰ্তাসকলে আমাক মনত পেলাই আমন্ত্ৰণ জনোৱাত সেইসকললৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু ভাবিবলৈ বাধ্য হৈছো, আমি নিগম এৰিলেও নিগমে আমাক এৰা নাই। এই বান্ধোন আন্তৰিকতাৰ। এই বান্ধোন চিৰকালৰ।

আজি নিগমৰ ৰূপালী জয়ন্তী সমাৰোহৰ শুভ মুহূৰ্তত যিসকল মহান মানৱ দৰদীয়ে অতি কষ্টেৰে, চেষ্টাৰে নিগম স্থাপন কৰি হেজাৰ হেজাৰ দুখীয়া লোকৰ অন্ন-বস্ত্ৰ-বাসস্থানৰ ব্যৱস্থা কৰিলে, সেইসকলক শ্ৰদ্ধাৰে সুঁৱৰিছো। এই ৰূপালী জয়ন্তী নিগমৰ কীৰ্তি স্মৰণীয় হৈ থাকিবৰ বাবে যিসকলে অশেষ কষ্ট আৰু ত্যাগেৰে উদ্‌যাপন কৰিবলৈ লৈছে, সেই সকললৈ আমাৰ আন্তৰিক অভিনন্দন থাকিল।

সদৌ শেষত "পূৰ্ব্বজ্যোতি কৃষিপাম নিগম"ৰ ভৱিষ্যৎ উজ্জ্বল কামনা কৰি "ৰূপালী জয়ন্তী উৎসৱ" সফল হওক ভগৱানৰ ওচৰত এই প্ৰাৰ্থনাৰে সামৰণি মাৰিলো।

OKDISCD

# পূৰ্ব্বজ্যোতি নিগমৰ সামাজিক আৰু সাংস্কৃতিক দিশত এভূমুকি

মহেন্দ্ৰ বৰা

১৯৭২ চনৰ কোনোবা এটা দিন। লক্ষীমপুৰ জিলাৰ শিমলুগুৰি চেণ্টাৰৰ দোকানে-বজাৰে দুই-চাৰিজন লোক গোট খাই আলোচনা কৰিছে। বিষয়বস্তু "ভূমি দখল", গহপুৰ বনাঞ্চলৰ ঔগুৰি ৰিজাৰ্ভত ভূমিহীন কৃষকসকলে সামুহিকভাৱে হাবি-জংঘল ভাঙি মাটি দখল কৰিব। মই সেই সময়ত শিলমুগুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ। মাটি দখল, ভূমিহীন আদি কথাবোৰ মই ভালকৈ নুবুজো। কথাবোৰ মানুহৰ মাজত সোমাই শুনি থাকো। দুই-চাৰিদিনৰ পাছত দেখিলো শিলমুগুৰি নামঘৰত প্ৰায় ডেৰশ-দুশজনমান ভূমিহীন কৃষকৰ মাজত সেৱাদলৰ প্ৰশিক্ষণ। নেতৃত্ব লৈছিল "ধলপুৰ গণক দলনী" নিবাসী বৰ্তমান দা-ধৰা মধ্য ইংৰাজী বিদ্যালয়ৰ সহঃশিক্ষক শ্ৰদ্ধেয় শ্ৰীযুত তৰুণ দেৱ, বিহপুৰীয়া নিবাসী শ্ৰীযুত তুলসী বৰা আৰু বৰ্তমান নিগমৰ নিবাসী শ্ৰীযুত নাৰায়ণ ভুঞা, শ্ৰীযুত নন্দেশ্বৰ দাসদেৱে। কিছুদিন প্ৰশিক্ষণৰ অন্তত প্ৰশিক্ষণৰ সামৰণি পৰিল। প্ৰশিক্ষণৰ উদ্দেশ্য সম্পৰ্কত মোৰ বিশেষ জ্ঞাত নহ'লেও ভূমি দখল আন্দোলনৰ নেতৃবৃন্দৰ পৰা জানিব পাৰিছিলো যে, ১৯৭২ চনৰ ২ অক্টোবৰত সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী মাননীয় শ্ৰীযুত শৰৎচন্দ্ৰ সিংহদেৱ "পূৰ্ব্বজ্যোতি কৃষিপাম নিগম" উদ্বোধনৰ বাবে অহাৰ কথা। তাৰ বাবে ব্যাপক প্ৰস্তুতি। তেখেতক আদৰণী জনাবৰ বাবেই আছিল এই সেৱাদলৰ প্ৰশিক্ষণ। কিন্তু মুখ্যমন্ত্ৰী মহোদয় সময়ত নাহিল। কিয় নাহিল সেই কথা নুবুজিলো।

দিন বাগৰি গৈ আছে। শ শ ভূমিহীন কৃষক সমবেত হৈ গহপুৰ বনাঞ্চলত হাবি-জংঘল ভাঙি ভূমি দখল কৰিবলৈ আগবাঢ়ি আহিল ১৯৭৩ চনৰ ১৭ জানুৱাৰী দিনটোত। এয়াই ভূমি দখলৰ প্ৰথম পদক্ষেপ হাবি-জংঘল কাটি কিছু মুকলি কৰিয়েই প্ৰস্তুতি চলিল ঘৰ-দুৱাৰ সজাৰ। তিনি নল ব্যৱধানত একোটিকৈ খাগৰিৰ ঋৱা কামি, কাঠৰ খুটাৰে সৰু সৰু জুপুৰী সাজি পৰিয়াললৈ আৰম্ভ কৰিলে বসবাস। ১৯৭৩ চনৰ ২৪ চেপ্তেম্বৰত পূৰ্ব্বজ্যোতি কৃষিপাম নিগম পঞ্জীয়ন হ'ল, চৰকাৰীভাৱে মন্ত্ৰী, বিষয়া, কৰ্মচাৰীৰ আহ-যাহ চলিল সঘনাই। চৰকাৰী আইন আঁচনিৰ প্ৰয়োগৰ প্ৰস্তুতি আৰম্ভ হ'ল। নিগমটো চৰকাৰী বিষয়া-কৰ্মচাৰীৰ নিযুক্তি দিলে। আৰম্ভ হ'ল কৃষি কাৰ্যৰ। ইতিপূৰ্বে আৰম্ভ হ'ল এক ৰাজনৈতিক "ঘূৰ্ণী বতাহ"। কৃষিপাম নিগম প্ৰতিষ্ঠাৰ বাবে এই মাটি উপযুক্ত নহয় বুলি প্ৰতিপন্ন কৰাৰ বাবে হেঁচা পৰিল "মাটি পৰীক্ষা বিভাগৰ ওপৰত। সেই সময়ৰ কৃষিমন্ত্ৰী মাননীয় উপেন দাসদেৱৰ প্ৰচেষ্টাত থমকি ৰ'ল সেই ৰাজনৈতিক পাকচক্ৰ। পুনৰ আৰম্ভ হ'ল কৃষি কাৰ্যৰ। উন্নত বীজ, সাৰ যোগানৰ উপৰিও ট্ৰেক্টৰ, বলড্ৰেজাৰ আদিৰ যোগান ধৰিলে চৰকাৰীভাৱে। আহু, শালি, ৰবি শস্য ভাগে ভাগে কৰিলে কৃষকসকলে। কিন্তু বনৰীয়া হাতীৰ উপদ্ৰৱত কঠিন হৈ আহিল খেতি ৰক্ষা কৰাৰ। প্ৰতিদিনেই উপদ্ৰৱ চলিল বনৰীয়া হাতীৰ। হাতীও আহে একেলগে এশ-ছকুৰি। সন্ধ্যাৰ লগে লগে খাই-বৈ ৰাইজ সাজু হৈ থাকে হাতী খেদিবলৈ। প্ৰতি ঘৰৰ চোতালে চোতালে একুৰাকৈ প্ৰকাণ্ড জুই। হাতী ওলোৱাৰ লগে লগে ৰাইজৰ মাজত লাগে হৈ-চৈ। হাতে হাতে জোৰ, পকা আঙঠাৰ দখৰা খড়ি, যাঠী, জোং আদি লৈ ৰাইজ আগবাঢ়ে হাতী খেদিবলৈ।

এদিনৰ কথা, বৰ্তমান দৈমালু ফুটবল খেলপথাৰৰ পশ্চিমে ওখ ঠাই খণ্ডতে আছিল পুৰণি নিগমৰ চৰকাৰী কাৰ্যালয়। কাৰ্যালয়ৰ উত্তৰে ৰাস্তাৰ কাষতে আছিল প্ৰয়াত বিষ্ণু বৰাদেৱৰ ঘৰ। তেখেতৰ ঘৰৰ পিছফালে আছিল যথেষ্ট এলেকাজুৰি আহুধানৰ খেতি। সন্ধ্যা ৭-৮ মান বজাতে হাতী আহি আহু খেতি নষ্ট কৰিছে। হুলস্থুল হ'ল হাতী হাতী বুলি। ৰাইজ দলে-বলে আগবাঢ়িল হাতী খেদিবলৈ। হাতী খেদিব পৰা নাই। এবাৰ ৰাইজে হাতী খেদে, এবাৰ হাতীয়ে ৰাইজক খেদে; চলি আছে হাতী আৰু ৰাইজৰ মাজত যুঁজ। এনেতে কিছু আঁতৰত দেখা পালো এটা চাকিৰ পোহৰ আগবাঢ়ি আহি আছে হাতী থকাৰ ফালে। ভাবিলো কোন সেইজন? আমিও সেই চাকিৰ ফালে আগবাঢ়িলো। ওচৰ পাই দেখো স্বৰ্গীয় সাদৰী দত্তই দীঘলশিঙীয়া ম'হ এটা (ম'হটো যথেষ্ট শকত) আগত লৈ চাকিটো মূৰত লৈ আগবাঢ়িছে হাতী খেদিবলৈ। লগত আৰু দুজনমান। পিছে হাতীয়েও ম'হটো দেখিয়েই বোধহয় হাবিৰ ফালে আঁতৰি গ'ল। সেইদিনাহে আমাৰ ভাব হৈছিল, ম'হ দেখিলে হাতীয়ে কিছু ভয় কৰে।

আন এদিনৰ কথা। আগদিনা সন্ধ্যা বাঘে শ্ৰীকলিকতীয়া চাৰিঙীয়াৰ এজনী গাইগৰু টানি নিলে হাবিৰ মাজলৈ। পিছদিনা পুৱা খবৰ পাই আমি ৬-৭ জনমান লগৰীয়াৰ সৈতে বাঘ যোৱাৰ চিন চাই আগবাঢ়িলো হাবিৰ মাজলৈ। কিছু আঁতৰত বাঘে মৰা গৰুজনী পৰি আছে আধা খোৱা অৱস্থাত। বাঘটো নেদেখিলো। ওলাই আহিলো আমি হাবিৰ মাজৰ পৰা। বাটতে লগ পালো "কলিকতীয়া"ক। মানুহজনে ভালকৈ কাণেৰে নুশুনে। আমাক সুধিলে কিবা দেখিলো নে? আমি ক'লো—"গৰুজনী সৌ ঠাইতে পৰি আছে। বাঘ নাই।"

OKDISCD

কলিকতীয়া আগবাঢ়িল গৰুজনী পৰি থকাৰ ফালে। কান্ধত এখন মেছি দা। অলপ পাছতে আমি শুনিলো কলিকতীয়াৰ চিঞৰ-বাখৰ। আচৰিত হ'লো আমি সকলোৱেই। কিন্তু খন্তেক পিছতে দেখিলো কলিকতীয়া দৌৰি ওলাই আহিছে হাবিৰ মাজৰ পৰা। আমি সুধিলো, 'কি হ'ল?' ফোপাই-জোপাই ক'লে—'বাঘে গৰুজনী খাই থাকোতে মই মুখৰ আগত ওলালো। কান্ধত থকা দীঘল দাখন ঘূৰাই চিঞৰি দিয়াত বাঘ জাপ মাৰি হাবিত সোমাই পৰিল।" এনেকৈয়ে বনৰীয়া হাতী, বাঘ আদিৰ লগত সংগ্ৰাম হ'ল দিনে-ৰাতিয়ে। থমকিও ৰোৱা নাছিল কৃষকসকল। মুঠতে বনৰীয়া হাতী বাঘ খেদাটো নিগমবাসী ৰাইজৰ বাবে এক উৎসৱ হোৱাৰ দৰে হ'ল। লগে লগে আন এক সংগ্ৰামৰ সৃষ্টি হ'ল মেলেৰীয়া মহামাৰীৰ লগত। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা নিগমবাসী ৰাইজে হাবি-জংঘলৰ মাজত নতুন বতাহ, নতুন পানী, নতুন পৰিবেশৰ লগত নিজক প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে তীব্ৰ সংগ্ৰাম দিব লগা হ'ল মেলেৰীয়া, গ্ৰহণী আদি মহামাৰীৰ লগত। দুখ লাগে, সেই অতীত স্মৃতিবোৰ ৰোমন্থন কৰিলে। যাৰ বাবে সেই মহান ত্যাগী পিতৃ-পিতামহসকলে ইমান কষ্ট, ত্যাগক পৰিহৰি সুখ-শান্তি-ঐক্য-প্ৰগতিৰ এক ৰাম ৰাজ্যৰ হয়তো সপোন ৰচনা কৰিছিল। কোনোৱে মহামাৰীৰ সংগ্ৰামত হেৰুৱালে নিজৰ সহ-ধৰ্মিনীক, কোনোৱে হেৰুৱালে নিজৰ স্বামীগুৰুক, কোনোৱে নিজৰ ঔৰসজাত পুত্ৰ-কন্যাক। তথাপি থমকি নৰ'ল কৃষক ৰাইজ। কেউপিনে কেৱল যুঁজ আৰু যুঁজ। হাবিৰ লগত যুঁজ, হাতীৰ লগত যুঁজ বাঘৰ লগত যুঁজ, মেলেৰীয়াৰ লগত যুঁজ। এইখিনিতে উল্লেখ নকৰিলে দোষে চুব যে, মেলেৰীয়া আদি মহামাৰীৰ লগত যুঁজ দিয়াত ডুবিয়াৰ সেই সময়ৰ নিবাসী স্বৰ্গীয় ডম্বৰু গগৈদেৱ আৰু সেই সময়ৰ শিমলুগুৰিৰ চৰকাৰী চিকিৎসকসকলে প্ৰভুত অৱদান আগবঢ়াইছিল।

লগে লগে আহিল অকাল দুৰ্ভীক্ষ। ধান নাই, চাউল নাই। ক'ৰবাত কোনোৱে হাজিৰা কৰি, কোনোৱে হয়তো আলু-কচু বিক্ৰী কৰি কোনোমতে পেট প্ৰৱৰ্তাইছে। কোনোৱে হয়তো বনৰীয়া আলু আদিকে পানীত সিজাই তাকে খাই কোনো ৰকম জীয়াই থকাৰ কথাকে ভাবিছে। মনত পৰে এটা দিনৰ কথা, আমাৰ তিল খেতি আছিল প্ৰায় তিনি কঠামান মাটিৰ। ভালো হৈছিল তিলডৰা। ধান-চাউল একো নাইকীয়া হ'ল ঘৰখনত। বেচিবলৈও একো নাই। তিলকে তিনি কিলোগ্ৰামমান লৈ গ'ল বিক্ৰী কৰিবলৈ শিমলুগুৰিত মোৰ ভাতৃয়ে। তিনি কিলোগ্ৰাম তিল বিক্ৰী কৰি চাউল পালে এক কিলো নে ডেৰ কিলোগ্ৰাম। বজাৰ আছিল তেনে পৰ্যায়ৰ। এফাৰ ফলা খৰি ছ-জকিলোমিটাৰ বাট একাঠুৰনীয়া বোকা-পানী গছকি শিমলুগুৰিত বিক্ৰী কৰিলে পইচা পায় আঢ়ৈ টকা, তিনি টকা; চাউল এক-ডেৰ কেজি। তাৰে আকৌ নিগমৰ কাৰ্যায়লত জমা দিব লাগে চাৰি অনা (চপ্ত পইচা)। এনেকৈয়ে বাগৰি গৈ আছে দিনবোৰ।

১৯৭৩ চনৰে কোনোবা এটা দিনৰ কথা। বাৰটো আছিল শনিবাৰ, শিমলুগুৰিত সাপ্তাহিক বজাৰ। শিমলুগুৰি নিবাসী "হাবিয়াল" নামৰ এজন বড়ো সম্প্ৰদায়ৰ লোকে পূৰ্ব্বজ্যোতি নিগমৰ পৰা এভাৰ ফলা খৰি কান্ধত লৈ শিমলুগুৰিৰ এজন ব্যৱসায়ীৰ কাটাপাল্লাত তুলি দিলে, খৰি ভাৰৰ ওজন হ'ল এক কুইণ্টল পাঁচ কিলোগ্ৰাম। পইচা পালে ছয় নে সাত টকা মাত্ৰ। তাকে লৈ কান্ধত বাওকাপাত পেলাই বজাৰৰ মাজত সোমাল চাউল কিনাৰ বাবে। বজাৰত মানুহৰ ভীৰৰ মাজত বাওকাপাত দীঘল হৈ যোৱাত (বোধহয় তেখেতে পাহৰিয়েই তেনেকৈ লৈছিল) এজন লোকে ভেকাহি মাৰি ক'লে—"হেই, এইডাল থিয়কৈ নলৰ কেঁলৈ" বুলি কৈয়েই বাওকাপাত ঠেলা মাৰি দিয়াত বাওকাপাতে আন এজনক খুন্দা মাৰিলে। তৃতীয়জনে খুন্দা খোৱাত হাবিয়ালক অলপ টানকৈ ক'লে। হাবিয়ালে বাওকাপাত দুহাতেৰে খামুচি ধৰি দাঙি লৈ, "একেচাটে পুলিচ-চুলিচ উৰুৱাই দিম" বুলি ডাঙৰকৈ ক'লে এই কাৰণে যে, বাওকাপাত ঠেলা মৰাজন পুলিচ বিভাগৰ এজন কনিষ্টবল আছিল। ৰাইজৰ মাজৰে কেইবাজনে হাবিয়ালক বুজাই-বঢ়াই পঠাই দিলে আৰু পুলিচৰ লোকজনকো এক কুইণ্টলকৈ খৰি বোজাই কান্ধত ৬-৭ কিলোমিটাৰ বাট কঢ়িওৱাজনৰ কিমান বল-শক্তি থাকিব পাৰে আৰু তেনেজনে সেইপাত বাওকাৰে মাৰিলে মাৰ খাওতাজনৰ কি অৱস্থা হ'ব পাৰে ইত্যাদি কথাবোৰ কৈ আগলৈ তেনে নকৰিবলৈ সতৰ্ক কৰি দি সিজনকো পঠাই দিলে আৰু বিকৰ্তখন ইমানতে ভাঙি দিলে। এইখিনিতে এটা কথা স্বীকাৰ কৰিব লাগিব যে, কৃষি-শ্ৰমিক আন্দোলনৰ আৰম্ভণিৰে পৰা নিগম প্ৰতিষ্ঠা কৰাকে ধৰি যিকোনো মুহূৰ্তত শিমলুগুৰি তথা লক্ষীমপুৰীয়া ৰাইজৰ অকুণ্ঠ সহানুভূতি পাহৰিব নোৱাৰি।

পূৰ্ব্বজ্যোতি নিগমত প্ৰায় ঊনৈশটা সম্প্ৰদায় আছে। কোঁচ, কলিতা, আহোম, চুতিয়া, কেওঁট, কৈৱৰ্ত, মটক, সুত, নট কলিতা, বনিয়া, নাথ, বেঙ্গলী, বড়ো, দেউৰী, নেপালী, প্ৰাক্ চাহবনুৱা, মুছলমান আদি কৰি বাৰে বৰণীয়া বিভিন্ন জনগোষ্ঠীৰ এক মিলনস্থলী। বিভিন্ন ভাষা-ভাষীৰ আবাসস্থলী হ'লেও সম্প্ৰদায়সমূহৰ মাজত উচ্চ-নীচৰ বিশেষ প্ৰভাৱ দেখা নাযায়। অন্য কিছুমান ঠাইৰ তুলনাত ইয়াত সাম্প্ৰদায়িক মনোভাৱ বহু গুণেই কম। কাৰোবাৰ মনত উচাত্মীকা ভাব কিছু থাকিলেও তাক প্ৰকাশ কৰাৰ সাহস, সুবিধা নাই। কাৰণ, নিগমবাসীৰ ৯০-৯৫ শতাংশই পূৰ্বে লোকৰ ঘৰত হালোৱা-হজুৱা কৰি অনেক দুখ-কষ্টৰ মাজেৰে লাঞ্চনা-গঞ্জনা ভুগি ভুগি শেষত সকলোৰে এটাই লক্ষ্য-উদ্দেশ্য আছিল, নিজৰ বুলি ভেটিটো গঢ়াৰ। আমাৰ মাজত প্ৰভেদ নাই, কোনো উচ্চ-নীচ, জাত-পাতৰ ব্যৱধান নাই। এক সুন্দৰ ঐক্যবদ্ধ সমাজ গঢ়াৰ পৰিকল্পনা। কিন্তু কালৰ গতিত ইয়াৰ পথত মাজে সময়ে জেং-জাবৰ

পৰি কিছু লেতেৰা নোহোৱাও নহয়।

**পূৰ্ব্বজ্যোতি নিগমৰ ধৰ্মীয় ধাৰা**

বিভিন্ন জনগোষ্ঠী, বিভিন্ন ভাষা-ভাষীৰে মিশ্ৰিত এই আবাসস্থলীত মুঠতে চাৰিটা ধৰ্মাৱলম্বীৰ লোক আছে। যেনে ঃ হিন্দু, খৃষ্টীয়ান, ইছলাম আৰু বৌদ্ধ। অৱশ্যে ইছলাম আৰু বৌদ্ধ ধৰ্মৰ সেৱক নিচেই সীমিত। হিন্দু ধৰ্মৰ লোকেই আটাইতকৈ বেছি। ইয়াৰ পাছতে খৃষ্টীয়ান। হিন্দুসকলৰ মাজত আকৌ অনেক পন্থা আছে। ক্ৰমে, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, এক শৰণ ভাগৱতী সমাজ, বৈদিক সমাজ, কালসংহতি, সত্ৰীয়া সেৱক (যিসকলে সাধুৰ দ্বাৰা সেৱা-সকাম পালন কৰে), শ্ৰীচৈতন্যৰ সনাতন ধৰ্ম, পুৰণি মায়া-মৰা অনিৰুদ্ধ সেৱক আদিয়েই প্ৰধান। ইয়াৰ ভিতৰত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সঙ্গীয়েই আটাইতকৈ অধিক। পূৰ্ব্বজ্যোতি কৃষিপাম নিগমত বিভিন্ন সম্প্ৰাদায়, বিভিন্ন ভাষা-ভাষীৰ ধৰ্মীয় পন্থা পৃথক পৃথক হ'লেও যিকোনো ধৰ্মৰে ধৰ্মীয় অনুষ্ঠান বা সভা-সমিতি আদি পালন কৰাৰ ক্ষেত্ৰত পৰস্পৰে পৰস্পৰক নিগমবাসীৰ ঐক্য-সংহতি-মৰ্যাদা ৰক্ষাৰ স্বাৰ্থত শক্তি অনুসৰি আৰ্থিক, কায়িক, মানসিক ভাৱে সহায়-সহযোগ কৰাটো অতি তাৎপৰ্যপূৰ্ণ। যিটো ঐক্য-সম্প্ৰীতি আন ঠাইত খুউব কমহে দেখা পোৱা যায় আৰু এটা কথা অপ্ৰিয় হ'লেও সত্য যে, সমাজৰ দুষ্কৃতিমূলক কাৰ্যৰ পৰা আঁতৰাই ৰাখিব পাৰি। ধৰ্মৰ প্ৰতি থকা বিশ্বাস, আনুগত্যৰে এইক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱ গুৰু দুজনাৰ নীতি-আদৰ্শৰ প্ৰতি আকৃষ্ট নোহোৱা হ'লে হয়তো নিগমবাসী ৰাইজ আজিকোপতি এলান্ধুকলীয়া কু-সংস্কাৰৰ কৰাল গ্ৰাসত পৰি থাকিবলগীয়া হ'লহেঁতেন। অৱশ্যে সকলোৱে সমানে সেই আদৰ্শৰ পথত যুঁজ দিব পাৰিছে বা পাৰিব এনে নহয়, কিন্তু প্ৰচেষ্টা অব্যাহত। এনেকৈ সকলো ধৰ্মাৱলম্বী লোকসকলৰ মাজত নিজ নিজ ধৰ্মীয় আদৰ্শৰ শিষ্টাচাৰ পৰিলক্ষিত হয়। খৃষ্টীয় সমাজৰ লোকসকল প্ৰায়েই প্ৰাক্তন চাহ বনুৱা সম্প্ৰাদায়ৰ। তেখেতসকলৰ আচাৰ নম্ৰতা, অমায়িকতা আদি গুণবোৰ নিশ্চয় ধৰ্মীয় প্ৰভাৱ বুলিয়েই ভাবিব পাৰি। নিগমবাসীৰ মাজত সকলো ধৰ্মীয় সংগঠনৰ সেৱকসকলে নিজ নিজ ধৰ্মীয় উৎসৱ-পাৰ্বনসমূহ যথা সময়মত বৰ উলহ-মালহেৰে পালন কৰি আহিছে। খৃষ্টীয়সকলৰ 'বৰদিন' উৎসৱ ভাগতেই উলহ-মালহ অলপ বেছি দেখা যায়। বিভিন্ন সমস্যা, অভাৱ-অনাটনৰ মাজত থাকিলেও ধৰ্মীয় আদৰ্শ, বিশ্বাস তদুপৰি বিভিন্ন সমাজৰ মাজত থাকিলেও ধৰ্মীয় আদৰ্শৰ প্ৰতি বিশ্বাস ৰাখি একে সুঁতিতে চলি যোৱাটো এক ধৰা-বন্ধা নিয়ম।

১৯৭৩ চনৰ কোনো এটা দিনা (মাহ, তাৰিখ মনত নাই) শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সেই সময়ৰ পদাধিকাৰ অসমৰ বৈষ্ণৱ পণ্ডিত শ্ৰদ্ধেয় শ্ৰীযুত সোণাৰাম চুতিয়াদেৱৰ নিগমলৈ আগমন হয়। আমাৰ নিগমবাসীৰ অতি শ্ৰদ্ধাৰ প্ৰয়াত বিষ্ণু বৰাদেৱৰ পৌৰহিত্যত পুৰণি নিগমৰ চৰকাৰী কাৰ্যালয়ৰ প্ৰঙ্গনত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাখনিৰ এটি বিশেষ তাৎপৰ্যপূৰ্ণ কথা আছিল এয়ে যে, যদিও চুতিয়াদেৱ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ পদাধিকাৰ তথাপি সেই ভাবেৰে নলৈ নিগমবাসীৰ সকলো ধৰ্মৰে ৰাইজে সেই সভাত যোগদান কৰিছিল। এইটো আমাৰ দেখা কথা আৰু এইটো কেৱল তেতিয়াই যে আছিল তেনে নহয়, বৰ্তমানেও যিকোনো ধৰ্ম বা পন্থাৰে আচাৰ্য বা প্ৰচাৰকসকলক আনি মুকলি সভা-সমিতি অনুষ্ঠিত হ'লে জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোৱে সকলোতে সমানে অংশগ্ৰহণ কৰে। শ্ৰদ্ধেয় চুতিয়াদেৱৰ ভাষণৰ তাৎপৰ্য আমি সেই সময়ত ভালদৰে নুবুজিলেও এটা কথা সুন্দৰকৈ মনত আছে যে, কোনো ধৰ্মকে জ্যেষ্ঠতা প্ৰতিপন্ন নকৰি সকলো ধৰ্মই যে সমান, কোন ধৰ্ম কেনেকৈ সৃষ্ট আদি অনেক ধৰ্মীয় ইতিহাস সম্বলিত ভাষণ দাঙি ধৰিছিল আৰু বোধহয় চুতিয়াদেৱৰ আগমনেই নিগমলৈ কঢ়িয়াই আনিলে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰাথমিক শাখা গঠনৰ প্ৰক্ৰিয়া। ইয়াৰ আৰু এটা কাৰণ আছে বুলি আমি ভাবো। সেইটো হ'ল এই নিগমৰ পিতৃ-পুৰুষসকল অধিক সংখ্যকেই পূৰ্বৰ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সেৱক আছিল। গতিকে নিগমৰ হাবি-জংঘল ভাঙি মানুহৰ বসবাস হৈছেহে মাথোন, তেতিয়াই মন কৰিলে সবাহ, ভাওনা পতাৰ। আলোচনা চলিল। ৰাইজে যেয়ে যেনেকৈ পাৰে দান-বৰঙণি আগবঢ়ালে। "ৰাইজে নখ জোকাৰিলে নৈ বয়" বুলি এযাৰ কথা আছে। কোনে কেনেকৈ দান-বৰঙণি দিলে ঠিক নাই। মুঠতে সবাহ, ভাওনা হ'ব লাগে, একেটাই লক্ষ্য সকালোৰে। সেই সময়ত আগভাগ লওতাসকলৰ পৰা জানিব পৰা মতে এই অনুষ্ঠানটি পালন কৰাৰ ক্ষেত্ৰত নিগমৰ সকলো ধৰ্মাৱলম্বী লোকেই অংশগ্ৰহণ কৰিছিল। কাৰণ এয়াই আছিল নিগমবাসীৰ কাৰণে সৰ্বপ্ৰথম সামাজিক উৎসৱ। ভাওনাৰ বাবে নাট নিৰ্বাচন কৰা হ'ল "কৰ্ণ বধ"। ভাও দিয়া হ'ল ক্ৰমে শ্ৰীতিলেশ্বৰ সন্দিকৈ, শ্ৰীদিবাকৰ গগৈ, শ্ৰীতুলসী ভূএগ্ৰাকে আদি কৰি সেই সময়ৰ আগ্ৰহী যুৱকসকলক (সকলোৰে নাম নাজানিলো)। খোল-তাল নাই, মেণ্টল লাইট নাই মুঠতে নিগমত সবাহ, ভাওনাৰ বাবে প্ৰয়োজনীয় একো বস্তুৱেই নাই। ডুবিয়া, শিমলুগুৰি আদি অঞ্চলৰ পৰা খোল-তাল আদি বিচাৰি আনিব লগা হৈছিল। ইফালে হাবিৰ মাজে মাজে লুং-লুঙীয়া ঠেক বাট, দিনতে বনৰীয়া জীৱ-জন্তুৰ ভয়। এনে দুৰ্গম পথ ৬-৭ কিলোমিটাৰ পানী-বোকা গছকি সামগ্ৰী যোগাৰ কৰি সবাহ, ভাওনা পাতিছিল। আকৌ সবাহৰ স্থান আছিল পুৰণি চৰকাৰী কাৰ্যালয়ৰ চৌহদ। ৰভা সাজিবলৈ খাগৰি শন্ খেৰ, কাঠৰ খুটাৰ বাহিৰে আজিৰ দৰে টিনপাত, বাঁহ-বেত আদি নাছিল। ৰাইজে হাতে হাতে লাগি কুঠাৰ, দা আদি লৈ কাঠৰ খুটা, খাগৰিৰ ৰুৱা কামি শন্ খেৰৰ চাৱনী কৰি এখন বৃহৎ ৰভা নিৰ্মাণ কৰিলে। ৰাতিলৈ "কৰ্ণ বধ" নাটৰ ভাওনা। ভাৱৰীয়াই ৰং-পেইণ্ট সানিছে,

OKDISCD

সাজ-পোছাক পিন্ধিছে। কাৰোবাৰ সাজপাৰ ৰং-চং সানি হৈছে। কোনোৱে আৰম্ভ কৰিছেহে, তেনেতে আকৌ ওলাল বনৰীয়া হাতী। ভাৱৰীয়া সাজ-পোছাকেৰেই, কোনোৱে ৰং আধা সনা কৰিয়ে মাৰিলে লৰ হাতী খেদিবৰ বাবে। ভাওনা তলি উদং হ'ল। বুঢ়া দুজনমানে ৰভাখন ৰখি আছে। আটাইতকৈ এটা ৰসিক কথা যে, দ্ৰৌপদীৰ ভাও লোৱাজনে মুখত ৰং ঘহিলে, মেখেলা-ব্লাউজ পিন্ধি গাত চাদৰ ল'বলৈ নৌপাওঁতেই হাতী খেদাৰ হুলস্থূল হোৱাত সেইভাগেই মেকেলা আঠু মূৰত কোচাই তলপোষ্ক মাৰি মাৰিলে দৌৰ। মানুহৰ জুমৰ মাজত জোনাক ৰাতি গাভৰু ছোৱালীজনী দেখি মানুহে ইজনে-সিজনে আলোচনা কৰিছে, "এইজনী কোন?" মানে ভাওনাৰ ৰং লগাই থকা দ্ৰৌপদীজনীয়েই যে হাতী খেদিবলৈ আহিব, সেই কথা মানুহে ভবাই নাই। মাত শুনিহে জানিলে যে এইজনী ছোৱালী নহয়, ল'ৰাহে।

যিয়েই নহওক, মুঠতে শ্ৰদ্ধেয় চুতিয়াদেৱৰ আগমনৰ লগতে এই ভাওনা, সবাহ ভাগত নিগমবাসী ৰাইজক শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰতি কিছু আকৃষ্ট কৰিলে আৰু তাৰ কিছুদিনৰ পিছতে এই নিগমৰ অগ্ৰণী কেইজনমান ব্যক্তিৰ প্ৰচেষ্টত গঠন হ'ল পূৰ্ব্বজ্যোতি নিগম ৰনং প্ৰাথমিক শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ। এই প্ৰাথমিকৰ প্ৰথম সভাপতি আমাৰ পিতৃ স্বৰ্গীয় কমল চন্দ্ৰ দুৱৰা, সম্পাদক আছিল স্বৰ্গীয় ভদ্ৰকান্ত বৰাদেৱ। লগতে ওতঃপ্ৰোতভৱে জড়িত আছিল শ্ৰীযুত নবীন সন্দিকৈকে আদি কৰি সেই সময়ৰ তেখেতসকলৰ সহযোগীসকল (সকলোৰে নাম নাজানিলো)।

ওপৰত উল্লেখ কৰা ভাওনাখনৰ উপৰিও ১৯৭৫ চনলৈকে ক্ৰমে "কুৰুক্ষেত্ৰ মহাসমৰ", "ধৰ্মিতেশ্বৰৰ ধৰ্ম পৰীক্ষা", "অজয় সিংহ বধ", "সীতা হৰণ ৰাৱন বধ" (আৰু এখন ভাওনা হৈছিল নাম পাহৰিলো) আদিকে ধৰি চাৰিখন ভাওনা, সবাহ পালন কৰা হয়। সেই সময়তে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰাথমিক গঠন হ'লত সেৱা-সবাহ আদি অনুষ্ঠানৰ কাম-কাজবোৰ উমৈহতীয়া আছিল।

এনেকৈয়ে দিনবোৰ পাৰ হৈ গৈ আছে। ১৯৭৫ চনত ভৰি দিলে, নিগমৰ প্ৰথম বিশেষ বিষয়া সম্পাদক আৰু পৰিচালক ডঃ মুচের্ফ হুছেইনদেৱৰ বদলিকৰণৰ নিৰ্দেশ আহি চৰকাৰৰ পৰা, নিযুক্তি দিলে নতুনকৈ ঢকুৱাখানা অঞ্চলৰ নিবাসী শ্ৰদ্ধেয় প্ৰয়াত দিনেশ দত্তদেৱক নিগমৰ বিশেষ বিষয়া, সম্পাদক আৰু পৰিচালক হিচাপে। দুই কি তিনি মাহ তেখেতৰ কাৰ্যাকাল পাৰ হওঁ কি নৌহওতেই চৰকাৰৰ পুনৰ নিৰ্দেশ আহিল নিগম স্থানান্তৰৰ। তেতিয়াৰ সেই স্থানৰ পৰা দক্ষিণে বৰ্তমান নিগমৰ এই স্থানলৈ। বাৰিষা খেতিৰ আগে আগে মাটি দেখুৱাই দিলে কাৰ্যালয়পৰা নতুন স্থানত। ৰাইজে খেতি-বাতি আৰম্ভ কৰিলে। কিন্তু বাৰিষা হোৱাৰ বাবেই ঘৰ-দুৱাৰ নানিলে। খেতি-বাতিৰ পৰা আজৰি হৈয়েই ঠিক আঘোণ-পুহত নতুন ঠাইলৈ ঘৰ-দুৱাৰ অনাৰ কাম আৰম্ভ হ'ল। কাৰো মুখলৈ কোনেও চোৱাৰ আজৰি নাই। প্ৰত্যেকেই নিজৰ নিজৰ কামত ব্যস্ত। এফালে পথাৰত দুই-এক বিঘাকৈ পকাধান, আনফালে ঘৰ-দুৱাৰ ভঙা আৰু সজা। ১৯৭৬ চনত নতুন ঠাইত ঘৰ-দুৱাৰ সাজি ৰাইজে বসবাস আৰম্ভ কৰিলে। নিগম স্থানান্তৰিত হোৱাত ৰাইজৰ আগৰ গোটবোৰ ভাঙি গ'ল। প্ৰায় ১৪-১৫ কিলোমিটাৰ পৰিধিৰ এই নিগমখনত পূব লাইন, পশ্চিম লাইন, মাজ লাইন, উত্তৰ লাইন, জৰাবাৰী ধাম লাইন, পূব ধাম লাইন, পশ্চিম ধাম লাইন, এনেকৈ সাতটামান লাইন হৈ মানুহবোৰ দহ নলীয়া প্ৰস্থৰ একোটা চিটু লৈ একো ঘৰকৈ বসবাস আৰম্ভ হ'ল। লাহে লাহে পুনৰ একোটা লাইনত ৩০-৪০ ঘৰৰ একোটাকৈ গোট হৈ ভাগে ভাগে নামঘৰ সাজিলে আৰু একোটা নামঘৰক কেন্দ্ৰ কৰিয়েই সময়ৰ সোঁতত একোখন প্ৰাথমিক বা একোটা খেলৰ সৃষ্টি হ'ল। একশৰণ ভাগৱতী সমাজৰো একেদৰে দুটা শাখাত বিভক্ত হৈ সমাজ পাতি আছে। বাকী ধৰ্মীয় সংগঠনসমূহৰো তদ্ৰূপ খৃষ্টীয় সমাজৰো দুটা গীৰ্জা কেন্দ্ৰ কৰি দুখন সমাজ পাতি চলি আছে।

পূৰ্ব্বজ্যোতি কৃষিপাম নিগমত বৰ্তমানলৈকে সৃষ্টি হোৱা ধৰ্মীয় অনুষ্ঠানসমূহৰ তালিকা তলত উল্লেখ কৰা হ'ল।

| | | | | | |
|---|---|---|---|---|---|
| ১। | পূৰ্ব্বজ্যোতি | ১নং | প্ৰাথমিক | শ্ৰীমন্ত শঙ্কৰদেৱ | মাজশাৰী |
| ২। | " | ২ নং | " | " | পশ্চিম |
| ৩। | " | ৩নং | " | " | পূবখাৰী |
| ৪। | " | ৩নং (ক) | " | " | পূবশাৰী |
| ৫। | " | ৪নং | " | " | পূবশাৰী |
| ৬। | " | ৫নং | " | " | পূবশাৰী |
| ৭। | " | ৬নং | " | " | পশ্চিম |
| ৮। | " | ৭নং | " | " | মাজশাৰী |
| ৯। | " | ৮নং | " | " | পূব ধাম |
| ১০। | " | ৯নং | " | " | পশ্চিম শাৰী |
| ১১। | " | ১০নং | " | " | মাজশাৰী |
| ১২। | " | ১১নং | " | " | পশ্চিম ধাম |
| ১৩। | " | ১২নং | " | " | উত্তৰ শাৰী |
| ১৪। | " | ১৩নং | " | " | পূবশাৰী |
| ১৫। | " | ১৪নং | " | " | পশ্চিম শাৰী |
| ১৬। | কুঁৱৰী গড় | | " | " | মাজশাৰী |
| ১৭। | নিগম জৰাবাৰী | | " | " | পশ্চিম ধাম |

১৮। এক শৰণ ভাগৱতী সমাজ মাজশাৰী শাখা
১৯। " " " " "

OKDISCD

২০। ২নং শান্তিপুৰ প্ৰাথমিক শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ (২নং শাখা)
২১। বৈদিক সমাজ (মাজশাৰী শাখা "ক")
২২। " " ( " " "খ")
২৩। নাম-কীৰ্তনীয়া সমাজ (পূবশাৰী)
২৪। পুৰণি (কাল সংহতি) পন্থা (উত্তৰ শাৰী)
২৫। মায়ামৰা অনিৰুদ্ধ সেৱক (মতক সম্প্ৰদায়) পশ্চিম শাৰী
২৬। " " " (দাস গ্ৰুপ) "
২৭। নেপালী বৈদিক সমাজ খেল এটা (মাজশাৰী)
২৮। খৃষ্টীয় সমাজ (উত্তৰ ব্যাপ্টীষ্ট) উত্তৰ শাৰী
২৯। " " উত্তৰপাৰ দেশীয় ব্যাপ্টীষ্ট
৩০। শ্ৰীচৈতন্য পন্থী খেল এটা
৩১। মায়ামৰা অনিৰুদ্ধ সেৱক ২ নং শান্তিপুৰ।

নামঘৰ সৰ্বমুঠ চজ্জভাগ। গীৰ্জা ২ ভাগ, নেপালী সমাজৰ মন্দিৰ এক ভাগ। মুছলমান সম্প্ৰদায়ৰ ১০-১২ ঘৰমান আছিল যদিও সিচৰতিভাৱে বাসস্থান কৰাত হয়তো মছজিদ গঢ়ি নুঠিল। গতিকে সমাজ বা খেল বুলিবলৈ নাই।

শ্ৰদ্ধেয় চুতিয়াদেৱৰ পিছত বহুকেইজন ধৰ্মীয় প্ৰচাৰক, গুণী-জ্ঞানী লোকৰ নিগমলৈ আগমন হয়। তেখেতসকলৰ ক্ৰমে ১৯৭৮ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰাক্তন পদাধিকাৰ শ্ৰদ্ধেয় শ্ৰীযুত অচ্যুত কৃষ্ণ মিশ্ৰদেৱ, শৰণ কাৰ্য সম্পাদন কৰিবৰ বাবে আহে। ইয়াৰ পিছতো মিশ্ৰ বাপ নিগমলৈ তিনিবাৰ আহে। ১৯৮৫ চনত একশৰণ ভাগৱতী সমাজৰ তিনিখন জিলা মিলিত হৈ অনুষ্ঠিত কৰা "পালনাম" কাৰ্যসূচীত আগমন হয় শ্ৰদ্ধেয় শ্ৰীযুত হলীৰাম দাসদেৱৰ; ১৯৮৪ চনত খৃষ্টীয় ধৰ্মৰ প্ৰচাৰক শ্ৰীযুত যোচেফ বসুমতাৰীৰ, তেখেতসকলৰ পিছত আৰু কেইবাজনো লোকৰ আগমন হয়। যেনে ঃ বেলগুৰি সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীযুত মাধৱানন্দ চন্দ্ৰ দেৱ গোস্বামীদেৱ। লক্ষীমপুৰ ফুলবাৰী নিবাসী শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰচাৰক ক্ৰমে শ্ৰীযুত প্ৰমোদ শইকীয়া, শ্ৰীযুত কৃষ্ণ বৰদলৈ, শ্ৰীযুত মুণিন্দ্ৰ গগৈ, শ্ৰীযুত জগত বনিয়াকে আদি কৰি কেইবাজনো প্ৰচাৰকৰ আগমন হয়। তদুপৰি যোৱা ১৯৯৭ চনৰ ১৭, ১৮ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ছয়দুৱাৰ আঞ্চলিক শাখাৰ ৪৮তম বাৰ্ষিক অধিবেশন ভাগ এই পূৰ্বৰ্জ্যোতি নিগমৰ জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে নিগমবাসী ৰাইজে সেৱা আগবঢ়ায়। এই অধিবেশন ভাগৰ মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়ায় মূল সংঘৰ বৰ্তমানৰ পদধিকাৰ শ্ৰদ্ধেয় শ্ৰীযুত কৰুণাকান্ত কলিতা বাপে আৰু বিশিষ্ট অতিথি হিচাপে মূল সংঘৰ বৰ্তমানৰ প্ৰচাৰক শ্ৰদ্ধাৰ শ্ৰীযুত মণিৰাম দাসদেৱে যোগদান কৰে।

ধৰ্মীয় উৎসৱসমূহৰ ভিতৰত বৈষ্ণৱ মাৰ্গীয় অনুষ্ঠানসমূহে বিশেষকৈ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ গুৰু দুজনাৰ জন্মজয়ন্তী দুভাগ উলহ-মালহেৰে প্ৰতি বছৰেই পালন কৰি আহিছে। যোৱা ১৯৯৫ চনৰ ৪৭তম শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ জন্মোৎসৱ ভাগ গুৰু দুজনাৰ আদৰ্শৰ প্ৰতি আনুগত্য জনাই সকলো অনুষ্ঠানে ৰাইজে সন্মিলিত হৈ তিনিদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয়। আকৌ এক শৰণ ভাগৱতী সমাজৰ পালনামৰ অনুষ্ঠান ভাগ যোৱা ১৯৮৫ চনত আৰু ১৯৯৪ চনত দুবাৰকৈ নিগমৰ সমূহ ৰাইজৰ সহযোগত পালন কৰা হয়। ইয়াৰোপৰি সকালো ধৰ্মীয় অনুষ্ঠানেই যথা সময়ত আহি পৰা নিজ নিজ ধৰ্মীয় উৎসৱ-অনুষ্ঠানসমূহ পালন কৰি আহিছে। এইবোৰ পালন কৰাৰ ক্ষেত্ৰত নিগমবাসী ৰাইজে পৰস্পৰে পৰস্পৰক সহায়-সহযোগ কৰাত কুণ্ঠাবোধ কৰা নাই। উল্লেখযোগ্য যে, স্বৰ্গীয় বিষ্ণু বৰাদেৱৰ আদ্যশ্ৰাদ্ধ ভাগ সৰ্বধৰ্মৰ প্ৰাৰ্থনাৰে অতি তাৎপৰ্যপূৰ্ণভাৱে পালন কৰা হৈছিল।

সাংস্কৃতিক ৰেঙণি ঃ পূৰ্বৰ্জ্যোতি কৃষিগাম নিগম সাংস্কৃতিক দিশত বিশেষ আগবঢ়া বুলি বঢ়াই ক'ব নোৱাৰিলেও বৰ পিছপৰা বুলিও ক'ব নোৱাৰি। কাৰণ বিভিন্ন সময়ৰ সন্মুখত আহি পৰা সাংস্কৃতিকমূলক পৰ্বসমূহ ৰাইজৰ উমৈহতীয়া প্ৰচেষ্টাত পালন কৰি বিভিন্ন গীত, নৃত্য, অভিনয় আদিৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰি এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীসকলৰ শাৰীৰিক, মানসিক, উৎকৰ্ষ সাধন কৰাত যথাসাধ্য প্ৰচেষ্টা চলাই অহা হৈছে। বিশেষকৈ উচ্চ মাধ্যমিক আৰু মধ্য ইংৰাজী বিদ্যালয়সমূহত বাৰ্ষিক অধিবেশন অনুষ্ঠিত কৰি বিভিন্ন বিষয়ৰ প্ৰতিযোগিতাসমূহৰ মাধ্যমেৰে তেওঁলোকৰ সুপ্ত প্ৰতিভাসমূহ বিকাশ কৰাৰ এক সুযোগ পাইছে আৰু ইয়াৰ মাজেৰে উপকৃতও হোৱা পৰিলক্ষিত হৈছে। শিল্পী দিৱস, ৰাভা দিৱসকে আদি কৰি সাংস্কৃতিক বিকাশ হ'ব পৰা বিভিন্ন অনুষ্ঠানসমূহ যথা সময়ত পালন কৰি আহিছে। শিশুসকলৰ সৰ্বাঙ্গীন বিকাশৰ বাবে আগতে কেইবাবাৰো সদৌ নিগম ভিত্তিত শিশু সমাৰোহ উদ্‌যাপন কৰা হৈছে। যোৱা ১৯৯১ চনত 'সন্ধানী শিশু শিল্পী সংঘ" নামৰ এটি অনুষ্ঠান প্ৰতিষ্ঠা কৰা হৈছিল। এই অনুষ্ঠানৰ যোগেদিও শিশুসকল যথেষ্ট উপকৃত হোৱা দেখা যায়। একে বছৰতে নিগম ভিত্তিত "ৰঙালী বিহু সন্মিলন" নামৰ এটি অনুষ্ঠান প্ৰতিষ্ঠা কৰি প্ৰতি বছৰে বহাগ মাহত নিগমৰ বিভিন্ন স্থানত এই অনুষ্ঠানৰ সৌজন্যত ৰঙালী বিহু প্ৰতিযোগিতামূলকভাৱে পালন কৰি আহিছে আৰু ইয়াৰ সুফল দেখা পোৱা গৈছে। যোৱা ১৯৮৯ চনৰ আগমুহূৰ্তত "দিব্যজ্যোতি যুৱ সংঘ" নামৰ এটি অনুষ্ঠানে নিগমৰ পৰা দূৰ-দূৰণিৰ বিভিন্ন ঠাইত ৰঙালী বিহু সন্মিলনৰ প্ৰতিযোগিতাসমূহত যোগদান কৰি প্ৰথম স্থানৰ কৃতিত্ব কঢ়িয়াই আনিবলৈ সক্ষম হৈছে আৰু "সন্ধানী শিশু শিল্পী সংঘ" অনুষ্ঠানটিয়েও "সন্ধানী শিল্পী সংঘ" নামাকৰণৰে (যিহেতু শিশু শিল্পী সংঘ প্ৰতিষ্ঠা কৰা সময়ত যিসকল শিশু আছিল সেইসকল ডাঙৰ হৈ অহাৰ পিছত "শিশু" শব্দটি সংশোধন কৰি "পূৰ্বৰ্জ্যোতি

OKDISCD

সন্ধানী শিল্পী সংঘ" নামকৰণ কৰে) এই অনুষ্ঠানৰ যুৱক-যুৱতীসকলে বিভিন্ন ঠাইত ৰঙালী বিহু সন্মিলনসমূহত যোগদান কৰি বহুবাৰ প্ৰথম স্থান অধিকাৰ কৰি নিগমলৈ সন্মান কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। বৰ্তমান এই দলটিৰ কৃতিত্ব অব্যাহত আছে।

যোৱা ১৯৯৭ চনৰ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ বিশ্বনাথ জিলা শাখাৰ পাভৈ অধিবেশনত এই নিগমৰ শ্ৰীমতী অৰ্চনা গগৈ নামৰ ছাত্ৰীগৰাকীয়ে বৰগীত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি জিলাখনৰ ভিতৰতে প্ৰথম স্থান লাভ কৰে আৰু সেই বছৰৰেই শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ লক্ষীমপুৰ মূলৰ অধিবেশনত সাংস্কৃতিক সন্ধ্যাত এই ছাত্ৰীগৰাকীয়ে বৰগীত পৰিবেশনত প্ৰথম স্থান পায়। শ্ৰীৰিণি বৰাই লক্ষীমপুৰত অনুষ্ঠিত হোৱা সদৌ অসম মিনাৰাম শইকীয়া সোঁৱৰণী নাটক প্ৰতিযোগিতাত শ্ৰেষ্ঠা অভিনেত্ৰীৰ সন্মান কঢ়িয়াই আনে।

সাহিত্যই সংস্কৃতিৰ মূল ভেটি সুদৃঢ় কৰে। পূৰ্ব্বজ্যোতি কৃষিপাম নিগমটো কেইবাগৰাকী উদীয়মান কবি-সাহিত্যিকে সাহিত্যৰ বিভিন্ন দিশত সাহিত্য ৰচনা কৰি এহাতেদি ভাষা-সাহিত্যৰ শ্ৰীবৃদ্ধিত অৰিহনা যোগাইছে, আনহাতেদি সমাজত সম্প্ৰীতিৰ বান্ধোন কটকটীয়া কৰাত কিঞ্চিত হ'লেও সহায় কৰিছে। সেইসকলৰ ভিতৰত শ্ৰীযুত দ্ৰোণ কাকতি, শ্ৰীমতী বিউতী বৰা, শ্ৰীমতী কুঞ্জ সন্দিকৈ, শ্ৰীমতী পদুমী শইকীয়া, শ্ৰীমতী অনিমা কাকতি, শ্ৰীমতী পঙ্কজা শইকীয়া আদিৰ নাম উল্লেখ কৰিব পাৰি (আমাৰ অজ্ঞাতে হয়তো আৰু অনেক লোকে সাহিত্যৰ বিভিন্ন দিশত পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে, সকলোৰে নাম নাজানিলো)। শ্ৰীযুত দ্ৰোণ কাকতিদেৱে কবিতা, নাটক, আধুনিক গীত, চুটি গল্প, প্ৰবন্ধ আদি প্ৰায় আটাইকেইটা দিশতে ৰচনাৰ সম্ভাৰ আগবঢ়াইছে। তেখেতৰ ৰচিত কবিতা পুথি "উৰণীয়া পক্ষীৰ কণ্ঠত" আৰু আধুনিক গীতৰ পুথি "জীৱন পথৰ গতি" বৰ্তমান প্ৰকাশৰ পথত। পাঁচখন একাঙ্ক নাটক আৰু এখন পূৰ্ণাঙ্গ সামাজিক নাটক ৰচনা কৰিছে যদিও পুঁজিৰ অভাৱত প্ৰকাশ হৈ ওলোৱা নাই। শ্ৰীমতী বিউতী বৰাই সদৌ অসম ভিত্তিত আয়োজিত কবিতা প্ৰতিযোগিতাত স্বৰ্ণ পদকেৰে প্ৰশংসিত হৈ অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিছে আৰু অনেক কবিতা ছাত্ৰীগৰাকীয়ে ৰচনা কৰিছে যদিও প্ৰকাশ কৰিব পৰা নাই। শ্ৰীমতী কুঞ্জ সন্দিকৈয়ে ছাত্ৰী অৱস্থাৰ পৰাই গল্প, কবিতা আদি লিখি সাহিত্য প্ৰেমীসকলৰ পৰা সমাদৃত হৈছে। শ্ৰীমতী পদুমী শইকীয়াই বৰ্তমানলৈকে প্ৰায় দুকুৰিমান কবিতা ৰচনা কৰিছে যদিও প্ৰকাশ কৰি উলিয়াব পৰা নাই। শ্ৰীমতী অনিমা কাকতিয়েও বিভিন্ন কবিতা ৰচনা কৰিছে। সাহিত্য সভাই আয়োজন কৰা বিভিন্ন কবি সন্মিলনত যোগদান কৰি প্ৰশংসাৰ বাৰ্তা কঢ়িয়াই আনিছে। "চিন্তাৰ তৰঙ্গ" ছাত্ৰীগৰাকীৰ অপ্ৰকাশিত কবিতা পুথি। শ্ৰীমতী পঙ্কজা শইকীয়াই অতি কম বয়সৰ পৰাই কবিতা ৰচনা কৰিছে। সদৌ অসম ভিত্তিত আয়োজিত শিশু কবিতা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পুৰস্কৃত হৈছে। এইখিনিতে এষাৰ কথা উল্লেখ নকৰি নোৱাৰি যে, এই পিছপৰা অঞ্চলটিত আৰু বহুতো সৃষ্টিশীল কবি-সাহিত্যিকে সাহিত্য ৰচনাৰ ক্ষেত্ৰত যথাসাধ্য চেষ্টা চলাই আহিছে। কিন্তু কালৰ কুটিল গতিত এই সৃষ্টিসমূহে যথা সময়ত প্ৰকাশ হৈ সাহিত্য জগতত যেনেদৰে অৰিহনা যোগাব লাগিছিল, তেনেদৰে যোগাব পৰা নাই।

পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ নামঘৰসমূহত প্ৰতি প্ৰাথমিক বা খেলে প্ৰতি বছৰে বাৰ্ষিক সেৱা ভাগ সমূহীয়াভাৱে পালন কৰি ভাওনা অভিনয় কৰে। এই ভাওনাবোৰৰ প্ৰতিখন ভাওনাতে দুই-চাৰিজন যুৱকে ভাল অভিনয় কৰা দেখা পাওঁ। গতিকে ভাব হয়, এই ভাল অভিনেতাসকল একগোট হৈ যদি অভিনয় কৰে নিশ্চয় আৰু উন্নত মানদণ্ডৰ হ'ব। ইয়াৰোপৰি বিভিন্ন সময়ত পালন কৰা উৎসৱ আদিত যুৱক-যুৱতীসকলে থিয়েটাৰ পাতে। গাঁৱলীয়া পৰিবেশ এটাৰ মঞ্চৰ বাবে সচৰাচৰ প্ৰয়োজনীয় সামগ্ৰীকেইপদো য'ত পাবলৈ নাই, কাপোৰ কেইখনমানকে তৰি লৈ মঞ্চ তৈয়াৰ কৰি তাতে নাটক অভিনয় কৰা হয়। ইয়াৰ মাজতো কোনোজন যুৱক-যুৱতীয়ে ভাল অভিনয় কৰে। ভুলো অৱশ্যে নোহোৱা নহয়। কিন্তু অনুভৱ হয় যদি উপযুক্ত পৰিবেশ এটা গঢ়ি তুলিব পৰা হ'লহেঁতেন তেতিয়া নিশ্চয় ভাল অভিনেতা উলিয়াই বহিঃ মঞ্চ জগতলৈ পঠাব পৰা গ'লহেঁতেন।

অসমৰ বিহু সংস্কৃতিৰ বৰ্তমান এক জৰাজীৰ্ণ অৱস্থা। প্ৰাচীন গছৰ তলৰ বিহু কালৰ গতিত আহি আহি গৃহস্থৰ চোতাল পাইছিলহি হে মাথোন, ঘূৰাই পঠাইছে অসমীয়াই পশ্চিমীয়া সংস্কৃতিৰ কোবাল সোঁতত পৰি। ঢাপলি মেলিছে পশ্চিমীয়া আভিজাত্যৰ ৰংচঙীয়া ৰূপত মুগ্ধ হৈ। বিদেশী সংস্কৃতিৰ সম্পৰ্কে জ্ঞান লোৱাত আমাৰ আপত্তি নাই, কিন্তু নিজৰ জাতিৰ, মাতৃভূমিৰ সংস্কৃতিক বেয়া বুলি আনৰ সংস্কৃতিত আকৃষ্ট হোৱাটো নিজৰ মাতৃক নিন্দা কৰা বুলিহে ভাবো। ৰঙালী বিহু মঞ্চমুখী হ'ল। ভোগালী বিহুৰ মেজিৰ সংস্কৃতি হেৰাল। কোনোমতে অসমৰ চুকে-কোণে কেলেপ-ঢেলেপকৈ জীয়াই আছে সমূহীয়া ভোজটো। কোনদিনা তাৰ মুদা মৰে তাৰো ঠিক নাই। অসমীয়াৰ সাজ-পোছাকৰ অৱস্থা দেখিলেটো একেবাৰে সৰ্বনাশেই। সেই বতাহ চাটিয়ে আমাকো অনিষ্ট নকৰাকৈ থকা নাই।

কুটিৰ শিল্পৰ ক্ষেত্ৰত এই অঞ্চলটি বৰ্তমান যুগৰ তুলনাত কিছু আগবঢ়া বুলিব পাৰি। কাঠৰ আচবাব আদি বনোৱা কাঠ মিস্ত্ৰী ভালেকেইজন আছে। তেখেতসকলে ভাল ভাল কাঠৰ আচবাব তৈয়াৰ কৰি আহিছে। বাঁহ-বেতৰ সাজ-সঁজুলি তৈয়াৰ কৰা বাঢ়ৈও ভালেকেইজন আছে। এইক্ষেত্ৰত স্বৰ্গীয় ৰজনী বৰাদেৱক (নিগমৰ এজন অংশীদাৰ) সোঁৱৰিব লাগিব। হাতী, ঘোঁৰা, গৰু আদিকে ধৰি অনেক বস্তু বাঁহ-বেতেৰে তৈয়াৰ কৰিব জানিছিল। কিন্তু দুখৰ বিষয়,

তেখেত এই প্ৰতিভাকণ আয়ত্ত কৰিবলৈ দ্বিতীয়জন ব্যক্তি ওলাই অহা নেদেখিলো। আগৰ দিনৰ বাঁহৰ 'জপা' সাজিব জনা লোক এতিয়া নাই। এতিয়া জপা বোলা বস্তুটোও হয়তো বহুতেই দেখা নাই বা নামটোকে শুনা নাই। পশ্চিমীয়া সস্তীয়া আচবাবৰ আগমনৰ লগে লগে নিজৰ তৈয়াৰ কৰা আচবাবৰ প্ৰতি অনিহা অহাৰ ফলতে যি দুই-এটা আছে তাকো শেষ হওঁ হওঁ। তথাপি যি দুই-এজন জীয়াই আছে তেখেতসকলে কোনোমতে জীৱটো ৰক্ষা কৰি আছে।

ৰেচম শিল্পৰ ভিতৰত এড়ি পোহা ব্যৱস্থাটো শতকৰা ৮০ জনৰ ঘৰত আছে। কিন্তু এড়ি পালন ব্যৱস্থাটোৰ বিশেষ পৰিবৰ্তন দেখা পোৱা নাযায়। অসমীয়া তিৰোতাই এড়ি পোহা, নিজে সূতা কাটি কাপোৰ বোৱা কাৰ্য সাতামপুৰুষীয়া সংস্কৃতি। মূগা পালনৰ আগ্ৰহ ক্ৰমে বৃদ্ধি পোৱা যেন পৰিলক্ষিত হৈছে। বৰ্তমান শতকৰা ৩০ জনমানে মূগা পালন কৰিবলৈ ধৰিছে। এনেদৰে যদি ৰাইজে এই শিল্পসমূহৰ যোগেদি উৎপাদনৰ কাম আগ্ৰহেৰে গ্ৰহণ কৰে নিশ্চয় ৰেচম শিল্পত কিছু হ'লেও আগবাঢ়িব পাৰিব। আৰু দেখা গৈছে, যিকেইজনে মূগা পালন কৰিবলৈ লৈছে, তেখেতসকলে লাভবানো হৈছে। যেই হওক, ঘৰে ঘৰে তাঁতশাল এখনকৈ হ'লেও দেখা যায়। ওপৰত উল্লেখ কৰা সকলো দিশতে নিশ্চয় যথেষ্ট আগবাঢ়িব পাৰিলেহেঁতেন। নিগমবাসী শতকৰা ৮০ জনেই অধিক আৰ্থিকভাৱে ভাগি পৰিছে। ইয়াৰো যথেষ্ট কাৰণ নথকা নহয়।

১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহ। সমগ্ৰ দেশজুৰি সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত বিদেশী বহিষ্কাৰৰ আন্দোলনে তীব্ৰ গতিত আগবাঢ়িছে। এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীকে আদিকৰি নিগমবাসী ৰাইজে আন্দোলনৰ প্ৰতি সমৰ্থন জনাই ওলাই আহিল। এই আন্দোলনৰ পৰিপ্ৰেক্ষিততে ১৯৮১ চনত নিগমৰে ছয়জন যুৱক ছাত্ৰ তেজপুৰ জেইল হাজোতত থাকিবলগীয়া হৈছিল। সেই কেইজনৰ এজন মই নিজে আৰু ক্ৰমে মোৰ ভাতৃ শ্ৰীনৰশঙ্কৰ দুৱৰা, স্বৰ্গীয় বাবুল শইকীয়া, শ্ৰীবেণুধৰ সন্দিকৈ, শ্ৰীমণি নাথ, শ্ৰীডালিম নেওগ। '৮৩-ৰ এই আন্দোলনত এচাম দুষ্কৃতিকাৰীয়ে আন্দোলনৰ গইনা লৈ শলঠেকত পেলাই নিজৰ স্বাৰ্থ সিদ্ধিৰ লালসাত উঠি-পৰি লাগিল। গাঁৱে-ভূঞে আন্দোলনৰ নাকিডাল এচাম স্বাৰ্থপৰৰ হাতলৈ বাগৰি গ'ল অজানিতভাৱে। তেনে কুচক্ৰান্তত পৰি হাবু-ডুবু খাই আমি সমগ্ৰ গহপুৰ বনাঞ্চলবাসী ৰাইজে বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয়ৰ সূতাডাল তুলি দিলো এচাম স্বাৰ্থন্বেষী লোকৰ হাতত। আহি পৰিল ১৯৮৩ চনৰ সেই ভয় লগা ১২ ফেব্ৰুৱাৰীৰ দিনটো। সৃষ্টি হ'ল ভাতৃঘাতী সাম্প্ৰদায়িক সংঘৰ্ষ। পৰস্পৰে পৰস্পৰক পাহৰি শত্ৰু যেন দেখিলে। ফলস্বৰূপে গহপুৰ বনাঞ্চলবাসী সমূহ জনগোষ্ঠীয়ে হেৰুৱালে নিজৰ ঘৰ-দুৱাৰ, অনেক সা-সম্পত্তি, গৰু-গাই আৰু হেৰুৱালে নিজৰ পিতৃ-মাতৃ, বাই-ভনী, ভাই-বন্ধুজনক। সকলোৱেই হৈ পৰিলো শৰণাৰ্থী। কিহৰ আছিল সেই চাটি ধুমুহা? কিয় বাৰু নিচিনিলো নিজৰ ভাই-বন্ধুবোৰক?

কঢ়িয়াই আনিলে শান্তি-সম্প্ৰীতিৰ মন্ত্ৰ অসমৰ বিভিন্ন প্ৰান্তৰৰ সেইজনমান অগ্ৰণী নেতাই। তুলি দিলে শান্তি-সম্প্ৰীতিৰ ধ্বজা শ্ৰদ্ধেয় গণেশ কুটুম ডাঙৰীয়াৰ হাতত। আগবাঢ়ি আহিল ধ্বজা হাতত লৈ শান্তি-সম্প্ৰীতিৰ বাণীবাহকসকল গহপুৰ বনাঞ্চলবাসী ৰাইজৰ মাজলৈ। বিলাই দিলে শান্তিৰ বাণী। সমগ্ৰ গহপুৰ বনাঞ্চলবাসী ৰাইজ সমবেত হ'ল সেই ধ্বজাৰ তলত। পুনৰ সংস্থাপিত হ'লো নিজৰ নিজৰ ভেটিয়ে ভেটিয়ে।

সেই সময়ত শান্তি-সম্প্ৰীতিৰ বাণী লৈ দুষ্কৃতি জিনি সংস্কৃতি প্ৰতিষ্ঠা কৰাৰ পৰিকল্পনা লৈ ওলাই আহিল পূৰ্ব্বজ্যোতি নিগমত শান্তি আশ্ৰম প্ৰতিষ্ঠাৰ মাধ্যমেৰে শ্ৰদ্ধেয় হেমভাইদেৱ। যথেষ্ট উপকৃত হৈছিল এই অঞ্চলৰ ৰাইজ। শান্তি আশ্ৰমৰ জৰিয়তে গাঁৱে-ভূঞে পকী কুঁৱা আদি স্থাপন কৰি খোৱা পানীৰ যোগান ধৰিছিল আৰু অনেক উন্নয়নমূলক কেইবাটাও অনুষ্ঠান এই আশ্ৰমত অনুষ্ঠিত কৰা হৈছিল। ১৯৮৪ চনত বনাঞ্চলবাসী সমূহ জনগোষ্ঠীৰ সন্মিলিত প্ৰচেষ্টাত বিভিন্ন গোষ্ঠীৰ সাংস্কৃতিক সমাৰোহ। স্থান আছিল এই শান্তি আশ্ৰম। (অতি দুখৰ বিষয়, সেই সাংস্কৃতিক সমাৰোহৰ বাবে কলাবাৰী অঞ্চলৰ এজন শিল্পীৰ ওচৰত নিৰ্মাণ কৰিবলৈ দিয়া হৈছিল এখন তোৰণ। কাঠেৰে তৈয়াৰ কৰা বিষ্ণুৰাভাৰ এটি প্ৰতিমূৰ্তিকে ধৰি দুই-এপদ বস্তু। কিন্তু কাৰ প্ৰৰোচনাত পৰি আত্মসাৎ কৰিলে সেই শিল্পীগৰাকীয়ে আটাইবোৰ সামগ্ৰীকে নাজানিলো। বোধহয় পিছপৰা, অৱহেলিত এনেকুৱা অঞ্চলত বিষ্ণুৰাভাৰ স্মৃতিৰে এনে ধৰণৰ অনুষ্ঠান শোভা নাপায়েই বুলি আমাক সেইবোৰৰ পৰা বঞ্চিত কৰিলে। এনে ধৰণে নিজকে উচ্চ বোলাই আনক হেয় প্ৰতিপন্ন কৰা বিশেষকৈ নিগমবাসীক হেয় জ্ঞান কৰাৰ উদাহৰণ অলেখ আছে। গহপুৰ বনাঞ্চলবাসীৰ বিভিন্ন জনগোষ্ঠীৰ কলা-কৃষ্টি প্ৰদৰ্শনেৰে অতি উলহ-মালহেৰে পালন কৰা হ'ল এই সাংস্কৃতিক সমাৰোহ ভাগ। মুকলি সভাত সভাপতিত্ব কৰিছিল মাধৱদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত শিৱ শৰ্মাদেৱে। সভা উদ্বোধন কৰিছিল মাননীয় শ্ৰীযুত গণেশ কুটুম ডাঙৰীয়াই। মুখ্য অতিথিস্বৰূপে অংশগ্ৰহণ কৰিছিলে সেই সময়ৰ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক আৰু বৰ্তমান সেই অনুষ্ঠানৰে সভাপতি ড° নগেন শইকীয়াদেৱে। বিশ্ব শান্তিৰ বাণী কঢ়িয়াওতা, গহপুৰৰ সংঘৰ্ষপ্ৰীড়িত অঞ্চলত সমন্বয় গঢ়োতা শ্ৰদ্ধেয় হেমভাইদেৱে নতুন জোৱাৰৰ সৃষ্টি কৰিছিল এই অঞ্চলত সাংস্কৃতিক সমাৰাহ অনুষ্ঠানটিৰ যোগেদি। সমন্বয় গঢ়ি উঠিছিল নতুনকৈ বিভিন্ন জনগোষ্ঠীৰ মাজত। ছয়টা বছৰ অতিক্ৰম কৰিলে এই সমগ্ৰ অঞ্চলত অতি মৰম-স্নেহ, মিলাপ্ৰীতিৰে পৰস্পৰে পৰস্পৰৰ লগত। পুনৰ

OKDISCD

প্ৰৱেশ কৰিলে গহপুৰত সেই ৮৩'-ৰ ভয়ানক হিংসুকদুষ্কৃতি নামৰ দৈত্যই ১৯৮৯ চনৰ ৯ আগষ্টত। পুনৰ থান-বান হ'ল সমন্বয়ৰ সূতাডাল। পাহৰি পেলালে পাৰ হৈ অহা দিনবোৰৰ কথা। পুনৰ শান্তি আহিল, সংস্থাপিত হ'লো সকলোৱে। মেৰুদণ্ড ভাঙি দিলে আমাৰ পাৰ হৈ দুটাকৈ ভাতৃঘাতী সংঘৰ্ষই। অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক সকলো দিশতে বহু দূৰ পিছুৱাই যাবলৈ বাধ্য হ'লো।

সময়ে জিৰণী নলয়, বহু দূৰ আগুৱাই গ'ল দিনবোৰ। আহি আহি আমি পূৰ্ব্বজ্যোতি নিগমবাসীয়ে ভৰি দিলোহি পঁচিশটা বছৰৰ মূৰত। এই পঁচিশটা বছৰৰ মূৰত "ৰূপালী জয়ন্তী" নামাকৰণেৰে ওলাইছো আমি নিগমবাসী। ৰাইজে পালন কৰিবলৈ পঁচিশ বছৰীয়া উৎসৱ ভাগক "ৰূপালী জয়ন্তী" বুলিলেও আমাৰ এই অনুষ্ঠানৰ লক্ষ্য, উদ্দেশ্যত আৰু কিছু তাৎপৰ্য সংযোজিত হৈ আছে বুলি ভাবো। যিসকল মহান ব্যক্তিৰ অশেষ কষ্ট, ত্যাগৰ বিনিময়ত আমি পালো পূৰ্ব্বজ্যোতি কৃষিপাম নিগম, য'ত আজি অন্ততঃ নিজৰ বুলিবলৈ পালো ভেটিটো, বাৰীখন। আজি সেইসকল মহান ব্যক্তিৰ নামত এই পঁচিশটা বছৰৰ অন্তত আমি নিগমবাসী ৰাইজে একেলগে এই মুহূৰ্তত অকণমান শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰো। স্বৰ্গীয় বিষ্ণু বৰাদেৱকে মুখ্য কৰি শ্ৰীযুত নন্দ বৰা, শ্ৰীযুত ভৱ শইকীয়া, স্বৰ্গীয় ৰেৱ বৰা, শ্ৰীযুত নৃপেন দেকে আদি কৰি সেই সময়ৰ তেখেতসকলৰ সতীৰ্থবৃন্দৰ ওচৰত আমি নিগমবাসী ৰাইজ আজীৱনকাল ঋণী হৈ থাকিম। পৃথিৱীত হয়তো বিকল্প এনে সম্পদ নোলাব যাৰ বিনিময়ত আমি এই ঋণৰ পৰা মুক্ত হ'ব পাৰিম। আমি ভাবো, তেখেতসকলৰ যি ত্যাগ-কষ্ট স্বীকাৰ কৰিব পাৰো যদি আন্তৰিকতাৰে এয়াই আমাৰ বাবে যথেষ্ট। সেয়ে আহক আমি নিগমবাসী ৰাইজ একত্ৰিত হৈ আজিৰ পঁচিশ বছৰৰ মূৰত তেখেতসকলক শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰো।

ইয়াৰোপৰি আৰু যিসকল লোকে এই পূৰ্ব্বজ্যোতি কৃষিপাম নিগম প্ৰতিস্থাৰ ক্ষেত্ৰত বিভিন্ন প্ৰকাৰে সহায়-সহযোগ আগবঢ়াইছিল, তেখেতসকলৰ অনেকেই নিগমৰ অংশও হয়তো নললে। এক নিঃস্বাৰ্থভাৱে আৰ্থিক, কায়িক, মানসিক সকলো দিশতে সঁহাৰি জনালে, তেখেতসকললৈকো এই সুযোগতে আমি নিগমবাসী ৰাইজে সশ্ৰদ্ধ প্ৰণাম যাছিলো।

# কৃষক

জয়মালা মহন্ত
তেজপুৰ

*শষ্য-শ্যামলা ভৰপূৰ আমাৰ অসমী আই*
*এনে সুশোভিত এই ধৰাখনি গুণৰ তুলনা নাই।*
*এনেহেন দেশত জন্ম লভাটো কিমান পুণ্যৰ কাম*
*ইয়াতেই জন্মিল শঙ্কৰ-মাধৱ থাপি থৈ গ'ল ধৰ্মৰ ধাম*
*কিমান ধুনীয়া গছ-লতা তৰু-তৃণ পৰ্বত- পাহাৰেৰে ভৰা*
*মাজে মাজে সমতল ভূমি মুকলি আকাশত তৰা*
*শালি লাহি শুৱাগমণি বৰা জহা আৰু কোমল বাও*
*আঘোণৰ পথাৰত সোণালী ৰঙ হৈ পৰা দেখি ভাল পাওঁ*
*শষ্য-শ্যামলী তুমি অসমী মনমোহিনী ধৰিত্ৰী*
*উৰ্বৰা দেশত দুখৰ ওৰ নপৰে কৃষকে নাপায় শান্তি*
*কপালৰ ঘাম মাটিত পেলাই কৃষকে ৰচে সোণৰ সপোন*
*খেতিৰ দিনত টোপনিও হৰে দুখত পাৰ কৰে দিন*
*সোণালী পথাৰ সোণগুটিৰে হয় যেন ভৰপূৰ*
*কৃষিপাম নিগমৰ ভাণ্ডাৰ পূৰ হ'ব হৃদয় পৰিব জুৰ।*
*পুলি চোমনিতো কৃষিপাম নিগমে দিছে তাৰেই সন্ধান*
*বঢ়াইছো আগ হাবিয়াস কৰি হয় যেন পূৰ মনৰ সপোন*
*ৰাইজো হ'ব ধন্য যদি পাৰে ৰাখিব লোকচান নভৰাকৈ*
*নিগমো হ'ব স্থায়ী যদি ৰাখে গতি লৰচৰ নোহোৱাকৈ*
*কৃষকেও কৰিব পাৰ মধুৰ জীৱন*
*পূৰ্ণ হ'ব কষকৰ মনে ভবা সোণালী সপোন।*

# উপলব্ধি

কোষেশ্বৰ বৰা

*নিজা বুলিবলৈ মোৰ দেখোন এডৰাও মাটি নাই*
*গৰুতো নায়েই একা*
*সিহঁতৰ পথাৰতে কোৰখন মাৰো বুলি*
*ওলাই বিচাৰি পালোঁ*
*একেটি কামিজ মোৰ, উৰলি যায়েই*
*চিলাও বুলি উঠিলো হয়, গুলি-বেজি নাই*
*ভাবিলো ল'ৰাটোৰ গেঞ্জীটোকে পিন্ধো*
*পত্নীক চিঞৰি তাৰ গেঞ্জীটো খুজিলোঁ*
*উত্তৰ আহিল আক' ভিতৰৰ পৰা*
*"পোনাকণ মাষ্টৰৰ গৰু লৈ যায়*
*ফীজ দিব নোৱাৰিলে গৰুবোৰ এসপ্তাহ চাৰি দিলে*
*ধাৰো মৰিব হেনো, ভাতসাজো ওপৰিঞ্চি পাব"*
*হঠাৎ যেন হৃদয়খন সাগৰ হৈ পৰিল*
*আৰু*
*সেই সাগৰৰ সমস্ত পানী যেন*
*ধীৰে ধীৰে দুচকুৰেদি হিৰ্ হিৰ্ শব্দেৰে*
*বাগৰি আহিল।*

# স্বামীৰ স্মৃতিত...

কিৰণ বৰা

মোৰ দেউতা প্ৰয়াত নন্দেশ্বৰ শইকীয়াদেৱে কৈছিল যে, আমাৰ ঘৰলৈ এজন ডাঙৰ নেতা আহিব। ঘৰত তেতিয়া সকলোৰে মনত কৌতূহল হৈছিল যে আমাৰ প্ৰতিবেশী শ্ৰীযুত বিশ্বনাৰায়ণ শাস্ত্ৰী আৰু শ্ৰীযুত উমাকান্ত ৰাজখোৱাতকৈও ডাঙৰ নেতানে? ঘৰত চিন্তা কৰিছিল, কেনে ধৰণে আপ্যায়িত কৰিব পৰা যায়।

ইতিমধ্যে নেতাজন পালেহি। এজন সাধাৰণ মানুহ। ওখ-পাখ, বগা, হাত-ভৰি দীঘল। চকুত এডোৰ চশমা, পিন্ধনত ধুতি-পাঞ্জাৱী। প্ৰথম দেখিয়েই শ্ৰদ্ধা উপজিছিল।

মই তেতিয়া ক্লাছ নাইনৰ ছাত্ৰী। বয়সে তেতিয়া মোৰ সোতৰ বছৰত ভৰি দিছে। কাৰোবাৰ লগত বিয়া হোৱাৰ কথা মই ভাবিবই পৰা নাছিলো। দেউতা আৰু মায়ে কেনেকৈ ভাবিলে মই নাজানো। ১৯৫০-৫১ চনত অসমৰ সামাজিক ব্যৱস্থা মতে, কন্যাকাল হ'লে উপযুক্ত বিয়াৰ বয়স হয়। মোৰ দেউতা প্ৰয়াত নন্দেশ্বৰ শইকীয়া সেই সময়ত কানন্‌গু আছিল। ঘূৰি ফুৰোতেই সৰহ সময় পাৰ হৈছিল। গাঁৱৰ অন্ধবিশ্বাসবিলাকৰ ওপৰত বলিষ্ঠ পদক্ষেপ লৈ নতুনত্বৰ আহ্বান দিছিল। মাৰ্ক্সীয় অৰ্থনীতি আৰু ধৰ্মমূলক বহু কিতাপে দেউতাই পঢ়িছিল, ধৰ্মীয় ক্ষেত্ৰত পুৰণিকলীয়া নীতি-নিয়মৰ সংস্কাৰ সাধন কৰিছিল আৰু সময়োপযোগী এক সৰল নামধৰ্মৰ লগত নিজকে বিলাই দিছিল। স্বৰ্গীয় বিষ্ণু বৰাদেৱলৈ মোক বিয়া দিয়াৰ সিদ্ধান্ত দেউতাই নিজেই লৈছিল। দেউতাৰ কথাত কোনেও মাত মাতিব পৰা নাছিল। স্বৰ্গীয় বৰাই তেতিয়া মোক সুধিছিল যে—"আমাৰ মাজত বিয়া হোৱাত তোমাৰ কিবা আপত্তি আছে নেকি? কাৰণ তোমাৰ আৰু মোৰ মাজত বয়সৰ বহুত ব্যৱধান। তাকে চাই সন্মতি আছে যদি জনাবা।" "দেউতাই যি কৈছে সেয়েই মোৰ সিদ্ধান্ত" বুলি মই উত্তৰ দিছিলো। তাৰপাছত ১৯৫৩ চনৰ ১৬ আহাৰ তাৰিখে আমাৰ বিয়া হৈ যায়। বিয়াৰ পিছত মোৰ স্বামীৰ ক'তো ঘৰ নোহোৱাত মোক দেউতাৰ ঘৰতে ৰাখিছিল। প্ৰায় পাঁচ বছৰৰ পাছত মোৰ কন্যা শ্ৰীমতী দৰ্পণা (মামনী)-ৰ জন্ম হয়। তেতিয়াহে আমাক দেউতাৰ মাটিতে এটা ঘৰ সাজি দিছিল। এই ধৰণেই আমাৰ সংসাৰ আৰম্ভ হৈছিল।

তেখেতে এখন চাইকেল লৈ দিনটোলৈ ওলাই যায় মিটিং কৰিবলৈ। "অইল ৰিফাইনেৰী লাগিবই", "ব্ৰহ্মপুত্ৰৰ ওপৰত দলং দিব লাগে", "অসমত অসমীয়া ভাষা হ'বই লাগিব" —এই বোৰ আন্দোলনত ব্যস্ত মোৰ স্বামী। মনতে ভাবিছিলো, আজি ঘৰলৈ আহিলে ভালকৈ গালি দিম। কিন্তু ঘৰলৈ আহি যেতিয়া কথাবোৰ কয়, মোৰ মনত ভাব হয়, কথাবোৰ সঁচা। তথাপি ঘৰখনৰ কথা ভবাতো উচিত। তেল শোধনাগাৰ আন্দোলনত ঘূৰি ফুৰোতে নাহৰকটীয়া আদি কেইখনমান ঠাইৰ মিটিঙত মইয়ো উপস্থিত আছিলো। ৰঙানদী মিৰি গাঁৱত মিৰি চাঙত মই তেখেতৰ সৈতে বহু ৰাতি কটাইছিলো। বহু ধৰণৰ আন্দোলন আহিছিল, গৈছিল। প্ৰতিটোতে তেখেতে বিচাৰ কৰি চাই সক্ৰিয় অংশগ্ৰহণ কৰি নেতৃত্ব দিছিল। অসমৰ কৃষকসকলৰ ন্যায্য দাবী পূৰণৰ বাবে সদৌ অসম কৃষক সভা প্ৰতিষ্ঠা হৈছিল। তেখেতে বহুদিন কৃষক সভাৰ সম্পাদক আছিল আৰু পিছত প্ৰাদেশিক কৃষক সভাৰ সভাপতি হৈছিল। তেখেতে সৰ্বভাৰতীয় কৃষক সন্মিলনলৈ কেইবাবাৰো প্ৰতিনিধি হৈ গৈছিল।

গোটেই ভাৰতবৰ্ষতে খেত-মজদুৰ ইউনিয়ন গঠন হৈছিল। অসমত কৃষি-শ্ৰমিক ইউনিয়ন নামে সংগঠন হ'ল ভূমিহীন কৃষকৰ। লোকৰ বাৰীচুকত থকা, লোকৰ ঘৰত দিন হাজিৰা কৰা, ১৯৫০ চনৰ বৰ ভূইঁকপে সৰ্বশ্ৰান্ত কৰা মানুহখিনিক লৈ অসমত কৃষি-শ্ৰমিক ইউনিয়ন গঠন হ'ল আৰু ইয়াৰ দায়িত্ব দিলে বিষ্ণু বৰাদেৱক। লক্ষীমপুৰ আৰু দৰঙত সংগঠন কৰি তেওঁ ঘূৰি ফুৰিলে। গহপুৰ ৰিজাৰ্ভ, পাভ ৰিজাৰ্ভ আদি বহুতো নাম শুনিছিলো।

তেখেতে বিয়াৰ পাছত বহুদিন জেইলত থাকিব লগা হৈছিল কমিউনিষ্ট নেতা হোৱাৰ বাবে। পূৰ্ণ দত্ত আৰু যোগেন শইকীয়াৰ জৰিয়তে আলোচনা কৰি মহেন্দ্ৰমোহন চৌধুৰীৰ লগত সংযোগ স্থাপন কৰিছিল কৃষক-শ্ৰমিকৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে। কিন্তু কেইমানমানৰ পিছতে চৌধুৰী মন্ত্ৰীসভাৰ পতন ঘটিছিল। ইয়াৰ পিছত শ্ৰীযুত শৰৎচন্দ্ৰ সিংহদেৱ মুখ্যমন্ত্ৰীৰ পদলৈ আহিল। তেখেতৰ লগতে কথা-বতৰা পাতি সমগ্ৰ অসমৰ লগতে গহপুৰতো পূৰ্ব্বজ্যোতি কৃষিপাম নিগম প্ৰতিষ্ঠা কৰিছিল। মই তেখেতৰ লগত কম সময়হে অতিবাহিত কৰিছিলোঁ। কিন্তু এই সময়ৰ ভিতৰত তেখেতে কেৱল জনহিতকৰ কামেই কৰা দেখিছিলো। উচ্চ শিক্ষা আছিল যদিও তেখেতে চাকৰি কৰি নিজৰ জীৱিকা উপাৰ্জনত সময় কটাব বিচৰা নাছিল। নিজৰ পৰিয়ালৰ ভৰণ-পোষণৰ কথা সোঁৱৰাই থকা স্বত্বেও তেওঁৰ কোনো পৰিবৰ্তন দেখা নাছিলো।

১৯৮১ চনৰ ১০ জানুৱাৰী তাৰিখে শ্ৰীশশধৰ ভূঞা আৰু যুগল ফুকনে তেখেতক মুখ্যমন্ত্ৰীৰ ওচৰলৈ যাবলৈ অনুৰোধ কৰে। তেখেতে অসুখীয়া গাৰেই তেওঁলোকক মুখ্যমন্ত্ৰীৰ ওচৰলৈ লৈ গৈছিল। জীৱনৰ শেষ মুহূৰ্তটো পৰৰ উপকাৰ কৰিবলৈ গৈ গণেশগুৰি চাৰিআলিত দুৰ্ঘটনাত পতিত হৈ অকালতে তেখেতৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতে অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল।

আমাৰ একমাত্ৰ কন্যা শ্ৰীমতী দৰ্পণা (মামনী) আৰু একমাত্ৰ পুত্ৰ দেৱব্ৰত (বাবা)-ই বহু কষ্ট স্বীকাৰ কৰি নিজৰ ওপৰত নিৰ্ভৰ কৰি প্ৰতিস্থিত হ'বলৈ সক্ষম হৈছে আৰু মই এতিয়া পূৰ্ব্বজ্যোতি কৃষিপাম নিগমতে তেখেতৰ স্মৃতি আৰু আদৰ্শ লৈয়ে জীয়াই আছো।

OKDISCD

# নিগমত সেৱাদলৰ ভূমিকা

তৰুণ বৰা
ধলপুৰ

কলেজত পঢ়ি থাকোতেই সেৱা দলৰ প্ৰশিক্ষণ এটা লোৱাৰ সুবিধা গ্ৰহণ কৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সভা-সমিতিৰ লগত জড়িত থকাৰ কথা মোৰ শ্ৰদ্ধাৰ স্বৰ্গীয় বিষ্ণু বৰাদেৱে (বৰদেউতা বুলি মাতো) মোক ভালদৰে জানে। সেয়েহে বোধহয় আলোচনা কৰি মাননীয় শ্ৰীযুত নন্দ বৰা ককাইদেউৰ জৰিয়তে মোক শিমলুগুৰিলৈ মাতি পঠালে।

সেইদিনা শনিবাৰ, মই গৈ শিমলুগুৰিত শ্ৰীযুত নন্দ বৰা আৰু স্বৰ্গীয় বিষ্ণু বৰাদেৱক লগ কৰাত তেখেতসকলে মোক ক'লে যে "আমি চৰকাৰী আৰ্হিত দৰং জিলাৰ ডিগম্বৰী বনাঞ্চলত নিগম প্ৰতিষ্ঠা কৰিবলৈ লৈছো। ভগৱানে সহায় কৰিলে বহুতো ভূমিহীন লোকৰ সংস্থাপন হ'ব। বিশেষকৈ অন্ন, বস্ত্ৰ আৰু থকা ঘৰৰ সমস্যাৰ সমাধান হ'ব। সদ্যহতে আমাক ত্যাগ আৰু সাহস লাগে। তই ডেকা মানুহ চাকৰি যেতিয়া তোৰ নাই আমাৰ লগত খাতি দে তোৰো মংগল হ'ব।"

"আমি অহা সপ্তাহতে শিমলুগুৰিতে অস্থায়ী কাৰ্যালয় আৰু শিবিৰ আৰম্ভ কৰিম।" এইবুলি শ্ৰীযুত নন্দ বৰাদেৱে মোৰ সহযোগিতা বিচাৰে। লগতে শ্ৰীযুত ভৱ শইকীয়া (শেলকঠিয়া) শ্ৰীযুত নৃপেন্দ্ৰ কুমাৰ দে (নাৰায়ণপুৰ), শ্ৰীযুত ৰেব বৰা (তাঁতিবাহাৰ), শ্ৰীযুত অৰুণ শইকীয়া (ভোলাবৰী), শ্ৰীযুত নৰেশ্বৰ শইকীয়া (শিমলুগুৰি) আদি ব্যক্তিৰ পৰামৰ্শ আৰু আমন্ত্ৰণ পাই ময়ো আগন্তুক শিবিৰত সহযোগ কৰাৰ সিদ্ধান্ত কৰিলো।

নিৰ্দিষ্ট দিনত শিমলুগুৰিত অস্থায়ী কাৰ্যালয় আৰু শিবিৰ আনুষ্ঠানিকভাবে গণ্য-মান্য ব্যক্তিৰ সহযোগত উদ্বোধন কৰা হ'ল। বিভিন্ন প্ৰান্তৰ পৰা নিগমৰ অংশীদাৰ হ'বৰ বাবে বিশেষকৈ ভূমিহীন ব্যক্তিৰ সমাগম হ'ল। তালিকা প্ৰস্তুত কৰি শিবিৰত অংশীদাৰসকলক থাকিবলৈ কাৰ্যালয়ৰ তৰফৰ পৰা কোৱা হ'ল। দুদিনৰ ভিতৰত যথেষ্ট অংশীদাৰ আহি শিবিৰত থাকিবলৈ লোৱাত সকলোৱে এটা সমস্যাৰ সন্মুখীন হ'ল। সেইটোৱেই হ'ল বিভিন্ন সম্প্ৰদায়, ভাষা বা ব্যক্তিৰ মাজত হোৱা বুজাবুজিৰ অভাৱ। কোনেও কাকো বুজিবলৈ চেষ্টা নকৰে। এনে পৰিস্থিতিৰ সন্মুখীন হওঁতে মাননীয় শ্ৰীযুত নন্দ বৰাদেৱে এটা পৰামৰ্শ আগবঢ়ালে যে আমি সকলোৱে সেৱাদলৰ নীতি, আদৰ্শ মানি প্ৰতিজ্ঞাবদ্ধ হ'লে লাভবান হ'ম। তেতিয়া পৰস্পৰে পৰস্পৰক বুজিব। আমাৰ মহান অভিযানত সফল হ'ম। অহাকালিৰ পৰা সেৱাদলত সকলোৱে যোগদান কৰি আমাৰ কামত অগ্ৰসৰ হ'ব লাগিব বুলি সিদ্ধান্ত হ'লত মোৰ ওপৰতে সেৱাদলৰ সকলো দায়িত্ব অৰ্পণ কৰিলে শ্ৰীযুত নন্দ বৰা আৰু স্বৰ্গীয় বিষ্ণু বৰাদেৱে।

পিছদিনা পুৱা ছয় বজাৰ পৰা ডেকা, বুঢ়া, ল'ৰা সকলোৱে সামৰ্থ্য অনুযায়ী টিয়নি, হাফপেণ্ট, লংপেণ্ট, পায়জামা আদি ইউনিফৰ্মেৰে পেৰেড শিকাৰ অভ্যাস কৰিলে।

এইদৰে কেইবাদিনো যোৱাৰ পাছত এদিন জাতীয় পতাকাৰ তলত সকলো সমবেত হৈ শান্তি-সম্প্ৰীতি ঐক্য-সংহতি আৰু ভাই-ভাই বান্ধোন অটুট ৰখাৰ উদ্দেশ্যে তলৰ বাক্য কেইফাঁকিৰে শপত গ্ৰহণ কৰা হয়।

১) মই সেৱাদলৰ নীতি ৰক্ষা কৰি সততে নিয়মানুৱৰ্তিতা বজায় ৰাখিবলৈ চেষ্টা কৰিম।

২) স্বাধীন নাগৰিক হিচাপে নিজস্বাৰ্থ ত্যাগ কৰি সেৱাৰ মনোভাৱেৰে সমবায় প্ৰচেষ্টাৰে কাম কৰিবলৈ সাজু থাকিম।

৩) গঠনমূলক কাৰ্য পদ্ধতিৰে জাতি-ধৰ্ম নিৰ্বিশেষে সকলোকে সহায় কৰি শান্তি অটুট ৰখাটো কৰ্তব্য বুলি মানিম।

উক্ত শপত বাক্য লওঁতে মুঠ ৪১ জন সদস্য উপস্থিত আছিল। তাৰ ভিতৰত মোৰ মনত পৰা ব্যক্তিসকল হ'ল (সৰ্বশ্ৰী) সোণাৰাম মুদৈ, তুলসী ভূএগ্ৰা, চুৰেণ শইকীয়া, হৰ শইকীয়া, যদু শইকীয়া, খগী বৰা, বগাই দাস, মাঘিয়া দাস, দেৱ গগৈ, গিৰিধৰ দাস, যাদৱ বৰা, সোণ বৰা, নাৰায়ণ ভূএগ্ৰা, কনক ভূএগ্ৰা, সাদৰি মিষ্টি মোলোকা দাস, নগেন ফুকন, সোণটি বৰা, উমেশ বৰা, প্ৰমোদ শইকীয়া, মইনা গগৈ, বগাই তৰ্চা।

প্ৰতিদিনে পুৱা এঘণ্টা সেৱাদলৰ প্ৰশিক্ষণ দিয়াৰ কিছুদিনৰ পাছত নিগম প্ৰতিষ্ঠাৰ ঠাইলৈ (ডিগম্বৰীলৈ) অহা হয়। নতুন ঠাইৰ নানা সমস্যাৰ লগতে খোৱা-বোৱা তথা আৰ্থিক অনাটনৰ মাজত সপ্তাহত (অসুবিধা হেতু) এদিন সেৱাদলৰ প্ৰশিক্ষণত অংশীদাৰসকল উপস্থিত থকাটো নিজৰ কৰ্তব্য বুলিয়েই ভাবিছিল। প্ৰায় ডেৰ বছৰকাল মই অস্থায়ীভাবে নিগমৰ বিভিন্নজন অংশীদাৰৰ লগত থাকি মই নিজকে নিগমবাসী বুলি গৌৰৱ কৰিছিলো।

এটা নিৰ্দিষ্ট দিনত নিগমলৈ অসমৰ মাননীয় স্বাস্থ্যমন্ত্ৰী মহোদয়, দৰং জিলাৰ উপায়ুক্ত মাননীয় শ্ৰীযুত কমলেশ্বৰ বৰা, গহপুৰ সমষ্টিৰ বিধায়ক মাননীয় শ্ৰীযুত শ্ৰীৰাম শৰ্মাদেৱকে আদি কৰি বহুতো গুণী-মানী লোকক নিগমবাসীয়ে সম্পূৰ্ণ সেৱাদলৰ সন্মান সহকাৰে আদৰি আনিলে। এনে গুৰু দায়িত্ব বহন কৰিবলৈ পায় মই নিজেও ধন্য মানিছিলো।

কোনো পাৰিশ্ৰমিক নোলোৱাকৈ প্ৰায় দুবছৰকাল নিগমবাসীৰ লগত থাকি কৰ্তব্যৰ তাড়নাতে নিগম ত্যাগ কৰি আহি শিক্ষকতাৰ পদত আত্মনিয়োগ কৰিলো। বহুদিন নিগমৰ বাহিৰত আছো যদিও মাজে-সময়ে পূৰ্বজ্যোতি কৃষিপাম নিগমৰ স্মৃতিয়ে মনত আনন্দ আৰু শান্তি দিয়ে। ●

OKDISCD

# অসমৰ কৃষি উন্নয়নত চৰকাৰী আঁচনিৰ গুৰুত্ব

অনন্ত শইকীয়া
অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগ
উত্তৰ লক্ষীমপুৰ, লক্ষীমপুৰ

ভাৰতবৰ্ষ এখন কৃষিপ্ৰধান দেশ। অসম ভাৰতবৰ্ষৰে এক অংগৰাজ্য। সেয়েহে অসমৰ অৰ্থনীতিও কৃষিৰ ওপৰত নিৰ্ভৰশীল। অসমত খাদ্য-শস্য উৎপাদনৰ প্ৰচুৰ সুবিধা থকা সত্ত্বেও এই ৰাজ্যই সদায় খাদ্য-শস্য আৰু ফল-মূলৰ নাটনিৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰি আহিছে। অসম চৰকাৰে প্ৰত্যেক বছৰে বিপুল পৰিমাণৰ ধন ভাঙি অন্যান্য ৰাজ্যৰ পৰা খাদ্য-শস্য আৰু ফল-মূল আদি আমদানি কৰিহে চাহিদা পূৰণ কৰিবলগা হৈছে। বৰ্তমান কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়তে বিয়াগোম 'কৃষি বিভাগ' এটা আছে যদিও কাৰ্যত এই বিভাগে কৃষি উন্নয়নত যথেষ্ট সফলতা অৰ্জন কৰিব পৰা নাই।

অসমৰ কৃষিৰ লগত জড়িত হৈ থকা কৃষকসকল আধুনিক কৃষি উৎপাদন কৌশল সম্পৰ্কে আৰু কৃষি উন্নয়ন সম্পৰ্কত চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহৰ বিষয়ে কৃষকসকল সম্পূৰ্ণকৈ জ্ঞাত নহয়। ফলস্বৰূপে দেশৰ ধৰণীস্বৰূপ কৃষকসকল চৰকাৰী আঁচনিৰ সুফল লাভৰ পৰা বঞ্চিত হোৱাৰ লগতে দেশৰ অৰ্থনীতিৰ বুনিয়াদ দুৰ্বল হৈ পৰিছে। যদি অচিৰেই এই কৃষকসকলক উপযুক্তভাৱে পথ নিৰ্দেশনা দি আধুনিক বৈজ্ঞানিক দৃষ্টিভংগীৰে প্ৰশিক্ষিত কৰি লোৱা নহয়, তেনেহ'লে শতাধিক আঁচনি প্ৰৱৰ্তন কৰিলেও কৃষি উন্নয়নত সুফল আশা কৰিব নোৱাৰি।

যি কি নহওক কৃষি উন্নয়নৰ ক্ষেত্ৰত কৃষি আঁচনিসমূহৰ গুৰুত্ব অপৰিসীম। এই বিষয়ে আলোচনা কৰিবলৈ যাওঁতে চৰকাৰী আঁচনিসমূহৰ উদ্দেশ্য আৰু বিষয়বস্তু সম্পৰ্কে চালিজাৰি চোৱাৰ প্ৰয়োজন আছে। সেইবাবে কেইখনমান বিশেষ আঁচনিৰ সম্পৰ্কে আলোচনা দাঙি ধৰা হ'ল।

**১) সংহত ধান উৎপাদন আঁচনি (Integrated Programme for Rice Development) ঃ** এই আঁচনিখন ১৯৯০-৯১ চনৰ পৰা কাৰ্যকৰী কৰা হৈছে। এই আঁচনিৰ জৰিয়তে খণ্ড উন্নয়ন পৰ্যায়ত কৃষকসকলক কঠীয়া, ধান, সাৰ, কীটনাশক দৰৱ, সূক্ষ্ম স্পেয়াৰ কৃষিৰ অন্যান্য সঁজুলি বিনামূলীয়াকৈ বিতৰণ কৰা হয়। তদুপৰি পাৱাৰ পাম্পৰ ক্ষেত্ৰত ৫০ শতাংশ আৰু পাৱাৰ টিলাৰৰ ক্ষেত্ৰত ১০,০০০/- টকা পৰ্যন্ত ৰেহাই দিয়াৰ ব্যৱস্থা আছে।

**২) বিকেন্দ্ৰীকৃত পৰিকল্পনা আঁচনি ঃ** মহকুমা ভিত্তিত এই আঁচনি প্ৰৱৰ্তন কৰা হৈছে। এই আঁচনিৰ জৰিয়তে সকলো সম্প্ৰদায়ৰ লোকে ধান, ঘেঁহু, সৰিয়হ আদি বীজ, সাৰ, কৃষিৰ সা-সঁজুলি, কীটনাশক দৰৱ আদি ৰেহাই মূল্যত পোৱাৰ ব্যৱস্থা আছে।

**৩) পাচমাফাপ (Prime Minister's Special Assistance for Small and Marginal Farmer) ঃ** এই আঁচনি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰত্যক্ষভাৱে পৰিচালিত কৰা হয়। ক্ষুদ্ৰ, উপান্ত আৰু ভূমিহীন কৃষকক সাহায্য দিয়াৰ উদ্দেশ্যে এই আঁচনি প্ৰৱৰ্তন কৰা হৈছে। ১৫ বিঘাতকৈ কম মাটি থকা কৃষকসকলক বিনামূলীয়াকৈ সাৰ, বীজ, কৃষিৰ সা-সঁজুলি আদি যোগান ধৰা হয়। পাৱাৰ পাম্প আৰু অগভীৰ নলীনাদো এই আঁচনিৰ জৰিয়তে বিভিন্ন ৰেহাই হাৰত যোগান ধৰা হয়।

**৪) তৈল বীজ উৎপাদন আঁচনি (Oil Seeds Production Programme) ঃ** এই আঁচনিখনো কেন্দ্ৰীয় চৰকাৰৰ অৰ্থ সাহায্যত পৰিচালিত হয়। এই আঁচনিৰ জৰিয়তে তৈল বীজ, সাৰ, ঔষধ আদি ৰেহাই মূল্যত যোগান ধৰা হয়।

**৫) ৰাষ্ট্ৰীয় মাহশস্য উন্নয়ন আঁচনি (National Pulse Development Programme) ঃ** এইখন আঁচনিও কেন্দ্ৰীয় চৰকাৰৰ অৰ্থ সাহায্যত মাহজাতীয় শস্য বিনামূলীয়াকৈ অথবা ৰেহাই মূল্যত যোগান ধৰা হয়।

**৬) ফল-মূল আৰু বাৰী উন্নয়ন আঁচনি ঃ** এই আঁচনিৰ জৰিয়তে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি কৃষকৰ ক্ষেত্ৰত সম্পূৰ্ণ ৰেহাইসহ অগ্ৰাধিকাৰ দিয়া হৈছে। শাক-পাচলিৰ বীজ, বিভিন্ন ফল-মূলৰ পুলি যোগানৰ ব্যৱস্থা কৰা হৈছে। এইবোৰ সম্পূৰ্ণ অথবা আংশিক ৰেহাই মূল্যত যোগান ধৰা হয়।

**৭) শস্য ৰক্ষা আঁচনি (Plant Protection) ঃ** শস্যত দেখা দিয়া পোক-পৰুৱা, বেমাৰ আদিৰ পৰা নিৰাময় কৰিবৰ বাবে চৰকাৰে এই আঁচনিৰ জৰিয়তে বিনামূলীয়াকৈ ঔষধ আৰু সংৰক্ষণৰ সঁজুলি আদি যোগান ধৰা হয়।

**৮) মৰাপাট উন্নয়ন আঁচনি (Jute Development Scheme) ঃ** এই আঁচনিৰ জৰিয়তে মৰাপাটৰ বীজ, সাৰ, সঁজুলি আদি ৰেহাই অথবা বিনামূলীয়াকৈ যোগান ধৰা হয়। নগাঁও, দৰং আদি কোনো কোনো জিলাত কেন্দ্ৰীয় চৰকাৰৰ অনুদানপুষ্ট আঁচনি আছে।

OKDISCD

৯) জনজাতি উন্নয়ন আঁচনি ঃ এই আঁচনি কেৱল জনজাতি লোকৰ বাবেহে প্ৰযোজ্য। জনজাতি উন্নয়ন বোৰ্ডে এই আঁচনি পৰিচালনা কৰে আৰু ইয়াৰ মুখ্য পৰিচালকজনক প্ৰকল্প সঞ্চালক বোলা হয়। প্ৰকল্প সঞ্চালকৰ তত্বাৱধানত কিছুমান সদস্য থাকে আৰু ই কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। জনজাতি উন্নয়ন সাধনেই এই আঁচনিৰ মূল লক্ষ্য। এই আঁচনিত শিক্ষামূলক ভ্ৰমণ আৰু প্ৰশিক্ষণৰ ব্যৱস্থাও আছে।

১০) অনুসূচিত জাতি সহায়ক আঁচনি ঃ ওপৰোক্ত জনজাতি উন্নয়ন আঁচনিৰ দৰে অনুসূচিত জাতিৰ ক্ষেত্ৰতো এই আঁচনিয়ে সাহায্য আগবঢ়াই আহিছে।

১১) কৃষি তথ্য প্ৰচাৰ আঁচনি ঃ প্ৰচাৰ-পত্ৰ, পুস্তিকা, শিক্ষামূলক চিনেমা আদিৰ জৰিয়তে কৃষকৰ মাজত কৃষি বিষয়ে শিক্ষা প্ৰচাৰ কৰা হয়। মাজে মাজে আলোচনা চক্ৰ, কৃষিমেলা, প্ৰদৰ্শনী আদিৰো আয়োজন কৰা হয়। কৃষকৰ ৰেডিঅ', টেলিভিছন আদি কাৰ্যসূচী, শিক্ষামূলক ভ্ৰমণ, প্ৰশিক্ষণ আদিৰো ব্যৱস্থা কৰা হয়।

১২) কৃষি সম্প্ৰসাৰণ আঁচনি ঃ ১৯৭৯ চনত বিশ্ব বেংকৰ সহায়ত পৰীক্ষামূলকভাবে এই আঁচনি প্ৰৱৰ্তন কৰা হয়।

এইখন কৃষি বিভাগৰ মূল আঁচনি। কৃষি বিভাগৰ গাঁও পৰ্যায়ৰ কৃষিকৰ্মীসকলে প্ৰত্যেক ১৪ দিনৰ মূৰে মূৰে গাঁৱত কৃষিসেৱা আগবঢ়াব লাগে। নিৰ্বাচিত কৃষকক খেতিৰ বিষয়ে বিতং জ্ঞান প্ৰদান কৰি উৎপাদন বৃদ্ধিত সহায় কৰাই এই আঁচনিৰ মূল উদ্দেশ্য। এইক্ষেত্ৰত কৃষি সম্প্ৰসাৰণ বিষয়া আৰু কৃষি বিশেষজ্ঞ আদিও পথাৰলৈ গৈ কৃষকসকলক কাৰিকৰী দিহা-পৰামৰ্শ আগবঢ়াব লাগে।

১৩) পথাৰ পৰিচালনা সমিতি (**Field Management Committee**) ঃ এই আঁচনিৰ জৰিয়তে পথাৰ পৰিচালনা সমিতি গঠন কৰি সমূহীয়া খেতি-বাতিক উদ্‌গনি দি কৃষি বিভাগে সকলো সাহায্য দিয়াৰ দিহা কৰিছে। একোখন আদৰ্শ সমিতি গঠন কৰি ট্ৰেক্টৰ, পাৱাৰটিলা আদি যোগানৰ ব্যৱস্থা কৰা হৈছে।

১৪) কুঁহিয়াৰ উন্নয়ন আঁচনি ঃ কুঁহিয়াৰ খেতিৰ উন্নয়নৰ বাবে এই আঁচনিৰ জৰিয়তে কুঁহিয়াৰ আগ, সাৰ, ঔষধ আদি ৰেহাই মূল্যত অথবা বিনামূলীয়াকৈ বিতৰণ কৰাৰ ব্যৱস্থা আছে।

১৫) বান সাহায্য ঃ ৰাজ্য চৰকাৰৰ ৰাজহ বিভাগৰ অনুদান সাপেক্ষে কৃষি বিভাগে বান প্ৰপীড়িত কৃষকসকলক বিনামূলীয়াকৈ শস্যৰ বীজ বিতৰণ কৰে।

১৬) বিকেন্দ্ৰীকৃত পৰিচালনা আঁচনি ঃ মহকুমা পৰ্যায়ত এই আঁচনিখন ৰূপায়ণ কৰা হয়। এই আঁচনিৰ জৰিয়তে শস্যৰ বীজ, সাৰ, কীটনাশক দৰৱ, কৃষিৰ সঁজুলি আদি ৰেহাই মূল্যত অথবা বিনামূলীয়াকৈ বিতৰণ কৰা হয়।

১৭) অন্যান্য আঁচনি ঃ উপৰোক্ত আঁচনিসমূহৰ বাহিৰেও কৃষি উন্নয়নৰ বাবে বহুতো আঁচনি প্ৰৱৰ্তন কৰা হৈছে।

এই আঁচনিসমূহৰ সফল ৰূপায়ণৰ বাবে তলত দিয়াধৰণে কৃষি বিভাগটো গঠন কৰা হৈছে।

কৃষি সঞ্চালক

◊

যুটীয়া কৃষি সঞ্চালক আৰু কৃষি বিশেষজ্ঞৰ দল

জিলা কৃষি বিষয়া আৰু কৃষি বিশেষজ্ঞৰ দল

◊

মহকুমা কৃষি বিষয়া আৰু কৃষি বিশেষজ্ঞৰ দল

◊

কৃষি সম্প্ৰসাৰণ বিষয়া

◊

গাঁও পৰ্যায়ৰ কৃষিকৰ্মী
(গ্ৰামসেৱক)

তদুপৰি কৃষি বিভাগটোক তলত দিয়াধৰণে বিভিন্ন শাখাত ভাগ কৰা হৈছেঃ

১) কৃষি অভিযান্ত্ৰিক শাখা

২) অসম ৰাজ্যিক বীজ প্ৰমাণিকৰণ এজেন্সি

৩) অসম বীজ নিগম

৪) অসম কৃষি উদ্যান বিভাগ

৫) সামূহিক ফল-মূল সংৰক্ষণ বিভাগ

এই বিভাগবোৰৰ উপৰিও এই আঁচনিবোৰৰ সফল ৰূপায়ণৰ বাবে কেতবোৰ সহযোগী বিভাগ আছে। সেইবোৰ হ'ল ঃ (১) জলসিঞ্চন বিভাগ (২) ক্ষুদ্ৰ জলসিঞ্চন বিভাগ (৩) জিলা গ্ৰাম্য উন্নয়ন এজেন্সি (৪) সমবায় বিভাগ (৫) পশুপালন বিভাগ ইত্যাদি।

১৯৯৬-৯৭ চনৰ কৃষি উৎপাদনৰ পৰিমাণ মুঠেই সন্তোষজনক নহয়। পৰ্যবেক্ষণ কৰিলে দেখা যায় মাত্ৰ কেইবিধমান শস্যৰ ক্ষেত্ৰতহে সামান্য পৰিমাণে উৎপাদন বৃদ্ধি হোৱা দেখা যায়। সৰহসংখ্যক প্ৰধান শস্যৰ উৎপাদন যোৱা ১৯৯৫-৯৬ বছৰৰ তুলনাত একেই থকা দেখা যায়। শৰৎকালীন শস্যৰ (**Autumn Paddy**) ক্ষেত্ৰত ১৯৯৫-৯৬ চনৰ মুঠ উৎপাদন ৫.১৬ লাখ টনৰ বিপৰীতে ১৯৯৬-৯৭ চনত মাত্ৰ ৫.২০ লাখ টনলৈ বৃদ্ধি পাইছে। শীতকালীন শস্যৰ ক্ষেত্ৰত ১৯৯৫-৯৬ চনৰ ২৬.২২ লাখ টনৰ বিপৰীতে ১৯৯৬-৯৭ চনত ২৫.১৬ লাখ টনলৈ হ্ৰাস হৈছে। গ্ৰীষ্মকালীন ধান ১৯৯৫-৯৬ চনৰ তুলনাত ১৯৯৬-৯৭ চনতো একেই থাকে।

OKDISCD

OKDISCD

মৰাপাট উৎপাদন ১৯৯৫-৯৬ চনৰ ৮.৪৪ লাখ বেলৰ বিপৰীতে ১৯৯৬-৯৭ চনত ৮.০৫ লাখ বেললৈ হ্ৰাস পাইছে। মেস্তা আৰু অন্যান্য আঁহজাতীয় শস্যবোৰ ১৯৯৫-৯৬ চনৰ ২৬.৬ হাজাৰ বেলতকৈ ১৯৯৬-৯৭ চনত ২৬.৯ হাজাৰ বেললৈ বৃদ্ধি পাইছে। সৰিয়হ উৎপাদনৰ ক্ষেত্ৰত ১৯৯৫-৯৬ চনৰ ১.৪৩ লাখ টনৰ তুলনাত ১৯৯৬-৯৭ চনত ১.৪১ লাখ টনলৈ হ্ৰাস পায়।

এইখিনিতে যোৱা চাৰি বছৰত ৰাজ্যখনৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ ৰাজহুৱা বিতৰণৰ এখন তালিকা দাঙি ধৰা হ'ল।

(মেট্ৰিক টনত)

| বছৰ | চাউল | ঘেঁহু | চেনি |
|---|---|---|---|
| ১৯৯৩ | ৩,৮৮,৫৯৮ | ২,২৬,৬৬২ | ১,০৬,৫৩০ |
| ১৯৯৪ | ৩,১৫,০৬৩ | ২,৪৫,২৪৪ | ১,০২,৮৯৫ |
| ১৯৯৫ | ৪,২৮,০১০ | ৩,৪১,৪৮৮ | ১,০৪,৯৪০ |
| ১৯৯৬ (জুলাই মাহলৈ) | ২,৬৪,১৯৮ | ১,৯৭,৮১৯ | ৬২,০৯৫ |

উৎস ঃ অসামৰিক খাদ্য আৰু যোগান সঞ্চালকালয়।

কৃষি উন্নয়নত চৰকাৰে কিদৰে গুৰুত্ব দিছে তাৰ প্ৰতিফলনৰ বাবে চলিত দশকৰ যোৱা বছৰকেইটাত অসমত উৎপাদন হোৱা কেইবিধমান প্ৰধান শস্যৰ উৎপাদনৰ এখন তালিকা দাঙি ধৰা হ'ল।

| শস্যৰ নাম | একক | উৎপাদনৰ পৰিমাণ | | | | | |
|---|---|---|---|---|---|---|---|
| | | ১৯৯১-৯২ | ১৯৯২-৯৩ | ১৯৯৩-৯৪ | ১৯৯৪-৯৫ | ১৯৯৫-৯৬ | ১৯৯৬-৯৭ |
| ১। চাউল | লাখ টন | ৩১.৯৭ | ৩২.৯৯ | ৩৩.৬২ | ৩৩.০৯ | ৩৩.৯০ | ৩০.৩৬ |
| ২। দাইল | লাখ টন | ০.৫৪ | ০.৫১ | ০.৫৬ | ০.৫৯ | ০.৫৬ | – |
| ৩। কুঁহিয়াৰ | লাখ টন | ১.৪৫ | ১.৫৫ | ১.৩৭ | ১.৫১ | ১.৪৯ | ১.২৮ |
| ৪। তৈল বীজ (নাৰিকল তেল বাদ দি) | লাখ টন | ১.৯০ | ১.৫০ | ১.৪৪ | ১.৬৪ | ১.৫৭ | ১.৪ |
| ৫। আলু | লাখ টন | ৪.৭৩ | ৩.৮৮ | ৫.০৭ | ৫.৬৭ | ৫.০৫ | ৫.৭৯ |
| ৬। মৰাপাট | লাখ বেল | ৮.৬৭ | ১০.৩৪ | ৬.৭৬ | ৯.২৫ | ৮.৪৪ | ৪.০৩ |

উৎস ঃ অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়, অসম।

ইয়াৰ পৰা এইটো বুজা যায় যে কৃষি উন্নয়ন সম্পৰ্কীয় আঁচনিবোৰ যথাৰ্থতে কৃষকৰ সহায়ক যদিও সফল ৰূপায়ণ নোহোৱাৰ বাবে ই সম্পূৰ্ণৰূপে কৃষকক সহায় কৰিব পৰা নাই। কৃষি বিভাগৰ লগত জড়িত সকলো বিষয়া-কৰ্মচাৰীয়ে উদাৰচিত্তে কৃষকসকলৰ মাজলৈ ওলাই আহি কৃষি সম্পৰ্কীয় আধুনিক কৌশলবোৰৰ বিষয়ে অৱগত কৰি প্ৰশিক্ষিত কৰি তুলিব পাৰে, তেন্তে অসমৰ প্ৰত্যেকজন কৃষকেই এই আঁচনিসমূহৰ গুৰুত্ব মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰিব আৰু ইয়াৰ সুফল লাভ কৰিব পাৰিব। ফলস্বৰূপে অৰ্থনৈতিক বুনিয়াদ সবল হ'ব, শস্য আৰু অন্যান্য ফল-মূলৰ আমদানি ৰোধ হ'ব। ইয়াৰ বাবে লাগিব অসমৰ কৃষকসকলৰ কৃষিৰ প্ৰতি আগ্ৰহ, সচেতনতা আৰু সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীৰ আশাসুধীয়া প্ৰচেষ্টা।

## পোহৰৰ সন্ধানত

ৰূপা নেওগ

*পোহৰ বিচাৰি যাওঁ আমি কৃষক সন্থা দল*
*পোহৰ বিচাৰি যাওঁ আমি ডেকা-গাভৰুৰ দল*
*জীৱনৰ সুগন্ধি জ্বলাই কৰিম আমি পোহৰ*
*নৱ নৱ সৃষ্টিৰে কৃষ্টিৰ দেশক কৰিম আমি উজ্জ্বল*
*সৌসিদিনা স্বৰ্গীয় বিষ্ণু ৰভাই কৰি গ'ল অশেষ ত্যাগ*
*বিশ্ব প্ৰেমিকৰ মহান বাণীৰে ৰাখি থৈ গ'ল মান।*
*শিক্ষাৰ শলিতা জ্বলাই আমি পোহৰক কৰিম উজ্জ্বল*

*শ্ৰমৰ মাজেৰে কৃষক দলে আমি জীৱন কৰিম সফল*
*যাৰ বসন্ত আহিব বৰ্ষা লগতে আনিব বৃষ্টিৰ প্লাৱন*
*বৃষ্টিৰ প্লাৱনে কৃষক দলক কৰিব বাৰ্তা প্ৰেৰণ*
*ফুল সামৰি গাখীবতি ধানে মেলিবহি ধানৰ থোক*
*সোণোৱালী ধানেৰে ওপচাই তুলি আনিব কৃষকৰ সুখ*
*শৰৎ আহিব শেৱালি ফুলিব বতাহে বিলাব সুবাস*
*সেউজী সুবাসে মন ভৰাই দিববি পোহৰৰ আভাস।*

# নিৰাপদ উপায়েৰে ধানৰ মজাখোৰা পোকৰ নিয়ন্ত্ৰণ ব্যৱস্থা

মৌচম হাজৰিকা, গুৱাহাটী

ধাননি পথাৰত প্ৰায়েই মজাখোৰা পোক বিচাৰি পোৱা যায়। সাধাৰণতে বৰষুণৰ বতৰৰ শেষ ভাগত ধাননি পথাৰত মজাখোৰা পোক ব্যাপক হাৰত থকাটো পৰিলক্ষিত হয়। ধান খেতিত বহু ধৰণৰ প্ৰজাতিৰ মজাখোৰা পোকে আক্ৰমণ কৰে। ইয়াৰে কেইটামান উল্লেখযোগ্য প্ৰজাতিৰ নাম এনে ধৰণৰ ঃ

| সাধাৰণ নাম | বৈজ্ঞানিক নাম |
|---|---|
| ক) ক'লা বৰণৰ মূৰ থকা মজাখোৰা পোক | Chilo polychrysus |
| খ) গুলপীয়া মজাখোৰা পোক | Sesamia inferens |
| গ) ৰেখা চিহ্নিত মজাখোৰা পোক | Chilo suppressalis |
| ঘ) বগা মজাখোৰা পোক | Scirpophaga innotata |
| ঙ) হালধীয়া মজাখোৰা পোক | Scirpophaga incertulas |
| চ) ঠাৰি চকুৰা মজাখোৰা পোক | Diopsis macrophthalma |
| ছ) পশ্চিম আফ্ৰিকাৰ মজাখোৰা পোক | Chilo zacconius |
| জ) দক্ষিণ আমেৰিকাৰ বগা মজাখোৰা পোক | Rupela albinella |

মজাখোৰা পোকৰ প্ৰধান পোষক গছ ধান গছ (Host plant) যদিও গম, কুঁহিয়াৰ, বজ্ৰা, বনৰীয়া ঘাঁহ আদিতো এই পোক দেখা যায়। ভাৰতীয় উপ-মহাদেশ আৰু দক্ষিণ-পূব এচিয়াত মজাখোৰা পোকৰ আক্ৰমণ বেছিকৈ হোৱা দেখা যায়।

মজাখোৰা পোকৰ পলুৱে ধান গছৰ (গা-গছ) অন্তৰ্ভাগ খায়। ফলত ধান গছৰ সংবহন ব্যৱস্থাৰ ব্যাপক ক্ষতি হয়। অৱশেষত ফুল ফুলাৰ আগতেই ধান গছৰ পোখাবোৰ মৰি যায়।

অৱশ্যে সম্পূৰ্ণ পোখা মেলাৰ আগতেই যদি মজাখোৰা পোকে আক্ৰমণ কৰে, তেনেহ'লে ধান গছে নিজস্ব প্ৰাকৃতিক বৈশিষ্ট্যৰে অতিৰিক্ত পোখা সৃষ্টি কৰি এই ক্ষতি আংশিকভাৱে পূৰণ কৰিব পাৰে।

মজাখোৰা পোকৰ আক্ৰমণৰ ফলত ধান গছৰ পোখাবোৰ মৰি গ'লে আঁতৰৰ পৰা এন্দুৰৰ আক্ৰমণ সদৃশ লক্ষণ দেখা যায়। এইক্ষেত্ৰত যাতে কোনো বিভ্ৰান্তিৰ সৃষ্টি নহয়, তাৰ বাবে সাৱধান হ'ব লাগে। মজাখোৰা পোকে আক্ৰমণ কৰা পোখাবোৰ সহজে উভালিব পাৰি। এই পোখাবোৰৰ তলৰ অংশত পোকে খোৱা চিনো দেখা যায়।

মজাখোৰা পোকে ফুল ধৰাৰ পিছতো ধান গছক আক্ৰমণ কৰিব পাৰে। এনেক্ষেত্ৰত ধানৰ শীহৰ ৰং বগা হৈ পৰে আৰু শীহটো শুকাই যায়। উল্লেখযোগ্য যে এন্দুৰৰ আক্ৰমণ আৰু খৰাং বতৰেও একে ধৰণৰ লক্ষণ দেখুৱাব পাৰে।

মজাখোৰা পোকে (পলুবোৰে) ধান গছৰ কাণ্ডৰ ভিতৰত কৰা ক্ষতিৰ চিন, ঢাকনি পাতৰ বৰণহীনতা বা ফুটা আদি লক্ষণবোৰ পৰ্যবেক্ষণ কৰিয়েই এই পোকৰ আক্ৰমণ ধৰিব পাৰি।

সাধাৰণতে সকলো প্ৰজাতিৰ মজাখোৰা পোকৰ প্ৰাপ্তবয়স্ক স্ত্ৰী পখিলাই (Moth) ধান গছৰ পাত বা ঢাকনী পাতত প্ৰায় ২০০ টামান কণী পাৰে। ৫-১০ দিনৰ পিছত কণীৰ পৰা পলুবোৰ ওলাই আহে আৰু পাত খাবলৈ আৰম্ভ কৰে। কিছুদিনৰ পিছত কাণ্ডত বিন্ধা কৰি ভিতৰ অংশলৈ প্ৰৱেশ কৰে। পলু পৰ্যায়টো প্ৰায় ২৮-৩৫ দিনলৈ থাকে। ধান গছৰ নিম্নাংশত লেটা পৰ্যায় আৰম্ভ হয়।

এইবিধ পোকৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ ভালেমান নিৰাপদ উপায় অৱলম্বন কৰিব পাৰি। সেইবোৰ এনে ধৰণৰ ঃ

- সোনকালে ধান পকা জাতৰ খেতি কৰা।
- মজাখোৰা পোকৰ আক্ৰমণ প্ৰতিৰোধ কৰিব পৰা জাতৰ ধান খেতি কৰা।
- একে সময়তে সমগ্ৰ পথাৰতে কঠীয়া ৰোপন কৰা।
- কঠীয়াতলিত মজাখোৰা পোকৰ কণী দেখিলে ধ্বংস কৰা।
- ধান গছৰ মাজৰ দূৰত্ব হ্ৰাস কৰা।
- পোহৰ ফান্দৰ (Light traps) ব্যৱহাৰ কৰা।
- নিম, পাৰ্চিয়ান, লিলেক (Melia azedarach Fam meliaceae), ধপাত আৰু গৰু মূতৰ পৰা তৈয়াৰ কৰা বিভিন্ন কীটনাশক দৰৱবোৰ প্ৰয়োগ কৰা। সাধাৰণতে ধান গছৰ ফুল ফুলাৰ এমাহ আগতে এনে দৰৱবোৰ ছটিয়াব লাগে।
- ধান চপোৱাৰ পিছতেই দ'কৈ হাল বাব লাগে। এনে কৰিলে প্ৰাপ্ত বয়স্ক মজাখোৰা পোকৰ বিকাশত বাধাৰ সৃষ্টি হয়।
- ধাননি পথাৰৰ বিভিন্ন ধৰণৰ পৰভোজী পোক আৰু মকৰাসমূহ সংৰক্ষণ কৰা।
- ধান খেতিত মজাখোৰা পোকৰ কণীৰ থুপ দেখিলে সেই থুপ-বোৰ সংগ্ৰহ কৰি ঠেঙুলি থকা বাঁহৰ সঁজাৰ খোলা মুখেৰে

সুমুৱাই থ'লে সেই কণীবোৰৰ পৰা পৰজীৱী (উপকাৰী) পোক

OKDISCD

জন্ম হ'লে সঁজাৰ বাহিৰলৈ সহজে উৰি ওলাই আহিব পাৰে আৰু মজাখোৰা পোকৰ পলু ওলালে সজাৰ এঠাত লাগি ধৰিব। পিছত সেই পলুবোৰ চৰায়ে সহজে খাই নিয়ন্ত্ৰণ কৰিব পাৰে।

- মজাখোৰা পোক আক্ৰান্ত পথাৰত 'ট্ৰাইকো গ্ৰামা জেপোনিকাম' নামৰ এবিধ পৰজীৱী (উপকাৰী) পোক কঠীয়া পৰাৰ ত্ৰিশ দিনৰ পৰা ছয় সপ্তাহৰ বাবে প্ৰতি সপ্তাহত হেক্টৰত ৫০,০০০ টাকৈ এৰি দিব লাগে। এইবিধ পোকে মজাখোৰা পোকৰ কণীবোৰ আক্ৰমণ কৰি ধ্বংস কৰে।
- ধাননি পথাৰত অপকাৰী পোক আৰু উপকাৰী পোকৰ অনুপাত ২ঃ১ থাকিলে, ৰাসায়নিক পেষ্টনাশক (Pesticides) প্ৰয়োগ কৰিব নালাগে।

মজাখোৰা পোক নিয়ন্ত্ৰণৰ বাবে পৰিবেশক আপেক্ষিকভাৱে কম ক্ষতি কৰা কেইবিধমান ৰাসায়নিক পেষ্টনাশক ঃ

| ধান গছৰ পৰ্যায় | পেষ্টনাশক | পৰিমাণ |
|---|---|---|
| ১। কঠীয়া অৱস্থাত | কাৰ্বফুৰান বা ফ'ৰেট | ১কিলোগ্ৰাম/হেক্টৰ |
| ২। কঠীয়া ৰোপনৰ পৰা ফুল ফুলালৈকে | মনোক্ৰ'ট'ফছ, ফছফামিডন, কুইনলফছ, ক্ল'ৰ'পাইৰিফছ, এন্দোছালফান, ফেনথিয়ন, ফ'ৰেট, হেভিডল। | ০.৫ কিলোগ্ৰাম/হেক্টৰ |

মজাখোৰা পোকৰ বিৰুদ্ধে কেতিয়া পেষ্টনাশক প্ৰয়োগ কৰিব ?

| ধান গছৰ পৰ্যায় | পেষ্টনাশক প্ৰয়োগৰ সময় |
|---|---|
| ১। কঠীয়া অৱস্থাত | মজাখোৰা পোকৰ দ্বাৰা সামান্য ক্ষতিৰ পৰা অধিকতৰ ক্ষতি হোৱাৰ লগে লগে |
| ২। পোখা মেলাৰ প্ৰথম অৱস্থাত | ৫% কঠীয়া মজাখোৰা পোকৰ দ্বাৰা নষ্ট হোৱা অৱস্থাত বা প্ৰতি বৰ্গ মিটাৰত এথুপ মজাখোৰা পোকৰ কণী থকা অৱস্থাত। |
| ৩। পোখা মেলাৰ মাজ সময়ত | ৫% তকৈও অধিক ধান গছ মজাখোৰা পোকৰ দ্বাৰা আক্ৰান্ত হোৱা দেখিলে। |
| ৪। পুষ্প উদ্গমনৰ পৰা গেৰ ধৰা সময়লৈকে | প্ৰতি বৰ্গ মিটাৰত এটা বা বেছি মজাখোৰা পোকৰ পখিলা দেখিলে। |
| ৫। ফুল ধৰা বা তাৰ পিছলৈ | প্ৰতি বৰ্গ মিটাৰত এটাকৈ মজাখোৰা পোকৰ পখিলা দেখিলে। |

*লেখক শ্ৰীহাজৰিকা 'ফুড এণ্ড এগ্ৰিকালচাৰ অৰ্গেনাইজেচন'ৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত 'ইন্টিগ্ৰেটেড পেষ্ট মেনেজমেন্ট মাষ্টাৰ ট্ৰেইনাৰ' আৰু অসম চৰকাৰৰ এজন কৃষি বিষয়া।*

('বিজ্ঞান জেউতি'ৰ সৌজন্যত)

---

# অগ্নিশিখা

**পদুমী বৰা শইকীয়া**

*তিৰাশীৰ লেলিহান শিখাবোৰে আজিওতো*
*দুচকুত ছবি আঁকি গ'ল*
*তেজৰ চেকুৰা বন্ধা শ্বহীদৰ মুখবোৰ*
*এতিয়াও স্মৃতি হৈয়ে ৰ'ল*
*বুকুত কেচুৰা বন্ধা ক'ত তিৰোতাই কন্দা*
*হৃদয়ত সুৰ হৈ ৰ'ল*
*মাহী আয়ে এৰি যোৱা অনাথ বালিকাটিও*
*সময় সোঁতত উটি গ'ল*
*দেহৰ শকতিহীন ৰুগীয়া আইতাজনী*
*সকলোৰে এৰি থৈ গ'ল*
*গোহালিত বান্ধি থোৱা অসহায় গৰুবোৰ*
*আওঠাত ক'লা পৰি গ'ল*
*নদীৰ পাৰত চৰা আজলী সুৰভিজনী*
*জুই দেখি দিশহাৰা হ'ল*
*তিনিটি পোৱালীসহ পাখৰী ছাগলীজনী*
*কোনোবাই টানি লৈ গ'ল*
*পিতা-মাতা হেৰুৱাই গাভৰু ছোৱালীজনী*
*অচিনাকী বাটৰুৱা হ'ল*
*অসমীয়া-বড়োভাই তেজৰ প্ৰভেদ নাই*
*চেনেহৰ বান্ধ ছিঙি গ'ল*
*এই ধৰা নাটঘৰ চন্দ্ৰতাপ আকাশৰ*
*আমি মাথো ভাৱৰীয়া তাৰ*
*ভেদা ভেদ পৰিহৰি আঁহাচোন আগবাঢ়ি*
*সকলোৰে কৰো অঙ্গীকাৰ।।*



OKDISCD

# পূৰ্ব্বজ্যোতি

টংক নেওগ
সম্পাদক
"ৰূপালী জয়ন্তী উদ্‌যাপন সমিতি"

অসমৰ কৃষিপাম নিগমসমূহৰ ভিতৰত পূৰ্বজ্যোতি কৃষিপাম নিগমেই সৰ্ব প্ৰথম প্ৰতিষ্ঠিত আৰু আটাইতকৈ পুৰণি নিগম। পুৰণি দৰং জিলাৰ অন্তৰ্গত বৰ্তমানৰ শোণিত পুৰ জিলাৰ উত্তৰ-পূব প্ৰান্তত এই নিগম অৱস্থিত। ১৯৭৩ চনত এই নিগমে ক্ৰম হিচাপত চতুৰ্থখন কৃষিপাম নিগম হিচাপে পঞ্জীয়নৰ তালিকাভুক্ত হয়। ৪০০ (চাৰিশ) টা ভূমিহীন পৰিয়ালৰ সংস্থাপনৰ বাবে অসম ৰাজ্যিক ভিত্তিত পূৰ্বজ্যোতি কৃষিপাম নিগম প্ৰতিষ্ঠা কৰা হৈছিল। প্ৰগতিশীল ধ্যান-ধাৰণাৰ পৃষ্ঠপোষক, সুদক্ষ প্ৰশাসক, সেই সময়ৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত শৰৎ চন্দ্ৰ সিংহদেৱৰ অকৃত্ৰিম প্ৰচেষ্টা আৰু এসময়ৰ কমিউনিষ্ট নেতা "কৃষিপাম নিগম আঁচনিৰ জনক স্বৰ্গীয় বিষ্ণু বৰাদেৱৰ একনিষ্ঠ সহযোগত কৃষিপাম নিগমৰ আইন আৰু আঁচনি প্ৰস্তুত কৰা হৈছিল। উক্ত আঁচনিৰ কাৰ্যকৰণাৰ্থেই 'পূৰ্বজ্যোতি'য়ে প্ৰায় ৫,০০০ (পাঁচ হাজাৰ) বিঘা মাটি চৰকাৰৰ অনুমোদনপ্ৰাপ্ত হয়। নিগম প্ৰতিষ্ঠাৰ সময়ত চৰকাৰৰ দ্বাৰা অনুমোদিত পৰিয়াল আছিল ১৫৭ টা। তাৰ লগতে জিলাৰ উপায়ুক্ত মহোদয়ৰ অনুমোদন সাপেক্ষে ২২৩ টা পৰিয়ালসহ মুঠ ৩৮০ টা অংশীদাৰ পৰিয়ালৰ বিপৰীতে বৰ্তমান অংশীদাৰ আৰু অনা অংশীদাৰ মিলি পৰিয়ালসমূহৰ মূল আকাৰ বৃদ্ধি হৈ বৰ্তমানত সৰ্বমুঠ প্ৰায় (৮০০) আঠশৰো অধিক পৰিয়াল হৈছেগৈ। প্ৰতিষ্ঠা লগ্নৰে পৰা আজি পৰ্যন্ত নিগমৰ বুকুৰ ওপৰেদি ক'ত প্ৰাণহীন বতাহ পাৰ হৈ গ'ল তথাপি সৰ্ব সমন্বয় আজিও ম্লান হৈ যোৱা নাই।

**নিগমৰ নামকৰণ প্ৰসঙ্গত ঃ**

মাটিৰ ব্যক্তিগত মালিকীস্বত্ব থকা মানেই ভূমিহীন লোকৰ সৃষ্টি। অৰ্থনৈতিক সমস্যা আৰু নানান তাড়নাত কোঙা হৈ মানুহে নিজৰ সা-সম্পত্তিক সুৰক্ষিত কৰি ৰাখিব নোৱাৰি কেতিয়াবা সৰ্বগ্ৰান্ত হ'ব লগা হয়। মাটিৰ মালিকীস্বত্ব বিলোপ সাধন কৰি শোষক আৰু শোষিতৰ অন্ত পেলাই এখন শ্ৰেণীহীন মানৰ সমাজত দুখীয়া-দৰিদ্ৰই এসাজ পিন্ধি দুসাজ খাবলৈ পোৱাৰ মানসেৰেই বৈজ্ঞানিক দৃষ্টিভঙ্গী আগত ৰাখি এই কৃষিপাম নিগমৰ জন্ম দিয়া হৈছিল। ভাৰতৰ পূব প্ৰান্তত অসম ৰাজ্যৰ এচুকত প্ৰতিষ্ঠিত পূৰ্বজ্যোতি কৃষিপাম নিগমৰ প্ৰগতি আৰু সমৃদ্ধিয়ে যাতে ভৌগলিক সীমা পাৰ হৈ যত যেনেকৈ দিব্য পোহৰ ছটিয়াব পাৰে সেই আদৰ্শৰ ভিত্তিতেই এই নিগমৰ নাম ৰখা হৈছিল "পূৰ্বজ্যোতি"। বয়সৰ জোখেৰে "পূৰ্বজ্যোতি"য়ে চপ্ত বছৰৰ দেওনা আজি অতিক্ৰম কৰিলেহি। সেয়েহে আমি সমূহ নিগমবাসী নিঃকিন ৰাইজ একত্ৰিত হৈ "পূৰ্বজ্যোতি"ৰ চপ্ত বছৰীয়া জন্ম দিৱসৰ দিনা "ৰূপালী জয়ন্তী" হিচাপে পালনৰ যো-জা কৰিছোহঁক।

নানান পৰিবেশ আৰু পৰিস্থিতিৰ আহ্বকালত জন্মলগ্নৰে পৰা বৰ্তমানলৈ "পূৰ্বজ্যোতি"য়ে তিনিবাৰকৈ স্থান পৰিবৰ্তন কৰিব লগা হ'ল। ১৯৭৪ চনত নিগমৰ উত্তৰ সীমা দিগম্বৰী অঞ্চলৰ পৰা অৰুণাচল প্ৰদেশৰ সীমান্তলৈ আৰু ১৯৭৬ চনত পুনৰ স্থান পৰিবৰ্তন কৰি বৰ্তমানৰ স্থানত পাইছোহি।

বৰ্তমানৰ পূৰ্বজ্যোতিয়ে সংকোচহীনভাৱে থিতাপি লোৱাৰ ক্ষেত্ৰত যিসকল ব্যক্তিৰ অক্লান্ত পৰিশ্ৰম আৰু সু-পৰামৰ্শ আছিল তাৰ ভিতৰত নিগমৰ বিশেষ বিষয়া, সম্পাদক আৰু পৰিচালক হিচাপে কাৰ্যনিৰ্বাহ কৰা ড° হুছেইন আৰু স্বৰ্গীয় দীনেশ দত্তদেৱৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

**নিগম পৰিকল্পনাৰ উৎস সন্ধান ঃ**

কৃষিপাম নিগমৰ জন্মৰ আগছোৱাতঅসমত ৰাজনৈতিকভাৱে কংগ্ৰেছ দল অতি প্ৰতাপী আছিল। তেনে অৱস্থাতো বিৰোধী বামপন্থী দল হিচাবে ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ শক্তি-সামৰ্থ লেখত ল'বলগীয়া আছিল। কৃষি বনুৱা, কৃষক সভা আৰু গণ সংগঠনৰ জৰিয়তে বিপ্লৱী দল হিচাপে ভাৰতীয় কমিউনিষ্ট দলে সমগ্ৰ অসমতে ভূমি দখল আন্দোলন আৰম্ভ কৰিছিল। সমগ্ৰ ভাৰতবৰ্ষতো ইয়াৰ ক্ষীণ প্ৰভাৱ এটা আছিল। অসমৰ সমাজবাদী দলসমূহেও এই আন্দোলনক সমৰ্থন জনাইছিল। ফলত এই আন্দোলন তীব্ৰতৰ হৈ উঠিছিল। ইয়াৰ বাবে যে সেই সময়ৰ শাসকীয় দলৰ ভাবমূৰ্তি ম্লান হোৱাৰ উপক্ৰম হৈছিল তাত সন্দেহ নাই। ফলস্বৰূপে চৰকাৰে বাধ্য হৈ ভূমিহীনসকলক কৃষিপাম নিগমৰ জৰিয়তে মাটি দিয়াৰ ব্যৱস্থা কৰি দি কৃষকসকলক জীয়াই থকাৰ বাট মোকোলাই দিলে।

**কৃষিপাম নিগম আৰু অসম ঃ**

পূৰ্বজ্যোতি নিগম প্ৰতিষ্ঠাৰ লগে লগে অসমৰ বিভিন্ন জিলাতো চৰকাৰৰ কৃষি সংস্থাপনভিত্তিক নিগম স্থাপনৰ ব্যৱস্থা কৰা হয়। বৰ্তমান এনে নিগমৰ সংখ্যা এঘাৰখন। তেজপুৰত "ভালুক পুং", উত্তৰ লক্ষীমপুৰত "বগী নদী", ডিব্ৰুগড়ত "পূবেৰুণ", শিৱসাগৰত "ভাধাৰা", বোকাখাটত "পানবাৰী", মৰিগাঁৱত "মৰিগাঁও", দুধনৈ অঞ্চলৰ "চম্পাৱতী", নগাঁৱত "যমুনা মৌদাঙা", কৰিমগঞ্জত "চিধাবাৰী বকাইতাৰী" আৰু "শিলপতা" এনে ধৰণৰ একোখন

OKDISCD

নিগম। উক্ত নিগমসমূহৰ এখন পূৰ্ণাঙ্গ অধিবেশন "ভাধাৰা" নিগমৰ অংশীদাৰ মঃ চালেহ আহমেদ আৰু পোনা মাউতৰ সহযোগত ১৯৮৯ চনৰ ১৫, ১৬ মাৰ্চত পানবাৰী নিগমত অনুষ্ঠিত হয়। অসমৰ প্ৰায় সাতখন নিগমে ইয়াত অংশগ্ৰহণ কৰিছিল। এই অধিবেশনতেই "অংশীদাৰ পৰিষদ" এখন গঠনৰ সৰ্ব সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। পূৰ্বজ্যোতি নিগমৰ সক্ৰিয় কৰ্ম তৎপৰাতাৰ প্ৰতি লক্ষ্য ৰাখি পূৰ্বজ্যোতিৰ অংশীদাৰ শ্ৰীযুত নন্দ বৰাক সভাপতি, নৃপেন্দ্ৰ কুমাৰ দে আৰু এই নিঃকিনক উপদেষ্টা হিচাপে "অংশীদাৰ পৰিষদ" তথা ৰাজ্যিক সভাৰ সদস্য নিৰ্বাচিত কৰিছিল।

**পূৰ্বজ্যোতি নিগম আৰু সমাজ ঃ**

নানান ভাষা, বৰ্ণ, সম্প্ৰদায় নিৰ্বিশেষে পূৰ্বজ্যোতি নিগম এখন সংমিশ্ৰিত লোকৰ মিলন স্থল। ইয়াত বিভিন্ন ঠাইৰ আহোম, চুতিয়া, কোঁচ, কেওত, বনিয়া, কলিতা, মটক, কৈৱৰ্ত, কছাৰী, নেপালী, উড়ীয়া, প্ৰাক্তন চাহ বনুৱা ইত্যাদি মিলি প্ৰায় ১৯ টা সম্প্ৰদায় একেলগে বসবাস কৰে।

ইয়াত সকলোৰেই বাবে এখন সমাজ। নিগমৰ চাৰি বেৰৰ ভিতৰত শান্তি-সম্প্ৰীতি অটুত ৰখাত অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ পদাধিকাৰ শ্ৰদ্ধেয় সোণাৰাম চুতিয়া বাপে নিগমৰ হিতাৰ্থে পৰামৰ্শ দি গৈছিল। স্মৰণযোগ্য যে, বিগত গহপুৰ অঞ্চলজুৰি হোৱা অশান্ত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত একেটা আশ্ৰয় শিবিৰত ৰাধাকুমাৰ খাকলাৰী আৰু স্বৰ্গীয় খং বসুমতাৰীৰ দৰে বড়ো ভাইহঁতে নিগমবাসীৰ অংশীদাৰ হিচাপে আশ্ৰয় গ্ৰহণ কৰিছিল। নিগম প্ৰতিষ্ঠাৰ পাছৰে পৰা সুলভ মূল্যৰ দোকানো নিৰ্মাণ কৰি শ্ৰীৰত্নেশ্বৰ বৰাদেৱক ইয়াৰ দায়িত্ব অৰ্পণ কৰা হৈছিল।

**পূৰ্বজ্যোতি নিগমত শিক্ষাৰ ফেহুঁজালি ঃ**

নিগম স্থাপনৰ পাছত ১৯৭৩ চনত পোন প্ৰথমবাৰৰ বাবে এখনি প্ৰাথমিক বিদ্যালয় স্থাপন কৰা হয়। উক্ত বিদ্যালয়ৰ প্ৰতিস্থাপক প্ৰধান শিক্ষক হিচাপে এই অভাজনেই দায়িত্ব গ্ৰহণ কৰিছিলো। কাজেই আৰু এখন মজলীয়া বিদ্যালয় প্ৰতিষ্ঠা কৰি শ্ৰীনন্দ বৰা আৰু নৃপেন্দ্ৰ কুমাৰ দেক দায়িত্ব দিয়া হয় যদিও শ্ৰীনন্দ বৰাই সেই দায়িত্ব স্থায়ীভাৱে গ্ৰহণ কৰিব পৰা নাছিল। বৰ্তমান পূৰ্বজ্যোতি নিগমত এখন প্ৰাক্ প্ৰাথমিক বিদ্যালয়কে ধৰি বাৰখন প্ৰাথমিক বিদ্যালয়, চাৰিখন মধ্য ইংৰাজী বিদ্যালয় আৰু দুখন উচ্চ মাধ্যমিক বিদ্যালয় প্ৰতিষ্টা কৰা হৈছে। এখন উচ্চ মাধ্যমিক বিদ্যালয়কে ধৰি বাকী পৰ্যায়ৰ প্ৰায়কেইখন বিদ্যালয় ইতিমধ্যে চৰকাৰে প্ৰাদেশীকৰণ কৰিছে।

পূৰ্বজ্যোতি নিগমৰ জন্মলগ্নৰ সময়ৰ পৰাই অসম চৰকাৰে চিকিৎসা সেৱাৰ প্ৰতি লক্ষ্য ৰাখি এটি উপ-স্বাস্থ্যকেন্দ্ৰ মঞ্জুৰী দিছিল। কিন্তু সৰ্বদিশত পিছপৰা হোৱাৰ বাবে কোনো চিকিৎসা বিষয়াই তাত সেৱা আগবঢ়োৱাৰ দায়িত্ব বহন কৰা নাছিল। তথাপি স্বাস্থ্য বিভাগত স্বৰ্গীয় নগেন কলিতা আৰু শ্ৰীসৰ্বেশ্বৰ কলিতা ডাঙৰীয়াই আগবঢ়াই যোৱা সেৱা-শুশ্ৰূষাক নিগমবাসীয়ে কোনোকালেই পাহৰিব নোৱাৰে। বৰ্তমান এই উপকেন্দ্ৰটি এটি শীৰ্ণ জকাত পৰিণত হৈ আছে। এইক্ষেত্ৰত নানান আহুকালকো গচকি স্বাস্থ্যসেৱা আগবঢ়োৱাৰ বাবে ডাঃ প্ৰফুল্ল বৰা আৰু ডাঃ বোধেন নেওগদেৱৰ ওচৰত নিগমবাসী ঋণী হৈ আজিও আছে আৰু থাকিব।

**নিগম আঁচনিৰ কাৰ্য ৰূপায়ণ ঃ**

আৰম্ভণিতে নিগম পৰিচালনাৰ বাবে এটি সমাজবাদী পৰিকল্পনা তৈয়াৰ কৰা হৈছিল। ইয়াৰ লঘু-গুৰু সকলো দায়িত্বই চৰকাৰৰ হাতত ন্যস্ত। চৰকাৰৰ অৱহেলা আৰু সময়োচিত কাৰ্য ব্যৱস্থাৰ অভাৱত আজি পৰ্যন্ত অংশীদাৰসকলে পৰ্যাপ্ত সুযোগ-সুবিধা পোৱা নাই। গতিকে কৃষকসকল উৎপাদনৰ আহিলা শ্ৰেণীত পৰিণত হৈ গৈ আছে। নিগম পৰিচালনাৰ বাবে কিছুসংখ্যক লোকৰ দ্বাৰা এখন সঞ্চালক মণ্ডলী (বোৰ্ড) গঠন কৰা হয়। স্বৰ্গীয় বিষ্ণু বৰা এই সঞ্চালক মণ্ডলীৰ প্ৰথম সভাপতি আছিল। পৰৱৰ্তীকালত এই মণ্ডলীৰ মূৰব্বীজন নিগমৰ বাহিৰৰ ব্যক্তি হোৱাৰ বাবে অংশীদাৰ আৰু সঞ্চালক মণ্ডলীৰ বুজা-পৰা শিথিল হোৱা দেখা গৈছে। তদুপৰি এই আঁচনি অনুযায়ী অংশীদাৰসকলৰ পৰিয়ালৰ এজন মাত্ৰ ব্যক্তিকহে উত্তৰাধিকাৰী হিচাপে মনোনীত কৰিব পাৰে। বাকী পৰিয়াল তথা ব্যক্তিসকলৰ সংস্থাপনভিত্তিক ৰক্ষণা-বেক্ষণৰ কোনো আইনগত ব্যৱস্থা নাই। উল্লেখযোগ্য যে, নিগমৰ নামত মঞ্জুৰী দিয়া ভূমি ভাগক চৰকাৰে নীতিগতভাৱে আজিও বন বিভাগৰ পৰা হস্তান্তৰ কৰি কৃষিপাম নিগমক নিগাজিকৈ এৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। ইয়াৰোপৰি নিগম কৰ্তপক্ষই নিযুক্তি দিয়া নিগমৰ কৰ্মচাৰীকেইজনৰ ভৱিষ্যৎ জীৱন-যাপনৰ কোনো ব্যৱস্থা নাই।

পূৰ্বজ্যোতি কৃষিপাম নিগম কৃষিভিত্তিক বিপ্লৱৰ এক অনিবাৰ্য ফচল। কিন্তু সু-পৰিকল্পিত আঁচনিৰ সু-কাৰ্যকৰণৰ অভাৱত ইয়াৰ আজিও বাস্তৱ পৰিণতি পোৱা হোৱা নাই। ইয়াত কৰ্ম-সংস্কৃতি আৰু প্ৰগতিশীল এটা পৰিশ্ৰমমুখী চিন্তাই আজিও গা-কৰি উঠি বিশাল সমৃদ্ধি মাতি আনিব পৰা নাই। বৈজ্ঞানিক কৃষি সঁজুলি, সু-জলসিঞ্চন ব্যৱস্থা আৰু অধিক উৎপাদনৰ প্ৰতি নিগমৰ শ্ৰমজীৱি লোকৰ উল্লেখনীয় হাবিয়াস আজিও নহ'ল। ৰজা ঘৰৰ গা-এৰা স্বভাৱ এটাইও নিগমবাসীক দেউলীয়া হোৱাত প্ৰভূত অৰিহনা দিয়া যেন আজি পঁচিশ বছৰৰ পিছতো অনুমান নহৈ নাথাকে।

খেলাধূলা তথা সাংস্কৃতিক জীৱনত নিগম অতিকে পিছপৰা। ১৯৮৪ চনতে প্ৰতিষ্ঠিত হোৱা স্বৰ্গীয় বিষ্ণু বৰা গ্ৰাম্য ক্ৰীড়াও

# পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ যুৱ সমাজৰ দায়িত্ব আৰু কৰ্তব্যবোধ

দণ্ডেশ্বৰ হাজৰিকা

এটা নতুন প্ৰজন্ম এখন সমাজৰ বা এটা জাতিৰ আশীৰ্বাদো হ'ব পাৰে আৰু ই কেতিয়াবা অভিশাপো হ'ব পাৰে। আজি বিশ্বৰ, বিশেষকৈ উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ যুৱ মানসিকতা কোন দিশে অগ্ৰসৰ হৈছে সেই কথা ভালদৰে পৰ্যবেক্ষণ কৰি চালে সহজেই অনুমেয়। দেশৰ ভৌগলিক অৱস্থান, দুৰ্বল প্ৰশাসন যন্ত্ৰ, ঔদ্যোগিক অনগ্ৰসৰতা, দুনীৰ্তিৰ প্ৰাদুৰ্ভাৱ, অপৰিকল্পিত চৰকাৰী আঁচনি, নিবনুৱা সমস্যা আদিৰ পৰিপ্ৰেক্ষিতত যুৱ সমাজৰ মাজত ভয়াহব সমস্যাই দেখা দিছে। সেয়ে ভালদৰে লক্ষ্য কৰিলে দেখা যায়, এখন দেশৰ ভৱিষ্যতৰ ইঙ্গিত বহন কৰিব পৰা এই যুৱচাম ক্ৰমে ক্ৰমে ৰাষ্ট্ৰৰ বোজালৈ ৰূপান্তৰিত হ'ব ধৰিছে।

১৯৭২ চনতেই প্ৰতিস্থিত পূৰ্ব্বজ্যোতি কৃষিপাম নিগমখন 'হাবি গুচি ফুলনি বাৰী' হোৱাৰ সময় সমাগত। প্ৰায় আটাইকেইটা দিশতেই বৰ্হি সমাজতকৈ আমি কোনো গুণেই পিছপৰি থকা নাই। কিন্তু আৰ্থ-সামাজিকভাৱে পিছপৰি থকা এই বৃহৎ অঞ্চলটিৰ সৰ্বাঙ্গিন উন্নতিৰ ক্ষেত্ৰত যুৱ সমাজখনে যি ভূমিকা পালন কৰিব লাগিছিল, তাক পালন কৰাত ব্যৰ্থ হোৱা বুলিয়েই ক'ব পাৰি।

এখন সুস্থ সমাজ গঢ়িবলৈ যাওঁতে জ্যেষ্ঠজনে জীৱন বাটত পোৱা ঘাট-প্ৰতিঘাটৰ অভিজ্ঞতা আৰু ডেকাচামৰ উদ্দাম কৰ্মবাসনা এই দুয়োটাৰে অতি প্ৰয়োজন। এই দুটোবিধ গুণৰ সামঞ্জস্যত এখন সংঘাতবিহীন সমাজ গঢ় লৈ উঠিব পাৰে। বাস্তৱিকতে আমাৰ মাজত পূৰ্বৰে পৰাই যুৱ শক্তিক বেছি গুৰুত্ব দিয়া নহ'ল। যাৰ ফলত মাজে সময়ে এইচামটোৰ মাজত ক্ষোভ আৰু হতাশাৰ সৃষ্টি হোৱা দেখা যায়। অৱশ্যে বৰ্তমান অৱস্থাত এই দিশত সন্তোষজনকভাৱে সফলতা লাভ কৰিব পৰা গৈছে।

শিক্ষা এখন সমাজৰ উন্নতিৰ কাৰক। পূৰ্ব্বজ্যোতি নিগমত শিক্ষাৰ প্ৰসাৰত বৰ বেছি সফলতা অৰ্জন কৰিছে বুলি ক'ব পৰা নাযায়। এই অৱহেলিত অঞ্চলটিৰ পৰা কেইগৰাকীমান যুৱক-যুৱতীয়ে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছে। আমাৰ ছাত্ৰ-ছাত্ৰীয়ে বৰ্তমান অসমৰ উন্নত মানদণ্ডৰ শিক্ষানুষ্ঠানত অধ্যয়ন কৰি আছে। আমাৰ কেইগৰাকীমান যুৱতীয়ে ৰাজ্যিক ভিত্তিত অনুষ্ঠিত সাহিত্য আৰু সাংস্কৃতিক প্ৰতিযোগিতাত বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। এই নিগমৰ যুৱক-যুৱতীয়েই 'কবি' হোৱাৰ উমান পোৱা গৈছে। সাহিত্য-সংস্কৃতিৰ বহল পথাৰখনত আমাৰ যুৱক-যুৱতীয়ে মুক্তভাৱে বিচৰণ কৰিবলৈ পোৱাৰ আশা লাহে লাহে প্ৰকট হৈ উঠিছে। এইবিলাক আমাৰ অতি গৌৰৱৰ বিষয়। বৰ্তমানলৈকে শতাধিক ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছে। কিন্তু ইয়াৰেই আশী শতাংশ ছাত্ৰ-ছাত্ৰীয়েই উচ্চতৰ মাধ্যমিক স্তৰতেই শিক্ষা জীৱনৰ ইতি পেলাই সাংসাৰিক জীৱনত সোমাই পৰাটো কেৱল দুৰ্ভাগ্যজনকেই নহয় ভীষণ ক্ষতিকাৰকো। এই ব্যাধিয়ে ক্ৰমাগতভাৱে সমগ্ৰ অঞ্চলটো চানি ধৰাত সচেতন লোকৰ পক্ষে দুঃচিন্তাৰ কাৰণ হৈ পৰিছে। কিয়নো, সীমিত ভূমি, জনসংখ্যা বৃদ্ধি, উপাৰ্জৰ নিম্নগামী হাৰ আদিয়ে নিগমৰ অৰ্থনৈতিক দিশত এক গভীৰ প্ৰভাৱ পেলাইছে। এইক্ষেত্ৰত যুৱচামটোৱে অগ্ৰণী ভূমিকা পালন নকৰিলে আমাৰ অৰ্থনৈতিক, সামাজিক লগতে শিক্ষাৰ পৰিবেশো যে বিনষ্ট হ'ব, এই আশংকা নুই কৰিব নোৱাৰি।

বিভিন্ন সম্প্ৰদায়ৰ প্ৰায় ৮০০ পৰিয়ালৰ আবাস ভূমি এই কৃষিপামখনত যুৱ সমাজৰ মাজত গভীৰ সমন্বয় তথা ভাতৃত্ববোধৰ প্ৰয়োজন। এই গুৰুত্বপূৰ্ণ দিশটোত ইয়াৰ অভাৱ বুলিয়েই ক'ব পাৰি। এই অঞ্চলৰ জনসাধাৰণৰ সৰ্বাঙ্গীন বিকাশৰ ক্ষেত্ৰত যুৱচামৰ গধুৰ দায়িত্ব আছে। সংস্কৃতি সমন্বয়ৰ বাহক। কেৱল সংস্কৃতিয়েহে দুষ্কৃতি নাশিব পাৰে। এক সাংস্কৃতিক আলোড়নৰ যোগেদি এই দিশত যথেষ্ট সফলতা লাভ কৰিব পাৰি। নিগমৰ ভৌগলিক সীমাৰেখাৰ বাহিৰেও ইয়াৰ সমীপৱৰ্তী অঞ্চলসমূহৰ লগতো সংহতিৰ বান্ধোনটি অক্ষুণ্ণ ৰাখিব লাগিব। বিশেষকৈ আমাৰ চৌপাশে পৰিবেষ্টিত জনজাতি ভাই-বন্ধুসকলৰ লগত সকলো দিশতেই সুসম্পৰ্ক গঢ়ি তুলিব লাগিব। এইক্ষেত্ৰত সাংস্কৃতিক বিনিময়ৰ যোগেদি উপকৃত হ'ব পাৰি। বৰ্তমান অৱস্থাত নিগমৰ মজিয়াত এটি উমৈহতীয়া 'ৰঙ্গমঞ্চ'ৰ অতীব প্ৰয়োজন হৈ পৰিছে। অগ্ৰজসকলৰ লগত আলোচনা কৰি নতুন চামটোৱে আগ ভাগ লৈ এই মঞ্চ নিৰ্মাণৰ প্ৰচেষ্টা হাতত ল'লে কেৱল সমন্বয়ৰ ক্ষেত্ৰতেই নহয় উঠি অহা চামটোৰ মানসিক বিকাশৰ লগতে বৌদ্ধিক বিকাশৰ ক্ষেত্ৰতো ই অৰিহনা যোগাব। অৱশ্যে

OKDISCD

এইক্ষেত্ৰত ক্ৰিড়া জগতৰ অৱদানো কম নহয়। ক্ৰিড়াৰ আন্তঃৰাষ্ট্ৰীয় জগতখনলৈ মন কৰিলেই সেই কথা অনুধাৱন কৰিব পাৰি। ১৯৮৪ চনতেই নিগমৰ কেইজনমান উদ্যোগী যুৱকৰ প্ৰচেষ্টাত স্বৰ্গীয় বিষ্ণু ৰাভা গ্ৰাম্য ক্ৰিড়া আৰু সাংস্কৃতিক সংগঠনটি প্ৰতিষ্ঠা হয়। বৰ্তমান ই ৰাজ্যিক পৰ্যায়ৰ পৰা জিলা পৰ্যায়লৈকে সকলো স্তৰতেই বিভাগীয় পঞ্জীয়নভুক্ত। নিগমৰ সঞ্চালক বোৰ্ডৰ অনুমোদিত ৩০ বিঘা মাটিৰে ইয়াৰ আৰ্থিক অৱস্থাও টনকীয়াল। এই সংগঠনটিয়ে নিগমত অনুষ্ঠিত কৰা প্ৰায়বিলাক সামাজিক, সাংস্কৃতিক আনুষ্ঠানলৈ আৰ্থিক অনুদান আগবঢ়াই আহিছে। সমগ্ৰ গহপুৰ অঞ্চলৰ ভিতৰত এখন বৃহৎ খেলপথাৰ থকা স্বত্ত্বেও বহু আবেদন-নিবেদন কৰিও চৰকাৰী বিত্তীয় সাহায্য লাভৰ পৰা বঞ্চিত হৈ থকাৰ ফলতেই এই খেলপথাৰখনক 'মিনি ষ্টেডিয়াম'লৈ উন্নীত কৰিব পৰা হোৱা নাই। প্ৰতিষ্ঠাৰ কালৰ পৰাই সময়ে সময়ে আকৰ্ষণীয় ফুটবল প্ৰতিযোগিতা, ক্ৰিড়া সপ্তাহ আদি অনুষ্ঠিত কৰি অহা হৈছে যদিও এই সংগঠনে বিশেষ সফলতা দেখুৱাব পৰা নাই। এইক্ষেত্ৰত কিছু পৰিমাণে দেশীয় পৰিস্থিতিয়েও বাধাৰ সৃষ্টি নকৰা নহয়। তথাপি সংগঠনটিৰ কিছু আভ্যন্তৰীণ সমস্যাও আছে। কম পৰিমাণে হ'লেও খেলৰ সঁজুলি থকা স্বত্ত্বেও উদ্যোগী যুৱকে অনুশীলন কৰিবলৈ আগবাঢ়ি নহাটো অতি পৰিতাপৰ কথা। কোনো নেতৃত্বই সহমতক উপেক্ষা কৰিবলৈ সহজে সাহস কৰিব নোৱাৰে। সংগঠনটিৰ সমূহ সদস্যৰ মাজত পাৰস্পৰিক বুজাপৰা তথা ঐক্য মতৰ আৱশ্যক। সেয়ে নিগমৰ উঠি অহা চামটোৱে গঠনমূলক দৃষ্টিভঙ্গীৰে যদি সংগঠনটো কাৰ্যক্ষম কৰি তোলে, তেন্তে নতুন প্ৰজন্মসমূহে মানসিক উৎকৰ্ষৰ লগতে শাৰীৰিক উৎকৰ্ষ সাধন কৰিবলৈ সক্ষম হ'ব।

বৰ্তমান অৱস্থাত নিগমৰ যুৱচামটোৱে সামাজিক দায়বদ্ধতাসমূহৰ পৰা প্ৰায়েই আঁতৰি থকা দেখা যায়। ই শুভ লক্ষণ নহয়। মানুহ সামাজিক প্ৰাণী। সমাজৰ প্ৰত্যেকজন ব্যক্তিয়েই নিজে অন্তৰ্ভুক্ত হৈ থকা সমাজখনৰ আটাইকেইটা দিশৰ প্ৰতি লক্ষ্য ৰখাটো নিতান্তই আৱশ্যক। পূৰ্বতে উল্লেখ কৰা হৈছে যে, বিভিন্ন সম্প্ৰদায় তথা ধৰ্মাৱলম্বীৰ লোকেৰে পৰিপূৰ্ণ এই বৈচিত্ৰময় অঞ্চলটিৰ সমাজ ব্যৱস্থাটো উন্নত কৰি তুলিবলৈ হ'লে আমি সকলোৱেই ব্যক্তিকেন্দ্ৰিক মনোভাৱ ত্যাগ কৰা উচিত। এই দিশত প্ৰত্যেকজন যুৱক-যুৱতীয়েই নৈতিক দায়িত্ব আৰু কৰ্তব্য পালন কৰিব লাগিব। নহ'লে ইতিহাসে আমাক কেতিয়াও ক্ষমা নকৰে। কিয়নো, আজিৰ কাৰ্যকলাপসমূহ পৰৱৰ্তী সময়ৰ বাবে ইতিহাস হৈ ৰ'ব। যিহেতু নিগম প্ৰতিষ্ঠাৰ সমসাময়িক দিনসমূহত আমাৰ জ্যেষ্ঠসকলৰ যি কাৰ্যকলাপ, প্ৰকৃতিৰ লগত নিৰ্মম যুঁজ-বাগৰ, বনৰীয়া জীৱ-জন্তুৰ লগত ফেৰ মৰা অৱস্থা, অনাহাৰে-অনিদ্ৰাই কটোৱা দিন-ৰাতিবিলাকৰ কথা, কিম্বা বনৰীয়া ফল-মূল খাই ভোক নিবাৰণ কৰাৰ কথা আজিৰ আমাৰ শিশুসকলৰ বাবে ইতিহাসত পৰিণত হৈছে। সময় বৰ নিষ্ঠুৰ। সময়ৰ আহ্বানৰ প্ৰতি লক্ষ্য ৰাখি বৰ্হি সমাজৰ লগত খোজত খোজ মিলাই আমিও আগবাঢ়ি যাব লাগিব। উপযুক্ত শৈক্ষিক পৰিবেশ সৃষ্টি কৰা, সামাজিক বিশৃংখলা দূৰীকৰণ, অস্পৃশ্যতা বৰ্জন, অপৰাধমূলক কাৰ্য প্ৰতিৰোধ কৰা, ৰাগিয়াল তথা মাদক দ্ৰব্য বৰ্জন, সমাজত ন্যায় প্ৰতিষ্ঠা কৰা সকলো শ্ৰেণীৰ লোকৰ মাজত ভাতৃত্বৰ ভাৱ গঢ়ি তোলা, উন্নত মানদণ্ডৰ কৰ্ম-সংস্কৃতি গঢ়ি তোলা ইত্যাদি দিশ সমূহত প্ৰত্যেকজন যুৱক-যুৱতীয়েই নিঃস্বাৰ্থভাৱে আত্মনিয়োগ কৰিলে নিশ্চয় তেনে চেষ্টাই সুফল দিব। ইয়াত কোনো সন্দেহ নাই।

প্ৰত্যেক ব্যক্তিৰেই দুটা বিশেষ গুণ থাকে— আত্ম-সংযম আৰু আত্ম-প্ৰদৰ্শন। আমাৰ প্ৰায়ভাগ যুৱক-যুৱতীয়ে দ্বিতীয়বিধৰ প্ৰতিহে বিশেষভাৱে আকৰ্ষিত। যাৰ ফলত আমাৰ সামাজিক পৰিৱেশটো ক্ৰমাগতভাৱে বিনষ্ট হ'বলৈ উপক্ৰম কৰিছে। যি সমাজত ত্যাগীজনক কৃতজ্ঞতা স্বীকাৰ নকৰে, পিতৃ-মাতৃক সন্তানে অৱজ্ঞা কৰে, গুৰুক শিষ্যই সন্মান কৰিব নাজানে, অপৰাধীক অপৰাধমূলক কাৰ্যলৈ প্ৰেৰণা যোগায়, সত্যৰ য'ত অপলাপ হয়, সেই সমাজত নৈতিকতা বোলা মহামন্ত্ৰ ফাকিৰ মৃত্যু ঘটে। তেতিয়াই সমাজত অৰাজকতাৰ সৃষ্টি হয় আৰু প্ৰগতিৰ পৰিবৰ্তে অধোন্নতিৰ ঋণাত্মক দিশটো চাৰিওফালে প্ৰতিফলিত হয়। সংযমশীলতা এক মহৎ গুণ। ই মানুহক মনুষ্যত্ব লাভৰ ক্ষেত্ৰত যথেষ্ট অৰিহনা যোগায়। এই গুণৰ সহায়ত মানুহে বহুতো বিপদ-বিঘিনিৰ পৰা হাত সাৰি থাকিব পাৰে। ক্ষন্তেকীয়া আবেগ প্ৰৱণতাই বহু সময়ত মানুহক মাৰাত্মক কাৰ্যলৈ আগবঢ়াই দিয়ে। যাৰ ফলত নিজৰ, সমাজৰ বা দেশৰ অপূৰণীয় ক্ষতি হয়। এইক্ষেত্ৰত মানুহৰ বিধিও এক মন কৰিবলগীয়া বিষয়। মানুহে নিজৰ পদ মৰ্যাদাত যাতে কোনো চেকা নপৰে তাৰ প্ৰতি সতৰ্ক থকা উচিত। বয়সৰ স্তৰ অনুসৰি প্ৰত্যেক যুৱক-যুৱতী তথা পুৰুষ-মহিলাই সমাজত নিজৰ স্থানৰ মৰ্যাদা ৰাখি শালিনতাবোধ বজাই ৰাখিবলৈ যত্ন কৰিব লাগে। যিহেতু আজিৰ ব্যক্তি বা এখন সমাজে যি আদৰ্শ দেখুৱাই, পৰৱৰ্তী এটি নতুন প্ৰজন্মই সেই একে আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ বাধ্য হৈ পৰে। সেয়ে আমাৰ উঠি অহা চামটোৱে ইয়াৰ গুৰুত্ব জীৱনৰ প্ৰতিটো খোজতেই উপলব্ধি কৰা উচিত।

অৰ্থনৈতিক দিশত অনগ্ৰসৰ অঞ্চল হিচাপে আমাৰ যুৱচামটো কৃষি কাৰ্যৰ প্ৰতি অধিক মনোনিবেশ কৰা উচিত। জীৱিকা নিৰ্বাহৰ অন্য উপায় নথকা, প্ৰশাসন যন্ত্ৰৰ অৱহেলিত এই বৃহৎ অঞ্চলটিত কৃষিয়েই একমাত্ৰ উপায়। ই কেৱল নিজকে স্বাৱলম্বী কৰি তোলাই নহয়, অঞ্চলটোৰ বিকাশতো ইয়াৰ যথেষ্ট গুৰুত্ব আছে। বিজ্ঞানসন্মত দৃষ্টিভঙ্গীৰে, সমাজবাদৰ আদৰ্শৰে প্ৰতিস্থিত এই কৃষিপামখনৰ আঁচনিসমূহ আঁচনি হৈয়েই ৰ'ল। ই বাস্তৱত ৰূপায়িত হ'বলৈ নাপালে আৰু হোৱাৰো আশা ক্ষীণ। যি আশা বুকুত বান্ধি ভূমিহীন দৰিদ্ৰ

OKDISCD

কৃষকসকল এই নিগমত প্ৰৱেশ কৰিছিল, তাৰ ওলোটা ছবিখনহে বৰ্তমান প্ৰতিফলিত হৈছে। প্ৰকৃতিৰ ওপৰত সম্পূৰ্ণভাৱে নিৰ্ভৰ কৰিয়েই আমি কৃষি কাৰ্য সমাপন কৰিবলগীয়া হয়। এই কৃষিপামখনি পাঁচ হাজাৰ বিঘা মাটিত অংশীদাৰ, অনা-অংশীদাৰ মিলাই বৰ্তমান প্ৰায় আঠ শটা পৰিয়ালে বসবাস কৰি আছে। তদুপৰি শিক্ষানুষ্ঠান, হৰি মন্দিৰ অন্যান্য সামাজিক অনুষ্ঠানসমূহতো কিছু অংশ ভূমি অন্তৰ্ভুক্ত হৈ আছে। এফালে বৰ্দ্ধিত জনসংখ্যা, অন্যফালে সীমিত ভূমিঃ ইয়াৰ ফলত নিগমৰ বাসিন্দাসকলৰ আভ্যন্তৰীণ আৰ্থিক দিশটো একেবাৰে হতাশজনক হৈ পৰিছে। তদুপৰি ১৯৮৩ আৰু ১৯৮৯ চনৰ দুৰ্ভাগ্যজনক পৰিস্থিতিয়েও নিগমৰ অৰ্থনৈতিক দিশত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাই থৈ গ'ল। বৰ্তমান অৱস্থাত আমি আমাৰ সীমিত ভূমিতেই জীয়াই থকাৰ প্ৰয়োজনীয় চাহিদা পূৰণ কৰিবলৈ সক্ষম হ'ব লাগিব। বিজ্ঞানসম্মত পদ্ধতিৰে এবছৰত একেডৰা মাটিতে কেবা তৰপীয়া শস্য উৎপাদন কৰিব লাগিব। চৰকাৰে আগবঢ়োৱা সা-সুবিধাসমূহ গ্ৰহণ কৰি ধান খেতিৰ সমানেই ৰবি শস্যৰ প্ৰতিও গুৰুত্ব দিব লাগিব। আমাৰ যুৱকসকলে যৌথভাৱে এইবিধ খেতি কৰিব পাৰে। ইয়াৰ বাবে প্ৰয়োজনীয় উপযুক্ত মাটিও আমাৰ নথকা নহয়। তদুপৰি আমাৰ যুৱকসকলে মাছ খেতিৰ ওপৰত গুৰুত্ব দিয়া উচিত। বৰ্তমান সময়ত মীন উৎপাদনৰ যোগেদি বহুলোক উপকৃত হোৱা দেখা গৈছে। এটি সহজ উপায় যে, আমাৰ এই কৃষিপামখনত পুৰণি বহুতো ডাঙৰ পুখুৰী অনাদৃত হৈ পৰি আছে। কিছু পৰিমাণ অৰ্থ বিনিয়োগ কৰি পুখুৰীসমূহ পৰিষ্কাৰ আৰু মাছ পোহাৰ উপযুক্ত কৰি তুলিলে আমি আৰ্থিক দিশত সকাহ পাবলৈ যথেষ্ট সক্ষম হ'ব পাৰো। অৱশ্যে এইক্ষেত্ৰত সমবায় পদ্ধতি অৱলম্বন কৰিলেহে কৃতকাৰ্যতা লাভ কৰিবলৈ সক্ষম হ'ব পৰা যাব।

আমাৰ যুৱচামটোৰ এই পিছপৰা অঞ্চলটিত ব্যৱসায়-বাণিজ্যৰ বুনিয়াদ ৰচনা কৰাৰ গধুৰ দায়িত্ব আছে। সুখৰ বিষয় আমাৰ কেবাজনো যুৱক এইক্ষেত্ৰত আগবাঢ়ি আহিবলৈ সক্ষম হৈছে আৰু যথেষ্ট উপকৃত হোৱা পৰিলক্ষিত হৈছে। নিগমৰ লগতে নিকটৱৰ্তী এলেকাসমূহকে ধৰি এই বৃহৎ উত্তৰাঞ্চলটোত ব্যৱসায়-বাণিজ্যৰ বাবে এখন উপযুক্ত বজাৰো আছে। আমাৰ শিক্ষিত যুৱক-যুৱতীসকলে চাকৰিমুখী মনোভাৱ ত্যাগ কৰি এই দিশত মনোনিবেশ কৰিলে আৰ্থিক স্বচ্ছল্যতাই এই অঞ্চলত গা কৰি উঠিবলৈ সক্ষম হ'ব।

প্ৰাকৃতিক পৰিৱেশ তথা প্ৰাকৃতিক ভাৰ সাম্যতা ৰক্ষা কৰাৰ ক্ষেত্ৰত নতুন চামটোৱে আগ ভাগ ল'ব লাগিব। যিহেতু নিগম প্ৰতিষ্ঠাৰ পিছৰে পৰা কৃষিৰ উপযোগী কৰি তুলিবৰ বাবে অপৰিকল্পিতভাৱে সমূহ গছ-গছনি কাটি শেষ কৰা হ'ল। যাৰ ফলত আমাৰ চৌদিশৰ প্ৰাকৃতিক পৰিৱেশটো একেবাৰে নিস্তেজ হৈ পৰিল। এজাক সামান্য বতাহতেই মানুহৰ ঘৰ-দুৱাৰ পৰ্যন্ত ভাঙি পৰে। নিজৰ বাৰীখনো আনকি উদং হৈ থকাটো অকৰ্মণ্যতাৰ পৰিচায়ক। নিজৰ বাৰীখনত প্ৰয়োজনীয় গছ-গছনি, তামোল-পান, বাঁহ-বেত ৰুই লোৱাটো নিতান্তই বাঞ্ছনীয়। ফলত এই অত্যাৱশ্যকীয় সামগ্ৰীখিনি বাহিৰৰ পৰা ক্ৰয় কৰিব লগা হোৱাত এক শকত অংশৰ অৰ্থ ব্যয় হয়। আৰ্থিক অৱনতিৰ ইয়ো এটা গুৰুত্বপূৰ্ণ দিশ। এতিয়াৰে পৰা যত্ন কৰিলেও প্ৰাকৃতিক পৰিৱেশটো নকৈ গঢ় দিব পাৰি। এইক্ষেত্ৰত সংশ্লিষ্ট ব্যক্তি বা সমাজে শিক্ষানুষ্ঠান, সামাজিক অনুষ্ঠানসমূহৰ চৌহদসমূহতো বৃক্ষৰোপন কৰিলেও যথেষ্ট উপকৃত হ'ব বুলি ক'ব পাৰি। আমাৰ যুৱচামটোৱে এই দিশত গুৰুত্ব দিলে হেৰাই যোৱা প্ৰাকৃতিক পৰিৱেশটো পুনৰ ঘূৰাই আনিবলৈ সক্ষম হ'ব।

প্ৰত্যেক সমাজৰে জ্যেষ্ঠসকল উত্তৰ পুৰুষৰ পথ প্ৰদৰ্শক হিচাপে গণ্য হয়। সমাজৰ ডেকা, বুঢ়া দুয়োচামৰ মাজত পাৰস্পৰিক বুজাপৰাৰ মধুৰ সম্পৰ্ক থাকিব লাগিব। ইয়াৰ দ্বাৰা উভয়ে উভয় চামৰ সমূহ কাৰ্যকপালকেই অন্ধভাৱে সমৰ্থন কৰাটো বুজোৱা হোৱা নাই। উপযুক্ত বিচাৰ-বিশ্লেষণেৰে চালি-জাৰি চাই গঠনমূলক চিন্তাধাৰা বা কাৰ্যকলাপক সমৰ্থন দিয়াটো সকলোৰে কৰ্তব্য। সমাজখনে আমাক কি দিছে এইটো কোনো ডাঙৰ কথা নহয়। কিন্তু সমাজখনৰ বাবে আমি কি কৰিব পাৰিছো, সেইটোহে বিবেচনাৰ বিষয় হ'ব লাগে। বিভিন্ন স্থানৰ পৰা অহা, বিভিন্ন সম্প্ৰদায়, ভাষা-ভাষী তথা ধৰ্মাৱলম্বী লোকৰ মাজত সামান্য বিৰোধ থকাটো স্বাভাৱিক। কিন্তু এই বিৰোধৰ মাজতো যে সংহতিৰ এক মহান সম্ভাৱনা আছে, এই বাস্তৱ সত্যটোক কোনেও নুই কৰিব নোৱাৰে। সেয়ে যদি আমি সামূহিক প্ৰচেষ্টাৰে এই দীন-হীন জনগণৰ মঙ্গলৰ কথা চিন্তা কৰো, সময়ৰ আহ্বানৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ নিত্য-নৈমিত্তিক দায়িত্ব আৰু কৰ্তব্যসমূহ নিষ্ঠাসহকাৰে পালন কৰোহঁক— তেন্তে আন নহ'লেও আমি এখন সমৃদ্ধিশালী কৃষিপামত বসবাস কৰিবলৈ নিশ্চয় সক্ষম হ'ম।

OKDISCD

# নিগম প্ৰতিষ্ঠাৰ দিশত একলম

শম্ভুৰাম নাথ

ৰামায়ণ-মহাভাৰতৰ কালতো প্ৰজাৰ মঙ্গলাৰ্থে বহু আখ্যান-উপাখ্যানে ৰিঙিয়াই যোৱা বহু কাহিনী কথা প্ৰত্যেক ভাৰতীয়ৰে অলপ নহয় অলপ মনত থকাটো বৰ্তমানো বিদ্যমান। প্ৰজাক শাসন কৰাৰ অজুহাততে বহু ৰজা-মহাৰজাৰ উত্থান-পতন ঘটি আহিছে। প্ৰজাৰ মঙ্গলেই যে দেশৰ মঙ্গল এই ভগৱৎ ঘোষিত অমোঘ বাণী বাস্তৱত ৰূপায়িত কৰিবলৈ মহা কুৰুক্ষেত্ৰ ৰণত নৰনাৰায়ণৰ মণিকাঞ্চন সংযোগ অৰ্জুনক 'হে ভাৰত' ৰূপকেৰে শ্ৰীকৃষ্ণৰ জ্ঞান সাংখ্য আৰু কৰ্মযোগৰ বিষদ বাক্যামৃতৰ স্বতঃস্ফূৰ্ত অভিব্যক্তি। বুৰঞ্জীয়ে ঢুকি পোৱা আবহমানকালৰ পৰায়ে সেই একে নীতি-নিয়মেৰে দেশৰ শাসকীয় ব্যৱস্থাত পৰিলক্ষিত হৈছে। কিন্তু অতি পৰিতাপৰ বিষয় যে, ৰামায়ণ, মহাভাৰত, বুৰঞ্জীৰ সকলো বিষদ বিৱৰণ কাগজৰ পাততহে সীমাৱদ্ধ বুলি ক'লেও অপ্ৰাসঙ্গিক নহয়। মহামানৱ মহাত্মা গান্ধীৰ ৰামৰাজ্যৰ সপোন সপোন হৈয়েই থাকিল। বহুসংখ্যক স্বাৰ্থান্বেষী, সুবিধাবাদীৰ হাতত শাসনৰ বাঘজৰী মেৰ খালে। এক শ্ৰেণী ধনে-সম্পত্তিৰে উৰ্দ্ধগামী হ'ল, অন্য শ্ৰেণী ক্ৰমান্বয়ে শোষিত হৈ দৰিদ্ৰতাত ভুগি সময়ৰ সোঁতত জীৱনৰ নিৰাপত্তাৰ আশ্ৰয়স্থল ভূমিকণৰো ভিক্ষাৰী হ'ল। স্বদেশীও পৰদেশী হ'ল, অন্ন, বস্ত্ৰৰ সমস্যাত জীয়াই থকাৰ তাদিগাত কক্‌বকাব লগা হ'ল। দৰিদ্ৰতাৰ একপ্ৰকাৰ কলঙ্ক মোচনৰ হেতু দেশব্যাপী কৃষি-শ্ৰমিকৰ এক আলোড়নৰ সূত্ৰপাত হ'ল। অসমতো এই আলোড়নৰ জোৱাৰ উঠিল। সহযোগী স্বৰূপে দৰং জিলা, লক্ষীমপুৰ জিলাৰ ভূমিহীন কৃষি-শ্ৰমিকসকলেও কৃষি-শ্ৰমিক ইউনিয়নৰ সংগঠনত দলে দলে যোগদান কৰিলে। কালক্ৰমত এই সংগঠনৰ নেতৃত্বত লক্ষীমপুৰে লক্ষীমপুৰ ভাগে আৰু দৰঙত দৰং ভাগে চৰকাৰক ভূমিহীনৰ সংস্থাপনাৰ্থে সেই সময়ৰ ভাৰত কমিউনিষ্ট দলৰ অন্যতন হোতা কমৰেড্ ফণী বৰাদেৱৰ নেতৃত্বত বিভিন্ন সভা-সমিতি পাতি চৰকাৰক বহুপ্ৰকাৰে স্মৰক-পত্ৰ প্ৰদান কৰা হ'ল। অথচ ফল নধৰাত সেই সময়ৰ মাননীয় মুখ্যমন্ত্ৰী মহেন্দ্ৰমোহন চৌধুৰীদেৱৰ শাসনকালত ৰাজধানী চিলঙত দাবী উত্থাপন কৰা হয়। তৎক্ষণাৎ দৰিদ্ৰ জনসাধাৰণৰ জীয়াই থকাৰ দাবীক প্ৰত্যাখ্যান কৰা হ'ল। কিন্তু পুনৰ স্বৰ্গীয় লীলা বৰা, শ্ৰীডম্বৰু বৰা, শ্ৰীঅম্বু বৰা, শ্ৰীজোনাৰাম বৰা, তনুৰাম বৰা, বনাই শঙ্কৰ, নোমল বৰা, মানিক শৰ্মা, শিশুৰাম ফুকন, ভূমিধৰ বৰা, দুৰ্গা বৰা, হেম বৰা, স্বৰ্গীয় চাকিৰাম নাথ, স্বৰ্গীয় কণেশ্বৰ ভূঞা প্ৰমুখ্যে নেতৃস্থানীয় বিপ্লৱী পুৰুষসকলৰ প্ৰচেষ্টাত আৰু তেওঁলোকৰ অক্লান্ত সহযোগিতাত হাৱাজানৰ পৰা ঘাঁহীগাঁও পৰ্যন্ত ছয়দুৱাৰ কৃষি-শ্ৰমিক ইউনিয়ন খণ্ডই একাগ্ৰভাৱে আন্দোলনৰ কাৰ্যসূচী লয়। এই অভাজনেও সম্পাদক হিচাপে অনেক আলৈ-আহুকালৰ মাজেদিও আন্দোলনত যোগদান কৰিছিল আৰু কৃষি-শ্ৰমিক ইউনিয়নক শক্তিশালী সংগঠন হিচাপে গঢ়ি তুলিবলৈ আৰু ইয়াৰ ন্যায্য দাবীসমূহ পুৰণাৰ্থে সকলো সমস্যাৰ সন্মুখীন হ'বলৈ আগবাঢ়িছিলো।

সদৌ অসম কৃষি-শ্ৰমিক সংগঠনৰ লোকেও দৈয়াং ৰিজাৰ্ভত বেদখল কাৰ্যসূচী লয়। কিন্তু চৰকাৰে এইক্ষেত্ৰত কোনো সঁহাৰি নজনাই বেদখলকাৰীক উচ্ছেদ কৰাবহে ব্যৱস্থা গ্ৰহণ কৰে।

এই প্ৰসঙ্গতে এক স্মৰণীয় আৰু মৰ্মান্তিক ঘটনাৰ কথা অৱগত কৰি থ'ব খুজিছো। ১৯৬৭ চনত যেতিয়া দৈয়াং ৰিজাৰ্ভত বেদখল উচ্ছেদৰ প্ৰতিস্তু চলিল তেনে এক উতপ্ত পৰিস্থিতিত অতি নিকা মনৰ সঁচা মানুহ কৃষি-শ্ৰমিক স্বৰ্গীয় বিহুৰাম বড়োক পুলিচে গুলীয়াই হত্যা কৰিছিল। এনে ঘটনাৰ পৰিপ্ৰেক্ষিততে সিংহপুৰুষ ফণী বৰা আৰু স্বৰ্গীয় বিষ্ণু বৰাদেৱৰ নেতৃত্বত সদৌ অসম কৃষি-শ্ৰমিক জাগ্ৰত হ'ল আৰু ৰাজধানী চিঙলত বিধান সভা ঘেৰাও কৰাৰ ধ্বনি উচ্চাৰিত হয়। কথা মতেই কাম হ'ল। সহস্ৰ জনতাই বিধান সভা ঘেৰাও কৰাত চৰকাৰী প্ৰশাসনৰ চি. আৰ. পি. এফ.ৰ বাধা ভাঙি বিধান সভাৰ মজিয়ালৈকে প্ৰৱেশ আৰম্ভ হ'ল। তেতিয়া প্ৰশাসন বিভাগত গুলীচালনাৰ আদেশ জাৰি হোৱাত বিধান সভাৰ মজিয়াৰ পৰা দৌৰি আহি পুলিচৰ বন্দুকৰ গুলীৰ আগত ফণী বৰাদেৱে বুকু পাতি পৰিবেশ শান্ত কৰিবলৈ কৰা প্ৰচেষ্টাতহে আমি জনসাধাৰণ কোনোমতে ৰক্ষা পৰো। তেতিয়াই এই বিপ্লৱী নেতাগৰাকীক "আসাম টাইগাৰ" উপাধিৰে অলঙ্কৃত কৰা হয়।

এনেকৈয়ে অনেক ঘটনা-পৰিঘটনাৰ অন্তৰালত ১৯৬৭ চনত লক্ষীমপুৰৰ ভাগে ঔগুৰিৰ ফালৰ পৰা আৰু দৰঙৰ (অবিভক্ত) ভূমিহীন লোকে ৰঙতি আৰু বালিজান ককিলাত বেদখল আৰম্ভ কৰাত চৰকাৰে উচ্ছেদ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। ঘটনা ক্ৰমাত বিধান সভাৰ মজিয়ালৈ বিয়পি পৰে। পৰ্যায়ক্ৰমে চৰকাৰো পৰিবৰ্তন হ'ল। সেই সময়ৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া শ্ৰীযুত শৰৎচন্দ্ৰ সিংহদেৱৰ চৰকাৰে দুখীয়াৰ অন্তৰৰ বেদনা উপলব্ধি কৰিলে আৰু কৃষিপাম নিগম প্ৰতিষ্ঠাৰ প্ৰস্তুতি কৰিলে এচ কংগ্ৰেছৰ নেতৃত্বাধীন চৰকাৰে। প্ৰথমে চাৰিখন কৃষিপাম নিগম প্ৰতিষ্ঠা কৰিলে স্বৰ্গীয় বিষ্ণু বৰাদেৱৰ সভাপতিত্বত। এই নিগম প্ৰতিষ্ঠাত বিশেষভাৱে আগভাগ ল'বৰ বাবে স্বৰ্গীয় বিষ্ণু বৰাদেৱে শ্ৰীনন্দ বৰাদেৱক দায়িত্ব অৰ্পণ

OKDISCD

কৰিছিল আৰু নন্দ বৰাদেৰেও এই দায়িত্ব পালনত কোনো ত্ৰুটী কৰা নাছিল। ৩৮০ ঘৰ অংশীদাৰ পৰিয়ালক লৈ নিগম প্ৰতিষ্ঠা কৰা কাৰ্যত স্বৰ্গীয় বিষ্ণু বৰাদেৰৰ লগতে শ্ৰীনন্দ বৰা, শ্ৰীভব শইকীয়া, স্বৰ্গীয় ৰেৱ বৰা, শ্ৰীঅম্বু শইকীয়া, শ্ৰীঅৰুণ শইকীয়া আৰু শ্ৰীনৃপেন্দ্ৰ কুমাৰ দেৱে নেতৃস্থানীয় ভূমিকা গ্ৰহণ কৰিছিল। বৰ্তমান অংশীদাৰ, অনা-অংশীদাৰ মিলি ৮০০তকৈও অধিক পৰিয়ালেৰে বসতিপূৰ্ণ এই কৃষিপামে ২৫ বছৰ পূৰ্ণ কৰাৰ উপক্ৰম কৰাত ৰূপালী জয়ন্তী ভাগ পাতিবলৈ কৃষি-শ্ৰমিক তথা নিগমৰ জনসাধাৰণ আগবাঢ়ি আহিছে আৰু এই সুযোগতে নিগমৰ প্ৰতিষ্ঠাপক মণ্ডলীৰ সদস্যসকলৰ প্ৰতি কৃতজ্ঞতা আৰু শ্ৰদ্ধাঞ্জলি জনোৱাৰ সিদ্ধান্তত সকলো একমত হৈছে। এই স্মৃতিচাৰণ দিৱসৰ সকলো কৰ্মকৰ্তা, সহযোগী সদাশয় বৰেণ্য ব্যক্তি তথা সকলো শ্ৰেণীৰ লোকলৈ মোৰ হিয়া ভৰা ওলগ যাচিলোঁ আৰু বঢ়া-টুটাৰ বাবে ক্ষমা বিচাৰি এই অভাজনৰ 'নিগম প্ৰতিষ্ঠাৰ দিশত একলম' সামৰিলোঁ।

---

## কমৰেড্

**দিপালী বৰা বৰুৱা**

*দুখীয়া শ্ৰমিক কৃষকৰ*
*ত্ৰাণ কৰ্তা*
*লক্ষীমপুৰ আৰু শোণিতপুৰ*
*দুখন জিলা*
*অৰুণাচল পাহাৰৰ কাষত*
*অৱস্থিত নিগম*
*চৰকাৰী ভূমিহীনৰ আবাসিক স্থল*
*বিভিন্ন জাতি-উপজাতিৰ সঙ্গম স্থান*
*সমাজ গঠনৰ উত্থান-পতন*
*ভাই ভাইৰ মাজত ঐক্য বিনষ্ট*
*শান্তি সংহতিৰ এনাজৰীডাল*
*ভঙা বীণাৰ তাঁৰ*
*সুৰৰ বিসঙ্গতি বে-সুৰা বীণাত সপ্তসুৰ*
*মুক্ত বতাহত প্ৰতিধ্বনিত কৰি*
*ঢৌবোৰ ধাৱিত হ'বলৈ*
*ভঙা বীণাত তাপলি মাৰিবলৈ*
*শান্তি ঐক্যহীন জনসাধাৰণৰ*
*প্ৰাণত সামাজিক সাংস্কৃতিক*
*সাম্যবাদ সঞ্চাৰ কৰিবলৈ*
*মানৱতাবোধ*
*পেটৰ জ্বালা*
*মনৰ শঙ্কা দূৰ কৰিবলৈ*
*দুৰ্বাৰ সাহসেৰে আগবাঢ়িছিল*
*কমৰেড্।*
*নিগমবাসী*
*সাম্যবাদীসকলৰ প্ৰাণ বতাহত*
*আজিও ভৱিষ্যতৰ দিনত*
*প্ৰতিধ্বনিত হ'ব*
*কমৰেড্ ৰেৱ বৰা।*

## সমন্বয়ৰ আহ্বান

**থুলেশ্বৰ দাস**

*পূৰ্ব্বজ্যোতি কৃষিপাম*
*কৃষি-শ্ৰমিকৰ পৱিত্ৰ ধাম*
*বিস্তাৰি সহস্ৰজন*
*কৰিছে জীৱনপণ*
*হৈ এক চিতমন।।*
*ভৌগলিক আয়তনত*
*উত্তৰত অৰুণাচল*
*দক্ষিণত সমতল*
*পূবত চেঁচা নদী*
*পশ্চিমত পালেঙণি।।*
*মধ্যতে বিস্তৃত পূৰ্ব্বজ্যোতি*
*বড়ো দেউৰী কোঁচ কেওট*
*কলিতা আহোম আদি*
*মিলি আছে কৈৱৰ্ত বনিয়া*
*বিভিন্ন জাতি ও প্ৰজাতি।।*
*সমন্বয় সংস্কৃতিৰ*
*সৃষ্টি কৃষ্টি ভাওনাৰ*
*বৈদিক শঙ্কৰ সংঘ*
*খৃষ্টান মুছলিম একশৰণ*
*ভাগৱতী সনাতম ধৰ্ম*
*কৰি অতি বিতোপন*
*ভুগি নানা নিৰ্যাতন*
*নিগম নীতি নিৰ্দ্ধাৰণ*
*কৰিছিল যিজন সকলোৰে*
*অতি শ্ৰদ্ধাৰ ভাজন।*
*কিন্তু হায়*
*এদিন আহিল দুৰ্যোগ*
*উনানব্বৈ তিৰাশীত লভিলে সুযোগ*
*এচাম সুবিধাভোগী স্বাৰ্থান্বেষী লোকে*
*কৰি অগ্নি সংযোগ*
*বিনাসীলে সকলো সুখ -সম্ভোগ।।*
*ৰচিছিল ক'ত সপোন*
*প্ৰাণাহুতি দিলে কতজনে*
*সেই বিদেহী আত্মাক*
*ৰূপালী জয়ন্তীৰ পৱিত্ৰ ক্ষণতে*
*প্ৰণিপাতে কৰো সোঁৱৰণ*
*তথাপিতো*
*সকলো ভেদাভেদ এৰি*
*শান্তি সম্প্ৰীতিৰে ৰচি এনাজৰী*
*কৰো যদি অঙ্গীকাৰ*
*নৰনাৰায়ণৰ মিলন ক্ষণতে*
*জয় জয় ময় ময় হ'ব*
*পূৰ্ব্বজ্যোতি নিগমৰ।।*

OKDISCD

# ময়েই পূৰ্ব্বজ্যোতি কৃষিপাম নিগম

নীলমণি দুৱৰা

১৯৭৩ চনৰ জানুৱাৰী মাহৰ ১৭ তাৰিখ। এই চিৰস্মৰণীয় দিনটোতেই শোণিতপুৰ জিলাৰ গহপুৰ মৌজাৰ অন্তৰ্গত এক বিৰাট অঞ্চলক অসম চৰকাৰে পূৰ্ব্বজ্যোতি কৃষিপাম নিগম হিচাপে ঘোষণা কৰে। আজি ইং ১৯৯৮ চনৰ জানুৱাৰী মাহৰ ১৭ তাৰিখে সেই পূৰ্ব্বজ্যোতি নিগমৰ ২৫ বছৰ পূৰ্ণ হৈছে। প্ৰিয় পাঠকসকল, আহকচোন আমি ২৫ বছৰীয়া চঞ্চল, চফল, যৌৱনোদীপ্ত পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ মুখেদিয়েই তাৰ এই ২৫ বছৰীয়া ইতিহাসখন শুনো।

"ময়েই পূৰ্ব্বজ্যোতি কৃষিপাম নিগম। ১৯৭৩ চনৰ ১৭ জানুৱাৰী তাৰিখে মোক জন্ম দিয়া হয় এই সুজলা-সুফলা শস্য-শ্যামলা অসম মাতৃৰ বুকুত। আজি ১৯৯৮ চনৰ ১৭ জানুৱাৰী। আজিৰ পৰা ২৫ বছৰৰ আগতে কেইজনমান বিশেষ ব্যক্তিয়ে অতি কষ্ট স্বীকাৰ কৰি মোক জন্ম দি উত্তৰ পুৰুষৰ যি মহৎ উপকাৰ সাধন কৰিলে, তাৰ কথা আজিও মোৰ বুকুৰ মানুহৰ মানুহবোৰে সগৌৰৱে সোঁৱৰে। মোক প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত বহুতো লোকে মেলেৰীয়া মহামাৰীত প্ৰাণ হেৰুৱাবলগীয়া হৈছিল। প্ৰথমে যেতিয়া মানুহবোৰে ঘৰ-দুৱাৰ সাজিছিলহি, তেতিয়া বনৰীয়া হাতীৰ উপদ্ৰৱৰ বাবেও বহুতৰ ক্ষয়-ক্ষতি হৈছিল। বনৰীয়া হাতীবোৰে যেতিয়া তেওঁলোকৰ উৎপাদিত খাদ্যশস্য খাই নষ্ট কৰিবলৈ আহিছিল, তেতিয়া তেওঁলোকৰ বহুতে হাতত যাঠী-জোং-জুই আদি লৈ সিহঁতক খেদিছিল। এইদৰে প্ৰতিদিনে হাতী খেদাতো তেওঁলোকৰ এটা সংস্কৃতিত পৰিণত হৈছিল বুলি আজিৰ বুঢ়া-মেথাসকলৰ বহুতে কয়। তেতিয়া বাঘ, সিংহ, বনৰীয়া গাহৰি আদিৰ উপদ্ৰৱৰ সিমান নাছিল যদিও মাজে মাজে সেইবোৰো দেখা গৈছিল। বাৰু প্ৰিয় পাঠকসকল, এইবোৰ এতিয়া বাদ দিলো। এতিয়া আহকচোন মোৰ বুকুৰ মানুহবোৰৰ বিষয়ে অলপমান শুনো, নে কি কয়? সিহঁতৰনো জীৱিকা কি? সিহঁতেনো কেনেকৈ জীৱন নিৰ্বাহ কৰে, তাৰ কথা জানিবলৈ জানো অলপো মন নাযায়? নিশ্চয় যায়! নহয় জানো?

মোৰ বুকুত প্ৰথমে প্ৰায় ৩৮৫ টা পৰিয়ালে জন্ম গ্ৰহণ কৰে। কিন্তু বৰ্তমান নাতি-পুতিসকলৰ সৈতে প্ৰায় ৮০০ টামান পৰিয়ালে জীৱন নিৰ্বাহ কৰে। মোৰ মাটি কালি প্ৰায় ৫০০০ (পাঁচ হাজাৰ) বিঘা। যিহেতু জনসংখ্যা অনুপাতে মাটিৰ পৰিমাণ বহুত কম, সেইবাবে বহুতো পৰিয়ালে বছৰটো জোৰাই খাব নোৱাৰে। অৰ্থাৎ প্ৰায় ২৫ শতাংশ ঘৰ মানুহেহে বছৰটো জোৰাই খাব পাৰে বুলি ক'লেও বেছি কোৱা নহ'ব। প্ৰিয় পাঠকসকল, যিহেতু মোৰ নামেই 'পূৰ্ব্বজ্যোতি কৃষিপাম নিগম', গতিকে মোৰ বুকুৰ মানুহবোৰৰো প্ৰধান জীৱিকা যে কৃষিয়েই হ'ব তাক হয়তো নক'লেও বুজিছে। অৱশ্যে বৰ্তমানে বহুতো লোকেই খৰি-খেৰ বিক্ৰী, দিন হাজিৰা ইত্যাদি কামবোৰ কৰিহে দিনটোৰ ভাতসাজ মোকলায়। যদিও কিছুলোক চৰকাৰৰ বেতনভোগী কৰ্মচাৰী, তথাপিও তেখেতসকলৰো প্ৰধান জীৱিকা কৃষিহে।

এতিয়া আহো মোৰ অৰ্থনীতিৰ কথালৈ। অৰ্থনীতিৰ ক্ষেত্ৰত মই একেবাৰেই পিছপৰা। আগতেই মই কৈ আহিছো যে, মোৰ বুকুৰ মানুহবোৰৰ প্ৰধান জীৱিকা কৃষিহে। বিশেষকৈ ধান খেতি। মোৰ ইয়াত ধান খেতিৰ বাদে আন খেতি কৰিব পৰাৰ ব্যৱস্থা নাই। অৰ্থাৎ অৰ্থৰ অভাৱ। সাৰৰ দৰে খেতিত সহায় আগবঢ়োৱা বিশেষ পদাৰ্থৰ অভাৱ। ধান খেতি যদিও বহু কষ্ট স্বীকাৰৰ মূৰত কৰে, তথাপি তাক বিক্ৰী কৰিবলৈ গ'লে উপযুক্ত দাম নাপায়। যিহেতু মোৰ ইয়াত বিশেষ উন্নত মানদণ্ডৰ খেতি কৰিব পৰা নাযায়, গতিকে প্ৰিয় পাঠকসকলে নিশ্চয় বুজিছে যে, অৰ্থনীতিত মই একেবাৰেই পিছপৰা।

এতিয়া আহো শিক্ষাৰ ক্ষেত্ৰত মোৰ অগ্ৰগতিৰ কথালৈ। এটা কথা মই সগৌৰৱেৰে প্ৰকাশ কৰিব পাৰো যে, মোৰ বুকুৰ মানুহবোৰ আন বহু পুৰণি গাঁওবিলাকৰ তুলনাত বহু গুণে আগবঢ়া। যদিও এই মানুহবোৰে বহু অভাৱ-অনাটনৰ মাজেদি জীৱন নিৰ্বাহ কৰে, তথাপি শিক্ষাৰ প্ৰতি এই মানুহবোৰৰ আগ্ৰহ দেখিলে আপুনিও এষাৰ ক'ব লাগিব। কিন্তু দুখৰ বিষয় যে, মোৰ জন্মৰ ২৫ বছৰৰ বিছতো মোৰ বুকুৰ এই মানুহবিলাকে চৰকাৰৰ পানী যোগান আঁচনিৰ পানীকলৰ সোৱাদনো কেনেকুৱা তাক নাজানিলে। বিদ্যুতৰ পোহৰতনো থাকিবলৈ কেনেকুৱা তাক বুজি নাপালে। বিদ্যুতৰ ব্যৱস্থা এবাৰ কৰা হৈছিল যদিও চৰকাৰৰ দুৰ্বলতাৰ সুযোগ লৈ সমাজৰ কিছুমান অনিষ্টকাৰী লোকে তাৰো মুদা মাৰিলে। তথাপিও তাৰ মাজতো নিজৰ পঢ়া-শুনাৰ কথা নাপাহৰিলে। উচ্চ শিক্ষাত প্ৰথম শ্ৰেণী পোৱা লোকো ইয়াত বিৰল নহয়। বহুতে উচ্চ শিক্ষা লৈয়ে আছে আৰু বহুতে ল'বৰ বাবে ওলাই গৈছে। আৰু হয়তো কেইটামান বছৰৰ পিছতে মোৰ বুকু উচ্চ শিক্ষিত লোকেৰে ভৰি পৰিব। ইয়াতকৈ আৰু মোৰ গৌৰৱৰ বিষয় কি হ'ব পাৰে, নহয় জানো?

অনুষ্ঠান-প্ৰতিষ্ঠান হিচাপে মোৰ বুকুত প্ৰায় ৫০ টামান অনুষ্ঠান আছে। উচ্চ মাধ্যমিক বিদ্যালয় দুখন (তাৰে এখন বেচৰকাৰী), মধ্য ইংৰাজী বিদ্যালয় চাৰিখন (তাৰে দুখন বেচৰকাৰী), প্ৰাথমিক বিদ্যালয় বাৰখন, প্ৰাক্ প্ৰাথমিক বিদ্যালয় মাত্ৰ এখন লগতে প্ৰায় ২১-২২ টামান শ্ৰীমন্ত শঙ্কৰদেৱৰ আদৰ্শত প্ৰতিষ্ঠিত নামঘৰ, প্ৰায় পাঁচটামান যুৱ সংঘ, প্ৰায় তিনিটামান মইনা পাৰিজাত, প্ৰায় ৮-১০ টামান মহিলা সমিতি আদি অনুষ্ঠানবোৰে মোৰ বুকু ভৰি আছে। প্ৰতি বছৰে

OKDISCD

এই অনুষ্ঠানবোৰে নিজৰ নিজৰ বছৰেকীয়া উৎসৱ পালন কৰে। তাৰ লগতে বিভিন্ন দিৱস, জয়ন্তী আদিবোৰো পালন কৰে। গতিকে ইয়াৰ পৰা আপুনি বুজিব পাৰে যে, মোৰ বুকুৰ মানুহবিলাক ধনৰ দুখীয়া হ'লেও মনৰ দুখীয়া নহয়। গতিকে মোৰ বুকুৰ মানুহবিলাকৰো প্ৰকৃত অসমীয়া জাতি হিচাপে নিজকে দাবী কৰিব পৰা অধিকাৰ আছে।

ইতিহাস প্ৰসিদ্ধ বস্তু হিচাপে কোনো বিশেষ বস্তু মোৰ বুকুত নাই। তথাপি দুটামান পুখুৰীৰ কথা ধৰিব পাৰি যদিও ইয়াৰ বিষয়ে বিশেষ আভাস পোৱা নাযায় বাবে কোনো বুৰঞ্জীতে ই স্থানো পোৱা নাই। বহুতো লোকে অৰ্থাৎ বৰ্তমানৰ বুঢ়া লোকসকলে কয় যে, ইয়াৰে যিটো কুঁৱৰীগড় পুখুৰী নামে জনাজাত, সেইটো হেনো আগৰ দিনৰ কোনোবা ৰজা এজনে খন্দোৱা। পুখুৰীটোৰ মাটি কালি প্ৰায় ন বিঘা। বৰ্তমান ইয়াক মীন পালনৰ বাবে ব্যৱহাৰ কৰি থকা হৈছে। ভৱিষ্যতে ইয়াক জলাশয় ৰূপে গঢ় দিবলৈ ইয়াৰে দুজনমান স্থানীয় বিশেষ ব্যক্তিয়ে বৰ্তমানে চৰকাৰৰ লগত যোগাযোগ কৰি আছে। যিহেতু ইয়াৰ অৱস্থিতি নিগমৰ প্ৰায় সোঁমাজতে, সেইবাবে ইয়াক যদি চৰকাৰে জলাশয় ৰূপে স্বীকৃতি দিয়ে তেতিয়া এই মানুহবিলাকৰ বহুতো উপকাৰ সাধন হ'ব। ইয়াৰ পাছতে যিটো ৰঙতি পুখুৰী নামে জনাজাত, তাৰ বিষয়ে বিশেষ আভাস পোৱা নাযায় যদিও ই মোৰ জন্মৰ আগৰে পৰা আছে। ইয়াৰ মাটি কালি প্ৰায় চাৰি বিঘা। মোৰ জন্মৰ পূৰ্বে এই ঠাইখন চৰকাৰৰ বন বিভাগৰ অধীনৰ এখন অৰণ্য আছিল যদিও তাৰ আগেয়ে যে ইয়াত মানুহৰ বসতি আছিল, তাৰ বিষয়ে কিছু আভাস পোৱা যায়। তাৰ প্ৰমাণ স্বৰূপে মোৰ ইয়াৰে স্থায়ী বাসিন্দা শ্ৰীযুত দ্ৰোণ কাকতিৰ মাটি অংশত এটা পুখুৰী খান্দোতে কিছুমান কাঁহ-পিতলৰ কাহি-বাতি পোৱা গৈছিল আৰু লগতে ইয়াৰে বাসিন্দা শ্ৰীযুত মহেন্দ্ৰ দুৱৰাৰ বাৰীত এটা গাঁত খান্দোতে প্ৰায় চাৰি ফুট তলত এটা কুকুৰৰ মূৰ্তি পোৱা হয়। লগতে মাজশাৰীৰ শ্ৰীযুত কলাই দুৱৰাই গছৰ মুঢ়া খান্দোতে দুযোৰ কাঁহৰ কাহি-বাতি পায়। গতিকে ইয়াৰ পৰাই এই ঠাইত মোৰ জন্মৰ পূৰ্বে মানুহৰ বসতিৰ কথা অনুমান কৰিব পাৰি।

আগতেই কৈ আহিছো যে আজিৰ পৰা ২৫ বছৰৰ পূৰ্বে মোৰ জন্ম হয়। মোক জন্ম দিয়া মহান পুৰুষৰ ভিতৰত আছিল ক্ৰমে স্বৰ্গীয় বিষ্ণু বৰা, শ্ৰীযুত নন্দ বৰা, শ্ৰীযুত নৃপেন্দ্ৰ কুমাৰ দে, শ্ৰীযুত নাৰায়ণ ভূঞা প্ৰভৃতি লোকসকল। এইখিনিতে মোৰ জন্মৰ ক্ষেত্ৰত বিশেষ সহায় আগবঢ়োৱা শ্ৰীযুত ফণী বৰাদেৱ, অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীযুত শৰৎচন্দ্ৰ সিংহদেৱ, স্বৰ্গীয় যোগেন শইকীয়াদেৱলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত নিবেদিছোঁ। তেখেতসকলৰ ওচৰত মই চিৰকৃতজ্ঞ। তেখেতসকলে এইফেৰা মহৎ উপকাৰ সাধন কৰি থৈ নোযোৱা হ'লে তেখেতসকলৰ উত্তৰ পুৰুষসকলে হয়তো এতিয়া সংস্থাপন-বিহীনভাৱে কেনেদৰে অনাই-বনাই ঘূৰি ফুৰিব লাগিলহেঁতেন, কোনে কাৰ বাৰীৰ চুকে-কোণে থাকি ঘৰুৱা ভৃত্যৰ দৰে জীৱন অতিবাহিত কৰিব লাগিলেহেঁতেন তাৰ ঠিকনা নাই। আজি ১৯৯৮ চনৰ ১৭ জানুৱাৰী তাৰিখে মোৰ ২৫ বছৰ পূৰ্ণ হৈছে। মোৰ ২৫ বছৰীয়া এই জন্মোৎসৱটি মোৰ বুকুৰ এই মানুহবোৰে ৰূপালী জয়ন্তী হিচাপে উদ্‌যাপন কৰিবলৈ ওলাইছে। কিন্তু সকলোৰে মুখ আনন্দমুখৰ যদিও তাৰ মাজে মাজে যেন সকলোকে এচাটি বিষাদৰ বতাহে আৱৰি আছেহি। কাৰণ দুখৰ বিষয় এইটো, যিগৰাকী মহান ব্যক্তিৰ অক্লান্ত পৰিশ্ৰমৰ বাবে মোৰ এই জন্মবাৰ্ষিকী উৎসৱটো ৰূপালী জয়ন্তী হিচাপে উদ্‌যাপন কৰিবলৈ সুবিধাকণ পালে, সেইজনা মহান ব্যক্তিয়েই আজি তেওঁলোকৰ মাজত নাই। মোক জন্ম দিয়াৰ বাবেই, সৰ্বহাৰা লোকসকলক সংস্থাপন দিয়াৰ বাবেই তেওঁ নিজৰ জীৱনটো হেৰুৱাব লগা হ'ল। গুৱাহাটীৰ গণেশগুৰি নামৰ ঠাইকণতেই গাড়ীৰ প্ৰচণ্ড খুন্দাত এইজনা মহান ব্যক্তিয়ে শেষ নিঃস্বাস ত্যাগ কৰে। গতিকে যদিও আজি এই মানুহবিলাকৰ অতি আনন্দৰ দিন, তথাপি যেন তেওঁলোকক কিবা এক মুক বেদনাই আগুৰি আছে। আজিৰ এই দিনটোত তেওঁৰ উপস্থিতি নিতান্তই আৱশ্যক আছিল। কিন্তু কথাতে কয় নহয় বোলে, 'বিধিয়ে দিলেও বিধাতাই নিদিয়ে!' গতিকে মোৰ এই মানুহবিলাকৰো অৱস্থাতো ঠিক তেনেকুৱাই হ'ল। তথাপিতো তেওঁলোকে প্ৰাৰ্থনা কৰিছে, তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক। যদিও বিষ্ণু বৰা আজি নাই, তথাপি তেওঁ মৰিও অমৰ আৰু মই যিদিনাখনলৈকে জীয়াই থাকিম, তেখেতো সেইদিনাখনলৈকে অমৰ হৈ ৰ'ব।

সদৌ শেষত মোৰ পিতৃস্বৰূপ জন্মদাতাসকললৈ পুনৰ মোৰ সশ্ৰদ্ধ প্ৰণাম যাঁছি মোৰ বিৱৰণী ইয়ানতে সামৰিছোঁ।"

# নিগমত কৃষিজীৱী মহিলাৰ অৱদান

গজেন হাজৰিকা

১৮৬৮ চনৰ পৰা অসমত হোৱা ভাৰত কমিউনিষ্ট দলৰ কৃষি-শ্ৰমিক আন্দোলনৰ ফলত ১৯৭৩ চনত অসম কৃষিপাম নিগম আইন মতে এই পূৰ্ব্বজ্যোতি কৃষিপামকে ধৰি সৰ্বমুঠ এঘাৰখন নিগম প্ৰতিষ্ঠিত হয়।

পূৰ্ব্বজ্যোতি কৃষিপাম দিনতে সূৰ্যৰ কিৰণ নপৰা জংঘলৰ মাজত প্ৰতিষ্ঠা কৰা হৈছিল। ইয়াৰ আৰম্ভণিৰ ইতিহাসৰ বিস্তৃত বিৱৰণ বহুজন লিখকে দাঙি ধৰিছে। সেয়েহে এই লিখকে কেৱল এটা দিশৰ কথাহে উল্লেখ কৰিবলৈ প্ৰয়াস কৰা হৈছে।

নিগমৰ জন্মৰ প্ৰথম পৰ্যায়তে যেতিয়া কৃষি-শ্ৰমিকসকলৰ ভূমি দখল অভিযানৰ প্ৰস্তুতি আৰম্ভ হয়, তেতিয়াৰ পৰাই মহিলাসকলে অৱদান যোগাই আহিছে। শাৰীৰিক, মানসিক, আধ্যাত্মিক আদি প্ৰায় সকলো দিশতে মহিলা-পুৰুষে একত্ৰিতভাৱে সেৱা আগবঢ়োৱাৰ বহুতো প্ৰমাণ আমাৰ হাতত আছে। তাৰে ভিতৰত এটি সামান্য অথচ হৃদয়স্পৰ্শী কাহিনীৰে প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছো মহিলাৰ এই মহৎ চিন্তা-চৰ্চাৰ কাৰ্য-কলাপবিলাক।

অসমত ভাৰত কমিউনিষ্ট দলে ঘোষণা কৰিলে প্ৰতি জিলাৰ উপায়ুক্ত বা তেতিয়াৰ উপ-প্ৰতিসমাহৰ্তাৰ কাৰ্যালয়ত ভূমিহীন কৃষকসকলে ধৰ্ণা দিব লাগে। একে সময়তে ভূমিহীনক ভূমি দিয়াৰ দাবীত অসমৰ বিভিন্ন ঠাইত আন্দোলনৰ জোৱাৰ উঠিল। আমাৰ দৰং (অবিভক্ত) জিলাৰ অন্তৰ্গত ভূমিহীনসকলে কমিউনিষ্ট দলে নিৰ্দিষ্ট কৰি দিয়া তাৰিখ মতে উপ-প্ৰতিসমাহৰ্তাৰ কাৰ্যালয়ত ধৰ্ণা দিয়াৰ ধুম-ধাম চলিল। প্ৰতিবেশী জিলা লক্ষীমপুৰতো এই কাৰ্যসূচী চলাই নিয়া হ'ল পূৰ্ণগতিত। এই কাৰ্যসূচীত ভাগ লোৱাৰ উদ্দেশ্যে আলোচনা উচ্চ মধ্যবিত্ত পৰিয়াল এঘৰৰ বাৰীৰ এচুকত নৰাৰ চাৱনিৰে জুপুৰীত এসাজ খাই তিনিসাজ নাখাই কোনোমতে জীয়াই থকা পৰিয়াল এটাৰ মূল মানুহজন ওলাইছে কৃষি-শ্ৰমিক আন্দোলনত ভাগ ল'বলৈ। বিভিন্ন সভা-সমিতিত যোগদান কৰি আহিছে এই লোকদজে। সম্ভ্ৰান্ত পৰিয়ালৰ দৃষ্টিত এনেবোৰ কাৰ্য অসহনীয় হৈ উঠিল। অনেক বাধা-বিঘিনিকো নেওচা দি সভা পাতি সভাত কমিউনিষ্ট দলে জনালে যে আঘোণৰ প্ৰথম দিনাই দৰং জিলাৰ হেলেম ৰাজহ চক্ৰলৈ ভূমিহীনক মাটি দিয়াৰ দাবী জনাবলৈ যাব লাগে। লোকৰ বাৰীৰ চুকত থকা এই কৃষকজনো গৈছিল এই সভালৈ। সেয়ে তেওঁ এই বিষয়ত সম্পূৰ্ণ অবগত। গধূলি এই কৃষকজনক তেওঁৰ পত্নীয়ে সুধিলে—"আন্দোলনলৈ যোৱাতো হ'বনে? আমাৰ হ'লে যাব লাগিব। লোকৰ বাৰীৰ চুকত থাকোতেই জীৱনটো গ'ল। হাজিৰা কৰি কৰি আৰু কিমান দিন খাম? কিজানি কিবা সুফল পোৱা যায়েই।" এটি হুমুনিয়াহ কাঢ়ি স্বামীয়ে উত্তৰ দিলে—"যাবতো লাগেই, কিন্তু পিন্ধি যাম কি? হাতত এটা ফুটা কড়িও নাই নিবলৈ। মহা সমস্যাত পৰিলো। এইকেইদিন হাজিৰাও পোৱা নাই।" কোনো উত্তৰ নিদি পত্নীগৰাকীয়ে কিছু সময় তল মূৰ কৰি চিন্তা কৰিলে আৰু লাহে লাহে তাৰ পৰা আঁতৰি গ'ল।

মহিলাগৰাকীৰ মন আনন্দেৰে ভৰি পৰিল, আশাৰ সঞ্চাৰ হ'ল—মাটি পাবা। ক্ষণমাত্ৰও লক্ষ্যৰ পৰা মনক আঁতৰাই নিনিলে। পিছদিনাই ওচৰৰ এঘৰৰ পৰা এখন ধুতি আৰু এড়ি সূতা কাটি দিম বুলি পাঁচ টকা অনাৰ সংকল্প কৰিলে।

কৃষক স্বামীজনৰ এই বিষয়ত কোনো চিন্তা নাই। শুনিলে শেষ। ক্ৰমান্বয়ে আহি আহি আন্দোলনৰ সেই নিৰ্দিষ্ট দিনটো পালেহি। পিছদিনা পুৱা স্বামীক পঠাবৰ বাবে চুৰিয়াখন আৰু টকা পাঁচটা আনি ঘৰতে মনে মনে ৰাখি থ'লে। ৰাতিয়েই সৰহকৈ তৰকাৰী আৰু ভাজি বনাই পুৱালে স্বামীলৈ থৈ দিছে। পুৱা লৰালৰিকৈ ভাতকেইটা ৰান্ধি দিলেই হ'ল। ৰাতিপুৱাল। স্বামী শোৱাৰ পৰা নুঠোতেই মহিলাগৰাকী উঠি গা ধুই ভাত ৰন্ধাত লাগিল। ভাত হোৱাত স্বামীক জগাই উঠালে। "আজি আন্দোলনলৈ যাব লাগে নহয়!" স্বামীয়ে ক'লে, "কেনেকৈ যাম, নাই ধুতি, নাই টকা, কি লৈ যাওঁ? বাদ দিলো। আমাৰ জীৱন এনেকৈয়ে লোকৰ ঘৰত হাজিৰা কৰোতেই পাৰ হ'ব।" মহিলাগৰাকীয়ে তেতিয়া মাত লগালে, "ভাত খাওক, মই ধুতি আৰু টকা আনি থৈছো।" স্বামীক খুৱাই আদৰ-সাদৰ কৰি আন্দোলনৰ অংশীদাৰ হ'বলৈ পঠাই দিলে। তেতিয়াহ'লে চাওকচোন, এইগৰাকী মহিলাৰ ত্যাগ আৰু লক্ষ্য। এনে বহু মহিলাৰ ত্যাগ আৰু শ্ৰদ্ধাৰ বাবেই আজি এই সুন্দৰ নিগমখনৰ জন্ম হ'ল।

বৃহৎ জংঘলৰ মাজে মাজে হাবি কাটি বনাঞ্চলত ভূমি দখল কৰিছে। কৃষকসকলে হাতত কুঠাৰ লৈ কাঠ কাটিছে, মহিলাসকলে হাতত দীঘল দালৈ হাবি কাটিছে, ৰান্ধি-বাঢ়ি কামত সহায় কৰিছে। এনেকৈয়ে পুৰুষ-মহিলাৰ যৌথ প্ৰচেষ্টাত পূৰ্ব্বজ্যোতি কৃষিপাম নিগম হাবি গুচি কৃষি উপযোগী মাটি হ'ল। হিংসুক বন্য জীৱ-জন্তু গুচি মানুহৰ সমাগম হ'ল। এসময়ত বনৰীয়া জীৱজন্তুৰে ভৰপূৰ ঠাইডোখৰ, য'ত দিনতে বাঘ, হাতী, মেথোন ওলায়, য'ত পতি-পত্নী একেলগেহে ইফালে-সিফালে ওলায় যাবলৈও সাহস কৰিব নোৱাৰে, তেনে এডোখৰ ঠাইত পতি-পত্নীৰ পৰস্পৰৰ প্ৰতি থকা মৰম-স্নেহ কেনে নিভাঁজ, কেনে আন্তৰিকতাপূৰ্ণ হ'ব ভাবি চাওকচোন বাৰু।

ৰাতি অটব্য হাবিৰ মাজত যেতিয়া স্বামীগৰাকীয়ে বনৰীয়া হাতী

OKDISCD

খেদিবৰ কাৰণে ৰাইজৰ লগত ওলায় যায়, তেতিয়া পত্নীগৰাকীয়ে নিজৰ কণ কণ ল'ৰা-ছোৱালীকেইটাক লগত ৰাখি কাঠ কিছুমান জাপি লৈ জুই একুৰা জ্বলাই অতিশয় ভয় আৰু আতঙ্কজনক পৰিস্থিতিৰ মাজত জীৱন কটোৱা সময়ছোৱাৰ কথাও ভাবি চাওকচোন। মহিলাসকলে এইক্ষেত্ৰত পুৰুষৰ সৈতে সমানে দায়িত্ব পালন নকৰা হ'লে হয়তো আজিৰ এনে অৱস্থা পোৱাত কিছুদিন আৰু পলম হ'লহেঁতেন।

তেতিয়াৰ পৰাই (আৰম্ভণিৰ পৰা) তিৰোতাসকলে পুৰুষৰ লগত যি সহযোগিতাৰে কামত আগবাঢ়িল আজিও সেই সহযোগিতা নিগমত বিৰাজমান।

নিগমৰ মহিলাই খেতিবাতিৰ কামত পূৰ্ণমাত্ৰাই অংশগ্ৰহণ কৰে। এড়ি পলু পুহিছে, পাট পলু পুহিছে, তাঁতশালত কাপোৰ বৈ নিজৰ গা ঢাকিছে, পাটৰ কাপোৰ, মূগাৰ কাপোৰ বৈছে, ঈশ্বৰ সেৱাত পুৰুষৰ সমানে নিজকে নিয়োগ কৰিছে, ল'ৰা-ছোৱালীৰ শিক্ষা আহৰণত যৎপৰোনাস্তি চেষ্টা চলাইছে, মুঠতে নিগমৰ সামাজিক-সাংস্কৃতিক দিশত পূৰ্ণ সহযোগিতা আগবঢ়াইছে আৰু গাৰ্হস্থ্য কৰ্মত নিজক নিয়োজিত কৰি পৰিয়াল-স্বজনৰ লগত সহৃদয়তা স্থাপন কৰিছে।

অৱশ্যে এটা কথা অপ্ৰিয় হ'লেও সত্য যে, নিগমৰ বহুতো মহিলাই স্বামীৰ দ্বাৰা অপমানিত আৰু লাঞ্ছিত হৈ এক অস্বস্তিকৰ পৰিবেশত জীৱন অতিবাহিত কৰিবলগীয়া হৈছে। ই সমাজৰ বাবে মঙ্গলজনক মুঠেই নহয়। এনে কাৰ্যক সমাজে গৰিহণা দি দোষীক সামাজিকভাৱে শাস্তিৰ ব্যৱস্থা গ্ৰহণ নকৰিলে সমাজ শুদ্ধ পথলৈ গতি কৰাতো অসম্ভৱ।

সদৌ শেষত এটা কথাৰে এই চমু নিবন্ধৰ অন্ত পেলাব বিচাৰিছো। কৃষিপাম নিগম কৃষিৰ ওপৰত নিৰ্ভৰশীল। কৃষি প্ৰধান দেশত কৃষিয়েই হৈছে জীৱিকাৰ মূল ভিত্তি। গতিকে কৃষি ব্যৱস্থা সুচিন্তিত পৰিচালনাৰে সমাধা কৰাৰ ক্ষেত্ৰত মহিলা-পুৰুষে সমানে ভূমিকা পালন কৰিলেহে কৃষিৰ ক্ষেত্ৰত উন্নতি সাধন অনিবাৰ্য।

---

# নৈত মোৰ শিপা

**বংশী বৰা**

*এদিন গৰ্ভৱতী নৈখনে উটুৱাই আনিছিল*
*পৃথিৱীলৈ শিপা।*
*সুন্দৰকৈ সজালে পৃথিৱী, জেউতি চৰিল।*
*মই এতিয়া নাজানো শিপানো কি আছিল*
*নাজানো উটুৱাই অনা নৈখনৰ কথা।*
*সেয়েহে*
*নৈত উটুৱাই দিওঁ, শিপা কাটি শিপাৰ মণ্ডহ*
*মই জানো*
*এই শিপাৰ বাবে শিপাৰ সংগ্ৰাম। বিপ্লৱ।*
*হিংসা। দ্বেষ। আদিম যুঁজ।*
*এই শিপাৰ সন্ধানত মোৰ অবিৰত যাত্ৰা*
*অন্বেষণ। অনাবিল প্ৰেম। ভালপোৱা।*
*সুখ দুখ আৰু অনেক।*

*শিপাত ফুলিছে পোহৰ। উজ্জ্বল সু-উজ্জ্বল চৌদিশ*
*শিপাতে আছে কৰ্মময় গতি*
*চক্ৰময় প্ৰবাহ.........।*
*বিৰোধৰ মাজেদিয়েই শিপা হৈ আছে নৈতে প্ৰবাহিত*
*সংহতি বিচাৰি শিপাই মেলি দিছে শিপা*
*আঁকোৱালি লয় কণ্ডমূল।*
*সাগৰ মৰু পৰ্বত পাহাৰত দেখিছো*
*শিপাৰেই জয়। হিৰন্ময়ী খোজ।*
*সুবিশাল সুগভীৰ.........।*
*শিপাই নিবিচাৰে আহত সময়। সংশয়*
*অৱৰুদ্ধ কাৰাগাৰ অচেতন অৱস্থান।*
*সংহাৰ কিম্বা হিংস্ৰতা.........।*
*কিন্তু*
*নৈয়ে বিচাৰে সুবিশাল, সুবিমল জলধাৰা*
*মলয়া বতাহ সেউজীয়া পথাৰ*
*মেতমৰা ভঁৰাল।*

OKDISCD

# পূৰ্ব্বজ্যোতিত শিক্ষাৰ ৰেঙণি

বিনন্দ কুমাৰ দে

কোনো এখন দেশৰ ভৱিষ্যৎ, আশা-আকাংক্ষা, প্ৰগতি বহু পৰিমাণে নিৰ্ভৰ কৰে দেশখনৰ শিক্ষিত নাগৰিকসকলৰ ওপৰত। সেয়ে কোনো এখন দেশৰ ভৱিষ্যতৰ নাগৰিক স্বৰূপ শিশুসকলক সৰুৰে পৰাই উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি সু-নাগৰিক হিচাপে গঢ়ি তুলিব লাগিব। কাৰণ শিক্ষাই হৈছে এখন দেশৰ, এটা জাতিৰ প্ৰাণশক্তিস্বৰূপ। শিক্ষাই শিশুৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধন কৰে। সেয়ে "Plants are developed by cultivation, men by education"– উক্তিটো এইক্ষেত্ৰত প্ৰণিধানযোগ্য।

১৯৭৩ চনৰ ১৭ জানুৱাৰীত স্থাপন কৰা পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ এতিয়া ২৫ বছৰ পূৰ হওঁ হওঁ আৰু নিগমৰ এই ২৫ বছৰীয়া জন্ম উৎসৱটি ৰূপালী জয়ন্তী হিচাপে পালন কৰিবলৈ লোৱাৰ প্ৰাক্ মুহূৰ্তত পূৰ্ব্বজ্যোতি কৃষিপাম নিগমত শিক্ষাৰ প্ৰথম আৰম্ভ আৰু ইয়াৰ প্ৰসাৰৰ লগতে শৈক্ষিক দিশত সফলতা-বিফলতা, অগ্ৰগতি আদি আলোচনা কৰাৰ প্ৰাসঙ্গিকতা আহি পৰিছে। ইয়াৰ লগে লগে শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া অসুবিধাসমূহ দূৰীকৰণৰ ব্যৱস্থা কৰাৰ লগতে শৈক্ষিক ক্ষেত্ৰত ভৱিষ্যৎ কাৰ্যপন্থাও প্ৰস্তুত কৰাৰ প্ৰয়োজন আছে।

পূৰ্ব্বজ্যোতি কৃষিপাম নিগমত শিক্ষাৰ আৰম্ভণিৰ ইতিহাস বিচাৰিলে দেখা যায় যে, কৃষিপাম নিগম আঁচনিৰ অধীনত লক্ষীমপুৰ জিলা আৰু পুৰণি দৰং জিলাৰ বিভিন্ন ঠাইত বিয়পি থকা ভূমিহীন দুখীয়া-দৰিদ্ৰ লোকসকলে বৰ্তমানৰ স্থানত বন্য হিংস্ৰ প্ৰাণীৰ উপদ্ৰৱকো নেওচি গভীৰ জংঘল ভাঙি কৃষি উপযোগী এই ঠাই খণ্ডত পূৰ্ব্বজ্যোতি কৃষিপাম নিগম প্ৰতিষ্ঠা কৰা বছৰতে কেইবাগৰাকীও গুণী-জ্ঞানী, বিশিষ্ট ব্যক্তিৰ আশাসুধীয়া প্ৰচেষ্টাত নিগমবাসী ৰাইজৰ সহযোগত প্ৰথমখন প্ৰাথমিক স্তৰৰ বিদ্যালয় "১ নং পূৰ্ব্বজ্যোতি প্ৰাথমিক বিদ্যালয়" নামাকৰণেৰে প্ৰতিষ্ঠা কৰা হৈছিল। এই প্ৰাথমিক বিদ্যালয়খনত শিক্ষা দিয়াৰ দায়িত্ব লাভ কৰে শ্ৰীযুত টঙ্ক নেওগদেৱে আৰু তেখেতে নিগমৰ ৰাস্তা-ঘাট নাইকিয়া এই দুৰ্গম অঞ্চলটিত কণ কণ শিশুসকলক উক্ত বিদ্যালয়ত প্ৰথম আনুষ্ঠানিকভাৱে পাঠদান আৰম্ভ কৰে। বিভিন্ন অঞ্চলৰ পৰা আহি পূৰ্ব্বজ্যোতি কৃষিপাম নিগমত নতুনকৈ বসতি স্থাপন কৰা দৰিদ্ৰ জনসাধাৰণে অৰ্থনৈতিক সমস্যা, খাদ্যাভাৱ আদিৰ কবলত পৰি নিজ ল'ৰা-ছোৱালীক প্ৰাৰম্ভিক অৱস্থাত বিদ্যালয়লৈ পঠাব পৰা নাছিল কাৰণে প্ৰথমতে বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম আছিল। কিন্তু সম্পূৰ্ণ কৃষি নিৰ্ভৰশীল মানুহখিনিয়ে, নিগমত কৃষি কৰাৰ বাবে ভূমি লাভ কৰি মনত আশা সঞ্চাৰিত হয়, বুকুত বল-সাহস লাভ কৰে আৰু নিজ নিজ ল'ৰা-ছোৱালীক বিদ্যালয়লৈ পঠাবলৈ আগবাঢ়ি আহে। এনেদৰেই পূৰ্ব্বজ্যোতি কৃষিপাম নিগমত ভিন্ন জাতি, ধৰ্ম, সম্প্ৰদায় আৰু ভাষা-ভাষী মানুহখিনি একত্ৰিত হৈ তেখেতলোকৰ সামূহিক ত্যাগেৰে স্থাপন কৰা প্ৰথম জ্ঞান বন্তিটিয়ে অঞ্চলটিত জ্ঞান বিলাবলৈ আৰম্ভ কৰে আৰু অজ্ঞান আন্ধাৰত ডুব গৈ থকা অঞ্চলটিৰ শিশুসকলক বিশ্ব মানৱৰ লগত খোজ মিলাই আগবাঢ়ি যোৱাত সহায় কৰে।

এইখিনিতে পূৰ্ব্বজ্যোতি কৃষিপাম নিগমখনিৰ আয়তনৰ কথা উল্লেখ কৰাৰ প্ৰয়োজন হৈছে। আনুমানিক ৫০০ পুৰা (২০০০ বিঘা) মাটি সামৰি প্ৰায় ২০ কিলোমিটাৰ পৰিসীমাৰ এই বৃহৎ এলেকাটোত প্ৰথমতেই বসতি কৰিবলৈ লোৱা ৪০০ ঘৰ অংশীদাৰৰ মাজত মাত্ৰ এখন প্ৰাথমিক বিদ্যালয়ত পাঠদান কৰাত বহুতো অসুবিধাৰ সৃষ্টি হয়। সেয়েহে ১৯৭৪ চনত "২নং পূৰ্ব্বজ্যোতি প্ৰাথমিক বিদ্যালয়" নামাকৰণেৰে দ্বিতীয়খন প্ৰাথমিক বিদ্যালয় স্থাপন কৰা হয় আৰু শ্ৰীমুহিধৰ বৰাদেৱে এই বিদ্যালয়ক শিক্ষকৰূপে দায়িত্বভাৰ গ্ৰহণ কৰে।

আনহাতে প্ৰাথমিক শিক্ষা সমাপ্ত কৰা ছাত্ৰ-ছাত্ৰীসকলে মাধ্যমিক স্তৰৰ শিক্ষা আহৰণৰ সুবিধাৰ্থে নিগমৰ সকলো শিক্ষিত ব্যক্তিৰ সামূহিক চেষ্টাত ১৯৭৪ চনত "পূৰ্ব্বজ্যোতি মধ্য ইংৰাজী বিদ্যালয়" নামাকৰণেৰে প্ৰথমখন মাধ্যমিক স্তৰৰ বিদ্যালয় স্থাপন কৰা হয় আৰু শ্ৰীযুত নৃপেন্দ্ৰ কুমাৰ দে আৰু শ্ৰীযুত নন্দ বৰাদেৱক শিক্ষকৰূপে নিযুক্তি দিয়া হয়। কিন্তু সেই সময়ত শ্ৰীযুত নন্দ বৰাদেৱ আৰু শ্ৰীযুত নৃপেন্দ্ৰ কুমাৰ দেদেৱৰ শিক্ষকতা কৰাত অসুবিধা হোৱাত নিগমৰ সঞ্চালক বোৰ্ডে ১৯৭৫ চনত প্ৰধান শিক্ষকৰূপে শ্ৰীযুত ডম্বৰু হাজৰিকাদেৱক আৰু সহকাৰী শিক্ষকৰূপে শ্ৰীযুত ৰত্নেশ্বৰ বৰাদেৱক নিযুক্তি দিয়ে। পুনৰ ১৯৭৮ চনত এই বিদ্যালয়ত শ্ৰীযুত নৃপেন্দ্ৰ কুমাৰ দেৱক প্ৰধান শিক্ষকৰ পদত অধিষ্ঠিত কৰা হয় আৰু ১৯৯৭ চনত অৱসৰ গ্ৰহণ কৰা সময়লৈকে তেখেতে উক্ত পদত থাকি কাৰ্যভাৰ চলাই যায়। আনহাতে অনুষ্ঠানটিৰ জন্মলগ্নৰে পৰা বৰ্তমানলৈকে শিক্ষকতা কৰি থকা হাৱাজান খুটিকয়ীয়াৰ শ্ৰীযুত ৰত্নেশ্বৰ বৰাদেৱে ৰাস্তা-ঘাট নাইকিয়া এই পিছপৰা অঞ্চলটিলৈ বোকাপানী গছকি আহি অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ যি উপকাৰ সাধন কৰিলে, সেয়া নিগমবাসীয়ে কেতিয়াও পাহৰিব নোৱাৰে।

OKDISCD

সেয়ে এইক্ষেত্ৰত তেখেত নিগমবাসীৰ চিৰদিন সেৱাৰ পাত্ৰ হৈ ৰ'ব।

পূৰ্ব্বজ্যোতি কৃষিপাম নিগম আৰু ইয়াৰ সমীপৱৰ্তী অঞ্চলত দুবাৰকৈ সংঘটিত হোৱা ভাতৃঘাটী সংঘৰ্ষৰ সুযোগত নিগমত প্ৰৱেশ কৰা অনা-অংশীদাৰী লোক আৰু বহুতে বিয়া-বাৰু কৰাই বেলেগে থাকিবলৈ লোৱাত বৰ্তমান নিগমত আনুমানিকভাৱে ৮০০ ঘৰ মানুহে বসবাস কৰি আছে। ইয়াৰ ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হোৱাৰ কাৰণে ১৯৭৭ চনত ৩নং, ৪নং, আৰু ৫নং পূৰ্ব্বজ্যোতি প্ৰাথমিক বিদ্যালয়, ১৯৭৮ চনত ৬নং পূৰ্ব্বজ্যোতি প্ৰাথমিক বিদ্যালয়, ১৯৮৩ চন ৭নং, ৮নং, কুঁৱৰীগড় আৰু বিষ্ণুজ্যোতি প্ৰাথমিক বিদ্যালয় চাৰিখন, ১৯৮৫ চনত জ্ঞানজ্যোতি প্ৰাথমিক বিদ্যালয় আৰু ১৯৯২ চনত শান্তি-আশ্ৰম প্ৰাথমিক বিদ্যালয় স্থাপন কৰা হয়। বৰ্তমান এই বৃহৎ অঞ্চলটোত ওপৰোক্ত সৰ্ব্বমুঠ ১২ খন প্ৰাথমিক বিদ্যালয় থকাৰ উপৰিও এখন প্ৰাক্ প্ৰাথমিক বিদ্যালয়ত কণ কণ শিশুসকলক শিক্ষা প্ৰদান কৰি থকা হৈছে।

এই বিশাল অঞ্চলটোত প্ৰতিষ্ঠা কৰা চাৰিখন মাধ্যমিক বিদ্যালয়ৰ ভিতৰত প্ৰথমখন হৈছে পূৰ্বে উল্লিখিত পূৰ্ব্বজ্যোতি মধ্য ইংৰাজী বিদ্যালয়। এই বিদ্যালয়খন ১৯৮৫ চনত প্ৰাদেশিকীকৰণ হৈছে।

দ্বিতীয়খন হ'ল— মিলনজ্যোতি মধ্য ইংৰাজী বিদ্যালয়। এই বিদ্যালয়খন ১৯৮৫ চনত প্ৰতিষ্ঠা কৰা হয়। এই বিদ্যালয়খনো ইতিমধ্যে প্ৰাদেশিকীকৰণ হৈছে।

তৃতীয়খন হ'ল— পূৰ্ব্বজ্যোতি বালিকা মধ্য ইংৰাজী বিদ্যালয়। চতুৰ্থখন হ'ল— স্বৰ্গীয় বিষ্ণু বৰা মধ্য ইংৰাজী বিদ্যালয়। এই তৃতীয় আৰু চতুৰ্থখন মধ্য ইংৰাজী বিদ্যালয় বৰ্তমানেও প্ৰাদেশিকীকৰণ হোৱা নাই।

উচ্চ মাধ্যমিক শিক্ষাৰ বিস্তাৰৰ অৰ্থে ইতিমধ্যে দুখন উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰা হৈছে। ইয়াৰে প্ৰথমখন ১৯৮৪ চনতে প্ৰতিষ্ঠা কৰা "পূৰ্ব্বজ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়" আৰু এই বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আছিল শ্ৰীযুত দ্ৰোণ কাকতিদেৱ।

১৯৮৩ চনত সংঘটিত হোৱা প্ৰথম ভাতৃঘাটী সংঘৰ্ষৰ ফলত পূৰ্ব্বজ্যোতি কৃষিপাম নিগম আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলৰ জনসাধাৰণৰ মাজত হেৰাই যোৱা একতা আৰু শান্তি ঘূৰাই অনাত এই বিদ্যালয়খনৰ প্ৰতিষ্ঠাই উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল। কাৰণ চুবুৰীয়া বড়ো, দেউৰী, মিচিং আদি জনজাতিসকলৰ সৈতে লগলাগি নিগমবাসী ৰাজিয়ে যথেষ্ট কষ্ট আৰু ত্যাগৰ বিনিময়ত এই বিদ্যালয়খন স্থাপন কৰিছিল। উল্লেখ থাকে যে, নিগমবাসী ৰাইজ আৰু চুবুৰীয়া লোকসকলৰ সহযোগত স্থাপন কৰা এই বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি আছিল শ্ৰীযুত বদন চন্দ্ৰ নাৰ্জাৰীদেৱ। এই বিদ্যালয়খন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত যি অপৰিসীম কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছিল, সেয়া বিদ্যালয়খন প্ৰতিষ্ঠাৰ লগত জড়িত প্ৰত্যেক ব্যক্তিয়েই ভালদৰে অনুভৱ কৰিব পাৰে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক শ্ৰীযুত দ্ৰোণ কাকতিদেৱ আৰু সহঃ শিক্ষক শ্ৰীযুত থুলেশ্বৰ দাসদেৱ তথা প্ৰথম নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে দুই-এগৰাকী স্থানীয় উৎসাহী লোক লগ হৈ নিমগবাসী আৰু চুবুৰীয়া বড়ো গাঁৱৰ পৰা ঘৰে ঘৰে গৈ দান-বৰঙণি সংগ্ৰহ কৰাৰ লগতে নিগমৰ প্ৰত্যেক ঘৰ মানুহৰ পৰা এক টিঙকৈ ধান সংগ্ৰহ কৰাৰ কথা উক্ত প্ৰত্যেক ব্যক্তিৰে ভালদৰেই মনত আছে। এনেদৰে দান-বৰঙণি, ধান সংগ্ৰহ কৰোতে যি অপৰিসীম কষ্ট কৰিবলগীয়া হৈছিল তাক লক'লেও হ'ব। ইয়াৰ উপৰিও কাৰোবাৰ ঘৰৰ পৰা আকৌ উক্ত ছাত্ৰ-ছাত্ৰীসকলে নিজে ভৰিৰে ধান মাৰি আনিবলগীয়া হৈছিল। আনহাতে বিদ্যালয় ভৱন নিৰ্মাণত বাঁহ-কাঠৰ অভাৱ হোৱাত ছাত্ৰ আৰু শিক্ষক মিচিল কাষৰীয়া পাহাৰলৈ গৈ বাঁহ আৰু কাঠ সংগ্ৰহ কৰিবলগীয়া হৈছিল। এনেদৰে বাঁহ সংগ্ৰহ কৰোতে বিদ্যালয়খনৰ শিক্ষক শ্ৰীযুত থুলেশ্বৰ দাসদেৱ আৰু তিনিগৰাকী ছাত্ৰ (শ্ৰীচুচেন বৰুৱা, শ্ৰীনোমল গগৈ, শ্ৰীকোমেশ্বৰ বৰা) কথমপিহে মৃত্যুৰ হাত সাৰে। এই কথা প্ৰবন্ধকাৰে উক্ত ছাত্ৰকেইজনৰ পৰা জানিব পাৰিছো। সেয়ে এই উচ্চ মাধ্যমিক বিদ্যালয়খন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত কষ্ট স্বীকাৰ কৰা লোকসকলৰ ওচৰত নিগমবাসী ঋণী হৈ থাকিব।

নিগমত প্ৰতিস্থিত এই উচ্চ শিক্ষানুষ্ঠানটোৰ পৰা প্ৰতি বছৰে ভালেমান ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈ মহাবিদ্যালয়লৈ ওলাই যোৱাৰ উপৰিও কেবাগৰাকীও মেধাবী ছাত্ৰ-ছাত্ৰী বৰ্তমান বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি আছে। ১৯৮৪ চনত প্ৰতিষ্ঠা লগ্নৰে পৰা এই পিছপৰা অঞ্চলটিত স্থান বিলাই অহা পূৰ্ব্বজ্যোতি উচ্চ মাধ্যমিক বিদ্যলয়খনৰ অতীত অতি উজ্জ্বল। বৰ্তমান সেই গৌৰৱ অলপ হ'লেও ম্লান যেন অনুভৱ হয়। বিগত বছৰকেইটাত হাইস্কুল শেষান্ত পৰীক্ষাত এই বিদ্যালয়ৰ সফলতাৰ খতিয়ান তলত দাঙি ধৰা হ'ল।

নিয়মিতভাৱে অৱতীৰ্ণ হোৱা পৰীক্ষাৰ্থীৰ ক্ষেত্ৰত ঃ

| অৱতীৰ্ণৰ বছৰ | মুঠ পৰীক্ষাৰ্থী | মুঠ উত্তীৰ্ণ | উত্তীৰ্ণৰ শতকৰা হাৰ | বিভাগ |
|---|---|---|---|---|
| ১৯৮৬-৮৭ বৰ্ষ | ১৩ জন | ২ জন | ১৫.৪ শতাংশ | — |
| ১৯৮৭-৮৮ বৰ্ষ | ১৫ জন | ৬ জন | ৪০ শতাংশ | ৩ জনে দ্বিতীয় |
| ১৯৮৮-৮৯ বৰ্ষ | ২৩ জন | ১১ জন | ৪৭.৮ শতাংশ | ৩ জনে দ্বিতীয় |
| ১৯৮৯-৯০ বৰ্ষ | ২৩ জন্য | ৪ জন | ১৭.২ শতাংশ | ৩ জনে প্ৰথম সাঃ বিঃ এজনে লেটাৰ পায় |
| ১৯৯০-৯১ বৰ্ষ | ১৯ জন | ৫ জন | ২৬.৩ শতাংশ | এজনে দ্বিতীয় |
| ১৯৯১-৯২ বৰ্ষ | ২৪ জন | ৭ জন | ২৯.২ শতাংশ | এজনে প্ৰথম আৰু এজনে ২য় |
| ১৯৯২-৯৩ বৰ্ষ | ২৪ জন | ৪ জন | ১৬.৭ শতাংশ | এজনে দ্বিতীয় |

| | | | | |
|---|---|---|---|---|
| ১৯৯৩-৯৪ বৰ্ষ | ২১ জন | ৯ জন | ৪৩ শতাংশ | ৩ জনে দ্বিতীয় |
| ১৯৯৪-৯৫ বৰ্ষ | ২৭ জন | ১০ জন | ৩৭.৪ শতাংশ | — |
| ১৯৯৫-৯৬ বৰ্ষ | ২৪ জন | ৯ জন | ৩২.৪ শতাংশ | ৩ জনে দ্বিতীয় |
| ১৯৯৬-৯৭ বৰ্ষ | ৩৪ জন | ৪ জন | ১.৫ শতাংশ | ১ জনে দ্বিতীয় |

বিশেষ (Special) পৰীক্ষা দিয়া ঃ

| অৱতীৰ্ণৰ বছৰ | মুঠ পৰীক্ষাৰ্থী | মুঠ উত্তীৰ্ণ | উত্তীৰ্ণৰ শতকৰা হাৰ |
|---|---|---|---|
| ১৯৯০-৯১ বৰ্ষ | ১২ জন | ৫ জন | ৪১ শতাংশ |
| ১৯৯২-৯৩ বৰ্ষ | ৩৭ জন | ৩ জন | ৮.১ শতাংশ |
| ১৯৯৩-৯৪ বৰ্ষ | ২১ জন | ৯ জন | ৪২.৯ শতাংশ |
| ১৯৯৪-৯৫ বৰ্ষ | ২২ জন | ১০ জন | ৪৫.৫ শতাংশ |

নিগমবাসী ৰাইজৰ সামূহিক প্ৰচেষ্টাত জন্ম তথা বিকাশ হোৱা এই শিক্ষানুষ্ঠানটিৰ লগত প্ৰতিজন জ্ঞানান্বেষী ব্যক্তিৰ আশা-আকাংক্ষা, আবেগ-অনুভূতি জড়িত হৈ আছে। সেয়ে নিগমবাসী ৰাইজৰ হৈ অনুষ্ঠানটিৰ সুউজ্জ্বল ভৱিষ্যৎ কামনা কৰিছোঁ।

দ্বিতীয়খন উচ্চ মাধ্যমিক বিদ্যালয় হৈছে ১৯৯২ চনত প্ৰতিষ্ঠা কৰা "মিলনজ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়।" এই বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হ'ল শ্ৰীযুত ৰমেশ ভুঞাদেৱ।

দুবাৰকৈ অগ্নিদগ্ধ হোৱা পিছপৰা অঞ্চলটিৰ প্ৰাথমিক বিদ্যালয়সমূহৰ পৰা আৰম্ভ কৰি উচ্চ মাধ্যমিক বিদ্যালয়লৈকে লক্ষ্য কৰিলে দেখা যায় যে, তিনি-চাৰিখন প্ৰাদেশিকীকৰণ হোৱা বিদ্যালয়ৰ বাহিৰে বাকী প্ৰায়কেইখন বিদ্যালয়ৰে অৱস্থা অতি দুখ লগা। নিগমৰ অন্তৰ্গত বাৰখন প্ৰাথমিক বিদ্যালয়ৰ সাতখনৰ ইতিমধ্যে চৰকাৰীকৰণ হৈছে যদিও কেইখনমানৰ বৰ্তমানলৈকে কোনো স্থায়ী ভৱন নাই। চাৰিখন মধ্য ইংৰাজী বিদ্যালয়ৰ দুখন প্ৰাদেশিকীকৰণ হৈছে যদিও এখনৰো বৰ্তমানলৈকে স্থায়ী ভৱন নিৰ্মিত নহ'ল। আনহাতে পূৰ্ব্বজ্যোতি হাইস্কুলৰ বৰ্তমানো কোনো স্থায়ী ভৱন নাই। হাইস্কুলৰ বৰ্তমানে থকা অস্থায়ী গৃহ নিৰ্মাণৰ কাৰণে যিকেইটা খুটা সংগ্ৰহ কৰা হৈছিল তাৰ কাৰণে কৰিবলগীয়া কষ্টৰ ভাগ এই অভাজনেও পাইছিলো। প্ৰাকেইখন বিদ্যালয়ৰে স্থায়ী গৃহ নথকাত কেইটামান বাঁহৰ খুটাৰ ওপৰত খেৰৰ চালি দি বাঁহৰ ভগা বেৰৰ মাজত ছাত্ৰ-ছাত্ৰীক শিক্ষা দিব লগা হৈছে। আনফালে দুই-এখন বিদ্যালয়ৰ গৃহ নিৰ্মাণ অৰ্ধ সমাপ্ত হৈ পৰি থকা স্বত্তেও কৰ্তৃপক্ষই চকু নিদিয়াত অন্য ঠাইত শিক্ষাদান কৰিবলগীয়া হৈছে। ফলত ছাত্ৰ-ছাত্ৰীয়ে পাবলগীয়া সা-সুবিধাসমূহ পোৱা নাই। সেয়ে এনেক্ষেত্ৰত শিক্ষাৰ মানদণ্ড নিম্নগামী হোৱা স্বাভাৱিক। তদুপৰি আধুনিক কৃষি পদ্ধতিৰ জ্ঞানৰ অভাৱ আৰু প্ৰয়োজনীয় কৃষি সঁজুলি আৰু ৰাসায়নিক সাৰ আদিৰ অভাৱত নিগমবাসী কৃষক ৰাইজে নিজ ল'ৰা-ছোৱালীৰ পঢ়াৰ প্ৰয়োজনীয় সা-সুবিধা দিব পৰা নাই। ইয়াৰ মুখ্য কাৰণ অৰ্থৰ অভাৱ। কাৰণ আওপুৰণি কৃষি কৰ্মৰ দ্বাৰা মাত্ৰ ন বিঘা মাটিৰ খেতিৰে চাৰি-পাঁচজনীয়া এটি পৰিয়াল চলোৱাটো প্ৰায় অসম্ভৱ হৈছে। এইক্ষেত্ৰত যুগৰ লগত জনসাধাৰণক আগবঢ়াই নিব পৰাকৈ আমাৰ এই অঞ্চলটোৰ লোকসকলৰ বৈজ্ঞানিক মানসিকতাৰ অভাৱ। বৰ্তমান বিজ্ঞানৰ যুগত আমাৰ ইয়াত বিজ্ঞান শিক্ষাৰ অগ্ৰগতি হোৱা নাই বুলিয়েই ক'ব পাৰি। সেয়েহে সমূহ শিক্ষিত যুৱক-যুৱতী তথা জ্ঞানান্বেষী উৎসাহী লোকসকলৰ ওপৰত এটা গধুৰ দায়িত্ব আছে, সেয়া হ'ল— এই অঞ্চলটিত বিজ্ঞান শিক্ষাৰ প্ৰসাৰ কৰা।

প্ৰায় ৮০০ টা পৰিয়ালে বাস কৰা আমাৰ গাঁওখন শিক্ষাৰ ক্ষেত্ৰত অতি পিছ পৰি থকা নাই যদিও বৰ বেছি আগবাঢ়ি যোৱা বুলিও ক'ব নোৱাৰি। ইয়াত স্নাতকোত্তৰ ডিগ্ৰীধাৰী শিক্ষিত ব্যক্তি আছে চাৰিগৰাকী আৰু চাৰিগৰাকীমানে এই ডিগ্ৰী ল'বৰ বাবে অধ্যয়ন কৰি আছে। ইয়াৰ উপৰিও স্নাতক আছে প্ৰায় ৩০ জন, উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী আছে প্ৰায় ৪০০ জন। পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ প্ৰথম স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী লওতা শ্ৰীযুতা দৰ্পণা বৰা। তেখেতে বৰ্তমান উচ্চ চৰকাৰী পদবীত চাকৰি কৰি আছে। বৃহৎ জনসংখ্যাৰ কথা বাদ দিলে শিক্ষাৰ ক্ষেত্ৰত অগ্ৰগতি প্ৰশংসনীয়।

**বিগত পঁচিশ বছৰত নিগমৰ শিক্ষাৰ অগ্ৰগতিৰ খতিয়ানৰ এখন তালিকা প্ৰকাশ কৰা হ'ল (শিক্ষানুষ্ঠানৰ হিচাপত)**

| ক্ৰমিক নং | বিদ্যালয়ৰ নাম | প্ৰতিষ্ঠাৰ চন | প্ৰতিষ্ঠাপক প্ৰধান | মন্তব্য |
|---|---|---|---|---|
| ১ | ১ নং পূৰ্ব্বজ্যোতি প্ৰাথমিক বিদ্যালয় | ১৯৭৩ | শ্ৰীযুত টঙ্ক নেওগ | প্ৰাদেশিকৃত |
| ২ | ২ নং পূৰ্ব্বজ্যোতি প্ৰাথমিক বিদ্যালয় | ১৯৭৪ | শ্ৰীযুত মুহিধৰ বৰা | প্ৰাদেশিকৃত |
| ৩ | ৩ নং পূৰ্ব্বজ্যোতি প্ৰাথমিক বিদ্যালয় | ১৯৭৭ | শ্ৰীযুত অৰুণ মুদৈ | প্ৰাদেশিকৃত |
| ৪ | ৪ নং পূৰ্ব্বজ্যোতি প্ৰাথমিক বিদ্যালয় | ১৯৭৭ | শ্ৰীযুত গিৰিধৰ হাজৰিকা | প্ৰাদেশিকৃত |

OKDISCD

| | | | | |
|---|---|---|---|---|
| ৫ | ৫ পূৰ্ব্বজ্যোতি প্ৰাথমিক বিদ্যালয় | ১৯৭৭ | শ্ৰীযুত ৰত্নেশ্বৰ গগৈ | প্ৰাদেশিকৃত |
| ৬ | ৬ পূৰ্ব্বজ্যোতি প্ৰাথমিক বিদ্যালয় | ১৯৭৮ | শ্ৰীযুত বীণা হাজৰিকা | প্ৰাদেশিকৃত |
| ৭ | ৭ পূৰ্ব্বজ্যোতি প্ৰাথমিক বিদ্যালয় | ১৯৮৩ | শ্ৰীযুত ভবেন বৰা | বেচৰকাৰী |
| ৮ | ৮ পূৰ্ব্বজ্যোতি প্ৰাথমিক বিদ্যালয় | ১৯৮৩ | শ্ৰীযুত থানুৰাম ভূঞা | প্ৰাদেশিকৃত |
| ৯ | কুঁৱৰীগড় প্ৰাথমিক বিদ্যালয় | ১৯৮৩ | শ্ৰীযুত উমানন্দ গগৈ | বেচৰকাৰী |
| ১০ | বিষ্ণুজ্যোতি প্ৰাথমিক বিদ্যালয় | ১৯৮৩ | শ্ৰীযুত পোৱাল গগৈ | বেচৰকাৰী |
| ১১ | জ্ঞানজ্যোতি প্ৰাথমিক বিদ্যালয় | ১৯৮৫ | শ্ৰীযুত বদন চাংমাই | বেচৰকাৰী |
| ১২ | শান্তি আশ্ৰম | ১৯৯২ | শ্ৰীযুত খগেন বনিয়া | বেচৰকাৰী |
| ১৩ | পূৰ্ব্বজ্যোতি মধ্য ইংৰাজী বিদ্যালয় | ১৯৭৪ | শ্ৰীযুত নৃপেন্দ্ৰ কুমাৰ দে | প্ৰাদেশিকৃত |
| ১৪ | মিলনজ্যোতি মধ্য ইংৰাজী বিদ্যালয় | ১৯৮৫ | শ্ৰীযুত ধনিৰাম বৰুৱা | প্ৰাদেশিকৃত |
| ১৫ | পূৰ্ব্বজ্যোতি মধ্য ইংৰাজী বিদ্যালয় | ১৯৮৮ | শ্ৰীযুত জীৱন ৰায় | বেচৰকাৰী |
| ১৬ | স্বৰ্গীয় বিষ্ণু বৰা মধ্য ইংৰাজী বিদ্যালয় | ১৯৯০ | শ্ৰীযুত কোষেশ্বৰ বৰা | বেচৰকাৰী |
| ১৭ | পূৰ্ব্বজ্যোতি হাইস্কুল | ১৯৮৪ | শ্ৰীযুত দ্ৰোণ কাকতি | প্ৰাদেশিকৃত |
| ১৮ | মিলনজ্যোতি হাইস্কুল | ১৯৯২ | শ্ৰীযুত ৰমেশ ভূঞা | বেচৰকাৰী |

বৰ্তমান শৈক্ষিক দিশত অনগ্ৰসৰতাৰ কাৰণ বিশ্লেষণ কৰিলে দেখা যায় যে, আৰ্থিক দুৰৱস্থা, সুস্থ পৰিবেশৰ অভাৱ, অভিভাৱকৰ দায়িত্বহীনতা, উপযুক্ত শিক্ষকৰ অভাৱ, যাতায়তৰ দুৰৱস্থা আদিয়েই প্ৰধান। কিন্তু সেয়ে হ'লেও বিগত ২৫ বছৰত আমাৰ গাঁওখন শিক্ষাৰ ক্ষেত্ৰত কিছু আগবাঢ়ি গৈছে বুলি ক'ব পাৰি। বহুকেইজন ব্যক্তিৰ আশাসুধীয়া প্ৰচেষ্টা, অদম্য সাহস আৰু উজ্জ্বল ব্যক্তিত্বৰ বাবে পৰৱৰ্তী পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলে নিজকে ভৱিষ্যতে উপযুক্ত নাগৰিক হিচাপে গঢ়ি তোলাৰ উপযুক্ত পৰিবেশ এটা লাভ কৰিছে। সেয়ে, এই সুযোগতে তেখেতসৱৰ ওচৰত আন্তৰিক প্ৰণিপাত জনাইছোঁ।

# বিশ্বৰ গৰাকী যেন তোমাৰ নাম

**শিশুৰাম শইকীয়া**

*নামত বিশ্ব ব্যাপী*
*কামত সুৱাগ চ'ৰা*
*তুমিয়েই নেকি বাৰু*
*বিষ্ণু বৰা!*
*তোমাৰ কৰ্মৰ*
*অপূৰ্ব লীলা*
*বিচাৰি পালা তুমি*
*দীন-হীন নিচলা।*
*ভূমিহীন লোকৰ*
*জীৱন সত্তা বিচাৰি*
*চলালা সংগ্ৰাম তুমি*
*ৰজা ঘৰক লাগি।*
*শোণিতপুৰ জিলাৰ*
*পূব প্ৰান্তৰ*
*ভুবিয়া ৰেল ষ্টেচনৰ*
*উত্তৰ খণ্ডত*
*অটব্য জংঘলেৰে ভৰা*
*হিংস্ৰ বন্য পশুৰ আবাস*
*এক নিৰ্দিষ্ট ভূখণ্ডত*
*তৰিলা কৃষিপাম নিগম।*
*আন্ধাৰৰ কাইটীয়া*
*হেঙাৰ গৰকি*
*দিলা সংস্থাপন*
*সহস্ৰজনৰ।*
*নিচলা হৃদয়ৰ*
*মিচিকিয়া হাঁহি*
*নিতৌ কৰ্মব্যস্ত*
*গতানুগতিক*
*শস্যৰ শ্যামলাত*
*প্ৰতিজনৰে অন্ন*
*বিচাৰি পাইছে জীৱনৰ*
*ন-আশাৰ অন্যান্য।*

# ৰূপালী জয়ন্তী উপলক্ষে কেইটামান প্ৰশ্নৰ উত্তৰ বিচাৰি আমি বিভিন্নজনৰ ওচৰ চাপিছিলো

## তলত সেই প্ৰশ্নসমূহ আৰু উত্তৰৰ যথাযথ বিৱৰণ দাঙি ধৰা হ'ল।

**প্ৰশ্নসমূহ ঃ**

সম্পাদক, স্মৃতিগ্ৰন্থ

- *১ নং প্ৰশ্ন ঃ কেনে পৰিস্থিতিত আৰু কাৰ অনুগ্ৰহত আপুনি নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰিলে?*
- *২ নং প্ৰশ্ন ঃ নিগমৰ অংশীদাৰী স্বত্বাধিকাৰ লাভ কৰি আপুনি সুখী হৈছেনে?*
- *৩ নং প্ৰশ্ন ঃ আপোনাৰ জীৱনৰ স্মৰণীয় এটি ঘটনাৰ কথা ক'ব নেকি?*
- *৪ নং প্ৰশ্ন ঃ নিগমৰ ভৱিষ্যৎ সম্পৰ্কে আপোনাৰ মন্তব্য কেনে ধৰণৰ?*

**উত্তৰসমূহ ঃ**

**শ্ৰীনবীন সন্দিকৈ, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।**

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** মই ১৯৫৩ চনৰ পৰা গহপুৰ মৌজাৰ ডুবিয়া দ গাঁৱত বাস কৰিছিলোঁ। ইয়াৰ আগতে ধনশিৰী নদীৰ পাৰত ফৰেষ্ট ৰিজাৰ্ভত বেদখল কৰি হাৰাশাস্তি ভুগিলো। ডুবিয়া পায়েই সেই অঞ্চলৰ ৪০ জনমান ভূমিহীন কৃষকৰ লগ হৈ বনাঞ্চলত মাটি বেদখল কৰিছিলোঁ। প্ৰথমে আচামী হৈ জৰিমনাও ভৰিলো। ইয়াৰ আগতেও লক্ষীমপুৰ, গোসাইবাৰী আদি ঠাইত মাটি বেদখল কৰি জৰিমনা ভৰাৰ লগতে বেমাৰ-আজাৰতো বহু কষ্ট ভোগ কৰিছিলোঁ। ১৯৭১ চনৰ শেষ ভাগত ৰিজাৰ্ভ বেদখল কৰা ৰাইজৰ লগত সহযোগ কৰি হাবি কাটি মাটি মোকোলাই বহা সাজিছিলো। শ্ৰীনন্দ বৰাৰ লগত বহুদিনৰে পৰা চিনাকি। ১৯৫৪ চনতে সমাজবাদী কৃষক সভা এখনত প্ৰথম দেখা সাক্ষাৎ হৈছিলো। অৱশেষত এই বৰাদেৱ আৰু প্ৰয়াত বিষ্ণু বৰাদেৱৰ অনুগ্ৰহত নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰিলো।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** ভূমিহীন অৱস্থাত মাটি বিচাৰি অনাই-বনাই ঘূৰি ফুৰাৰ পিছত ন বিঘাৰ অংশ লাভ কৰি বৰ্তমান পৰমেশ্বৰৰ কৃপাত সুখী বুলিয়েই ভাবো।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** স্মৰণীয় ঘটনা বহুতেই মনত আছে। তথাপি নিগমৰ প্ৰথম অৱস্থাতে মেলেৰীয়াৰ প্ৰকোপৰ কথা, ভাতৰ অভাৱত আলু-কচু খাই জীৱন ধাৰণ কৰাৰ কথা আজিও মনত আছে। তথাপি ১৯৮৩ আৰু ১৯৮৯ চনৰ ভাতৃঘাতী সংঘৰ্ষত পোৱা কষ্টৰ কথা জীৱনত পাহৰিব নোৱাৰো।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** নিগমৰ ভৱিষ্যতৰ আশা ক্ষীণেই দেখা যায়।

**শ্ৰীভোলা গগৈ, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।**

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯৬৯ চনত নাৰায়ণপুৰৰ সক্ৰাহী গাঁৱত বহা কৃষক সভাত প্ৰথম কৃষি শ্ৰমিকৰ সদস্য পদত ভৰ্তি হওঁ। তাৰ পিছত স্বৰ্গীয় বিষ্ণু বৰাদেউ, শ্ৰীযুত নন্দ বৰা, শ্ৰীযুত নৃপেন কুমাৰ দে, শ্ৰীযুত ভৱ শইকীয়া, স্বৰ্গীয় ৰেৱ বৰা- তেখেতসকলৰ লগত মোৰ পৰিচয় হয় আৰু বিভিন্ন মেল-মিটিঙত যোগদান কৰি সেই চনতে উত্তৰ লক্ষীমপুৰলৈ গৈ উপায়ুক্তৰ কাৰ্যালয় ঘেৰাও কৰা কাৰ্যসূচীত ভাগ লওঁ। তাৰ পিছতে ৰঙতিত নিগম সম্পৰ্কত আলোচনা কৰি আমি কেইজনমানে সেই সময়ৰ অসমৰ ৰাজধানী চিলঙলৈ যাওঁ। এনেকৈ আমি কামত আগবাঢ়ি গৈ আছো। মই চাইকেল চলাব নজনা হেতু আন এজন চাইকেল চলাব নজনা বন্ধু স্বৰ্গীয় মাঘিৰাম গগৈৰ লগত খোজকাঢ়ি নাৰায়ণপুৰ এলেকাৰ বহু ঠাইত সভা-সমিতিত যোগ দিওঁ। এনেকৈয়ে ১৯৭২ চনৰ শেষলৈ গহপুৰ বনাঞ্চলত বেলিৰ পোহৰ নপৰা অতব্য হাবি ভাঙি মাটি মোকোলাই সৰিয়হ খেতিৰে নিগমত বসতি কৰিবলৈ লওঁ আৰু শ্ৰীযুত নন্দ বৰাদেৱৰ অনুগ্ৰহত নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰো।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** নিগমত সোমোৱাৰ পৰা মোৰ কোনো দুখ হোৱা নাই। মাজে সময়ে কিছুমান অসুবিধা হৈছে যদিও বিশেষ অসুবিধা হৈছে ৰাস্তা-পদূলিৰ, খোৱাপানীৰ, ডাক্তৰৰ আৰু বিজুলী চাকি আদি ব্যৱস্থাবিলাকৰ। তাৰ বাহিৰে মই সুখতে আছো বুলিব পাৰি।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** মোৰ জীৱনৰ স্মৰণীয় ঘটনা এটাই নহয়। নিগমত সোমোৱাৰ লগে লগে বনৰীয়া হাতী, বাঘ, ভালুক আৰু মেলেৰীয়া ৰোগৰ লগত যুদ্ধ কৰি শেষত একেলগৰ ৩৬ জন লোকক হেৰুৱালো। ইয়াৰ পিছতে ১৯৮৩ আৰু ১৯৮৯ চনৰ ঘটনাবিলাকেই অতি স্মৰণীয় ঘটনা।

OKDISCD

৪ নং প্ৰশ্নৰ উত্তৰ ঃ  নিগমৰ ভৱিষ্যৎ সম্পৰ্কত মোৰ বৰকৈ ক'বলগীয়া তেনে ধৰণৰ বিশেষ নাই। কিয়নো আমি যি পৰিস্থিতিৰে নিগমলৈ আহিলো, এতিয়া উঠি অহা ল'ৰা-ছোৱালীৰ বাবে সাধুকথা যেনহে হ'ব। হ'লেও ই চিৰসত্য ঘটনা। বৰ্তমানৰ ডেকা-গাভৰু, ল'ৰা-ছোৱালীবিলাকে যদি আমাৰ গঠনমূলক নীতি-আদৰ্শবোৰ অনুসৰণ কৰি একতা হৈ থাকে, নিগমৰ ভৱিষ্যৎ উন্নতি হ'ব। শিক্ষা-দীক্ষাৰ ব্যৱস্থাও হৈছে যেতিয়া পঢ়ি-শুনি ডাঙৰ মানুহ হ'ব, চাকৰিয়াল হ'ব। তেওঁলোকেই পিছলৈ ভৱিষ্যৎ নিগমৰ উজ্জ্বল পথৰ সন্ধান দিব।

শ্ৰীনন্দেশ্বৰ দাস, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৫০ চনৰ ভূমিকম্পত হোৱা বানপানীৰ ফলত আমি দিশহাৰা হৈ অনেক জ্বালা-যন্ত্ৰণাৰ মাজেদি এডোখৰ ভূমি বিচাৰি শেষত নাৰায়ণপুৰ অঞ্চলৰ জখৰীয়া গাঁৱত থিতাপি লওঁ। বহুদিন লোকৰ ঘৰে ঘৰে কাম কৰি চাকৰ-নাকৰ কৰি পেট-ভাত উলিয়াই কোনোমতে জীয়াই আছিলো। এনেতে স্বৰ্গীয় বিষ্ণু বৰাদেৱ আৰু বহুতো ৰাইজে একত্ৰিত হৈ ওঁগুৰি ৰিজাৰ্ভত মাটি ভাঙিবলৈ আন্দোলন চলিল। ফলত বেদখল কাৰ্য কৰিলো। পিছত সৈন্যবাহিনীৰ হাতত মাৰ-কিলো খালো। পুনৰ স্বৰ্গীয় বিষ্ণু বৰা দেৱ, শ্ৰীযুত ভৱ শইকীয়া, শ্ৰীযুত নন্দ বৰা, স্বৰ্গীয় ৰেৱ বৰা, শ্ৰীযুত শম্ভু নাথ, শ্ৰীযুত কীৰ্তি বনিয়া, নাৰায়ণ ভূঞা, স্বৰ্গীয় মৰিয়া দাস (মোৰ ককাইদেউ), কাতিৰাম দাসকে আদি কৰি বহু ৰাইজ একত্ৰিত হৈ পুনৰ আন্দোলন আৰম্ভ হ'ল। নিখিল ভাৰত কমিউনিষ্ট দলেও ভূমিহীনক মাটি দিয়াৰ দাবী জনাই চৰকাৰক স্মৰক-পত্ৰ দিলে। শেষত সেই সময়ৰ মুখ্যমন্ত্ৰী শ্ৰীযুত শৰৎচন্দ্ৰ সিংহদেৱে দাবী মঞ্জুৰ কৰি ক'লে—"আপোনালোক যাওক, য'তে মাটি পছন্দ হয় তাতে মাটি বিতৰণ দিয়া হ'ব।" সময়ত তাকেই হ'ল। স্বৰ্গীয় বিষ্ণু বৰাদেৱৰ নেতৃত্বত ৫০০০ (পাঁচ হাজাৰ) বিঘা মাটিৰে নিগম প্ৰতিষ্ঠা হ'ল আৰু স্বৰ্গীয় বৰাদেৱৰ অনুগ্ৰহতে ন বিঘা মাটিৰ ভূমি দান পালো।

২ নং প্ৰশ্নৰ উত্তৰ ঃ আমাৰ যিহেতু ভূৱনত ভেটিয়েই নাছিল, তেনেস্থলত ন বিঘা মাটিৰ গৰাকী হ'লো, ইয়াতকৈ আৰু কিবা সুখ লাগেনে? কিন্তু নিগম প্ৰতিষ্ঠাৰ আঁচনিবোৰ নোহোৱাত সৰহীয়া পৰিয়াল লৈ টকা-পইচাৰ অভাৱত জীৱিকাৰ ক্ষেত্ৰত বৰ সুখী হ'ব পৰা নাই। তথাপিতো দিনৰ দিনটো কাম-বন কৰি ৰাতিটোৰ বাবে আশ্ৰয়কণ পালো। তাকে লৈ দুখৰ মাজতে সুখ পাই আছো।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ এনেয়ে টকা-পইচা নোহোৱা মানুহ, তাতে আকৌ আন্দোলনকাৰী বুলি জেইল খাটিব লগাত পৰিছিলো। ভয়ত কৰ নাই; ভাগ্যে সাৰিলো। কিন্তু মোৰ ককাইদেউ স্বৰ্গীয় মৰিয়া দাসে ২ দিন, শ্ৰীকাতিৰাম দাসে কেইদিনমান জেইল খাটিলে। আন বিলাবোৰত আমি সকলোৱে একে ফল পাইছো। মোৰ বাবে জেইল খটাৰ পৰা হাত সৰাতো বেছি মনত থকা ঘটনা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নিগম প্ৰতিষ্ঠা কৰোতে চৰকাৰৰ যিবোৰ আঁচনিৰ কথা শুনিছিলো, সেইবোৰ হ'লে আগলৈ নিগমৰ উন্নতি হ'ব বুলি ভাব হৈছিল। ৰাস্তা-পদূলি, হাস্পতাল, খোৱাপানীৰ ভাল সুবিধা, শিক্ষা আদি হ'লে ৰাইজৰ যথেষ্ট উপকাৰ হ'ব। কিন্তু সকলো ৰাইজ ভাই-ককাইৰ নিচিনাকৈ মিলিজুলি থাকিলেহে উন্নতি হ'ব। আন এটা কথা হ'ল, নিগমৰ বেছিকৈ থকা মাটিবিলাকত কৰা খেতি-বাতিবিলাকৰ টকা-পইচাবিলাকৰ হিচাপবিলাকো নিগমৰ অংশীদাৰসকলে মাজে সময়ে পাই থাকিলে ভাল।

শ্ৰীযুত নৰেশ্বৰ শইকীয়া, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম (প্ৰাক্তন সদস্য, সঞ্চালক মণ্ডলী)।

১ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতবৰ্ষৰ মুক্তি আন্দোলনৰ অন্যতম যুঁজাৰু আজীৱন সমাজকৰ্মী স্বৰ্গীয় বিষ্ণু বৰাৰ নেতৃত্বত ১৯৭২ চনত শ্ৰীযুত ভৱ শইকীয়া, শ্ৰীযুত নন্দ বৰা, শ্ৰীযুত নৃপেন কুমাৰ দে, স্বৰ্গীয় ৰেৱ বৰা, শ্ৰীঅৰুণ শইকীয়া, শ্ৰীযুত অম্বু শইকীয়া প্ৰমুখ্যে নেতাসকলৰ অক্লান্ত চেষ্টাত সেই সময়ৰ মুখ্যমন্ত্ৰী মাননীয় শ্ৰীযুত শৰৎচন্দ্ৰ সিংহদেৱে নিগম আইন গৃহীত কৰাত স্বৰ্গীয় বিষ্ণু বৰাৰ সহযোগী শ্ৰীযুত নন্দ বৰাদেৱৰ পৰামৰ্শ মতে মই ওপৰোক্ত চনৰ তিনি মাঘত পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰিলোঁ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অংশীদাৰী স্বত্ব লাভ কৰি সামগ্ৰীকভাৱে সুখী হোৱা নাই বুলি ক'ব নোৱাৰোঁ। কিন্তু অংশীদাৰী স্বত্ব লোৱাৰ সময়ত মই যি স্বপ্ন দেখিছিলো স্বৰ্গীয় বৰাদেৱ আৰু সিংহদেৱে বনজ সম্পদৰ ক্ষতিসাধন কৰি হ'লেও পূৰ্ব্বজ্যোতি কৃষিপাম নিগম যি উদ্দেশ্য আৰু লক্ষ্য আগত ৰাখি সংগঠিত কৰা হৈছিল, সেই উদ্দেশ্য আৰু লক্ষ্যত উপনীত হ'ব নোৱাৰাত মোৰ স্বপ্ন স্বপ্ন হৈয়েই ৰ'ল। অসমৰ বিভিন্ন ঠাইত সিচৰতি হৈ থকা ভূমিহীন কৃষকক সংগঠিত কৰি বৈজ্ঞানিক পদ্ধতিৰে কৃষি কৰি সেউজ বিপ্লৱ অনাৰ পৰিৱৰ্তে আজি ২৫ বছৰে আমি আওপুৰণি পদ্ধতিৰেই কৃষি কৰি আছো। এডৰা মাটিত আমি তিনিটা খেতি কৰিব নাজানো। অসম কৃষি বিভাগ নিগমৰ চালিকা শক্তি হোৱা স্বত্বেও উন্নত বৈজ্ঞানিক পদ্ধতিৰ কৃষিৰ ক্ষেত্ৰত কৰিব লগা পৰীক্ষা-নিৰীক্ষা নকৰাৰ ফলত কোনো সেউজ বিপ্লৱ অহা নাই আৰু মোৰ লগতে নিগমবাসী আৰ্থিকভাৱে সবল হ'ব পৰা নাই। মই অত্যন্ত সুখী হৈছো এই কাৰণেই যে, নিগমৰ নবীন প্ৰজন্মই শিক্ষাৰ ক্ষেত্ৰত কিছু উন্নতি কৰিছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মোৰ জীৱনৰ বহুতো স্মৰণীয় ঘটনা আছে যদিও নিগমীয়া জীৱনৰ পাহৰিব নোৱাৰা স্মৃতি এটিকে উল্লেখ কৰিলো। মানৱ সেৱাত জীৱন উছৰ্গা কৰা স্বৰ্গীয় বিষ্ণু বৰাদেৱ কংগ্ৰেছ চৰকাৰৰ দিনত কংগ্ৰেছৰ অগ্ৰণী কৰ্মী হৈও দৰিদ্ৰ, ভূমিহীন কৃষকৰ সুহৃদ

OKDISCD

হিচাপে ত্যাগী দৰিদ্ৰ জীৱন কটাই আমাৰ প্ৰতিবেশী হৈ আছিল। সেইগৰাকী মহান পুৰুষ ১৯৮১ চনত এক মটৰ দুৰ্ঘটনাত গুৱাহাটীত স্বৰ্গগামী হ'ব লগা হয়। অনাকাংক্ষিত তেনে এটা ঘটনাই মোৰ হৃদয়ত এনে এক আঘাত দিলে যে, যাক মই ভাষাৰে প্ৰকাশ কৰিব নোৱাৰো। তেওঁৰ প্ৰতিটো কাম, প্ৰতিটো মুহূৰ্ত মোৰ স্মৃতিত আজিও সজীৱ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ কৃষিপাম নিগমৰ আঁচনি বাস্তৱায়িত কৰাত চৰকাৰ তথা কৃষি বিভাগ ব্যৰ্থ হোৱাত পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ সৰহ সংখ্যক কৃষকে দিনক দিনে আৰ্থিকভাৱে দুৰ্বল হৈ পৰি সৰ্বশেষত অংশীদাৰী স্বত্ব অৰ্থৰ বিনিময়ত হস্তান্তৰ কৰিবলৈ লৈছে। যদি এনেদৰে চলি থাকে তেনেহলে অচিৰে নিগম ধনী কৃষকৰ উপনিবেশ স্বৰূপ হৈ পৰিব। গতিকে চৰকাৰে কৃষিনীতি যথাযথভাৱে ৰূপায়ণ কৰি নিগমত সেউজ বিপ্লৱ সফল কৰি তুলিব লাগে। অন্যথা নিগমৰ প্ৰকৃত অংশীদাৰ আৰু তেওঁলোকৰ উত্তৰাধিকাৰীৰ নামত ৰাজহ বিভাগৰ দ্বাৰা স্থায়ী পট্টনৰ ব্যৱস্থা কৰিব লাগে।

**শ্ৰীকুশৰাম ভূঞা, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।**

১ নং প্ৰশ্নৰ উত্তৰ ঃ আমাৰ পূৰ্বপুৰুষসকল মাজুলীৰ আছিল। ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত মাটি-ভেটি যাহ যোৱাত মিকিৰ বৰাচুক গাঁৱত মোৰ বৰদেউতাৰ মাটিত ঘৰ সাজি কোনোমতে এসাজ খাই এসাজ নাখাই জীৱন-যাপন কৰিছিলো। তেনে সময়ত কমিউনিষ্ট পাৰ্টিৰ সহযোগত স্বৰ্গীয় বিষ্ণু বৰাদেৱৰ অনুগ্ৰহত নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰিলো।

২ নং প্ৰশ্নৰ উত্তৰ ঃঃ মাটি-ভেটিহীন লোক হিচাপে ন বিঘা অংশৰ মাটি পাই দুসাজ খাই-বৈ থাকিবলৈ পাইছো যেতিয়া প্ৰায় সুখী বুলিয়েই ক'ব পাৰি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৮৩ আৰু ১৯৮৯— এই দুই বছৰত আমাৰ ঘৰ-দুৱাৰ জুইয়ে পুৰি ভষ্মীভূত কৰাত সৰ্বশ্ৰান্ত হৈ পৰিলো। এই দুটা মোৰ জীৱনৰ স্মৰণীয় ঘটনা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নিগমৰ যিখন আঁচনি সেই মতে কাম হোৱাতো বিচাৰো। যদি চৰকাৰে এইক্ষেত্ৰত আগবাঢ়ি আহি কাম নকৰে তেনেহলে এনেদৰে থকাতকৈ মাটিৰ পট্টন দিলেই ভাল হয়।

**শ্ৰীতুলসী ভূঞা, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম (সদস্য, সঞ্চালক মণ্ডলী)।**

১ নং প্ৰশ্নৰ উত্তৰ ঃ নিগম প্ৰতিষ্ঠাৰ আগতে মই শোণিতপুৰ জিলাৰ (অবিভক্ত দৰং জিলাৰ) গহপুৰ মৌজাৰ অন্তৰ্গত মাজিকুছি গাঁৱত আছিলো। নিজা মাটি নথকাত মাটিৰ সন্ধানত দিহিঙে-দিপাঙে ঘূৰি ফুৰিছিলো। তেনে সময়তে লক্ষীমপুৰ জিলাৰ স্বৰ্গীয় বিষ্ণু বৰা আৰু নন্দ বৰাদেৱে ভূমিহীন কৃষকক লৈ গহপুৰ বনাঞ্চলত কৃষিপাম নিগম খোলাৰ যত্ন কৰিছে বুলি গম পালো। তেতিয়া মই বিষ্ণু বৰা আৰু নন্দ বৰাদেৱক শিমলুগুৰিৰ নামঘৰত হোৱা এখন ৰাজহুৱা সভাত লগ ধৰো আৰু সেই সভাত যোগদান কৰো। সেই দিনাই নিগম খোলাৰ সন্দৰ্ভত এটি সেৱা দল গঠন কৰা হয়। উক্ত সেৱা দলত ময়ো এজন সদস্য হিচাপে সকলো কাৰ্যসূচীতে অংশগ্ৰহণ কৰো। গণক দলনীৰ শ্ৰীতৰুণ বৰা আৰু লগতে শ্ৰীতুলসী বৰাই আমাক প্ৰশিক্ষণ দিয়ে। ২১ (একৈশ) দিন মই সেৱা দলৰ প্ৰশিক্ষণ লৈছিলো। নিগম আইন কাৰ্যত ৰূপ দিয়াৰ বাবে চৰকাৰক সন্মত কৰাবলৈ গৈ দিছপুৰৰ জনতা ভৱনৰ সন্মুখত অনশন কৰিছিলো। মোৰ লগত আছিল প্ৰয়াত বিষ্ণু বৰাদেৱ, শ্ৰীভৱ শইকীয়া, স্বৰ্গীয় ৰেৱ বৰা, শ্ৰীনৃপেন কুমাৰ দে আৰু অম্বু শইকীয়া এইসকল ব্যক্তি। অৱশেষত নিগম আইন গৃহীত হোৱাত পূৰ্ব্বজ্যোতি কৃষিপাম নিগম প্ৰতিষ্ঠা হয় আৰু স্বৰ্গীয় বিষ্ণু বৰাদেৱ আৰু শ্ৰী নন্দ বৰাদেৱে মোক অংশীদাৰী স্বত্ব অৰ্পণ কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ এক বিঘা বাৰীমাটি আৰু আঠ বিঘা খেতিৰ মাটিৰ অংশীদাৰী স্বত্ব পাইছো যেতিয়া আৰু দুবেলা দুমুঠি খাই-বৈ জীৱন-ধাৰণৰ উপায় লাভ কৰিবলৈ সক্ষম হ'লো যেতিয়া সুখী বুলিয়েই ক'ব পাৰো।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭৩ চনৰ কথা। পুৰণা নিগমত শালনী পথাৰ বুলি এটুকুৰা ঠাই আছিল। শ্ৰীনন্দ বৰা, শ্ৰীনৃপেন্দ্ৰ কুমাৰ দে, শ্ৰীভৱ শইকীয়া আৰু শ্ৰীনৰেশ্বৰ শইকীয়া, স্বৰ্গীয় ভদ্ৰকান্ত বৰা, কমল দুৱৰা— এই কেইজনৰ নেতৃত্বত সেই ঠাইত সমবায় ভিত্তিত খেতি কৰা হৈছিল। বনৰীয়া হাতী খেদি শস্য ৰক্ষা কৰিবলৈ কেইবাজনো মানুহক লৈ একোটাকৈ গোট গঠন কৰা হৈছিল। সেই সময়ত স্বৰ্গীয় সাদৰী দত্তৰ এটা প্ৰকাণ্ড ম'হ আছিল। শিংযোৰ বৰ দীঘল। হাতীয়ে বৰ ভয় কৰে। সেইবাবে স্বৰ্গীয় সাদৰী দত্তক লগত লৈ ম'হৰ পিঠিত উঠি যাও । এদিন তেনেকৈ যাওঁতে (লগত পুতুল বৰাও আছিল) হাতীৰ পাছে পাছ এটা প্ৰকাণ্ড বাঘ আহি আছিল। ম'হে বাঘৰ গোন্ধ পাই দৌৰ মাৰিলে। আমি ম'হৰ পিঠিৰ পৰা বাগৰি পৰিলো। তাৰ পিছত কোনোমতে পথাৰ পৰা উঠি দৌৰ মাৰিলো ঘৰ অভিমুখে। বাঘ পিছে পিছে আহি আছিল। আহি আহি স্বৰ্গীয় লেকাই কাকতিৰ বাৰীত সোমাল। ৰাতি ১১-০০ মান বজাত স্বৰ্গীয় লেকাই মোহাৰ ল'ৰা শ্ৰীদ্ৰোণ কাকতি শুই থকা ঘৰটোৰ তৰাৰ বেৰ বাঘে ফালি বিন্ধা উলিয়াই মূৰৰ শিতানতে শব্দ কৰাত হুলস্থূল লগাই দিয়ে। বাঘে নিচেই কাষতে থকা সৰ্বেশ্বৰ দুৱৰাৰ গোহালিৰ পৰা এটা শকত-আবত দমৰা গৰু মাৰি চোচোৰাই টানি থকা অৱস্থাতে আমি সকলোৱে চিঞৰ-বাখৰ কৰো আৰু বাঘে মৰা গৰু এৰি থৈ গুচি যায়। এইটো

OKDISCD

ঘটনা মোৰ বাবে পাহৰিব নোৱাৰা ঘটনা।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** নতুন চামে যদি নিগমৰ উন্নয়নৰ কাৰণে সমূহীয়াভাৱে চেষ্টা চলায়, তেন্তে উন্নতি অনিবাৰ্য। নিগমৰ ভৱিষ্যতৰ উত্তৰ নতুন চামৰ ওপৰতহে।

শ্ৰীবাপুতি চ'ৰা, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** পূৰ্ব্বতে আমি মাটিহীন অৱস্থাত আছিলো আৰু লোকৰ বাৰীৰ চুকে-কোণে সৰু সৰু পঁজা সাজি কোনোমতে ৰ'দ-বৰষুণৰ পৰা ৰক্ষা পাই বহু দুখ আৰু অভাৱত দিন অতিবাহিত কৰিছিলো। তেনেতে লক্ষীমপুৰ জিলাৰ শিমলুগুৰি খৃষ্টান গাঁৱৰ গণ্য-মান্য ব্যক্তি মাননীয় স্বৰ্গীয় এলি চ'ৰাদেৱৰ যোগে নিগম খোলাৰ বাতৰি পাই মাননীয় শ্ৰীনন্দ বৰাদেৱৰ সহযোগত স্বৰ্গীয় বিষ্ণু বৰাদেৱৰ অনুগ্ৰহত নিগমৰ অংশীদাৰী স্বত্বাধিকাৰ লাভ কৰিলো।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰি দুবাৰ অগ্নি সংযোগত লগতে হোৱা সংঘৰ্ষৰ ফলত যদিও সৰ্বশ্ৰান্ত হৈছিলো বৰ্তমান শান্তিৰ বাতাবৰণ পুনৰাই ঘূৰি অহাত এতিয়া প্ৰায় সুখী।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯৮৩ আৰু ১৯৮৯ চনৰ দুৰ্ভাগ্যজনক অগ্নিদাহ ঘটনাৰ বাদে বিশেষ তেনে স্মৰণীয় ঘটনা মোৰ মনত নপৰে।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** চৰকাৰৰ পঞ্জীয়নভুক্ত উন্নত পদ্ধতিৰ আঁচনি ৰূপায়ণ হ'লে, নিগমৰ তিনি তৰপীয়া কৃষি কাৰ্য হ'লে অংশীদাৰ তথা নিগমৰ বাসিন্দাসকলৰ উন্নতি হ'ব। অৱশ্যে পট্টাৰ ব্যৱস্থা কৰিলেও বেয়া নহ'ব, যদিহে নিগমৰ আইন মতে কাম কৰিবলৈ চৰকাৰ আগবাঢ়ি নাহে।

শ্ৰীকীৰ্তি বনিয়া, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** মোৰ ক'ব লগা বহু কথা আছে যদিও থোৰতে ক'ব বিচাৰিছো। মই বহুদিন বহুকাল ভূমিহীন হৈ অনাই-বনাই ঘূৰি ফুৰি শেষত নিখিল ভাৰত কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত দেশজুৰি কৃষি শ্ৰমিক আন্দোলন আৰম্ভ হয়। অসমতো কৃষি-শ্ৰমিক আন্দোলন আৰম্ভ হয়। দৰং জিলাৰ (অবিভক্ত) গহপুৰ এলেকাৰ আৰু লক্ষীমপুৰ জিলাৰ ভূমিহীন সংগ্ৰামী লোক একত্ৰিত হৈ এই আন্দোলন চলাইছিল। আন্দোলনৰ গুৰি ধৰিছিল, বিষ্ণু বৰা, ফণী বৰা আৰু তেওঁলোকৰ সতীৰ্থবৃন্দই। এই অভাজনেও আন্দোলনত সক্ৰিয়ভাৱে যোগ দিওঁ। স্বৰ্গীয় বৰাদেৱৰ লগত ভূমিহীনৰ বাবে মাটিৰ আৱন্তন বিচাৰি চিলঙলৈ গৈছিলো। এনেদ্ৰৰই সংগ্ৰামৰ মাজেদিয়েই স্বৰ্গীয় বৰাদেৱৰ চেষ্টাতে নিগমৰ অংশীদাৰী হৈ মাটি অধিকাৰ কৰিবলৈ পাওঁ।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** বহু দুখৰ মাজত কাল কটাই ন বিঘা মাটি পাই অত্যন্ত সুখী হৈছো। কিন্তু চৰকাৰী আঁচনিবোৰ নোহোৱাতহে দুখ পালো।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** মোৰ স্মৰণীয় ঘটনা বহুতো। তাৰে ভিতৰত এটা মাত্ৰ উল্লেখ কৰিলোঁ— ভূমিহীন কৃষি-শ্ৰমিকৰ বাবে মাটি বিচাৰি স্মাৰক-পত্ৰ দিবৰ বাবে ৰাজধানী চিলঙলৈ গৈছিলো স্বৰ্গীয় বিষ্ণু বৰাদেৱৰ লগত। সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী মহেন্দ্ৰমোহন চৌধুৰীদেৱে কৈছিল—"আপোনালোকক মাটি লাগে, যাওঁক ভাৰ-পাচি লৈ আহকগৈ।" মুখ্যমন্ত্ৰীৰ এনে বক্তব্যত আমি ইজনে সিজনৰ মুখলৈ চাইছিলোঁ আৰু মনত অত্যন্ত দুখ পাইছিলোঁ। মোৰ জীৱনত ইয়াতকৈ আৰু ডাঙৰ ঘটনা একো নাই।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** নিগমৰ আঁচনিবোৰ হৈ নুঠিল যেতিয়া দুখে-কষ্টই খেতি কৰি খাবই লাগিব। গতিকে মাটিকণৰ পট্টা হোৱাটোকে কামনা কৰিলোঁ। কাৰণ মাটি পট্টা হ'লে বিজুলী বাতি, ৰাস্তা-ঘাট, খোৱাপানী, অন্যান্য চৰকাৰী সা-সুবিধা হয়; ওচৰে-পাজৰে তাকে দেখা পাইছোঁ।

শ্ৰীনাৰায়ণ ভূঞা, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ প্ৰতিষ্ঠাৰ প্ৰাক্‌কালত আমাৰ ঘৰ লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰ অঞ্চলৰ বেলগুৰি সত্ৰৰ কাষতে আছিল। মই সৰু গৃহ এটি সাজি লোকৰ ঘৰৰ মৰগীয়া হালোৱা হিচাপে অতি কষ্টৰ মাজত জীৱন অতিবাহিত কৰিছিলো। ১৯৬৮ চনত নাৰায়ণপুৰৰ পানবাৰী অঞ্চলৰ সেই সময়ৰ নিবাসী নিগমৰ জনক স্বৰ্গীয় বিষ্ণু বৰাৰ নেতৃত্বত নিগম প্ৰতিষ্ঠাৰ বাবে সভা-সমিতি পাতি চৰকাৰৰ লগত যোগাযোগ কৰি গণ সংগঠন কৰা হয়। পিছত মই আৰু জখৰীয়া গাঁৱৰ সকলো লোক স্বৰ্গীয় বিষ্ণু বৰাদেৱৰ অনুগ্ৰহত এই নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰি সংস্থাপিত হওঁ।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** অংশীদাৰ হোৱাৰ মাজেদি সামাজিক আৰু ৰাজনৈতিকভাৱে বিভিন্ন সময়ত সমস্যা আৰু সংঘাতত ভুগিছো যদিও মই প্ৰকৃততে সুখী হৈছো। কাৰণ মৰিলে পুতিবলৈ ঠাই নোহোৱা এজন লোকে এই নিগমৰ মাজেদি ন বিঘা মাটিত খেতি কৰা স্বত্ব পালো আৰু স্থায়ীভাৱে এটি ভেটি পালো যাৰ ফলত আজি ২৫ বছৰকাল দুবেলা দুমুঠি খাই-বৈ মানুহ হিচাপে জীয়াই থকাৰ উপৰিও পাঁচটি ল'ৰা-ছোৱালীৰ শিক্ষা আহৰণৰ সুবিধাকণ দিব পাৰিছো। সেয়ে মই সুখী বুলিয়েই ভাৱো।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** মোৰ জীৱনৰ বহুতো স্মৰণীয় ঘটনা আছে যদিও তাৰ ভিতৰত দুটামান তলত উল্লেখ কৰিলো।

যোৱা ১৯৭৩ চনত (আনুমানিক) এদিন নিগম কাৰ্যালয়ৰ বাবে যাৱতীয় নথি-পত্ৰ আৰু প্ৰায় এক লাখ টকা লৈ নিগমৰ জীপ গাড়ীৰে লক্ষীমপুৰৰ শিলমুগুৰিৰ পৰা আহি থকা অৱস্থাত চেঁচা নদীৰ মাজৰ



OKDISCD

বালিত গাড়ীখন সোমাই যোৱাত সেই ঠাইতে কাৰ্যালয়ৰ কৰ্মকৰ্তাসকলে এৰি আহে। মই আৰু নিগমৰ শ্ৰীতুলসী ভূঞা আৰু লগতে চালক তিনিওজন এনেকুৱা এটা পৰিস্থিতিত পৰিলো যাক আজিও পাহৰিব পৰা নাই। শেষত পুনৰ নিগমৰ পৰা ৰাতিৰ ভিতৰতে বলড্ৰেজাৰ আনি তাৰ সহায়ত উক্ত গাড়ী আৰু টকা উদ্ধাৰ কৰিহে নিগমলৈ অনা হয়। মোৰ বাবে ই এটা স্মৰণীয় দিন।

১৯৭৪ চনত নিগম তেতিয়া ৰাজগড় আলিৰ কাষত আছিল। সেই সময়ত তাত মেলেৰীয়াৰ আক্ৰমণত নিগমবাসী ৰাইজ জৰ্জৰিত। তেনে অৱস্থাত গুজলাই নামৰ এজন মহাজনৰ হাতী এটা লৈ মই হাতীৰ মাউত হিচাপে উঠি নিগমৰ শ্ৰীনন্দ বৰাদেৱক লগত লৈ জংঘলৰ মাজেদি ডুবিয়া দগাঁৱৰ মেলেৰীয়া বিভাগৰ চিকিৎসকসকলৰ ওচৰলৈ আহিছিলো। ডুবিয়াৰ শ্ৰীডিম্বেশ্বৰ বৰুৱাৰ ঘৰৰ কাষৰ এটা দ খালত শ্ৰীযুত বৰা টুলুপকৈ সৰি পৰাত মই বিস্মিত হৈ ৰ'লো। অলপ সময়ৰ পাছত পানীৰ তলৰ পৰা ওলাই আহি নিজেই বামত উঠে। যদি সেই খালটোত কাঁইট জাতীয় জেং আদি থাকিলেহেঁতেন, নন্দ বৰা বোলা মানুহজন আজি আৰু নাথাকিলেহেঁতেন।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নিগমখনিৰ সকলো দিশতে উন্নতি সাধিবলৈ হ'লে ইয়াৰ আঁচনিসমূহ কাৰ্যকৰী কৰিব লাগিব অথবা নিগমৰ উন্নতি সীমাবদ্ধ। যদি নিগম কৰ্তৃপক্ষই এইক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিব নোখোজে, তেতিয়া হ'লে মাটিৰ পট্টনৰ ব্যৱস্থা কৰিলেই ভাল হ'ব বুলি ভাবিছো। বৈজ্ঞানিক পদ্ধতিত খেতি কৰিলেহে কৃষকে এমুঠি পেট ভৰাই খাবলৈ পাব।

**শ্ৰীসূৰ্য দাস, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।**

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** চৰকাৰী চাকৰি এৰি পিছত এজন ভূমিহীন হিচাপে অন্ন-বস্ত্ৰৰ সমস্যাত পৰিছিলো আৰু সেই সমস্যা সমাধান কৰিবলৈকে সেই সময়ত বিধায়ীকা শ্ৰীযুতা স্বৰ্ণলতা মহন্ত আৰু বিশ্বনাথ চাৰিআলিৰ বৰেণ্য ব্যক্তি ডাঃ কোমেশ্বৰ বৰাদেৱৰ ওচৰ চাপিছিলো। তেখেতসকলৰ কৃপাত মাননীয় বিশেষ বিষয়া মঃ হুছেইন চাহাবৰ প্ৰচেষ্টাত স্বৰ্গীয় বৰাদেৱৰ অনুগ্ৰহত জামুগুৰিহাটৰ একমাত্ৰ মই নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰিলো।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** স্মৰণীয় ঘটনাৰ ভিতৰত জীৱনত নেদেখা এটি বৃহৎ অজগৰ সাপ মাৰি পেটত এটা পহু পোৱাৰ উপৰিও অন্য এটি ৰহস্যজনক ঘটনা প্ৰকাশ কৰিব খুজিছোঁ— নিকিনি খোৱাৰ ঘটনা।

পুৰণি নিগমত তেতিয়া অটব্য অৰণ্য হৈয়েই আছে। বলড্ৰেজাৰেৰে মাত্ৰ ৰাস্তা উলিয়াইছে। ৰাস্তাৰ উত্তৰে নিগমৰ অংশীদাৰ শ্ৰীনাগুৱা ভূঞাই পৰিয়ালসহ বহা পাতিছে। ৰাস্তাৰ দক্ষিণত অংশীদাৰ শ্ৰীসভাৰাম বৰাৰ বহা। তেখেতৰ হাতত এটি খাজা বন্দুক আছিল। মোৰ বহা প্ৰায় চাৰি তাৰমান নিলগত। শ্ৰীভূঞাই গৰু বন্ধা ছালিত গৰুহাল বান্ধি খাই-বৈ শুইছেহে মাত্ৰ। এনেতে গোহালিত গৰুৰ দপ্দপনি শুনি শ্ৰীভূঞা ওলাই আহি দেখে গৰু তিনিটা। কাৰ গৰু আহিল বুলি দুৱাৰৰ দাংডাল হাতত লৈ ওলাই আহে তিনি নম্বৰ গৰুটো খেদিবলৈ। চাকিৰ পোহৰত আহি দেখে আচল গৰুটোৱেই; মানে এটা প্ৰকাণ্ড ঢেকীয়াপতীয়া বাঘ, যিটোৱে তেওঁৰ গৰু এটা মাৰিবলৈ টনা-আজোৰা কৰিছে। লগে লগে চিঞৰিবলৈ ধৰিলে— "নিকিনি খোৱাই খালে ঐ।" মই আৰু সভাৰাম বৰাই আগবাঢ়ি গ'লো। শ্ৰীবৰাই খাজা বন্দুকৰ গুলী ফুটালে। গৰু ৰক্ষা পৰিল। আমিও প্ৰাণৰ আশঙ্কাত ঘৰলৈ ঘূৰি আহিলো।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নিমগৰ ভৱিষ্যৎ সম্পৰ্কত ইয়াকে ভাবিছো যে, নিগম পদ্ধতি খেতিয়কৰ জীয়াই থকাৰ এক উমৈহতীয়া প্ৰচেষ্টা। বৰ্তমান নিগমৰ বেদখলীৰ অৱস্থালৈ চাই অনুমান হৈছে যে, অংশীদাৰৰ পৰিয়ালৰ ভৱিষ্যৎ একেবাৰেই নাই। সেয়ে নিগম আঁচনি বলবৎ নহ'ল যেতিয়া ৰাজহৰ ব্যৱস্থা প্ৰবৰ্তন কৰাই ভাল বুলি ভাবিছো। চৰকাৰেৰো এক অৰ্থ উপাৰ্জনৰ ব্যৱস্থা হ'ব। অৱশ্যে বৃত্তিমুখী শিক্ষাৰ বিশেষ প্ৰয়োজনীয়তাও অনুভৱ কৰিছো।

**শ্ৰীকমল চন্দ্ৰ ভূঞা, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।**

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** মই কলাবাৰীৰ কলিতা গাঁৱৰ এজন ভূমিহীন লোক আছিলো। যৌথ পৰিয়াল হিচাপে যেনে-তেনে খাই-বৈ আছিলো যদিও পৰিয়াল বিভক্ত হোৱাত জীৱন-ধাৰণৰ অন্য কোনো পথ নথকাত পৰিয়াল পোহ-পাল দিয়াতো বৰ কষ্টকৰ হৈছিল। ঠিক এনে এটা সময়তে ১৯৭২ চনত গহপুৰ বনাঞ্চলৰ ঔগুৰি ৰিজাৰ্ভত আমাৰেই সম্পৰ্কীয় স্বৰ্গীয় বিষ্ণু বৰাদেৱৰ নেতৃত্বত লক্ষীমপুৰীয়া ৰাইজে হাবি-জংঘল কটাৰ কথা জানিব পাৰো। এই কাৰ্যত আমাৰ অঞ্চলৰ মিকিৰ বৰাচুকৰ কিছু লোকেও যোগ দিয়ে। ইতিমধ্যে কলাবাৰীৰ নেতৃস্থানীয় লোকসকলৰ লগত যোগাযোগ কৰি জানিব পাৰিলো যে গহপুৰ বনাঞ্চলত ভূমিহীন কৃষকসকলক লৈ "পূৰ্ব্বজ্যোতি কৃষিপাম নিগম" নামেৰে সংস্থা এটিয়ে ভূমিহীন কৃষকসকলক সংস্থাপন দিব। তেতিয়া এই নিগমৰে সঞ্চালক বোৰ্ডৰ সদস্য স্বৰ্গীয় নোমল চন্দ্ৰ ভূঞাদেৱে আমাক এই নিগমৰ অংশীদাৰভুক্ত কৰে।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** সুখ-দুখ মানুহৰ জীৱনৰ লগৰীয়া। যিখিনি আশা আগত ৰাখি নিগমলৈ আহিছিলো, এতিয়া তাৰ সম্পূৰ্ণ বিপৰীত। প্ৰথম অৱস্থাত জানিব পাৰিছিলো নিগমত বাৰ বিঘা মাটি দিব, উন্নত প্ৰণালীত খেতি হ'ব, পানী যোগান আঁচনি লোৱা হ'ব আৰু বছৰত তিনিটাকৈ খেতি কৰাৰ ব্যৱস্থা হ'ব। বৰ্তমান এই ৰূপালী

OKDISCD

জয়ন্তীবৰ্ষলৈকে সেই সুবিধাসমূহ পোৱা নহ'ল। যা হওক, মানসিকভাৱে কিছু সুখী হৈছো যদিও আৰ্থিক দিশটো টনকীয়াল নোহোৱাত সিমান সুখী হ'ব পৰা নাই।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৮১ চনৰ কথা। তাৰিখটো ঠিক মনত নাই। সন্ধ্যাৰ বাতৰিত শুনিবলৈ পালো বিষ্ণু বৰাৰ গুৱাহাটীত মটৰ দুৰ্ঘটনাত মৃত্যু হ'ল। পুৱা মৃতকৰ ঘৰত খবৰ লৈ জানিলো যে, কথাটো সত্য। তেতিয়া শ্ৰীমান দেৱব্ৰত বৰা আৰু তেওঁৰ মামা বুলু আৰু গহপুৰৰ গোলাপ হাজৰিকাসহ এখন টেক্সীত উঠি গুৱাহাটীলৈ বুলি যাত্ৰা কৰো। সন্ধ্যা ছয়মান বজাত তেজপুৰ কংগ্ৰেছ অফিচ পাওঁ আৰু ফোনযোগে খবৰ কৰা হয়। গুৱাহাটীৰ প্ৰদেশ কংগ্ৰেছ অফিচৰ পৰা আমাক জনায় যে, দুই-তিনিখন গাড়ীৰে স্বৰ্গীয় বৰাৰ শৱদেহ লৈ গৈ আছে। তেজপুৰৰ পৰাই তেতিয়া আমি ঘৰমুৱা হ'লো। পুৱা ৪-৫ মান বজাত বৰাৰ ঘৰ পাই দেখো যে বহুতো মানুহ ঘৰত অপেক্ষা কৰি আছে। ১০০০ ৰো অধিক মানুহে দাহন কাৰ্য শেষ কৰি আবেলি চাৰিমান বজাত ঘৰাঘৰি যায়গৈ। নিগমৰ জন্মদাতা এই স্বৰ্গীয় বৰাদেৱৰ এনে ধৰণৰ করুণ মৃত্যুৰ ঘটনা মোৰ এটা স্মৰণীয় দিন হৈ ৰ'ল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আৰম্ভণিৰে পৰা নিগমৰ বাসিন্দাসকলে বিভিন্ন নিৰ্যাতন ভোগ কৰি আহিও বৰ্তমান পৰ্যায়ত উপনীত হোৱালৈ চাই উত্তৰ পুৰুষে যদি আৰু প্ৰচেষ্টা চলায় নিগমৰ আৰু উন্নতি হ'ব বুলি আশা কৰিব পাৰি।

**শ্ৰীযুত চন্দ্ৰেশ্বৰ হাজৰিকা, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।**

১ নং প্ৰশ্নৰ উত্তৰ ঃ মোৰ ঘৰ পূৰ্ব্বতে লক্ষীমপুৰ জিলাৰ ধলপুৰ অঞ্চলত আছিল। মাটি-ভেটি নাই, লোকৰ ঘৰত দিন হাজিৰা কৰি যেনে-তেনে পৰিয়াল পুহিছিলো। সেই সময়ত ভাৰতীয় কমিউনিষ্ট দলৰ যোগে ভূমি দখল আন্দোলনৰ কৰ্মী হওঁ আৰু ইয়াৰ দ্বাৰাই ১৯৭৩ চনত নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰিলো।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ধনী লোকৰ বাৰী চুকত থাকি লোকৰ ঘৰত হাজিৰা কৰি খাইছিলো। নিগমৰ ন বিঘাৰ অংশ পাই স্বাধীনভাৱে দুবেলা দুমুঠি খাবলৈ পাইছো যেতিয়া যথেষ্ট সুখী বুলিয়েই ভাবো।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মোৰ স্মৰণীয় ঘটনা বুলি ক'লেতো বহুতো ঘটনাই আছে। তথাপি ১৯৮৩ আৰু ১৯৮৯ চনৰ ভ্ৰাতৃঘাতী সংঘৰ্ষৰ ফলত ভোগ কৰা জ্বালা-যান্ত্ৰণাখিনি মই কেতিয়াও পাহৰিব নোৱাৰো।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰথম অৱস্থাত নিগমৰ বাসিন্দাসকলৰ মাজত যি আন্তৰিকতা, শ্ৰদ্ধা, একতা আদি দেখা গৈছিল, সেইবোৰ ক্ৰমে ক্ৰমে লোপ পাই আহিছে। সেয়েহে দেশৰ ধৰণীস্বৰূপ উঠি অহা চামটোৱে এইক্ষেত্ৰত ত্যাগ আগবঢ়ালে নিগমখনৰ যথেষ্ট উন্নতি হ'ব।

**শ্ৰীৰমণী বৰা, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।**

১ নং প্ৰশ্নৰ উত্তৰ ঃ মই এজন ভূমিহীন লোক আছিলো। ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ পৰামৰ্শ আৰু মোৰ প্ৰিয়জন শ্ৰীযুত নোমল বৰাৰ সহযোগত নিগমৰ প্ৰতিস্থাপক স্বৰ্গীয় বিষ্ণু বৰাদেৱৰ অনুগ্ৰহত নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰিলো।

২ নং প্ৰশ্নৰ উত্তৰ ঃ হয়, মই বৰ সুখী বুলিয়েই ভাবো। কাৰণ অতীতৰ ঘৰুৱা পৰিস্থিতিত মই টিকিব নোৱাৰি নিগমৰ অংশীদাৰ হৈহে মোৰ পৰিয়াল পোহ-পালন দিবলৈ সক্ষম হ'লো।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ প্ৰথম স্থানত যেতিয়া আছিলো, মোৰ ঘৰৰ সন্মুখতে থকা শ্ৰীনাগুৱা ভূঞাৰ গোহালিৰ পৰা বৰবাঘে গৰু লৈ গৈছিল। চিঞৰ শুনি দৌৰি গৈ বাঘৰ মুখতে পৰিছিলো। ভাগ্য ভাল, বাঘটোৱে গৰুটোক লৈয়েই ব্যস্ত আছিল। গৰুটো বাঘ নিবলৈ টনা-আজোৰা কৰাৰ বাবেহে মোৰ প্ৰাণ বাচিল।

আৰু এদিনৰ কথা। মই আহু খেতি ৰখিবৰ কাৰণে টঙিঘৰ সাজি লৈছিলো। শ্ৰীপদ্মেশ্বৰ বৰাও মোৰ লগতে সেইদিনা সন্ধিয়া টঙিত উঠিল। হাতী আহিল, জোৰ দেখুৱাই চিঞৰ-বাখৰ কৰোতেই নেকি মোৰ মাত ভাগিল, চিঞৰিব নোৱাৰা হ'লো। বৰ বৰষুণ। হাতীও নোযোৱা হ'ল। প্ৰায় এঘণ্টামান সময়। জুইশলাও নজ্বলা হ'ল। ইফালে আন্ধাৰ ৰাতি। টৰ্চলাইটটোও খুন্দা খোৱাত নজ্বলা হ'ল। কপি কপি বহি থাকিলো। এনেতে হাতী যোৱা গম পাই যেনে-তেনে চুঁচৰি নামিলো। জাৰত খোজকাঢ়িব নোৱাৰি। যেনে-তেনে থৰক-বৰককৈ ঘৰ পালোহি। শ্ৰীবলো বৰদলৈয়ে জুই ধৰি তেল-তুল ঘঁহি সেক-পুতক দিয়াতহে মাত ওলাল। সিও মোৰ বাবে এটি স্মৰণীয় দিন।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আমি যদি কৰ্মপটু নহও, তেন্তে আমাৰ ভৱিষ্যৎ উজ্জ্বল নহয়। কাৰণ দেশীয় ব্যৱস্থাত দেউলীয়া হৈ তেনে অভাৱ-অভিযোগ জোৰা মাৰিব নোৱাৰিলে সৰ্বশ্ৰান্ত হোৱাৰ বাদে আন উপায় নাই। এনে অৱস্থাৰ পৰিবৰ্তন হ'ব লাগিব। বহুজনে অভাৱৰ হেঁচাত নিগমৰ পৰা আঁতৰি গ'ল। নতুন নতুন মধ্যভোগী লোকে গৰীৱক প্ৰলোভন দি মাটি-বাৰী কিনাত লাগিছে। তাৰ বাধা স্বৰূপে আমি প্ৰত্যেকেই একোজন কৰ্মী হ'ব লাগিব।

**শ্ৰীদশৰথ ৰয়, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।**

১ নং প্ৰশ্নৰ উত্তৰ ঃ নিগমলৈ অহাৰ আগতে লক্ষীমপুৰ জিলাৰ ২ নং তাঁতিবাহাৰ পিছলাপাৰ গাঁৰ নিবাসী শ্ৰীযুত দেউৰাম বৰাৰ মাটিত, বাৰীৰ এটা কোণত বসবাস কৰি আছিলো। ভূমিহীন হ'লেও মোৰ কাঠৰ আৰু পকা কাম কৰিব পৰা বৃত্তিটো আছিল বুলিয়েহে জীৱিকা

OKDISCD

পাৰিছিলো। তেনে পৰিস্থিতিৰেই দিন গৈ আছে। এনেতে কৃষি শ্ৰমিকসকলৰ আন্দোলন আৰম্ভ হ'ল আৰু আন্দোলনত আমিও যোগদান কৰিলো। পিছত স্বৰ্গীয় বিষ্ণু বৰা, স্বৰ্গীয় ৰেৱ বৰা আৰু শ্ৰীযুত ভৱ শইকীয়াদেৱৰ অনুগ্ৰহত নিগমৰ অংশীদাৰ হিচাপে স্বীকৃতি পাই আমি সন্তোষ লভিলো।

২ নং প্ৰশ্নৰ উত্তৰ ঃ যিহেতু আশ্ৰয় বুলিবলৈ এটুকুৰা ভূমিয়েই নাছিল, মাটিখিনি পাই মই আৰু মোৰ পৰিয়ালে অতিশয় আনন্দিত হৈছিলো। কিন্তু নিগম প্ৰতিষ্ঠাকালৰ আঁচনিবোৰৰ মতে কাম নোহোৱাত আমি বৰ দুখ পাইছো।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মোৰ বিশেষ স্মৰণীয় ঘটনা তেনে কোনো নাই। দুবাৰকৈ হোৱা অগ্নিকাণ্ডই কষ্টেৰে ঘটা ধনৰ অপূৰণীয় যি ক্ষতি কৰিলে সেয়ে জীৱনত মনত থাকি গৈছে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নিগমৰ ভৱিষ্যৎ উন্নতি হ'বলৈ হ'লে সকলো নিগমবাসী কামত আগবাঢ়ি আহিব লাগিব। আনহাতে নিগমৰ আঁচনিবোৰ কামত নলগোৱাৰ বাবে নিগম পিছপৰি আছে। আঁচনি মতে কাম হোৱাটোহে মই বিচাৰো।

**শ্ৰীভদ্ৰেশ্বৰ গগৈ, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।**

১ নং প্ৰশ্নৰ উত্তৰ ঃ মই যেতিয়া উত্তৰ লক্ষীমপুৰ জিলাৰ শিমলুগুৰি অঞ্চলৰ বহুপথাৰৰ বাসিন্দা আছিলো তেতিয়া স্বৰ্গীয় বিষ্ণু বৰা, শ্ৰীযুত নন্দ বৰাদেৱৰ আহ্বানত আমাৰ ধলপুৰ অঞ্চলৰ ভূমিহীন জনসাধাৰণৰ এখন ৰাজহুৱা সভা নিগম প্ৰতিষ্ঠা সম্পৰ্কত এখন মিটিং হয়। এই মিটিঙত মই উপস্থিত আছিলো। অনুমানিক ১৯৭০ চনত হ'ব মিটিং বহা সময়। তাৰ পিছত শ্ৰীযুত নৃপেন্দ্ৰ কুমাৰ দে, শ্ৰীযুত ভৱ শইকীয়া, স্বৰ্গীয় ৰেৱ বৰাদেৱৰ লগত চিনাকি হয়। এনেকৈয়ে বিভিন্ন সভা-সমিতিত মই উপস্থিত থাকো। ১৯৭২ চনৰ শেষ ভাগত গহপুৰ বনাঞ্চলত প্ৰথমে হাবি ভঙা হয়। শেষত শ্ৰীযুত নন্দ বৰাদেৱৰ অনুগ্ৰহত নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰো।

২ নং প্ৰশ্নৰ উত্তৰ ঃ নিগমৰ অংশীদাৰ হিচাপে মই বৰ্তমান সম্পূৰ্ণ সুখী। যিহেতু আগতে মই লোকৰ ওপৰত নিৰ্ভৰ কৰিছিলো। কিন্তু বৰ্তমান মই নিজৰ উপাৰ্জনত চলি আছো আৰু আনকো সহায় কৰিবলৈ সক্ষম হৈছো।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মোৰ জীৱনৰ স্মৰণীয় ঘটনা কেবাটাও। তাৰ ভিতৰত ১৯৭৪ চনত বাৰিষা মোৰ পৰিবাৰে শিমলুগুৰিত আহুধান কাটি আহোতে নিগম পোৱাত প্ৰায় সন্ধ্যা লাগিল (তেতিয়া পুৰণা নিগম) সেইদিনা এটা প্ৰকাণ্ড বাঘৰ মুখৰ পৰা কথমপিহে ৰক্ষা পৰে। অন্য এটা ১৯৭৫ চনত নতুন নিগমত মোৰ ডাঙৰ পুত্ৰৰ কিড়নিত পাথৰ জমা হোৱাত গুৱাহাটী মেডিকেল কলেজৰ পৰা চিকিৎসা কৰি (অপাৰেচন কৰা হয়) ঘূৰাই অনাৰ পাছতো অকালতে ঘৰত মৃত্যুমুখত পৰে। এয়াই মোৰ স্মৰণীয় ঘটনা।

**শ্ৰীনিৰ্মল বৰা, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।**

১ নং প্ৰশ্নৰ উত্তৰ ঃ মই ১৯৬৯ চনৰে পৰা ভূমিহীনক মাটি বিতৰণ কৰা দাবীত বহা বিভিন্ন সভা-সমিতিবিলাকত এজন কৃষি-শ্ৰমিক হিচাপে যোগদান কৰি আহিছো। মোৰ লগতে মিকিৰ বৰাচুকৰ সভাৰাম বৰাইও যোগদান কৰিছিল। ভূমিহীনক মাটি দিয়াৰ দাবীত নিখিল ভাৰত কমিউনিষ্ট পাৰ্টিৰ ফালৰ পৰাও দিয়া হৈছিল তীব্ৰ হেঁচা চৰকাৰৰ ওচৰত। অৱশেষত সেই সময়ৰ মুখ্যমন্ত্ৰী শৰৎচন্দ্ৰ সিংহদেৱে পাৰ্টিৰ দাবী মানে ল'লে আৰু নিগম প্ৰতিষ্ঠা কৰিলে। নিগম প্ৰতিষ্ঠাৰ লগে লগে ভূমিহীন লোকৰ সংস্থাপন দিওঁতা স্বৰ্গীয় বিষ্ণু বৰাদেৱৰ অনুগ্ৰহত কলাবাৰী এলেকাৰ মুখ্য ব্যক্তি স্বৰ্গীয় নোমল চন্দ্ৰ ভূঞাদেৱৰ কৃপাত এই নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰিলো।

২ নং প্ৰশ্নৰ উত্তৰ ঃ নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰি প্ৰথমতে সুখী হৈছিলো, কাৰণ ভূমিহীনৰ ঠাইত ন বিঘা মাটিৰ অংশীদাৰ হ'লো। আনহাতে দুখী হ'লো যে নিগম প্ৰতিষ্ঠাতে চৰকাৰে ন বিঘা মাটিত বৈজ্ঞানিক পদ্ধতিৰে বছেৰেকত তিনিটা খেতি কৰাৰ যি আঁচনি তৈয়াৰ কৰিছিল সেই আঁচনি মতে কাম নকৰিলে যাৰ কাৰণে আমি আৰ্থিকভাৱে স্বচ্ছল হ'ব নোৱাৰিলো।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মোৰ জীৱনৰ স্মৰণীয় ঘটনা হ'ল নিগম সোমোৱাৰে পৰা ঘটা ঘটনাসমূহ বিশেষকৈ ৰাতি বনৰীয়া হিংস্ৰ জন্তুৰ আক্ৰমণ, বিষাক্ত ম'হৰ কামোৰত হোৱা মেলেৰীয়া ৰোগ, ঘৰ-দুৱাৰ ভাঙি পেলোৱাৰ পিছত গছৰডালত ৰাতি কটোৱা দিনবোৰ আদি।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ পূৰ্ব্বজ্যোতি নিগমৰ ভৱিষ্যৎ সম্পৰ্কত ইয়াকেই ক'ব বিচাৰিছো যে, নিগম প্ৰতিষ্ঠাতেই দৰং জিলাৰ মুঠ ১৫০ ঘৰ মানুহৰ বাবে নিগম কৰ্তৃপক্ষই সংস্থাপনৰ অনুমোদন যদিও আজিও ৩০ ঘৰ মানুহ বাকী থাকিল আৰু উক্ত ভূমিহীন লোকক পুনৰ সংস্থাপন দিয়াৰ আশা থাকিল। শেষত, উঠি অহা যুৱক-যুৱতীসকলে যাতে নিজকে ভালদৰে গঢ় দি নিগমৰ সুনাম অৰ্জন কৰে সেয়ে মোৰ আশা। যদি এই আশা পূৰণ হয় আমি সকলো নিগমবাসীয়েই সুখী হ'ম।

**শ্ৰীমিহিৰাম বৰা, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।**

১ নং প্ৰশ্নৰ উত্তৰ ঃ নিগমলৈ অহাৰ আগৰ অৱস্থাত বহু দুখ-কষ্টৰ মাজেদি কালযাপন কৰিছিলো। কালক্ৰমত ঘৰুৱা দুৰৱস্থাৰ কাৰণে সকলো বাদ দি লোকৰ ঘৰত চাকৰ-নাকৰ কৰি দিন নিয়াই সাংসাৰিক হ'লো। গৃহ সংসাৰ কৰি দহোটাৰ পিতৃ হৈ বহু কষ্টেৰে দিন অতিবাহিত কৰিছিলো। তেনে অৱস্থাতে নিগমে খোলাৰ কথাগম পালো। পিচত সেই সময়ৰ কলাবাৰী হাইস্কুলৰ প্ৰধানশিক্ষক স্বৰ্গীয় নোমল ভূঞাদেৱৰ ওচৰত ভূমিহীন বুলি অংশীদাৰ স্বত্ব পাবলৈ খাটনি ধৰাত

তেখেতে অনুগ্ৰহ কৰি অংশীদাৰ হিচাপে তালিকাভুক্ত কৰাত স্বৰ্গীয় বিষ্ণু বৰাদেৱে অংশীদাৰী স্বত্ব প্ৰদান কৰিলে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ভূমিহীন স্বৰূপে কাল যাপন কৰি বহু কষ্টৰ ফলত ন বিঘা মাটিৰ দখল স্বত্ব পালোঁ। এইক্ষেত্ৰত অত্যন্ত সুখী। কিন্তু দুখীও হ'লো এনেক্ষেত্ৰত যে, দুবাৰকৈ হোৱা অগ্নিকাণ্ডত বহু কষ্টেৰে ঘটা সা-সম্পত্তি ধ্বংশপ্ৰাপ্ত হ'ল। বৰ্তমানো তাৰ ক্ষতিপূৰণ কৰিব পৰা নাই। গতিকে দুখ কষ্টৰ মাজেৰেই জীৱন-যাপন কৰি আছো।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰথম অৱস্থাত ৰাজগড়ৰ কাষত নিগম থকা অৱস্থাত নতুনকৈ ৰোগ-ব্যাধিত ভুগিলো। চিকিৎসাৰ অভাৱ। একমাত্ৰ শিমলুগুৰি হাস্পতালৰ বাহিৰে ডাক্তৰ ক'তো নাই। তথাপি বাচিলো। দুবাৰ অগ্নিকাণ্ডৰ ঘটনাও মোৰ পাহৰিব নোৱাৰা ঘটনা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নিগমত জীয়াই থাকিব লাগিব যেতিয়া সকলো লোকে একতাৰে মিলা-প্ৰীতিৰে থাকিলে নিগমৰ ভৱিষ্যৎ উন্নতি হ'বই যেন লাগে। বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰিবলৈ ল'লেহে পৰিয়ালে এমুঠি পেট ভৰাই খাব পাৰিব। অন্যথা পৰিয়াল বৃদ্ধি হৈ গৈ থাকিলে মানুহে ক'ত খেতি কৰিব!

**শ্ৰীখগেন ভৰালী, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।**

১ নং প্ৰশ্নৰ উত্তৰ ঃ মোৰ স্থাৱৰ সম্পত্তি নাছিল। লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰ অঞ্চলত সুলভ মূল্যৰ কেন্দ্ৰ এটি স্থাপন কৰিহে পৰিয়ালৰ ভৰণ-পোষণ কৰি আছিলো। এনে সময়তে স্বৰ্গীয় বিষ্ণু বৰাদেৱ, শ্ৰীযুত ভৱ শইকীয়াদেৱ আৰু মোশ্ৰেফ হুছেইন, এই তিনি ব্যক্তিৰ যোগে নিগম সম্পৰ্কত অৱগত হওঁ আৰু নিগমত এটি সুলভ মূল্যৰ কেন্দ্ৰ স্থাপন কৰিবৰ বাবে তেখেতসকলে কয়। মই পিছদিনা আহি দেখো যে, ৰাইজৰ দুখে কুলাই-পাচিয়ে নধৰা অৱস্থা হৈছেগৈ। বনৰীয়া জন্তুৰ আক্ৰমণ, মেলেৰীয়াৰ আক্ৰমণ, খাদ্যৰ অনাটন আৰু চিকিৎসাৰ অভাৱত বহুলোকে প্ৰাণ হেৰুৱাব লগাত পৰে। মই উক্ত তিনিওগৰাকী ব্যক্তিৰ অনুগ্ৰহত নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰি সুলভ মূল্যৰ দোকান খুলি খাদ্য-সামগ্ৰী যোগানৰ ওপৰত অধিক গুৰুত্ব দিওঁ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মই এজন প্ৰগতিশীল খেতিয়ক হোৱাৰ ঐকান্ত ইচ্ছা আছিল, কিন্তু অভিজ্ঞতা আৰু সা-সৰঞ্জামৰ অভাৱত আগবাঢ়ি যাব পৰা নাছিলো। নিগমত অংশীদাৰ নিযুক্তি পাই সুবিধা গ্ৰহণ কৰি শোণিতপুৰ জিলাৰ প্ৰথম শ্ৰেণীৰ কৃষক হিচাপে স্বীকৃতি পালোঁ। ১৯৮৯ চনত ভাৰত চৰকাৰে মোক ভ্ৰমণৰ সুবিধা দিয়ে। অসম চৰকাৰৰ পৰাও প্ৰথম বিভাগত পাছ কৰা কৰ্ম অভিজ্ঞতাৰ প্ৰমাণ চাৰ্টিফিকেট পাওঁ। ইয়াৰ পৰা মই ক'ব পাৰো যে, নিগমৰ অংশীদাৰী কৃষক হিচাপে মই প্ৰায় সুখীয়েই।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ এদিন মই সুলভ মূল্যৰ কেন্দ্ৰৰ পৰা আহোতে ৰাতি হ'ল। অতব্য হাবিৰ মাজেদি সুৰুঙা বাট, হঠাৎ প্ৰকাণ্ড এজনী বনৰীয়া হাতীৰ সন্মুখত পৰিলো। এজোপা গছক কেন্দ্ৰ কৰি জীৱন ৰক্ষা হ'ল। আনহাতে নিজা এহাল গোনা ম'হ সেইদিনাই বান্ধৰ পৰা অন্তৰ্দ্ধান হ'ল। সেই সংবাদ আজিও নাপালোঁ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নিগমৰ যি নীতি-নিয়ম শুনিছিলো আমাৰ নিচিনা গৰীৱৰ স্বৰ্গত থাকিবলৈ পোৱাৰ দৰে অনুভূতি হৈছিল। কিন্তু কাৰ্যকৰী আজি ২৫ বছৰেও হৈ নুঠিল। গতিকে আমাক মাটিৰ পট্টন দিলে চৰকাৰেও কিছু ৰাজহ সংগ্ৰহ কৰি দেশৰ অৰ্থ-ব্যৱস্থা কিছু টনকিয়াল কৰিব পাৰিব আৰু ৰাইজেও সন্তোষ লভিব।

**শ্ৰীলোহিত বসুমতাৰী, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।**

১ নং প্ৰশ্নৰ উত্তৰ ঃ মোৰ জন্মস্থান আছিল নলবাৰী জিলাৰ দক্ষিণ বাস্কা মৌজাৰ বৰমা থানাৰ অন্তৰ্গত উলুবাৰী (চৌধুৰীটুপ) গাঁৱত। মই ১৯৪৮ চনৰ মাৰ্চ মাহৰ ১৭ তাৰিখৰ পৰা এম-এল-এ বীৰেণ দাসৰ কমিউনিষ্ট পাৰ্টিৰ সদস্য হৈ কাম কৰিছিলো। তাৰপাছত মই ১৯৫১ চনত চাপাগুৰি মৌজাৰ বিধায়ক শ্ৰীঘনকান্ত বসুমতাৰীৰ লগত কমিউনিষ্ট পাৰ্টিত কাম-কাজ কৰিছিলো। আমাৰ জন্মস্থানত মাটি-বাৰী কম আছিল। সেই সামান্য মাটিকণ পাঁচজন ককাই-ভাইৰ বাবে যথেষ্ট নোহোৱাত আমাৰ তিনিজনক পূৰণি মাটিকণ এৰি দি আমি বাকী দুজন লক্ষীমপুৰ জিলাৰ শিমলুগুৰিৰ ৰামপুৰলৈ গুচি আহিলো। মোতকৈ ককাইদেউ এজন আগতেই আহিছিল। কিন্তু শিমলুগুৰিতো মই মাটি-বাৰী ঘটিব নোৱাৰিলো। তেনে সময়তে ঘৰৰ ওচৰতে থকা শ্ৰীনন্দ বৰাক লগ পাওঁ। সম্বন্ধত তেওঁ মোৰ জোৱাই হয়। তেওঁ ভূমিহীনৰ কাৰণে মাটি পাবলৈ আন্দোলন কৰি আছিল। ময়ো সেই আন্দোলনত যোগ দিওঁ। ১৯৬৯ চনৰ পৰা ভূমিহীনৰ তীব্ৰ আন্দোলন চলিল। লক্ষীমপুৰলৈ (মহকুমাধিপতিৰ ওচৰলৈ) খোজকাঢ়ি যোৱা, তেজপুৰৰ ডি-চিক ঘেৰাও কৰা, ঔগুৰি ৰিজাৰ্ভত মাটি কটা, গাঁৱে গাঁৱে মিটিং পতা প্ৰায় সকলোতে মই নন্দ বৰাৰ লগত আছিলো। তেখেতৰ অনুগ্ৰহতে মই সাতটা এমা-ডিমা ল'ৰা-ছোৱালী লগত লৈ ১৯৭৩ চনৰ পৰা পূৰ্ব্বজ্যোতি কৃষিপাম নিগমৰ অংশীদাৰ হিচাপে ন বিঘা মাটিৰ দখল স্বত্ব ভোগ কৰি আহিছো।

২ নং প্ৰশ্নৰ উত্তৰ ঃ নিগমৰ ন বিঘা মাটি পাই খাই-বৈ জীয়াই থাকিবলৈ সুবিধাকণ লাভ কৰি মই সুখী বুলিয়েই ভাবিছো।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ দুইবাৰকৈ হৈ যোৱা এই অঞ্চলৰ ভ্ৰাতৃঘাতী সংঘৰ্ষ মোৰ একেবাৰে চিৰ জীৱন মনত ৰৈ যোৱা ঘটনা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নিগম আইনখন নাইকীয়া হোৱা দেখি মই বৰ দুখ পাইছো। আইন মতে কাম হ'লে নিগমৰ নিশ্চয় উন্নতি হ'ব। উঠি

অহা চামে এই কথা চিন্তা কৰে যেন।

**শ্ৰীকমল দাস, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।**

১ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰথম অৱস্থাত আমি সাতঘৰ মানুহে নগাঁৱৰ পৰা আহি চতিয়া অঞ্চলৰ এটি চাপৰিত বসবাস কৰিছিলো। তাতো জীৱিকা নিৰ্বাহত নানা সমস্যাই দেখা দিয়াত অন্য স্থানলৈ গতি কৰাৰ চিন্তা-চৰ্চ্চা কৰি থাকোতেই স্বৰ্গীয় ৰঘুৰাম দাসৰ মুখেদি পূৰ্ব্বজ্যোতি কৃষিপাম নিগমত ভূমিহীন লোকক সংস্থাপন দিয়া হৈছে বুলি জানিব পাৰিলো। তাৰপিছত ভক্তপ্ৰাণ স্বৰ্গীয় থানুৰাম দাস (বায়ন), স্বৰ্গীয় ডম্বৰু দাস, স্বৰ্গীয় ৰঘুৰাম দাস এই তিনিগৰাকী নিগমলৈ আহি স্বৰ্গীয় বিষ্ণু বৰাদেৰৰ লগত কথা-বতৰা পাতি ঘূৰি যায়। প্ৰকৃততে ক'বলৈ গ'লে সেই সময়ৰ চতিয়া সমষ্টিৰ বিধায়ীকা মাননীয়া শ্ৰীযুতা স্বৰ্ণলতা মহন্ত আৰু ডাঃ কোমেশ্বৰ বৰাদেৱৰ যোগেদি স্বৰ্গীয় বিষ্ণু বৰাদেৱৰ অনুগ্ৰহতেই এই অভাজনসহ সাতঘৰ মানুহে নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰিলো।

২ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিয়াল পোহ-পালনৰ অশেষ দুখ-যন্ত্ৰণাৰ মূৰত পূৰ্ব্বজ্যোতি কৃষিপাম নিগমত ভূমি ডোখৰ পাই কেৱল মই অকলেই নহয় আমাৰ চতিয়াৰ পৰা অহা আটাইকেই ঘৰ মানুহ অতিশয় সুখী।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ স্মৰণীয় ঘটনা বুলি ক'লেতো বহুতো কথাই মনলৈ আহে। তাৰে কিছু কথা ক'বলৈ ওলাইছো।

মানুহ মাত্ৰেই মৃত্যু আছে। তথাপি বহু আশা বুকুত বান্ধি এমুঠি সুখেৰে খাম বুলি এই নিগমলৈ আহি মেলেৰীয়াৰ লগত যুঁজ কৰি বহুকেইজন লোক অকালতে সিপুৰীলৈ গ'লগৈ। মোৰ ভাগ্যতো সেয়াই হ'ল। কণ কণ চাৰিটা শিশুক মোৰ হাতত এৰি দি সহধৰ্মীনি স্বৰ্গীয়া নীলিমা গুচি গ'লগৈ। সেই মুহুৰ্ত্ততো মই কেতিয়াও পাহৰিব নোৱাৰো। তদুপৰি মাজু দাস, স্বৰ্গীয় ডম্বৰু দাস, মোৰ পিতৃস্বৰূপ থানুৰাম দাস, স্বৰ্গীয় বধুৰাম দাস, স্বৰ্গীয় মৰিয়া দাস, স্বৰ্গীয় গান্ধীৰাম কাকতি, মোৰ ভাই স্বৰ্গীয় হৰ দাস, স্বৰ্গীয় লীলাধৰ দাস, স্বৰ্গীয় বগীৰাম দাস, স্বৰ্গীয় ডম্বৰু দাস, স্বৰ্গীয় ঠগেশ্বৰ দাস, স্বৰ্গীয় খৰ্গেশ্বৰ দাস, স্বৰ্গীয় ভদ্ৰৰাম দাস, স্বৰ্গীয় ধেমাগৰীয়া বাপ আদি লোকসকলে মনৰ আশা পূৰণ নকৰাকৈয়ে গ'লগৈ এই সংসাৰ এৰি। তদুপৰি আমাৰ সকলোৰে নমস্য স্বৰ্গীয় বিষ্ণু বৰাদেৱেও আকস্মিকভাৱে মৃত্যুবৰণ কৰিলে। এইসকলৰ স্মৃতি মোৰ চিৰ জীৱন মনত থাকিব।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নিগমৰ ভৱিষ্যৎ ক'বলৈ গ'লে মই সকলো ফালেদি আগবঢ়া এখন সমাজৰ কথাই আশা কৰো। তাৰ বাবে লাগিব আমাৰ সকলোৰে মাজত ঐক্য, সংহতি আদি।

**শ্ৰীঘন গগৈ, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।**

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭১ চনৰ কথা। মই তেতিয়া লক্ষীমপুৰ জিলাৰ ৰঙতিৰ তৰানিখাট নামৰ গাঁৱত মোৰ খুৰাদেউৰ মাটিতে অস্থায়ীভাৱে থাকি তেখেতসকলৰ মাটিতে আধি ভাগি হিচাপে খেতি-বাতি কৰাৰ উপৰিও বিভিন্ন বেপাৰ-সমাৰ কৰি জীৱন নিৰ্বাহ কৰি আছিলো। তেতিয়া শিমলুগুৰি নিবাসী শ্ৰীযুত নন্দ বৰা আৰু স্বৰ্গীয় বিষ্ণু বৰাদেৱ আৰু স্বৰ্গীয় বেৰ বৰা আদি লোকসকলে লক্ষীমপুৰ জিলাকে ধৰি অন্য কেইখনমান জিলাৰ মানুহক লৈ এখন নিগম প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা লয় আৰু শেষত চৰকাৰে অনুমোদন জনায়। মই উক্ত লোকসকলৰ অনুগ্ৰহতে নিগমত ভূমিখণ্ড পাওঁ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মই মাটি পাই অতি সুখী হৈছো, কিন্তু বৰ্ত্তমান সুখী হ'ব পৰা নাই। কাৰণ চৰকাৰী নিগম আইন মতে কাম নোহোৱাত আমি সুবিধাৰ পৰা বঞ্চিত হৈ আছো। নিগমৰ আইনৰ ব্যৱস্থা হ'লে কৃষক হিচাপে সুখী হ'ম।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ পুৰণি নিগমত হাবিৰ মাজত খেতি কৰি থোৱা আছিল। বনৰীয়া হাতীয়ে সেইবোৰ খাবলৈ অহাত খেদিবলৈ যাওঁতে হাতীৰ খেদাত গাঁতত ভৰি সোমাই ভৰিত দুখ পাওঁ আৰু হাতীৰ খেদাত যি ভয় আৰু শৰীৰত আঘাত পাইছিলো সেয়াই মোৰ স্মৰণীয় ঘটনা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নিগম প্ৰতিষ্ঠাৰ সময়ত নিগম কৰ্ত্তৃপক্ষই যি আঁচনি লৈছিল, সেয়া বৰ সুন্দৰ আছিল, কিন্তু এই আঁচনিবিলাক কাৰ্যকৰী নোহোৱাত আমি দুখীতঃ। ফলত মানুহে মাটি বন্ধক দি পৰিয়াল চলাব লগা হৈছে। এনে হৈ থাকিলে এদিন এচাম মানুহৰ হাতলৈ গুচি যাব আৰু আমাৰ নিচিনা দুখীয়া মানুহবিলাক আকৌ ভূমিহীন হৈ পৰিম। গতিকে সোনকালে চৰকাৰী আঁচনিখিনি কাৰ্যকৰী কৰিবৰ বাবে জনা-বুজা লোকৰ ওপৰত আশা কৰিলো। যদিহে এনেদৰে থাকে তেতিয়া হ'লে মাটিৰ পট্টন দিলেই ভাল হয়।

**শ্ৰীমোলোকা দাস, অংশীদাৰ পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।**

১ নং প্ৰশ্নৰ উত্তৰ ঃ মোৰ জীৱনৰ বহু দুখ, বহু কষ্টৰ মাজেদি স্বৰ্গীয় বিষ্ণু বৰাদেৱৰ অনুগ্ৰহত পূৰ্ব্বজ্যোতি নিগমত মাটি পাওঁ। নিগম প্ৰতিষ্ঠাৰ আন্দোলনত যোগদান কৰিছিলো। লক্ষীমপুৰৰ হাকিম চাহাবৰ অফিচ ঘেৰাও কৰিবলৈও খোজকাঢ়ি গৈছিলো।

২ নং প্ৰশ্নৰ উত্তৰ ঃ নিগমত মাটি পাই দুবেলা দুমুঠি খাবলৈ পাইছো, ল'ৰা-ছোৱালীক খুৱাব-পিন্ধাব পাৰিছো, সেইফালৰ পৰা সুখ পাইছো। খালী দুখ পালো নিগমৰ আইন মতে একো কাম নহ'ল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ নিগমৰ সকলো মানুহে দুখ-কষ্ট কৰি সা-সম্পত্তি লৈছিলো। ময়ো দুই-এপদ বস্তু-বাহানি গোটাইছিলো। কিন্তু কি হ'ব, দুবাৰকৈ হোৱা ঘটনাই সকলো শেষ কৰিলে। পোৱাখিনি পুৰিলে, থকাখিনিও চোৰে নিলে। গতিকে সেয়ে স্মৰণীয় ঘটনা। কাৰণ এই ক্ষতিবোৰ কেতিয়াও পাহৰিব নোৱাৰো।

ORDISCD

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আগৰ আঁচনিবিলাক হ'লে, বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰাৰ ব্যৱস্থা কৰা হ'লে পাছলৈ যুৱক-যুৱতীবিলাকৰ উন্নতি হ'ব। সাধাৰণ মানুহবিলাকৰো উপকাৰ হ'ব। পট্টা নহ'লে ভাল মাটিবিলাক বেছি পেলাব।

শ্ৰীসৰ্বেশ্বৰ দুৱৰা, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।

১ নং প্ৰশ্নৰ উত্তৰ ঃ মোৰ ঘৰ ইয়াৰ আগতে মাডিকুছিত আছিল। মাটি-ভেটি নথকাৰ বাবেই মাটিৰ সন্ধানত যেনি-তেনি ঘূৰি ফুৰা অৱস্থাত শ্ৰীতুলসী ভূঞাই নিগম খোলাৰ কথা জনায়। শ্ৰীতুলসী ভূঞা আৰু শ্ৰীটিক্ক নেওগে আমাৰ ফালৰ মানুহখিনিৰ নেতৃত্ব দিছিল। শেষত ১৯৭৩ চনত স্বৰ্গীয় বিষ্ণু বৰাদেৱৰ অনুগ্ৰহত নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰোঁ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অংশীদাৰী স্বত্ব লাভ কৰি মই আৰু মোৰ পৰিয়ালৰ সকলো লোকেই সুখী। অৱশ্যে বহুতো বিপদ-বিঘিনিয়ে আমাক জুৰুলা কৰিছিল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মোৰ ঘৰ পুৰণা নিগমত শ্ৰীদ্ৰোণ কাকতিৰ ঘৰৰ কাষতে আছিল। ১৯৭৪ চনমানৰ কথা। কম বয়সীয়া শ্ৰীকাকতি ঘৰত অকলশৰীয়া। ৰাতি সেইকেইদিন বাঘে দৌৰাত্ম চলাইছিল মানুহ আৰু জীৱ-জন্তুৰ ওপৰত। বহুতো ঘৰচীয়া জন্তু মাৰিছিল। শ্ৰীকাকতিৰ ঘৰৰ বেৰবিলাক আছিল তৰা-খাগৰীৰ। এটা প্ৰকাণ্ড বাঘে তেওঁৰ ঘৰৰ ভিতৰত সোমাবৰ বাবে হাতোৰাৰে বেৰ ফালি দিয়ে। কাকতিয়ে এটা বগী টিং এডাল ডাঙৰ মাৰিৰে কোবাই কোবাই চিঞৰি থাকে। শ্ৰীতুলসী ভূঞাই এখন নিহালী মূৰত লৈ অন্য এটা ঘৰৰ পৰা চিঞৰি থাকে। মই আন্ধাৰ ৰাতি দুৱাৰ বিচাৰি নাপাই বেৰত খুন্দিয়াই বৰ দুখ পাওঁ। শেষত চিঞৰ-বাখৰত শিলমুগুৰিৰ পৰা অনা আমাৰ এটা বলধ গৰুৰ ডিঙিত ধৰে আৰু নলী ছিঙে। ডিঙিৰ পঘা ছিঙিব নোৱাৰি আমাৰ চিঞৰ-বাখৰ শুনি এৰি থৈ যায়।

শ্ৰীটুপীধৰ গগৈ, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম (মাজশাৰী)

১ নং প্ৰশ্নৰ উত্তৰ ঃ মোৰ ঘৰ ধলপুৰৰ যোৰহটীয়া গাঁৱত আছিল। ভূমি দখল আন্দোলন আৰম্ভ হোৱাত ময়ো তাৰ কৰ্মী হওঁ। লক্ষীমপুৰত উপায়ুক্তৰ কাৰ্যালয় ঘেৰাৱত ময়ো গৈছিলো। শেষত নিগম প্ৰতিষ্ঠাৰ দাবী চৰকাৰে মানি লোৱাত স্বৰ্গীয় বিষ্ণু বৰাদেৱৰ অনুগ্ৰহত নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰোঁ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ নিগমত সোমোৱাৰ প্ৰথম অৱস্থাত মেলেৰীয়া মহামাৰীত হোৱা মানুহৰ দুখ-দুৰ্গতি, হাতীৰ উপদ্ৰৱ, ভোকত বনৰীয়া কচু আদি খাই কটোৱা দিনবোৰৰ কথা জীৱনত পাহৰিব নোৱাৰো।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সুখ-দুখ মানুহৰ জীৱনত দুয়োটাই থাকে। তথাপি বৰ্তমান দুবেলা দুমুঠি খাবলৈ পাইছো যেতিয়া সুখী বুলিয়েই ক'ব লাগিব।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতিষ্ঠাৰ কালৰ পৰা বৰ্তমানলৈকে পোৱা অভিজ্ঞতাৰ যোগেদি নিগমৰ ভৱিষ্যৎ উজ্জ্বল হ'ব বুলি ক'ব পাৰি।

শ্ৰীদ্ৰোনেশ্বৰ নেওগ, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।

১ নং প্ৰশ্নৰ উত্তৰ ঃ মোৰ পূৰ্বৰ ঘৰ আছিল শিমলুগুৰিৰ ৰামপুৰত। ১৯৬৯ চনৰ পৰা কৃষি-শ্ৰমিকৰ আন্দোলনত জড়িত আছিলো। শ্ৰীযুত নন্দ বৰাৰ লগত প্ৰথমে যোগাযোগ কৰিছিলো। মই মোৰ শহুৰৰ ঘৰৰ বাৰীত জুপুৰী এটি সাজি আছিলো। তাৰপিছত শ্ৰীযুত বৰাদেৱৰ অনুগ্ৰহতে নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰো।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সুখ-দুখৰ মাজেদিয়েই বৰ্তমান জীয়াই আছোঁ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ পুৰণি নিগমত তিনিওফালে তিনিকুৰা জুই ধৰি লৈ হাতত জুইৰ আঙঠা লৈ হাতী খেদিছিলো। হাতীৰ গালৈ জুই দলিয়াইছিলোঁ। হাতীৰ উৎপাত বেছি হোৱাত হাতত এটি চাকি লৈ এডাল যাঠী লৈ মোৰ আইয়ে মোক দিবলৈ লৈ আহোতে মোৰ ভৰিত সোমাই বেয়াকৈ জখম কৰে। হাতীৰ উপদ্ৰৱৰ মাজতে এনে দুৰ্ঘটনা ঘটাত জীৱ উৰি যাওঁ যাওঁ হৈছিল। ই মোৰ জীৱনত পাহৰিব নোৱাৰা ঘটনা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নিগম আইন মতে কাম হ'লে ভাল হ'ব। যদি এইবোৰ একো নহয়, তেতিয়া হ'লে মাটিৰ পট্টন দিয়াই ভাল হ'ব।

শ্ৰীভোগেশ্বৰ গোহাঁই, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম (পশ্চিম শাৰী)।

১ নং প্ৰশ্নৰ উত্তৰ ঃ ব্ৰহ্মজান ৰাঙলিয়ালত আছিলোঁ। নিগম প্ৰতিষ্ঠা হোৱাত দৰঙৰ (অবিভক্ত) ভূমিহীন মানুহৰ প্ৰয়োজন হোৱাত স্বৰ্গীয় শশী গোহাঁইদেৱৰ অনুগ্ৰহত আমি প্ৰায় ২০-২১ ঘৰ মানুহে ১৯৭৪ চনত নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰো।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মেলেৰীয়া মহামাৰীৰ কথাটো সকলোৰে জানেই। এবাৰ খৰি বেছিবলৈ গছ এডাল কাটোতে গছজোপা আহি এটা মূঢ়াৰ ওপৰত পৰিল আৰু মই গছৰ তলত সোমালো। কথমপি ৰক্ষা পৰিলো যদিও ভালেখিনি জখম হয়। সেইদিনটোৰ কথা মনত পৰিলে আজিও গাৰ নোম শিয়ৰি উঠে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ন বিঘা মাটি এটা পৰিয়ালৰ বাবে যথেষ্ট নহয়। তথাপি আগৰ তুলনাত যথেষ্ট সুখী।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নিগমৰ ভৱিষ্যৎ ভাল হ'ব বুলিয়েই আশা কৰোঁ।

শ্ৰীগুণেশ্বৰ দাস, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম (পশ্চিম শাৰী)।

১ নং প্ৰশ্নৰ উত্তৰ ঃ মোৰ ঘৰ আগতে শিমলুগুৰিত আছিল। ঘৰৰ

OKDISCD

ভেটিটোৰ বাহিৰে খেতিৰ মাটি একেবাৰে নাছিল। চৰকাৰী ভূমি দখল আন্দোলন আৰম্ভ হোৱাত মইয়ো মাটিৰ আশাত সেই আন্দোলনত যোগ দিওঁ। মোৰ ল'ৰা ইন্দ্ৰেশ্বৰে ৰাইজৰ লগত লক্ষীমপুৰত D.C.-ক ঘেৰাও কৰিবলৈ গৈছিল। ঔগুৰি ৰিজাৰ্ভটো মই হাবি কাটি মাটি দখল কৰিছিলো। তেতিয়া আমি চেঁচা নদীৰ বালিত কেম্প পাতি লৈছিলোঁ। শেষত যেতিয়া নিগম প্ৰতিষ্ঠাৰ সিদ্ধান্ত হ'ল, স্বৰ্গীয় বিষ্ণু বৰাদেৱৰ কৃপাত ১৯৭৩ চনত নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰোঁ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সুখ-দুখ মানুহৰ জীৱনৰ লগৰীয়া। তথাপি মাটি-বাৰী নোহোৱাৰ সময়ৰ তুলনাত বৰ্তমান যথেষ্ট সুখী।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ হাবি-জংঘল কটাৰ সময়ত বনৰীয়া জীৱ-জন্তুৰ মাজত বহুত কষ্ট পাইছিলো। তথাপিও ১৯৮৩ আৰু ১৯৮৯ চনত পোৱা কষ্টৰ কথা জীৱনত পাহৰিব নোৱাৰোঁ।

ইয়াৰ বাহিৰেও হাবি কাটি থাকোতে হাতী পোৱালী এটা তৰাৰে বান্ধি ধৰি আনো জীৱনত এই দুইটা মনত থাকি যোৱা ঘটনা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নিগমৰ ভৱিষ্যৎ জনসাধাৰণৰ ওপৰতেই নিৰ্ভৰ কৰিব। নিগমৰ ভৱিষ্যৎ উত্তৰ পুৰুষৰ ওপৰতহে নিৰ্ভৰ কৰিব। নিগমৰ আঁচনি থাকেইনে নাথাকে একো বুজিবই নোৱাৰি।

**শ্ৰীনৰবাহাদুৰ দাহাল, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।**

১ নং প্ৰশ্নৰ উত্তৰ ঃ মোৰ ঘৰ পূৰ্বতে শিমলুগুৰিত আছিল। মাটি-বাৰী একেবাৰেই নাছিল। ঠিক ১৯৬৯ চনৰ পৰা ভূমিহীন লোকৰ দ্বাৰা ভূমি দখল আৰম্ভ হৈছিল। ইয়াৰ নেতৃত্ব দিছিল স্বৰ্গীয় বিষ্ণু বৰা আৰু নন্দ বৰাদেৱে। মইয়ো সেই আন্দোলনত যোগ দিওঁ। নিগমত সোমোৱাৰ আগতে ঔগুৰি ৰিজাৰ্ভতো আমি মাটি ভাঙিছিলো। অৱশ্যে শ্ৰীৰত্নবাহাদুৰ অধিকাৰীয়েহে আমাক সুবিধা কৰি দিয়ে। তেখেতৰ যোগেদি মইসহ এঘাৰ ঘৰ নেপালী সম্প্ৰদায়ৰ মানুহে স্বৰ্গীয় বিষ্ণু বৰা আৰু শ্ৰীনন্দ বৰাদেৱৰ অনুগ্ৰহত নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰো।

২ নং প্ৰশ্নৰ উত্তৰ ঃ আগতে লোকৰ মাটিত আধি খেতি কৰি, হাজিৰা কৰি পৰিয়াল পুহিছিলো। বৰ্তমান ন বিঘা মাটি পাই সুখী বুলিয়েই ক'ব পাৰি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ নিগমত সোমাই বহুতো জ্বালা-যন্ত্ৰণা ভোগ কৰিছিলো। তথাপি ১৯৮৩ আৰু ১৯৮৯ চনৰ ভ্ৰাতৃঘাতী সংঘৰ্ষত পোৱা কষ্টখিনি জীৱনত পাহৰিব নোৱাৰো।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নিগমৰ আঁচনি মতে যেতিয়া কাম নহ'ল, গতিকে চৰকাৰে মাটিৰ পট্টন দিলেই ভাল হয়।

**শ্ৰীলোকনাথ বৰা, অংশীদাৰ, পূৰ্ব্বজ্যোতি কৃষিপাম নিগম।**

১ নং প্ৰশ্নৰ উত্তৰ ঃ লক্ষীমপুৰ জিলাৰ ধলপুৰ মৌজাৰ অন্তৰ্গত উত্তৰ কাঠনি গাঁৱত আমি সাধাৰণ এখন বাৰীতে থাকি বহু কষ্টত জীৱন অতিবাহিত কৰিছিলো। নিগম প্ৰতিষ্ঠাৰ লগে লগে লক্ষীমপুৰ জিলাৰ ধলপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ (বৰ্তমান উচ্চতৰ মাধ্যমিক বিদ্যালয়) তেতিয়াৰ সহকাৰী শিক্ষক, ধলপুৰ ছোৱালী হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক স্বৰ্গীয় দুৰ্গেশ্বৰ পাঠকদেৱৰ অনুগ্ৰহত আৰু স্বৰ্গীয় বিষ্ণু বৰাদেৱৰ কৃপাত নিগমৰ অংশীদাৰী স্বত্ব লাভ কৰিলো।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বৰ্তমান সুখী বুলিয়েই ক'ব লাগিব।

৩ নং প্ৰশ্নৰ ফত্তৰ ঃ স্মৰণীয় ঘটনাৰ কথা ক'বলৈ গ'লে ১৯৮৩ আৰু ১৯৮৯ চনৰ ভ্ৰাতৃঘাতী সংঘৰ্ষৰ সময়ৰ কথাই ক'ব লাগিব। সেই দিনকেইটাত পোৱা দুখ, নিৰ্যাতনৰ কথা মৃত্যুৰ আগমুহূৰ্তলৈকে মনত পৰা মচিব নোৱাৰা ঘটনা। মেলেৰীয়া আৰু বনৰীয়া জীৱ-জন্তুবিলাকৰ মাজত লঘোণীয়া অৱস্থাত কটাবলগীয়া হোৱা দিনবিলাকৰ কথা আছেই।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নিগমৰ যি আঁচনি, সেই আঁচনি মতে কাম নহ'ল। গতিকে চৰকাৰে নিগমৰ ৰাইজক ভূমিৰ আৱণ্টন দি ৰাজহ বিভাগৰ অন্তৰ্ভুক্ত কৰিলেই ভাল হ'ব বুলি ভাবো। নিগমৰ উঠি অহা চামৰ ওপৰতো নিগমৰ ভৱিষ্যৎ অৱশ্যে নিৰ্ভৰশীল। ●

*With Best Compliments from...*

**INSTITUTE OF NEUROLOGICAL SCIENCES & GNRC HEART INSTITUTE**

DISPUR (NEAR SUPER MARKET), GUWAHATI - 781 006

Phone : 561654, 567195, 567198

We are having the following facilities for the patients of :

CARDIOLOGY: NEUROLOGY: NEUROSURGERY: NEUROPSYCHIATRY

# 50 BEDED ICU FOR NEURO AND CARDIAC PATIENTS # HI-TECH C.T. SCAN # DSA WITH C-ARM # MRI # CT GUIDED STERIOTECTIC # COLOUR DOPPLER WITH ECHO & USG # HOLTER MONITOR WITH COMPUTER ANALYSIS # MULTICHANNEL MONITORS # STRESS ECG (TREAD MILL) # SIEMENS VENTILATORS # BLOOD GAS ANALYSIS

24hours service for any CARDIAC & NEURO patients

AND STANDARD FACILITIES LIKE :

| | |
|---|---|
| X-RAY | LIFESCOPE 12 MONITOR |
| EMG | STATE OF THE ART OPERATION THEATRE |
| EEG | PMRD |
| ECG | OPD & INDOOR FACILITIES |

OKDISCD

## শুৱনি আমাৰ পূৰ্ব্বজ্যোতি কৃষিপাম

**বিজুমণী বৰা**

ধুনীয়া ধুনীয়া    অতিকৈ ধুনীয়া
আমাৰ গাঁওখনি,
তিনিটা শাৰীত    বিবিধ জাতিয়ে
আছে বসবাস কৰি।
বিভিন্ন জাতিৰ    সংমিশ্ৰণত যদিও
বসবাস কৰি আছে,
তথাপিও নাই    কোনো কোলাহল
নিজ ধৰ্ম নিজে পালে।
আদিতে আছিল    গোটেই নিগম
হাবি জংঘলেৰে ভৰা,
চাফ-চিকুণ কৰি    ধুনীয়া কৰিলে
সাজিলে একোটি পঁজা।
জংঘলৰ মাজত    বসবাস কৰোঁতে
ওলায় বনৰীয়া হাতী,
প্ৰত্যেকে মিলি    খেদে ডাঙৰীয়াক
হাই-উৰুমি কৰি।
নিগমৰ মাটিত    শালি-আহুৰ খেতি
কৰিলে ভাল হয়,
শৰত কালত    ৰবি শস্যৰ খেতি
আৰু মনঃপুত হয়,
অৱশেষত চৰকাৰে    নিগমৰ ৰাইজক
ন-বিঘাকৈ মাটি দিলে,
তাকে পাই ৰাইজে    মনৰ আনন্দত
নিগাজিকৈ বহি ল'লে।
অনেক আছে বতৰা    নিগমৰ ৰাইজৰ
বিভিন্ন সময়ত ঘটা
ৰূপালী জয়ন্তীৰ    স্মৃতিগ্ৰন্থত
নিশ্চয় পঢ়িবলৈ পাবা।

## জয় নিগমবাসী কৃষকৰ জয়

**চুমী বৰা**

নিগমবাসীৰ মাটিৰ বুকুত নাঙলৰ জয়
কৃষকৰ নিচান উৰে
আকাশৰ মেঘে মৃদঙ্গ বজায়
উল্লাসতে সমদলে জয়ধ্বনি তোলে
জয় নিগমবাসী কৃষকৰ জয়।
অপৰূপ বাৰিষাই আনে
চহা জীৱনৰ অমৃত ধাৰ
নাঙলে ধৰে হালৰ মুঠি
তল মাটি ওপৰ কৰে।
আঘোণৰ পথাৰত টুনিয়ে নাচে
উৰি উৰি গাই যায়
পথাৰ হওক ন-সুবাস
ধান হওক সোণ
জয় নিগমবাসী কৃষকৰ জয়।
কাচিৰ বলত সোণ সৰে
উদং ভঁৰালত লখিমী ভৰে
কৃষিজীৱীৰ দুখ হৰে
জীৱন যাত্ৰা চলে।
নিগমবাসীৰ অন্নদাতা
বিষ্ণু হৈ জগত পালা
ধৰাতে সৰগ ৰচা।
তেৱেঁই উৰুৱালে কৃষক নিচান
বাজি উঠিল জয়ঢোল
বিনাশ হ'ল কৃষকৰ দুখ
কৰ্ম অবিৰত ধৰ্ম হৃদয়ত
কৰ্ম বিনে নাই ধৰ্ম।
জয় নিগমবাসী কৃষকৰ জয়।

GKDISCD

## উদ্‌যাপন সমিতিৰ উপসমিতিসমূহ

মুখ্য উপদেষ্টা ঃ শ্ৰীযুত গণেশ কুটুম, অধ্যক্ষ অসম বিধান সভা

ঃ উপদেষ্টা মণ্ডলী ঃ

শ্ৰীযুত নৰ কুমাৰ চেতিয়া, উপায়ুক্ত, শোণিতপুৰ
শ্ৰীযুত অৰুণ কুমাৰ ডেকা, জিলা কৃষি বিষয়া
শ্ৰীযুত চিন্ময় শইকীয়া, মহকুমাধিপতি, বিশ্বনাথ চাৰিআলি
শ্ৰীযুত শশীধৰ লাগাচু, মহকুমা কৃষি বিষয়া, গহপুৰ
সহকাৰী কাৰ্যবাহী অভিযন্তা, গড়কাপ্তানী বিভাগ, গহপুৰ
শ্ৰীযুত ভোগৰাম শইকীয়া, বিশেষ বিষয়া আৰু পৰিচালক, পূঃ নিগম
শ্ৰীযুত শুল বৰা, প্ৰাক্তন বিধায়ক
শ্ৰীযুত ভদ্ৰকান্ত গোস্বামী, সত্ৰাধিকাৰ, বেলগুৰি সত্ৰ
শ্ৰীযুত ভৰ শইকীয়া, শেলকঠীয়া
শ্ৰীযুত ৰিপুণ বৰা, গহপুৰ
শ্ৰীযুত কেশৱ হাজৰিকা, গহপুৰ
শ্ৰীযুত ডম্বৰু বৰা
ডাঃ প্ৰফুল্ল বৰা
শ্ৰীযুত মেদিনী দলে
শ্ৰীযুত কবিৰাজ শৰ্মা
শ্ৰীযুত ৰমা হাজৰিকা
শ্ৰীযুত নোমল গগৈ, অ'.চি., গহপুৰ থানা
শ্ৰীযুত ৰামনয়ন পাটগিৰি
শ্ৰীযুত বিনন্দ বৰুৱা
শ্ৰীযুত শোভেশ্বৰ ফুকন
শ্ৰীযুত পিয়াৰীলাল বসুমতাৰী
শ্ৰীযুত সুখলাল বসুমতাৰী
শ্ৰীযুতা হেমদা বৰা
শ্ৰীযুত লক্ষী শইকীয়া
শ্ৰীযুত নোমল পেগু
শ্ৰীযুত বীৰেন শইকীয়া
শ্ৰীযুত ৰত্নেশ্বৰ বৰা

### (১) কাৰ্যকৰী সমিতি ঃ

শ্ৰীনন্দ বৰা, সভাপতি
শ্ৰী নৃপেন্দ্ৰ কুমাৰ দে, কাৰ্যকৰী সভাপতি/ কোষাধ্যক্ষ
শ্ৰীটঙ্ক নেওগ, সাধাৰণ সম্পাদক

শ্ৰীমহেন্দ্ৰ দুৱৰা
শ্ৰীদণ্ডেশ্বৰ হাজৰিকা | সহঃ সম্পাদকদ্বয়

শ্ৰীদৰব্ৰত বৰা
শ্ৰীসোমেশ্বৰ বৰা | প্ৰচাৰ সম্পাদকদ্বয়

### (২) স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি ঃ

শ্ৰীযুতা দৰ্পণা বৰা, উপদেষ্টা ঃ শ্ৰীথুলেশ্বৰ দাস, সভাপতি; শ্ৰীদ্ৰোণ কাকতি, সম্পাদক; শ্ৰীপ্ৰশান্ত বৰা, সহঃ সম্পাদক; সদস্যবৃন্দ ঃ সৰ্বশ্ৰী জীৱন ৰয়, ধনাৰাম দুৱৰা, মানিক গগৈ, জয়া বৰা, অনিমা কাকতি আৰু দন্দেশ্বৰ হাজৰিকা।

### (৩) অভ্যৰ্থনা সমিতি ঃ

শ্ৰীযুত কমল ভূঞা, সভাপতি; শ্ৰীৰমেশ গোহাঁই, উপসভাপতি; শ্ৰীগজেন হাজৰিকা, সাঃ সম্পাদক; শ্ৰীঅৰুণ মুদৈ, সহঃ সম্পাদক; সৰ্বশ্ৰী নিৰন কোঁৱৰ, পুষ্পলতা দুৱৰা, উমা গগৈ, মোহন গগৈ, পদুমী শইকীয়া, বিজুমণি বৰা, মোহন চেতিয়া, বাবুল ৰাজখোৱা, ৰত্নেশ্বৰ গগৈ, স্বপ্না বৰা, মিনতি শইকীয়া, চেনী ফুকন, নাৰায়ণ ভূঞা; দ্ৰোণেশ্বৰ নেওগ, ৰাজেন গগৈ, খগেন ভৰালী, ডম্বৰু বনিয়া, যতীন বনিয়া, দেহেশ্বৰ হাজৰিকা, গিৰিধৰ হাজৰিকা, হৰেন শইকীয়া, মইনা দত্ত, অৰুণ বৰা, প্ৰফুল্ল শইকীয়া, লহকৰ দাস, শৰৎ দাস, গিৰিধৰ শইকীয়া, মণ্টু বৰা, নিত্যা বৰুৱা, প্ৰদীপ ডেকা, কোষেশ্বৰ বৰা, বকুল দাস, কৰ্ণেশ্বৰ হাজৰিকা, চন্দ্ৰ শইকীয়া, ৰামবিলাস দাস, নন্দেশ্বৰ দাস, নোমলীয়া দাস, প্ৰহ্লাদ বনিয়া, দিলীপ দাস আৰু নৰবাহাদুৰ দাহাল।

### (৪) বিত্ত সমিতি ঃ

শ্ৰীনৰেশ্বৰ শইকীয়া, সভাপতি; শ্ৰীশম্ভু নাথ, উপসভাপতি; শ্ৰীমহেন্দ্ৰ দুৱৰা, সম্পাদক; শ্ৰীধনীৰাম দুৱৰা, সহঃ সম্পাদক; সদস্যবৃন্দ ঃ সৰ্বশ্ৰী বিযুও (বুবুল) বৰা, বগাই হাজৰিকা, কৃষ্ণ কাকতি, বগীৰাম বৰা, সভাৰাম গগৈ, বাপুতি চ'ৰা, মইনা চাংমাই, শলিয়া কাকতি, ফুনু বৰা, ভৰ দাস, পুষ্প কাকতি, সুৰেন বৰা, ৰত্নেশ্বৰ ভূঞা, বীৰেন বৰা, ৰঞ্জিত কাকতি, মণিৰাম গগৈ, লোকেশ্বৰ গগৈ, চেনীৰাম ভৰালী, বগাই সন্দিকৈ, টঙ্কেশ্বৰ দাস, সঞ্জয় দে, পোৱাল গগৈ, ভদ্ৰেশ্বৰ বৰা, পিতাম্বৰ নাথ, দ্ৰোৰ্ণেশ্বৰ হাজৰিকা, ৰঞ্জিত গগৈ, ওম প্ৰকাশ, ৰামানন্দ চাহু, প্ৰভাত বসুমতাৰী, গোলোক দাস, ভোগেশ্বৰ গোহাঁই আৰু গুণেশ্বৰ গোহাঁই।

### (৫) তোৰণ সমিতি ঃ

শ্ৰীজীৱন ৰয়, সভাপতি; শ্ৰীবদন চাংমাই, সম্পাদক; সদস্যবৃন্দ ঃ সৰ্বশ্ৰী ললিত গগৈ, চুচেন বৰুৱা, নাৰায়ণ শইকীয়া, দিলীপ বৰা, অম্বু গগৈ আৰু বিনন্দ দে।

### (৬) মণ্ডপ সমিতি ঃ

OKDISCD

শ্ৰীগোপাল চাংমাই, সভাপতি; শ্ৰীকমল দাস, উপসভাপতি; শ্ৰীমানিক গগৈ সম্পাদক; শ্ৰীথানেশ্বৰ গগৈ, সহঃ সম্পাদক; সদস্যবৃন্দ ঃ সৰ্বশ্ৰী বিপুল দুৱৰা, টঙ্কেশ্বৰ গগৈ, খগেন দিহিঙ্গীয়া, মানিক বসুমতাৰী, মুহিৰাম গগৈ, বেনুধৰ সন্দিকৈ, লক্ষীৰাম বৰা, নবীন দুৱৰা, তৰুণ গগৈ, পুলিন বৰা, মানিক ফুকন, তমুৰাম চাংমাই, কৃষ্ণ ফুকন, টঙ্কেশ্বৰ হাজৰিকা, ভবেন বৰা, টেংবাহাদুৰ ছেত্ৰী, যোগেশ্বৰ গগৈ, হৰেণ শইকীয়া, ফটিক বৰা, জিতেন মুদৈ, মনু সন্দিকৈ, কুলধৰ ভূঞা, হিতৰাম নাথ, নোমল বৰা, ডিম্বেশ্বৰ সন্দিকৈ, মাধৱ নাথ, ৰমা নাথ, প্ৰশান্ত গগৈ, বানেশ্বৰ চাংমাই, গোপাল শইকীয়া, নমোৰাম ভূঞা, তুতু শইকীয়া, ৰমাশঙ্কৰ চাহু, বুদ্ধেশ্বৰ বনিয়া, ডম্বৰু দুৱৰা, বাপধন বৰা, ভাকিণ হাজৰিকা, ৰাজেন বৰা, ক্ষিতেশ্বৰ বৰমুদৈ, বকুল বনিয়া, গোঠোৰা বনিয়া, গোপাল দাস, বুদ্ধেশ্বৰ হাজৰিকা, ৰমেন হাজৰিকা, মুহিকান্ত দাস, লক্ষীৰাম দাস, বগামল দাস, জীৱেশ্বৰ শইকীয়া, কীৰিতি শইকীয়া, সোমৰাম বৰা, ৰাতুল চাংমাই, মহেন্দ্ৰ গগৈ, অপূতি চেতিয়া, মোহন বনিয়া, গুণেশ্বৰ দাস, ভদ্ৰেশ্বৰ বৰা, গহীন কলিতা, মিনেশ্বৰ বৰা, তিলেশ্বৰ ভূঞা আৰু কমলেশ্বৰ গগৈ।

## (৭) সাংস্কৃতিক সমিতি ঃ

